অসমৰ জাতীয় জীৱনত
সংহতি আৰু সংঘাত

হীৰেন গগৈ

Asamar Jatiya Jibanat Sanghati Aru Sanghat (*2nd Edition*) :
A Book in Assamese on the Nationality problems of Assam written by Hiren Gogoi and published by Assam Publication Trust, Dispur, Guwahati. **Price Rs. 100.00 only.**

প্ৰথম সংস্কৰণ : ডিচেম্বৰ, ১৯৯২
প্ৰকাশক– আকাডেমিক কমিটি (১৯৯২-৯৩)
বগাধৰ ব্ৰহ্ম কিষাণ কলেজ
জালাহ, বৰপেটা, অসম।

দ্বিতীয় সংস্কৰণ : জানুৱাৰী, ২০০৪
(সংশোধিত আৰু পৰিবৰ্ধিত)
প্ৰকাশক : অসম প্ৰকাশন ন্যাস
(Assam Publication Trust)
দিছপুৰ, গুৱাহাটী, অসম।

প্ৰচ্ছদ পৰিকল্পনা : বিমন ভূঞা গগৈ

মূল্য : ১০০.০০ টকা মাত্ৰ

উছৰ্গা

মা,

আশাবোৰ বুকুত লৈয়ে অকালতে তই গুচি গ'লি। নীৰৱে সামৰি ল'লি এজীৱন ত্যাগ, এবোজা শোক। তোৰ এই নিঃকিন পুত্ৰই তোৰ এটোপাল চকুপানীও মচিব নোৱাৰিলে। আজি তোৰ পুণ্য স্মৃতিত সঁপিবলৈ মোৰ হাতত মাথোন এই সামান্য উপচাৰ—

তোৰ

হীৰেন

সূচীপত্র

দ্বিতীয় সংস্কৰণৰ মুখবন্ধ ০১

প্ৰথম সংস্কৰণৰ প্ৰকাশকৰ ভূমিকা ০৩

প্ৰথম সংস্কৰণৰ মুখবন্ধ ০৫

প্ৰথম সংস্কৰণৰ লিখকৰ ভূমিকা ০৯

প্ৰথম অধ্যায়

জাতীয় জীৱনৰ ফেইজালি ১

দ্বিতীয় অধ্যায়

জাতীয় জীৱনৰ প্ৰস্ফুটন ১৬

তৃতীয় অধ্যায়

ঔপনিবেশিক যুগৰ সংশয় আৰু সংঘাত ৩৮

চতুৰ্থ অধ্যায়

বৈষম্য আৰু প্ৰবঞ্চনাৰ কাহিনী ৬৩

পঞ্চম অধ্যায়

আত্মপ্ৰবঞ্চনা আৰু আত্মনিয়ন্ত্ৰণৰ প্ৰশ্ন ৭৭

ষষ্ঠ অধ্যায়

শেষ বাৰিষাৰ ঢল ১১০

সপ্তম অধ্যায়

ইতিহাসৰ প্ৰতিশোধ ঃ জনজাতীয় স্বাধিকাৰৰ সংগ্ৰাম ১২০

অষ্টম অধ্যায় ঃ

উপসংহাৰ ১৩৩

পৰিশিষ্ট - ১ বি টি চি চুক্তিৰ **পূৰ্ণপাঠ** ১৪০

পৰিশিষ্ট - ২ বাপচন্দ্ৰ মহন্তৰ সমালোচনা ১৪৭

পৰিশিষ্ট - ৩ বাপচন্দ্ৰ মহন্তৰ সমালোচনাৰ উত্তৰ ১৬৭

পৰিশিষ্ট - ৪ বাপচন্দ্ৰ মহন্তৰ প্ৰত্যুত্তৰ ১৮৩

দ্বিতীয় সংস্কৰণৰ মুখবন্ধ

কিতাপখনৰ এই দ্বিতীয় সংস্কৰণটো প্ৰকাশ কৰাৰ প্ৰথম কাৰণ হ'ল পাঠকৰ অপূৰণীয় চাহিদা। ১৯৯২ চনত প্ৰথমটো সংস্কৰণৰ প্ৰকাশৰ পিছত পাঠক আৰু সমালোচকসকলৰ সঁহাৰি আছিল অভূতপূৰ্ব আৰু আশাব্যঞ্জক। এই প্ৰসঙ্গত শ্ৰদ্ধেয় বাপচন্দ্ৰ মহন্ত আৰু ড° দেৱব্ৰত শৰ্মাৰ সমালোচনাৰ পৰা মই উপকৃত আৰু কৃতজ্ঞ হৈছোঁ। শ্ৰদ্ধেয় মহন্তদেৱৰ সমালোচনাৰ উত্তৰ মই দিছিলো। কিন্তু ড° শৰ্মাৰ সমালোচনাত থকা কেতবোৰ বিশ্লেষণ আৰু মতামতৰ লগত মোৰ মতদ্বৈধতা আছে যদিও সেই বিতৰ্ক আৰম্ভ কৰা নহ'ল। আনহাতে ড° হীৰেন গোঁহাই, শ্ৰীযুত ইন্দিবৰ দেউৰী আৰু ড° নিৰোদ কুমাৰ বৰুৱাৰ আন্তৰিক আৰু বিষয়গত আলোচনাৰ পৰাও মই আশাতীতভাৱে অনুপ্ৰাণিত হৈছিলোঁ। সি যি কি নহওক, কমদিনৰ ভিতৰতে কিতাপখনৰ কপিবোৰ শেষ হৈ যোৱাত পাঠকৰ চাহিদা বহুলাংশে অপূৰণীয় হৈ ৰৈ গৈছিল। সেই চাহিদা পূৰণৰে প্ৰয়াস হৈছে এই দ্বিতীয়টো সংস্কৰণ।

দ্বিতীয় কাৰণটো হৈছে মোৰ নিজৰে বিবেক-বুদ্ধিৰ তাগিদা। প্ৰথম সংস্কৰণৰ পৰৱৰ্তী প্ৰায় বাৰটা বছৰত অসমৰ জনজাতি আৰু আন জনগোষ্ঠীবোৰৰ স্বাধিকাৰৰ সংগ্ৰামবোৰৰ গতিবেগৰ তীব্ৰতা বৃদ্ধি পোৱাৰ লগতে লক্ষ্যপ্ৰাপ্তিৰ সম্ভাৱনাও মূৰ্ত্ত হৈ উঠিছে। ফলত অসমীয়া জাতিৰ জীৱনলৈও কেতবোৰ অভাৱনীয় পৰিৱৰ্তনৰ জোৱাৰ আহিছে। এই সংগ্ৰাম আৰু পৰিৱৰ্তনবোৰৰ গতিধাৰা সম্পৰ্কে এটা যুক্তিনিষ্ঠ আৰু বোধগম্য ব্যাখ্যা এই কিতাপখনৰ প্ৰথম সংস্কৰণতে তুলি ধৰিছিলো। অসম আৰু অসমীয়াৰ জাতীয় জীৱনৰ এতিয়াৰ সংঘাতবহুল পৰিস্থিতিতো এই কিতাপখনত সন্নিবিষ্ট বিচাৰ-বিশ্লেষণ সামগ্ৰিকভাৱে অভ্ৰান্ত আৰু দিক্‌দৰ্শনকাৰী বুলি প্ৰমাণিত হৈছে। অসমৰ পাঠক সমাজৰ আগত এই বিচাৰধাৰা পুনৰ তুলি ধৰাৰ দুৰ্বাৰ তাড়নাই এই দ্বিতীয় সংস্কৰণটোৰ বাবে প্ৰেৰণা যোগাইছে। আগৰটোৰ দৰে এই সংস্কৰণটিকো সহৃদয় পাঠক সমাজে আদৰি ল'লে আমাৰ পৰিশ্ৰম সাৰ্থক হ'ব।

এই দ্বিতীয় সংস্কৰণত প্ৰথম সংস্কৰণৰ বিচাৰধাৰাৰ কোনো সাল-সলনি ঘটা নাই। কিন্তু যোৱা প্ৰায় বাৰটা বছৰৰ ভিতৰত বড়োসকলৰ সংগ্ৰামৰ লক্ষ্যসিদ্ধি হৈ গৈছে। ৰাভা, মিচিং আৰু তিৱাসকলেও স্বায়ত্বশাসন লাভ কৰিছে। আনবোৰ জনগোষ্ঠীয়েও জনজাতিকৰণ আৰু স্বায়ত্বশাসনৰ দাবীত সংগ্ৰাম জোৰদাৰ কৰি তুলিছে। সেয়ে এই ঘটনাবোৰৰ উল্লেখ এই দ্বিতীয় সংস্কৰণত সন্নিবিষ্ট কৰাৰ আশু প্ৰয়োজন আহি পৰিল। সেই প্ৰয়োজন পূৰণ

কৰাৰ বাবেই প্ৰথম সংস্কৰণৰ ষষ্ঠ অধ্যায়টোক স্থানবিশেষে সমৃদ্ধ আৰু পৰিবৰ্দ্ধিত কৰি সপ্তম অধ্যায় হিচাপে এই সংস্কৰণত সন্নিবিষ্ট কৰা হৈছে। এই সংস্কৰণৰ ষষ্ঠ অধ্যায়ত 'শেষ বাৰিষাৰ ঢল' শিতানৰ এটা সম্পূৰ্ণ নতুন পাঠ যোগ কৰা হৈছে। ইয়াত জ্যোতিপ্ৰসাদ আৰু বিষ্ণুৰাভাৰ জাতীয় সংহতিমূলক অৱদান আৰু সংশয়ৰ কথা চমুকৈ আলোচনা কৰা হৈছে। এই প্ৰসঙ্গত তিতাবৰৰ ডা° প্ৰবীৰ কুমাৰ বৰুৱাৰ পৰামৰ্শৰ কথা কৃতজ্ঞতাৰে সুঁৱৰিছোঁ। প্ৰথম সংস্কৰণৰ তৃতীয় অধ্যায়টো বিশৃংখলী আছিল বাবে এই সংস্কৰণত তাক যথাসম্ভৱ শৃংখলাবদ্ধ কৰিবলৈ চেষ্টা কৰা হৈছে। বাকী অধ্যায়কেইটাতো প্ৰয়োজন সাপেক্ষে আৰু স্থানবিশেষে কেতবোৰ সালসলনি বা বাক্যৰ যোগ-বিয়োগ কৰা হৈছে। কিতাপখনৰ শেষত পৰিশিষ্ট হিচাপে বি টি চি চুক্তিৰ পূৰ্ণপাঠ, শ্ৰদ্ধেয় বাপচন্দ্ৰ মহন্তৰ সমালোচনা, লেখকৰ উত্তৰ আৰু সমালোচকৰ প্ৰত্যুত্তৰৰ পাঠবোৰ সন্নিবিষ্ট কৰা হৈছে। শ্ৰদ্ধেয় বাপচন্দ্ৰ মহন্তৰ সমালোচনাটিয়ে অসম বুৰঞ্জীৰ অধ্যয়ন আৰু অসমৰ জাতি সমস্যাৰ চৰ্চাৰ ক্ষেত্ৰত এটা গুৰুত্বপূৰ্ণ বিতৰ্ক মুকলি কৰি থৈছে।

এই সংস্কৰণটো প্ৰকাশৰ ক্ষেত্ৰত মোৰ শুভাকাংক্ষীসকলৰ উৎসাহ, সুহৃদ তথা গীতিকবি অমৰেন্দ্ৰ বৰগোহাঁইৰ উদাৰ সাহায্য, ভ্ৰাতৃপ্ৰতীম লংকেশ্বৰ বৰুৱাৰ নিৰলস শ্ৰম আৰু চিন্তা, নৱগঠিত 'অসম প্ৰকাশন ন্যাস' তথা সঞ্চালক-প্ৰধান অনন্ত কলিতাদেৱৰ সহযোগ, মোৰ পত্নী ৰীণা, কন্যা জ্ঞানমণি আৰু পুত্ৰ জ্ঞানটোৰ নেৰানেপেৰা তাগিদাৰ শলাগ লওঁ। ধৈৰ্য্য আৰু কষ্টেৰে ডি টি পিৰ কামখিনি কৰি দিয়াৰ বাবে শ্ৰীৰমিলা ৰায়চৌধুৰীও ধন্যবাদৰ পাত্ৰ।

গুৱাহাটী
৭ জানুৱাৰী, ২০০৪

বিনীত
হীৰেন গঁগৈ

প্ৰথম সংস্কৰণৰ প্ৰকাশকৰ ভূমিকা

আমাৰ এষাৰ

আমাৰ মহাবিদ্যালয়খনত শিক্ষাৰ এটি পৰিবেশ গঢ়ি তুলিবলৈ, চিন্তা-চৰ্চাৰ এটি আবহাৱাৰ সৃষ্টি কৰিবলৈ আৰু পাঠদান-পাঠগ্ৰহণত সময়ে সময়ে দেখা দিয়া বিশৃংখল আঁতৰাবলৈ ছাত্ৰ-শিক্ষকৰ প্ৰতিনিধি লৈ এখন আকাডেমিক কমিটি গঠন কৰা হৈছে। এই শৈক্ষিক সমিতিয়ে আজি সাত-আঠ বছৰ ধৰি এখন বছৰেকীয়া শৈক্ষিক দিনপঞ্জী তৈয়াৰ কৰি আহিছে। এই শৈক্ষিক দিনপঞ্জী অনুসৰি প্ৰতি বছৰে এখন বা ততোধিক আলোচনা চক্ৰ অনুষ্ঠিত হয়। এই আলোচনা চক্ৰসমূহত কলেজৰ নিৰ্বাচিত শিক্ষকৰ উপৰিও অইন দুই এজন বিশিষ্ট ব্যক্তি, বিশেষকৈ আলোচ্য বিষয়ত ব্যুৎপত্তি থকা ব্যক্তিক ভাষণ দিবলৈ আমন্ত্ৰণ কৰা হয়। যোৱা শিক্ষা-বৰ্ষ কেইটিত আলোচ্য বিষয়সমূহ আছিল এনে ধৰণৰ–

১। নতুন শিক্ষা-নীতি– ১৯৮৬-৮৭

২। গ্ৰামাঞ্চলত অৱস্থিত কলেজসমূহৰ সমস্যা আৰু উচ্চ-শিক্ষা- ১৯৮৭-৮৮

৩। অসমৰ জাতি সমস্যা আৰু সমাধান- ১৯৮৭-৮৮

৪। সন্ত্ৰাসবাদ আৰু জাতীয় ঐক্য– ১৯৮৮-৮৯

৫। জন্ম শতবাৰ্ষিকীৰ সৌৱৰণত– আদৰ্শৰ সংঘাত– বৰদলৈ, নেহৰু আৰু মুজাফৰ আহমেদ– ১৯৮৯-৯০

৬। অসমৰ জনজাতীয় সমস্যা– ১৯৯০-৯১

৭। জন্ম শতবাৰ্ষিকীৰ সৌৱৰণত ড° ভীমৰাও আম্বেদকাৰ– জীৱন আৰু কৃতি– ১৯৯১-৯২

উপৰোক্ত বিভিন্ন বিষয়সমূহত আলোকপাত কৰিবলৈ আমি আমন্ত্ৰণ কৰি আনিছিলো বিশেষ কিছুমান ব্যক্তিক যেনে (ক) ড° চন্দ্ৰ মোহন শৰ্মা, ৰিডাৰ, গুৱাহাটী বিশ্ববিদ্যালয়, (খ) অধ্যক্ষ মুৰাৰী মোহন দত্ত, (গ) অধ্যাপক সুভাষ কুমাৰ সাহা, (ঘ) অধ্যাপক নৰেন পাটগিৰি, (ঙ) অধ্যাপক আৰু প্ৰাক্তন সংসদ সদস্য শ্ৰীঅজিত শৰ্মা, (চ) সাংবাদিক তথা মাৰ্ক্সবাদী বুদ্ধিজীৱী শ্ৰীহীৰেন গগৈ, (ছ) স্বৰ্গীয় বনমালী কাকতি, ৰিডাৰ, গুৱাহাটী বিশ্ববিদ্যালয়। শেষোক্ত আলোচনা চক্ৰত গুৱাহাটী বিশ্ববিদ্যালয়ৰ

উপাচাৰ্য্য ড° নিৰ্মল কুমাৰ চৌধুৰী আৰু মাননীয় শিক্ষামন্ত্ৰী ডাঃ ভূমিধৰ বৰ্মণেও অংশ গ্ৰহণ কৰিছিল।

"অসমৰ জনজাতীয় সমস্যা" শীৰ্ষক আলোচনা চক্ৰখনত অংশ গ্ৰহণ কৰিবলৈ আহোতে শ্ৰীহীৰেন গঁগেদেৱে এটি প্ৰায় সত্তৰ পৃষ্ঠাৰ লিখিত ভাষণ লৈ আহিছিল আৰু তাৰ আধাৰতে তেখেতে নিজৰ বক্তব্য আগবঢ়াইছিল। ভাষণ প্ৰসংগত তেখেতে অসমৰ জাতীয় জীৱনত দেখা পোৱা সংহতি আৰু সংঘাত সম্পৰ্কে এটি সুন্দৰ বিশ্লেষণ-আগবঢ়াইছিল। নক'লেও হ'ব, তেখেতৰ ভাষণে আমাৰ ছাত্ৰ-শিক্ষকৰ মাজত এটি তীক্ষ্ণ জোকাৰণি তুলিছিল। তেখেতৰ ভাষণান্তত জাউৰিয়ে জাউৰিয়ে প্ৰশ্নও উত্থাপিত হৈছিল। আনকি তাৰ সৰৱ আলোচনা কলেজৰ ভিতৰে বাহিৰেও দুই চাৰিদিন চলিছিল।

এই প্ৰতিক্ৰিয়া প্ৰত্যক্ষ কৰাৰ পিছত আমাৰ ভাব হৈছিল-- যে এই ভাষণৰ পৰিবৰ্ধিত ৰূপ এটা প্ৰকাশ পালে হয়তো এটি নতুন বিতৰ্কৰ সূচনা হ'ব। আমি ভবা নাই, অসমৰ জাতীয় জীৱনত সংহতি আৰু সংঘাতৰ কাহিনীৰ শেষ কথা গঁগেদেৱে ইয়াত লিপিবদ্ধ কৰিছে বা নিসন্দেহে তেখেতেও সেই দাবী কৰিব খোজা নাই। কিন্তু বিষয়টোৰ প্ৰসংগত এইটো আৰম্ভণি বুলি ভাবি অসমৰ জকাইচুকত অৱস্থিত দৰিদ্ৰতম কলেজখনৰ পৰা আমি এইখন প্ৰকাশ কৰিছো।

১/১২/৯২

আকাডেমিক কমিটিৰ হৈ
গঙ্গাপদ চৌধুৰী
অধ্যক্ষ, বি. বি. কিষাণ কলেজ

প্ৰথম সংস্কৰণৰ মুখবন্ধ

এই কিতাপখনৰ জঁকাটো প্ৰস্তুত কৰা হৈছিল বহুত দিনৰ আগতেই-- বিদেশী বিতাড়ন আন্দোলনৰ ভৰপক অৱস্থাত। সেই সময়ত এই আন্দোলনে এনে কেতবোৰ ৰাজনৈতিক, সামাজিক আৰু মানৱীয় সমস্যাৰ সৃষ্টি কৰিছিল যিবোৰৰ মোকাবিলা কৰাটো প্ৰতিটো গণতান্ত্ৰিক সংগঠন আৰু প্ৰতিজন গণতান্ত্ৰিক মানুহৰ জৰুৰী কৰ্তব্যত পৰিণত হৈছিল। অসমৰ কমিউনিষ্টসকলে অকথ্য দৈহিক নিৰ্যাতন মূৰ পাতি লৈও আৰু প্ৰায় আঢ়ৈকুৰিজন সভ্য-সমৰ্থকৰ বলিদানেৰে সেই কৰ্তব্য পালন কৰিবলৈ যত্ন কৰিছিল। হোমেন বৰগোহাঞি আৰু ড° হীৰেন গোহাঁইৰ দৰে কেইজনমান বুদ্ধিজীৱী আৰু এমুঠি কবি-সাহিত্যিকেও অসীম সাহসেৰে সেই আন্দোলনৰ উন্মত্ততা আৰু অমানুষিকতাৰ সন্মুখীন হৈছিল। আমি নিজেও 'সাম্প্ৰতিক বিদেশী বিতাড়ন আন্দোলনৰ অন্তৰালত' নামৰ এখন পুস্তিকা আৰু 'অসম আৰু অসমীয়া জাতিক ৰক্ষা কৰক' নামৰ প্ৰবন্ধত (সাপ্তাহিক নাগৰিকত প্ৰকাশিত) বিদেশী বিতাড়ন আন্দোলনৰ স্বৰূপ উদ্‌ঘাটনৰ লগতে সেই আন্দোলনে বহন কৰি অনা বিপদবোৰৰ কথা ব্যাখ্যা কৰিবলৈ যত্ন কৰিছিলো।

অৱশ্যে এই কথাও ঠিক যে সেই বিদেশী বিতাড়ন আন্দোলনে অসমৰ জাতীয় জীৱনৰ সম্পৰ্কত কিছুমান মৌলিক প্ৰশ্নৰো অৱতাৰণা কৰিছিল আৰু সেইবোৰৰ বিচাৰ বিশ্লেষণ এৰাই যোৱাটো কোনো বিবেকবান আৰু চিন্তাশীল লোকৰ পক্ষে সম্ভৱ নাছিল। তেনে এক পৰিস্থিতিত এই লিখকেও অসমৰ আগশাৰীৰ প্ৰগতিশীল ত্ৰৈমাসিক 'নতুন পৃথিৱী'ত 'মাৰ্ক্সবাদ আৰু অসম' নামৰ এটা শিতানত এলানি প্ৰবন্ধ লিখাৰ পৰিকল্পনা কৰিছিলো। আলোচনীখনৰ দুটা সংখ্যাত একাদিক্ৰমে প্ৰথম দুটা প্ৰবন্ধ প্ৰকাশ পাইছিল। প্ৰথমটো আছিল 'জাতি সমস্যাৰ সাধাৰণ বিচাৰ' আৰু দ্বিতীয়টো আছিল 'ভাৰতীয় জাতীয়তাৰ ৰূপৰেখা'। তৃতীয়টো প্ৰবন্ধ প্ৰস্তুত কৰিছিলো অসমৰ জাতীয় জীৱনৰ ওপৰত। কিন্তু প্ৰবন্ধটো যুগুতোৱাৰ সময়ত দেখা গ'ল আলোচিত দুই এটা অতি গুৰুত্বপূৰ্ণ বিষয়ত-- যেনে অসমৰ জনজাতীয় সমস্যাৰ ক্ষেত্ৰত-- সুচিন্তিত সিদ্ধান্ত ল'ব পৰাকৈ বাস্তৱ অৱস্থা পুৰঠ হৈ উঠা নাছিল। সেয়ে প্ৰবন্ধটো তেতিয়াই প্ৰকাশ নকৰি পেলাই থোৱাই শ্ৰেয় বুলি ধৰি ল'লো। তাৰ পিছত যোৱা প্ৰায় দহোটা বছৰে অসমৰ মাটিত বহু ঘটনা-দুৰ্ঘটনা, বহু পৰিৱৰ্তন ঘটি গ'ল আৰু এতিয়াও প্ৰতিদিনে ঘটিয়েই আছে। এইবিলাকৰ পোহৰত অসমৰ জাতীয় জীৱনত সংহতি আৰু সংঘাতৰ সমস্যাবোৰ এতিয়া

বেছ পৰিস্ফুট হৈ উঠিছে। এই নতুন পোহৰত আগৰ সেই অপ্ৰকাশিত প্ৰবন্ধক সংশোধিত আৰু পৰিবৰ্ধিত কৰি প্ৰকাশ কৰিলে অলপ হ'লেও কামত আহিব বুলি ধৰি লৈয়ে এই কিতাপখন যুগুতোৱা হৈছে। আমাৰ বিশ্বাস, বিদেশী বিতাড়ন আন্দোলনৰ সময়তে উজ্জীৱিত হোৱা আমাৰ সকলোৰে চিন্তা আৰু জিজ্ঞাসাৰ পৰম্পৰাক আগবঢ়াই নিয়াৰ প্ৰয়োজন আছে। এই লিখক সেই পথৰ এজন সাধাৰণ পথিক মাত্ৰ। এই প্ৰচেষ্টাত আমি এই খ্যাত-অখ্যাত বহু লিখকৰ লিখাৰ পৰা অকাতৰে সহায় লৈছো। সেই সকলোৰে ওচৰত আমি ঋণগ্ৰস্ত।

মই কোনো পণ্ডিত বা বুৰঞ্জীৰ গৱেষক নহওঁ। এই কিতাপখনো কোনো বুৰঞ্জী কিতাপ নহয়। তথাপি আমি ইয়াত অসমৰ অতীত ইতিহাস অতি চমুতে ৰোমন্থন কৰিছো এই কাৰণেই যে তাৰ অবিহনে অসমৰ জনসাধাৰণৰ সংহতি আৰু সংঘাতৰ কাহিনী কোৱা অসম্ভৱ। ইয়াৰ বুৰঞ্জীৰ কথাখিনি হ'ল মাত্ৰ পটভূমি; অথচ সেই পটভূমি কিমান নিৰ্ভৰযোগ্য সেই বিষয়ে আমি নিজেও সন্দেহমুক্ত নহওঁ। অসম বুৰঞ্জীৰ সম্পৰ্কত গৱেষকসকলে এতিয়া বহু নতুন তথ্যপাতি তথা ব্যাখ্যা উপস্থাপন কৰিছে। সেই আটাইবিলাকৰ লগত এই লিখকৰ পৰিচয় ঘটিছে বুলি দাবী কৰিব নোৱাৰো। সেয়ে আমি ব্যৱহাৰ কৰা সমলখিনিত কোনোবাই কিবা ভুল হয়তো পাব পাৰে নাইবা আগলৈও কিবা ভুল হয়তো বাহিৰ হ'ব পাৰে। এইক্ষেত্ৰত গৱেষকৰ মুক্ত সমালোচনা বা পৰামৰ্শ মোৰ বাবে প্ৰেৰণা আৰু পাথেয় হ'ব।

কাৰ্লমাৰ্ক্সে তেখেতৰ Eighteenth Brumaireত লিখিছে যে মানুহে যেতিয়া কোনোদিনে নঘটা বা নোহোৱা কিবা এটাৰ সৃষ্টিৰ বাবে প্ৰয়াস কৰে, যেতিয়া তেওঁলোকে নিজক আৰু পৰিবেশক সলনি কৰিবলৈ ইচ্ছা কৰে তেতিয়াই তেওঁলোকে অতীতৰ নাম-ধাম, ৰণহুংকাৰ, সাজ-সজ্জা সকলোবোৰ ধাৰ কৰে আৰু সেই ধাৰ কৰা ভাষা আৰু সাজ-পোছাকেৰে নিজৰ বৰ্তমানৰ যুঁজখন সজাই-পৰাই লয়। আজিও আমাৰ সমাজত বিভিন্নজনে সময়ৰ সমস্যাৰাজিৰ পৰা উদ্ধাৰৰ বাট বিচাৰি অতীত ইতিহাসক বেছি টানকৈ খামুচি ধৰা আৰু তাৰ মাজতেই সঞ্জীৱনীৰ সন্ধান কৰা দেখা যায়। কিন্তু এই ইতিহাস মন্থনত যিবোৰ গৰল ওলায়, সেইবোৰ গিলি নীলকণ্ঠ হ'ব পৰা গৱেষকৰ হ'লে বৰ অভাৱ। মেধা আৰু সমাজচেতনাৰ মিলন মুঠেই সহজলভ্য নহয়। বিশেষকৈ আমাৰ অসমৰ পংগু সমাজখনত। বুৰঞ্জী চৰ্চাত নিয়োজিত বহুতেই গৰল পান কৰি বিষাক্ত হয় আৰু সমাজখনকো বিষাক্ত কৰি তোলে। অসম বুৰঞ্জীৰ কোনো অধ্যায়, ঘটনা বা ব্যক্তিৰ নামত তেওঁলোক হয় অতি উচ্ছ্বসিত, নহয় কেৱল নিন্দামুখৰ হোৱা দেখা যায়। কিন্তু পাণ্ডিত্যক সমাজদৃষ্টিয়ে বাট নেদেখুৱালে তেনে পাণ্ডিত্য সমাজৰ বাবেই বিষময় হৈ উঠিব পাৰে। মাৰ্ক্সে কৈ যোৱাৰ দৰে আজিৰ সমাজ বিপ্লৱেও নিজৰ প্ৰেৰণা আহৰণ কৰিব লাগিব ভৱিষ্যতৰ পৰাহে, অতীতৰ পৰা নহয়। "There (in the past revolutions) the phrase went before the content;

here the content goes beyond the phrase" সেয়ে বুৰঞ্জীবিদসকলো একেসময়তে ভৱিষ্যতৰ চিন্তা আৰু দৃষ্টিৰো প্ৰবক্তা হোৱা বাঞ্ছনীয়।

আমাৰ বোধেৰে অসমৰ বৈচিত্ৰ্যই হৈছে ইয়াৰ জনসাধাৰণৰ সংহতি আৰু সংঘাতৰ দুই প্ৰৱণতাৰ ঐতিহাসিক ক্ৰিয়া আৰু প্ৰতিক্ৰিয়া। এই প্ৰক্ৰিয়া এতিয়াও চলি আছে। কিন্তু এই প্ৰক্ৰিয়াক সঠিকভাৱে অনুধাৱন কৰিবলৈ টান পোৱাসকলে অসম বা অসমীয়া জাতিৰ বিষয়ে সদায় নিজৰ মনোগত ধাৰণা এটাকে খামোচ মাৰি ধৰি থাকে। সেয়ে আজি অসমত দুই ধৰণৰ চৰম চিন্তাৰ প্ৰাদুৰ্ভাৱ লক্ষ্য কৰা যায়। এচামে ভাবে যে অসমৰ ইতিহাস আচলতে ভিন্ ভিন্ জাতিগোষ্ঠীৰ মাজত মিলন আৰু অবাধ সমন্বয়ৰহে ইতিহাস। তেওঁলোকে অসমৰ জাতিগত সংঘাতৰবোৰ আওকাণ কৰে আৰু কিছুমান ন্যস্তস্বাৰ্থৰ ষড়যন্ত্ৰ বুলি উৰাই দিয়ে। এনে ভ্ৰান্তি কেৱল প্ৰতাৰণামূলকেই নহয়, জাত্যাভিমানৰো ডাঙৰ আধাৰ।

আকৌ আন এচামে ভাবে যে আমাৰ অতীতৰ জাতীয় সংহতি আছিল অলীক, ঠগ-প্ৰবঞ্চনাপ্ৰসূত। হিন্দু বৰ্ণবাদীসকলৰ ঠগ-প্ৰবঞ্চনা আৰু তাৰ প্ৰতিক্ৰিয়াস্বৰূপ সংঘাত তথা বিচ্ছিন্নতাই হ'ল তেওঁলোকৰ বাবে আচল সত্য। নক'লেও হ'ব, এই প্ৰৱণতাই জন্ম দিছে কিছুমান জাতিগোষ্ঠীৰ পৃথকত্বৰ প্ৰৱণতা, চমুতে সুকীয়া ৰাজ্য গঠনৰ দাবী।

সন্দেহ নাই, এই দুই উগ্ৰতাৰ আক্ৰমণ পৰিচালিত হৈছে সকলো জাতিৰে সাধাৰণ ৰাইজৰ গণতান্ত্ৰিক ঐক্য আৰু সমাজ পৰিৱৰ্তনৰ সংগ্ৰামৰ বিৰুদ্ধেহে। জাতিগত উগ্ৰতাই সমাজৰ পৰিৱৰ্তন প্ৰতিহত কৰে আৰু শ্ৰেণীগত শোষণ-নিৰ্যাতনৰ স্থিতাৱস্থা জীয়াই ৰাখে। অসম বুৰঞ্জীৰ ক্ষেত্ৰতো দেখা যায়, অসমৰ প্ৰতিটো জাতি গোষ্ঠীয়েই কোনো এটা সময়ত ৰাজ্য বা চৰকাৰ পাতি শাসন চলাইছে, আৰু আন সময়ত আকৌ নিজে আনৰ শাসিত-শোষিত প্ৰজাত পৰিণত হৈছে। সংমিশ্ৰণ আৰু সংঘাতৰ এটা দীঘলীয়া প্ৰক্ৰিয়াৰ মাজেৰে আগুৱাই অহা অসমৰ প্ৰতিটো জাতি গোষ্ঠীয়েই নিজৰ জাতিগত, গোষ্ঠীগত বা ধৰ্মীয় দোষ-গুণ, অভ্যাস-বদভ্যাস, উচ্চমন্যতা-হীনমন্যতা সকলোবিলাক লগত লৈ ফুৰিছে। এইবিলাকৰ তাৰতম্য হয়তো আছে, কিন্তু তাৰ পৰা মুক্ত বুলি কোনোৱেই দাবী কৰিব নোৱাৰে। সেয়ে জাতিগত বৈষম্যৰ বাস্তৱতাক স্বীকাৰ কৰি ল'লেও তাৰ অজুহাতত জাতিগত উগ্ৰতা, সংঘাত আৰু পৃথকত্বক আমি প্ৰশ্ৰয় দিব নোৱাৰো। ভৱিষ্যতক ৰূপ দিয়াত আমাৰ সচেতন প্ৰচেষ্টাৰ দাম আৰু কাম আছে।

আমাৰ এই সচেতন প্ৰচেষ্টানো কি? ই হ'ল উগ্ৰজাতীয়তাবাদ বা পৃথকত্ববাদে হেঁচি ৰাখিবলৈ যত্ন কৰা সমাজৰ শ্ৰেণীদ্বন্দ্ব বা শ্ৰেণীসংগ্ৰামৰ পথ প্ৰশস্ত কৰাৰ প্ৰচেষ্টা। জনজাতি আৰু অজনজাতিৰ মাজত, বামুণ আৰু শূদিৰৰ মাজত, হিন্দু আৰু মুছলমানৰ মাজত, থলুৱা আৰু বহিৰাগতৰ মাজত বিৰোধ নিশ্চয় আছে, তাৰ ঐতিহাসিক কাৰণো হয়তো আছে। আমাৰ প্ৰচেষ্টা হোৱা উচিত সেই কাৰণবোৰ সচেতনভাৱে

দূৰ কৰাহে, বহলোৱা নহয়। এই প্ৰতিবিধ জনসমষ্টিৰে মেৰুদণ্ড হ'ল সংখ্যাবহুল কৃষক প্ৰজা তথা শ্ৰমিকসকল। জীৱনৰ দুখ-যন্ত্ৰণাৰ সন্মুখত, পেটৰ ভোকত জাতি-ধৰ্মৰ বিৰোধ তেওঁলোকে পাহৰি যায়, ভাত-কাপোৰৰ ঐক্যবদ্ধ আন্দোলনত অকুণ্ঠচিত্তে সমবেত হয়। এই শ্ৰেণীঐক্য আৰু শ্ৰেণীসংগ্ৰামৰ স্বাৰ্থতেই জাতিগত সংঘাতৰ কাৰণবোৰ নিৰ্মোহ তথা বাস্তৱ বুদ্ধিৰে বিচাৰ কৰাৰ প্ৰয়োজন আছে। উগ্ৰজাতীয়তাবাদীইঁতৰ হাতত জাতীয় প্ৰশ্নবোৰ এৰি দিলে জাতিগত সংঘাত বাঢ়িহে যাব, নকমে। শ্ৰেণীসংগ্ৰামো ব্যাহত হ'ব বাৰে বাৰে। সেয়ে ন্যায়সংগত জাতীয় আৰু আঞ্চলিক দাবীবোৰ শ্ৰমিক শ্ৰেণী আৰু কমিউনিষ্টসকলে নিজৰ গণতান্ত্ৰিক সংগ্ৰামৰ পৰিধিৰ মাজলৈ টানি অনাৰ প্ৰয়োজন আছে, যাতে সেই দাবীবোৰকে শ্ৰমজীৱীৰ স্বাৰ্থ আৰু শ্ৰেণীসংগ্ৰামৰ পৰা বিচ্ছিন্ন কৰাৰ সুযোগ উগ্ৰজাতীয়তাবাদী সকলে ল'ব নোৱাৰে। তেতিয়াহে জাতিগত উগ্ৰতাকো প্ৰতিহত কৰা সম্ভৱ হ'ব পাৰে। কেৱল আধাসিজা মাৰ্ক্সবাদী বা শ্ৰেণীসংগ্ৰামীসকলেহে এই বাস্তৱতাক স্বীকাৰ কৰি ল'বলৈ টান পাব পাৰে। কিন্তু আমি অসমৰ জনসাধাৰণক জংঘলৰ আইনৰ কবলত এৰি দিব নিবিচাৰো। সেয়ে আমাৰ এই সচেতন প্ৰচেষ্টা। এই প্ৰয়াসত দোষ-ত্ৰুটি বৈ যোৱাৰ সম্ভাৱনাও প্ৰচুৰ।

কিতাপখনৰ প্ৰস্তুতি আৰু প্ৰকাশৰ বিভিন্ন পৰ্য্যায়ত বিভিন্নজনৰ পৰা পোৱা উৎসাহ আৰু সহায় সহযোগৰ কথা স্বীকাৰ নকৰিলে অকৃতজ্ঞতাৰ দোষে চুব। "নতুন পৃথিৱী"ৰ সম্পাদকমণ্ডলীৰ, বিশেষকৈ শ্ৰদ্ধেয় মুকুট ভট্টাচাৰ্য্য আৰু অনিল ৰায়চৌধুৰীৰ প্ৰেৰণা আৰু সহায়েই আছিল প্ৰথম সম্বল। সেইদৰে তিতাবৰৰ ডা° প্ৰবীৰ কুমাৰ বৰুৱা আৰু ৰাধাপ্ৰসাদ চাহু, "নতুন সাহিত্য পৰিষদ"ৰ গোলাঘাট শাখাৰ উদ্যোক্তাসকল, গুৱাহাটীৰ ভাতৃপ্ৰতীম ইচফাকুৰ ৰহমান, ডাঃ জয়দেৱ শৰ্মা, বন্ধু অনন্ত কলিতা, দীনবন্ধু ঠাকুৰীয়া, ডাঃ অনিল ভৰালী আৰু অন্যান্য বহুজনৰ মতামত আৰু উদগনিয়ে আমাক সাহস দিছিল। ইচফাকুৰ ৰহমানৰ দায়িত্ব, জগদীশ দত্তৰ শ্ৰম আৰু ভূপেন দত্তৰ লৰা-ঢপৰাৰ ওচৰত লিখক বিশেষভাৱে ঋণী। পত্নী বীণাৰ নেৰা-নেপেৰা তাগিদাৰ অৰিহণাও কম নহয়।

শেষত মোৰ শুভাকাংক্ষী অধ্যক্ষ গংগাপদ চৌধুৰীদেৱে অকাতৰে প্ৰকাশৰ দায়িত্ব নোলোৱা হ'লে কিতাপখনৰ কি গতি হ'লহেঁতেন কোৱা টান। তেখেতৰ সহানুভূতি আৰু সাহায্যৰ বাবে আন্তৰিক কৃতজ্ঞতা জনালো।

হেদায়েৎপুৰ, গুৱাহাটী
২২ এপ্ৰিল, ১৯৯২

বিনীত
হীৰেন গগৈ

প্ৰথম সংস্কৰণৰ লিখকৰ ভূমিকা

আজিৰ এই জটিল সময়ত অসমৰ জাতীয় জীৱনৰ বিষয়ে কিবা লিখিবলৈ যোৱাটো কেৱল কষ্টসাধ্যই নহয়, বহু পৰিমাণে বিপদজনকো। অসমৰ বিভিন্ন জাতিগোষ্ঠীৰ ইতিহাস সম্পৰ্কে আমাৰ জ্ঞান সীমিত; তাতে বৰ্তমান সময়ত সিবিলাকৰ দ্ৰুত অৱস্থানগত পৰিৱৰ্তনে বিভ্ৰান্তিৰ অৱকাশো ৰাখিছে যথেষ্ট। ভিন্ ভিন্ জাতিসত্তাৰ জাতীয় ভাবাৱেগ আৰু পাৰস্পৰিক অবিশ্বাসে আজি অসমৰ বাতাৱৰণ এনেদৰে দূষিত কৰি পেলাইছে যে তেনে এক পৰিবেশত জাতিগত প্ৰশ্নবোৰৰ নিৰ্মোহ আৰু বস্তুগত বিশ্লেষণৰ নিৰ্দোষ প্ৰচেষ্টাকো ইটো নহয় সিটো পক্ষই সন্দেহৰ চকুৰে চোৱাৰ দুৰ্ভাৱনাই অধিক। এনে সন্দেহৰ পৰিণতি যে বিষময় হ'ব পাৰে, সেই কথা বুজাই কোৱাৰ প্ৰয়োজন নাই।

এই দুৰৱস্থাৰ প্ৰধান কাৰণ হ'ল অসমীয়া জাতিৰ গঠন প্ৰক্ৰিয়াৰ অসম্পূৰ্ণতা, স্পৰ্শকাতৰতা আৰু অস্থিৰতা। বৰ্তমানৰ এনে অৱস্থাই দুই ধৰণৰ প্ৰবণতাৰ জন্ম দিছে ঃ এফালে অসমীয়াৰ মনত বহিৰাগতৰ অবাধ প্ৰব্ৰজন আৰু কেন্দ্ৰৰ বঞ্চনা সম্পৰ্কে সীমাহীন ক্ষোভ আৰু চৰম পৰিণতিস্বৰূপ বিচ্ছিন্নতাবাদী সন্ত্ৰাস আৰু আনফালে ৰাজ্যখনৰ ভিতৰতে ভিন্ ভিন্ জাতিগোষ্ঠীৰ মাজৰ ক্ৰমবৰ্দ্ধমান দ্বন্দ্ব আৰু পৃথকত্ববাদ। এই দুয়োটা প্ৰবণতা আৰু তাৰ সহচৰ উন্মাদনাৰ প্ৰধান আৰু উমৈহতীয়া বলি হ'ল অসমৰ জনসাধাৰণৰ ঐক্য-সংহতি। পৰিণতি হ'ল অসমীয়া জাতিৰ ভাঙোন।

বিচ্ছিন্নতাবাদীসকলে সন্দেহ কৰে যে অসম ভাৰত যুক্তৰাষ্ট্ৰৰ অংশীদাৰ হৈ থাকিলে দিল্লীৰ "ঔপনিৱেশিক" শোষণ-শাসন অবাধে চলি থাকিব আৰু এদিন অসমীয়া জাতিৰ অস্তিত্বও লোপ পাব। এই আশঙ্কাই জন্ম দিলে ১৯৭৯-৮৫ চনৰ বিদেশী বিতাড়ন আন্দোলন আৰু এতিয়াৰ আলফা বা সংযুক্ত মুক্তি বাহিনী, অসমৰ সশস্ত্ৰ বিচ্ছিন্নতাবাদী আন্দোলন। বিদেশী বিতাড়ন আন্দোলনে অসম গণ পৰিষদৰ হাতত ক্ষমতা তুলি দিছিল আৰু সেই গণ পৰিষদৰ সীমাহীন ব্যৰ্থতাই মাতি আনিলে সন্ত্ৰাসবাদ আৰু বিচ্ছিন্নতাবাদক। বিদেশী বিতাড়ন আন্দোলনে অসমীয়া মানুহৰ মনত জগাই তোলা প্ৰত্যাশাক ধৰি ৰখাৰ বাবে বিচ্ছিন্নতাবাদী উন্মাদনা আৰু সন্ত্ৰাসৰ সৃষ্টি গণ পৰিষদৰ বাবেও অতি প্ৰয়োজনীয় হৈ পৰিছিল।

কিন্তু অসমৰ বিচ্ছিন্নতাবাদীসকলে যি দিল্লীবিৰোধী "স্বাধীনতা" আন্দোলনত ৰক্তাহুতি

দিছে, সেই আন্দোলন অসমৰ জনসাধাৰণৰ বাবে কেতিয়াও মঙ্গলদায়ক নহয় আৰু হ'ব নোৱাৰে। আজিৰ পৰিস্থিতিত এই কথা হৃদয়ঙ্গম কৰাৰ প্ৰয়োজন জৰুৰী হৈ পৰিছে। স্থানান্তৰত এই বিষয়ে বহলাই আলোচনা কৰা হৈছে। সদ্যহতে এষাৰ কথা কৈ থোৱা উচিত হ'ব ঃ ভাৰতৰ বৃহৎ বুৰ্জোৱা আৰু সিহঁতৰ শক্তিশালী ৰাষ্ট্ৰশক্তিক পৰাভূত কৰাৰ শক্তি আৰু ক্ষমতা আছে কেৱল সমগ্ৰ ভাৰতৰ বিপুল জনগণৰহে। জনগণৰ শক্তিও আকৌ তেওঁলোকৰ সংগ্ৰামী ঐক্য আৰু অভিজ্ঞতাৰ ওপৰত নিৰ্ভৰশীল। কিন্তু বিচ্ছিন্নতাবাদীসকলে যিখন দিল্লীবিৰোধী ৰণ তৰিছে তাত দেশৰ জনসাধাৰণৰ স্বাৰ্থ আৰু ভূমিকা এটাও নাই। নিজৰ ঐক্য আৰু সংগ্ৰামক ছিন্ন ভিন্ন কৰাৰ বাবে তেওঁলোক কেতিয়াও আগবাঢ়ি নাহে। কিন্তু বিচ্ছিন্নতাবাদী আন্দোলনে প্ৰকৃততে ভাৰতীয় জনগণৰ এই ঐক্য আৰু ঐক্যবদ্ধ সংগ্ৰামকেই আঘাত কৰিছে। দেশৰ বৃহৎ বুৰ্জোৱা আৰু সিহঁতৰ ৰাষ্ট্ৰশক্তিয়ে এই সংঘাতৰ সুযোগ ল'বলৈ এক মুহূৰ্তও পলম নকৰে। একেসময়তে অসমৰ এই বিচ্ছিন্নতাবাদী সন্ত্ৰাস ৰাজ্যখনৰ জনসাধাৰণৰ বহুজাতিক ঐক্যসংহতিৰ বাবেও ক্ষতিকৰ বুলি প্ৰতিপন্ন হৈছে। আলফাৰ অবাধ হত্যাকাণ্ড আৰু ভয়-ভাবুকিয়ে আনহে নালাগে থলুৱা অসমীয়াৰ মাজতো সৃষ্টি কৰিছে ত্ৰাস আৰু আতংকৰ এক জয়াল পৰিৱেশ।

প্ৰশ্ন হ'ব পাৰে, বৃহৎ বুৰ্জোৱাৰ শোষণ, লুণ্ঠন আৰু কেন্দ্ৰীয় চৰকাৰৰ বঞ্চনা তথা অৱহেলাৰ পৰা অসমীয়াই কোনোদিনে উদ্ধাৰ নাপাব নেকি? নিশ্চয় পাব। আমাৰ বোধেৰে ইয়াত নৈৰাশ্যৰ কোনো কাৰণ নাই। কিন্তু অসমীয়াৰ সেই বাঞ্ছিত মুক্তিৰ আচল পথ বিচ্ছিন্নতাবাদ কেতিয়াও নহয় আৰু হ'ব নোৱাৰে। অপ্ৰিয় হ'লেও এই সত্যক অসমীয়াই স্বীকাৰ কৰি ল'ব লাগিব যে লক্ষকোটি ভাৰতবাসীৰ ভাগ্যৰ সৈতে অসমীয়াৰ ভাগ্যও অবিচ্ছিন্নভাবে যুক্ত হৈ আছে। ভাৰতৰ শ্ৰমজীৱী জনগণে একচেটীয়া পুঁজিবাদ, সামন্তবাদ আৰু সাম্ৰাজ্যবাদক নিজৰ তথা দেশৰ প্ৰধান শত্ৰু হিচাপে চিহ্নিত কৰিছে। জনগণে এই শ্ৰেণী শত্ৰুবোৰৰ হাতৰ পৰা ক্ষমতা দখল কৰি এখন প্ৰকৃত গণতান্ত্ৰিক আৰু বিকেন্দ্ৰীকৃত ফেডাৰেচন প্ৰতিষ্ঠা কৰিব পাৰিলেহে দেশৰ অঙ্গৰাজ্য তথা পশ্চাদপদ জাতিগোষ্ঠীবোৰৰ স্বাধীন বিকাশ, সমতা আৰু সামাজিক ন্যায়ৰ পথ প্ৰশস্ত হ'ব বুলি আশা কৰিব পাৰি।

সংকটৰ আনটো দিশ হ'ল অসমৰ ক্ৰমবৰ্দ্ধমান জাতিগত বিৰোধ— হিন্দু অসমীয়া সমাজখনৰ লগত বিভিন্ন জনজাতীয় গোষ্ঠী আৰু মানসিকতাৰ অবাঞ্ছিত অথচ অৱধাৰিত সংঘাত। যিবিলাক থলুৱা জাতিগত উপাদান অসমীয়া জাতিৰ প্ৰধান অংশীদাৰ আছিল আৰু যিবিলাকক ইমানদিনে পিছপৰা "অসভ্য" বুলি অৱজ্ঞা আৰু উপহাস কৰি অহা হৈছিল, তাৰে এটা বৃহৎ অংশই আজি অসমীয়া জাতিৰ লগত সম্পৰ্ক ছেদ কৰি স্বকীয়া আত্মপৰিচয়ৰ সন্ধান কৰিছে। এই প্ৰৱণতাৰে দুৰ্দম প্ৰতিনিধি হ'ল বড়োসকল। বহুদিনৰ আগতেই এডৱাৰ্ড গেইটে তেখেতৰ A History of Assam ত লিখিছিল

যে আন বহুতৰে দৰে বড়ো ভাষাও এদিন অসমীয়া ভাষাৰ লগত বিলীন হৈ যাব। গেইটৰ দৃষ্টিত হিন্দু-অসমীয়া ভাষা সংস্কৃতিৰ লগত জনজাতিসমূহৰ সহ-অৱস্থান আৰু সংমিশ্ৰণ আছিল এক অনিবাৰ্য ঐতিহাসিক প্ৰক্ৰিয়া। কিন্তু অসমৰ বহুজাতিক সমাজখনৰ মজ্জাগত অনৈক্য আৰু গেইটৰ পৰৱৰ্তী কালৰ পৰ্বতপ্ৰমাণ পৰিৱৰ্তনসমূহে পূৰ্বৰ জাতিগত সংমিশ্ৰণ প্ৰক্ৰিয়াত অলংঘ্য বাধাৰ সৃষ্টি কৰিলে। ইতিহাসে গেইটৰ ভৱিষ্যৎবাণী ভুল প্ৰমাণিত কৰিলে। আজিও ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে বড়োৰ লগতে কাৰ্বি, মিছিং, ৰাভা আদি ভাষাও জীয়াই আছে। এই জনজাতিবোৰে সিবিলাকৰ জনজাতীয় ভাষা-কৃষ্টিৰ সাংঘাতিক বিকাশ সাধিব নোৱাৰিলেও সেইবিলাকক যে যুগ যুগ ধৰি জীয়াই ৰাখিলে, এয়ে হৈছে আজিৰ পৰিস্থিতিৰ আটাইতকৈ গুৰুত্বপূৰ্ণ কথা। এতিয়া বিশ্বজোৰা জাতিগত স্বাধীনতা আৰু গণতান্ত্ৰিক স্বাধিকাৰৰ যুগত কোনেও নিজৰ ভাষা-কৃষ্টি আৰু জাতীয় স্বাতন্ত্ৰ্যৰ অধিকাৰ জলাঞ্জলি নিদিয়ে।

বৰ্তমান কেন্দ্ৰ-ৰাজ্যৰ সংঘাতে যিদৰে বিচ্ছিন্নতাৰ ৰূপ লৈছে, সেইদৰে অসমৰ জনজাতীয় লোকসকলৰ ক্ষোভ আৰু প্ৰতিবাদেও পৃথকত্বৰ ৰূপত বৰ্ণহিন্দুপ্ৰধান অসমীয়া সমাজখনকেই আঘাত কৰিছে। ইংৰাজ শাসনৰ দিনলৈকে অসমীয়াৰ জাতীয় সমন্বয় আৰু সংমিশ্ৰণৰ প্ৰক্ৰিয়াটো লেহেম হ'লেও অন্ততঃ বন্ধ হোৱা নাছিল। কিন্তু এতিয়া অসমৰ প্ৰধান জনজাতীয় গোষ্ঠীকেইটাই সেই প্ৰক্ৰিয়াক সচেতনভাৱে প্ৰতিৰোধ কৰিবলৈহে যত্নবান হোৱা দেখা গৈছে।

সকলোৰে জনা কথা যে অসমীয়া জাতি আৰু ভাষা-সংস্কৃতি মূলতঃ আৰ্যমূলীয়হে। প্ৰাগৈতিহাসিক কালতেই পূবৰ মঙ্গোলীয় জনগোষ্ঠীবোৰৰ লগত পশ্চিমৰ আৰ্যগোষ্ঠীৰ লোকসকলৰ মিলন ঘটিছিল প্ৰাচীন অসমৰ "ম্লেচ"প্ৰধান সমাজখনৰ বুকুতেই। অসমীয়া ভাষা আৰু অসমীয়া জাতি আছিল এই মিলনৰেই ঐতিহাসিক ফচল। কিন্তু তাৰ ভিত্তি আছিল আৰ্য ভাষা আৰু সংস্কৃতিহে। অসমীয়া ভাষা আৰু সংস্কৃতিৰ বিকাশত থলুৱা আৰ্যেতৰ ভাষা-কৃষ্টিবোৰৰ প্ৰভাৱ নিশ্চয় পৰিছিল আৰু তাৰ চিন-চাব আজিও অম্লান আৰু স্পষ্ট। কিন্তু সেই প্ৰভাৱো আছিল আবয়বিকহে, মূলগত নহয়। আৰ্য ভাষা আৰু ধৰ্মৰ উন্নতমান আৰু শক্তিয়ে থলুৱা ভাষা আৰু ধৰ্মবিশ্বাসবোৰৰ ওপৰত প্ৰাধান্য বিস্তাৰ কৰিছিল। কালক্ৰমত আৰ্য ভাষা আৰু ধৰ্মই এই দেশৰ অসংখ্য বিচ্ছিন্ন জাতিগোষ্ঠীৰ মাজত সংমিশ্ৰণ আৰু সমন্বয়ৰ পথো মুকলি কৰিলে আৰু অসমীয়া ভাষা-সংস্কৃতিৰ ভেটি বান্ধিলে। অসমৰ জাতীয় জীৱনৰ সেই উষাকালত আৰ্য ভাষা আৰু হিন্দু ধৰ্মৰ সেই ভূমিকা আছিল নিসন্দেহে ইতিবাচক আৰু ঐতিহাসিক। কিন্তু একেসময়তে সেই সংমিশ্ৰণ প্ৰক্ৰিয়াত কিছুমান মজ্জাগত দুৰ্বলতাও সমানে সক্ৰিয় হৈ ৰৈ গৈছিল। সংমিশ্ৰিত অসমীয়া জাতি আৰু সংস্কৃতি পৰিবেষ্টিত আৰু পৰিবৰ্দ্ধিত হৈছিল অসংখ্য জনজাতীয় উপাদানেৰে— যিবিলাকে নিজৰ স্বকীয় অস্তিত্ব তথা সাংস্কৃতিক পৰিচয় কোনোদিনে বিসৰ্জন দিয়া নাছিল নাইবা দিবলৈ প্ৰস্তুত নাছিল।

সামাজিক ৰীতি-নীতিৰ ফালৰপৰা সেই জনজাতীয় সমাজখন আছিল মূলতঃ সমতাভিত্তিক আৰু জাতপাতহীন। সেয়ে সেই প্ৰাৰম্ভিক কালত বৰ্ণবাদী আৰ্যহিন্দুসকলে কিছু জাতিগত উদাৰতা আৰু শিথিলতাক, কিছু জনজাতীয় মূল্যবোধ আৰু ৰীতি-নীতিক হয়তো স্বীকাৰ কৰিও লৈছিল। সেইবুলি তেওঁলোকে বৰ্ণবিভাজন আৰু জাত্যাভিমান একেবাৰে বিসৰ্জ্জন দিয়া নাছিল। কালক্ৰমত তেওঁলোকৰ এই বৰ্ণাভিমান বাঢ়িলহে, নকমিল। ইংৰাজ অহাৰ আগলৈকে বৰ্ণবাদী হিন্দুৰ এই দৃষ্টিভংগীয়ে ক্ষতিকৰ ৰূপত আত্মপ্ৰকাশ কৰাৰ সুযোগ পোৱা নাছিল। আৰ্থিক আৰু ৰাজনৈতিক কৰ্ত্তৃত্ব ইমানদিনে আৰ্যেতৰ জনগোষ্ঠীবোৰৰ হাতত ন্যস্ত থকাত হিন্দুৰ বৰ্ণবাদৰ বিৰুদ্ধে বাকীসকলৰ ক্ষোভৰ স্তূপীকৰণৰো কোনো অৱকাশ নাছিল।

সেয়ে অসমীয়াই ইমানদিনে যি জাতি গঢ়ি তুলিলে সি তাৰ জন্ম আৰু তেজ-বলৰ পিনৰ পৰাই মূলতঃ হিন্দু বা আৰ্য। অসমৰ জাতীয় জীৱনলৈ বৈপ্লৱিক ৰূপান্তৰ কঢ়িয়াই অনা শংকৰ-মাধৱৰ নৱবৈষ্ণৱ আন্দোলনো আছিল হিন্দুৰ বৰ্ণবিচাৰৰ সীমাবদ্ধতা আৰু সংকীৰ্ণতাৰে বহুপৰিমাণে সীমিত আৰু প্ৰভাবান্বিত। পশ্চাদপদ জনজাতীয় সমাজখনৰ হাতত অন্য কোনো উন্নত বিকল্প নথকাৰ বাবেই শংকৰ-মাধৱৰ ভক্তি আন্দোলনৰ প্ৰতি তেওঁলোক আকৃষ্ট হৈছিল আৰু বৰ্ণহিন্দুৰ শ্ৰেষ্ঠত্ব আৰু শ্ৰুতলিপিক তেওঁলোকে নিৰ্বিবাদে মানি লৈছিল। শংকৰ-মাধৱৰ নৱবৈষ্ণৱ আন্দোলনে অসমীয়াৰ জাতীয় জীৱনত যি অভিনৱ অৱদান যোগাইছিল, তাৰ চৰ্ত আছিল নিসন্দেহে বৰ্ণহিন্দুৰ সমাজখনৰ শ্ৰেষ্ঠত্বৰ স্বীকৃতি। ভক্তি-আন্দোলনৰ উদাৰতা আৰু যাদুকৰী প্ৰভাৱে সেই স্বীকৃতি সহজভাৱেই আদায় কৰি লৈছিল। অসমৰ সকল জনজাতীয় ৰাইজেও ধৰি লৈছিল যে ভক্তিৰ সহজ পন্থাই জাতিগত সমতাৰ পথ সঁচাকৈয়ে প্ৰশস্ত কৰি তুলিব।

ইংৰাজৰ আমোলত অসমৰ সামাজিক গাঁথনিটো একেবাৰে বদলি হৈ গ'ল। ইংৰাজৰ পুঁজি, চাকৰি-বাকৰি আৰু শিক্ষা-দীক্ষাৰে লালিত-পালিত অসমীয়া মধ্যবিত্ত শ্ৰেণীটোৰ উদ্ভৱ হৈছিল প্ৰধানকৈ বৰ্ণহিন্দুসকলৰ মাজৰ পৰাই। আহোম আৰু জনজাতিবিলাকৰ মাজৰ পৰাও এমুঠি শিক্ষিত লোকৰ সৃষ্টি হৈছিল যদিও তেওঁলোকৰ সংখ্যা আছিল নগণ্য। এই নৱজাত মধ্যবিত্ত শ্ৰেণীয়েই অসমৰ ভাষা-সংস্কৃতিৰ গুৰি ধৰিছিল আৰু ৰাজ্যখনৰ আৰ্থিক তথা ৰাজনৈতিক জীৱনৰ নেতৃত্বও তেওঁলোকৰ হাতলৈ হস্তান্তৰিত হৈছিল। ব্যৱসায় আৰু প্ৰশাসনিক চাকৰি আদিৰ প্ৰতিযোগিতাত তেওঁলোক নামি পৰিল। একে সময়তে দেশৰ স্বাধীনতাৰ চিন্তা আৰু আন্দোলনৰ নেতৃত্ব ল'বলৈও আগবাঢ়ি আহিল নিম্নবিত্ত শ্ৰেণীৰ একাংশ আগৰণুৱা। অসমৰ কংগ্ৰেছ দলৰ নেতৃত্ব আছিল মূলতঃ অসমীয়া বৰ্ণহিন্দুসকলৰ হাতততেই। অসমীয়া জাতিৰ পুনৰুজ্জীৱনৰ সংগ্ৰামত তেওঁলোকৰ এই সামগ্ৰিক ভূমিকা আছিল আটাইতকৈ ইতিবাচক আৰু অপৰিহাৰ্য। তথাপি প্ৰাক্ স্বাধীনতা কালতেই হিন্দু অসমীয়াৰ জাতীয় আৰু ৰাজনৈতিক নেতৃত্বৰ বিৰুদ্ধে জনজাতীয় আৰু আহোম সম্প্ৰদায়ৰ শিক্ষিত লোকসকলৰ মাজত

সৃষ্টি হৈছিল। কংগ্ৰেছৰ নেতৃত্বৰ বিৰুদ্ধে জনজাতীয় সংগঠন আৰু “আহোম সভা” আদিৰো জন্ম হৈছিল। অৱশ্যে আহোম সম্প্ৰদায়ৰ মাজত আহোম সভাৰ প্ৰভাৱ এটা সময়ত একেবাৰে নোহোৱা হৈছিল আৰু সুৰেন্দ্ৰনাথ বুঢ়াগোহাঞিৰ দৰে শ্ৰদ্ধেয় আহোম নেতায়ো শেষত কংগ্ৰেছতেই যোগদান কৰিছিল। বহুদিনৰ আগতেই ধৰ্মান্তৰিত আৰু ভাষান্তৰিত হোৱা আহোমসকলে নিজকে সম্পূৰ্ণভাৱে হিন্দু সমাজখনৰ ভিতৰুৱা কৰি লৈছিল। তদুপৰি চুতীয়া, মৰাণ, সোণোৱাল, কছাৰী, কোচ-ৰাজবংশী আদি জনগোষ্ঠীবোৰো হিন্দু সমাজখনৰ অন্তৰ্ভুক্ত হৈছিল। কিন্তু একেসময়তে জনজাতিবিলাকৰ বহুতৰে মাজত পৃথক জাতিগত চিন্তা আৰু সংগঠনো বৈ গৈছিল। ইংৰাজৰ দিনত “আহোম সভা” আৰু এনে জনজাতীয় সংগঠনবিলাক শাসকসকলৰ ভেদবাদৰ স্বীকাৰ হ'লেও সিবিলাকৰ সামাজিক পটভূমিক আওকাণ কৰিলে সুবিচাৰ কৰা নহ'ব।

দেশ স্বাধীন হোৱাৰ পিছত স্বাভাৱিকভাৱেই বৰ্ণহিন্দুপ্ৰধান অসমীয়া মধ্যবিত্তই অসমৰ ৰাজনীতি আৰু প্ৰশাসনৰ বাঘজৰী হাতত তুলি ল'লে। একালৰ আৰ্য ভাষা-সংস্কৃতি তথা জ্ঞান-বিজ্ঞানৰ বাহকসকলেই নতুন যুগৰ ৰাজনৈতিক কৰ্তৃত্ব তথা ক্ষমতাৰো প্ৰধান দাবীদাৰ হৈ উঠিল। স্বাধীনতাৰ পিছত চাৰিটা দশকতকৈও অধিক কাল ধৰি অসমৰ এই নতুন শাসকসকলৰ বৰ্ণাভিমান আৰু বৈষম্যমূলক আচৰণ ক্ৰমাৎ প্ৰকট আৰু প্ৰতিষ্ঠিত হ'ল। দেশৰ স্বাধীনতা তথা নতুন শাসন ব্যৱস্থাই বহন কৰি অনা সুযোগ-সুবিধাবোৰো অসমীয়া মধ্যবিত্তৰ বাবে বহুদিনলৈ খোলা থাকিল। নিজৰ বা ৰাজ্যখনৰ দ্ৰুত আৰ্থ-সামাজিক বিকাশৰ বাবে ঐক্যবদ্ধ গণতান্ত্ৰিক সংগ্ৰামৰ ৰাস্তা লোৱাৰ প্ৰয়োজন ইমানদিনে তেওঁলোকে অনুভৱ কৰা নাছিল।

কিন্তু আজি যেতিয়া অসমীয়া মধ্যবিত্তৰ বাসনা চৰিতাৰ্থ কৰাৰ ৰাস্তা কেউফালে বন্ধ আৰু যেতিয়া প্ৰতিটো জনগোষ্ঠীয়েই নিজৰ প্ৰাপ্য সম্পৰ্কে সচেতন আৰু সৰৱ, তেতিয়াও এই মধ্যবিত্ত শ্ৰেণীয়ে অসমৰ সামগ্ৰিক উন্নয়ন তথা ন্যায্য অধিকাৰৰ বাবে ৰাজ্যখনৰ ভিন্ ভিন্ জনগোষ্ঠী, সম্প্ৰদায় তথা শ্ৰেণীক লগত লৈ ঐক্যবদ্ধ গণতান্ত্ৰিক সংগ্ৰাম গঢ়ি তোলাৰ কষ্টকৰ পথ পৰিহাৰ কৰি চলাৰহে চেষ্টা চলাইছে। অসমৰ বিভিন্ন পশ্চাদপদ জাতিগোষ্ঠীৰ পুঞ্জীভূত ক্ষোভবোৰ দূৰ কৰিবলৈ, সিবিলাকৰ ন্যায়সংগত দাবীবোৰ সহানুভূতিৰে বিবেচনা কৰি চাবলৈ অসমীয়া মধ্যবিত্তৰ ইচ্ছা আৰু বল এটাও নোহোৱা হৈছে। এই গোড়ামিজনিত অক্ষমতাই জন্ম দিছে অসমীয়া যুৱকৰ উগ্ৰজাতীয়তাবাদী আৰু বিচ্ছিন্নতাবাদী উত্তেজনা আৰু নৈৰাজ্যৰ। সমানে বৃদ্ধি পাইছে জনজাতি আৰু অন্যান্য সংখ্যালঘুৰ বিৰুদ্ধে তেওঁলোকৰ বিদ্বেষ আৰু বৈৰিতাৰ তীব্ৰতা। ইয়াৰ পৰিণাম যে যদুকুলীয় আত্মহনন, সেই কথা বুজিবলৈ কোনো মেধাশক্তিৰ প্ৰয়োজন নাই।

অসমৰ জনজাতিবিলাকৰ বৰ্তমানৰ অসমীয়াবিৰোধী প্ৰৱণতা আৰু পৃথকত্ববাদী আন্দোলনৰ পটভূমিও এইদৰে ৰচিত হৈছিল। এতিয়া অসমৰ প্ৰধান জনজাতি কেইটামানে

তুলিছে। তেওঁলোকৰ জাতিসত্তা এতিয়া জাগ্ৰত আৰু বিকাশমান; তাক দমন কৰি ৰখাৰ কোনো উপায় নাই। এতিয়া তেওঁলোকে আৰ্থিক সা-সুবিধা তথা সমতাৰ দাবী তোলা নাই; তুলিছে আত্মনিয়ন্ত্ৰণৰ ৰাজনৈতিক অধিকাৰ আৰু সুকীয়া জাতীয় পৰিচয়ৰহে দাবী। অসমীয়া হিন্দুসমাজখনৰ লগত জনজাতিবিলাকৰ এই আত্মপৰিচয়গত ভিন্নতা তথা বিৰোধে স্বাভাৱিকভাৱেই কিছুমান গুৰুতৰ ৰাজনৈতিক আৰু সামাজিক সমস্যাৰ সৃষ্টি কৰিছে। জনজাতিবিলাকৰ ৰাজনৈতিক আৰু জাতীয় স্থিতি কি হ'ব, অসমীয়া জাতিৰ গাঁথনি আৰু অৱস্থান কেনেকুৱা হ'ব, অসমীয়াৰ আত্মনিয়ন্ত্ৰণৰ সমস্যাৰ সমাধান কেনেদৰে হ'ব-- এইবিলাক অতি জৰুৰী প্ৰশ্ন। এই প্ৰশ্নবোৰৰ সঠিক সমাধানৰ বাবে অসমৰ জাতীয় জীৱনৰ ইতিহাস সম্পৰ্কে সামগ্ৰিক জ্ঞান আৰু নিৰাবেগ বিচাৰ-বিশ্লেষণৰ ভীষণ প্ৰয়োজন হৈছে। এই কিতাপখনৰ পৰৱৰ্ত্তী অধ্যায়বোৰত অসমৰ জাতীয় জীৱনৰ ইতিহাসক আমাৰ সাধ্যানুসৰি ফঁহিয়াই চোৱাৰেই প্ৰয়াস কৰা হৈছে। এনে ধৰণৰ আলোচনা নিশ্চয় এয়ে প্ৰথম নহয়; আন বহুজনে ইতিমধ্যেই তাৰ পাতনি মেলি থৈছে। কিন্তু এনে ধৰণৰ আলোচনা-বিলোচনাক এটা সামগ্ৰিক আৰু পৰিকল্পিত ৰূপৰ মাজত সন্নিবিষ্ট নকৰিলে তাৰ বাঞ্ছিত ফল লাভ কৰা কঠিন। সেয়ে আমাৰ চেষ্টা হৈছে অসমীয়া জাতিৰ উষাকালৰ পৰাই জাতীয় সংহতিৰ প্ৰৱণতাৰ লগে লগে সংহতিবিৰোধী প্ৰৱণতাবোৰো কিদৰে সচল আৰু সক্ৰিয় হৈ আহিছে তাক পৰীক্ষা কৰি চোৱা আৰু সেই অভিজ্ঞতাৰ সহায়েৰে আমাৰ জাতিগত সমস্যাবোৰৰ সম্পৰ্কত সঠিক সিদ্ধান্ত গ্ৰহণ কৰা।

অসমীয়াৰ বিচ্ছিন্নতাবাদী প্ৰৱণতা আৰু জনজাতীয় পৃথকত্বৰ দাবী-- এই দুয়োটাকে আমি সিবিলাকৰ সুনিৰ্দিষ্ট ঐতিহাসিক পটভূমিত জাতি সমস্যাৰ বৈজ্ঞানিক বিশ্লেষণৰ মাপকাঠিৰেই বিচাৰ কৰিব লাগিব। আজি অসমৰ জনসাধাৰণৰ ঐক্য-সংহতিৰ প্ৰশ্নটো সমগ্ৰ দেশৰ জনসাধাৰণৰ ঐক্য-সংহতিৰ প্ৰশ্নৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈ পৰিছে। বৰ্তমানৰ পৰিস্থিতিয়ে চকুত আঙুলি থৈ দেখুৱাই দিছে যে ভাৰতৰ জনসাধাৰণ ঐক্যবদ্ধ হৈ থাকিব নোৱাৰিলে অসম বা আনকোনো অঙ্গৰাজ্যৰ জনসাধাৰণৰ ঐক্যও ৰক্ষা নপৰে। সেইদৰে উভয় ক্ষেত্ৰতেই যিকোনো ধৰণৰ বল প্ৰয়োগ বা সন্ত্ৰাস সৃষ্টিৰ ফলো অত্যন্ত বিষময় হ'বলৈ বাধ্য।

অতি সম্প্ৰতি আন্তৰ্জাতিক ক্ষেত্ৰত, বিশেষকৈ ছোভিয়েট ইউনিয়ন আৰু পূব ইউৰোপৰ দেশবোৰত যি অভাবনীয় দ্ৰুততাৰে আৰু যি ব্যাপক পৰিসৰত মৌলিক আৰ্থ-ৰাজনৈতিক পৰিৱৰ্ত্তনসমূহ সংঘটিত হ'ল, তাৰ সৰ্বগ্ৰাসী প্ৰভাৱ আমাৰ দেশ আৰু ৰাজ্যখনৰ ঘটনাৱলীৰ ওপৰতো পৰিবলৈ বাধ্য। কেৱল ক্লাচিকেল বিদ্যাশিক্ষাৰে এই আন্তৰ্জাতিক পৰিৱৰ্তনসমূহ ব্যাখ্যা কৰা সম্ভৱ নহয়। আজিৰ নতুন পৰিস্থিতিৰ সম্যক উপলব্ধিক আমাৰ নিজৰ সমস্যাৰাজিৰ বিচাৰ বিশ্লেষণৰো সাৰথি কৰি ল'ব লাগিব। আমিও ভাৰতৰ বিভিন্ন অঙ্গৰাজ্য আৰু অসংখ্য পশ্চাদপদ জাতিগোষ্ঠীৰ সমতা,

সমানাধিকাৰ আৰু সমবিকাশৰ বাবে বলপ্ৰয়োগ আৰু সন্ত্ৰাসবাদৰ এটা গণতান্ত্ৰিক বিকল্প বিচাৰি উলিয়াবই লাগিব।

সন্দেহ নাই, অসমীয়াৰ বিচ্ছিন্নতাবাদী আন্দোলন নাইবা বড়োসকলৰ পৃথক গৃহভূমিৰ আন্দোলনৰ অন্তৰালত জাতিগত ভাবাবেগ আৰু বিচাৰ-বিবেচনাৰ লগতে ৰাজনৈতিক স্বাৰ্থও সমানে সক্ৰিয়। ফলত অন্ধ আবেগ-উত্তেজনাৰ লগতে ভয়-ভাবুকিৰো মাত্ৰা বাঢ়িছে। তাৰ পৰিণতিয়ে আমাৰ সকলোৰে বাবে দুখ আৰু অনুশোচনাও কঢ়িয়াই ননাকৈ থকা নাই। জাতিগত হিংসা আৰু বিদ্বেষ কোনো জাতিৰ বাবেই মঙ্গলজনক হ'ব নোৱাৰে। ভাৰতৰ যুক্তৰাষ্ট্ৰীয় কাঠামোৰ ভিতৰত অসমীয়াই নিশ্চয় জাতীয় সমবিকাশ আৰু নিৰাপত্তাৰ আশ্বাস পাব লাগিব। কিন্তু একেদৰে বড়ো আৰু অন্যান্য জনজাতীয় গোষ্ঠীবিলাকৰ তথা আন সংখ্যালঘুসকলৰ সমমৰ্যাদা আৰু সমানাধিকাৰৰ নিশ্চয়তাও থাকিব লাগিব। এই জাতিগত প্ৰশ্নবিলাকত কোনো ধৰণৰ হেমাহি বা কৃত্ৰিমতাক ইতিহাসে কেতিয়াও সহ্য নকৰে।

প্ৰথম অধ্যায়

জাতীয় জীৱনৰ ফেঁহুজালি

আন দহটা জাতিৰ দৰে অসমীয়াৰো জাতীয় সমন্বয় আৰু সংমিশ্ৰণৰ ইতিহাস অতি দীঘলীয়া। অতি প্ৰাচীন অসমৰ কোনো নিৰ্ভৰযোগ্য ইতিহাস নাই যদিও প্ৰাপ্ত ঐতিহাসিক সমল তথা অসমৰ বিভিন্ন জাতিগোষ্ঠীৰ অৱস্থানবোৰৰ পৰা প্ৰাগৈতিহাসিক কালছোৱাৰো এটা স্পষ্ট আভাস পোৱা যায়। প্ৰাচীন সংস্কৃত গ্ৰন্থ ৰামায়ণ, মহাভাৰত আৰু পুৰাণসমূহত প্ৰাচীন অসমক প্ৰাগজ্যোতিষ আৰু কামৰূপ বুলি আৰু ইয়াৰ বাসিন্দাসকলক 'ম্লেচ', 'কিৰাত', 'চীনা' বুলি উল্লেখ কৰা হৈছে। হিন্দু শাস্ত্ৰত এই শব্দবিলাক অপমানসূচক অৰ্থত ব্যৱহৃত। পণ্ডিতসকল এই কথাত একমত যে সেই সময়ত হিমালয়ৰ পাদদেশ আৰু ভাৰতৰ এই উত্তৰ পূব অঞ্চলটোত বসবাস কৰা সংখ্যাবহুল মঙ্গোলীয় লোকসকলেই আছিল শাস্ত্ৰবৰ্ণিত সেই কিৰাতসকল। ৰামায়ণ আৰু মহাভাৰত খ্ৰীষ্টপূৰ্ব ৫০০ পৰা ৪০০ ৰ ভিতৰত লিখা হৈছিল বুলি অনুমান কৰা হয়। অৱশ্যে ই কিছু বিতৰ্কিত কথা। কোনোৱে ক'ব খোজে যে মহাভাৰতৰ যুদ্ধত অংশ লোৱা প্ৰাচীন অসমৰ ভগদত্ত ৰজাই খ্ৰীষ্টীয় ১ম শতিকাৰ আগত ৰাজ্য প্ৰতিষ্ঠা কৰা সম্ভৱ নহয়। (ড০ 'প্ৰতাপ চন্দ্ৰ চৌধুৰী, 'অসমীয়া জাতিৰ ইতিবৃত্ত' ঃ, প্ৰবন্ধ সংকলন পৃঃ ৬)। আকৌ ড০ বাণীকান্ত কাকতিয়ে ভগদত্তৰ পিতৃ নৰকক তৃতীয়ৰ পৰা পঞ্চম শতিকাৰ ভিতৰৰ কোনো সময়ৰ লোক বুলি ক'বলৈ বিচাৰে। (ড০ মহেশ্বৰ নেওগ ঃ 'পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি' ঃ পৃঃ ৩)। হয়তো এনেকুৱাও হ'ব পাৰে যে বিভিন্ন যুগত মহাভাৰতৰ সংযোজন বা সংবৰ্দ্ধন ঘটিছিল। সি যি কি নহওক, এই কথাত কোনো সন্দেহ নাই যে আজিৰ পৰা দুহেজাৰ বছৰৰ আগত এই সমগ্ৰ উত্তৰ পূব অঞ্চলটো 'ম্লেচ' বা 'কিৰাত' লোকেৰে ভৰি আছিল। তেওঁলোক আছিল আচলতে দ্ৰাবিড়, অষ্ট্ৰিক আৰু মঙ্গোলীয় জাতিগোষ্ঠীৰ লোক। বিভিন্ন সময়ত অসমলৈ অহা এই জাতিগোষ্ঠীবিলাকৰ মাজত স্বাভাৱিকভাৱেই সংমিশ্ৰণ ঘটিছিল আৰু বৃহত্তৰ মঙ্গোলীয় লোকসকলৰ মাজত বাকীসকল বিলীন হৈ গৈছিল।

কিন্তু প্ৰাগজ্যোতিষ আৰু কামৰূপ— এই দুটা আৰ্য ভাষাসিদ্ধ নামহে। কালক্ৰমত অসমলৈ পশ্চিমৰ আৰ্যগোষ্ঠীৰ লোকসকলৰো প্ৰব্ৰজন হৈছিল আৰু আৰ্যেতৰ জাতিগোষ্ঠীবোৰৰ লগত তেওঁলোকৰ সংমিশ্ৰণো ঘটিছিল। এই সংমিশ্ৰণেই আছিল অসমীয়া জাতীয় জীৱনৰো অংকুৰণ। কিন্তু এই কাহিনীত যিদৰে বৈচিত্ৰ্য আৰু গৌৰব আছে, সেইদৰে

আত্মঘাতী বিভ্ৰান্তি আৰু বেদনাৰ পৰিমাণো তাত তাকৰ নহয়। অসমৰ মঙ্গোলীয় জনগোষ্ঠীবিলাকৰ লগত আৰ্যগোষ্ঠীৰ লোকসকলৰ সংমিশ্ৰণ ঘটিলেও সি কোনোদিনে সম্পূৰ্ণ নহ'ল বা হ'ব নোৱাৰিলে। ইয়াৰ নিশ্চয় ঐতিহাসিক কাৰণো আছে আৰু সেইবিলাকৰ যুক্তিনিষ্ঠ বিচাৰ বিশ্লেষণ কেৱল প্ৰয়োজনেই নহয়, অনিবাৰ্যও। প্ৰাচীন জনগোষ্ঠীবোৰৰ মাজত চলি থকা সংমিশ্ৰণ আছিল এৰাধৰা বিধৰ আৰু সঘনে বাধাগ্ৰস্ত। সেয়ে অসমীয়া জাতিৰ গঠন প্ৰক্ৰিয়াও দুৰ্বল আৰু স্পৰ্শকাতৰ হ'বলৈ বাধ্য আছিল। অসমীয়াই এই কথা সততে পাহৰি থাকিবলৈ যত্ন কৰে। কিন্তু এই আত্মবিস্মৃতিয়ে অসমীয়াৰ জাতীয় জীৱনলৈ বাৰে বাৰে মাতি আনিছে কেৱল বিভ্ৰান্তি আৰু বিপৰ্যয়।

ডঃ বি, এন, পুৰীয়ে তেখেতৰ ১৯৬৭ চনৰ বাণীকান্ত কাকতি স্মাৰক বক্তৃতাত প্ৰাচীন অসমক ভিন্ ভিন্ জাতিগোষ্ঠীৰ এটা যাদুঘৰৰ লগত তুলনা কৰি কৈছিল— "মানৱ জাতিৰ এক বৃহৎ প্ৰব্ৰজন পথত অৱস্থিত হোৱাত অসমক জাতিগোষ্ঠীবোৰৰ এটা যাদুঘৰ বুলি ধৰা হয়। এই দেশৰ মাজেদি ভাৰত আৰু দক্ষিণ-পূব এছিয়াৰ মাজত বিপৰীত দিশত অহা-যোৱা কৰা বিভিন্ন জাতিগত উপাদানসমূহে অসমৰ পাহাৰ আৰু উপত্যকাবোৰত নিজৰ চিনচাব ৰাখি গৈছিল। উত্তৰৰ তিব্বত, নেপাল আৰু ভূটানৰ লগত, পশ্চিমৰ গংগা আৰু ইয়াৰ উপনৈবিলাকৰ উপত্যকাবোৰৰ লগত আৰু ব্ৰহ্মপুত্ৰ ব-দ্বীপ আৰু বঙ্গোপসাগৰেদি দক্ষিণফালৰ লগত অহা যোৱা থকাত আৰু শেষত অসম বাৰ্মা পথসমূহ— এটা উত্তৰ-পূবে লিডু-মাৰ্ঘেৰিটা পথৰ পৰা পাটকাই গিৰিপথেদি ব্ৰহ্মদেশৰ হোকোৱাং (Hokowang) উপত্যকাৰ মাজেৰে চীন দেশলৈ আৰু আনটো দক্ষিণ-পূবে মণিপুৰ আৰু কাছাৰৰ মাজেদি খোলা থকাত অসম সকলো ফালৰ হেঁচাৰ বাবে মুক্ত হৈ পৰিছিল। অসম-বৰ্মদেশ পথটোক ব্যৱসায়-বাণিজ্যৰ বাবেও পূৰাদমে ব্যৱহাৰ কৰা হৈছিল। চাং-কিয়েনৰ মতে অসম আৰু চীনদেশৰ মাজত উজনী বৰ্মদেশ আৰু য়ুনানৰ মাজেদি নিয়মিত স্থল পথ আছিল। কিয়া-টানে ইয়াৰ এটা বিতং বিৱৰণ দিছে। পৰবৰ্তী যুগবোৰতো ভালেমান পথ উলিওৱা হৈছিল আৰু সেইবিলাকেদি দক্ষিণ-পূব এছিয়া আৰু চীনৰ পৰা অসমলৈ মানুহ আহিছিল।" (Dr. B. N. Puri : 'Studies in Early History and Administration in Assam,' Pp. 5-6)

এইদৰে অসমৰ সুচল ভৌগোলিক অৱস্থানৰ বাবে অতি প্ৰাচীন কালতেই অষ্ট্ৰিক, দ্ৰাবিড় আৰু মঙ্গোলীয় জাতিগোষ্ঠীবোৰৰ প্ৰব্ৰজন ঘটিছিল। তেওঁলোক হয়তো অগাপিছাকৈ বিভিন্ন দিশৰ পৰা অসমত সোমাইছিল। একালত অষ্ট্ৰিক জাতীয় লোকসকল অসমৰ বিভিন্ন ঠাইত সিঁচৰতি হৈ পৰিছিল, কিন্তু পিছত মঙ্গোলীয় গোষ্ঠীৰ লোকসকলৰ লগত চিনিব নোৱৰাকৈ সানমিহলি হৈ গৈছিল। অৱশ্যে অষ্ট্ৰিক ভাষা খাছি আৰু জয়ন্তীয়াসকলৰ মাজত জীয়াই থাকিল। বিষ্ণুৰাভাৰ মতে মিকিৰসকলো অষ্ট্ৰিক জাতীয় আৰু তেওঁলোকেই আছিল অসমৰ প্ৰথম আদিবাসী, অসমৰ 'আৱিষ্কৰ্তা কলম্বাছ'। (বিষ্ণুৰাভা ঃ 'অসমীয়া কৃষ্টি')। কিন্তু যোগেশ দাসে প্ৰাগৈতিহাসিক আদিপ্ৰস্তৰ যুগৰ

নিগ্ৰইড সকলকেই আদিম অনুপ্ৰবেশকাৰী বুলি কৈছে। (যোগেশ দাস ঃ 'অসমৰ জনকৃষ্টি' ঃ পৃঃ ৩)। তাৰ পিছত আহে যথাক্ৰমে নগাসকল, অষ্ট্ৰিকভাষী খাছী আৰু জয়ন্তীয়াসকল আৰু দ্ৰাবিড়ভাষী ভূমধ্য সাগৰীয় কৈৱৰ্ত আৰু বণিয়াসকল। বিষ্ণুৰাভাই কুকী-লুচাই আৰু নগাসকলকো অষ্ট্ৰিক জাতীয় বুলি কৈছে। তাৰ পিছত আহে খাছী জাতিৰ পূৰ্ব পুৰুষসকল। কালক্ৰমত চামে চামে মঙ্গোলীয় গোষ্ঠীৰ লোকসকলৰো বিপুলভাৱে প্ৰব্ৰজন হয়। তেওঁলোকে অষ্ট্ৰিক আৰু দ্ৰাবিড় উপাদানবিলাক সামৰি লয় আৰু সমগ্ৰ উত্তৰ পূব অঞ্চলটোত বিয়পি পৰে। সেইদৰে খ্ৰীষ্টিয় শতিকাৰ আৰম্ভণিৰে পৰা পশ্চিমৰ আৰ্যগোষ্ঠীৰ লোকসকলৰো আগমন ঘটিবলৈ ধৰে। তেওঁলোকে মঙ্গোলীয় গোষ্ঠীৰ লোকেৰে ভৰি থকা সমাজখনৰ বুকুত অ'ত ত'ত বসতি স্থাপন কৰিবলৈ লয়। থলুৱা জনজাতীয় নৃপতিসকলেও তেওঁলোকক সংস্থাপন দিছিল। এইদৰে মঙ্গোলীয় আৰু আৰ্য গোষ্ঠীৰ লোকসকলৰ সহ-অৱস্থানৰ ফলত জাতিগত সংমিশ্ৰণ আৰু সংহতিৰ এটা প্ৰক্ৰিয়াও আৰম্ভ হৈছিল। কিন্তু একে সময়তে এই ভিন্ ভিন্ জাতিগোষ্ঠীয়ে তেওঁলোকৰ জাতিগত স্বতন্ত্ৰতাকো নীৰৱে অথচ আঁকোৰগোঁজভাৱে যুগ যুগ ধৰি ৰক্ষা কৰিছিল। এই স্বতন্ত্ৰতাক ভাঙি-ছিঙি চুৰমাৰ কৰিব পৰা কোনো যুগান্তকাৰী ঘটনা কোনোকালে সংঘটিত নহ'ল নাইবা সৃষ্টি নহ'ল তেনে কোনো আৰ্থ-ৰাজনৈতিক শক্তিৰ। অসম চিৰকাল এটা যাদুঘৰ হিচাপেই বাচি থাকিল।

প্ৰাচীন অসমলৈ অহা প্ৰব্ৰজনকাৰীসকলৰ বৃহত্তম অংশটো আছিল তিব্বত-বৰ্মী ভাষাভাষী মঙ্গোলীয় গোষ্ঠীৰ লোকসকল। তেওঁলোকৰ মূল গৃহভূমি চীনদেশৰ পশ্চিম অঞ্চলৰ পৰা খ্ৰীঃ পূঃ প্ৰথম হাজাৰ বছৰতে এই লোকসকলৰ বিপুল প্ৰব্ৰজন ঘটে। তেওঁলোকে বহু ঠাই অতিক্ৰম কৰি ব্ৰহ্মদেশ পায়হি আৰু তাতে দুভাগ হয়। এভাগে উত্তৰ পূব দিশেদি অসমত সোমায় আৰু আনটো ভাগ তিব্বতৰ পৰা লাদাখলৈকে হিমালয়ৰ দক্ষিণ অঞ্চলত সোমাই পৰে। তিব্বতৰ পুৰণি নাম আছিল 'বোড'। তাৰ পৰাই বড়ো শব্দৰো উৎপত্তি হয় বুলি পণ্ডিতসকলে ক'ব খোজে। পিছত এই দলটোৰ পৰাও কিছু লোক উত্তৰ ফালেদি অসমলৈ আহে। অৱশ্যে এই বড়ো গোষ্ঠীৰ লোকসকলে ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে কেতিয়া বসতি কৰিবলৈ আৰম্ভ কৰে সেই কথা নিশ্চয়কৈ কোৱা টান। চীন-তীব্বতীয় বা মঙ্গোলীয় জাতিগোষ্ঠীবোৰৰ ভিতৰত বড়োসকলেই হ'ল সংখ্যাগৰিষ্ঠ আৰু আটাইতকৈ উল্লেখযোগ্য। এওঁলোক ব্ৰহ্মপুত্ৰ উপত্যকাৰ সমগ্ৰ সমভূমি অঞ্চল, উত্তৰ কাছাৰ আৰু গাৰোপাহাৰ, বঙ্গ আৰু বিহাৰৰ উত্তৰাঞ্চল, ত্ৰিপুৰা-বাংলাদেশৰ শ্ৰীহট্ট আৰু মৈমনসিং জিলালৈকে বিয়পি পৰে। ডঃ সুনীতি কুমাৰ চট্টোপাধ্যায়ে লিখিছে যে আজিও, ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে আৰু ত্ৰিপুৰা আৰু পূববংগত বড়ো ভাষাৰ উল্লেখযোগ্য অৱশিষ্টই প্ৰমাণ কৰে যে এহেজাৰ বা বাৰশ বছৰ আগেয়ে অসমৰ উচ্চশ্ৰেণী কেইটা, ব্ৰাহ্মণ আৰু বংগ তথা বিহাৰৰ পৰা অনা বাসিন্দাসকলক বাদ দি বাকী বাসিন্দাসকল আছিল মূলতঃ তিব্বত-বৰ্মী ভাষাভাষী লোক। (S. K. Chatterjee

'The Place of Assam in the History and Civilisation of India,' p. 34)। অসমৰ কছাৰী, মেছ, গাৰো, লালুং, ৰাভা, চুতীয়া, কোচ, মিছিং, মৰাণ, বৰাহী আদি জনগোষ্ঠীবোৰ হ'ল এই বড়োগোষ্ঠীৰে ঠাল-ঠেঙুলি। মিজোসকলো এই বড়ো সম্প্ৰদায়ৰে লোক। মিছিংসকল আছিল অৰুণাচলৰ অকা, আদি আৰু মিছিমিসকলৰ লগত। তাৰ পৰা বহু পিছত তেওঁলোক ভৈয়ামলৈ নামি আহে। কালক্ৰমত স্থান আৰু সংস্কৃতিৰ ভিন্নতা বাঢ়ি যোৱাত এই আটাইবিলাক জনগোষ্ঠীয়েই পৃথক পৃথক জাতিসত্তাত পৰিণত হয়। বৰ্তমান কছাৰী আৰু মেছসকল বড়ো বুলি পৃথকভাৱে পৰিচিত হ'ল।

আনহাতে অসমলৈ পশ্চিমৰ আৰ্যসকলৰ আগমনৰ সময় আৰু ধৰণ আছিল অনিশ্চিত। ৰামায়ণ আৰু মহাভাৰতত প্ৰমাণ আছে যে আৰ্য আৰু মঙ্গোলীয় জাতিগোষ্ঠীবোৰৰ মাজত ইতিমধ্যেই কিছু কিছু সংযোগ ঘটিছিল। যোগেশ দাসে লিখিছে ঃ "গংগা উপত্যকাইদি পূবফালে বিয়পি পৰিবলৈ আৰ্যসকলৰ কেইবা শতিকাও লাগিছিল। তেওঁলোক আহি উত্তৰ বিহাৰ খ্ৰীঃ পূঃ ৭০০ তহে পাইছিল বুলি কোৱা হয়। গতিকে তেওঁলোক অসমলৈ নিশ্চয় পিছতহে আহে।" (যোগেশ দাস ঃ 'অসমৰ জনকৃষ্টি' ঃ পৃঃ ৪)। এড্ৱাৰ্ড গেইটে তেখেতৰ A History at Assamত উল্লেখ কৰিছে যে ভাৰতৰ ৰজা সমুদ্ৰই ১০৫ খ্ৰীষ্টাব্দত অসমৰ মাজেদি পাৰ হৈ উজনী ব্ৰহ্মদেশত শাসন প্ৰতিষ্ঠা কৰিছিল আৰু তেওঁৰ লগত আৰ্যহিন্দু লোক অসমলৈ আহিছিল (p.)। ডঃ পুৰীৰ মতেও খ্ৰীষ্টিয় প্ৰথম শতাব্দী কেইটাত আৰ্য প্ৰব্ৰজনৰ এক স্বাভাৱিক ধাৰা আৰম্ভ হয়। হাবি আৰু গছ-গছনিৰে ভৰপূৰ কামৰূপ— অসমে ব্ৰাহ্মণ সম্প্ৰদায়ৰ অসংখ্য লোকক আকৰ্ষিত কৰিছিল আৰু দেশখন বলিদানৰ দেশ বুলি জনাজাত হৈছিল (Dr. B. N. Puri : Studies in Early History and Administration of Assam, p. 7- "With its richness in wood and some plants in the hilly tracts of Kamrupa, Assam attracted members of the Brahmana Community in large numbers, and it came to be known as the land of sacrifices")। প্ৰাচীন অসমৰ বৰ্মণ, শালস্তম্ভ আৰু পাল বংশৰ হিন্দু ৰজাসকলেও বদান্যতা দেখুৱাই ব্ৰাহ্মণ আদি "উচ্চ" হিন্দুসকলক এই দেশত বসবাস কৰিবলৈ উদগনি দিছিল।

আৰ্যসকল প্ৰথম অসমলৈ অহাৰ সময়ত অসম মঙ্গোলীয় গোষ্ঠীৰ লোকেৰে ভৰি আছিল। সেয়ে প্ৰব্ৰজনকাৰী হিন্দুলোকসকলে আৰু ব্ৰাহ্মণ্য ধৰ্মই সেই জনজাতীয় আবেষ্টনীৰ মাজতেই খোপনি ল'বলগীয়া হৈছিল। কেতিয়াবা থলুৱা নৃপতিসকলৰ পৃষ্ঠপোষকতাত, কেতিয়াবা কোনো অভিযাত্ৰী ভাৰতীয় হিন্দু ৰজাৰ লগত আৰু কেতিয়াবা হয়তো এনেয়ে আৰ্যাবৰ্ত্তৰ পৰা ব্ৰাহ্মণসকল অসমলৈ আহিছিল। সংখ্যাত তেওঁলোক আছিল তাকৰ। তথাপি তেওঁলোকে লগত অনা উন্নততৰ ভাষা আৰু ধৰ্মৰ জোৰত

এই মুষ্টিমেয় হিন্দু ব্ৰাহ্মণসকলে জাতীয় সংমিশ্ৰণৰ উদ্যোগ গ্ৰহণ কৰিবলৈ সক্ষম হৈছিল। এওঁলোকৰ পুৰুষাৰ্থতেই খ্ৰীষ্টিয় যুগৰ আৰম্ভণিৰ পৰা প্ৰাচীন অসম হিন্দু ভাৰতৰ অংশ বুলি পৰিগণিত হৈছিল। ড° সুনীতি কুমাৰ চট্টোপাধ্যায়ে লিখিছে— "গোটেই ভাৰতবৰ্ষকেই পুৰাণৰ ভূগোলৰ মাজত (মহাভাৰতৰ ভূগোলকে ধৰি) অন্তৰ্ভুক্ত কৰা হৈছিল আৰু অসমো তাৰ ব্যতিক্ৰম নাছিল। ঔৎসুক্যৰ কথা এয়ে যে ব্ৰহ্মপুত্ৰক পবিত্ৰ সপ্তনদী (গংগা, যমুনা, গোদাবৰী, সৰস্বতী, নৰ্মদা, সিন্ধু আৰু কাবেৰী)ৰ ভিতৰত ধৰা হোৱা নাছিল, কিন্তু আগতীয়াকৈয়ে (সম্ভৱতঃ খ্ৰীষ্টিয় প্ৰথম হাজাৰ বছৰৰ দ্বিতীয়াৰ্দ্ধত) অসমক প্ৰাগজ্যোতিষ বা কামৰূপ নামেৰে বৌদ্ধ আৰু ব্ৰাহ্মণ্য (শাক্ত) তান্ত্ৰিকতাবাদৰ এটা কেন্দ্ৰ হিচাপে স্বীকাৰ কৰি লোৱা হৈছিল আৰু আজিৰ দিনলৈকে পবিত্ৰ ভাৰতভূমিৰ ভিতৰতে কামৰূপ বা প্ৰাগজ্যোতিষৰ এই বিশেষ চৰিত্ৰক হিন্দু ভাবপ্ৰৱণতাই গ্ৰহণ কৰি আহিছে।" (S. K. Chatterjee : 'The Place of Assam in the History and Civilisation of India' p. 12)।

কালিকা পুৰাণৰ মতে অসম-কামৰূপৰ আৰ্যীকৰণ প্ৰথম আৰম্ভ হয় নৰক নামৰ এজন ৰজাৰ ৰাজত্বকালত। পিতাক বিষ্ণুৱে এই নৰকক প্ৰাগজ্যোতিষপুৰৰ কামাখ্যা দেৱীৰ পূজাৰ ৰখীয়া পাতিছিল। নৰক আছিল জনক ঋষিৰ আশ্ৰমত আৰ্য সংস্কৃতিৰে পৰিপুষ্ট। তেওঁ কিৰাতৰাজ ঘটকক মাৰি সেই আদিবাসীসকলক আঁতৰাই "উত্তম" জাতিবিলাকক দেশত বহুৱাইছিল। ড° মহেশ্বৰ নেওগে লিখিছে ঃ "এই কাহিনীৰ ঐতিহাসিক ব্যাখ্যা দিবলৈ গৈ ডক্টৰ বাণীকান্ত কাকতিয়ে নৰকক তৃতীয়ৰ পৰা পঞ্চম শতিকাৰ ভিতৰৰ কোনো সময়ৰ লোক বুলি ক'বলৈ বিচাৰিছে। চতুৰ্থ শতিকাৰ মাজভাগত কামৰূপত পুষ্যবৰ্মা বংশ ৰাজশক্তিৰে সুপ্ৰতিষ্ঠিত। এই সময়তে উত্তৰ ভাৰতত ৩২০ খ্ৰীষ্টাব্দত গুপ্ত সম্ৰাটে প্ৰতিষ্ঠা লাভ কৰে আৰু গুপ্তসকলৰ ৰাজচক্ৰৰ শীতল ছাঁয়াত হিন্দু ধৰ্ম লহ্ পহ্কৈ পুনৰ ঠন ধৰি উঠে।" (ড° মহেশ্বৰ নেওগ ঃ "পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি", পৃঃ ৩)। ড° নেওগে আৰু লিখিছেঃ "এই যুগৰ আন এটি বৈশিষ্ট্য হ'ল ধৰ্ম সম্প্ৰদায়বোৰৰ জন্ম। তাৰ ভিতৰত শিৱ আৰু বিষ্ণুৰ সেৱক সম্প্ৰদায় দুটাই প্ৰধান। ফাৰ্কুহাৰ ছাহাবে ষষ্ঠ শতিকাৰ মাজভাগৰ পৰা নৱম শতিকাৰ ভিতৰত শাক্ত ধৰ্মৰ উদ্ভৱ আৰু ক্ৰমবৃদ্ধি হৈছিল বুলি ধৰিছে। এই যুগতে, সপ্তম শতিকাৰ পৰা হিন্দু শাক্তধৰ্মৰ প্ৰভাৱৰ ফলত গুপ্ত বৌদ্ধ সম্প্ৰদায়, বজ্ৰযান, মন্ত্ৰযান আৰু তন্ত্ৰযানৰ জন্ম হৈছিল বুলি পাশ্চাত্য আৰু ভাৰতীয় পণ্ডিতসকলে মত প্ৰকাশ কৰিছে। হিন্দুধৰ্মৰ ঘাই সম্প্ৰদায়বোৰে ব্ৰহ্মপুত্ৰ উপত্যকাত সোনকালেই সাৰুৱা ঠাই পাই শিপাবলৈ ধৰে। আনফালে গুপ্ত বৌদ্ধ সম্প্ৰদায়বোৰেও এই ৰাজ্যত নিজ ৰাজ্য বিস্তাৰ কৰিলে।" (পূৰ্বোক্ত গ্ৰন্থ– পৃঃ ৪)।

হিন্দু ধৰ্ম অহাৰ আগেয়ে অসমত কি ধৰ্ম চলিছিল সেই কথা নিশ্চয়কৈ ঠাৱৰ কৰা কঠিন। ইংৰাজ পণ্ডিত-প্ৰশাসক হাণ্টাৰ চাহাবে 'A Statistical Accounts

of Assam', 1879, Vol. I ত লিখিছে ঃ “যদিও হিন্দু ধৰ্ম অসম উপত্যকাত সাধাৰণভাৱে চলিছে তথাপি দেশৰ ই আদিম ধৰ্ম নহয়। হিন্দু ধৰ্মৰ প্ৰচলনৰ আগতে ইয়াৰ অধিবাসীসকলৰ কি ধৰ্ম আছিল সেই বিষয়ে একো জনা নাযায়। বৌদ্ধ বা আন ধৰ্মৰ ঠাই ই যে অধিকাৰ কৰিছে তাৰো একো চিন-চাব পোৱা নাযায়।” (উদ্ধৃতিঃ অনিল ৰায়চৌধুৰী ঃ 'শংকৰী পৰম্পৰা প্ৰমূল্য ঃ প্ৰাসঙ্গিকতাৰ প্ৰশ্ন')।- সেই বুলি হিন্দু ধৰ্মৰ প্ৰচলনৰ আগতে থলুৱা জনগোষ্ঠীবোৰৰ মাজত যে কোনো ধৰ্মবিশ্বাস নাছিল, সিয়ো নহয়। অসমৰ প্ৰাচীন জনজাতীয় গোষ্ঠীবোৰৰ মাজত আদিম ধৰ্মবিশ্বাস জড়োপাসনা আৰু ৰীতি-নীতিয়েই আছিল সবল আৰু সক্ৰিয়। ভিন্ ভিন্ জনগোষ্ঠীৰ নিজৰ উপাস্য দেৱ-দেৱী, উপাসনাৰ স্থান আৰু ৰীতি-নীতি সকলো আছিল। এইবিলাকৰ অৱশিষ্ট আজিও জনজাতি বিলাকৰ বিশ্বাস আৰু লোকাচাৰত জীয়াই আছে। হিন্দু ধৰ্মই তেনে বহু লোকাচাৰক নিজৰ অন্তৰ্ভুক্ত কৰিও লৈছে। অৱশ্যে, হিন্দু ধৰ্মক বাধা দিব পৰা কোনো উন্নতমানৰ ধৰ্ম বা সংস্কৃতি যে সেই প্ৰাচীন জনজাতীয় সমাজখনত নাছিল, সেই কথাত কোনো সন্দেহ নাই। সেয়ে প্ৰাচীন অসমৰ জনজাতীয় ৰজাসকলে ৰাজকাৰ্য পৰিচালনা আৰু শিক্ষা-দীক্ষাৰ সুবিধাৰ বাবে সংস্কৃত ভাষা আৰু হিন্দুধৰ্মক উদাৰ চিত্তেই গ্ৰহণ কৰিছিল।

প্ৰাচীন অসমত হিন্দু ধৰ্ম আৰু সংস্কৃত ভাষাৰ লগত থলুৱা জনজাতীয় উপাদানবোৰৰ সমন্বয় আৰু সংমিশ্ৰণ যথেষ্ট দ্ৰুত হৈছিল আৰু তেতিয়াৰ হিন্দু ভাৰতীয় সমাজখনৰ বাবে ই এটা গুৰুত্বপূৰ্ণ ঘটনাই আছিল। ব্ৰাহ্মণ পুৰোহিতসকলে থলুৱা ৰাজবংশবোৰক হিন্দুধৰ্মলৈ দীক্ষান্তৰিত কৰাৰ বাবে উঠিপৰি লাগিছিল। প্ৰাচীন অসমৰ জ্ঞাত ৰাজবংশ কেইটা আছিল যথাক্ৰমে দানব, অসুৰ, বৰ্মণ, শালস্তম্ভ আৰু পালবংশ। দানব, অসুৰ আদি উপাধিয়ে নিৰ্ভুলভাৱে দেখুৱায় যে এই ৰজাসকল থলুৱা জনজাতীয় ৰজাই আছিল। মহীৰঙ্গ দানবৰ শেষ বংশধৰ ঘটকাসুৰক বধ কৰি নৰকাসুৰ প্ৰাগজ্যোতিষৰ ৰজা হৈছিল। বোধকৰো নৰকক আদিতে আৰ্যীকৰণ কৰা হৈছিল, কিন্তু পিছলৈ তেওঁ হিন্দুধৰ্ম ত্যাগ কৰাত শ্ৰীকৃষ্ণই বধ কৰে আৰু পুতেক ভগদত্তক ৰজা পাতে। এই ভগদত্তই কিৰাত আৰু চীনা সৈন্যেৰে গঠিত সেনাবাহিনী লৈ কুৰুক্ষেত্ৰ যুদ্ধত যোগ দিছিল। নৰকৰ দিনৰ পৰাই প্ৰাচীন অসমৰ ৰজা আৰু ৰাজবংশবোৰৰ হিন্দুধৰ্মলৈ ধৰ্মান্তৰণ আৰম্ভ হৈছিল। প্ৰাচীন অসমৰ শ্ৰেষ্ঠ নৃপতি বৰ্মণ বংশৰ ভাস্কৰ বৰ্মাৰ দিনত আৰ্য প্ৰব্ৰজন আৰু হিন্দু ধৰ্মৰ প্ৰভাৱে শীৰ্ষবিন্দু চুইছিলগৈ। ধৰ্মান্তৰিত জনজাতীয় ৰজাসকলেই হিন্দুধৰ্মৰ প্ৰচাৰ আৰু সংস্কৃত ভাষাৰ চৰ্চাত বিশেষ উদ্যোগ গ্ৰহণ কৰিছিল।

এইদৰে আৰ্যৰ ভাষা আৰু ধৰ্মই জনজাতীয় সমাজখনৰ বুকুত নিজৰ সুকীয়া স্থান দখল কৰি লৈছিল আৰু ভৱিষ্যতৰ অসমীয়া ভাষা-সংস্কৃতিৰ কেন্দ্ৰবিন্দুত পৰিণত হৈছিল। থলুৱা জনজাতি বিলাকৰ সংমিশ্ৰণৰ মাধ্যমো আছিল সেই ভাষা আৰু ধৰ্ম। এই সংমিশ্ৰণ প্ৰক্ৰিয়াত জনজাতিবিলাকৰ সাংস্কৃতিক ৰূপান্তৰ যিদৰে ঘটিছিল, আৰ্যভাষাৰো

প্ৰভূত পৰিৱৰ্তন ঘটি এটা উমৈহতীয়া ভাষাৰ সৃষ্টি হৈছিল। জনজাতীয় সমাজখনৰ সাম্যবাদী আচাৰ-আচৰণ, খাদ্যবস্ত্ৰ, কলা-কৃষ্টি আদিৰ প্ৰভাৱত হিন্দু ধৰ্মইও তাৰ গোড়ামি আৰু ৰীতি-নীতিৰ সংকীৰ্ণতা বহুখিনি এৰিবলৈ বাধ্য হৈছিল। উদাহৰণ স্বৰূপে, সতীদাহৰ দৰে হিন্দুৰ অমানৱীয় প্ৰথা অসমত কোনোদিনে প্ৰচলন নহ'ল। আনহাতে জনজাতীয় সমাজখনো হিন্দু ধৰ্ম আৰু সংস্কৃতিৰ বাবে উন্মুখ হৈ উঠিছিল। ড° সুনীতি চট্টোপাধ্যায়ে এইবিষয়ে লিখিছেঃ "নেপালৰ সৈতে অসমে উত্তৰ ভাৰতৰ (হিন্দু) জনসাধাৰণৰ গঠন প্ৰক্ৰিয়াৰ মাজত এই কিৰাত উপাদানৰ বিলীনতাত বিৰাটাকাৰে সাহায্য কৰিছিল। ভাৰতত গঢ়ি উঠা সংস্কৃতিসমূহৰ সমন্বয় (Synthesis) আৰু জাতিসমূহৰ সংমিশ্ৰণ (Fusion)ৰ ক্ষেত্ৰত ই অসমৰ মহৎ উপাদান বুলি ধৰিব পাৰি। প্ৰাগৈতিহাসিক কালতেই অষ্ট্ৰিক আৰু মঙ্গোলীয়, দ্ৰাবিড় আৰু অষ্ট্ৰিক আৰু দ্ৰাবিড় আৰু মঙ্গোলীয়— এনে ধৰণৰ দুই বিশিষ্ট জাতিয়ে যেতিয়া একেখন দেশত একেলগেই বাস কৰিব লাগিব বুলি বুজি উঠিছিল তেতিয়াই তেওঁলোকৰ মাজত এই সমন্বয়ৰো সূচনা হৈছিল। এফ ডব্লিও, টমাচে লিখাৰ দৰে আৰ্য আৰু দ্ৰাবিড়, মঙ্গোলীয় আৰু অষ্ট্ৰিক— এওঁলোকৰ সংমিশ্ৰণৰ ফলত বৈদিক যুগৰ শেষলৈ (অৰ্থাৎ খ্ৰীঃ পূঃ ১০০০ মানত) 'ভাৰতীয় ব্যক্তিজন'ৰ আবিৰ্ভাৱ ঘটাত এই সমন্বয়ে এটা নিৰ্দিষ্ট ৰূপ লাভ কৰিলে আৰু ইয়াৰ চৰিত্ৰ আৰু গতিধাৰা চিৰকালৰ বাবে নিৰূপিত হ'ল।" (ড° সুনীতি কুমাৰ চেটাৰ্জীৰ পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১১)।

এইখিনিতে অসমৰ ইতিহাস সম্পৰ্কে দুই একে অৱতাৰণা কৰা এবিধ নতুন ব্যাখ্যাৰ কথা উল্লেখ কৰা প্ৰয়োজন। অসমৰ বিশিষ্ট বুদ্ধিজীৱী ভবেন বৰুৱাই দাবী কৰিছে যে প্ৰাচীন অসমৰ নৰক-ভগদত্তৰ ভৌম বংশবোৰ আছিল আৰ্যভাষী হিন্দু আৰু পিছৰ ভূঞাসকল হ'ল (১২-১৬ শতিকাৰ) সেই ভৌম পৰম্পৰাৰে নবীকৃত উত্তৰাধিকাৰী। এই ভূঞাসকলৰে সৃষ্টি আছিল অসমীয়া— শ্ৰেষ্ঠ শংকৰদেৱ। কনকলাল বৰুৱাৰ উদ্ধৃতি দি তেখেতে লিখিছে যে দুৰ্লভ নাৰায়ণে ১৩৩০ চন মানত বাহিৰৰ পৰা আনি গুৱাহাটীত স্থাপন কৰা সাতঘৰ ব্ৰাহ্মণ আৰু সাতঘৰ কায়স্থৰ পৰা এই ভূঞাসকলৰ উদ্ভৱ নহয়। শ্ৰীবৰুৱাৰ মতে পূবৰ মঙ্গোলীয় লোকৰ প্ৰব্ৰজন হয় পিছতহে আৰু এই প্ৰব্ৰজনৰ হেঁচাতহে ব্ৰহ্মপুত্ৰ উপত্যকাত ভৌম ৰাজনৈতিক পৰম্পৰা স্তিমিত হৈ পৰে আৰু তাৰ ঠাইত প্ৰতিষ্ঠা হয় চুতীয়া, কছাৰী, আহোম আদি মঙ্গোলীয় ৰাজ্যবিলাক। (Bhaben Barua : 'On the Bhuyan Age of Assam History': 'The Sentinel', 6 April, 1991)। কিন্তু অসমৰ ঐতিহাসিকসকলৰ লিখামেলাত বৰুৱাৰ মতৰ প্ৰতি সমৰ্থন বিচাৰি পোৱা টান হ'ব। এইকথা সকলোৰে স্বীকৃত যে খ্ৰীষ্টীয় শতিকা আৰম্ভ হোৱাৰ আগতেই, অৰ্থাৎ অসমলৈ আৰ্যসকলৰ প্ৰব্ৰজনৰ বহু আগতেই তিব্বত-বৰ্মী ভাষাভাষী মঙ্গোলীয় গোষ্ঠীৰ লোকসকলে ব্ৰহ্মপুত্ৰ উপত্যকাত বসতি স্থাপন কৰিছিল আৰু ৰাজ্য পাতিছিল। নৰক-ভগদত্তৰ বংশ পৰম্পৰাও আছিল

মঙ্গোলীয়হে, আৰ্য নহয়। নৰক আছিল ধৰ্মান্তৰিত জনজাতীয় নৃপতিহে। গুণাভিৰাম বৰুৱাই লিখিছে ঃ "এই দেশ আৰ্যবিলাকৰ দ্বাৰা আৱিষ্কাৰ হোৱাৰ পিছত অনেককাল পৰ্যন্ত আৰ্যবিলাক ইয়ালৈ অহা নাছিল। তেতিয়া দানৱ অৰ্থাৎ অতি নিষ্ঠুৰ অসভ্য জাতিৰ ই আবাস আছিল। কালক্ৰমে আৰ্যস্ৰোত ইয়ালৈ ববলৈ ধৰাত ইয়াৰে কোনো এক শ্ৰেণীৰ লোকসকলে আৰ্যধৰ্মৰ প্ৰতি আস্থা প্ৰকাশ কৰাত সেইবিলাকৰে নৰক অৰ্থাৎ প্ৰধান এজনক আৰ্যকৰ্তৃক নৃপতি স্থাপিত হয়।" ('অসম বুৰঞ্জী' পৃঃ ২৫)। এই নৰকৰে পুত্ৰ ভগদত্তক মহাভাৰতত 'ম্লেচ' বা অহিন্দু জাতিৰ ৰজা বুলি বৰ্ণনা কৰা হৈছে। ভগদত্তৰ সেনাবাহিনীও কিৰাত আৰু চীনা লোকেৰে গঠিত হৈছিল। ড° সুনীতি কুমাৰ চেটাৰ্জী, ড°. বি. এন. পুৰী, যোগেশ দাস, ড° মহেশ্বৰ নেওগ আদি প্ৰতিষ্ঠিত পণ্ডিতসকলৰ মতামতো আগত উল্লেখ কৰা হৈছে। নৰক-ভগদত্ত অসমৰ কোচ, কছাৰী, চুতীয়া, বৰাহী আদি মঙ্গোলীয় জাতিগোষ্ঠীবোৰৰহে পূৰ্বপুৰুষ, ভূঞাসকলৰ নহয়। ভূঞাসকল নিশ্চয় মঙ্গোলীয় নহয় আৰু সেয়ে তেওঁলোক নৰক-ভগদত্তৰ ভৌম পৰম্পৰাৰো উত্তৰাধিকাৰী নহয়। তথাপি নৰক-ভগদত্তক জোৰ কৰি আৰ্যহিন্দু বুলি মাৰ্কা লগোৱা আৰু প্ৰাচীন অসমৰ ৰাজনৈতিক পৰম্পৰাক আৰ্য-হিন্দু পৰম্পৰা বুলিহে প্ৰতিষ্ঠা কৰাৰ অপচেষ্টা কৰিলে তাৰ মতলব ভাল নহয় বুলিহে ধৰিব লাগিব। উল্লেখযোগ্য যে এই নৰকৰে সমসাময়িক আন দুজন মঙ্গোলীয় গোষ্ঠীৰ ৰজাই প্ৰাচীন অসমৰ আন দুটা অঞ্চলত শাসন কৰিছিল। তাৰে এজন আছিল সৌমাৰৰ ভীষ্মক ৰজা আৰু আনজন শোণিতপুৰৰ বাণৰজা। শ্ৰীবৰুৱাই তেওঁলোককো অ-মঙ্গোলীয় আৰ্যহিন্দু বুলি কৈ নিদিলেই ৰক্ষা!

আচল কথা হ'ল, হিন্দু ব্ৰাহ্মণসকলে জনজাতীয় সমাজখনক হিন্দু পৰম্পৰাৰ ভিতৰুৱা কৰিবলৈ আৰু তাৰ মাজেদি হিন্দুৰ প্ৰভাৱক এই দেশৰ পুৰণি আৰু সৰ্বগ্ৰাসী পৰম্পৰা হিচাপে প্ৰতিষ্ঠা কৰিবলৈ আপ্ৰাণ চেষ্টা চলাইছিল। অনিল ৰায়চৌধুৰীয়ে এই ঘটনাৰ এটা সুন্দৰ বৰ্ণনা দিছে। তেওঁ লিখিছে ঃ ব্ৰাহ্মণসকলে "ইয়াৰ থলুৱা মানুহৰ উপাস্য স্থান, বিগ্ৰহ বা দেৱতাক নানান কাহিনীৰে হিন্দু ধৰ্মৰ স'তে জড়িত কৰি তন্ত্ৰ বা পুৰাণ আদি ৰচনা কৰি সেইবোৰক হিন্দু দেৱস্থান কৰি তোলে। এনেবোৰ কাহিনী পুৰাণৰ মাজেৰে থলুৱা জনগোষ্ঠীৰ ন কৈ হিন্দু হোৱা প্ৰভাৱশালী সমাজপতিক আৰ্য-হিন্দু সমাজৰ সতে সাঙুৰি নতুন মৰ্যাদাজনক পৰিচয় দিলে আৰু সাধাৰণ মানুহ কৃষক শ্ৰেণীত সোমাল। ইয়াকে কৰিবলৈ যাওঁতে থলুৱা জনগোষ্ঠীৰ আদিম জনবিশ্বাস আৰু আচৰণকো হিন্দু ধৰ্ম-আচৰণৰ ভিতৰুৱা কৰিবলগীয়া হ'ল (দেউধনী প্ৰথা)।" (অনিল ৰায়চৌধুৰী ঃ 'শংকৰী পৰম্পৰা প্ৰমূল্য ঃ প্ৰাসঙ্গিকতাৰ প্ৰশ্ন' ঃ 'প্ৰগতিশীল সাহিত্য সমীক্ষা', নতুন সাহিত্য পৰিষদ, ফেব্ৰুৱাৰী ১৯৮৮, পৃঃ ৮০)। এইদৰে হিন্দু ধৰ্মই শ্ৰেণীহীন জনজাতীয় সমাজখনত দেৱতাসম্ভূত ৰাজবংশ আৰু সাধাৰণ কৃষকসমাজৰ মাজত শ্ৰেণীগত বিভাজনো কটকটীয়া কৰিলে। বিষ্ণুৰাভায়ো এই আৰ্যীকৰণ প্ৰক্ৰিয়া

সম্পৰ্কে লিখিছেঃ “সেই সময়ৰ প্ৰধান দেৱতা আছিল শিৱ বা শিব্ৰাই। তাৰ লগতে এই অঞ্চলৰ লোকসকলৰ অগাধ বিশ্বাস আছিল ভূত, প্ৰেত, দেৱ দেৱীৰ প্ৰতি। সেইকাৰণে এই ৰাজ্যৰ নাম হ'ল কামৰু, অৰ্থাৎ ভূত-প্ৰেত, দেৱ-দেৱীৰ ৰাজ্য। আৰু আদ্যশক্তি গোঁসানীৰ নাম হ'ল কামাখী বা কামলখী অৰ্থাৎ ভূত-প্ৰেত, দেৱদেৱীৰ গোসাঁনী; যি কি নহওক, এই নৰকাসুৰেই অসমত প্ৰথম নগৰ স্থাপন কৰিলে। তাৰ পৰাই শ্ৰেণীবিভেদ আৰম্ভ হ'ল। আহল বহল ডাঙৰ-দীঘল নৈৰ নাম হ'ল ‘ডিলাও’। শেষত এই ‘ডিলাওৱে’ই টিলাও হ'ল। ভৰ বাৰিষা ডকা-চাকনৈয়া আৰু ভদীয়া ধলৰ কোবাল সোঁতৰ শব্দ বুকুত লৈ এই টিলাও নৈখন বৈছিল কাৰণে এই নৈখনক ‘ভুল্লুং বুথুৰ’ও বুলিছিল। ‘ভুল্লুং বুথুৰ’ৰ অৰ্থ হৈছে কলনাদকাৰী। যেতিয়া দেখিলে নৰকাসুৰ কামৰুৰ বৰ্বৰ সভ্যতাৰ মাজত বিলীন হ'ল আৰু আৰ্যসভ্যতাৰ কোনো চাব এই ৰাজ্যত পেলাব নোৱাৰিলে, তেতিয়া শ্ৰীকৃষ্ণ নিজেই অসমলৈ আহি ভীষ্মকৰ জীয়েক উষা আইদেউক নাতিয়েক অনিৰুদ্ধলৈ চুৰি কৰি নিলে, আৰু নৰকাসুৰক বধ কৰি .... ষোলহাজাৰ গোপিনী লগতে দ্বাৰকালৈ নিলে, তেতিয়াৰ পৰাহে আৰ্যসভ্যতা ‘কামৰু’ত চলিল, ‘কামৰু’ৰ নাম সলাই কামৰূপ কৰা হ'ল। কামাখী বা কাম্‌লখী গুচি কামাখ্যা হ'ল, টিলাওৰ ঠাইত লাওটি, লোহিত, লৌহিত্য হ'ল আৰু ভুল্লুং বুথুৰে মোট সলাই ব্ৰহ্মপুত্ৰ হ'ল।” (বিষ্ণুৰাভা ঃ ‘অসমীয়া কৃষ্টি’, প্ৰবন্ধ)। ৰাভাই পৰিপাটিকৈ কোনো ইতিহাস গৱেষণা কৰা নাছিল যদিও তেওঁৰ এই কথাখিনি নতুন গৱেষণাৰ বিষয়বস্তু হ'ব পাৰে। হিন্দু ধৰ্ম সংস্কৃতিৰ প্ৰচাৰকসকলে অসমৰ ঠাই, নদ-নদী, দেৱ-দেৱী উপাসনাৰ স্থান আদিৰ নামবোৰক যে ব্যাপক হাৰত আৰ্যীকৰণ কৰি লৈছিল তাত কোনো সন্দেহ নাই। হিন্দুৰ কামাখ্যা আৰু কেঁচাইখাতী জনজাতীয় গোসাঁনীহে আছিল। সেইদৰে ‘দি’ যুক্ত অসংখ্য নৈৰ নামো জনজাতীয় নামৰ পৰাই লোৱা।

আগত উল্লেখ কৰা হৈছে যে প্ৰাচীন অসমত হিন্দু ধৰ্ম আৰু ভাষাৰ প্ৰচাৰ ৰজাঘৰৰ পৰাই হৈছিল। জনজাতীয় ৰজাসকলেও হিন্দুধৰ্মৰ আশ্ৰয়ত নতুন সামন্তশ্ৰেণীলৈ উত্তৰণ আৰু এটা সামন্তবাদী অৰ্থনীতিৰ পট্টনৰ সপোন দেখিছিল। কিন্তু হিন্দু ধৰ্মই কালক্ৰমত থলুৱা জনজাতীয় প্ৰজাসকলৰো একাংশক আকৰ্ষণ আৰু ধৰ্মান্তৰিত কৰিবলৈ আৰু বৰ্ণব্যৱস্থাৰ মাজত সামৰিবলৈ সক্ষম হৈছিল। বৰ্মণ বংশৰ ৰাজত্ব কালত হিন্দু ভাৰতৰ লগত প্ৰাচীন অসমৰ ৰাজনৈতিক আৰু সাংস্কৃতিক আদান-প্ৰদান যথেষ্ট বৃদ্ধি পাইছিল। ভাস্কৰ বৰ্মাৰ দিনত কামৰূপ এখন ডাঙৰ সাম্ৰাজ্যত পৰিণত হৈছিল আৰু ইয়াৰ সীমা পশ্চিমে সুদূৰ নালন্দালৈকে বিস্তাৰিত হৈছিল। কণৌজৰ ৰজা হৰ্ষবৰ্দ্ধনৰ লগত ভাস্কৰ বৰ্মাৰ মিত্ৰতা গঢ়ি উঠিছিল আৰু উত্তৰ ভাৰতৰ ৰাজনীতি আৰু সংস্কৃতিত তেতিয়াৰ কামৰূপে এখন গৌৰৱৰ আসন দখল কৰি লৈছিল। পিছৰ শালস্তম্ভ বংশৰ মহাৰাজাধিৰাজ হৰ্ষদেৱৰ দিনত (অষ্টম শতিকা) কামৰূপ আকৌ শক্তিশালী হৈ উঠে।

এই শালস্তম্ভ আৰু পিছৰ পালবংশৰ ৰাজত্বত আৰ্য ভাষা-সংস্কৃতিৰো যথেষ্ট প্ৰসাৰ ঘটে। পালবংশৰ ধৰ্মপাল ৰজাই সংস্কৃত ভাষাত প্ৰশস্তি, কাব্য আদি ৰচনা কৰাৰো উল্লেখ আছে। কেউফালে ভাষা-সংস্কৃতিৰ এটা সুচল পৰিবেশৰ সৃষ্টি নহ'লে এনেধৰণৰ সাহিত্য সৃষ্টি কেতিয়াও সম্ভৱ নহয়। দশম-দ্বাদশ শতিকাৰ পালবংশৰ ৰাজত্বকাল আছিল প্ৰাচীন কামৰূপৰ এক গৌৰৱময় অধ্যায়। এই বংশৰ শাসন ওৰ পৰাতহে দেশখনত ৰাজনৈতিক অস্থিৰতা, বিপৰ্যয় আৰু বিভাজনে দেখা দিয়ে। স্বাভাবিকভাৱে ভাষা-সংস্কৃতিৰ সম্প্ৰসাৰণ আৰু বিকাশতো বাধা পৰে।

ব্ৰাহ্মণ পণ্ডিতসকল অসমলৈ আহোঁতে ধৰ্ম আৰু আচাৰ অনুষ্ঠানৰ লগতে সংস্কৃত আৰু মাগধী-প্ৰাকৃত ভাষাও লৈ আহিছিল। ৰাজ বংশবিলাকেও সংস্কৃত ভাষাত ৰাজসভাৰ কামকাজ চলোৱাৰ কথা বুৰঞ্জীত পোৱা যায়। প্ৰব্ৰজনকাৰী হিন্দুসকলৰ লগত স্থানীয় মঙ্গোলীয় গোষ্ঠীবোৰৰ সমন্বয়ৰ ফলস্বৰূপে এটা উমৈহতীয়া ভাষাৰ বিকাশ ঘটিবলৈ ধৰে। হিন্দুধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰৰ লগে লগে চীন-তিব্বতীয় আৰু অষ্ট্ৰিকমূলৰ নামবোৰৰো আৰ্যীকৰণ আৰম্ভ হ'ল। এইদৰে অসমীয়া ভাষাৰ বিকাশত আৰ্যসকলৰ লগতে অষ্ট্ৰিক, মঙ্গোলীয় আদি জাতিগোষ্ঠীবোৰৰো বিশিষ্ট অৱদান ৰৈ গ'ল। ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ মতে "সকলোবোৰ আধুনিক ভাৰতীয় আৰ্য ভাষাৰ ভিতৰত অসমীয়াই হ'ল আটাইতকৈ বেছি দৃঢ়, সংবদ্ধ আৰু জটিল, কাৰণ এই ভাষাটো অষ্ট্ৰিয়, তাই-তিব্বতীয় উপভাষা আৰু কথিত ভাষাৰ দ্বাৰা প্ৰভাৱান্বিত হৈছে।" ড° সূৰ্য কুমাৰ ভূঞাইও অসমীয়া ভাষাক জনজাতিসমূহৰ ওচৰত ঋণী বুলি কৈছে ঃ "অসমীয়া ভাষাৰ শব্দাৱলী জনজাতিসমূহে ব্যৱহাৰ কৰা শব্দৰাজিৰ দ্বাৰা বিশেষভাৱে শক্তিশালী হৈছে। অসমৰ ফকৰা-যোজনাসমূহো জনজাতীয় চুবুৰীয়াসকলৰ লগত সংগতিপূৰ্ণ। অসমৰ জনপ্ৰিয় সংগীত আৰু নৃত্যও জনজাতিসমূহৰপৰা লোৱা ঋণেৰে বিৰাটাকাৰে পৰিবৰ্দ্ধিত হৈছে।" (Dr. S. K. Bhuyan : 'Studies in the History of Assam,' p. 56) এই কথা স্পষ্ট যে মৌলিক গঠন তথা ব্যাকৰণৰ ফালৰ পৰা অসমীয়া এটা আৰ্যভাষা হ'লেও তাৰ অৱয়ৱত জনজাতীয় প্ৰভাৱো কিন্তু কম নাছিল। ই আছিল জাতীয় সংমিশ্ৰণৰেই ইতিবাচক ফল। মাত্ৰ কথা হ'ল, এই সংমিশ্ৰণ কোনোদিনে সম্পূৰ্ণ আৰু সৰ্বগ্ৰাসী হ'ব নোৱাৰিলে।

সন্দেহ নাই, অসমীয়াৰ জাতীয় জীৱনৰ উষাকালত হিন্দু ব্ৰাহ্মণ্য ধৰ্ম আৰু সংস্কৃত-প্ৰাকৃত ভাষাই সংমিশ্ৰণ আৰু সমন্বয়ৰ প্ৰাৰম্ভিক ঐতিহাসিক কৰ্তব্য পালন কৰিছিল। হিন্দু ব্ৰাহ্মণ আৰু পিছৰ কায়স্থসকল আছিল শিক্ষা-দীক্ষা, কূটনীতি, ৰাষ্ট্ৰ ব্যৱস্থা, ধৰ্ম প্ৰচাৰ আৰু বৌদ্ধিক অনুশীলনৰ লগতেই ঘাইকৈ জড়িত। সেয়ে ৰাজকাৰ্যৰ উপদেশ, শাস্ত্ৰৰ প্ৰচাৰ, ভাষাৰ বিকাশ আৰু সাহিত্য সৃষ্টিৰ সুযোগ আৰু দায়িত্ব তেওঁলোকৰ ওপৰতেই ন্যস্ত হৈছিল। বিপুল সংখ্যাগৰিষ্ঠ আৰ্যেতৰ জনগোষ্ঠীবোৰৰ আবেষ্টনীৰ মাজত হিন্দু ধৰ্ম আৰু সংস্কৃতিয়ে পূৰ্বৰ বিশুদ্ধতা অটুট ৰাখিব পৰা নাছিল। ফলত সিবিলাকৰো

পৰিৱৰ্তন ঘটিছিল। ব্ৰাহ্মণ পুৰোহিতসকলে জনজাতীয় ধৰ্মবিশ্বাস আৰু ৰীতি-নীতিবোৰত বিশেষ হস্তক্ষেপ নকৰিছিল আৰু সিবিলাকৰ লগত সহ অৱস্থানৰ কৌশলহে গ্ৰহণ কৰিছিল। এই শিথিলতাই ৰজাঘৰৰ লগতে প্ৰজাকো প্ৰভাৱান্বিত কৰিছিল। প্ৰাচীন কামৰূপ এইদৰে ব্ৰাহ্মণ্য তান্ত্ৰিক ধৰ্মৰ এটা ডাঙৰ কেন্দ্ৰত পৰিণত হৈছিল। গঢ় লৈ উঠিছিল সৰু হ'লেও প্ৰভাৱশালী এখন হিন্দু সমাজ আৰু এটা উমৈহতীয়া ভাষা, যিবিলাকে অসমীয়া জাতিৰো বৰভেটি স্থাপন কৰিছিল। ড° সত্যেন্দ্ৰ নাথ শৰ্মাইও লিখিছে যে— এখন ঐক্যবদ্ধ আৰু প্ৰভাৱশালী হিন্দু সমাজ' আৰু অসমীয়া ভাষা ক্ৰমবিকশিত ৰূপত মূৰ দাঙি উঠিল (Dr. S. N. Sarma : 'A Socio-Economic and Cultural History of Medieval Assam,' Introduction : "a unified and dominant Hindu Society in Assam made possible by Aryanisation and Hinduisation, Sanskrit and Prakrit language, especially the former, in all courtly transactions, establishment of Pan Indian Administrative System, social laws according to Dharmasastras, Yajnas and other religious rites and gradual evolution of the Assamese language.")

এইখিনি হ'ল সমন্বয় আৰু সংহতিৰ কথা। কিন্তু সেই ইতিহাসৰ লগত জড়িত হৈ আছে দুখ আৰু বেদনাৰো অন্য এক কাহিনী। অসমৰ মাটিত আৰ্য আৰু মঙ্গোলীয় জনগোষ্ঠীবোৰৰ মাজত সংমিশ্ৰণৰ এটা স্বাভাৱিক প্ৰক্ৰিয়া গঢ় লৈ উঠা সত্বেও সি কোনোদিনে সম্পূৰ্ণ আৰু সুদৃঢ় হ'ব নোৱাৰিলে। অসমীয়াৰ জাতি গঠন প্ৰক্ৰিয়াৰ এই মৌলিক দুৰ্বলতাৰ বাবে এই জাতিটোৱে আজিও বৰ বেছি মূল্য দি থাকিবলগীয়া হৈছে। অথচ হিন্দু জাত্যাভিমানীসকলে এই অপ্ৰিয় সত্যটো মানি ল'বলৈ মৃত্যুবৎ ভয় কৰে। কিন্তু তাৰ পৰিণাম অসমীয়াৰ বাবে কোনোদিনে মঙ্গলজনক হোৱা নাই। এই সত্যানুসন্ধানক আত্মঘাতী জিঘাংসা বুলি উৰাই দিলেও অসমীয়া জাতিৰ কোনো উপকাৰ নহ'ব, কাৰণ কেৱল হিন্দু হিচাপে এই জাতিটো কোনোদিনে এটা শক্তিশালী জাতি হ'ব নোৱাৰিব।

প্ৰাক্ আহোম যুগৰ অসমত জাতীয় সংমিশ্ৰণৰ ধাৰাটো স্বাভাৱিক হ'লেও সি আছিল মন্থৰ আৰু এৰাধৰা। প্ৰথম কথা, প্ৰাচীন অসমৰ জাতিবোৰৰ মাজৰ সংমিশ্ৰণ মুক্ত আৰু দ্ৰুত হ'ব পৰাকৈ এটা সুচল আৰ্থ-সামাজিক পৰিৱেশ সৃষ্টি হোৱা নাছিল। জনজাতীয় কৃষি ব্যৱস্থা আছিল অনুন্নত আৰু আদিমযুগীয়। পণ্যৰ উৎপাদন বা বিনিময় বুলিও বিশেষ একো নাছিল। এনে অৱস্থাত ভিন ভিন জনগোষ্ঠীৰ মানুহ আৰু সংস্কৃতিৰ মিলন ব্যাপক আৰু খৰতকীয়া হোৱাটো আছিল অসম্ভৱ কথা। সেয়ে জনজাতীয় গোষ্ঠীবিলাকৰ পাৰস্পৰিক বিচ্ছিন্নতা দূৰ হোৱা নাছিল আৰু পশ্চিমৰ পৰা অহা হিন্দু ব্ৰাহ্মণ আৰু অন্য শ্ৰেণীৰ লোকসকল এই জনজাতীয় সমাজখনৰ বুকুত ঠায়ে ঠায়ে

একোটা ক্ষুদ্ৰ দ্বীপৰ দৰেহে ওপঙি আছিল। পূজা-পাতল, যাতায়াত আদিৰ বাবে সুচল কেন্দ্ৰবোৰত এই লোকসকল গোট খাইছিল বা তেওঁলোকক সংস্থাপিত কৰা হৈছিল। জনসংখ্যাৰ ফালৰ পৰাও তেওঁলোক আছিল নগণ্য। সেয়ে হিন্দু ধৰ্ম আৰু সংস্কৃতিয়ে এটা উন্নত জীৱনৰ ভেটি বান্ধিছিল ঠিকেই, কিন্তু সি কেউফালৰ জনজাতীয় গোষ্ঠী সমাজখনৰ আত্মকেন্দ্ৰিকতা দূৰ কৰিব নাইবা নিজৰো বৰ্ণাভিমানক অতিক্ৰম কৰিব পৰা নাছিল। অসমৰ মাটিত দুই বিপৰীত দিশৰপৰা অহা মঙ্গোলীয় আৰু আৰ্য– এই দুই প্ৰধান জনগোষ্ঠী সামাজিক আৰু মনস্তাত্ত্বিকভাৱে দুটা পৃথক আৰু জীণ নোযোৱা গোষ্ঠী হিচাপে বৰ্তি থাকিল। থলুৱা মঙ্গোলীয় জনগোষ্ঠীবোৰৰ প্ৰতি আৰ্য হিন্দুসকলৰ মনোভাৱো আছিল সদায় অৱজ্ঞাসূচক। সেই দৃষ্টিভঙ্গী আজিও সলনি হৈছে বুলি কোৱা টান। গুণাভিৰাম বৰুৱাইও তেখেতৰ 'আসাম বুৰঞ্জী'ত অসমৰ প্ৰাচীন দানব বংশক নিষ্ঠুৰ, অসভ্য জাতি বুলি আখ্যা দিবলৈ এৰা নাই (পৃঃ ২৫)। আৰম্ভণিতে হিন্দু ব্ৰাহ্মণসকলে তেওঁলোকৰ অন্ধ গোড়ামিৰ ভালেখিনি হয়তো এৰি দিবলৈ বাধ্য হৈছিল; কিন্তু সহজ ধৰ্মান্তৰকৰণ নাইবা সাংস্কৃতিক সমন্বয়ৰ বাবে প্ৰয়োজনীয় সামাজিক উদাৰতা সেই বৰ্ণবাদদুষ্ট হিন্দু সমাজখনৰ বাবে আছিল অভাৱনীয় কথা। সেয়ে হিন্দু ধৰ্ম আৰু সংস্কৃতিৰ প্ৰাধান্য অবিসম্বাদী আৰু সুপ্ৰতিষ্ঠিত হোৱা সত্ত্বেও সি "কিৰাত উপাদান"বোৰক পৰিচয়গত সংঘাতৰ পৰা ৰক্ষা কৰিব নোৱাৰিলে।

দ্বিতীয় কথা, সাংস্কৃতিক তথা জাতীয় ঐক্য-সংহতিৰ বাবে দেশৰ যিধৰণৰ ৰাজনৈতিক স্থিৰতা আৰু কেন্দ্ৰীভৱনৰ প্ৰয়োজন, প্ৰাচীন অসমত তাৰো অভাৱ আছিল। সেইদিনৰ অসমৰ ৰাজবংশবোৰৰ আয়ুস আছিল চুটি আৰু অস্থিৰ। দানব, অসুৰ, বৰ্মণ, শালস্তম্ভ, পাল আদি ৰাজবংশকেইটাই প্ৰাচীন কামৰূপত একাদিক্ৰমে প্ৰায় বাৰশ বছৰ ধৰি ৰাজত্ব কৰিছিল। এই ৰাজবংশকেইটাৰ ভিতৰত ভাস্কৰ বৰ্মা আৰু হৰ্ষদেৱৰ দৰে কীৰ্তিমান আৰু মহাপ্ৰতাপী ৰজাৰো জন্ম হৈছিল। তথাপি কোনোটো ৰাজবংশৰে শাসন দীৰ্ঘস্থায়ী হ'ব পৰা নাছিল। ভাস্কৰ বৰ্মাৰ মৃত্যুৰ পিছত তেওঁৰ বৰ্মণ বংশ তথা সাম্ৰাজ্যৰ অস্তিত্বও লোপ পায়। সেইদৰে অষ্টম-নৱম শতিকাৰ শালস্তম্ভ বংশ আৰু দশম-দ্বাদশ শতিকাৰ পালবংশৰ ৰাজত্বও নিশ্চিহ্ন হৈ যায়। পালবংশৰ শেষৰ ফালে দেশত ৰাজনৈতিক অশান্তিয়ে দেখা দিয়ে আৰু কেন্দ্ৰীয় শাসনতন্ত্ৰ দুৰ্বল হৈ পৰে। তাৰ ঠাইত কিছুমান সৰু সৰু ৰাজ্যৰ সৃষ্টি হয়। ১২২৭ খ্ৰীষ্টাব্দত মহম্মদ নাচিৰুদ্দিনৰ হাতত কামৰূপৰ ৰজা পৃথু পৰাজিত হোৱাত কামৰূপ ৰাজ্য একেবাৰে ভাগি পৰে। তেতিয়াৰ পৰা দুটামান শতিকা ধৰি পশ্চিম অসমৰ (বৰ্তমানৰ অবিভক্ত কামৰূপ, অবিভক্ত গোৱালপাৰা জিলা আৰু উত্তৰ বংগৰ কোচবিহাৰ আদি অঞ্চল) ৰাজনীতি অনিশ্চয়তাৰ মাজত ডুব যায়। সেইসময়তে কামৰূপত ভূঞাসকলে সৰু সৰু ৰাজ্য পাতি শাসন কৰিবলৈ লয়। পোন্ধৰ শতিকাৰ মাজভাগতহে খেনবংশৰ ৰজাসকলে এই পশ্চিম অংশত কমতাপুৰ ৰাজ্য স্থাপন কৰে। ১৪৯৮ খ্ৰীষ্টাব্দত গৌড়ৰ ৰজা

হুচেইন শ্বাহে এই খেন বংশৰে শেষ ৰজা নীলাম্বৰক পৰাস্ত কৰি কমতাপুৰ দখল কৰে। মুছলমানৰ শাসন বেছিদিন নিটিকিল। ১৫১৫ খ্ৰীষ্টাব্দত কোচসকলে কমতাপুৰত বিশাল কোচ সাম্ৰাজ্য স্থাপন কৰে আৰু পূবে বৰনদী আৰু পশ্চিমে কৰতোৱালৈকে ৰাজ্যৰ সীমা বহলায়। আনপিনে উজনিত চুতীয়াসকলে, দক্ষিণ পাৰে মাজ অংশত কছাৰীসকলে ৰাজ্য পাতি শাসন কৰিছিল। তেনে এটা অৱস্থাতেই ত্ৰয়োদশ শতিকাৰ আৰম্ভণিত পূব পিনৰ পৰা আহোমসকল অসমলৈ আহে। এই নতুন আক্ৰমণকাৰী আৰু বিজেতা আহোমসকলে পিছলৈ এখন কেন্দ্ৰীভূত বৃহৎ আহোম ৰাজ্য প্ৰতিষ্ঠা কৰোঁতেও কে'বাশ বছৰ সময় লাগে। মুঠ কথা, প্ৰাচীন অসমৰ ৰাজতন্ত্ৰ সমূহ আছিল অসংখ্য সৰু সৰু জনজাতিৰ একো একোখন সম্মিলিত ৰাষ্ট্ৰহে আৰু সেইবিলাকত সংহতিৰ লগতে বিভাজনৰ প্ৰৱণতাও আছিল সমানে প্ৰবল।

এইদৰে শতাব্দীজোৰা ৰাজনৈতিক উত্থান-পতনৰ লগে লগে প্ৰাচীন অসমৰ ভৌগোলিক সীমাৰেখাৰো ব্যাপ্তি বা সংকোচন ঘটিছিল। মহাভাৰতৰ মতে প্ৰাগজ্যোতিষৰ সীমা উত্তৰে হিমালয়ৰ নামনি অঞ্চল, দক্ষিণে বঙ্গোপসাগৰ আৰু পশ্চিমে কৰতোৱা নদীলৈকে বিয়পি আছিল। কালিকা আৰু বিষ্ণু পুৰাণৰ মতে কামৰূপৰ সীমা কামাখ্যা মন্দিৰক কেন্দ্ৰ কৰি চাৰিওফালে এশ যোজন বা প্ৰায় ৪৫০ মাইল পৰ্যন্ত বিয়পি আছিল। গেইটে উল্লেখ কৰিছে যে পূব বংগ, অসম, ভূটান তেতিয়াৰ কামৰূপৰ অন্তৰ্ভুক্ত আছিল বুলি ধৰি ল'ব পাৰি (A History of Assam : pp 10-11)। যোগিনীতন্ত্ৰৰ মতেও কামৰূপৰ সীমা পশ্চিমে কৰতোৱা নদী, পূবে দিক্ষৌনদী, উত্তৰে কাঞ্জাগিৰি আৰু দক্ষিণে ব্ৰহ্মপুত্ৰ আৰু লাক্ষা নৈৰ সংগমস্থললৈকে বিস্তাৰিত হৈ আছিল। ব্ৰহ্মপুত্ৰ উপত্যকা, ভূটান, ৰংপুৰ, কোচবিহাৰ, উত্তৰ পূব মৈমনসিং আৰু সম্ভৱতঃ গাৰোপাহাৰ কামৰূপৰ অন্তৰ্ভুক্ত আছিল। আনহাতে ভাস্কৰ বৰ্মাৰ দিনত কামৰূপৰ পূব আৰু দক্ষিণ পূব সীমা চীন আৰু ব্ৰহ্মপুত্ৰৰ পাৰ্বত্য অঞ্চললৈও বিস্তাৰিত হৈছিল। কিন্তু প্ৰাচীন কামৰূপৰ চাৰিসীমাৰ এই বঢ়া-টুটাবোৰ ঘটিছিল খুব সঘনে আৰু বিভিন্ন জনজাতীয় গোষ্ঠীবোৰৰ সমন্বয় সাধনত তাৰ প্ৰভাবো আছিল নিতান্তই অস্থায়ী। দ্বাদশ শতিকাৰ পৰা উজনি আৰু মধ্য অসম কামৰূপৰ পৰা বিচ্ছিন্ন হৈ পৰে। এনে এক ৰাজনৈতিক অস্থিৰতাৰ পটভূমিত জাতীয় সংহতিয়ে কেতিয়াও দ'লৈ শিপাব নোৱাৰে।

তৃতীয় গুৰুত্বপূৰ্ণ কথাটো হ'ল, প্ৰাচীন অসমৰ ৰাজবংশবোৰৰ সঘন উত্থান-পতনৰ ফলত হিন্দু ধৰ্মৰ প্ৰসাৰতো মাজে মাজে ছেদ পৰিছিল। অসমত কোনোদিনে এখন হিন্দুৰাজ্য প্ৰতিষ্ঠিত হোৱা নাছিল নাইবা এই দেশ ৰাজনৈতিকভাৱে কোনোদিনে হিন্দু ভাৰতৰ অন্তৰ্ভুক্ত নাছিল। অসমলৈ পশ্চিমৰ ব্ৰাহ্মণ আৰু কায়স্থ আদি বৰ্ণ-হিন্দু লোকসকল আহিছিল জ্ঞান-গৰিমাৰ বাহক আৰু প্ৰচাৰক হিচাপেহে, সাম্ৰাজ্য বিস্তাৰক বা আক্ৰমণকাৰী ৰাজশক্তি ৰূপে নহয়। কিন্তু হিন্দু ব্ৰাহ্মণ-পুৰোহিতসকলে ধৰ্ম প্ৰচাৰৰ ক্ষেত্ৰত আশ্ৰয় লৈছিল জনজাতীয় ৰজাসকলৰ আৰু স্বাভাৱিকভাৱেই হিন্দুধৰ্মক শ্ৰেণীগত

উত্তৰণৰ আহিলা বুলিয়েই গণ্য কৰিছিল। আনহাতে অগণন জনজাতীয় প্ৰজাৰ মাজত হিন্দু ধৰ্ম-সংস্কৃতিৰ প্ৰভাৱ আছিল সীমিত। সাধাৰণ প্ৰজাৰো ধৰ্মান্তৰকৰণ নিশ্চয় হৈছিল, কিন্তু সি ব্যাপক হ'ব পৰা নাছিল। হিউয়েন চাঙৰ বিৱৰণ মতেও ভাস্কৰ বৰ্মাৰ ৰাজত্ব কালত সাধাৰণ প্ৰজাৰ ওপৰত হিন্দু ধৰ্মৰ প্ৰভাৱ আছিল অনিশ্চিত। (Ref. E. Gait: 'A History of Assam', p. 26) নিশ্চয় হিন্দু ধৰ্ম প্ৰজাধৰ্ম হ'ব পৰা নাছিল। ভিন ভিন জনজাতীয় গোষ্ঠীৰ আদিম বিশ্বাস আৰু ৰীতি-নীতিবোৰো মৰি যোৱা নাছিল। সিবিলাকৰ জাতীয় পৰম্পৰা আৰু স্বতন্ত্ৰতা সমানেই বাচি থাকিল। হিন্দুৰ শ্ৰেষ্ঠত্ব আছিল তেওঁলোকৰ উন্নত সংস্কৃতিত; কিন্তু জনজাতীয় লোক সকলক সুৰক্ষা দিছিল তেওঁলোকৰ সংখ্যাবহুলতাই। বৰ্ণবাদী হিন্দুসমাজৰ ধৰ্মমত আৰু গোড়া ৰীতি-নীতিক জনজাতীয় সমাজখনৰ, ওপৰত বলেৰে জাপি দিবলৈও আৰ্যহিন্দুসকলৰ হাতত কোনো ৰাজনৈতিক ক্ষমতা নাছিল। বোধকৰো সেই অভিপ্ৰায় তেওঁলোকৰ নাছিলো। তাৰ সলনি জনজাতীয় নৃপতিসকলৰ ছত্ৰছায়াত শান্তিৰে ধৰ্মকাৰ্য চলাই থকাৰ মসৃণ পথকেই তেওঁলোকে বাছি লৈছিল। ফলত হিন্দু সমাজখনো সদায় এখন আছুতীয়া সমাজ হিচাপেহে বৰ্তি থাকিল।

অৱশ্যে, হিন্দু পণ্ডিতসকলে লগত অনা সংস্কৃত আৰু মাগধী-প্ৰাকৃত ভাষাৰ লগত থলুৱা জনগোষ্ঠীবোৰৰ ভাষা-কৃষ্টিৰ সংমিশ্ৰণ তুলনামূলকভাৱে বৃদ্ধি পাইছিল। দৈনন্দিন আৰু ব্যৱহাৰিক প্ৰয়োজনে কালক্ৰমত এটা উমৈহতীয়া ভাষাৰো সৃষ্টি কৰিলে। হিন্দু ধৰ্ম আৰু অসমীয়া ভাষা একে মূলোদ্ভূত হোৱা সত্ত্বেও ভাষাই তাৰ স্বাভাৱিক নিয়মমতেই ধৰ্মীয় গোড়ামিৰ পিঞ্জৰা ফালি ওলাই আহিছিল জনজীৱনৰ মাজলৈ। পাহাৰে ভৈয়ামে অসমীয়া ভাষাই সমন্বয়ৰ সেতু বান্ধিছিল। এই ইতিবাচক বিকাশৰ প্ৰতি লক্ষ্য ৰাখিয়েই বুৰঞ্জীবিদ গেইটে বড়োভাষাও এদিন অসমীয়াৰ মাজত মিলি যাব বুলি ভৱিষ্যত বাণী কৰিছিল। কিন্তু পৰিতাপৰ কথা হ'ল এয়ে যে অসমীয়া ভাষাৰ পুৰোহিতসকলৰ গোড়ামিয়ে সেই বিকাশৰ পথত অন্তৰায় হিচাপে থিয় হ'ল। জনজাতিবিলাকে অসমীয়া ভাষা গ্ৰহণ কৰিও নিজৰ স্বকীয় ভাষিক তথা সাংস্কৃতিক পৰিচয় ৰক্ষা কৰিবলৈ বিচাৰিছিল। বিকাশৰ অভাৱত বহুতো জনজাতীয় ভাষা লোপ পালে সঁচা; কিন্তু বড়ো, মিচিং, কাৰ্বি, ৰাভা আদি জনগোষ্ঠীবোৰে তেওঁলোকৰ ভাষা জীয়াই ৰাখিলে। সমন্বয়ৰ মাধ্যম হিচাপে অসমীয়া ভাষাক সকলোৰে গ্ৰহণযোগ্য কৰি তোলাৰ স্বাৰ্থতেই জনজাতিবিলাকৰ স্বকীয় ভাষা-কৃষ্টি তথা জাতীয় ভাবাৱেগক যথাযোগ্য মৰ্যাদা দিয়াৰ প্ৰয়োজন আছিল। কিন্তু তাৰ সলনি সিবিলাকক দীৰ্ঘকাল ধৰি আওকাণ কৰা হ'ল আৰু তাৰ বিষময় ফলো অসমীয়াই হাতে হাতে পাইছে।

প্ৰাচীন অসমৰ নিশ্চল অন্ধকাৰময় জনজাতীয় সমাজ ব্যৱস্থাক ভাঙি-ছিঙি নতুন সংমিশ্ৰিত সমাজ এখনৰ ভেটি স্থাপন কৰিব পৰা কোনো যুগান্তকাৰী আৰ্থ-সামাজিক-ৰাজনৈতিক ঘটনা প্ৰাচীন অসমৰ মাটিত সংঘটিত নহ'ল। জনজাতীয় ৰজা মহাৰজাসকলৰ

উত্থান-পতনৰ কথা বাদ দিলে প্ৰাচীন অসমৰ সামাজিক ইতিহাস নাই বুলিলেই হয়। জনজাতিবিলাকৰ সংকীৰ্ণ গোষ্ঠীজীৱন, বিচ্ছিন্নতা, সংঘৰ্ষ, আত্মকেন্দ্ৰিকতা আৰু আদিম অৰ্থ-ব্যৱস্থাই সমাজৰ বিভাজনমুখী প্ৰৱণতাকহে সক্ৰিয় আৰু পুষ্ট কৰি ৰাখিছিল। এই দেশৰ ভৌগোলিক অৱস্থান, সেমেকা জলবায়ু, মহামাৰী আদিৰ কুপ্ৰভাৱো সেই প্ৰৱণতাৰ সহায়ক আছিল। যাতায়াত তথা যোগাযোগৰ বাবেও দেশখন খুব আহুকলীয়া আছিল। সেই অসুবিধা আজিও আঁতৰ হোৱা নাই। পণ্যৰ উৎপাদন আৰু বজাৰৰ সম্প্ৰসাৰণৰ বাবে এই দেশ কোনোদিনেই সুচল নাছিল। "ব্ৰহ্মপুত্ৰ উপত্যকাৰ তন্দ্ৰাচ্ছন্ন গহ্বৰত" (E Gait: 'A History of Assam', p. 8) সকলোবিলাক জনগোষ্ঠী যুগ যুগ ধৰি তন্দ্ৰালস হৈ পৰি আছিল। পশ্চিমৰ আৰ্য হিন্দুসকলেও এই গহ্বৰৰপৰা ওলোৱা বাট বিচাৰি নাপাই এচুকত সোমাই থাকিল। ফলত প্ৰাচীন ৰাজ পৰিয়ালবিলাকক কেন্দ্ৰ কৰি আৰ্য আৰু মঙ্গোলীয় ধৰ্ম-সংস্কৃতিৰ যি সামান্য সংমিশ্ৰণ আৰু সমন্বয় ঘটিছিল, তাৰ মাজতেই অসমীয়াৰ জাতি গঠনৰ প্ৰাৰম্ভিক উপাদানবিলাক সীমিত থাকিবলৈ বাধ্য আছিল।

দ্বিতীয় অধ্যায়

জাতীয় জীৱনৰ প্ৰস্ফুটন

দ্বাদশ শতিকাৰ শেষৰ ফালে পালবংশৰ ৰাজত্ব শেষ হৈ অহাত কামৰূপৰ ৰাজনৈতিক ঐক্যও ভাগি পৰাৰ কথা আমি আগতে আলোচনা কৰিছোঁ। প্ৰাচীন ৰজা-মহাৰজা তথা তেওঁলোকৰ বংশবোৰৰ সাম্ৰাজ্য, বলবিক্ৰম, কীৰ্তিকলাপ সকলো তেতিয়া বিস্মৃতিৰ অন্ধকাৰত জাহ গৈছে। ভাবিলে আচৰিত হ'ব লাগে যে সহস্ৰাধিক বছৰ ধৰি বহু ৰাজবংশৰ উত্থান-পতন ঘটি যোৱা সত্ত্বেও আদিম জনজাতীয় সমাজখনৰ স্থবিৰতা আৰু জাতিগত বিচ্ছিন্নতাৰ কোনো হীনডেঢ়ি নঘটিল।

ত্ৰয়োদশ শতিকাৰ আৰম্ভণিতে ৰাজ্যজয়ৰ অভিযানৰ অংশ হিচাপে দুটা ভিন্ন জনগোষ্ঠী দুই বিপৰীত দিশৰ পৰা অসমলৈ আহে। তেওঁলোক হ'ল পূবৰ আহোমসকল আৰু পশ্চিমৰ মুছলমানসকল। ১২০৫-৬ খ্ৰীষ্টাব্দত বখতিয়াৰ খিলিজীয়ে পশ্চিমফালৰ পৰা কামৰূপত সোমায়। তেওঁক তেতিয়াৰ কামৰূপৰ ৰজা পৃথুৱে (বাৰথু বা বাথু) পৰাস্ত কৰি খেদি পঠিয়ায়। কিন্তু তাৰ কুৰি বছৰৰ পিছত ১২২৭ খ্ৰীষ্টাব্দত আন এজন বখতিয়াৰ মহম্মদ নাছিৰুদ্দিনে (গিয়াচুদ্দিন বখ্তিয়াৰ ওৰফে হিচমুদ্দিন ইৱাজ) কামৰূপ আক্ৰমণ কৰি পৃথু ৰজাক পৰাস্ত কৰে। এয়ে আছিল মুছলমানৰ প্ৰথম অসম আক্ৰমণ। তাৰ পিছত আকৌ ১২৫৪-৫৫ খ্ৰীষ্টাব্দত কামৰূপ আক্ৰমণ কৰে তুগ্ৰীল খাঁই। মেদিনী চৌধুৰীয়ে লিখিছে; "ৰজা ৰণত হাৰি তেওঁৰ ৰাজ্যত ইছলাম ধৰ্ম প্ৰচাৰৰ বাবে অনুমতি দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে। সেই সময়তো খামৰূ ৰায় (কামৰূপৰ ৰজা) বংশ আছিল হিন্দু বড়ো পৰিয়ালৰ। এই পৰিয়ালটো এসময়ত ৰায়কট নামে জনাজাত হৈছিল।" (মেদিনী চৌধুৰী ঃ 'লুইত বৰাক আৰু ইছলাম' ঃ পৃঃ ১৯)। শেষত কামৰূপ ৰাজ্যৰ জয় হৈছিল আৰু ভালেমান মুছলমান সেনা 'খামৰূ ৰায়'ৰ হাতত বন্দী হৈছিল। এই সময়ৰ পৰাই অসমৰ বিৰুদ্ধে মুছলমানসকলৰ এলানি অভিযান আৰম্ভ হয়। ১৪৯৮ খ্ৰীষ্টাব্দত গৌড়ৰ ৰজা হুচেইন শ্বাহে কমতাপুৰ দখল কৰে। তাৰ পিছতো বিত মালিক, তুৰ্বক আদিয়ে অসম আক্ৰমণ কৰে। পশ্চিম অসম বা কামৰূপলৈ আহোম ৰাজ্য বিস্তাৰিত হোৱাৰ পিছতো উপৰ্যুপৰি আক্ৰমণ চলি আছিল।

কামৰূপ-অসমৰ ওপৰত এই মুছলমান আক্ৰমণ বিলাকৰ প্ৰভাৱ আছিল গভীৰ আৰু সুদূৰপ্ৰসাৰী। এই বিষয়ে মেদিনী চৌধুৰীয়ে লিখিছে ঃ "এই আক্ৰমণ সমূহৰ প্ৰায়বোৰতে বহুতো মুছলমানধৰ্মী পৰিয়াল আসামত ৰৈ গৈছিল। তাৰে কেতবোৰ আছিল

পৰাজিত যুদ্ধবন্দী আৰু কেতবোৰ আছিল বিজেতাৰ সংস্থাপিত পৰিয়াল। গৌড়ৰ নবাব হুচেইন চাহে কোঁচ হাজোত সংস্থাপিত কৰিছিল বহুতো যুঁজাৰু আফগান পৰিয়ালক। আনহাতে তুৰ্বকৰ আক্ৰমণৰ শেষত বৈ গৈছিল ভালেমান যুদ্ধবন্দী।" (পূৰ্বোক্ত গ্ৰন্থ ঃ পৃঃ ২০) এইসকলেই আছিল অসমৰ প্ৰথম মুছলমান বাসিন্দা-- যিসকল তেতিয়াৰ পৰা আজিলৈকে অসমীয়াৰ জাতীয় জীৱনৰ এক অবিচ্ছেদ্য আৰু অগ্ৰণী অংশত পৰিণত হৈছে। মুছলমানসকলৰ বসতি কেৱল পশ্চিম অসম বা কামৰূপতেই আবদ্ধ নাথাকিল। ১৬৬২ খ্ৰীষ্টাব্দত মিৰজুমলাৰ অসম আক্ৰমণৰ সময়ত উজনিৰ আহোম ৰাজ্যলৈয়ো মুছলমানৰ প্ৰব্ৰজন আৰম্ভ হয়। শীচৌধুৰীয়ে আৰু লিখিছে ঃ "এইবোৰৰ উপৰিও আৰু এক প্ৰকাৰৰ মানুহ আহিছিল। তেওঁলোক হয় স্বতন্ত্ৰভাৱে নহয় কোনোবা আক্ৰমণকাৰী দলৰ সংগী হিচাপে আহিছিল। কিন্তু যুদ্ধ-বিগ্ৰহৰ সতে কোনোৰকমৰ সংশ্ৰৱ তেওঁলোকৰ নাছিল। পশ্চিমৰ পৰা এনেদৰে আহিছিল বৌদ্ধ, তান্ত্ৰিক, নাথ, সহজীয়া মতাচাৰী, চুফী সাধক, মোল্লা দৰবেশ, বৈদিক ব্ৰাহ্মণ, স্মাৰ্ত্ত পণ্ডিত, চণ্ডাল ধৰ্মগুৰু, পাদ্ৰী আদি আৰু পূবৰ পৰা আহিছিল বাইলুং দেওধাইসকল। বিভিন্ন ধৰ্মাবলম্বী এই সাধকসকলে বহু যুগৰ পৰা আসামৰ জনসাধাৰণক বিভিন্ন প্ৰকাৰে প্ৰভাৱিত কৰি আহিছে।" (পূৰ্বোক্ত গ্ৰন্থ; ২০-১১)

অসমৰ প্ৰথম মুছলমান বাসিন্দাসকল কালক্ৰমত অসমীয়া জাতিৰ লগত মিলি গৈছিল। মিৰজুমলাৰ লগত অহা বুৰঞ্জীবিদ চিহাবুদ্দিন তালিছে লিখি থৈ গৈছিল যে অসমত তেওঁ লগ পোৱা মুছলমানসকল অভ্যাস-আচৰণৰ ক্ষেত্ৰত নামতহে মুছলমান হৈ আছিল। দৰাচলতে তেওঁলোক 'অসমীয়া' হৈ গৈছিল আৰু তেওঁলোকে অসমীয়াসকলক বাহিৰৰ মুছলমানতকৈ বেছি ভাল পাইছিল। (Ref : H. K. Barpujari : "Assam in the days of the Company" : 296-7) এই মুছলমান বাসিন্দাসকল আছিল বিভিন্ন বৃত্তিৰ পাকৈত কাৰিকৰ আৰু হস্তশিল্পী। পিতলৰ সাজবাচন আৰু বন্দুক তথা খাৰ বাৰুদৰ শিল্পত তেওঁলোক নিয়োজিত হৈছিল। আহোমৰ দিনত মোগলৰ সাজ-পোছাক, সংগীত, খাদ্য আদি কলাবোৰ অনুকৰণীয় হৈ পৰিছিল। বহুতো মুছলমান লোকক ৰজাঘৰীয়া পদমৰ্যাদাও দিয়া হৈছিল। এই মুছলমানসকলেও অকাতৰে গ্ৰহণ কৰিছিল অসমৰ স্থানীয় আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, উৎসৱ, পূজা-পাৰ্বণ, বিশ্বাস আৰু কাহিনী সকলোবিলাক। সবাৰোপৰি এই মুছলমানসকলেই অসমৰ বুকুলৈ কঢ়িয়াই আনিছিল ইছলামৰ উদাৰ ধৰ্মমত, সৃষ্টি কৰিছিল আজান পীৰৰ অমৰ গীতবোৰ। এইদৰে তেওঁলোকে অসমীয়া ভাষা-সংস্কৃতিৰ প্ৰতি আগবঢ়াইছিল অকৃত্ৰিম সেৱা, যাৰ অবিহনে অসমীয়া ভাষা-কৃষ্টিয়ে তাৰ সৌষ্ঠৱ বহুখিনি হেৰুৱালেহেঁতেন। তাতোকৈ ডাঙৰ কথা, তেওঁলোকে কোনো আক্ষেপ নৰখাকৈ অসমীয়াৰ পৰিচয়কে নিজৰ বুলি গ্ৰহণ কৰিছিল। মেদিনী চৌধুৰীয়ে এই প্ৰসংগত লিখিছে ঃ "আজান পীৰ অথবা আন তিনিগৰাকী সমসাময়িক পীৰৰ প্ৰচাৰ কৌশলত কোনো পদ্ধতিগত নতুনত্ব নাছিল। কিন্তু এটা দিশত সেইসকলৰ প্ৰচাৰ আছিল একেবাৰে

অভিনৱ। অসমীয়া ভাষাৰ প্ৰকাশত সেইসকলে এক অভিনৱ দিগন্ত উন্মোচিত কৰিছিল। চতুৰ্দ্দশ শতিকাত প্ৰচলিত অসমীয়া ভাষাক ষোল-সোতৰ শতিকাত শংকৰদেৱে প্ৰদান কৰিছিল উন্মুক্ত জীৱনৰ সান্নিধ্য। আজান পীৰে দিছিল তাৰ সৰলতাৰ মাধুৰ্য। ভাষাই অতীত পৰম্পৰাৰ সীমা নেওচি ওলাই আহিছিল জনজীৱনৰ মুক্ত অংগনলৈ। জিকিৰবোৰেই তাৰ জীৱন্ত সাক্ষী।" (মেদিনী চৌধুৰী ঃ পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৬৫-৬৬)।

যিসময়ত কামৰূপলৈ পশ্চিম ফালৰ মুছলমানসকলৰ প্ৰথম আগমন হৈছিল, ঠিক সেই সময়তে পূবফালৰ পৰা অসমত সোমাইছিল অভিযাত্ৰী আহোমসকলে। ১২২৮ খ্ৰীষ্টাব্দমানত কেইহাজাৰমান টাই-আহোম যুঁজাৰুৰ দল এটাই উজনি ব্ৰহ্মদেশ আৰু পশ্চিম ইউনানৰ পাহাৰীয়া অঞ্চলৰ পৰা পূবৰ পাটকাই পৰ্বত পাৰ হৈ অসমত প্ৰৱেশ কৰে। তেওঁলোকৰ দলপতি আছিল চুকাফা। কেইবাবছৰো ঘূৰি ফুৰি আহোমসকলে অৱশেষত ১২৫৩ খ্ৰীষ্টাব্দমানত চৰাইদেউত ৰাজধানী স্থাপন কৰে। পাহাৰীয়া নগাসকলে অনুপ্ৰৱেশকাৰী আহোমসকলক প্ৰতিৰোধ কৰাৰ বাবে চেষ্টা কৰিছিল যদিও সফল নহ'ল। আহোমৰ হাতত নগাসকলৰ পৰাজয় হয়। সেইসময়ত মৰাণসকলে দিখৌ আৰু দিচাং নৈৰ মাজৰ অঞ্চলত ৰাজ্য পাতি বসবাস কৰিছিল। আহোমসকলে মৰাণ আৰু বৰাহীসকলৰ লগত মিত্ৰতা স্থাপন কৰে। কালক্ৰমত পূবৰ চুতীয়া ৰাজ্যও আহোমে দখল কৰি লয় আৰু পিছলৈ কছাৰীসকলক ধনশিৰি উপত্যকাৰ পৰা উত্তৰ কাছাৰৰ মাইবঙৰ ফালে খেদি পঠিয়ায়। এইদৰে প্ৰথম তিনিশমান বছৰত আহোমসকলে পাহাৰ আৰু ভৈয়ামৰ জনগোষ্ঠীবোৰক এটা এটাকৈ পৰাভূত কৰি আহোম ৰাজ্যৰ সম্প্ৰসাৰণ ঘটায়। উত্তৰ পাৰৰ মিছিং, পাহাৰীয়া ডফলা, জয়ন্তীয়া, খামতি, চিংফৌ আদি স্বাধীন জনগোষ্ঠীবোৰক আহোমে নিজৰ অধীন কৰি লয়। ৰাজ্য সম্প্ৰসাৰণৰ অভিযানত কামৰূপৰ ভূঞাসকলৰ ৰাজ্যও তেওঁলোকে দখল কৰে। ষোল শতিকাত একেবাৰে পশ্চিম অসম বা কামৰূপ-কমতাপুৰত পৰাক্ৰমী কোচসকলে এখন বিশাল সাম্ৰাজ্য প্ৰতিষ্ঠা কৰিছিল। পূবে আহোম ৰাজ্য আৰু পশ্চিমে উত্তৰ বঙ্গলৈকে সেই কোচ ৰাজ্য বিস্তাৰিত হৈছিল। সেয়ে স্বাভাৱিকভাবেই তেওঁলোকৰ লগতো আহোমৰ বিৰোধ আৰম্ভ হয়। প্ৰথম অৱস্থাত পৰাক্ৰমী কোচ-সেনাপতি চিলাৰায়ৰ হাতত আহোম সেনা পৰাস্ত হৈছিল আৰু আহোম ৰাজ্যৰ পশ্চিমমুখী বিস্তাৰো স্থগিত হৈছিল। উল্লেখযোগ্য যে পৰাক্ৰমী কোচৰজা নৰনাৰায়ণ আৰু সেনাপতি চিলাৰায়ৰ দিনতেই মহাপুৰুষ শংকৰদেৱে আহোম ৰাজ্য এৰি কোচ ৰাজ্যৰ আশ্ৰয় লৈছিলগৈ। আহোমৰ হাতত পিছলৈ কোচসকল পৰাস্ত হয় আৰু কোচ ৰাজ্য আহোমৰ তলতীয়া হয়।

এই কোচ ৰাজ্যৰ দখল লৈ পশ্চিমৰ প্ৰবল পৰাক্ৰমী মুছলমানসকলে উপৰ্যুপৰি অসম আক্ৰমণ কৰে। এইবিলাকৰ ভিতৰত তুৰ্বকৰ আক্ৰমণ (১৫২৭,১৫৩২ খ্ৰীঃ), মিৰজুমলাৰ আক্ৰমণ (১৬৬২ খ্ৰীঃ), মোগলসকলৰ আক্ৰমণ আদি উল্লেখযোগ্য। ১৬৭০ খ্ৰীষ্টাব্দত মোগল সম্ৰাট আউৰঙ্গজেবৰ সেনাপতি ৰামসিংহৰ নেতৃত্বত অহা বিশাল

মোগল বাহিনীৰ লগত শৰাইঘাটত লাচিত বৰফুকনৰ আহোম সেনাৰ যি তয়ামৰা ৰণ লাগিছিল তাক লৈ অসমীয়াই আজিও গৌৰৱ কৰে, প্ৰেৰণা লভে। অসমীয়া উগ্ৰজাতীয়তাবাদীসকলেও লাচিতৰ হেংদাঙৰ নামত শপত লয়। সি যি কি নহওক, আহোমসকলে ১৬৮১ খ্ৰীষ্টাব্দত মোগলক সম্পূৰ্ণৰূপে পৰাজিত কৰি খেদি পঠিয়ায়। দিল্লীৰ মোগল সাম্ৰাজ্যৰ লগত অসম যুক্ত নহ'ল। মোগল আক্ৰমণক প্ৰতিহত কৰিব নোৱৰা হ'লে অকল অসম কিয়, সমগ্ৰ পূব এছিয়াৰে ৰাজনৈতিক-সামাজিক ইতিহাস হয়তো অন্য ধৰণৰ হ'লহেঁতেন। তাৰ পিছতো প্ৰায় এশ বছৰ ধৰি আহোম ৰাজত্ব আৰু অসমৰ স্বাধীনতা অটুট থাকে। কিন্তু ওঠৰ শতিকাৰ শেষৰ ফালে দেখা দিয়া আৰ্থ-ৰাজনৈতিক সংকট, দুৰ্বলতা, অন্তৰ্দ্বন্দ্ব, মোৱামৰীয়া বিদ্ৰোহ, মহামাৰী আৰু মানৰ আক্ৰমণ আদি বিপৰ্যয়বোৰে আহোম ৰাজ্যৰ ঐক্য, পৰাক্ৰম, স্থিৰতা, স্বাধীনতা সকলো কাঢ়ি নিলে। এই দুৰ্যোগৰ পটভূমিতেই অসমলৈ আহে সাম্ৰাজ্যবাদী ইংৰাজসকল। প্ৰবল প্ৰতাপী মোগলৰ উপৰ্যুপৰি আক্ৰমণেও সেও মনাব নোৱৰা অসমীয়া ৰজা আৰু প্ৰজা উভয়েই গৃহযুদ্ধ আৰু মানৰ আক্ৰমণত বিধ্বস্ত হৈ নিজৰ স্বাধীনতা ইংৰাজৰ হাতত নিৰ্বিবাদে সঁপি দিলে।

আহোমসকলে অসমৰ ইতিহাসৰ দীৰ্ঘতম কাল-- ৬০০ বছৰ ধৰি ৰাজত্ব চলাইছিল। তেওঁলোকেই প্ৰাচীন অসমৰ অনিশ্চিত ৰাজনীতিক এক দীৰ্ঘস্থায়ী স্থিৰতা দান কৰিছিল আৰু দেশখনৰ নিশ্চল সমাজ জীৱনত কিছুমান সুদূৰপ্ৰসাৰী পৰিৱৰ্তনৰ সূচনা কৰিছিল। দেশৰ প্ৰাচীন জনজাতীয় অৰ্থনীতি, বিশেষকৈ কৃষি ব্যৱস্থা আৰু বিচ্ছিন্ন গোষ্ঠী জীৱনৰ ওপৰত আহোমসকলে একধৰণৰ সামন্তবাদী আৰ্থিক ব্যৱস্থা আৰু আমোলাতান্ত্ৰিক প্ৰশাসন জাপি দিলে। তেওঁলোকে দেশখনৰ শ্ৰমশক্তিক সংগঠিত কৰাৰ ব্যৱস্থা কৰে আৰু এক উন্নততৰ কৃষি প্ৰণালী প্ৰবৰ্তন কৰে। এই ক্ষেত্ৰত পাইক ব্যৱস্থাৰ প্ৰৱৰ্তন আছিল আহোমৰ অভিনৱ উদ্ভাৱন। এই ব্যৱস্থাৰে সমগ্ৰ প্ৰজাক শৃংখলাবদ্ধ আৰু সংগঠিত কৰা হৈছিল। আহোম ৰজাই ডা-ডাঙৰীয়া, দৌল-দেৱালয় আৰু ব্ৰাহ্মণ-পুৰোহিতক মাটিভেটি আৰু বন্দী-বেটী দি স্থাপন কৰিছিল। আহোমসকলে নতুন ৰাস্তাঘাট নিৰ্মাণ কৰিছিল আৰু বিৰল কৌশলেৰে ডাঙৰ ডাঙৰ পুখুৰী খন্দাই খোৱাপানী আৰু খেতিৰ পানী যোগানৰো ব্যৱস্থা কৰিছিল। ফলত দেশত উৎপাদন বাঢ়িছিল আৰু বিনিময় ব্যৱস্থা তথা বেহা-বেপাৰো কিছু সম্প্ৰসাৰিত হৈছিল। এক কটকটীয়া প্ৰশাসনৰ তলত প্ৰজায়ো নিয়মিতভাৱে খেতিবাতিত লাগিবলগীয়া হৈছিল। আহোমৰ দিনত প্ৰায়বিলাক প্ৰয়োজনীয় বয়বস্তু কৃষক প্ৰজাই নিজে উৎপাদন কৰিছিল আৰু বাকী বয়বস্তুবোৰ বিনিময় কৰাৰ ব্যৱস্থা আছিল। পশ্চিমৰ কোচ ৰজাৰ আৰ্হিত আহোম ৰজায়ো মুদ্ৰাৰ প্ৰচলন কৰিছিল, কিন্তু সি ব্যাপক হৈছিল বুলি ক'ব নোৱাৰি। টকাৰে কিনাতকৈ নিমখ আৰু কানি সলনি কৰিহে ধান চাউল সংগ্ৰহ কৰাটো সহজ আছিল। (E. Gait : 'A History of Assam', p. 217) আহোম যুগৰ শেষৰ ফালে ব্যৱসায়

বাণিজ্যও বাঢ়িছিল। গুণাভিৰাম বৰুৱাই লিখিছে; "এই দেশ ব্ৰিটিশ গভৰ্ণমেণ্টৰ অধীনলৈ অহাৰ পূৰ্বেই দেশলৈ লোণ, চেনী, যবক্ষাৰ, কাপোৰ, মণি প্ৰভৃতি বস্তু বাঙ্গালদেশৰ পৰা আহিছিল। আৰু এই দেশৰ পৰা হাতীদাঁত, মজাঠি, কপাহ, এড়ি, মুগা, পাটসূতা প্ৰভৃতি বস্তু ভাটীৰ ফালে পঠোৱা হৈছিল।" ('আসাম বুৰঞ্জী' ঃ পৃঃ ১৯০)। গেইটৰ মতেও গুৱাহাটীৰ বৰফুকনে ব্যৱসায় শুল্কৰ বাবদ বছৰি ৯০,০০০০ টকা পাইছিল। প্ৰাক বিদ্ৰোহ কালত বেংগলৰ পৰা আমদানি কৰা নিমখৰ পৰিমাণ বছৰি ১২০,০০০ মোন হৈছিলগৈ। (E Gait ৰ পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ২১৭)।

আহোমৰ সামন্তবাদী অৰ্থনীতি আৰু বৈশিষ্ট্যপূৰ্ণ সামৰিক-ৰাজনৈতিক-প্ৰশাসনিক ব্যৱস্থাৱলীয়ে অসমৰ ভিন্ ভিন্ জাতিগোষ্ঠীৰ মাজৰ সংমিশ্ৰণ যথেষ্ট সুচল কৰি তুলিছিল। সীমিত হ'লেও পণ্যৰ বিনিময়ে সিবিলাকৰ মাজত যোগাযোগ আৰু আদান-প্ৰদানৰ ৰাস্তা স্বাভাৱিকভাৱেই মুকলি কৰে। আহোমৰ শক্তিশালী আৰু দীৰ্ঘস্থায়ী শাসনৰ তলত জাতিগত সংমিশ্ৰণ আৰু সমন্বয়ৰ প্ৰক্ৰিয়া কেইবা শ বছৰ ধৰি নিৰবচ্ছিন্নভাৱে চলি থাকে। এই কথাও ঠিক যে থলুৱা জনজাতিবিলাকৰ লগত আহোমৰ বিৰোধ কোনোদিনে শেষ হোৱা নাছিল আৰু কাৰ্যতঃ সেই বিৰোধে জাতিগত বিচ্ছিন্নতাৰ প্ৰবণতাক সঁচাকৈ জীপ দিয়ো ৰাখিছিল। তথাপি আহোমৰ তৰোৱাল আৰু কটকটীয়া আমোলাতন্ত্ৰই সকলোবোৰ জাতিগোষ্ঠীকে একক আৰ্থিক শৃংখলা আৰু সামাজিক জীৱন পদ্ধতিক মানি ল'বলৈ বাধ্য কৰিছিল। আহোম ৰজাই বিজিত জাতিগোষ্ঠীবোৰকো আমোলাতান্ত্ৰিক প্ৰশাসন ব্যৱস্থাৰ মাজত সামৰি লৈছিল আৰু সেইবিলাকৰ মাজত ৰজাঘৰীয়া বিষয়বাবো ভগাই দিছিল। দেশ শাসন আৰু প্ৰতিৰক্ষাৰ ক্ষেত্ৰত আহোমসকলে নিজৰ যোগ্যতা আৰু প্ৰতিভা সন্দেহাতীত ভাৱে প্ৰমাণ কৰিছিল। থলুৱা জনগোষ্ঠীবোৰৰ লগত আহোমসকলে পাৰিবাৰিক সম্পৰ্কও গঢ়ি তুলিছিল। চুকাফাৰ লগত অহা আহোম যুঁজাৰুৰ সংখ্যা আছিল সীমিত। তাতে তেওঁলোকৰ লগত কোনো তিৰোতাও অহা নাছিল। গতিকে থলুৱা লোকৰ লগত বৈবাহিক সম্পৰ্ক গঢ়ি উঠাটো আছিল অতি স্বাভাৱিক ঘটনা। আজিও অসমত যিসকল আহোম বুলি পৰিচিত, সেইসকলৰ প্ৰায়বিলাকৰে গাত থলুৱা জনজাতীয় তেজৰ গোন্ধ আছে। জাতীয় সংমিশ্ৰণৰ ক্ষেত্ৰত এই ঘটনাৰ গুৰুত্ব অপৰিসীম। আহোম ৰজাৰ সেনাবাহিনীত আহোম, কছাৰী, হিন্দু-অসমীয়া সকলো জাতিৰ লোক নিযুক্ত হৈছিল। মোৱামৰীয়া বিদ্ৰোহৰ সময়তো জনসাধাৰণ জাতিগতভাৱে বিভক্ত হোৱা নাছিল। আহোম, কোচ-কলিতা আৰু অন্যান্য জনজাতীয় লোকসকল আহোম ৰজা আৰু মোৱামৰীয়া মৰাণ এই দুয়োটা পক্ষতে আছিল। এই বিদ্ৰোহ আছিল দৰাচলতে অত্যাচাৰী আহোম সামন্ততন্ত্ৰৰ বিৰুদ্ধে নিৰ্যাতিত প্ৰজাৰ সাধাৰণ শ্ৰেণীবিদ্ৰোহ।

আহোম ৰাজত্বত বহু মুছলমান প্ৰজাইও হাজৰিকা, শইকীয়া, বৰবৰা, বৰা, বৰুৱা, দাংধৰা আদি ৰজাঘৰীয়া বিষয় বাব খাইছিল। তেওঁলোক অসমীয়া জাতিৰ অবিচ্ছেদ্য অংগত পৰিণত হৈছিল। আহোমৰ ৰজা আৰু ৰাজ্যক তেওঁলোকে সেৱা কৰিছিল

অকাতৰে আৰু আত্মীয়তাৰে। এইসকল মুছলমানে পিছৰ মুছলমান আক্ৰমণকাৰীৰ বিৰুদ্ধেও যুঁজ কৰিছিল। বন্দুক আৰু খাৰ-বাৰুদৰ নিৰ্মাণৰ দৰে অতি গুৰুত্বপূৰ্ণ কামতো তেওঁলোক নিযুক্ত হৈছিল। সেইদৰে শিৱসাগৰৰ দৌলকেইটা চোৰাচিতা কৰাসকলে দৌল্লা উপাধি পাইছিল। সাধাৰণভাৱে ধৰ্মীয় উদাৰতা আৰু সহনশীলতা আছিল আহোমসকলৰ চাৰিত্ৰিক বৈশিষ্ট্য। কালক্ৰমত আহোমসকলে নিজৰ ধৰ্ম আৰু ভাষা এৰি দি হিন্দু ধৰ্ম আৰু অসমীয়া ভাষা গ্ৰহণ কৰিছিল। এই ক্ষেত্ৰত তেওঁলোকে যি জাতীয় উদাৰতাৰ পৰিচয় দিছিল, তেনে উদাহৰণ আন দহোটা বিজেতা জাতিৰ মাজত সহজে দেখা নাযায়। অৱশ্যে হিন্দু ধৰ্মৰ প্ৰতি এই আসক্তি আৰু নিজৰ ধৰ্মান্তৰকৰণৰ পিছত আহোম সামন্তসকলৰ শ্ৰেণীস্বাৰ্থও আছিল সমানে সক্ৰিয়। হিন্দু পুৰোহিত আৰু ধৰ্মগুৰুসকলক মাটিভেটি আৰু লগুৱা-লিকচৌ দি স্থাপন কৰা, দৌল-দেৱালয়, সত্ৰ আদি পাতি দিয়া আৰু হিন্দু বৰ্ণ ব্যৱস্থাৰ আৰ্হিত কৃষক প্ৰজাক ভূমিদাসত পৰিণত কৰাৰ মাজেদি আহোম ৰাজশক্তিয়ে জনজাতি প্ৰধান দেশখনত সামন্তবাদী ব্যৱস্থাটোকো কটকটীয়া কৰিবলৈ বিচাৰিছিল।

প্ৰথম চাৰিশমান বছৰত আহোমসকলে নিজৰ ভাষা আৰু ধৰ্ম এৰি দিয়া নাছিল। কিন্তু আহোম ৰজাঘৰৰ ওপৰত হিন্দু ধৰ্মৰ প্ৰভাৱ বহু আগৰে পৰাই পৰিছিল। চুদাংফা বা বামুণীকোঁৱৰৰ দিনতেই (১৩৯৭-১৪০৭) ব্ৰাহ্মণ্য ধৰ্মই ৰজা ঘৰত প্ৰথম সোমাইছিল। চুহুংমুং বা স্বৰ্গনাৰায়ণ ৰজা (১৪৯৭-১৫৫৯) আৰু প্ৰতাপ সিংহৰ দিনত হিন্দু ধৰ্মৰ প্ৰভাৱ আৰু বৃদ্ধি পায়। ৰজাসকলে নিজেও হিন্দু নাম ল'বলৈ ধৰে। ৰুদ্ৰসিংহ ৰজাই পশ্চিমৰ পৰা, বিশেষকৈ বংগদেশৰপৰা পণ্ডিত, শিল্পী, সঙ্গীত, কাৰিকৰ, পুৰোহিত আদিক মাতি আনি টকা-পইচা আৰু মাটি-ভেটি দি স্থাপন কৰিছিল। তেওঁৰ দিনত প্ৰজাৰ মাজতো হিন্দু ধৰ্মৰ প্ৰসাৰ ঘটিছিল। ইতিমধ্যে পোন্ধৰ শতিকাৰ পৰা আহোম ৰাজ্যৰ ভিতৰতে শংকৰ-মাধৱৰ ভক্তি আন্দোলন আৰু নৱবৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ আৰম্ভ হয়। আহোমৰ ৰজাঘৰত শাক্ত হিন্দু ধৰ্মৰ প্ৰভাৱ থাকিলেও সৰ্বসাধাৰণ প্ৰজাৰ মাজত ভক্তি ধৰ্মৰ প্ৰসাৰ ঘটিবলৈ ধৰে। আহোম ৰজাৰ ৰোষৰ বলি হৈ শংকৰদেৱে আহোমৰাজ্য এৰি পশ্চিমৰ কোচ ৰাজ্যলৈ গুচি যাবলগীয়া হোৱাত ভক্তিধৰ্মৰ প্ৰসাৰত বাধা পৰিছিল যদিও বৈষ্ণৱ সত্ৰসমূহে ভক্তিধৰ্ম প্ৰচাৰৰ কাম চলাই গৈছিল। শিৱসিংহৰ দিনত (১৭১৪-১৭৪৪) ৰজাঘৰত শাক্ত ধৰ্মই প্ৰাধান্য পায়। কিন্তু সাধাৰণ প্ৰজা শংকৰ-মাধৱে প্ৰতিষ্ঠা কৰি যোৱা একশৰণীয়া বৈষ্ণৱ ধৰ্মৰ প্ৰতিহে বেছিকৈ আকৰ্ষিত হৈছিল। দুই এজন আহোম ৰজাই হিন্দু পুৰোহিত বা বৈষ্ণৱ গুৰুভকতৰ ওপৰত নিৰ্যাতন চলালেও হিন্দু ধৰ্মৰ প্ৰসাৰ বন্ধ হোৱা নাছিল। আহোমসকলে কছাৰী আৰু কোচ ৰাজ্য জয় কৰাৰ সময়ত তাৰ সাধাৰণ প্ৰজাৰ মাজত হিন্দু ধৰ্ম আৰু অসমীয়া ভাষাৰ যথেষ্ট প্ৰসাৰ ঘটিছিল। কোচসকলে কালক্ৰমত বৈষ্ণৱ ধৰ্ম আৰু অসমীয়া ভাষা গ্ৰহণ কৰি অসমীয়া জাতিৰ অবিচ্ছেদ্য অংগত পৰিণত হৈছিল। অসমৰ থলুৱা জনজাতীয় ৰজাসকলো

আছিল ধৰ্মান্তৰিত হিন্দু। বৰাহী ৰজা মহামাণিক্যই নগাঁৱৰ ব্ৰাহ্মণ পণ্ডিত আৰু শংকৰদেৱৰ "পূৰ্বকবি অপ্ৰমাদী" মাধব কন্দলীৰ দ্বাৰা অসমীয়া পদ্যত ৰামায়ণ ৰচনা কৰোৱাইছিল। যোল শতিকাৰ শংকৰ-মাধৱৰ ভক্তিবাদী আন্দোলনে কোচৰাজ্যৰ সীমা চেৰাই আহোম ৰাজ্যৰো সাধাৰণ প্ৰজাক আকৰ্ষিত কৰিছিল। আহোম, কছাৰী, চুতীয়া, মৰাণ আদি জাতিৰ লোকসকল ব্যাপক হাৰত ধৰ্মান্তৰিত হৈছিল। কোচসকলো ধৰ্মান্তৰিত কছাৰী লোকহে। এইদৰে সাধাৰণ প্ৰজাৰ মাজত হিন্দু ধৰ্ম আৰু অসমীয়া ভাষাই প্ৰসাৰ লাভ কৰাত আৰু আহোম ৰজাঘৰতো হিন্দু ধৰ্মৰ প্ৰভাৱ বৃদ্ধি পোৱাত পিছলৈ আহোমসকলে নিজৰ আচল ধৰ্ম আৰু ভাষা একেবাৰে এৰি দিয়ে। অৱশ্যে এইক্ষেত্ৰত লক্ষণীয় কথা এয়ে যে আহোম ৰাজশক্তিয়ে হিন্দুৰ শাক্ত পন্থাহে গ্ৰহণ কৰিছিল আৰু তাৰ ফলতেই বৈষ্ণৱ ধৰ্মমতৰ লগত ৰাজশক্তিৰ সংঘাতৰ পটভূমিও সৃষ্টি হৈছিল। আহোম ৰাজশক্তিৰ এই ভুল পক্ষাৱলম্বনে জাতীয় সংহতিৰ গতিবেগতো নিশ্চিতভাবেই ব্যাঘাত জন্মাইছিল।

আহোমসকল আছিল এক বিৰল বুৰঞ্জী সাহিত্য আৰু গদ্যৰীতিৰ গৰাকী। আহোম পণ্ডিতসকলে টাই ভাষাত বুৰঞ্জী লিখাৰ পদ্ধতি আগৰে পৰাই চলি আহিছিল। কিন্তু সোতৰ শতিকামানৰ পৰা প্ৰজা ধৰ্মৰ হেঁচাত আহোমসকলো দ্বিভাষী হৈ পৰে আৰু আহোম ৰাজসভা অসমীয়া ভাষা-সাহিত্য চৰ্চাৰ এটা অন্যতম্ কেন্দ্ৰ হৈ উঠিল। হিন্দু-অসমীয়া পণ্ডিত-পুৰোহিতসকলে আহোম ৰজাঘৰ আৰু পণ্ডিত-পুৰোহিতসকলৰ পৰা বুৰঞ্জী লিখন তথা আহোমৰ বিৰল ৰচনাশৈলী আয়ত্ত কৰিবলৈ ধৰে। এইদৰে আহোমৰ ৰচনাশৈলীৰ প্ৰভাৱত এক সুসংবদ্ধ, শক্তিশালী আৰু জীৱন্ত অসমীয়া গদ্য সাহিত্যই গঢ় লৈ উঠে। ড° সুনীতি চট্টোপাধ্যায়ৰ মতে আহোম বুৰঞ্জীৰ এই সুন্দৰ গদ্যৰীতি আছিল অসমীয়া ভাষাৰ প্ৰতি আহোমসকলৰ মহত্তম অৱদান। (S, K. Chatterjee: 'The place of Assam in the History and Civilisation of India.' p. 37)।

যোল শতিকাৰ শংকৰ-মাধৱৰ নৱ বৈষ্ণৱ আন্দোলন আৰু ভক্তিবাদী সাহিত্য আহোম যুগৰ অসমৰ জাতীয় জীৱনৰ কালজয়ী ঘটনা। অৱশ্যে অসমীয়া ভাষাৰ পৰিপুষ্টি আৰু প্ৰসাৰ ঘটিছিল শংকৰী যুগৰ আগতেই। শংকৰদেৱৰ আগতেই মাধৱ কন্দলীয়ে সুন্দৰ অসমীয়া পদ্যত ৰামায়ণ ৰচনা কৰি গৈছিল। ব্ৰাহ্মণ পণ্ডিতসকলে প্ৰাচীন কালৰে পৰা ভাষা-সাহিত্যৰ চৰ্চা কৰিছিল আৰু তেওঁলোকৰ হাত ধৰিয়েই অসমীয়া ভাষা-সাহিত্যই মূৰ দাঙি থিয় হৈছিল। এটা মিশ্ৰিত অসমীয়া জাতি আৰু সংস্কৃতি গঢ়ি উঠাৰ বাবে প্ৰয়োজনীয় আৰ্থ-ৰাজনৈতিক চৰ্তবোৰ বহুদূৰ পূৰণ কৰিছিল আহোমৰ শাসনে। ড° সুনীতি কুমাৰ চট্টোপাধ্যায়ে লিখিছে ঃ "পৰাক্ৰমী আহোমসকলৰ চাৰে চাৰিশ বছৰীয়া সুন্দৰ প্ৰশাসনে অসমৰ জনসাধাৰণক এটা কেন্দ্ৰীভূত, শান্তিপূৰ্ণ আৰু সুশৃংখল শাসনৰ সোৱাদ দিছিল। আহোমৰ এই সামৰিক আৰু ৰাজনৈতিক নেতৃত্ব আৰু সংগঠনৰ পৰিপূৰক হিচাপে গঢ় লৈ উঠিছিল ব্ৰাহ্মণ আৰু পিছৰ বৈষ্ণৱসকলৰ

সাংস্কৃতিক নেতৃত্ব। অসমৰ বিভিন্ন জাতিগোষ্ঠী এই ব্ৰাহ্মণ আৰু বৈষ্ণৱসকলৰ হাত ধৰি মধ্যযুগীয় ভাৰতৰ এটা একক অসমীয়াভাষী জাতিত মিলি যোৱাত আহোমৰ শাসনেই সহায় কৰিছিল।" (পূৰ্বোক্ত গ্ৰন্থঃ পৃঃ ৩৭)।

শংকৰদেৱৰ ভক্তিবাদী বৈষ্ণৱ ধৰ্ম আছিল প্ৰজাৰ ধৰ্মহে, ৰজাঘৰৰ নহয়। শংকৰ-মাধৱে ব্ৰাহ্মণ সম্প্ৰদায় তথা আহোম ৰজাৰ ৰোষত পৰি কামৰূপ কমতাপুৰলৈ গুচি যাবলগীয়া হৈছিল আৰু তাৰে পৰাই এক শৰণীয়া বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিছিল। কোচ ৰাজ্য তেতিয়া পূবে বৰনদী আৰু পশ্চিমে কৰতোৱা নৈলৈকে বিস্তৃত আছিল। স্বাভাৱিকভাৱেই উত্তৰ বঙ্গ বা কোচবিহাৰতো শংকৰী ধৰ্মৰ প্ৰচাৰ হৈছিল। শংকৰদেৱৰ উদাৰ ভক্তিধৰ্মৰ আন্দোলনে কোচ ৰাজ্যৰ পাৰ ভাঙি আহোম ৰাজ্যৰ প্ৰজাৰ ওপৰতো প্ৰভাৱ পেলায়। পিছত আহোম ৰজাই কোচ ৰাজ্য জয় কৰি নিজৰ অধীন কৰাত শংকৰী ধৰ্মৰ প্ৰচাৰো সহজ হৈ পৰে। শংকৰ-মাধৱে কোচ, কছাৰী, আহোম, যৱন সকলো জাতি সম্প্ৰদায়ৰ লোককে দীক্ষা দিছিল। ভাগৱত-পুৰাণৰ দ্বিতীয় স্কন্ধৰ এটি শ্লোকৰ ভাঙনি কৰোঁতেও শংকৰদেৱে তাত সন্নিবিষ্ট হুণ, অন্ধ্ৰ, পুলিন্দ, পুক্কস আভীৰ, যশ আদি জাতিৰ নামৰ ঠাইত অসমৰ কেইটিমান জাতিৰ নামহে উল্লেখ কৰিছিল ঃ

কিৰাত, কছাৰী খাসি গাৰো মিৰি
যৱন কঙ্ক গোৱাল।
অসম মলুক ৰজক তুৰুক
কুবাচ ম্লেচ চণ্ডাল।

এই পদৰ 'কিৰাত' আৰু 'কছাৰী' সমাৰ্থক নাম। খাছি, গাৰো, মিৰি এতিয়াও প্ৰচলিত নাম। গোৱাল আৰু ৰজক (ধোবা) হ'ল বৃত্তিয়াল জাতি। 'অসম' হ'ল আহোমসকল, তুৰুক হ'ল মুছলমানসকল। 'কুবাচ' শব্দই কোচসকলক আৰু ম্লেচ' শব্দই মেচসকলক বুজাইছে। 'চণ্ডাল' হ'ল চঁড়াল। 'যবন', 'কঙ্ক' আৰু 'মলুক' শব্দকেইটাই কাক বুজাইছে স্পষ্টকৈ বুজা টান বুলি মহেশ্বৰ নেওগে উল্লেখ কৰিছে। (মহেশ্বৰ নেওগ ঃ 'পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি', পৃঃ১)। যেইকি নহওক, অসমৰ ভিন্ ভিন্ জাতিগোষ্ঠীৰ মাজত শংকৰী ধৰ্মই প্ৰতিষ্ঠা কৰিছিল সহজ ভক্তি আৰু সাংস্কৃতিক সমন্বয়ৰ এক সজীৱ আৰু শক্তিশালী পৰম্পৰা।

প্ৰাক্-শংকৰী যুগৰ অসমৰ জনজাতীয় সমাজখনত শৈৱ আৰু শাক্ত ধৰ্মৰেই সৰ্বাধিক প্ৰভাৱ আছিল বুলি ধৰি ল'ব পাৰি। শিৱ বা শিৱাই জনজাতীয়সকলৰে দেৱতা আছিল। মহেশ্বৰ নেওগৰ অনুমান, কামৰূপত শিৱ পূজাৰ চলতি প্ৰাচীন কালৰ পৰাই আছিল। চতুৰ্থ শতিকাৰ পৰা দ্বাদশ শতিকাৰ ভিতৰৰ পুষ্যবৰ্মা, শালস্তম্ভ আৰু ব্ৰহ্মপাল বংশৰ হিন্দু ৰজাসকলৰ ৰাজত্বত শৈৱ ধৰ্মৰ প্ৰাধান্য প্ৰতিষ্ঠিত হৈছিল। (নেওগ ঃ পূৰ্বোক্ত গ্ৰন্থৰ 'শৈৱ ধৰ্ম' অধ্যায় দ্ৰষ্টব্য)। তেওঁলোকৰ তাম্ৰফলিবোৰত ভগদত্ত আৰু বজ্ৰদত্তক শিৱপূজক বুলি কোৱা হৈছে। এই যুগৰ হিন্দু ৰজাসকল প্ৰায়েই

ঐকান্তিক শিৱপূজক আছিল। সপ্তম আৰু ত্ৰয়োদশ শতিকাৰ ভিতৰৰ বুলি অনুমান কৰা কেইবাটিও শিৱমন্দিৰৰ ধ্বংসাৱশেষ আদি অসমৰ নানা ঠাইত পোৱা গৈছে। প্ৰাক্-শংকৰী যুগৰ কবিৰত্ন সৰস্বতীৰ দ্ৰোণ-পৰ্ব, মহাভাৰতৰ ভণিতা আদিতো সদাশিৱ বা শৈৱধৰ্মৰ আভাস পোৱা যায়। কোচসকলো শিৱপূজক আছিল বুলি কোৱা হয়। আনকি শংকৰদেৱৰ পিতৃ কুসুম্বৰ বৰভূঞাৰ্য়ো পুত্ৰ সন্তান লাভৰ বাবে শিৱ-পূজা কৰাৰ কথা পোৱা যায়। (নেওগ ঃ পূৰ্বোক্ত গ্ৰন্থৰ 'শৈৱ ধৰ্ম' অধ্যায় দ্ৰষ্টব্য)।

সেইদৰে তন্ত্ৰ আৰু শাক্ত ধৰ্মৰ উৎপত্তিও উত্তৰ-পূব ভাৰততে (অসম আৰু বঙ্গ) হৈছিল বুলি পণ্ডিতসকলে স্পষ্ট মত প্ৰকাশ কৰিছে। চতুৰ্থ-পঞ্চম শতিকাৰ পৰা তান্ত্ৰিক সাহিত্যৰ উদ্ভৱ হয় আৰু সপ্তম শতিকাত সি প্ৰৱল হৈ উঠে (নেওগ ঃ পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১২)। শক্তি-পূজা আছিল মূলত ঃ মাতৃপ্ৰধান জনজাতীয় গোষ্ঠীবোৰৰ ধৰ্ম। কামাখ্যা, কেঁচাইখাতী আদি জনজাতীয় দেৱী। অসমলৈ অহা আৰ্য হিন্দুসকলে এইসকল গোসাঁনীক আৰ্যীকৰণ কৰিছিল। জনজাতীয় সমাজৰ আদিম যাদুবিশ্বাস বা তন্ত্ৰ-মন্ত্ৰই শৈৱ আৰু শাক্ত ধৰ্মত স্থান পাইছিল। "উৰ্বৰতামূলক যাদুবিশ্বাসেৰে এই ধৰ্ম (শাক্ত) ভৰা আছিল আৰু সেইবাবেই আপাতঃদৃষ্টিত অশ্লীল যেন লগা মদ, মাংস আৰু যৌনাচাৰে (থোৰতে, পঞ্চ ম-কাৰে) ইয়াত বিশেষ স্থান পাইছিল।" (শিৱনাথ বৰ্মণ ঃ 'শ্ৰীমন্ত শংকৰদেৱ ঃ কৃতি আৰু কৃতিত্ব', পৃঃ ৪৩)। আৰ্য আৰু আৰ্যেতৰ সংস্কৃতিৰ সংমিশ্ৰণতেই তান্ত্ৰিকতাৰো উদ্ভৱ বুলি ধৰিব পাৰি। শংকৰী যুগৰ কামৰূপৰ সৰু বৰ শাসক বাৰভূঞাসকল আৰু শংকৰদেৱৰ নিজৰো পিতৃ পুৰুষসকল আছিল ঘোৰ শক্তিপূজক। মাধৱদেৱো প্ৰথমতে শাক্তহে আছিল। দশম কি একাদশ শতিকামানত কামৰূপত 'কালিকা পুৰাণ' ৰচনাৰ সময়ৰ পৰা শাক্ত সম্প্ৰদায়ৰ উদ্‌গতি বাঢ়িবলৈ ধৰে বুলি পণ্ডিতসকলে অনুমান কৰে। শৈৱধৰ্মী কোচ ৰাজবংশ প্ৰতিষ্ঠা হোৱাৰ আগে আগে কামাখ্যা মন্দিৰ আৰু শাক্ত ধৰ্মৰ তেজ বল কিছু কমি গৈছিল। কোচ ৰজা নৰনাৰায়ণে নীলাচলৰ কামাখ্যাদেৱীৰ দেৱালয় পুনৰ্নিৰ্মাণ কৰি শাক্ত ধৰ্মক পুনৰ সঞ্জীৱিত কৰা বুলি ধৰি ল'ব পাৰি। শৈৱ আৰু শাক্ত ধৰ্মৰ সংমিশ্ৰণৰো যে চেষ্টা চলিছিল তাত কোনো সন্দেহ নাই। শিৱনাথ বৰ্মণে উল্লিখিত গ্ৰন্থত (পৃঃ ৪৪) লিখিছেঃ "গতিকেই শাক্তধৰ্মৰ উপাস্য দেৱী গৰাকীক গিৰিজা, শৈলজা, ভৈৰবী আদি নাম দি তেওঁক শিৱৰ পত্নী কৰি তোলা আৰু শৈৱ ধৰ্মক শাক্ত ধৰ্মৰ স'তে সাঙুৰি পেলোৱা সহজ আছিল। কাপালিক, কালামুখ আদি কিছুমান শৈৱ সম্প্ৰদায়তো মূলতে মাতৃপূজকেই আছিল। বস্তুত ঃ শৈৱ আৰু শাক্ত ধৰ্মৰ মাজৰ প্ৰভেদৰ সীমাৰেখাডাল বহুসময়ত আছিল মণিব নোৱৰা বিধৰ।"

আনহাতে, প্ৰাক্-শংকৰী যুগৰ অসমত বৌদ্ধ ধৰ্মৰ প্ৰভাৱো আছিল স্পষ্ট। মহেশ্বৰ নেওগে লিখিছে যে গুপ্ত বৌদ্ধ সম্প্ৰদায়বোৰেও এই দেশত নিজ ৰাজ্য বিস্তাৰ কৰিছিল (নেওগ ঃ পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৪)। তেখেতে আৰু লিখিছে যে "(তদুপৰি) কালী, তাৰা,

উগ্ৰতাৰা, ছিন্নমস্তা আদি দেৱীৰ ৰূপ বৌদ্ধ মূলৰ বুলি ভাবিবৰ যথেষ্ট যুক্তি আছে।" (নেওগ; পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১৩)। ভাস্কৰ বৰ্মাৰ আগতেই বৌদ্ধ ধৰ্ম অসমত সোমাইছিল বুলি ধৰি ল'ব পাৰি। ভাস্কৰ বৰ্মাই সিদ্ধ শ্ৰমণসকলক সন্মান কৰিছিল বুলি হিওৱেন চাঙৰ ভ্ৰমণ বৃত্তান্তত পোৱা যায়। তদুপৰি হিন্দু ধৰ্মলৈ তন্ত্ৰ-মন্ত্ৰবোৰো বৌদ্ধ পৰম্পৰাৰ পৰাই অহা বুলি কোনো কোনো পণ্ডিতে মত পোষণ কৰে। মেদিনী চৌধুৰীয়েও লিখিছে যে শংকৰ-মাধৱ বৌদ্ধ আৰু তান্ত্ৰিক ধৰ্মৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হৈছিল। শংকৰদেৱৰ প্ৰচাৰো আছিল যাইকে বৌদ্ধ আদৰ্শৰ বিৰুদ্ধেহে। (মেদিনী চৌধুৰী ঃ 'লুইত বৰাক আৰু ইছলাম' পৃঃ ৪২-৪৮)।

এনে এক ধৰ্মীয় পৰিবেশতেই শংকৰদেৱে প্ৰচলিত বৌদ্ধ, শৈৱ, শাক্ত আদি ধৰ্মমতবোৰৰ বিৰুদ্ধে ভক্তি-ধৰ্ম প্ৰচাৰ কৰিবলগীয়া হৈছিল। শংকৰ-মাধৱৰ এই ভক্তিবাদী আন্দোলন আছিল নিশ্চয় এটা নতুন ঘটনা। সেইবুলি তেওঁলোকৰ সময়ত অসমত প্ৰাচীন বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱ আৰু অনুকূল পৰিৱেশ এটা একেবাৰে নাছিল বুলি ক'ব নোৱাৰি। অসমৰ বহুতো প্ৰাচীন ৰজা; বৈষ্ণৱ ধৰ্মাৱলম্বী আছিল বুলি ভূমিদান লিপিৰ পৰা জনা যায়। লিপিসমূহত থকা বৈষ্ণৱ নামাৱলী; বিষ্ণু, বৰাহ, মৎস্য, ভাগৱত আদি বৈষ্ণৱ পুৰাণৰ চৰ্চা; প্ৰাক্‌শংকৰী যুগৰ প্ৰখ্যাত কবিসকলৰ লিখনিত ভকতীয়া ভাষাৰে হৰিৰ গুণানুকীৰ্তন আদিৰ পৰা নিশ্চিতভাৱে ধৰি ল'ব পাৰি যে শংকৰদেৱৰ সময়ত অসমত ইতিমধ্যেই বৈষ্ণৱ চিন্তা আৰু সাহিত্যৰ প্ৰসাৰ ঘটিছিল আৰু শংকৰদেৱো এনে পৰিৱেশৰ প্ৰভাৱৰ পৰা মুক্ত নাছিল নিশ্চয় (শিৱনাথ বৰ্মণৰ পূৰ্বোক্ত গ্ৰন্থৰ ৭ম অধ্যায় দ্ৰষ্টব্য)। মহেশ্বৰ নেওগেও দেখুৱাই দিছে যে প্ৰাচীন তাম্ৰশাসনৰ যুগৰ শৈৱ-ধৰ্মী ৰজাসকলক বৰাহৰূপী বিষ্ণু বংশধৰ বুলি আখ্যা দিয়া হৈছিল। সেইদৰে "কালিকা-পুৰাণ" আৰু "যোগিনীতন্ত্ৰ"তো বিষ্ণু আৰু তেওঁৰ স্থান-মাহাত্ম্যৰ উল্লেখ আছে। প্ৰাচীন অসমত বাসুদেৱ পূজাৰ প্ৰচলন আছিল বুলিও কালিকা-পুৰাণৰ পৰা জনা যায়। উত্তৰ লক্ষীমপুৰত পোৱা দুখন তামৰ ফলিয়েও সেই আভাস দিয়ে (নেওগ ঃ পূৰ্বোক্ত গ্ৰন্থ, 'বৈষ্ণৱ ধৰ্ম' অধ্যায়)। এই তথ্যবোৰৰ পৰা নিশ্চিতভাৱেই ধৰি ল'ব পাৰি যে প্ৰাচীন কালৰে পৰা অসমত বৈষ্ণৱ পৰম্পৰা এটা চলি আছিল। প্ৰাক্-শংকৰী যুগত বৈষ্ণৱ ধৰ্মই হয়তো প্ৰাধান্য পোৱা নাছিল, কিন্তু শংকৰদেৱ আছিল সেই নিস্তেজ পৰম্পৰাৰেই উত্তৰাধিকাৰী পৰম পুৰুষ।

তদুপৰি শংকৰ-মাধৱৰ নৱবৈষ্ণৱ আন্দোলন অসম-কামৰূপৰ কোনো আঞ্চলিক ঘটনা নাছিল। শিৱনাথ বৰ্মণে এই আন্দোলনৰ সৰ্বভাৰতীয় পটভূমি সম্পৰ্কে লিখিছেঃ "শংকৰদেৱ প্ৰবৰ্ত্তিত অসমৰ যি ভক্তি-আন্দোলন সি ভাৰতীয় ইতিহাসৰ এক নিসংগ, একক পৰিঘটনা নহয়; খ্ৰীষ্টীয় চতুৰ্দশ-সপ্তদশ শতিকাত সমগ্ৰ ভাৰতবৰ্ষজুৰি যি বিশাল ভক্তি-আন্দোলন সংঘটিত হৈছিল, অসমৰ শংকৰী আন্দোলন আছিল বহুধা পল্লৱিত সেই আন্দোলনৰেই এটা শকত আৰু সৌৰভময় শাখা। .... প্ৰখৰ চেতনাসম্পন্ন

এই ব্যক্তি গৰাকীৰ গাত সৰ্বভাৰতীয় ভক্তি-আন্দোলনৰ বা-বতাহো নলগাকৈ থকা নাছিল। প্ৰকৃততে তেওঁ আছিল সৰ্বভাৰতীয় ভক্তি-আন্দোলনৰ বিশেষ আৰ্থ-সামাজিক পৰিবেশৰেই সন্তান। এযুগৰো অধিক কাল ধৰি প্ৰবাসী হৈ থকা সৰ্বভাৰতীয় বৈষ্ণৱ পৰিবেশৰ লগত তেওঁ নিজকে পৰিচিত কৰি লৈছিল।" (শিৱনাথ বৰ্মণ ঃ পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১২-১৩)। ভক্তিবাদী আন্দোলনৰ প্ৰসাৰ ঘটাইছিল মুছলমান সম্প্ৰদায়ৰ দৰ্জি ভক্ত কবীৰে। পূব ভাৰতত এই ভক্তিবাদৰ মতবাদ প্ৰচাৰ কৰিছিল শংকৰদেৱ আৰু চৈতন্যদেৱে। একেসময়তে পশ্চিমোত্তৰ ভাৰতত এই ধৰ্মমতৰ প্ৰচাৰক আছিল গুৰু নানক। এই ভক্তি-আন্দোলন বা বৈষ্ণৱ ধৰ্মৰ মূলকথা আছিল একেশ্বৰবাদী নাম-ধৰ্ম প্ৰচাৰ কৰা আৰু সেয়ে শাক্ত ধৰ্ম আৰু তন্ত্ৰ-মন্ত্ৰৰ মতাদৰ্শ তথা আচাৰ-অনুষ্ঠানক সেই ধৰ্মই বিৰোধিতা কৰিছিল প্ৰচণ্ডভাৱে। শংকৰদেৱে প্ৰচাৰ কৰিছিল ঃ "মূৰ্ত্তিও নাচাবা, প্ৰসাদো নাখাবা, ভক্তি হৈব ব্যভিচাৰ।" সেইদৰে এই বৈষ্ণৱ মতবাদত হৰ বা শিৱক হৰি বা বিষ্ণুৰ উপাসক হিচাপে প্ৰতিষ্ঠা কৰি বিষ্ণুৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰা হৈছিল। কিন্তু শৈৱ ধৰ্মৰ লগত জড়িত তান্ত্ৰিক আচাৰ-অনুষ্ঠানবোৰ-- যেনে নৰবলি, যৌনাচাৰ আদিক বৈষ্ণৱসকলে নিন্দা কৰিছিল। মাতৃপ্ৰধান জনজাতীয় সমাজখনৰ উৎপাদন ব্যৱস্থাতকৈ উন্নত সামন্তবাদী উৎপাদন আৰু পণ্য ব্যৱস্থাৰ যুগত সমৃদ্ধ আৰু প্ৰসাৰিত হোৱা নৱ-বৈষ্ণৱ আন্দোলন বা ভক্তিবাদে বিভিন্ন দেৱ-দেৱীৰ পূজা-পাৰ্বণৰ সলনি এজন ঈশ্বৰৰ শ্ৰেষ্ঠত্ব আৰু শৃংখলাক প্ৰতিষ্ঠা কৰি পিতৃতান্ত্ৰিক সামন্তশ্ৰেণী আৰু অৰ্থনীতিৰ সামাজিক প্ৰয়োজন পূৰণ কৰিবলৈ বাধ্য আছিল।

অৱশ্যে অসমত শংকৰদেৱে তেওঁৰ দিনৰ জনজাতীয় সমাজখনৰ ৰীতি-নীতিৰ লগত কিছু কিছু ক্ষেত্ৰত আপোচ কৰিছিল। তাৰ অন্যতম কাৰণ আছিল জনজাতীয় সমাজখনৰ বিপুল সংখ্যাধিক্য। সেইখন সমাজক সম্পূৰ্ণ নেওচা দি বিশুদ্ধ বৈষ্ণৱবাদ প্ৰচাৰ কৰা তেওঁৰ পক্ষে সম্ভৱ নাছিল। তাতে শংকৰী ধৰ্ম আছিল কৰ্মবিমুখ। সমাজৰ বাস্তৱ, আৰ্থ-সামাজিক প্ৰয়োজনৰ প্ৰতি সেই ধৰ্ম আছিল একেবাৰে উদাসীন। আনকি আহোম ৰাজ্যৰ অসংখ্য পাইকে বাধ্যতামূলক শ্ৰমৰ পৰা ৰেহাই পোৱাৰ উদ্দেশ্যে শংকৰী ধৰ্মত শৰণ লৈছিল বুলি ক'ব পাৰি। সেয়ে শংকৰদেৱে থলুৱা আৰ্যেতৰ জনগোষ্ঠীবোৰৰ আদিম ধ্যান-ধাৰণাক একেবাৰে নস্যাৎ কৰা নাছিল। অধ্যাপক ৰঞ্জিত কুমাৰ দেৱগোস্বামীৰ মতেও শ্ৰীশংকৰদেৱৰ 'হৰমোহন,' 'ৰুক্মিণীহৰণ' আদি ৰচনাত অসমৰ শংকৰ-পূৰ্বৰ যুগৰ অধিবাসীসকলৰ প্ৰভাৱ পৰিছে। (উল্লিখিত ঃ অনিল ৰায়চৌধুৰী, 'শংকৰী পৰম্পৰা প্ৰমূল্য ঃ প্ৰাসঙ্গিকতাৰ প্ৰশ্ন', প্ৰগতিশীল সাহিত্য সমীক্ষা, নতুন সাহিত্য পৰিষদ)।

অসমত এই ভক্তি-আন্দোলন গঢ় লৈ উঠাৰ আগতেও বৈষ্ণৱ ধৰ্মমতৰ অস্তিত্ব থকাৰ কথা আমি পাই আহিছো। শংকৰদেৱৰ আগতেই ব্ৰাহ্মণ পণ্ডিতসকলে অসমীয়া ভাষা-সংস্কৃতিকো এটা স্বকীয় গঢ়ত বিকশিত কৰি তুলিছিল। শংকৰদেৱৰ ধৰ্মীয় আৰু

সাহিত্য কৃতিৰ পটভূমিও আছিল সেয়ে। সেয়ে ব্ৰাহ্মণসকলকো শংকৰ-মাধৱে যথাযোগ্য সন্মান জনাইছিল। কিন্তু ধৰ্মীয় আৰু সামাজিক দৃষ্টিভংগীৰ পিনৰ পৰা নৱ-বৈষ্ণৱ ধৰ্মৰ অৱস্থান আছিল তান্ত্ৰিক শাক্ত বা বৌদ্ধধৰ্মৰ সম্পূৰ্ণ বিপৰীত। এই ধৰ্মবোৰৰ তন্ত্ৰ-মন্ত্ৰ, দেৱ-দেৱীৰ পূজা-পাতল, আচাৰ অনুষ্ঠান আৰু ব্ৰাহ্মণসকলৰ বৰ্ণবাদী গোড়ামিক বৈষ্ণৱ বা ভক্তি ধৰ্মই ঘোৰ বিৰোধিতা কৰিছিল। তদুপৰি প্ৰাচীনকালৰে পৰা শক্তিপূজক আৰু তান্ত্ৰিক ব্ৰাহ্মণসকলে ধৰ্মপ্ৰচাৰৰ ক্ষেত্ৰত ৰজাঘৰৰ আশ্ৰয় আৰু প্ৰতিপালনৰ ওপৰত নিৰ্ভৰ কৰিছিল। কেউফালৰ জনজাতীয় প্ৰজাৰ প্ৰতি তেওঁলোকৰ মনোভাৱ আছিল ৰক্ষণশীল আৰু বৰ্ণবাদদুষ্ট। সেয়ে সাধাৰণ জনজাতীয় প্ৰজাই ব্ৰাহ্মণ্য ধৰ্মক অকাতৰে গ্ৰহণ কৰা নাছিল। "আসামত আছিল কৌলিন্যবৰ্জিত বৌদ্ধ আৰু তান্ত্ৰিক সমাজৰ প্ৰত্যাহ্বান" আৰু "মঙ্গোলীয় সংস্কৃতি আছিল চতুৰ্বৰ্ণ নমনা অথচ ভাৰতীয় পৰম্পৰাত নতুনকৈ স্বীকৃতি লাভ কৰা এক সংস্কৃতি।" (মেদিনী চৌধুৰী ঃ 'লুইত, বৰাক আৰু ইছলাম', পৃঃ ৪২, ৪৩)। সেয়ে শক্তিপূজক আৰু বৌদ্ধাচাৰী হ'লেও অসমৰ জনজাতীয় প্ৰজাই হিন্দু ব্ৰাহ্মণ্য সংস্কৃতিক মানি ল'বলৈ টান পাইছিল আৰু নিজৰ আদিম বিশ্বাস আৰু ৰীতি-নীতিক খামুচি ধৰি আছিল। আনহাতে শংকৰদেৱে প্ৰচাৰ কৰিছিল জাতি-বৰ্ণ নিৰ্বিশেষে সকলোৰে মাজত মানৱীয় সমতা আৰু সমভক্তিৰ নতুন বাণী। জনজাতীয় সমাজখনৰ বাবেও তেওঁৰ ভকতিৰ সহজ আৰু উদাৰ পন্থাৰ আবেদন আছিল জোৰাল আৰু আকৰ্ষণীয়। "গাৰো ভোট যবন" আৰু "মিৰি অসম কছাৰী" সকলোৰে বাবে তেওঁ হৰি ভক্তি আৰু মুক্তিৰ সহজ পথ প্ৰশস্ত কৰি তুলিছিল।

শংকৰদেৱ আছিল একাধাৰে কবি আৰু ঋষি, ধৰ্ম প্ৰচাৰক আৰু সমাজ সংস্কাৰক। তেওঁৰ শিষ্য মাধৱদেৱো আছিল এক অনন্য প্ৰতিভা। শংকৰ-মাধৱে তেওঁলোকৰ ধৰ্মপুথি, গীত-মাত, নাট আৰু অন্যান্য লিখনিৰ দ্বাৰা অসমীয়া সাহিত্য-সংস্কৃতিকো এখন অতি উচ্চ আসনত স্থাপন কৰিছিল। শংকৰদেৱে সেইদিনৰ অসমীয়া ভাষাক দান কৰিছিল মুক্ত জনজীৱনৰ সান্নিধ্য। কীৰ্ত্তনৰ পদ আৰু সুৰে নাইবা ভাওনাৰ নাচ আৰু বচনে সেইদিনতে সাধাৰণ প্ৰজাক সম্মোহিত কৰিছিল। ভকতিৰ সহজ আবেদনৰ লগতে হৰিনাম প্ৰচাৰৰ বাবে শংকৰদেৱে যি সামাজিক আচাৰ-অনুষ্ঠান সৃষ্টি কৰিছিল (ভকতসকল একেলগে বহি হৰিনামৰ লগতে মাহ-প্ৰসাদ খোৱাৰ পদ্ধতি, ভাওনা-সবাহ আদি), সেইবিলাক বিভিন্ন বৰ্ণ আৰু জনগোষ্ঠীৰ লোকৰ বাবে সংমিশ্ৰণ আৰু সমন্বয়ৰো মাধ্যম হৈ পৰিছিল। এইদৰে শংকৰ-মাধৱে পিছপৰা জনজাতীয় সমাজখনৰ সংকীৰ্ণ আবেষ্টনী ভাঙি এটা বৃহত্তৰ অসমীয়া জাতি আৰু সংস্কৃতিৰ ভেটি বান্ধিছিল। শংকৰৰ দিনতে বহু জনজাতীয় প্ৰজাই তেওঁৰ ধৰ্মমত গ্ৰহণ কৰি শৰণীয়া বৈষ্ণৱ হৈছিল। পিছলৈ আহোম, দেউৰী, মৰাণ, চুতীয়া, সোণোৱাল আদি জনগোষ্ঠীৰ লোকসকলো ব্যাপক হাৰত শংকৰী ধৰ্মত দীক্ষিত হৈছিল। আজি আমি যি সংমিশ্ৰিত অসমীয়া জাতিৰ কথা কওঁ সি আছিল বহুলাংশে এই শংকৰী পৰম্পৰাৰে অৱদান মাথোন। ড° হীৰেন

গোহাঁইয়ে লিখিছে, "আজি সেয়ে ধৰ্মবিশ্বাসৰ পিনৰ পৰা বা ৰীতি-নীতিৰ পিনৰ পৰা যিসকল মহাপুৰুষীয়া নহয় তেওঁলোকেও গভীৰভাৱে উপলব্ধি কৰে যে তেওঁলোকৰ অসমীয়া পৰিচয়ৰ পটভূমিত, মাত-কথা, আচাৰ-ব্যৱহাৰ, চিন্তাধাৰা আৰু মূল্যবোধত— মহাপুৰুষীয়া ধৰ্মান্দোলনৰ এক প্ৰবল প্ৰভাৱ আছে।" (ড° হীৰেন গোহাঁই; 'অসমীয়া জাতীয় জীৱনত মহাপুৰুষীয়া পৰম্পৰা,' পৃঃ ১১) ড° গোহাঁইয়ে উল্লেখ কৰা শংকৰী পটভূমিৰ অপৰিসীম গুৰুত্ব কেৱল অনস্বীকাৰ্যই নহয়, জীৱন্তও। শংকৰদেৱ ধৰ্মমত নিৰ্বিশেষে সকলো অসমীয়াৰ বাবে জাতীয় সংস্কৃতিৰ পিতৃপুৰুষ। বিতৰ্ক হয় কেৱল তেওঁৰ সাম্প্ৰতিক প্ৰাসঙ্গিকতাৰ প্ৰশ্নতহে।

অসমৰ শংকৰী পৰম্পৰা বা নৱ-বৈষ্ণৱ আন্দোলনক লৈ আনন্দিত হোৱাৰ কাৰণ থাকিলেও অত্যুৎসাহী হোৱাত কিন্তু যথেষ্ট অসুবিধা আছে। তাৰ প্ৰধান কাৰণ হ'ল এয়ে যে শংকৰ-মাধৱৰ ধৰ্মমতে সকলো জাতি-উপজাতিকে সামৰি ল'লেও তেওঁলোক জাতপাতৰ বিচাৰৰ ঊৰ্দ্ধলৈ উঠাত ব্যৰ্থ হৈছিল। সন্দেহ নাই, গুৰুদুজনাই তেওঁলোকৰ ভক্তিধৰ্মৰ সহজ পন্থাৰে জনজাতীয় সমাজখনৰ বিচ্ছিন্নতা দূৰ কৰি এটা সংহত আৰু বৃহত্তৰ অসমীয়া সংস্কৃতি গঢ়ি তোলাত বহুদূৰ সফল হৈছিল। এই অভিযানৰ অংশ হিচাপে তেওঁলোকে থলুৱা জনগোষ্ঠীবোৰৰ বহুতো ৰীতিনীতিও ভিতৰুৱা কৰি লৈছিল। থলুৱা লোকসকলৰ ধৰ্মান্তৰকৰণো যথেষ্ট হৈছিল। কিন্তু শঙ্কৰ-মাধৱৰ ধৰ্মমততো জাত-পাতৰ ব্যৱধান বৈ যোৱাত সামগ্ৰিকভাৱে জনজাতীয় সমাজখনে তেনে ভেদাভেদক অকাতৰে মানি ল'বলৈ প্ৰস্তুত হ'ব পৰা নাছিল। সাধাৰণভাৱে আস্থাৰ সংকট তেতিয়াও ৰৈ গ'ল। মেদিনী চৌধুৰীৰ মতে ইয়াৰ "প্ৰধানতম কাৰণৰ ভিতৰত আছিল মতবাদৰ একাদেশদৰ্শিতা। তেওঁৰ প্ৰচাৰ আছিল বৌদ্ধ আদৰ্শৰ বিৰুদ্ধে উদ্দিষ্ট।" (মেদিনী চৌধুৰী ঃ 'লুইত, বৰাক আৰু ইছলাম' ; পৃঃ ৪২-৪৩)। আনহাতে থলুৱা মঙ্গোলীয় সমাজখন আছিল জাতপাতহীন বৌদ্ধ আৰু তান্ত্ৰিক মতাৱলম্বী। মাতৃপ্ৰধান জনজাতীয় সমাজখনৰ তন্ত্ৰ-মন্ত্ৰবোৰ বৌদ্ধ ধৰ্মৰ পৰা অহা বুলি পণ্ডিতসকলে মত পোষণ কৰে। অথচ শংকৰদেৱে "বৌদ্ধগণ যত আছে" বুলি খেদি ফুৰিছিল আৰু কাটি মাৰি ম্লেচক বুন্দামাৰ কৰাৰ কথা ঘোষণা কৰিছিল। সেয়ে অসমৰ ম্লেচ বা জনজাতীয় সমাজখনে শংকৰ-মাধৱক সম্পূৰ্ণভাৱে গ্ৰহণ কৰিব পৰা নাছিল। শংকৰদেৱে মাঝি, কাজি, পাটগিৰি অথবা কছাৰীৰ দৰে "ম্লেচ"সকলৰ আশ্ৰয় ল'লেও তেওঁলোকক প্ৰচাৰৰ কৰ্তৃত্ব দিয়া নাছিল। শংকৰী পৰম্পৰা অসমত এইদৰে বাধাগ্ৰস্ত হ'ল। মেদিনী চৌধুৰীয়ে তেওঁৰ পূৰ্বোক্ত গ্ৰন্থত (পৃঃ ৪৪) সঠিকভাৱেই উল্লেখ কৰিছে যে শংকৰদেৱে তেওঁৰ দিনৰ ব্ৰাহ্মণ পুৰোহিতহীন মঙ্গোলীয় সমাজবোৰে দান কৰা আশাতীত সুযোগ গ্ৰহণ কৰিব নোৱাৰিলে।

আনকি আৰ্যেতৰ জনগোষ্ঠীবোৰৰ যিসকল লোক বৈষ্ণৱ হৈছিল তেওঁলোকৰ ক্ষেত্ৰতো জাতপাতৰ ভেদাভেদ ৰক্ষা কৰা হৈছিল। এইটো ঠিক যে অসমত জাতিভেদ প্ৰথা সিমান কটকটীয়া নাছিল। হিন্দু ধৰ্মৰ গোড়ামিও ইয়াত বহু পৰিমাণে শিথিল

হৈছিল (অসমত সতীদাহৰ দৰে প্ৰথাৰ অপ্ৰচলনে তাক প্ৰমাণ কৰে)। কিন্তু এই জাতি-বৰ্ণৰ শিথিলতাৰ অন্যতম কাৰণ আছিল ব্ৰাহ্মণ্য ধৰ্ম তথা শংকৰী ধৰ্মৰ ওপৰত জাতপাতহীন আৰু মাতৃপ্ৰধান জনজাতীয় সমাজখনৰ প্ৰভাৱ। সেইখন সমাজত সকলো ব্যক্তিৰে সমতা, সামূহিকতা আৰু নাৰীৰ মৰ্যাদা আছিল সাধাৰণ বৈশিষ্ট্য। শংকৰদেৱে তান্ত্ৰিক বৌদ্ধ আৰু শাক্ত ধৰ্মৰ উৎকট ৰীতি-নীতিবোৰৰ বিৰোধিতা কৰিলেও হিন্দুৰ কৌলিন্যক অস্বীকাৰ কৰা নাছিল। বৰং শংকৰ-মাধৱে নিজৰ ভক্তৰ মাজতো জাতপাতৰ প্ৰচলনহে কৰিছিল। এই সম্পৰ্কে অনিল ৰায়চৌধুৰীয়ে লিখিছে ঃ "ব্যৱহাৰিক জীৱনত জাতিভেদৰ বিৰুদ্ধে শংকৰী ধৰ্মৰ কোনো নীতি নাই। জাতি কুলাচাৰ আৰু জাতিকুলভেদ বিবাহ, ভোজন আদিৰ ক্ষেত্ৰত গৃহস্থী ভকতৰ মাজতেই অকল নহয়, অন্ন ভোজনৰ ক্ষেত্ৰত ধৰ্মাচাৰ্য আৰু ভকতসকলৰ মাজত আছিল। অৱশ্যে উচ্চ বৰ্ণৰ শৰণ-ভজন হোৱাজনে ৰন্ধা অন্ন সমান বৰ্ণ বা নীচ বৰ্ণই গ্ৰহণ কৰিছিল।" তেওঁ আৰু লিখিছে ঃ "বৰঞ্চ যিবোৰে ন-কৈ হিন্দু ধৰ্ম গ্ৰহণ কৰিছিল অৰ্থাৎ বৈষ্ণৱ ধৰ্মত শৰণ লোৱাৰ মাজেদি হিন্দু হ'ল তেওঁলোকৰ মাজতো নতুনকৈ জাতপাতৰ ধ্যান-ধাৰণা শিপালে। কিন্তু এই ধাৰণা তেনেকৈ নতুনখিনিৰ মাজত তীব্ৰ হ'ব নোৱাৰাৰ একমাত্ৰ কাৰণ হ'ল— আৰ্যভিন্ন লোকৰ জনবহুলতা। আৰ্যভিন্ন কোনোবাই শৰণ লোৱাৰ বহুত বছৰৰ পিছতহে মৰ্যাদাপূৰ্ণ ভকত হ'ব পাৰে। আনহাতে শৰণ নোহোৱা অনা হিন্দুসকলক তীব্ৰ ঘৃণাৰ চকুৰে চোৱা হৈছিল। শৰণ লোৱাৰ পিছত 'সৰুকোচ' পৰ্যায়ত অন্তৰ্ভুক্ত হৈ তৃতীয় পিৰীতহে (Generation) ভাল কোঁচ বুলি পৰিগণিত হৈছিল। (Ref. Census Report, p. 225)" আৰু "সি যিয়েই নহওক, জাতপাত নমনাজন হিন্দু নহয় বোলা ধাৰণা অসমত আনকি বৈষ্ণৱসকলৰ মাজতো আছিল।" ('শংকৰী পৰম্পৰা প্ৰমূল্য ঃ প্ৰাসঙ্গিকতাৰ প্ৰশ্ন' নামৰ প্ৰবন্ধ ঃ 'প্ৰগতিশীল সাহিত্য সমীক্ষা' ঃ নতুন সাহিত্য পৰিষদ, অসম)। এই কাৰণতেই জনজাতীয় লোকৰ ধৰ্মান্তৰকৰণৰ প্ৰক্ৰিয়া দ্ৰুত আৰু ব্যাপক হ'ব পৰা নাছিল। ফলত অসমৰ জাতীয় সংহতিৰ অভিযানো আধৰুৱা হৈ ৰৈছিল। এই জাতপাতৰ ভেদাভেদৰ বাবেই শংকৰদেৱৰ মৃত্যুৰ পিছত নৱবৈষ্ণৱ ধৰ্মান্দোলন ব্ৰহ্মা, পুৰুষ, কাল আৰু নিকা— এই চাৰিটা সংহতিত বিভক্ত হৈ পৰিছিল। এই সংহতিকেইটাৰ মাজতো ভেদাভেদ আৰু অৰিয়াঅৰিৰ সৃষ্টি হৈ পৰিছিল। একেসময়তে অসমত শাক্ত তান্ত্ৰিক ধৰ্মৰ পূজা-পাতল, যাগ-যজ্ঞাদিও সমানে চলি আছিল আৰু শৰণ নোলোৱা জনজাতীয় গোষ্ঠীবোৰেও আদিম ধৰ্মবিশ্বাস, ৰীতি-নীতি আৰু ভাবা-কৃষ্টি বজাই ৰাখিছিল।

সেয়ে বৈষ্ণৱ আন্দোলনে এহাতে যিদৰে অসমীয়াৰ জাতীয় জীৱনক তাৰ পৰিধি আৰু পৰিচয় দান কৰিছিল, সেইদৰে আনহাতে জাতীয় সংহতিৰ অন্তৰায় স্বৰূপ পৰিৱেশ আৰু প্ৰৱণতাবোৰৰ লগতো আপোচ কৰিছিল সমানে। এই কাম শংকৰ মাধৱৰ সচেতন বা মতলবী প্ৰয়াস নিশ্চয় নাছিল। যুগধৰ্মৰ পুৰুষ হৈয়ো তেওঁলোক

আছিল সেই যুগ আৰু সমাজৰে অপূৰ্ব সৃষ্টি। কিন্তু অসমীয়া জাতিৰ ইতিহাসৰ সেই সংহতি বিৰোধী প্ৰৱণতাবোৰেই আজি জাতিগত ভেদ-বিবাদক চৰম অৱস্থাৰ ফালে ঠেলি আছে। ১৮৯১ চনৰ লোকপিয়লৰ টোকাত গেইটে উল্লেখ কৰিছিল যে পঞ্জাবত আন ধৰ্ম বুলি পৰিচয় নিদিলে এজনক হিন্দু বুলি ধৰি ল'ব পৰা গৈছিল, কিন্তু অসমত হিন্দু বুলি পৰিচয় দিলেহে এজন লোকক হিন্দু বুলি ধৰি ল'ব লগীয়া অৱস্থা আছিল। (অনিল ৰায়চৌধুৰীৰ পূৰ্বোক্ত প্ৰবন্ধত উল্লেখিত)। এই কথাই ইয়াকে প্ৰমাণ কৰে যে অসমৰ ব্যাপক জনজাতীয় পৰিবেশত হিন্দু সমাজখন আছিল আচলতে এখন আছুতীয়া সমাজহে। সেই সমাজখনৰ ভাষা-সংস্কৃতিৰ মান যিয়েই নহওক কিয়, ভিন্ ভিন্ আৰ্যেতৰ জাতিগোষ্ঠীৰ লগত পৰিচয়গত সংঘাতৰ পৰা সেইখন সমাজ কোনোদিনে মুক্ত হ'ব পৰা নাছিল। ড° সুনীতি কুমাৰ চট্টোপাধ্যায়ে এই সম্পৰ্কে এটা অতি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰিছে। তেওঁ লিখিছে ঃ "এইখন সদায়ে এখন আচহুৱা দেশ হৈয়ে ৰৈ গৈছিল। ইয়াৰ তিব্বত-বৰ্মী ভাষাভাষী জনসাধাৰণে (আৰ্যভাষা আৰু ধৰ্মৰ যথেষ্ট প্ৰসাৰ সত্বেও) নিজৰ এখন সুকীয়া জগত সৃষ্টি কৰি লৈছিল। শংকৰদেৱৰ বৈষ্ণৱবাদৰ ক্ষেত্ৰতো অসম ধৰ্মৰ ফালৰ পৰা আত্মকেন্দ্ৰিক হৈয়ে ৰৈ গৈছিল।" (S. K. Chatterjee পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ৫৩)। ড° চট্টোপাধ্যায়ে কোৱা এই "আত্মকেন্দ্ৰিকতা"ই হ'ল অসমৰ জাতীয় জীৱনৰ আচল পৰিচয়। যি কাৰণতেই নহওক, অসমৰ মঙ্গোলীয় জনজাতি হিন্দু অসমীয়া সমাজখনত কোনোদিনে জীণ নগ'ল; সিবিলাকে যুগ যুগ ধৰি জীয়াই ৰাখিলে এক ধৰণৰ যাদুঘৰীয়া স্বতন্ত্ৰতা। হিন্দু সমাজখনৰ লগত তেওঁলোকে প্ৰায় দুহেজাৰ বছৰ ধৰি সহ-অৱস্থান কৰিলে, কিন্তু একেবাৰে মিলি যোৱাৰ পৰিবেশ কোনো কালে নাপালে। শংকৰী ধৰ্মইও তাৰ সমস্ত উদাৰতা আৰু সহজ ভক্তিমাৰ্গ সত্বেও আৰ্যেতৰ জনগোষ্ঠীবোৰৰ মানসিকতা আৰু জীৱন পদ্ধতিক আত্মীয়তাৰে স্বীকাৰ কৰি ল'বলৈ প্ৰস্তুত নাছিল। শংকৰ-মাধৱৰ ভূমিকা আছিল শিক্ষাগুৰুৰহে, বন্ধু বা সহযাত্ৰীৰ নহয়। এই সত্যবোৰৰ প্ৰতি অসমীয়াই প্ৰয়োজনীয় মনোযোগ কোনোদিনে দিয়া নাই, নাইবা দিবলৈ প্ৰস্তুত নহয়। আমাৰ দুৰ্ভাগ্য আৰু বিপৰ্যয়ৰ কাৰণো এই দুৰ্বলতাৰ পৰাই উদ্ভূত।

ইমানৰ পিছতো ক'ব লাগিব, অসমীয়া জাতিৰ যিখিনি সংমিশ্ৰণ আৰু সংহতি সংঘটিত হ'ল, সেইখিনি বহুলাংশে শংকৰ-মাধৱৰেই অৱদান। সেইকালৰ ভাৰতীয় হিন্দুসমাজখনৰ পটভূমিত তেওঁলোকৰ ধৰ্মমতৰ উদাৰতা আৰু ব্যৱহাৰিক নিষ্ঠা আছিল সঁচাকৈয়ে স্মৰণীয় আৰু আদৰ্শনীয়। আমাৰ ক'বলগীয়া হ'ল মাত্ৰ এইখিনিয়েই যে শংকৰী ধৰ্ম-সংস্কৃতিৰ যুগপৎ সীমাবদ্ধতা বা দুৰ্বলতাক আওকাণ কৰি শংকৰ-মাধৱক অন্ধভাবে অনুকৰণ কৰি থাকিলে সি আমাৰ বা গুৰু দুজনাৰ বাবে দুৰ্ভাগ্যৰহে সমতুল্য হ'ব। আজিৰ অসমৰ সমাজখনত শংকৰী পৰম্পৰা বহু ক্ষেত্ৰত অপ্ৰাসঙ্গিক আৰু নেতিবাচক হৈ পৰিছে। ভবানন্দ দত্তই এই সম্পৰ্কে কেতিয়াবাই সাৱধান কৰি গৈছিল

ঃ "আজি যিবিলাকে ভাবে যে মহাপুৰুষীয়া ধৰ্মৰ ব্যাপক প্ৰচাৰ কৰি বৃহত্তৰ অসমীয়া জাতি গঢ়িব পৰা যাব,– তেওঁলোকৰ এই ধাৰণা অত্যন্ত ভ্ৰান্তিমূলক। আজি অসমৰ যি জাতীয়তাবোধ সি ধৰ্মনিৰপেক্ষতা, জাতীয়তাবোধনিৰপেক্ষ ঐহিক আৰু ৰাষ্ট্ৰীয় গণতান্ত্ৰিক চেতনাৰ পৰা উদ্বুদ্ধ; এই ৰাষ্ট্ৰীয় গণতান্ত্ৰিক ভাবধাৰা যিমানেই জনজাতীয় ভাইসকলৰ মাজত বিয়পি যাব, সিমানেই তেওঁলোকৰ জনজাতীয় আত্মচেতনা বাঢ়ি যাব, নিজৰ নাগৰিক আৰু সাংস্কৃতিক আত্মপ্ৰতিষ্ঠাৰ দাবীয়ে সেই পৰিমাণে মূৰ তুলি উঠিব। তেতিয়া আমি নিজৰ জাতীয় আৰু সাম্প্ৰদায়িক অহংভাৱৰ বশৱৰ্তী হৈ যদি তেওঁলোকক 'উচ্চ' জীৱন দান কৰিবলৈ যাওঁ, তেন্তে তেওঁলোকে আমাৰ প্ৰভাৱৰ পৰা মুক্ত হৈ যাবৰহে চেষ্টা কৰিব, ফলত সমস্যা আৰু জটিল হৈহে উঠিব। অসমৰ জনজাতীয় সমস্যাৰ সমাধানৰ পথ গণতান্ত্ৰিক অধিকাৰ বিস্তাৰৰ পথ, সংস্কৃতি, সভ্যতা 'দান' কৰাৰ পথ নহয়।" (উদ্ধৃতি ঃ অনিল ৰায়চৌধুৰী ঃ 'ভৱানন্দ দত্ত ঃ মই যিদৰে জানো' ঃ 'ভৱানন্দ দত্ত ঃ জীৱন আৰু প্ৰতিভা' (সম্পাদিত), পৃঃ ৪০-৪১)। নক'লেও হ'ব, সাম্প্ৰতিক ঘটনাৱলীয়ে ভৱানন্দ দত্তৰ এই নিৰ্ভুল ভবিষ্যত বাণীক নিষ্ঠুৰভাৱে প্ৰমাণ কৰিছে।

শংকৰী ধৰ্মমতৰ প্ৰতি সমসাময়িক জনজাতীয় সমাজখন সংশয়ী আছিল যদিও সেই ধৰ্মৰ যাদুকৰী প্ৰভাৱৰ পৰা সেই সমাজখনো মুক্ত নাছিল। শংকৰী ধৰ্মই প্ৰচাৰ কৰা ভক্তিৰ সহজ আৰু সৰল পন্থাৰ প্ৰতি জনজাতীয় সমাজখনৰ মানসিকতা আছিল সংশয় আৰু বিশ্বাসৰ দোমোজাত। এই দ্বন্দ্বৰ পৰা অসমৰ জনজাতীয় ৰাইজ কোনোদিনে মুক্ত হ'ব নোৱাৰিলে। কিন্তু আজিৰ ভিন্ন পৰিস্থিতিত শংকৰী পৰম্পৰাৰ পূৰ্বৰ সেই যাদুকৰী প্ৰভাৱ শেষ হৈ আহিছে। এতিয়া জনজাতিবিলাকৰ মাজত শিক্ষা-দীক্ষা আৰু জাতীয় চেতনাৰ প্ৰসাৰ ঘটিছে। ইংৰাজৰ দিনৰ পৰা খ্ৰীষ্টান ধৰ্ম আৰু ইংৰাজী ভাষাৰো জোৰদাৰ অনুপ্ৰৱেশ ঘটিছে। সেইদৰে ইংৰাজৰ দিনৰ পৰা অন্য ভাষা-ধৰ্মৰ অসংখ্য লোক অসমলৈ আহি বসতি কৰিছে। এনে অৱস্থাত অকল শংকৰী পৰম্পৰাই বা আন কোনো ধৰ্মমতে অসম আৰু অসমীয়াৰ ঐক্য-সংহতিক শক্তি আৰু সুৰক্ষা দিব নোৱাৰে। তাতে শংকৰদেৱৰ মৃত্যুৰ পিছৰ পৰাই শংকৰী ধৰ্মাৱলম্বীসকলো বহুধা বিভক্ত হৈ পৰিছে। বৰ্ণবাদী অসমীয়াই শংকৰদেৱক নিজৰ কৰ্তৃত্ব আৰু শ্ৰেষ্ঠতাৰ বিজ্ঞাপন হিচাপে ব্যৱহাৰ কৰিলেও জনজাতি, মুছলমান, চাহ শ্ৰমিক আদি ভিন্ন সম্প্ৰদায়ৰ লোকসকলৰ বাবে সেই বিজ্ঞাপনত এতিয়া কোনো যাদু নাই। এই সম্প্ৰদায়বোৰৰ লোকসকল হিন্দু বা বৈষ্ণব নহৈও অসমীয়া জাতিৰ লাইখুঁটা বুলি পৰিগণিত হৈছে। তেওঁলোকৰ বাবে শংকৰী ধৰ্মৰ সেই আকৰ্ষণ ক'ত? শংকৰী পৰম্পৰা আৰু অসমীয়াৰ জাতীয় জীৱন দুয়োটা গভীৰভাৱে সম্পৰ্কযুক্ত হোৱা সত্ত্বেও দুয়োটাকে একাকাৰ কৰাৰ প্ৰতিটো অপচেষ্টাৰে প্ৰতিক্ৰিয়া হৈছে অত্যন্ত অশুভ। তাৰ ফলত অসমীয়া, বৰ্ণসমাজখনৰ বিৰুদ্ধে বিভিন্ন জনজাতি আৰু পিছপৰা শ্ৰেণীৰ লোকসকলৰ ক্ষোভ, অনাস্থা আৰু প্ৰতিবাদহে বৃদ্ধি পাইছে।

অসমৰ এই নৱবৈষ্ণৱ আন্দোলনে সূচনা কৰা জাতীয় সংহতিৰ সীমাবদ্ধতা তথা অসম্পূৰ্ণতাৰ আৰ্থ-সামাজিক কাৰণবোৰো বিচাৰ কৰি চাব লাগিব।

আহোমসকলে এখন জনজাতীয় সমাজত একধৰণৰ সামন্তবাদী অৰ্থনীতি প্ৰৱৰ্তন কৰিছিল। তেওঁলোকৰ উৎপাদন ব্যৱস্থা আগৰ ব্যৱস্থাৰ তুলনাত উন্নতো আছিল। তথাপি অবাধ জাতীয় সংমিশ্ৰণ আৰু সমন্বয়ৰ বাবে সেই অৰ্থনীতি মুঠেই পৰ্যাপ্ত নাছিল। এটা স্বয়ংসম্পূৰ্ণ কৃষিব্যৱস্থা আৰু হস্তশিল্পই আছিল সেইযুগৰ অসমৰ মূল আৰ্থিক ভিত্তি। জনজাতীয় সমাজখনৰ জাতিগত আৰু আৰ্থিক বৈশিষ্ট্যবোৰো সমানে সক্ৰিয় হৈ ৰৈছিল। পণ্যৰ উৎপাদন সামান্য, ব্যৱসায়-বাণিজ্যৰ প্ৰসাৰো আছিল সীমিত। আহোম যুগৰ শেষৰ ফালেহে ৰাজ্যখনত ব্যৱসায়-বাণিজ্য বাঢ়িছিল বুলি ক'ব পাৰি। গুণাভিৰাম বৰুৱাই তেখেতৰ 'আসাম বুৰঞ্জী'ত (পৃঃ ১৮৮-৮৯) লিখিছে ঃ "যি দেশত কৃষি সকলো লোকেই কৰে অথচ তাৰ ব্যৱস্থা নিস্তেজ, সি দেশত বাণিজ্যৰ বৰ্ত্তমান অৱস্থা তেজস্বিনী হোৱা অসম্ভৱ। ই দেশৰ লোকসকলে বাণিজ্যক অনাদৰ কৰিছিল। প্ৰায় সকলো লোকেই সকলো প্ৰকাৰৰ বস্তু আপুনি উপাৰ্জন কৰে। বিদেশীয় লোকৰ সংখ্যা অতি কম। এই হেতুকে লোকৰ অভাৱ অধিক নাছিল। যাৰ কোনো দ্ৰব্যৰ প্ৰয়োজন আছিল সি কোনো সৰুহীয়া বা অপ্ৰয়োজনীয় বস্তু সলনি কৰি তাক পাইছিল। এতিয়াও সি নিয়ম অনেক বিষয়ত প্ৰচলিত আছিল। স্বৰ্গনাৰায়ণ ৰজাৰ পূৰ্বে এই দেশত কোনো টকা বা মুদ্ৰা নাছিল। আৰু বেহাৰতো বিশ্বসিংহ ৰজাৰ পূৰ্বে কোনো টকা নাছিল। দেশৰ এঠাইৰ পৰা অন্য ঠাইলৈ যাবৰ পথ তেনে সুগম নাছিল। আমাৰ নিচেই চুবুৰীয়া পৰ্বতীয়া জাতিবিলাকৰ অৱস্থা তেনে নাছিল আৰু নহয়। সিহঁতে সময়ে সময়ে দাঁতিফালে আহি অত্যাচাৰ কৰি লুটিপুটি মাত্ৰ নিবলৈ যত্ন কৰিছিলে। পাছলৈহে অলপ বস্তু সলনি কৰিবলৈ আৰম্ভ কৰিলে। বঙাল দেশৰ সইতে বাণিজ্যৰ তাদৃশ সুযোগ নাছিল। আমাৰ লোকে ভিন্ন দেশলৈ যাবলৈ বৰ ভয় কৰে আৰু ভিন্ন দেশৰ লোকৰো তেনে অসূয়া ভাব আছিল। শঙ্কৰদেৱৰ দিনত অতি অলপ সংখ্যক লোকে নৌকাপথে বস্তুৰ বেপাৰ কৰিছিল। এইসকলক মুদৈ বুলিছিল। এইৰূপ অনেক মুদৈ এতিয়াও আছে। নগৰত পাহাৰীবিলাকে আন আন ঠাইৰ পৰা বস্তু আনি বেচিছিল আৰু মুদৈবিলাকৰ পৰা কোনো বস্তু লৈ বিক্ৰী কৰিছিল। মুছলমানৰ স্ত্ৰীসকলেই প্ৰকাশ্যভাৱে দোকান দিছিল।"

পিছপৰা যাতায়াত ব্যৱস্থা, সেমেকা জলবায়ু, প্ৰাকৃতিক দুৰ্যোগ, ভৰপূৰ হাবি-জংঘল আদিয়ে অসমৰ দূৰ দূৰণিৰ ঠাইবিলাকৰ মাজত স্থলপথৰ যোগাযোগ প্ৰায়ে বিচ্ছিন্ন কৰি ৰাখিছিল। ভিতৰুৱা অঞ্চলবিলাক আছিল একপ্ৰকাৰ দুৰ্গম। আহোম ৰজাসকলে কিছু ৰাস্তাঘাট বনাইছিল ঠিকেই; কিন্তু সেইখিনিয়ে সুচল যাতায়াতৰ প্ৰয়োজন পূৰণ কৰাটো আছিল অকল্পনীয় কথা। অসমৰ আজিৰ দিনৰ যাতায়াতৰ অৱস্থা চালেই আগৰ দিনৰ অৱস্থাৰ কথা অনুমান কৰি ল'ব পাৰি। আনকি ইংৰাজে দেশখন লোৱাৰ

সময়তো আৰু তাৰো বহু পিছলৈকে উজনিৰ পৰা গুৱাহাটীলৈ যাবলগীয়া হ'লে মানুহে হাঁহ-পাৰ মাৰি খাই বৈ লৈছিল, জানোচা তেওঁলোকে ঘূৰি আহি নাপায়। অসমৰ আৰ্থিক বিকাশৰ ক্ষেত্ৰত ইয়াৰ জলবায়ু আৰু যাতায়াতৰ প্ৰশ্নটোৱে সদায় প্ৰাধান্য পাই আহিছে। উন্নত অঞ্চল বা প্ৰশাসনিক কেন্দ্ৰবোৰৰ মাজত যাতায়াত আৰু যোগাযোগ কিছু উন্নত হ'লেও অসমৰ কৃষিজীৱী সমাজখন বহিৰ্জগতৰ পৰা সম্পূৰ্ণ বিচ্ছিন্ন হৈ আছিল। অৰ্থনীতি, ৰাজনীতি, শিক্ষা-সংস্কৃতি সকলো ক্ষেত্ৰতে এই বিচ্ছিন্নতা আছিল সৰ্বগ্ৰাসী। সেয়ে অসমৰ আৰ্থিক পৰিবৰ্তন তথা কৃষি ব্যৱস্থাৰ উন্নতি সেই যুগ আৰু সমাজত অসম্ভৱ কথা হৈ পৰিছিল। আহোমৰ পাইক আৰু কৃষি ব্যৱস্থাই উৎপাদিকা শক্তিবোৰক বেছি দূৰলৈ আগবঢ়াই নিব পৰা নাছিল। পণ্যৰ বজাৰখন মুঠেই সম্প্ৰসাৰিত নহ'ল। চুহুংমুং বা স্বৰ্গনাৰায়ণ ৰজা (১৪৯৭-১৫৩৯)ৰ দিনতে মুদ্ৰা বা টকাৰ প্ৰচলন হৈছিল যদিও প্ৰজাৰ বাবে সি সহজ আৰু সুলভ হ'ব পৰা নাছিল। তাৰ কাৰণো আছিল এয়ে যে অসমৰ জনজাতিপ্ৰধান সমাজখন মুদ্ৰাৰ বজাৰৰ লগত মুঠেই অভ্যস্ত হ'ব পৰা নাছিল। গেইটেও 'A History of Assam' (p.217)ত উল্লেখ কৰিছে যে সেইদিনত টকাতকৈ নিমখ আৰু কানি সলনি কৰিহে ধান চাউল সংগ্ৰহ কৰাটো সহজ আছিল। এনে এক পিছপৰা অৰ্থনীতি প্ৰতিকূল পৰিবেশত জাতীয় সংমিশ্ৰণ তথা সামাজিক বিকাশৰ গতি একেবাৰে মন্থৰ হোৱাটোৱেই আছিল স্বাভাৱিক কথা। সেই অৱস্থাতো যিকণ জাতীয় সংমিশ্ৰণ সংঘটিত হৈছে, তাৰ কৃতিত্বও ঘাইকৈ বৈষ্ণৱ আন্দোলন আৰু অসমীয়া ভাষা-সাহিত্যইহে দাবী কৰিব পাৰে।

আনহাতে আহোমৰ দিনতে পশ্চিম অসম বা কামৰূপ মাজে সময়ে মুছলমানৰ দখলাধীন হোৱাত মোগল আৰ্হিৰ অৰ্থ-ব্যৱস্থা এটাই সেই অঞ্চলত গঢ় লৈ উঠিছিল। (H. K. Barpujari : *Assam in the Days of the Company,* p. 4 "During the period of these (Muslim-added) invasions, Western Assam 'changed hands' several times, when salient features of the fiscal administration of the Mughals took deep root in its soil.")। কিন্তু আহোম ৰাজ্যৰ ভিতৰলৈ সেই বিধি-ব্যৱস্থাবোৰ সোমাব পৰা নাছিল। ১৭৯৩ খ্ৰীষ্টাব্দত ৰজা গৌৰীনাথ সিংহৰ লগত হোৱা বাণিজ্যিক চুক্তিৰ বলতহে বঙ্গদেশৰ ব্যৱসায়ীসকলে আহোম ৰাজ্যত সোমোৱাৰ সুযোগ পাইছিল। কিন্তু আহোম ৰাজ্যৰ ৰবি তেতিয়া মাৰ যাওঁ যাওঁ। অষ্টাদশ শতিকাৰ শেষৰ ফালে আহোমৰ অপশাসন, গৃহকন্দল আৰু অত্যাচাৰৰ নিকৃষ্ট চেহেৰাটো প্ৰকট হৈ উঠিছিল। আহোমৰ অৰ্থনীতি, ৰাজনীতি, প্ৰশাসন, সমাজব্যৱস্থা সকলো তেতিয়া স্থবিৰ আৰু ভগ্নপ্ৰায়। মোৱামৰীয়া বিদ্ৰোহ প্ৰজাবিদ্ৰোহলৈ ৰূপান্তৰিত হোৱাৰ কাৰণো আছিল সেয়ে। গৃহযুদ্ধত বিধ্বস্ত আৰু বিপন্ন দেশ। নতুন পুঁজিবাদী/ অৰ্থনীতি আৰু সমাজ ব্যৱস্থাৰ প্ৰতিনিধি ইংৰাজৰ লোলুপ দৃষ্টি তেতিয়া অসম তথা উত্তৰ পূব অঞ্চলটোত নিবদ্ধ।

আহোমসকলে 'সাত ৰাজ মাৰি এক ৰাজ' কৰিলেও সেই ৰাজ্যৰ আৰ্থ-ৰাজনৈতিক আৰু প্ৰশাসনিক ঐক্য কোনোদিনে স্থায়ী আৰু সংহত হ'ব পৰা নাছিল। আহোমে এখন বিশাল সাম্ৰাজ্য প্ৰতিষ্ঠা কৰিছিল যদিও আটাইবোৰ বিজিত থলুৱা জনজাতিক একক ৰাজনৈতিক শৃংখলা আৰু এটা কেন্দ্ৰীভূত প্ৰশাসনিক ব্যৱস্থাৰ অন্তৰ্ভুক্ত কৰিব পৰা নাছিল। দৰাচলতে আহোম ৰাজ্যখন এখন শিথিল ফেডাৰেচন বা যুক্তৰাষ্ট্ৰ হিচাপেহে বৰ্তি আছিল। সেয়ে শেষৰ দিনলৈকে পৰাভূত জাতিগোষ্ঠীবোৰৰ লগত আহোমৰ সংঘৰ্ষ অব্যাহত আছিল। সততে সক্ৰিয় হৈ আছিল বিভেদ আৰু শত্ৰুতা। কছাৰী, কোচ, ভূঞা, চুতীয়া, মিচিং, নগা, দফলা আদি জাতিবিলাকে সুযোগ পালেই আহোম ৰজাৰ বিৰুদ্ধে মূৰ দাঙি উঠিছিল। ধৰ্মৰ ফালৰ পৰাও শাক্তধৰ্মী আহোম ৰাজশক্তি আৰু বৈষ্ণৱ প্ৰজাৰ মাজত এটা দীৰ্ঘদিনীয়া বিৰোধ চলি আছিল। ওঠৰ শতিকাৰ মোৱামৰীয়া বিদ্ৰোহে আহোমৰ ৰাজহাড় ভাঙি দিলে। এই বিদ্ৰোহ আৰু সেই সময়ৰ মহামাৰীৰ আক্ৰমণত আহোমৰ কৰ্তৃত্ব আৰু পৰাক্ৰম দৰাচলতে শেষ হৈ আহিছিল। সেই সুযোগতে পূৱত চিংফৌ আৰু খামতিসকল, উত্তৰ পাৰে দফলাসকল, নগাঁৱত কছাৰীসকল, দৰঙত কৃষ্ণনাৰায়ণ আৰু কামৰূপত হৰদত্ত বীৰদত্তই স্বাধীনতা ঘোষণা কৰে। এই জনগোষ্ঠীবোৰৰ পুনৰুত্থানক বাধা দিয়াৰ শক্তি তেতিয়া আহোমৰ নাছিল। বৰং মোৱামৰীয়া বিদ্ৰোহৰ ধ্বংসলীলাই মান আৰু ইংৰাজৰ আগমনৰ বাবে অসমৰ সিংহদ্বাৰ মুকলি কৰি দিলে।

এই কথাও দোহৰাৰ প্ৰয়োজন আছে যে যদিও আহোমৰ শাসনে অসমীয়াৰ জাতীয় মিলন আৰু সংমিশ্ৰণৰ বাবে ৰাজনৈতিক পটভূমি তৈয়াৰ কৰি দিছিল আৰু সেই শাসনৰ তলতেই এটা সংমিশ্ৰিত অসমীয়া জাতি সঁচাকৈয়ে ঠন ধৰি উঠিছিল, তথাপি জাতিগত সংঘাত আৰু পৃথকত্বৰ প্ৰৱণতাবোৰো সমানে সক্ৰিয় আৰু সবল হৈ থাকি গ'ল। অসমৰ জনজাতীয় সমাজখনৰ ভাষা-কৃষ্টি, আদিম ধৰ্মবিশ্বাস, পশ্চাদপদতা আৰু সংকীৰ্ণ গোষ্ঠীজীৱনৰ প্ৰভাৱ আৰু ব্যাপকতাৰ তুলনাত অসমীয়া ভাষা সংস্কৃতি আছিল নিতান্তই সীমিত আৰু সংখ্যালঘু। এমুঠি আহোম, বামুণ আৰু বৈষ্ণৱ গোসাঁই-ভকতৰ মাজতেই অসমীয়াৰ জাতীয় বা সাংস্কৃতিক চেতনা সীমাবদ্ধ হৈ ৰৈছিল। যিসকল জনজাতীয় লোক ধৰ্মান্তৰিত হৈ হিন্দু হৈছিল তেওঁলোকৰো জনজাতীয় চৰিত্ৰ আৰু ঐতিহ্য অটুট আছিল। অসমীয়া জাতিৰ এই মজ্জাগত দুৰ্বলতা পৰৱৰ্তী কালতো দূৰ নহ'ল। বৰং ইংৰাজৰ যুগান্তকাৰী পৰিৱৰ্তনসমূহে তথা অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ উত্থানে দুৰ্ভাগ্যবশতঃ অসমৰ থলুৱা জনগোষ্ঠীবোৰৰ আত্মকেন্দ্ৰিকতা তথা বিচ্ছিন্নতাবোধক বঢ়াইহে তুলিলে।

আহোম ৰাজত্বত মোৱামৰীয়া বিদ্ৰোহ এটা অতি গুৰুত্বপূৰ্ণ ঘটনা। এই ঘটনাৰ কাৰণ আৰু তাৎপৰ্যৰ বাখ্যাও যথেষ্ট হৈছে। সেয়ে আমি এই বিদ্ৰোহৰ সাধাৰণ পৰিণতিৰ কথাহে দুই এটা উনুকিয়াব খুজিছোঁ। মোৱামৰীয়া বিদ্ৰোহে সৃষ্টি একো কৰিব নোৱাৰিলে,

কিন্তু ধ্বংস কৰিলে। বৰৰজা ফুলেশ্বৰী কুঁৱৰী আৰু কীৰ্তিচন্দ্ৰ বৰবৰুৱাৰ অত্যাচাৰৰ বিৰুদ্ধে আৰম্ভ হোৱা এই বিদ্ৰোহে প্ৰজাবিদ্ৰোহৰ ৰূপ লৈছিল সঁচা, কিন্তু শেহান্তৰত সেই আন্দোলন পৰ্যবসিত হ'ল চৰম নৈৰাজ্য আৰু ক্ষমতাৰ ৰক্তাক্ত টনাআঁজোৰালৈ। লীলা গগৈয়ে ইয়াৰ এটা বৰ্ণনা দিছে এনেদৰে ঃ "এই আত্মক্ষয়ঙ্কৰী উপপ্লৱত শতকৰা ৬০ ভাগ মানুহ নিধন হৈছিল। ৰজাৰ্ পক্ষত শতকৰা ২৫ জন আহোম, বাকী ৭৫ জন কোচ-কলিতা, বামুণ-কায়স্থ, চুতীয়া-কছাৰী, মিৰি-দেউৰী আৰু অন্যান্য জনজাতিৰ মানুহ। মোৱামৰীয়াৰ পক্ষতো শতকৰা ২৫ ভাগ আহোম আৰু মৰাণকে ধৰি কলিতা-কোচ, চুতীয়া কৈৱৰ্ত আদি সকলো জাতিৰ মানুহ। যুদ্ধ ভায়ে ভায়ে, পৰিণতি আত্মক্ষয়।" ('বেলি মাৰ গ'ল', পৃঃ ১৬১)। তেওঁ আৰু লিখিছে যে কেপ্তেইন ওৱেল্‌ছৰ নেতৃত্বত ইংৰাজ সেনাই বিদ্ৰোহ দমন কৰি গৌৰীনাথ সিংহক পুনৰ সিংহাসনত বহুৱালে। কিন্তু তাৰ বিনিময়ত ইংৰাজে তলাতল ঘৰৰ ভঁৰাল লুৰুকি ৪,০০,০০০ সোণৰ অলঙ্কাৰ, ৪,০০,০০০ ৰূপৰ অলঙ্কাৰ, ২,০০,০০,০০০ তোলা সোণৰ উপৰিও তাম, কাঁহ, পিতলৰ অসংখ্য বয়বস্তু লৈ গ'ল। আৰু নিলে ৪০০০ টা হিলৈ আৰু দুহেজাৰ যুঁজৰ নাও। ইষ্ট ইণ্ডিয়া কোম্পানীক বেহাবেপাৰৰ অনুমতি দি গৌৰীনাথ সিংহই ১৭৯৩ খ্ৰীঃত এখন বাণিজ্যিক চুক্তিও সম্পাদন কৰিবলৈ বাধ্য হ'ল। অৱশ্যে ইংৰাজে লুটি নিয়া সোণ-ৰূপৰ হিচাপ লীলা গগৈয়ে ক'ৰ পৰা লৈছে আমি নাজানো। সেই হিচাপত অতিৰঞ্জনৰ দোষ আছে যেন ধাৰণা হয়। কিন্তু এটা কথাত কোনো সন্দেহ নাই যে সেই বিদ্ৰোহৰ পৰিণতিত আহোম ৰাজ্যৰ অৰ্থবল আৰু অস্ত্ৰবল দুয়োটা চিৰদিনলৈ লোপ পালে। ইংৰাজসকলে ধন-সোণ লুটিপুতি নিয়াৰ লগতে তেওঁলোকৰ স্থায়ী শোষণ-শাসনৰ বাটো মুকলি হ'ল। দেশৰ জনবলো হ্ৰাস পালে অভাৱনীয়ভাৱে। ওৱেলছে মোৱামৰীয়া বিদ্ৰোহ দমন কৰিবলৈ আহি দেৰগাওঁ আৰু ৰংপুৰৰ মাজৰ বিস্তীৰ্ণ অঞ্চল জনশূন্য অৱস্থাত পাইছিল বুলি গেইটে তেখেতৰ A History of Assam (p.216)ত উল্লেখ কৰিছে। মোৱামৰীয়া বিদ্ৰোহৰ পৰিণতি যে বিকাশমান অসমীয়া জাতিৰ বাবে ভীষণ আত্মক্ষয়ী বুলি প্ৰমাণিত হৈছিল তাত কোনো সন্দেহ নাই। অসমীয়া মানুহখিনিৰ সংখ্যা যিদৰে বহুত কমি গৈছিল, সেইদৰে বাঢ়ি গৈছিল তেওঁলোকৰ মাজৰ বিভাজন আৰু বিভেদ। আনকি চাৰিসংহতিৰ বৈষ্ণৱ গুৰু-ভকতসকলো এই ৰণত বিভক্ত হৈ পৰিছিল। কালসংহতিৰ মোৱামৰীয়াসকলক (যিসকলৰ ভিতৰত জনজাতীয় মৰাণ আৰু আহোমৰ শিষ্যই আছিল প্ৰধান) বাকী সংহতি কেইটাৰ বৈষ্ণৱসকলে হেয়জ্ঞান কৰিছিল। অৱশ্যে শংকৰী বৈষ্ণৱ ধৰ্মৰ সংহতিবিভাজন মোৱামৰীয়া বিদ্ৰোহৰ ফল নাছিল; শংকৰদেৱৰ মৃত্যুৰ পিছতেই এই বিভাজনৰ সূত্ৰপাত হৈছিল। কিন্তু মোৱামৰীয়া বিদ্ৰোহৰ মাজত এই চাৰি-সংহতিৰ বিভাজনে ৰক্তক্ষয়ী সংঘৰ্ষৰ ৰূপ পালে।

১৭৯৪ খ্ৰীষ্টাব্দত ওৱেলছৰ ইংৰাজ সেনা উভতি যোৱাৰ পিছতো মোৱামৰীয়াসকলে পুনৰ বিদ্ৰোহ কৰিছিল। কিন্তু পূৰ্ণানন্দ বুঢ়াগোহাঁয়ে এই পুনৰ্বিদ্ৰোহ দমন কৰিছিল। তদুপৰি

অসন্তুষ্ট ৰাজকোঁৱৰ আৰু পাৰিষদবৰ্গক দমন কৰাত, খামতি আৰু দফলাসকলৰ বিদ্ৰোহ মোকাবিলা কৰাত আৰু পূৰ্বতে দৰঙৰ কৃষ্ণনাৰায়ণে আহোম ৰজাৰ বিৰুদ্ধে যুঁজিবলৈ উত্তৰ বংগৰ পৰা অনা অত্যাচাৰী বৰকান্দাজসকলক খেদি পঠোৱাতো তেওঁ সফল হৈছিল। কিন্তু বুঢ়াগোহাঁইজনাৰ অন্তহীন ক্ষমতালিপ্সা আৰু ৰজাঘৰীয়া লোকৰ ষড়যন্ত্ৰৰ পৰিণতিত বদন বৰফুকনে যেতিয়া মানসেনাক এই দেশলৈ মাতি আনে, তেতিয়া সেই বিদেশী আক্ৰমণ প্ৰতিৰোধ কৰিবলৈ আহোম ৰাজশক্তি আছিল অক্ষম আৰু প্ৰজা আছিল নিশকতীয়া তথা নিঃসহায়।

আহোমৰ ৰাজনৈতিক অধঃপতনেই মান সৈন্যৰ বাবে দুৱাৰ মুকলি কৰি দিছিল যদিও এই ক্ষেত্ৰত মানৰজাৰ সাম্ৰাজ্য বিস্তাৰৰ আকাংক্ষাও আছিল সমানেই সক্ৰিয়। (H.K. Barpujari : 'Assam in the Days of the Company'. p. 8.) মানে অগা-পিছাকৈ তিনিবাৰ অসম আক্ৰমণ কৰে। প্ৰথমবাৰ আহিছিল বদন বৰফুকনৰ নিমন্ত্ৰণত, দ্বিতীয়বাৰ চন্দ্ৰকান্ত সিংহৰ নিমন্ত্ৰণত। কিন্তু তৃতীয়বাৰ আহিছিল অনাহুত হৈ, অবাধ্য চন্দ্ৰকান্তক এসেকা দিয়াৰ নামত আচলতে দেশ ল'বলৈ। মানৰ তৃতীয় আক্ৰমণেই আছিল আটাইতকৈ ভয়ংকৰ আৰু ক্ষয়ংকৰী। সেই অত্যাচাৰৰ লোমহৰ্ষক কাহিনী আজিও অসমীয়াই পাহৰা নাই। মোৱামৰীয়া বিদ্ৰোহত দিহিং-দিচাং-ধনশিৰি উপত্যকা আগতেই উচ্ছন্ন হৈছিল, জনসংখ্যা ক্ষীণ হৈ পৰিছিল। তেনে এক ধ্বংসপ্ৰায় অৱস্থাত মানৰ আক্ৰমণ আৰু গণহত্যাই কি ধৰণৰ বিপৰ্যয়ৰ সৃষ্টি কৰিব পাৰে তাক কল্পনাহে কৰিব পাৰি, বৰ্ণনা কৰিব নোৱাৰি। বুৰঞ্জীবিদ হেৰম্ব বৰপূজাৰীয়েও লিখিছে যে মানৰ অত্যাচাৰত কিমান মৰিল, কিমান পলাল বা কিমানক ধৰি নিয়া হ'ল তাৰ হিচাপ লোৱা অসম্ভৱ। জনসংখ্যা ব্যাপক হাৰত হ্ৰাস পাইছিল, খেতিবাতি নষ্ট আৰু অৱহেলিত হৈছিল, শিল্প-উদ্যোগ বন্ধ হৈছিল আৰু ব্যৱসায়-বাণিজ্যও অচল হৈ পৰিছিল। এসময়ৰ শস্য-শ্যামলা দেশখনৰ ৮ ভাগৰ ৬/৭ ভাগেই তেতিয়া হাবি-জংঘল, বনৰীয়া জীৱ-জন্তু আৰু মৃত্যুৰ বিভীষিকাৰে ভৰি পৰিছিল (H.K. Barpujari, Ibid, p.11)। জাতিটোক ছিন্ন ভিন্ন কৰাৰ বাবে এই বিপৰ্যয়েই যথেষ্ট আছিল। অসংখ্য কৃষিজীৱী গাওঁ উচ্ছন্ন হৈছিল। ৰাজনৈতিক আৰু সামাজিক অনুষ্ঠানবোৰ ভাগি গৈছিল আৰু বিধি ব্যৱস্থাবোৰো বিশৃংখল হৈ পৰিছিল। এই ধ্বংসযজ্ঞ আৰু অত্যাচাৰৰ ফলশ্ৰুতিত সৃষ্টি হোৱা আকাল আৰু চৰম দাৰিদ্ৰ্যইও দলে দলে মানুহক মৃত্যুৰ মুখলৈ ঠেলি দিছিল। অসমৰ আৰ্থ-সামাজিক আৰু সাংস্কৃতিক জীৱনলৈ নামি আহিছিল অমানিশাৰ অন্ধকাৰ। দেশৰ ভিতৰত আৰু বঙ্গদেশৰ লগত থকা স্থল যোগাযোগো তেতিয়া বন্ধপ্ৰায়। এনে এক সৰ্বগ্ৰাসী ধ্বংসৰ মুখত অসমীয়াৰ জাতি গঠনৰ প্ৰক্ৰিয়াতো এটা ডাঙৰ ছেদ পৰিল। এই ছেদৰ ক্ষতি পৰৱৰ্তী কালতো কোনোদিনে সম্পূৰ্ণভাৱে পূৰণ নহ'ল।

আহোমৰ দিনত উজনি-নামনিৰ সম্পৰ্কটোও অলপ বিচাৰ কৰি চোৱাৰ প্ৰয়োজন আছে। প্ৰাচীন কামৰূপ বা কমতাপুৰৰ সৈতে পূবৰ অংশ যুক্ত নাছিল। সেইদৰে আহোমসকলেও

পূবফালৰ পৰা ৰাজ্যবিস্তাৰ কৰি গৈ কামৰূপ বা কোচৰাজ্য জয় কৰিলেও সেই অংশক সামাজিক আৰু প্ৰশাসনিকভাৱে আহোম ৰাজ্যৰ লগত যুক্ত কৰা হোৱা নাছিল। গুৱাহাটীৰ বৰফুকনৰ হাতত কামৰূপৰ তদাৰকিৰ ভাৰ একচেটীয়াভাৱে এৰি দিয়া হৈছিল। (Ref. H. K. Barpujari : Ibid, p 19) উজনি আৰু নামনিৰ মাজত যুগ যুগ ধৰি চলি থকা এই ৰাজনৈতিক আৰু সামাজিক বিচ্ছিন্নতাই দুই অংশৰ মানুহৰ মাতকথা, আচাৰ-ব্যৱহাৰ, সংস্কৃতি আৰু চিন্তাধাৰাৰ মাজতো প্ৰভেদৰ সৃষ্টি নকৰাকৈ থকা নাছিল। বংগৰ উত্তৰ-পূব অংশটো পুৰণি কামৰূপৰ অন্তৰ্ভুক্ত আছিল। তদুপৰি উপৰ্যুপৰি মুছলমান আক্ৰমণবিলাকৰ হেঁচাত নামনি বা পশ্চিম অসমৰ শাসনৰো সঘন সালসলনি ঘটিছিল। সেয়ে পশ্চিম অসম আৰু বংগৰ মানুহৰ মাজত ঘনিষ্ঠ যোগাযোগ আৰু সম্পৰ্ক স্থাপন হোৱাটো আছিল স্বাভাৱিক কথা। ফলত পশ্চিম অসমৰ ভাষা-সংস্কৃতিৰ ওপৰত বঙ্গৰ ভাষা-সংস্কৃতি তথা ইছলামৰ প্ৰভাৱ আছিল স্পষ্ট আৰু পোনপটীয়া। মেদিনী চৌধুৰীয়ে লিখিছে ঃ "আনবোৰ জিলাতকৈ গোৱালপাৰা, কামৰূপ, কাছাৰ জিলা যে বিভিন্ন লোকগীতেৰে সমৃদ্ধ তাৰ কাৰণ আমাৰ বোধেৰে ইছলামৰ দীৰ্ঘতৰ আৰু ঘনিষ্ঠ প্ৰভাৱ।" ('লুইত বৰাক আৰু ইছলাম', পৃঃ ৬৬)। কিন্তু শিৱসিংহৰ আগলৈকে বংগৰ সাংস্কৃতিক প্ৰভাৱ উজনি অসমত পৰা নাছিল বুলি ক'ব পাৰি। উজনিলৈ মুছলমানৰ প্ৰথম প্ৰব্ৰজনো ঘটিছিল মিৰজুমলাৰ আক্ৰমণৰ সময়তহে। গতিকে উজনি আৰু নামনি অসমৰ মানুহৰ সংস্কৃতি, ৰীতি-নীতি আৰু মনস্তত্ত্বৰ গঠন আৰু বিকাশত ভালেমান প্ৰভেদ ৰৈ গ'ল। এই কাৰণতেই ইংৰাজসকলেও প্ৰথমে নামনি অসমকহে ব্ৰিটিশ সাম্ৰাজ্যৰ লগত যুক্ত কৰি উজনিক আহোম ৰজাৰ হাতত কিছুদিন এৰি দিছিল। উজনি আৰু নামনিৰ এই মানসিক আৰু সাংস্কৃতিক প্ৰভেদ আজিও আঁতৰ হৈছে বুলি ক'ব নোৱাৰি। এই সত্যক স্বীকাৰ কৰি লোৱাটোও এই কাৰণেই দৰ্কাৰী যাতে অসমীয়াই সচেতনভাৱে সেই পাৰ্থক্যবোৰৰ সমন্বয় অধিকতৰ শক্তিশালী কৰিব পাৰে।

ড° অমলেন্দু গুহৰ মতে অসমৰ সেইসময়ৰ সমাজখন আছিল অৰ্দ্ধ জনজাতীয় আৰু অৰ্দ্ধ-সামন্তবাদী (Ref. 'Planter-Raj to Swaraj')। সেইখন সমাজৰ বিকাশৰ অন্তিম স্তৰতেই মোৱামৰীয়া বিদ্ৰোহ আৰু মানৰ আক্ৰমণে উন্মত্ত ধুমুহাৰ দৰে তাক জোকাৰি পেলালে। এই দুই ঘটনাই সৃষ্টি কৰা বিৰাট ধ্বংসযজ্ঞৰ ধোঁৱাৰ মাজেদি অসমৰ বুকুলৈ সোমাই আহিল উন্নততৰ অৰ্থনীতি, সভ্যতা আৰু শোষণ-শাসনৰ দুৰ্দ্ধৰ্ষ প্ৰতিনিধি ইংৰাজসকল। আমোদজনক কথা আছিল এয়ে যে সেই দুৰ্দিনত অসমৰ বিপন্ন আৰু বিধ্বস্ত ৰজা-প্ৰজা উভয়ে সাম্ৰাজ্যবাদী ব্ৰিটিছক শান্তি আৰু নিৰাপত্তাৰ দূত বুলিহে স্বাগত জনাইছিল। ইংৰাজসকলেও তেওঁলোকৰ ঔপনিবেশিক শাসন-শোষণৰ লগত খাপ খুৱাই অসমৰ সমাজখনত পুঁজিবাদী শৃংখলা প্ৰতিষ্ঠা কৰিছিল। কিন্তু তাকে কৰিবলৈ গৈ তেওঁলোকে এই দেশত এনে কিছুমান সুদূৰ প্ৰসাৰী পৰিবৰ্ত্তনৰ সূচনা কৰিলে যিবিলাকে অসমৰ জাতীয় জীৱনৰ চেহেৰাটোকে চিৰদিনৰ বাবে সলনি কৰি দিলে। সিও এক অনন্য ইতিহাস।

তৃতীয় অধ্যায়

ঔপনিবেশিক যুগৰ সংশয় আৰু সংঘাত

"But ever to do ill our sole delight."
----Satan in Milton's 'Paradise Lost'.

(১)

মানসেনাক খেদিবলৈ আহি ইংৰাজে অসমক ব্ৰিটিশ ভাৰতৰ অন্তৰ্ভুক্ত কৰে। ব্ৰহ্মদেশৰ বিৰুদ্ধে যুদ্ধ ঘোষণা হোৱাত ব্ৰিটিশ প্ৰশাসনৰ নৰ্থ-ইষ্ট ফ্ৰণ্টিয়াৰৰ এজেণ্ট ডেভিদ স্কটে অসমবাসীৰ প্ৰতি আবেদন জনাই এখন ঘোষণাপত্ৰ প্ৰচাৰ কৰিছিল। তাত কোৱা হৈছিল যে ইংৰাজসকল ৰাজ্যজয়ৰ লোভত অসমলৈ অহা নাছিল, আহিছিল শত্ৰুক নিৰস্ত্ৰ কৰাৰ বাবেহে। সেয়ে অসমৰ পৰা শত্ৰুক বাহিৰ কৰি নিদিয়ালৈকে আৰু অসমৰ জনসাধাৰণৰ এটা মনোমত চৰকাৰ প্ৰতিষ্ঠা নকৰালৈকে তেওঁলোকে কেতিয়াও অসম এৰি গুচি নাযায়। ("We further declare that we are not led into your country by the thirst of conquest, but are forced in our defence to deprive our enemy of the means of annoying us. You may therefore rest assured that we will never consent to depart until we exclude our foe from Assam and re-establish that country a Government adopted to your wants and calculated to promote the happiness of the people of all classes".) যুদ্ধৰ অন্তত অসম মানৰ দখলৰ পৰা মুক্ত হ'ল, কিন্তু স্কট চাহাবৰ আশ্বাস মতে অসমৰ ৰাইজৰ "প্ৰয়োজন" অনুযায়ী আৰু "সকলো শ্ৰেণীৰ লোকৰে সুখ বৃদ্ধি কৰিবলৈ" ইংৰাজসকলে অসমত তেওঁলোকৰ চৰকাৰ প্ৰতিষ্ঠা কৰিলে। এংল'-বাৰ্মা যুদ্ধত ইষ্ট ইণ্ডিয়া কোম্পানীৰ আৰ্থিক ক্ষতি হৈছিল প্ৰচুৰ। অসমৰ কৰ-কাটলেৰে সেই ক্ষতি পূৰণ কৰাৰ সুযোগ ইংৰাজে এৰি নিদিলে। তাতে তেওঁলোকৰ ব্যৱসায়িক স্বাৰ্থতো এই দেশ ব্ৰিটিশ ভাৰতৰ অন্তৰ্ভুক্ত কৰি লোৱাৰ প্ৰয়োজন আছিল।

সাম্ৰাজ্যবাদী ইংৰাজৰ শেনচকু অসমৰ ওপৰত আগৰে পৰাই আছিল। মোৱামৰীয়া বিদ্ৰোহ আৰু মানৰ আক্ৰমণে সেই সুযোগ আনি দিলে। কোম্পানীয়ে আগৰে পৰাই উত্তৰ পূৱ অঞ্চলটোত নিমখ ব্যৱসায়ৰ উজ্জ্বল সম্ভাৱনা দেখা পাইছিল আৰু গোৱালপাৰাত

হিউজ বেইলী নামৰ এজন ইংৰাজ অধীক্ষকৰ হাতত এই ব্যৱসায়ৰ ভাৰ দিছিল (H. K. Barpujari : 'Assam in the Days of the Company', p.6) ইংৰাজসকলে মোৱামৰীয়া বিদ্ৰোহ দমনৰ চৰ্ত হিচাপে গৌৰীনাথ সিংহৰ পৰা আহোম ৰাজ্যত ব্যৱসায় কৰাৰ অনুমতি আদায় কৰি লৈছিল। মানক খেদিবলৈ আহিও ইংৰাজে গম পাইছিল উত্তৰ ব্ৰহ্মৰ বিৰাট অঞ্চল সোণ, ৰূপ, মণি-মুকুতাৰে উপচি থকাৰ কথা। ইংৰাজ ধন-ৰত্নত লালায়িত হৈ পৰিছিল (লীলা গগৈ ঃ 'বেলি মাৰ গ'ল', পৃঃ ২৫৪)। গতিকে ব্ৰহ্মদেশকে ধৰি এই সমগ্ৰ উত্তৰ-পূব অঞ্চলটো এৰি থৈ যোৱাৰ কথা ইংৰাজসকলে ভবা নাছিল।

মানে অসম লোৱাৰ আগতেই মণিপুৰ দখল কৰিছিল আৰু কাছাৰৰ ওপৰতো শেনচকু পেলাইছিল। গতিকে মানৰ আগ্ৰাসী অভিযানৰ লগত ইংৰাজৰ সংঘাত অনিবাৰ্য হৈ উঠিছিল। ব্ৰিটিশ ভাৰতৰ এই উত্তৰ পূব সীমা সুৰক্ষিত কৰা আৰু ব্যৱসায়-বাণিজ্যৰ সুযোগ মুকলি কৰাটো ইংৰাজসকলৰ বাবে অতি প্ৰয়োজনীয় হৈ পৰিছিল। ইংৰাজে ব্ৰহ্মদেশৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰাৰ আচল কাৰণো আছিল সেয়ে। ১৮২৪ৰ ৫ মাৰ্চত অসম, আৰাকান আৰু ৰেঙ্গুণত এই যুদ্ধ আৰম্ভ হয় আৰু সি শেষ হয় ১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰীত ইয়াণ্ডাবু সন্ধিৰ মাজেদি। অসম আৰু ইয়াৰ তলতীয়া ৰাজ্যবিলাককে ধৰি কাছাৰ আৰু জয়ন্তীয়া ৰাজ্য ইংৰাজে লাভ কৰে। আৰাকান পৰ্বত ব্ৰিটিশ ভাৰত আৰু ব্ৰহ্মদেশৰ সীমা নিৰ্দ্ধাৰিত হয়। ইংৰাজসকলে এই সন্ধিৰ বলত আৰু এটা ডাঙৰ সুবিধা আদায় কৰি ল'লে— অবাধ বাণিজ্যৰ সুযোগ। ইয়াণ্ডাবু সন্ধিৰ ৯ নং দফাত এই কথা লিপিবদ্ধ কৰা হৈছিল ঃ "The king of Ava will abolish all exactions upon British ships or vessels in Burman ports, that are not required from Burman ships or vessels in British ports, nor shall ships or vessels the property of the British subjects, whether European or Indian, entering the Rangoon River or the Burman ports, be required to land their guns, or unship their rudders, or to do any other act not required of Burman ships or vessels in British ports." অৰ্থাৎ ব্ৰহ্মদেশৰ বন্দৰবোৰ ইংৰাজৰ অবাধ বাণিজ্যৰ বাবে মুক্ত হৈ পৰিল। যুদ্ধ আৰু দেশ জয়ৰ অভিযানৰ অন্তৰালত ইংৰাজৰ এই ব্যৱসায়িক স্বাৰ্থই আছিল আটাইতকৈ সক্ৰিয় আৰু সৰ্বাধিক।

ইংৰাজে একেদিনাই সমগ্ৰ অসম বা এই উত্তৰ পূব অঞ্চলৰ অন্যান্য ৰাজ্যবোৰ ল'ব পৰা নাছিল। ইংৰাজ অহাৰ সময়ত আহোম ৰাজ্য কেৱল বিধ্বস্তই নহয়; খণ্ড-বিখণ্ডও। ইংৰাজে আৰম্ভণিতে কেৱল নামনি অসমতহে নিজৰ পোনপটীয়া শাসন প্ৰবৰ্তন কৰিছিল। নামনি অসমৰ এটা অঞ্চল আগৰে পৰা মাজে সময়ে মোগলৰ অধীন হৈ থকাত তাত মোগলৰ শাসন-পদ্ধতি আৰু আৰ্থিক বিধি-ব্যৱস্থাৰ প্ৰচলন

আছিল। নামনি অসমত ৰাজহ সংগ্ৰহৰ সুযোগ আৰু সম্ভাৱনাও আছিল বেছি। তদুপৰি নামনি অসমৰ মানুহ বিদেশী শাসনৰ লগত অভ্যস্ত বুলি ডেভিদ স্কটে ধৰি লৈছিল। সেয়ে তেওঁ নামনি অসমক নিজৰ শাসনত ৰাখি উজনি অসমক (বিশ্বনাথৰ পূব অংশ) এজন আহোম ৰজাৰ হাতত গতাই দিয়াৰ প্ৰস্তাৱ দিছিল। আহোমৰ শাসন পদ্ধতি আৰু ঘাইকৈ পাইক প্ৰথা ইংৰাজ শাসন প্ৰণালীৰ সম্পূৰ্ণ সুকীয়া আছিল বুলি স্কটে লক্ষ্য কৰিছিল। কিন্তু একেবাৰে পূবত মোৱামৰীয়া, খামতি আৰু চিংফৌসকলৰ দখলাধীন অঞ্চলকেইটাক ইংৰাজৰ পোনপটীয়া নিয়ন্ত্ৰণত ৰাখি সেই সীমান্তক নিৰাপদ কৰাৰ প্ৰস্তাৱো তেওঁ দিছিল।

অৱশ্যে ইংৰাজ কৰ্তৃপক্ষৰ চিন্তা আছিল অন্যধৰণৰ। তেওঁলোকে ডেভিদ স্কটৰ প্ৰস্তাৱ অনুযায়ী আহোম ৰাজ্যক এজন আহোম ৰজাৰ হাতত পুনৰ তুলি দিয়াটো নিৰাপদ নহ'ব বুলিহে ভাবিছিল। তদুপৰি উজনিতো সংগ্ৰহৰ পৰিমাণ বাঢ়িব বুলি কোম্পানীয়ে ধৰি লৈছিল। সেয়ে ইংৰাজে উজনি অসমতো নিজৰ বিষয়া আদিৰ জৰিয়তে প্ৰশাসন চলাবলৈ আৰু পাইকসকলৰ পৰা কৰ সংগ্ৰহ কৰিবলৈ চেষ্টা কৰিছিল। কিন্তু সেই চেষ্টাৰ বিশেষ ফল নধৰাত আৰু নতুন নতুন বেমেজালিৰ সৃষ্টি হোৱাতহে ইংৰাজে ১৮৩২ চনত উজনি অসমক পৰীক্ষামূলকভাৱে এজন আহোম ৰজাৰ হাতত গতাই দিয়াৰ সিদ্ধান্ত লয়। সেইমৰ্মে পুৰন্দৰ সিংহ পুনৰ আহোম ৰাজ্যৰ ৰজা হয় আৰু ১৮৩৮ চনলৈকে তেওঁৰ ৰাজত্ব চলি থাকে। কিন্তু ৰাজ্যৰ বিনিময়ত ৰজা পুৰন্দৰ সিংহই কান্ধ পাতি ল'বলগীয়া হৈছিল অস্বাভাৱিক কৰৰ এটা বৰ নোৱাৰা বোজা। ইংৰাজৰ উদ্দেশ্য আছিল স্পষ্ট ঃ নিজৰ সাম্ৰাজ্যবাদী আৰু ব্যৱসায়িক স্বাৰ্থ পূৰণৰ বাবে জনসাধাৰণৰ ওপৰত কৰৰ দুৰ্বিষহ বোজা জাপি দিবলৈ ৰজা পুৰন্দৰ সিংহক বাধ্য কৰা আৰু শেহান্তৰত ৰজাৰ অযোগ্যতা প্ৰমাণ কৰা। সেয়ে ইংৰাজে বাস্তৱ অৱস্থাৰ বিচাৰ নকৰাকৈ অনুমানতে পুৰন্দৰ সিংহৰ বাবে কৰ ধাৰ্য কৰি দিছিল। পুৰন্দৰ সিংহইও আগ-পিছ নুগুণি তেওঁৰ সংগৃহীত ৰাজহৰ আধাভাগ ইংৰাজক শোধাই দিয়াৰ উপৰিও আগৰ অনাদায় হৈ থকা ১,৫৫,৫১৬ টকা পৰিমাণৰ কৰখিনিও আদায় দিবলৈ গাত লৈছিল। পুৰন্দৰ সিংহৰ বাবে এই দায়িত্ব আছিল আচলতে তেওঁৰ ক্ষমতাৰ বাহিৰত। ইষ্ট ইণ্ডিয়া কোম্পানীয়েও সঠিকভাৱেই ধৰি লৈছিল যে ৰজাই সেই দায়িত্ব পালন কৰিবলৈ গৈ বিপদহে চপাই ল'ব (Ref. H. K. Barpujari : 'Assam in the Days of the Company.' p. 84)।

আশা কৰা মতেই পুৰন্দৰ সিংহই ইংৰাজক শোধাবলগীয়া কৰখিনি সংগ্ৰহ কৰাৰ বাবে কৃষকৰ ওপৰত ডাঙৰ হেঁচা দিবলগীয়া হৈছিল। তাৰ লগত যুক্ত হৈছিল ৰাজকৰ্মচাৰীসকলৰ ব্যাপক দুৰ্নীতি, প্ৰশাসনিক অব্যৱস্থা আৰু ন্যায় বিচাৰৰ অভাৱ। ফলত জনসাধাৰণৰ অৱস্থা দুৰ্বিষহ হৈ পৰিছিল আৰু কৃষকসকল কাষৰীয়া ৰাজ্যবোৰলৈ পলাই গৈছিল বুলি কমিছনাৰ জেনকিন্‌চ্‌ৰ টোকাত উল্লেখ আছে (April 3, 1938) পূবৰ মটক

ৰাজ্যত কৰৰ পৰিমাণ নিচেই কম আছিল। আনফালে মধ্য আৰু নামনি অসমত পাইক ব্যৱস্থা, খৰিকাটনা কৰ আদি উঠাই দিয়া হৈছিল। পুৰন্দৰ সিংহৰ বাবে পৰিস্থিতি স্বাভাৱিকভাৱেই অতি জটিল হৈ পৰিছিল। প্ৰশাসন একপ্ৰকাৰ ভাগি পৰিছিল, ৰাজহ সংগ্ৰহ কমিছিল, আমোলাসকলৰ ওপৰত তদাৰকি নোহোৱা হৈছিল আৰু কাষৰীয়া পাহাৰী জাতিবোৰৰ লুটপাতো বাঢ়ি গৈছিল। ফলত পুৰন্দৰ সিংহই ইংৰাজৰ চৰ্ত পূৰণ কৰিব নোৱৰা হ'ল আৰু ইংৰাজৰ হস্তক্ষেপৰ বাবে দুৱাৰ পুনৰ মুকলি হ'ল।

ইতিমধ্যে আৰু এটা গুৰুত্বপূৰ্ণ ঘটনাই ইংৰাজৰ হস্তক্ষেপ ত্বৰান্বিত কৰি তুলিছিল। এই সময়ছোৱাতেই অসমত চাহখেতিৰ আৱিষ্কাৰ হৈছিল আৰু উজনি অসমত এই শিল্পৰ উজ্জ্বল সম্ভাৱনা চতুৰ ইংৰাজৰ চকুত তিৰবিৰাইছিল। কিন্তু পুৰন্দৰ সিংহৰ হাতত ৰাজ্য থাকিলে ইংৰাজ চাহ খেতিয়ক আৰু ব্যৱসায়ীসকলৰ বাবে বাধাৰ সৃষ্টি হ'ব বুলি তেওঁলোকে সন্দেহ কৰিছিল। সেয়ে ইংৰাজৰ চাহ শিল্প আৰু ব্যৱসায়ৰ অবাধ প্ৰতিযোগিতা তথা বিস্তাৰৰ বাবে পুৰন্দৰ সিংহৰ হাতৰ পৰা উজনি অসম কাঢ়ি লোৱাটো জৰুৰী হৈ পৰিছিল। ইংৰাজসকলে উজনি অসমত কয়লাৰ সম্ভাৱনাও দেখা পাইছিল। লগতে পণ্যৰ বজাৰখনতো আছিলেই। হেৰম্ব বৰপূজাৰীয়ে লিখিছে (পূৰ্বোক্ত গ্ৰন্থ, পৃঃ ১৩৬)ঃ "Upper Assam possessed vast potentialities: iron, salt, coal and tea. The resumption would throw open the entire territory to the unfettered competition and industry of the European and Indian enterpreneurs alike. Under the 'pernicious arrangement' of the Raja, these would not be rendered available and in any case to that degree as would be under the British Government." পুৰন্দৰ সিংহৰ "ক্ষতিকৰ শাসনত" ইংৰাজ আৰু ভাৰতীয় উদ্যোগপতিসকলে অবাধ সুযোগ-সুবিধা ভোগ কৰিবলৈ নাপাব– এই সংশয় আৰু বিবেচনাই আহোম ৰাজ্য পুনৰ হস্তগত কৰিবলৈ ইংৰাজক উচতনি দিছিল। ৰজাৰ 'অযোগ্যতা' বা 'ক্ষতিকৰ প্ৰশাসন' আছিল নিতান্তই উপলক্ষ মাথোন।

আনহাতে ১৮৩০ চনতে কাছাৰৰ ৰজা গোবিন্দ চন্দ্ৰ আততায়ীৰ হাতত নিহত হোৱাত ইংৰাজে সেই জিলাখন প্ৰথমে লেফ্‌টেনেণ্ট ফিচাৰৰ দায়িত্বত ৰাখি পিছত ১৮৩২ চনৰ ১৪ আগষ্টত স্থায়ীভাৱে ব্ৰিটিশ সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত কৰে। কাছাৰৰ পূব অংশটো মণিপুৰক এৰি দিয়ে। মণিপুৰৰ ৰজাৰ লগত কাছাৰৰ ৰজাৰ সংঘাত বহুদিনৰ পৰাই চলি আছিল। সেইদৰে উত্তৰ কাছাৰৰ কছাৰী ৰজা তুলাৰামৰ সহযোগিতাত ইংৰাজে নগাৰ আক্ৰমণ প্ৰতিহত কৰিছিল। কিন্তু ১৮৫৪ চনত তুলাৰামৰ মৃত্যুৰ পিছত ইংৰাজে উত্তৰ কাছাৰো দখল কৰি লয়। তাৰো কাৰণ আছিল উত্তৰ কাছাৰ জিলাৰ অফুৰন্ত খনিজ আৰু অন্যান্য সম্পদ লুণ্ঠনৰ লোভ। এই সম্পদৰাজিৰ বাবে উত্তৰ কাছাৰ ইংৰাজৰ মুৰৰ কামোৰণিত পৰিণত হৈছিল। (Barpujari: Ibid: p.162-163)।

সেইদৰে ইংৰাজে ১৮৩৪ চনত খামতি ৰজা শদিয়াখোৱা গোহাঁইৰ পৰা শদিয়া কাঢ়ি লৈছিল। ছৈখোৱাও ইংৰাজৰ দখললৈ আহে। মটক ৰাজ্য কাঢ়ি লয় ১৮৪১ চনত। আগতে উল্লেখ কৰা হৈছে যে যিসময়ত আহোম ৰাজ্যৰ প্ৰজাই ইংৰাজৰ দাবী পূৰণৰ বাবে অতিপাত কৰ দিবলগীয়া হৈছিল, সেই সময়ত মটক ৰাজ্যত কৰ আছিল নামমাত্ৰ। গতিকে ইংৰাজে পুৰন্দৰ সিংহৰ পৰা আহোম ৰাজ্য পুনৰ কাঢ়ি লোৱাৰ পিছতো দুখীয়া কৃষকসকল ব্যাপক হাৰত কাষৰ মটক ৰাজ্যলৈ পলাই গৈছিল। এই ঘটনাই ইংৰাজ শাসকসকলক অসুবিধাত পেলাইছিল। তদুপৰি চাহখেতিৰ বাবেও মটক ৰাজ্যৰ মাটি আছিল উৰ্বৰ আৰু আকৰ্ষণীয়। (Ref. H. K. Barpujari: Ibid, p. 142: "The territory of the Muttoks constituted a standing menace encouraging, as it did, hundreds of refugees to emigrate from the British districts. It also provided the most fertile field for the cultivation of tea, the successful operation of which had in the meantime attracted the British enterpreneurs") বৰ্তমানৰ তিনিচুকীয়া আৰু ডিব্ৰুগড় জিলা দুখন ভৰি থকা শ শ চাহ বাগিচাই ইংৰাজৰ সেই দুৰ দৃষ্টিৰ পৰিচয়কেই বহন কৰি আছে। ইংৰাজে মটকৰ ৰজা বৰসেনাপতিৰ মৃত্যুৰ পিছত মাজু গোহাঁইৰ দিনত কৰৰ পৰিমাণ ১৮০০ টকাৰ পৰা ১০,০০০ টকালৈ বৃদ্ধি কৰে আৰু চন পৰি থকা মাটিবোৰ চাহখেতিৰ বাবে দাবী কৰে। আনহাতে মটক ৰাজ্যতো কিছু ঘটনা ঘটিবলৈ ধৰে। মোৱামৰীয়া পন্থী মটক আৰু টিফুকৰ ব্ৰাহ্মণ গোসাঁইপন্থী মৰাণসকলৰ মাজত বিৰোধৰ সূত্ৰপাত হয়। মটক গোসাঁইসকলে ১৮৪১ চনৰ মাজভাগত চিংফৌ, খামতি আৰু নগাসকলৰ সহযোগত ইংৰাজৰ বিৰুদ্ধে এটা বিদ্ৰোহৰ আঁচনিও তৈয়াৰ কৰে। সেই আঁচনি ব্যৰ্থ হয় আৰু ইংৰাজে মটক ৰাজ্য দখল কৰি গোসাঁইসকলক উঠাই নি বিশ্বনাথত স্থাপন কৰে।

ভৈয়ামৰ ৰাজ্যবোৰ গ্ৰাস কৰাৰ পিছত চুবুৰীয়া পাহাৰী ৰাজ্যবোৰো এখন এখনকৈ সাম্ৰাজ্যবাদী আগ্ৰাসৰ বলি হয়। এনেদৰে সমগ্ৰ উত্তৰ-পূব অঞ্চলটোৱেই ব্ৰিটিশ ভাৰতৰ অন্তৰ্ভুক্ত হৈ পৰে। অৱশ্যে খাছি, জয়ন্তীয়া, নগা, লুচাই আদি পাহাৰীয়া জাতিবোৰক ব্ৰিটিশ সাম্ৰাজ্যৰ অধীনস্থ কৰোতে ১৮৯২ চনলৈকে এটা দীঘলীয়া সময় উকলি যায়। তাৰ পিছতো উত্তৰ-পূব ভাৰতত ব্ৰিটিশ সাম্ৰাজ্যৰ সীমা সুস্থিৰ হ'ব পৰা নাছিল। অমলেন্দু গুহই লিখিছে ঃ "ভাৰতত ব্ৰিটিশ শাসনৰ শেষ দিনলৈকে উত্তৰ-পূব অঞ্চলত ইয়াৰ সীমাৰ লৰচৰ আৰু খেলিমেলি সদায় চলি আছিল।" (A. Guha: 'Planter-Raj to Swaraj', p.2: Translated.)। ইয়াণ্ডাবু সন্ধিৰ বলত ইংৰাজে এখন সংহত আৰু ঐক্যবদ্ধ অসম লাভ কৰা নাছিল। পাহাৰ-ভৈয়ামৰ ভিন্ ভিন্ জাতি গোষ্ঠীক পুনৰ গাৰ বলেৰে ব্ৰিটিশ ভাৰতৰ মানচিত্ৰত সুমুৱাব লগীয়া হৈছিল। ওঠৰ শতিকাৰ শেষৰ ফালে দেখা দিয়া দেশৰ দুৰ্দিন আৰু বিপৰ্যয়ৰ সময়ত আহোম ৰাজ্য

নিমিষতে ভাগি গৈছিল আৰু কৰতলীয়া ৰাজ্যবোৰ স্বাধীন হৈ পৰিছিল। আচলতে ৰাজনৈতিকভাবে নিশকতীয়া আহোম ৰাজ্যকে ধৰি বাকী আটাইবোৰ জাতি জনজাতিক একগোট কৰি ইংৰাজৰ শাসনেহে আধুনিক অসমখন গঢ়িলে বুলি ক'ব পাৰি।

(২)

ইংৰাজসকলৰ অসম আগমনৰ সময়ত ভাৰতবৰ্ষৰ বাকী অংশত ব্ৰিটিশ সাম্ৰাজ্য সুপ্ৰতিষ্ঠিত। তেওঁলোকে ইতিমধ্যেই ভাৰতীয় সমাজখনত ধ্বংস আৰু সৃষ্টিৰ এটা দ্বৈত প্ৰক্ৰিয়া আৰম্ভ কৰি দিছিল। ইংৰাজসকলে তেওঁলোকৰ পুঁজি আৰু পণ্যৰ বজাৰখনৰ সম্প্ৰসাৰণৰ স্বাৰ্থত ভাৰতবৰ্ষৰ প্ৰাচীন হস্তশিল্পক নিষ্ঠুৰভাবে ধ্বংস কৰিলে। উদাহৰণস্বৰূপে, ভাৰতবৰ্ষৰ প্ৰাচীন আৰু চহকী বস্ত্ৰশিল্প আৰু শিপিনীসকলক উৎখাত কৰি ইংলেণ্ডৰ মানচেষ্টাৰৰ মিলৰ কাপোৰেৰে দেশখন ভৰাই দিলে। একালৰ কাপোৰ ৰপ্তানিকাৰী ভাৰতবৰ্ষ কেৱল কাপোৰ আমদানিকাৰী ভাৰতবৰ্ষত পৰিণত হ'ল। ভাৰতবৰ্ষৰ কপাহ লৈ যোৱা হ'ল মানচেষ্টাৰলৈ। সাম্ৰাজ্যবাদী ইংৰাজসকলে আচলতে ভাৰতবৰ্ষক এখন উদ্যোগ প্ৰধান দেশ হিচাপে গঢ়ি তুলিবলৈ বিচৰা নাছিল। তেওঁলোকৰ স্বাৰ্থ কেৱল কেঁচামালৰ উৎপাদন আৰু ৰপ্তানি তথা নিজৰ পণ্য সামগ্ৰীৰ ব্যৱসায় আৰু বজাৰৰ সম্প্ৰসাৰণৰ মাজতেই সীমাবদ্ধ হৈ ৰৈছিল। সেয়ে ভাৰতবৰ্ষৰ সামন্তবাদী কৃষিব্যৱস্থা আৰু গ্ৰাম্য সমাজখনৰ গাঁথনিৰ কোনো পৰিবৰ্তন নঘটোৱাকৈয়ে তাৰ ওপৰত আধুনিক পুঁজিবাদী অৰ্থব্যৱস্থা আৰু এটা কেন্দ্ৰীভূত শাসনতন্ত্ৰ বলেৰে জাপি দিয়া হ'ল। অথচ নিজৰ দেশ ইংলেণ্ডত পুঁজিপতি শ্ৰেণীয়ে পুঁজিৰ অবাধ সঞ্চয় আৰু অন্তহীন বৃদ্ধিৰ স্বাৰ্থত সামন্তবাদী উৎপাদন ব্যৱস্থাক নিষ্ঠুৰভাবে ভাঙি ছিঙি তাৰ ঠাইত পুঁজিবাদী উৎপাদন ব্যৱস্থা আৰু বজাৰ অৰ্থনীতি প্ৰতিষ্ঠা কৰিছিল। কিন্তু ভাৰতবৰ্ষত সেই কাম আৰম্ভ কৰাত তেওঁলোকক বাধা দিলে ঔপনিবেশিক স্বাৰ্থই। ইয়াত তেওঁলোকৰ সমস্ত প্ৰশাসনিক খা-খৰচৰ বাবে প্ৰধানকৈ মাটিৰ খাজনাৰ ওপৰতেই নিৰ্ভৰ কৰাৰ নীতিহে ইংৰাজসকলে গ্ৰহণ কৰিলে। সেই উদ্দেশ্যেই দেশৰ জমিদাৰী ব্যৱস্থাটোক অধিক কটকটীয়াহে কৰা হ'ল। ফলত পুঁজিৰ অনুপ্ৰবেশ ঘটা সত্ত্বেও ভাৰতীয় সমাজখনৰ কোনো মৌলিক পৰিবৰ্তন সংঘটিত নহ'ল। সামন্তযুগীয় উৎপাদন ব্যৱস্থাৰ লগতে জাতিভেদ, সাম্প্ৰদায়িকতা, ধৰ্মান্ধতা. কুসংস্কাৰ আদি পুৰণি সামাজিক ব্যাধিবোৰো সমানে বাচি থাকিল।

অৱশ্যে সাম্ৰাজ্যবাদী ইংৰাজসকলে নিজৰ অনিচ্ছা সত্ত্বেও এই দেশখনত কেতবোৰ গঠনমূলক আৰু সুদূৰপ্ৰসাৰী কাম-কাজ কৰিবলৈও বাধ্য হৈছিল। তেওঁলোকে প্ৰবৰ্তন কৰা এটা কেন্দ্ৰীভূত শাসন ব্যৱস্থা, এখন সম্প্ৰসাৰিত বজাৰ, আন্তঃগাঁথনিমূলক কাম-কাজ আৰু ইংৰাজী শিক্ষাই ভাৰতৰ বিভিন্ন অঞ্চলৰ বিচ্ছিন্ন জাতিগোষ্ঠীবোৰক আধুনিক

সভ্যতা, এটা উন্নততৰ উৎপাদন ব্যৱস্থা আৰু এটা সৰ্বভাৰতীয় জীৱনৰ সৈতে পৰিচয় কৰাই দিলে। এনেদৰে ইংৰাজসকলেই গঢ়ি দিলে আধুনিক ভাৰতীয় মহাজাতীয়তাৰ বুনিয়াদ। মাৰ্ক্সে কৈ যোৱাৰ দৰে ইংৰাজ শাসনে ভাৰতবৰ্ষত সূচনা কৰা ধ্বংস আৰু নিৰ্মাণৰ এই দ্বৈত প্ৰক্ৰিয়াৰ পৰা অসমো বাদ পৰি থকা সম্ভৱ নাছিল।

অসম তথা উত্তৰ-পূব অঞ্চলটো আছিল ব্ৰিটিছ ভাৰতৰ একেবাৰে শেহতীয়া সংযোজন। ইংৰাজে উত্তৰ-পূবৰ আটাইবোৰ ৰাজ্য জয় কৰি ব্ৰিটিছ ভাৰতৰ অন্তৰ্ভুক্ত কৰি লৈছিল যদিও সমগ্ৰ পূৰ্বোত্তৰক এটা মাত্ৰ ৰাজনৈতিক গোটৰ অধীনত ৰখা নাছিল। পাহাৰী জিলাকেইখনক সংৰক্ষিত এলেকা হিচাপে আছুতীয়া কৰি ৰখা হৈছিল আৰু তালৈ ভৈয়ামৰ মানুহৰ অহা-যোৱাত বাধা আৰোপ কৰা হৈছিল। সেয়ে পাহাৰী জিলাকেইখনৰ জনসাধাৰণৰ মনতো বিচ্ছিন্নতাবোধ সদায়েই থাকি গ'ল। স্বাধীনতাৰ সময়ত পাহাৰী ৰাজ্যকেইখনক অসমৰ লগত সাঙুৰি দিয়া হৈছিল যদিও পৰৱৰ্তী কালত নগাপাহাৰ, মিজোৰাম, মেঘালয় আৰু অৰুণাচল অসমৰ পৰা ফাটি গৈ সুকীয়া ৰাজ্যত পৰিণত হয়। ইংৰাজসকলে বিভাজনৰ নীতিৰে পাহাৰ আৰু ভৈয়ামৰ জনসাধাৰণৰ মাজত এটা দূৰত্ব বৰ্তাই ৰাখিছিল। অৱশ্যে পাহাৰী জাতিসমূহ "অসমীয়া" নোহোৱা বা হ'ব নোৱাৰাৰ সিয়েই একমাত্ৰ কাৰণ নহয়। আচলতে এই পাহাৰী জাতিবিলাক কোনোদিনেই অসম আৰু অসমীয়া জাতিৰ অংশীদাৰ নাছিল।

ইংৰাজে অসমকো দেশৰ কেন্দ্ৰীভূত প্ৰশাসন আৰু সাধাৰণ আৰ্থিক জীৱনৰ মাজত সাঙুৰি লৈছিল। স্বাভাৱিকতে প্ৰশাসন-ব্যৱস্থা আৰু ব্যৱসায়-বাণিজ্যৰ বাবে ৰাজ্যখনত আন্তঃগাঁথনি গঢ়ি তোলাৰো প্ৰয়োজন হ'ল। সেয়ে যাতায়াত আৰু যোগাযোগ ব্যৱস্থাৰ উন্নতিকল্পে কেতবোৰ উল্লেখনীয় কাম-কাজ আৰম্ভ হ'ল। প্ৰশাসনিক কাম-কাজৰ বাবে অফিচ-আদালত, বেংক, ডাক-তাঁৰ সেৱা আদি স্থাপন কৰা হয়। একেদৰে চাহ শিল্প আৰু ব্যৱসায়ৰ প্ৰয়োজনত ইংৰাজ চৰকাৰে কুৰি শতিকাৰ প্ৰথম দশকৰ ভিতৰত ৪৩৯ মাইল দৈৰ্ঘ্যৰ ৰেল লাইন আৰু ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে দুটা ট্ৰাঙ্কৰোড নিৰ্মাণ কৰে। এই আটাইবিলাকে অসমৰ জাতীয় জীৱনলৈ বোৱাই আনে এক সুদূৰপ্ৰসাৰী পৰিৱৰ্তনৰ ঢল।

সেইসময়ত অসমত চৰকাৰী অফিচ-আদালত আৰু অন্যান্য প্ৰতিষ্ঠান আদিত কাম কৰিব পৰা অৰ্হতাসম্পন্ন অসমীয়া লোক নাছিল বুলিয়েই ক'ব পাৰি। গতিকে এইবিলাক কামত অসমৰ বাহিৰৰ শিক্ষিত লোকসকলেই নিযুক্তি পাইছিল। কালক্ৰমত অসমতো শিক্ষা-দীক্ষাৰ সম্প্ৰসাৰণৰ লগে লগে অসমীয়াৰ মাজৰ পৰা মুষ্টিমেয় হ'লেও কিছুসংখ্যক শিক্ষিত লোক ওলাইছিল। কিন্তু এনেকুৱা শিক্ষিত আৰু অৰ্হতাসম্পন্ন অসমীয়া লোকসকলক বিষয়া হিচাপে নিযুক্তি দিবলৈ ঔপনিবেশিক ইংৰাজ প্ৰশাসনে ইচ্ছা কৰা নাছিল। লীলা গগৈয়ে লিখিছে যে তিনিজন মজিন্দাৰ বৰুৱাৰ বাহিৰে জোখমাখ কৰা বাকী সকলো বিষয়া বাহিৰৰ পৰা আমদানি কৰা হৈছিল। নামনিত

হিচাপপত্ৰ ৰখা তহচিলদাৰ পদতো বাহিৰৰ মানুহকেই নিযুক্তি দিয়া হৈছিল। অসমীয়াৰ বাবে দুটা মহৰী আৰু এটা পণ্ডিতৰ পদহে সংৰক্ষিত কৰা হৈছিল। কৰ সংগ্ৰহৰ বাবে চৌধুৰী পাটোৱাৰীক নিযুক্তি দিয়া হৈছিল। (লীলা গগৈ ঃ 'বেলি মাৰ গ'ল', পৃঃ ২২৯-২৩০)। উল্লেখযোগ্য যে মণিৰাম দেৱান আৰু ৰাজকুমাৰ কন্দৰ্পেশ্বৰে মৌজাদাৰ পদৰ বাবে জনোৱা আবেদন ইংৰাজে নাকচ কৰিছিল। এই মণিৰামেই পিছত আহোম ৰাজ্যৰ পুনৰুদ্ধাৰৰ বাবে ১৮৫৭ চনৰ দেশজোৰা বিদ্ৰোহত উজান দি অসমতো বিদ্ৰোহৰ জুই জ্বলাবলৈ চেষ্টা কৰিছিল (Ref: H.K. Barpujari, Ibid, p.177)। এইদৰে ইংৰাজে থলুৱাৰ প্ৰতি বৈষম্যৰ নীতি লোৱাত আৰু প্ৰয়োজনীয় সংখ্যক উপযুক্ত থলুৱা লোকৰ অভাব হোৱাত বিভিন্ন চাকৰি-বাকৰি আৰু বৃত্তিত বাঙালী মধ্যবিত্ত শ্ৰেণীৰ লোকসকল নিযুক্ত হ'বলৈ ধৰে। এই বহিৰাগত কৰ্মচাৰী, বেংকাৰ, উকীল, ডাক্তৰ আদি লোকসকল অসমৰ চহৰবোৰত থুপ খায় আৰু তেওঁলোকৰ জনসংখ্যাও বৃজন পৰিমাণে বাঢ়িবলৈ ধৰে। এওঁলোকৰ উপৰিও ৰাজস্থানৰ ধনী ব্যৱসায়ীসকলকো অসমত টকা-পইচা খটুৱাই ব্যৱসায়-বাণিজ্য কৰিবলৈ উদগনি দিয়া হৈছিল। ইংৰাজ মালিকসকলৰ লগতে এইসকল ব্যৱসায়ীয়েও অসমত পুঁজি বিনিয়োগ কৰিবলৈ ধৰে। এইসকল ব্যৱসায়ীৰ পুঁজি আৰু উদ্যোগ নাইবা বাঙালী মধ্যবিত্তৰ শিক্ষা-সংস্কৃতিৰ লগত ফেৰ মাৰিব পৰা সামৰ্থ্য নাইবা ক্ষমতা সেইসময়ৰ অসমীয়াৰ বাবে আছিল আচলতে আকাশ-কুসুম মাত্ৰ। অসমৰ সমাজজীৱনত বাঙালী মধ্যবিত্ত তথা ৰাজস্থানী ব্যৱসায়ীসকলৰ প্ৰতিপত্তিৰ ইতিহাস এইদৰেই আৰম্ভ হয়।

এইসকলৰ উপৰিও অসমৰ বৰ্দ্ধিত জনসংখ্যাৰ চাহিদা পূৰণ কৰিবলৈ বিহাৰৰ ধোবা, নাপিত, মুচি, জামদাৰ, মুটিয়া, ৰিক্সাচালক আদি, পঞ্জাবৰ মিস্ত্ৰী আৰু গাড়ীচালক, নেপালী খেতিয়ক আৰু গাখীৰ ব্যৱসায়ী আৰু অন্যান্য বৃত্তিবোৰৰ লোকসকলো দলেবলে অসমলৈ আহে। এওঁলোকেও অসমৰ জনসংখ্যা বৃদ্ধিত সহায় কৰে; কিন্তু এওঁলোকৰ প্ৰায়ভাগেই অসমীয়া জাতিৰ লগত মিলি যায়।

আনহাতে অসমৰ থলুৱা কৃষক ৰাইজে বহন কৰিবলগীয়া হৈছিল বৰ্দ্ধিত কৰ-কাটলৰ এটা দুৰ্বহ বোজা। ইংৰাজ শাসকসকলে আৰম্ভণিৰে পৰাই ৰাজহ সংগ্ৰহৰ বাবে চেপি-খুন্দি কৰ-কাটল আদায় কৰাৰ ৰাস্তাহে গ্ৰহণ কৰিছিল। তেওঁলোকে আহোমৰ ৰাজহ নীতি সলনি কৰি নতুন আৰ্হিত কৰ সংগ্ৰহৰ ব্যৱস্থা কৰে। নগদ ধনেৰে খাজনা দি নোপোৱা অসমীয়া প্ৰজাক নগদ ধন দিবলৈ বাধ্য কৰা হৈছিল। নগদ ধন দিব নোৱৰা হ'লে চিৰস্তাদাৰ, তহচিলদাৰ, সাধনিদাৰৰ টেকেলাই খাজনাত মাৰি সোণ, সোণ-ৰূপৰ অলঙ্কাৰ, মুগা সূতা আৰু কাপোৰ, কপাহী কাপোৰ, কাঁহী-বাটি আদি ঘৰ লুৰুকি কাঢ়ি লৈ গৈছিল; দোপত দোপে খাজনা বঢ়াই অসমীয়া মানুহৰ অধিক মাটি ৰাখিব নোৱৰা অৱস্থা কৰিছিল। থলুৱা মানুহৰ বাম মাটিবোৰ কাঢ়ি লৈ তাত চাহ খেতি আৰম্ভ কৰা হৈছিল। অসমীয়া মানুহ দুখীয়া হৈ যাবলৈ ধৰিলে (লীলা

গগৈ ঃ 'বেলি মাৰ গ'ল', পৃঃ ২৫৬-৫৭)। পুৰন্দৰ সিংহইও ইংৰাজৰ দাবী পূৰণৰ বাবে প্ৰজাক চেপি-খুন্দি কৰ সংগ্ৰহ কৰিবলৈ বাধ্য হৈছিল। একেবাৰে দুখীয়া কৃষকসকলে মাটি-ভেটি এৰি যেনি তেনি পলাবলগীয়া অৱস্থাৰ সৃষ্টি হৈছিল।

পুৰন্দৰ সিংহৰ ৰাজ্য গ'লত ইংৰাজে কৰৰ মাত্ৰা বৃদ্ধিহে কৰিলে। খাজনা সংগ্ৰহৰ বাবে চন পৰি থকা মাটিবোৰ পাইকসকলৰ মাজত 'জমামাটি' হিচাপে ভগাই দি পুৰাই প্ৰতি ৭ অনালৈ খাজনা নিৰ্দ্ধাৰণ কৰিছিল। ধৰ্মোত্তৰ, দেবোত্তৰ, নানকৰ আদি আগৰ খাজনামুক্ত প্ৰাণ্টবিলাকৰ ওপৰতো খাজনা লগোৱা হৈছিল। খৰিকাটনা কৰ সকলোৰে বাবে বাধ্যতামূলক কৰা হৈছিল। খেতিয়কৰ নাঙলে প্ৰতি এটকাকৈ কৰ লগোৱা হৈছিল। তদুপৰি চৌধুৰী আদি চৰকাৰী কৰ সংগ্ৰাহক বিষয়াৰ খা-খৰচৰ বাবেও কৰ ভৰিব লগীয়া হৈছিল ৰায়তসকলেই। নগাঁও, ৰহা আদি অঞ্চলৰ কৃষকসকলক চৰকাৰী বিষয়াসকলৰ খা-খৰচৰ উপৰিও পিয়লৰ বাবদো কৰ দিবলৈ বাধ্য কৰা হৈছিল। এনেবোৰ অন্যায় আৰু দুৰ্বিষহ কৰৰ বোজাই কৃষকৰ ৰাজহাড় ভাঙিছিল। বহু কৃষকে স্বেচ্ছাই আনৰ দাসত্ব গ্ৰহণ কৰিছিল আৰু আন বহুতে মাটি-ভেটি এৰি যেনি তেনি গুচি গৈছিল। দৰঙীয়া ৰজায়ো নিৰ্দ্ধাৰিত কৰ পৰিশোধ কৰিব নোৱাৰি সা-সম্পত্তি হেৰুৱাব লগীয়া হৈছিল। তদুপৰি ইংৰাজে অসমত কানি খেতি বন্ধ কৰি ৰাজহৰ লোভত আবকাৰী কানিৰ ব্যৱসায় চলায়। তাৰ দ্বাৰা অসমীয়া মানুহখিনিক একেবাৰে কানীয়া কৰাৰ উপৰিও আৰ্থিকভাৱে সৰ্বস্বান্ত কৰি তোলে। তাৰ বিনিময়ত ইংৰাজে সংগ্ৰহ কৰে বছৰি লাখ লাখ টকাৰ ৰাজহ। ১৯২০ চনত এই ৰাজহৰ পৰিমাণ ৪৪,১২,০০০ টকালৈ বৃদ্ধি পাইছিল (Ref. A. Guha: Planter-Raj to Swaraj; p. 87)। ইংৰাজৰ শাসন যে অসমৰ ৰাইজৰ বাবে কোনোমতেই আশীৰ্বাদ নাছিল সেই কথা বুজিবলৈ তেওঁলোকৰ বেছিপৰ নালাগিল।

এইদৰে ইংৰাজসকল অহাৰে পৰা অসমৰ থলুৱা নিশকতীয়া কৃষিজীৱী সমাজখনৰ ভাঙোন তীব্ৰতৰ হ'ল। অসমৰ বিধ্বস্ত অৰ্দ্ধ-জনজাতীয় আৰু অৰ্দ্ধ-সামন্তবাদী সমাজ আৰু অৰ্থনীতিৰ ওপৰত জাপি দিয়া হ'ল ইংৰাজৰ পুঁজি, প্ৰশাসন আৰু সংস্কৃতি। কিন্তু সেইবিলাকৰ পৰা থলুৱা কৃষকসকলৰ কোনো উপকাৰ নহ'ল। ইংৰাজ অহাৰ সময়ত প্ৰায় দুই-তৃতীয়াংশ খেতিৰ মাটি অনাবাদী হৈ পৰি আছিল। পৰ্যাপ্ত খেতিৰ মাটি থকা সত্ত্বেও ব্ৰহ্মপুত্ৰ উপত্যকাত প্ৰয়োজন অনুপাতে খাদ্যশস্য উৎপন্ন নহৈছিল। তেতিয়াৰ বিধ্বস্ত আৰু ক্ষীণকায় কৃষক সমাজ আৰু প্ৰাচীন কৃষি পদ্ধতিয়ে অসমৰ প্ৰব্ৰজনজনিত বৰ্দ্ধিত জনসংখ্যাৰ চাহিদা পূৰণ কৰাত ব্যৰ্থ হৈছিল। মাটিৰ বাহিৰে বাকী প্ৰায় সকলো বস্তুৱেই অসমৰ বাহিৰৰ পৰা আমদানি কৰিবলগীয়া হৈছিল। অসমৰ নতুন শিল্প-প্ৰতিষ্ঠানসমূহৰ লাভ আৰু বহিৰাগত শ্ৰমিক-কৰ্মচাৰীসকলৰ উপাৰ্জনৰো বেছি ভাগ ৰাজ্যখনৰ ভিতৰত খৰচ নহৈ বাহিৰলৈ গুচি গৈছিল। ফলত থলুৱা শিল্প-ব্যৱসায় আৰু কৃষিত সি বিশেষ একো সহায় কৰিব পৰা নাছিল (Ref. A. Guha: 'Planter-

Raj to Swaraj', p.40)। এনে এক শোচনীয় অৱস্থাত মাৰোৱাৰী মহাজনৰ ওপৰত কৃষকসকলৰ ঋণৰ পৰিমাণ বাঢ়ি গৈছিল। ইংৰাজে দাস প্ৰথাও উঠাই দিছিল, কিন্তু ৰজাদিনীয়া বন্দীবেটীবোৰৰ সংস্থাপনৰ বিকল্প ব্যৱস্থা কৰা নাছিল। সেয়ে তেওঁলোকৰ একাংশই পুনৰ দাসত্বকেই গ্ৰহণ কৰিছিল আৰু বাকীসকলে অ'ত ত'ত হাবি ভাঙি মাটি উলিয়াই বসতি কৰিবলৈ লৈছিল। অৱশ্যে ইংৰাজ চাহ খেতিয়কসকলে বিপুল পৰিমাণৰ মাটি চাহখেতিৰ বাবে দখল কৰি লোৱাত উপান্ত কৃষকসকলৰ বাবে সহজ কৃষিযোগ্য মাটিৰ পৰিমাণো কমি গৈছিল।

অসমৰ তেতিয়াৰ অৱস্থাটোৰ কথা বৰ্ণনা কৰি গুণাভিৰাম বৰুৱাই 'আসাম বুৰঞ্জী'ত লিখিছেঃ "এই দেশ ব্ৰিটিশাধিকৃত হ'লত নানা দেশৰ লোক ইয়াত বাণিজ্য কৰিবলৈ আহিল।....বাঙ্গালী আৰু কেঁয়া মহাজনবিলাকে বঙালী নাও আৰু ধোঁৱাৰ জাহাজেৰে বস্তু অনাই বেপাৰ কৰিছে। এতিয়া প্ৰতিপ্ৰাহে কেবাবাৰো ধোঁৱাৰ জাহাজ এই দেশলৈ অহাৰ দ্বাৰা দেশত বাণিজ্য ক্ৰমে বৃদ্ধি পাব লাগিছে।" তদুপৰি "আমি যি বস্তু ভিন্ন দেশলৈ পঠাও তাতকৈ যি বস্তু ভিন্ন দেশৰ পৰা আমি পাওঁ তাৰ মূল্য অধিক। ভাটিৰ ফালৰ ভাল ভাল বস্তুৰ প্ৰতি দেশীয় মানুহৰ মন বৰকৈ যাব ধৰিছে। সেইদেখি আমালোকৰ একপ্ৰকাৰে চালে উৎপন্নতকৈ ব্যয় অধিক। সেইকাৰণে আমাৰ ঋণ আৰু বাঢ়িৰ সংখ্যা কিছু অধিক।" (পৃঃ ১৮৯-১৯১)। তেওঁ আৰু লিখিছে : "আসাম সমাজত এটি মহা হুলস্থূল হ'ব লাগিছে। পূৰ্বে যি লোকসকলে বেটী-বন্দীৰ ওপৰত সকলো সুখ আৰু আয়োজন খাইছিল সেইসকলৰ পক্ষে এতিয়া দাসত্ব মুক্তি পোৱাত বড় কঠিন হৈছে। ...... অৰ্থৰ অভাৱৰ কাৰণে আৰু বংশগৌৰৱ বা অভিমানৰ কাৰণে যিসকলে নিজৰ দাস নিজে হ'ব নোৱাৰে সেইসকলৰ অৱস্থা বড় শোচনীয় হৈছে। যাৰ সেই ৰূপ অভিমান নাই সেইসকলৰ অৱস্থা ক্ৰমে উন্নত হ'ব লাগিছে। .... সাধাৰণতকৈ ওপৰ শ্ৰেণীৰ লোকসকল কিছুমান অলস। আমাৰ মানুহৰ বিস্তৰ প্ৰয়োজন আৰু অভাৱ নাই। অলপতে সন্তুষ্ট। কিন্তু সময়ৰ গুণে এই অভাৱ অধিক হৈ আহিব লাগিছে।" (পৃঃ ২০৪-২০৫)। বৰুৱাই উল্লেখ কৰা এই "মহা হুলস্থূল" আছিল দৰাচলতে আহোমযুগীয় সামন্তবাদী অৰ্থনীতি আৰু সমাজ ব্যৱস্থাৰ নিৰ্দয় ভাঙোন আৰু এক নতুন সামাজিক শ্ৰেণীবিন্যাসৰ অৱধাৰিত যন্ত্ৰণাবেই মৰ্মন্তুদ কাহিনী। আগৰ ৰজাঘৰ, ডা-ডাঙৰীয়া আৰু বিষয়াসকলৰ বিষয়সম্পদ আৰু অধিকাৰৰ ভিকাচন ভাগিছিল, কিন্তু একেসময়তে ইংৰাজ তথা অন্যান্য ভাৰতীয় ব্যৱসায়ীৰ পুঁজি আৰু প্ৰশাসনে অতি সীমিত পৰিসৰত হ'লেও সূচনা কৰি তুলিছিল এটা থলুৱা মধ্যবিত্ত শ্ৰেণীৰ উত্থান আৰু ক্ৰমবিকাশ। কিন্তু তাৰ কঠিন মূল্য দিবলগীয়া হৈছিল ৰাজ্যখনৰ অগণন দৰিদ্ৰ কৃষক প্ৰজাই, যাৰ ক্ৰমবৰ্দ্ধমান দাৰিদ্ৰ আৰু ক্ষংসাৰহাই আনহাতে আৰম্ভ কৰিছিল ঐক্য, সংগ্ৰাম আৰু সাহসৰ অন্যতম গৌৰৱময় ইতিহাস।

(৩)

চাহৰ আবিষ্কাৰ হোৱাত আৰু অসমৰ মাটি চাহৰ বাবে উপযুক্ত দেখি, ইংৰাজ পুঁজিপতিসকল চাহখেতিৰ প্ৰতি আকৰ্ষিত হয়। এনেদৰেই অসমত চাহ শিল্পৰ পটন ঘটে। এই শিল্পই অসমৰ অৰ্থনীতি আৰু সমাজ জীৱনত এটা বিৰাট পৰিবৰ্তনৰ সূচনা কৰে। অসমৰ চাহখেতিৰ বাবে ১৮৩৮ চনতে গঠন কৰা হৈছিল 'আসাম টি কোম্পানী।' পিছলৈ কোম্পানীৰ সংখ্যা আৰু বাঢ়ে। চাহবাগিচাৰ ক্ষেত্ৰতো ইংৰাজ মালিকসকলে আৰম্ভণিৰে পৰাই থলুৱা লোকক বঞ্চিত কৰাৰ নীতি গ্ৰহণ কৰিছিল। অসমত চাহ খেতিৰ দ্ৰুত সম্প্ৰসাৰণ ঘটিবলৈ ধৰে। কিন্তু ইংৰাজ চৰকাৰে 'পতিত মাটি আইন' (Waste Land Rules) বলবৎ কৰি কেৱল ইংৰাজ মালিকসকলকহে মাটি দিয়াৰ ব্যৱস্থা কৰে। এই ইংৰাজ মালিকসকলৰ বাবে মাটিৰ খাজনাও কমকৈ নিৰ্দ্ধাৰণ কৰা হৈছিল। এনেদৰে ৰাজ্যখনৰ হাজাৰ হাজাৰ বিঘা মাটি এইসকল মালিকৰ হাতলৈ হস্তান্তৰিত হয়। আনহাতে থলুৱা লোকৰ বাবে মাটিৰ খাজনা উচ্চ হাৰত বিঘাই প্ৰতি তিনি টকাকৈ ধাৰ্য কৰা হৈছিল– যি হাৰ ইংৰাজ মালিকসকলৰ ক্ষেত্ৰত প্ৰযোজ্য নাছিল। মণিৰাম দেৱানে যোৰহাটত পাতিব খোজা চাহ বাগিচাৰ বাবে খাজনাৰ কোনো সকাহ পোৱা নাছিল, কিন্তু তেনে সকাহ ইংৰাজ মালিকসকলক অকাতৰে দিয়া হৈছিল। তদুপৰি ইংৰাজ প্ৰশাসনে চাহখেতিৰ বাবে এশ একৰৰ কম মাটিৰ পট্টন নিদিয়াৰ নীতি লোৱাত কম পুঁজিৰ দুৰ্বল থলুৱা উদ্যোগীসকল স্বাভাৱিকতে বঞ্চিত হৈছিল। ফলত চাহখেতি ইংৰাজ মালিকসকলৰ একচেটীয়া অধিকাৰ তথা ব্যৱসায়ত পৰিণত হয়। ১৮৭০-৭১ চনত এইসকল ইংৰাজ মালিকে চাহখেতিৰ নামত প্ৰায় সত্তৰ হাজাৰ একৰ মাটি দখল কৰি লয়। ১৯০১ চনৰ ভিতৰত ৰাজ্যখনৰ মুঠ মাটিকালিৰ পাঁচ ভাগ তেওঁলোকৰ হাতলৈ যায়। তাৰ ভিতৰত মাত্ৰ পাঁচ ভাগ মানতহে চাহখেতি কৰা হৈছিল আৰু বাকী মাটিবোৰ মালিকসকলে এনেয়ে পেলাই থৈছিল। অসমৰ মাটিত সাম্ৰাজ্যবাদী পুঁজি এইদৰে গজগজীয়া হ'ল। কিন্তু চাহশিল্পৰ লাভ আৰু ওপৰ শ্ৰেণীৰ কৰ্মচাৰীসকলৰ দৰমহাৰ টকা-পইচা সকলো ৰাজ্যখনৰ পৰা বাহিৰলৈ ওলাই গৈছিল। তাৰপৰা ৰাজ্যখনৰ সাধাৰণ আৰ্থিক জীৱনৰ কোনো উপকাৰ হোৱা নাছিল। অন্যহাতেদি এই বিদেশী মালিকসকলে প্ৰভুত্ব বিস্তাৰ কৰিছিল সৰ্বত্ৰ– ৰাজ্যখনৰ অৰ্থনীতি, ৰাজনীতি, প্ৰশাসন, সমাজ জীৱন সকলো দিশতে। তাৰ বিপৰীতে থলুৱা লোকসকলৰ প্ৰতি তেওঁলোকৰ আচৰণ আছিল পূৰামাত্ৰাই ঔপনিবেশিক– ঘৃণা, অৱজ্ঞা, অত্যাচাৰ আৰু ঠগ-প্ৰবঞ্চনাৰ কাহিনীৰে পৰিপূৰ্ণ।

চাহবাগিচাৰ সম্প্ৰসাৰণৰ লগে লগে চাহ শ্ৰমিকৰ সংখ্যাও বাঢ়িবলৈ ধৰে। ১৯০১ চনত তেওঁলোকৰ সংখ্যা হৈছিলগৈ প্ৰায় ৪ লাখ। পিছৰ দশককেইটাত এই সংখ্যা কেবাগুণে বৃদ্ধি পায়। কিন্তু এই শ্ৰমিকসকলৰ সকলোবিলাকেই আছিল বহিৰাগত। চাহবাগিচাৰ শ্ৰমশক্তিৰ বৰ্দ্ধিত প্ৰয়োজন পূৰণ কৰিব পৰাকৈ সেইসময়ত অসমত উদ্বৃত্ত শ্ৰমিকৰ নাটনি আছিল।

যিখিনি আছিল তাৰো ব্যৱহাৰ হোৱা নাছিল। ব্ৰিটিশ চৰকাৰে মাটিৰ খাজনা বঢ়াই দিয়াত আৰু আবকাৰী কানিৰ ব্যৱসায় চলোৱাত থলুৱা কৃষকসকল সৰ্বস্বান্ত হৈ পৰিছিল। আৰম্ভণিতে এনে বহু উপান্ত জনজাতীয় কৃষকে চাহবাগিচাত কাম কৰিবলৈ লৈছিল। খাজানাৰ টকা সংগ্ৰহৰ বাবেও বাগিচাত কাম কৰা তেওঁলোকৰ বাবে প্ৰয়োজনীয় হৈ পৰিছিল। ইংৰাজ চাহ-খেতিয়কসকলৰ ভূমি দখলৰ অভিযানত উচ্ছেদ হোৱা দৰং জিলাৰ কছাৰী সম্প্ৰদায়ৰ জনজাতীয় লোকসকলে আৰম্ভণিতে চাহবাগিচাত বনুৱা হিচাপে কাম কৰিছিল। কিন্তু সেইখিনি মানুহেৰে বৰ্দ্ধমান চাহখেতিৰ চাহিদা পূৰণ কৰা সম্ভৱ নাছিল (হোমেন বৰগোহাঞি ঃ 'অসমৰ শেষ সংগ্ৰাম'; পৃঃ ২২-২৩)। তদুপৰি জনজাতীয় শ্ৰমিকসকল আছিল স্বাধীনচিতীয়া। মালিকসকলৰ শোষণ আৰু দুৰ্ব্যৱহাৰৰ বিৰুদ্ধে তেওঁলোকে প্ৰতিবাদ আৰু ধৰ্মঘট আদিও কৰিছিল। সেয়ে ইংৰাজ মালিকসকলে থলুৱা শ্ৰমিকক নিয়োগ কৰিবলৈ ইচ্ছা নকৰা হ'ল। তেওঁলোকে থলুৱা শ্ৰমিকসকলক অপসাৰিত কৰি বাহিৰৰ পৰা হাজাৰে-হাজাৰে শ্ৰমিক আমদানি কৰাৰ নীতিহে গ্ৰহণ কৰে।

বাগিচাৰ ঠিকাদাৰসকলে বঙ্গ, বিহাৰ, উৰিষ্যা আদি ৰাজ্যৰ পৰা পিছপৰা আৰু গৰীব জাতিগোষ্ঠীৰ অসংখ্য লোকক নানা ছল-চাতুৰীৰে অসমলৈ আনি মালিকসকলক যোগান ধৰিছিল। কিন্তু এই কাম কাৰো বাবেই সহজ নাছিল। ঠিকাদাৰসকলে নানা প্ৰলোভনৰ আশ্ৰয় ল'বলগীয়া হৈছিল আৰু এইদৰে লৈ অনা লোকসকলেও যাত্ৰাপথত সন্মুখীন হ'বলগীয়া হৈছিল অবৰ্ণনীয় দুখ-যন্ত্ৰণা আৰু অপমৃত্যুৰ। চাহ শ্ৰমিকৰ ঝুমুৰ গীতত আজিও সেই মৰ্মন্তুদ কাহিনী শুনিবলৈ পোৱা যায়। এইদৰে অসমৰ চাহবাগিচাবিলাক এইসকল বহিৰাগত শ্ৰমিকেৰে ভৰি পৰিল। নিজৰ মাটি-ভেটি আৰু পৰিয়ালবৰ্গৰ পৰা চিৰদিনৰ বাবে বিচ্ছিন্ন হৈ পৰা এইসকল শ্ৰমিকক চাহ-বাগিচাৰ লাইনবোৰত নিকৃষ্ট দাসৰ দৰে ৰখাৰ ব্যৱস্থা হ'ল। এওঁলোকক সাধাৰণতে বাগিচাৰ ভিতৰতেই আবদ্ধ কৰি ৰখা হৈছিল আৰু বাহিৰৰ মানুহৰ লগত তেওঁলোকৰ আৰ্থিক বা সামাজিক কোনোধৰণৰ সম্পৰ্ক গঢ়ি উঠিবলৈ দিয়া হোৱা নাছিল। এনেদৰে এই বহিৰাগত হাজাৰ হাজাৰ শ্ৰমিকক অমানৱীয় আইন-কানুন আৰু নিষ্ঠুৰ শোষণৰ শিকলিৰে বান্ধি পেলোৱা হ'ল। তেওঁলোকৰ একাংশ কালক্ৰমত কৃষি কাৰ্যতো নিযুক্ত হৈছিল। বাগিচাৰ মালিকসকলৰ নামত থকা হাজাৰ হাজাৰ একৰ কৃষিযোগ্য মাটি খেতিৰ বাবে চাহবনুৱাসকলক দিয়া হয়। এনেদৰে এই বহিৰাগত বনুৱাসকল অসমৰ চাহশিল্প আৰু কৃষিত স্থায়ীভাৱে যুক্ত হৈ পৰিল। তেওঁলোক অসমৰ মাটি-পানী বায়ুৰে পালিত হৈ অসমীয়া জাতিৰ এটা শক্তিশালী আৰু অবিচ্ছেদ্য অংগত পৰিণত হ'ল। কিন্তু পৰিতাপৰ কথা যে ঔপনিবেশিক শোষণৰ পৰম্পৰা এইসকল শ্ৰমিকৰ মাজত আজিও চলি আছে। চলি আছে তেওঁলোকৰ অভাৱনীয় দুৰৱস্থা আৰু সামাজিক পশ্চাদপদতা আৰু আনবোৰ মানুহৰ বৈষম্যমূলক আচৰণ তথা অৱহেলা।

(৪)

ইংৰাজৰ পুঁজি আৰু প্ৰশাসনৰ প্ৰয়োজনত অসমৰ বুকুলৈ বহিৰাগত প্ৰব্ৰজন আহিল

এটা অনিবাৰ্য ঘটনা। ইংৰাজসকল অসমলৈ অহাৰ সময়ত গৃহযুদ্ধ আৰু মানৰ আক্ৰমণে অসমৰ জনসংখ্যা সাংঘাতিক ধৰণে কমাই দিছিল। তাতে অসমৰ সেমেকা জলবায়ু আৰু দূষিত পানীত ক'লাজ্বৰ, হাইজা, মেলেৰিয়া আদি মহামাৰীৰ বীজাণুৱে কিলবিলাইছিল। ১৮৮১-৯১ ৰ দশকটোত এনে মহামাৰীত লক্ষাধিক মানুহৰ মৃত্যু হৈছিল। আনহাতে উচ্ছেদ আদিৰ ফলতো কিছু থলুৱা লোকৰ আন্তঃ প্ৰব্ৰজন ঘটিছিল। এইবিলাকৰ ফলত ১৮৯১-১৯০১ৰ দশকটোত থলুৱা লোকৰ সংখ্যা কামৰূপত ৯ শতাংশ, দৰঙত ৮ শতাংশ আৰু নগাঁৱত ২৫ শতাংশ কমি গৈছিল। সেইদৰে লক্ষীমপুৰ জিলাতো ১৯০১ চনৰ জনসংখ্যাৰ দুই পঞ্চমাংশ লোকৰ জন্ম হৈছিল অসমৰ বাহিৰত। দৰং আৰু শিৱসাগৰ জিলাৰো এক চতুৰ্থাংশ লোকৰ জন্ম হৈছিল জিলা দুখনৰ বাহিৰত। (Ref. A. Guha : Ibid, pp. 39.68)। ইংৰাজ চৰকাৰেও আৰ্থিক প্ৰয়োজনতে প্ৰব্ৰজনক উৎসাহ দিছিল। বাহিৰাগতৰ সহজ প্ৰব্ৰজনে ৰাজ্যখনৰ জনসংখ্যা স্বাভাৱিকভাৱেই বৃদ্ধি কৰিছিল। ১৮২৬ চনৰ ১০ লাখ জনসংখ্যা বাঢ়ি গৈ ১৮৭২ চনত ১৫ লাখ আৰু ১৯০১ চনত ২২ লাখ হয়গৈ। তাৰে পাঁচৰ পৰা ছয় লাখ আছিল বহিৰাগত। ১৯২০ চনত ৰাজ্যখনৰ জনসংখ্যা ৪১ শতাংশ বৃদ্ধি পায়।

(৫)

থলুৱা সমাজ তথা অৰ্থনীতিৰ জৰাজীৰ্ণ অৱস্থা আৰু বহিৰাগত পুঁজি তথা ব্যৱসায় বাণিজ্যৰ গোগ্ৰাসৰ মুখত অসমীয়া ভাষা-সংস্কৃতিও নিস্তেজ আৰু ৰুদ্ধগতি হোৱাটো আছিল স্বাভাৱিক কথা। গৃহযুদ্ধ আৰু মানৰ আক্ৰমণত অসমীয়া সমাজখনৰ লগতে বৈষ্ণৱ সাহিত্য-সংস্কৃতিৰ পৰম্পৰাটোও মৰহি গৈছিল। অসমীয়া ভাষা-সাহিত্যই এটা অন্ধকাৰ যুগত ভৰি দিছিল। ভাষা-সাহিত্যৰ চৰ্চা আৰু সৃষ্টি একপ্ৰকাৰ অচল হৈ পৰিছিল। সেই সময়ত ৰাজ্যখনৰ শিক্ষা-দীক্ষাৰ মাধ্যম হ'ব পৰা শক্তি আৰু সামৰ্থ্য অসমীয়া ভাষাৰ নাছিল। অসমীয়া ভাষাত পাঠ্যপুথিৰো অভাৱ আছিল। মণিৰাম দেৱান, হলিৰাম ঢেকিয়াল ফুকন, আনন্দৰাম ঢেকিয়াল ফুকন আদি সেইসময়ৰ মুষ্টিমেয় শিক্ষিত আৰু অগ্ৰণী অসমীয়াসকলেও প্ৰথমে বাঙালী ভাষাতহে লিখামেলা কৰিছিল। গুণাভিৰাম বৰুৱাইও সেইসময়ত ইংৰাজী আৰু বংগীয় সংস্কৃতিক অসমীয়াৰ বাবে প্ৰয়োজনীয় বুলি গণ্য কৰিছিল (Ref : A. Guha : Ibid. p. 68)। ইংৰাজ শাসকসকলেও অসমৰ স্কুল আদালতত বাঙালী ভাষা চলোৱাটোৱেই সুচল আৰু কাৰ্যকৰী বুলি ধৰি লৈছিল। ইয়াত ইংৰাজৰ স্বাৰ্থই আছিল সৰ্বাধিক।

কিন্তু ইংৰাজৰ শাসনৰ পৰা অসমীয়াই দুই এটা সুফলো লাভ নকৰাকৈ থকা নাছিল। ইংৰাজে লগত অনা ইংৰাজী ভাষা আৰু মিছনেৰীসকলে অনা ছপাশালে অসমীয়া জাতিৰ উজ্জীৱনৰো সূচনা কৰিছিল। মিছনাৰীসকলে খ্ৰীষ্টান ধৰ্মৰ প্ৰচাৰৰ স্বাৰ্থতেই অসমীয়া ভাষাৰ উন্নতিৰ হকে কাম কৰিছিল। তেওঁলোকেই অসমত স্কুল পাতি ইংৰাজী শিক্ষাৰো পাতনি

মেলিছিল আৰু এটা নব্য শিক্ষিত অসমীয়া মধ্য শ্ৰেণীৰ সৃষ্টিৰ পথ সুগম কৰি তুলিছিল। তেওঁলোকৰ উদগনিতেই ১৮৪৮ চনত অসমীয়া ব্যাকৰণ, ১৮৪৬ চনত 'অৰুণোদয়' আৰু ১৮৬৭ চনত 'অসমীয়া ইংৰাজী অভিধান' প্ৰকাশ হৈ ওলাইছিল। কে'বাখনো স্কুলীয়া পাঠ্যপুথিও এই সময়তেই লিখা হৈছিল। এইদৰেই এচাম শিক্ষিত অসমীয়াৰ চেষ্টাত আৰু মিছনাৰীসকলৰ সহযোগত ১৮৭৩ চনৰ পৰা অসমৰ স্কুল-কাছাৰীত অসমীয়া ভাষাৰ পুনৰ প্ৰচলন হয়। ইংৰাজৰ ছত্ৰছায়াতে জন্ম লাভ কৰা অসমীয়া মধ্যবিত্ত শ্ৰেণীটোৱেই অসমীয়া ভাষা-সাহিত্য আৰু শিল্প-ব্যৱসায়ৰ নেতৃত্ব দিবলৈ আগবাঢ়ি আহিল। মণিৰাম দেৱানৰ পিছত মাণিক চন্দ্ৰ বৰুৱা, জগন্নাথ বৰুৱা, ভোলানাথ বৰুৱা, আনন্দৰাম বৰুৱা, আনন্দৰাম ঢেকিয়াল ফুকন, ৰোযেশ্বৰ বৰুৱা, গুণাভিৰাম বৰুৱা, ভোলানাথ দাস, ৰমাকান্ত চৌধুৰী, কমলাকান্ত ভট্টাচাৰ্য, লম্বোদৰ বৰা, হেমচন্দ্ৰ বৰুৱা আদিয়েই আছিল ঊনৈশ শতিকাৰ অসমৰ জাতীয় চিন্তা, শিল্প-ব্যৱসায় আৰু ভাষা-সংস্কৃতিৰ বাটকটীয়া। তেওঁলোকৰ চিন্তা আৰু কৰ্মৰ আঁত ধৰিয়েই জোনাকী যুগৰ মহাৰথী লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী, চন্দ্ৰকুমাৰ আগৰৱালা, পদ্মনাথ গোহাঞি বৰুৱা আদিয়ে অসমীয়া ভাষা-সাহিত্যৰ নৱজীৱনৰ সূচনা কৰে। এওঁলোকৰ শিক্ষা, চিন্তা আৰু কৰ্মৰ মাজেদিয়েই আধুনিক অসমীয়া জাতীয় চেতনাইও আত্মপ্ৰকাশ কৰিবলৈ ধৰে। এই নৱজাত অসমীয়া শিক্ষিত মধ্যশ্ৰেণীয়েই নিজৰ সমস্ত দোষ-গুণেৰে সৈতে সেই সময়ৰ ৰাজনীতি, অৰ্থনীতি, সমাজ সংস্কাৰ আৰু ভাষা-সংস্কৃতিৰ ক্ষেত্ৰত অসমীয়া জাতিক নেতৃত্ব দিবলৈ আগবাঢ়ি আহে। এওঁলোকৰেই উচ্চবিত্ত অংশটোৱে চাহবাগিচা খোলে, কাঠৰ ব্যৱসায় কৰে, ইংৰাজ প্ৰশাসনৰ উচ্চ পদত মকৰল হয়। আনহাতে একাংশ নিম্নবিত্ত শিক্ষিত লোকে পিছৰ শতিকাত দেশৰ স্বাধীনতা আন্দোলন আৰু প্ৰগতিবাদী চিন্তাদৰ্শ তথা কৰ্মৰো সূত্ৰ ধৰে।

মন কৰিবলগীয়া কথা এয়ে যে ঊনৈশ শতিকাৰ নৱজাত অসমীয়া মধ্যবিত্ত শ্ৰেণীটোৱে আৰম্ভণিতে ৰাজ্যখনৰ সামগ্ৰিক আৰ্থ-সামাজিক উন্নতিৰ আশাত বহিৰাগতৰ প্ৰব্ৰজনক আদৰণি জনাইছিল। বাঙালী বৰ্ণহিন্দুৰ সমাজখন তেওঁলোকৰ বাবে অনুকৰণীয় হৈ উঠিছিল। কিন্তু অসমীয়া মধ্যবিত্তৰ এই আশা আৰু সন্তুষ্টি আছিল অত্যন্ত ক্ষণস্থায়ী। তেওঁলোকে আৰম্ভণিৰে পৰাই নিজৰ আৰু জাতিৰ উন্নতিৰ বাবে ইংৰাজী শিক্ষা আৰু চাকৰি-বাকৰিৰ ওপৰতহে প্ৰধানকৈ নিৰ্ভৰ কৰিছিল। এইক্ষেত্ৰত মধ্যবিত্ত বাঙালী কৰ্মচাৰীসকল তেওঁলোকৰ পথৰ ডাঙৰ হেঙাৰ হিচাপে থিয় দিছিল। কিন্তু মাৰোৱাৰী ব্যৱসায়ী নাইবা বিহাৰী, পঞ্জাবী, নেপালী আদি অন্যান্য বৃত্তিৰ লোকসকলৰ লগত অসমীয়াৰ কোনো বৃত্তিগত প্ৰতিদ্বন্দ্বিতা সৃষ্টি হোৱা নাছিল। চাহবাগিচাৰ বনুৱা বা অন্যান্য শ্ৰমিকৰ ওপৰতো তেওঁলোকৰ চকু নাছিল। গতিকে চাকৰি আৰু ভাষা-সংস্কৃতি দুয়ো দিশতে বহিৰাগত বাঙালী কৰ্মচাৰীসকলহে অসমীয়া মধ্যবিত্তৰ ঈৰ্ষা আৰু বিদ্বেষৰ কাৰণ হৈ উঠিল। ইংৰাজে আৰম্ভণিতে অসমৰ স্কুল-কাছাৰীত বাঙালী ভাষা প্ৰচলন কৰাতো অসমীয়াৰ বাঙালী বিদ্বেষ বেছিকৈ বাঢ়িবলৈ ধৰে। মোহাচ্ছন্ন অসমীয়াই ঈৰ্ষাবশতঃ ধৰি লৈছিল

যে ইংৰাজ চৰকাৰক অসমীয়াৰ বিৰুদ্ধে এই বাঙালী কৰ্মচাৰীসকলেহে উচটাই দিছিল। এই ভ্ৰান্তি বা দৃষ্টিদোষৰ বাবে অসমীয়া জাতিৰ পৰৱৰ্তী জীৱনত বহু দুৰ্যোগ-দুৰ্ঘটনাও সংঘটিত হৈছে। তদুপৰি মধ্যবিত্ত বাঙালী কৰ্মচাৰীসকল নগৰবোৰত থূপ খোৱাত এনে কিছুমান চহৰত তেওঁলোকৰ সংখ্যা অসমীয়াতকৈ বেছিহে হৈছিল। তাতে বাঙালী কৰ্মচাৰীসকলৰ প্ৰায়ভাগেই আছিল নিজৰ ভাষাকৃষ্টিৰ প্ৰতি অত্যধিক আত্মসচেতন আৰু সেয়ে তেওঁলোকৰ মাজত সংমিশ্ৰণবিৰোধী প্ৰবণতাও আছিল প্ৰকট। স্বাভাবিকতে বহিৰাগত বাঙালী সমাজখনৰ প্ৰতি অসমীয়া মধ্যবিত্তৰ দৃষ্টিভংগীত ৰক্ষণশীলতা আৰু বিদ্বেষে খোপনি পুতি বহিছিল। ইংৰাজ চৰকাৰে চিলেটৰ পৰা অহা ভালেমান বাঙালী লোকক আৰু মাৰোৱাৰীক মৌজাদাৰৰ পদবী দিয়াত মণিৰাম দেৱানে আপত্তি কৰিছিল। আনন্দৰাম ঢেকিয়াল ফুকন আদিয়েও হিন্দু বাঙালী সমাজখনৰ কঠোৰ বৰ্ণব্যৱস্থাৰ কুফলবোৰ অসমীয়া সমাজলৈও সোমাই আহিব বুলি আশংকা কৰিছিল।

এইদৰে ঊনৈশ শতিকাৰ ব্ৰিটিশ আমোলত বহিৰাগতৰ বিপুল প্ৰব্ৰজনৰ ফলত অসমৰ জাতীয় জীৱনত সংশয় আৰু সংঘাতৰ নতুন অধ্যায় এটাৰ সূচনা হ'ল। হিন্দু বাঙালী সমাজখনৰ লগত অসমীয়াৰ সংঘাত আছিল প্ৰকট আৰু প্ৰত্যক্ষ। কিন্তু বাকী বহিৰাগত লোকসকলৰ লগত সেই সংঘাত তেতিয়াও স্পষ্ট হৈ উঠা নাছিল, সি ৰৈ গৈছিল ভৱিষ্যতৰ সম্ভাৱনাৰ ৰূপতহে। পিছলৈ কুৰি শতিকাৰ প্ৰথম কেইটামান দশকত পূব বংগৰ পমুৱা মুছলমান কৃষকসকলৰ বিপুল প্ৰব্ৰজনে অসমীয়া জাতিৰ সংশয় আৰু সংঘাত তীব্ৰতৰ কৰিহে তুলিছিল। এইদৰে ঔপনিৱেশিক যুগটোত অসমৰ জাতীয় জীৱনৰ সংঘাত দ্বিমুখী হৈ পৰিল ঃ অসমৰ থলুৱা জনগোষ্ঠীবোৰৰ মাজত পুৰণি অন্তৰ্বিৰোধৰ লগত নতুনকৈ যোগ হ'ল থলুৱা আৰু বহিৰাগতৰ এই বৰ্দ্ধমান সংঘাত। এই দুই সংঘাতৰ খুন্দা-খুন্দলিত পৰি অসমীয়া জাতিৰ স্থিৰতা আৰু আত্মবিশ্বাস চিৰদিনৰ বাবে লোপ পালে বুলি ক'ব পাৰি।

(৬)

আৰু এটা গুৰুত্বপূৰ্ণ কথা হ'ল এয়ে যে অসমীয়া মধ্যবিত্ত শ্ৰেণীটোৰ উদ্ভৱ হৈছিল প্ৰধানকৈ অসমৰ উচ্চ বৰ্ণৰ মাজৰ পৰাহে, অন্যান্য পশ্চাদপদ জাতিগোষ্ঠীবোৰৰ মাজৰ পৰা নহয়। সেয়ে অসমীয়াৰ জাতীয়, সামাজিক আৰু ৰাজনৈতিক জীৱনৰ সংগঠন, বিকাশ আৰু নেতৃত্বৰ দায়িত্বও মূলতঃ উচ্চ বৰ্ণৰ হিন্দু অসমীয়া সকলেই কান্ধ পাতি ল'বলগীয়া হৈছিল। এই দায়িত্ব পালনত এহাতে যেনেকৈ অকৃত্ৰিম দেশপ্ৰেম, ত্যাগ আৰু পৰিশ্ৰমৰ অলেখ প্ৰমাণ আছে, সেইদৰে বৰ্ণবাদী গোড়ামি আৰু ৰক্ষণশীলতাৰ চাপো সমানেই ৰৈ গৈছিল। এই গোড়ামিৰ বাবে অসমীয়াই যথেষ্ট ক্ষতিপূৰণো ভৰিবলগীয়া হৈছে। শিক্ষা-দীক্ষা, চাকৰি-বাকৰি আৰু জাতিগঠনৰ কামত অসংখ্য জনজাতীয় মূলৰ লোকসকলো সমানে আগবাঢ়িব পৰা হ'লে অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ চিন্তা-চেতনাতো

তাৰ প্ৰভাৱ নিশ্চিতভাৱেই পৰিলেহেঁতেন আৰু অসমীয়াৰ জাতীয় সংহতিও লাহে লাহে নিকপ্‌কপীয়া হ'লহেঁতেন।

আনহাতে মনকৰিবলগীয়া যে উনৈশ শতিকাৰ দ্বিতীয়াৰ্দ্ধতেই সাম্ৰাজ্যবাদৰ বিৰুদ্ধে অসমৰ সাধাৰণ প্ৰজাৰ ঐক্যবদ্ধ গণতান্ত্ৰিক আন্দোলন আৰু জাতীয় সংহতিৰ আন এটা গৌৰৱময় পৰম্পৰাৰ সৃষ্টি হৈছিল। অসমৰ কৃষকসমাজৰ ক্ৰমবৰ্দ্ধমান দাৰিদ্ৰ্য, কৰকাটল আৰু ঋণগ্ৰস্ততাৰ পটভূমিত এই সময়ছোৱাত ৰাজ্যখনৰ বিভিন্ন ঠাইত সাম্ৰাজ্যবাদবিৰোধী কৃষক আন্দোলনৰ জোৱাৰ উঠিছিল। ১৮৬১ চনৰ নগাঁৱৰ ফুলগুৰি জংগী কৃষক আন্দোলন, দৰঙৰ পথৰুঘাটৰ আন্দোলন আদিয়ে ৰচনা কৰিছিল গণতান্ত্ৰিক কৃষক সংগ্ৰামৰ এক গৌৰৱোজ্জ্বল পৰম্পৰা। ফুলগুৰি 'ধাৱা' আৰু 'ৰাইজমেল' আদিয়ে অসমৰ গৰীব কৃষক সমাজখনক যোগাইছিল ঐক্যবদ্ধ প্ৰতিৰোধ সংগ্ৰামৰ সাহস আৰু প্ৰেৰণা। উনৈশ শতিকাৰ শেষৰ দশকত কামৰূপ, দৰং, নগাঁৱৰ বিভিন্ন ঠাইত এলানি জংগী কৃষক আন্দোলন সংঘটিত হৈছিল---ইংৰাজ চৰকাৰৰ কৃষকবিৰোধী নীতিৰ বিৰুদ্ধে। ঔপনিৱেশিকতাবাদ বিৰোধী এই কৃষক আন্দোলনবোৰৰ মাজত অসমৰ জাতীয় সংহতিয়েও নতুন প্ৰাণ পাই উঠিছিল। অসমৰ গৰীব জনজাতীয় আৰু অজনজাতীয় কৃষকসকল একেবোৰ দাবীৰ ভিত্তিত আৰু একেটা আন্দোলনৰ মাজত ঐক্যবদ্ধ হৈছিল আৰু একেলগে ইংৰাজ চৰকাৰৰ শোষণ আৰু অত্যাচাৰৰ প্ৰতিৰোধ কৰিছিল। ফলত জাতীয় সংমিশ্ৰণ আৰু সমন্বয়ৰো এটা নতুন আৰু সুস্থ গণতান্ত্ৰিক পৰিবেশৰ সৃষ্টি হৈছিল। ইমানদিনে সংকুচিত হৈ থকা জাতীয় জীৱন আৰু চেতনা এখন বৃহত্তৰ সমাজৰ মাজলৈ সম্প্ৰসাৰিত হ'ল। অসমৰ জাতীয় জীৱনৰ বৈষ্ণৱ যুগীয় ধাৰাটো এই গণতান্ত্ৰিক আন্দোলনবিলাকৰ মাজেদি পুনৰ ঠন ধৰি উঠিল।

কিন্তু দুৰ্ভাগ্যৰ কথা, অসমৰ কৃষক সমাজৰ এই ঐক্যবদ্ধ গণতান্ত্ৰিক সংগ্ৰামৰ ধাৰাটো সুস্থিৰ আৰু শক্তিশালী হ'ব নোৱাৰিলে। অসমীয়া উচ্চবিত্ত শ্ৰেণীটো আছিল ইংৰাজ সাম্ৰাজ্যবাদ আৰু মাটিগিৰি শ্ৰেণীৰ অনুগত। আনহাতে এচাম ব্যৱসায়ী আৰু চৰকাৰী আমোলাৰ মাজৰ পৰা দুৰ্বল হ'লেও এটা পুঁজিপতি শ্ৰেণীৰ জন্ম হৈছিল। ১৯০৩ চনত গঠিত 'আসাম এছোচিয়েচন' আছিল তেওঁলোকৰেই সংগঠন। আনহাতে গণতান্ত্ৰিক চিন্তাৰে পৰিপুষ্ট একাংশ মধ্যবিত্তৰ নেতৃত্বত গঢ়ি উঠিল কংগ্ৰেছ দল আৰু স্বাধীনতা আন্দোলন। কিন্তু মনকৰিবলগীয়া কথা যে স্বাধীনতা আন্দোলনেও অসমৰ জনজাতীয় কৃষক সমাজক তেনেদৰে অনুপ্ৰাণিত আৰু একাত্ম কৰিব নোৱাৰিলে। কংগ্ৰেছ পৰিচালিত স্বাধীনতা আন্দোলনৰ এই দুৰ্বলতা কংগ্ৰেছৰ পৰম্পৰা হিচাপে পিছলৈও বৈ গ'ল। আনহাতে চল্লিশৰ দশকত কমিউনিষ্টসকলে পূৰ্বৰ ঐক্যবদ্ধ গণতান্ত্ৰিক কৃষক সংগ্ৰামক পুনৰ সঞ্জীৱিত কৰাৰ চেষ্টা কৰিছিল। ৰাজ্যখনৰ বিভিন্ন ঠাইত, বিশেষকৈ জনজাতি প্ৰধান অঞ্চলবোৰত আৰ-চি-পি-আইৰ কৃষক সংগঠন আৰু সশস্ত্ৰ মুক্তি আন্দোলনৰ কামকাজ বহলভাৱে সম্প্ৰসাৰিত হৈছিল। দেশে স্বাধীনতা লাভ কৰাত আৰু কংগ্ৰেছৰ হাতলৈ ক্ষমতা হস্তান্তৰিত হোৱাত

বিপ্লৱী কমিউনিষ্ট পাৰ্টীয়ে ক্ষমতা দখলৰ আহ্বান দি সশস্ত্র সংগ্রাম আৰম্ভ কৰিছিল। ঠিক সেই সময়ছোৱাতে তেলেঙ্গানাত ভাৰতৰ কমিউনিষ্ট পাৰ্টীয়েও ক্ষমতা দখলৰ বাবে সশস্ত্র সংগ্রাম পৰিচালনা কৰিছিল। কিন্তু দেশৰ শ্রেণীশক্তিবোৰৰ ভাৰসাম্য কংগ্রেছৰ পক্ষে থকাত তেলেঙ্গানাৰ শক্তিশালী আন্দোলনো ব্যৰ্থ হ'ল। কংগ্রেছী চৰকাৰে নিষ্ঠুৰভাৱে সেই সংগ্রাম দমন কৰাত অকণো কুণ্ঠাবোধ কৰা নাছিল। অসমতো কংগ্রেছ চৰকাৰে আৰ-চি-পি-আইৰ সশস্ত্র সংগ্রাম দমন কৰিলে। অৱশ্যে অসমৰ এই সংগ্রামৰ জোৰ আছিল কম। শেষলৈ সি নিছক সন্ত্রাসবাদত পৰিণত হোৱাত তাক দমন কৰাও কংগ্রেছৰ বাবে সহজ হৈ পৰিছিল। সি যি কি নহওক, অসমত এই ঐক্যবদ্ধ কৃষক সংগ্রামৰ পৰম্পৰা পুনৰ নিস্তেজ হৈ পৰাত জাতিগত ঐক্য আৰু সংহতিও বেছি দূৰ আগবাঢ়িব নোৱাৰিলে।

(৭)

এই শতিকাৰ প্ৰথমাৰ্দ্ধত অসমৰ আৰ্থিক, ৰাজনৈতিক, সামাজিক আৰু জাতীয় জীৱনৰ সকলো দিশতে সুদূৰপ্ৰসাৰী প্ৰভাৱ বিস্তাৰ কৰা গুৰুত্বপূৰ্ণ ঘটনাটো আছিল পূব বংগৰ মাটি আকলুৱা কৃষকসকলৰ ব্যাপক প্ৰব্ৰজন। ইংৰাজ প্ৰশাসনৰ বিত্তীয় প্ৰয়োজন পূৰণৰ বাবে মাটিৰ খাজানা আৰু অন্যান্য কৰ-কাটল বৃদ্ধি কৰা আৰু খাদ্যশস্যৰো উৎপাদন তথা যোগান বৃদ্ধি কৰাটো অতি জৰুৰী হৈ পৰিছিল। ইংৰাজ অহাৰ সময়ত অসমৰ বহুতো অঞ্চল জনশূন্য হৈ পৰি থকাৰ কথা ঐতিহাসিকসকলে উল্লেখ কৰিছে। সেই সময়ত অনাবাদী হৈ পৰি থকা মাটিত খেতি কৰিবলৈ থলুৱা মানুহৰ অভাৱ হৈছিল। তদুপৰি আহোম যুগৰ কৃষি পদ্ধতিৰ দিনো উকলি গৈছিল আৰু ইংৰাজৰ শাসনে সূচনা কৰা পৰিৱৰ্তসমূহৰ লগত সি খাপ নোখোৱা হৈ পৰিছিল। সেয়ে ৰাজ্যখনৰ অনাবাদী মাটিবোৰ নথিভুক্ত কৰা আৰু সিবিলাকত নতুনকৈ কৃষকক সংস্থাপিত কৰাৰ প্ৰয়োজন হৈছিল। এই পটভূমিতেই এই শতিকাৰ আৰম্ভণিৰ দশককেইটাত পূব বংগৰ, বিশেষকৈ মৈমনসিং জিলাৰ গৰীব মুছলমান কৃষকসকল দলে দলে অসমলৈ আহিবলৈ ধৰে আৰু ব্ৰহ্মপুত্ৰৰ চৰ অঞ্চলবোৰত ভৰি পৰে। থলুৱা মানুহৰ বাবে সেইবোৰ অঞ্চল আছিল একপ্ৰকাৰ অগম্য। ৰাজস্থানী ব্যৱসায়ী আৰু বৰপেটাৰ অসমীয়া মহাজনসকলে চৰা সুদত টকা পইচা দি এই পমুৱা কৃষকসকলৰ সংস্থাপনত সহায় কৰিছিল। অবিভক্ত গোৱালপাৰা জিলাৰ জমিদাৰসকলেও ৰাজহ বঢ়াবলৈ আৰু চৰাদামত মাটি বেচি ধন ঘটিবলৈ এনে কৃষকক সংস্থাপন দিছিল বহু আগৰে পৰাই। ধনী কৃষকসকলেও এনে পমুৱা কৃষকক বান্ধা হিচাপে ৰাখি খেতি কৰাইছিল। পিছলৈ এনে পমুৱা মুছলমান কৃষকৰ প্ৰব্ৰজন ব্যাপক হোৱাত অসম চৰকাৰে চৰকাৰী বন্দোবস্তী মাটিত এনে কৃষকক পৰিকল্পিতভাৱে সংস্থাপন দিয়াৰ ব্যৱস্থা কৰিছিল। এই পমুৱা কৃষকসকলেও হাড়ভঙা পৰিশ্ৰম আৰু উন্নত কৃষি পদ্ধতিৰ জৰিয়তে চন পৰি থকা নাইবা কোনোদিনে খেতি নকৰা জলাহ, চৰ অঞ্চল আৰু হাবিতলীয়া মাটিবোৰ কৃষিযোগ্য আৰু শস্যশ্যামলা কৰি তুলিছিল। তেওঁলোকেই

ধান, মৰাপাট, কুঁহিয়াৰ, গম, তিল, মাহ, মটৰ আৰু শাক পাচলিৰে অসম নন্দনবদন কৰি তুলিছিল।

এই পমুৱাসকলৰ ৮৫ শতাংশই আছিল পূব বংগৰ মৈমনসিং জিলাৰ মুছলমান কৃষক। ১৯১১ চনত এই পমুৱা কৃষকৰ সংখ্যা আছিল গোৱালপাৰা জিলাত ৫১,০০০ আৰু বাকী জিলাবোৰত মাত্ৰ ৩০০০। কিন্তু ১৯২১ চনত, অৰ্থাৎ মাত্ৰ এটা দশকৰ ভিতৰত এওঁলোকৰ সংখ্যা গোৱালপাৰা জিলাত ১,৪১,০০০ লৈ আৰু বাকী জিলাবোৰত ১,১৭,০০০লৈ বৃদ্ধি পায়। ফলত ১৯০০-০১ চনৰ পৰা ১৯২০-২১ চনৰ ভিতৰত ৰাজ্যখনৰ জনসংখ্যাও ৪১ শতাংশ বৃদ্ধি হয়। ১৯১৯-২০ চনত পমুৱা মুছলমানসকলে খেতি কৰা মাটিৰ পৰিমাণ হয়গৈ ১০৬ হাজাৰ একৰতকৈ বেছি। ১৯৩১ চনত তেওঁলোকৰ জনসংখ্যা হয়গৈ ৫,৭৫,০০০ (যিসময়ত নেপালী লোকৰ সংখ্যা আছিল ৮৮০০০ আৰু চাহবনুৱাৰ ১৬ লাখ) আৰু ১৯৪১ চনত ৯ লাখ। ১৯৩১ চনত ব্ৰহ্মপুত্ৰ উপত্যকাৰ মুঠ জনসংখ্যাৰ উনৈশ শতাংশ আছিল পমুৱা মুছলমান। কিন্তু ১৯৪১ চনত তেতিয়াৰ বৰপেটা মহকুমাত পমুৱাৰ জনসংখ্যা হৈছিলগৈ ৪৯ শতাংশ। সেইদৰে ১৯৪০-৪১ চনত সমস্ত বহিৰাগতৰ দখলত থকা মুঠ ১.১ নিযুত একৰ অস্থায়ী বসতি মাটিৰ ভিতৰত প্ৰায় আধা নিযুত একৰ মাটি দখল কৰে পমুৱা মুছলমান কৃষকসকলে। ছাদুল্লা মন্ত্ৰীসভাৰ দিনত সংৰক্ষিত বনাঞ্চলৰ এক বৃজন পৰিমাণৰ মাটি এই পমুৱাসকলক দিয়া হয়। তাৰ পিছতো স্বাধীনতাৰ সময়লৈকে আৰু প্ৰায় এক লাখ মুছলমান কৃষক পূব বংগৰ পৰা অসমলৈ আহে। (Ref: A. Guha: 'Planter-Raj to Swaraj' pp. 101,102,258)

স্বাভাৱিকতেই অসমৰ মধ্যবিত্ত শ্ৰেণীয়ে পূব বংগৰ পমুৱাসকলৰ এই ব্যাপক প্ৰব্ৰজনক বৰ সহজভাৱে ল'ব পৰা নাছিল। বৰং হিন্দু অসমীয়াৰ মনত সন্দেহ আৰু আশংকাহে ঘনীভূত হৈ আহিছিল। ইংৰাজ চৰকাৰে পমুৱাসকলক শৃংখলাবদ্ধভাৱে সংস্থাপিত কৰাৰ উদ্দেশ্যে ১৯২০ চনতে লাইন ব্যৱস্থা প্ৰবৰ্তন কৰিছিল যদিও হিন্দু অসমীয়া সমাজখন তাকে লৈ আশ্বস্ত হ'ব পৰা নাছিল। তাতে হিন্দু মহাসভা আৰু মুছলিম লীগৰ সাম্প্ৰদায়িক ৰাজনীতি, ইংৰাজ চৰকাৰৰ বিভাজনবাদী নীতি আৰু চি-এছ-মুলানৰ দৰে উচ্চ পদস্থ চৰকাৰী বিষয়াৰ মুছলমানবিৰোধী আক্ৰোশমূলক কথাবতৰাই হিন্দুৰ প্ৰতিক্ৰিয়া তীব্ৰতৰ কৰি তুলিছিল। (Ref. 'Political History of Assam Vol.3, p.249)। এই মুছলমান ভীতিৰ বাবেই ১৯৩৯ চনৰ সৰ্বভাৰতীয় বৰ্জন আন্দোলনৰ সময়ত অসমৰ বৰদলৈ মন্ত্ৰীসভাই পদত্যাগ কৰিব নালাগে বুলি একাংশ কংগ্ৰেছী নেতাই দাবী তুলিছিল আৰু গান্ধী তথা সুভাষ বসুৰ দৰে নেতায়ো তাৰ প্ৰতি সহানুভূতি জনাইছিল। (Ibid, pp. 7-8)। সেইদৰে ছাদুল্লা মন্ত্ৰীসভাই মুছলিম লীগৰ হেঁচাত 'লাইন ব্যৱস্থা' উঠাই দিয়াৰ কথা কোৱাত আৰু 'ভূমি উন্নয়ন আঁচনি', 'অধিক উৎপাদন আঁচনি' আদিৰ নামত সংৰক্ষিত বনাঞ্চলৰ বৃজন পৰিমাণৰ মাটি পমুৱা মুছলমান কৃষকসকলৰ বাবে মুকলি কৰি দিয়াৰ প্ৰস্তাৱ তোলাত হিন্দু মহাসভা তথা একাংশ কংগ্ৰেছী নেতাই তাৰ তীব্ৰ

বিৰোধিতা কৰিছিল। (Ref. Ibid, p.39)। অসমলৈ পূববংগীয় মুছলমান কৃষকৰ প্ৰব্ৰজনে ভালেমান সৰ্বভাৰতীয় কংগ্ৰেছী নেতাৰ মনতো প্ৰতিক্ৰিয়াৰ সৃষ্টি নকৰাকৈ থকা নাছিল। অমলেন্দু গুহই উল্লেখ কৰিছে যে ৰাজেন্দ্ৰ প্ৰসাদে বিশৰ দশকতে মুছলমানৰ প্ৰব্ৰজন ৰোধ কৰাৰ উদ্দেশ্যে বিহাৰৰ পৰা হিন্দু লোকক আনি অসমত স্থাপন কৰা আৰু ভায়েকৰ সৈতে একেলগে পাম পতাৰ কথা চিন্তা কৰিছিল (A. Guha; Ibid, pp258- 59)। জনজাতীয় নেতাসকলেও পমুৱাৰ আগ্ৰাসৰ পৰা জনজাতীয় অঞ্চলবোৰক সুৰক্ষিত কৰা আৰু 'লাইন ব্যৱস্থা' যথাযথভাৱে কাৰ্যকৰী কৰাৰ দাবী জনাইছিল। (Ref. A Guha Ibid, p. 269)। এই পটভূমিতেই তেতিয়াৰ 'চেতনা', 'ডেকা অসম', 'দৈনিক বাতৰি' আদি কাকত আৰু অম্বিকাগিৰি ৰায়চৌধুৰীৰ 'অসম সংৰক্ষিণী সভা' (১৯২৬) আৰু 'অসম জাতীয় মহাসভা' (১৯৩৫) আদি সংগঠনে পমুৱা মুছলমানৰ প্ৰব্ৰজন নিয়ন্ত্ৰণৰ দাবীত যুঁজ কৰিছিল। আনহাতে মুছলিম লীগেও এই পমুৱাসকলৰ প্ৰব্ৰজন আৰু সংস্থাপনৰ ক্ষেত্ৰত থকা বাধাবোৰ আঁতৰ কৰাৰ বাবে নিৰলসভাৱে দাবী জনাইছিল।

এইদৰে অসমত হিন্দু-মুছলমান সাম্প্ৰদায়িক ৰাজনীতিয়ে শিপাবলৈ ধৰে। হিন্দু মহাসভা, মুছলিম লীগ আৰু একাংশ কংগ্ৰেছী নেতাই পমুৱা প্ৰব্ৰজনৰ বিষয়টোক নিজৰ নিজৰ সাম্প্ৰদায়িক দৃষ্টিকোণেৰে বিচাৰ আৰু ব্যাখ্যা কৰিবলৈ চেষ্টা কৰে। মুছলিম লীগে 'লাইন ব্যৱস্থা'ৰ প্ৰত্যাহাৰৰ দাবীৰ লগতে অসমক বংগদেশৰ সৈতে যুক্ত কৰি 'পাকিস্তান'ৰ অন্তৰ্ভুক্ত কৰাৰ দাবীও সাঙুৰি দিছিল। ইফালে হিন্দু মহাসভাও বহি থকা নাছিল। "অসমক পাকিস্তানৰ ভিতৰুৱা কৰাৰ চেষ্টাক প্ৰতিহত কৰিবলৈ" সভাই হিন্দুসমাজৰ প্ৰতি আহ্বান জনাইছিল। এইদৰে পমুৱা কৃষকসকলৰ আচল আৰ্থিক সমস্যাটোক বিপজ্জনক সাম্প্ৰদায়িক ৰূপ দিয়াৰ বাবে সাম্প্ৰদায়িক শক্তিবোৰে উঠিপৰি লাগিছিল। অসমীয়া-বাঙালীৰ আগৰ ভাষিক দ্বন্দ্বৰ লগত হিন্দু-মুছলমানৰ এই নতুন সাম্প্ৰদায়িক সংঘাত যুক্ত হৈ এটা সাধাৰণ সংঘাতৰ ৰূপ লৈছিল। পমুৱা মুছলমান কৃষকসকল বাঙালীভাষী হোৱাত তেওঁলোক ধৰ্ম আৰু ভাষা দুয়োফালৰ পৰাই অসমীয়াৰ শংকা আৰু বিদ্বেষৰ কাৰণ হৈ পৰিছিল। এনেদৰে ছল্লিশৰ দশকত দেশৰ আন বহু ৰাজ্যৰ দৰে অসমতো হিন্দু-মুছলমানৰ সাম্প্ৰদায়িক সংঘাতৰ এটা অনুকূল পৰিবেশৰ সৃষ্টি হৈছিল। কিন্তু সৌভাগ্যবশতঃ কেইটামান বিশেষ কাৰণত অসম এই বিধ্বংসী ভ্ৰাতৃঘাতী সংঘৰ্ষৰ পৰা ৰক্ষা পৰিল। অসমৰ জাতীয় জীৱনত এই ঘটনা আছিল নিসন্দেহে আশাব্যঞ্জক।

এই কথা দোহৰাৰ প্ৰয়োজন আছে যে ভাৰতৰ স্বাধীনতা আন্দোলনে অসমকো সৰ্বভাৰতীয় চিন্তা, চেতনা আৰু সংগ্ৰামৰ মাজলৈ টানি নিছিল। জাতীয় কংগ্ৰেছৰ শক্তি আৰু প্ৰভাৱো অসমত যথেষ্ট বৃদ্ধি পাইছিল আৰু অসমৰ ৰাইজৰ মাজত স্বাধীনতা সংগ্ৰামে বিস্তাৰ লাভ কৰিছিল। জাতীয় কংগ্ৰেছৰ নেতৃত্বৰ মাজত হিন্দু ঐতিহ্য চিন্তা ক্ষতিকৰভাৱে প্ৰবল আছিল যদিও (মৌলানা আবুল কালাম আজাদৰ India Wins Freedom (Complete) গ্ৰন্থ দ্ৰষ্টব্য) অসমৰ কংগ্ৰেছ নেতৃত্ব সাম্প্ৰদায়িকতাৰ গেৰেকনিত

ডুব যোৱা নাছিল। অসমত হিন্দু-মুছলমানৰ বিদ্বেষ আৰু সংঘাতৰ ঐতিহাসিক পটভূমিও আগতে কোনোদিনে তৈয়াৰ হোৱা নাছিল। সেয়ে তৈয়বুল্লা বা ফকৰুদ্দিনৰ দৰে আগশাৰীৰ কংগ্ৰেছী নেতাসকলেও অসমত সেই দলৰ ধৰ্মনিৰপেক্ষ অৱস্থানক সন্দেহ কৰাৰ অৱকাশ বিচাৰি পোৱা নাছিল। বৰং কংগ্ৰেছৰ এই অৱস্থানৰ বাবে মুছলিম লীগ আৰু হিন্দু মহাসভা উভয়ৰে সমালোচনাৰ পাত্ৰ হৈছিল কংগ্ৰেছ। ইতিমধ্যে স্বাধীনতা সংগ্ৰামৰ তেজ আৰু গতিবেগ বৃদ্ধি পোৱাত, বিয়াল্লিশৰ আন্দোলনে কনকলতা-কুশলৰ দৰে অসংখ্য শ্বহীদৰ দেশপ্ৰেম, বীৰত্ব আৰু ত্যাগৰ কাহিনী কঢ়িয়াই অনাত আৰু একে সময়তে কমিউনিষ্ট আন্দোলনেও গা কৰি উঠাত অসমৰ জনসাধাৰণক, বিশেষকৈ কৃষক সমাজক ধৰ্ম বা ভাষাৰ নামত সাংঘাতিক ধৰণেৰে ভাগ ভাগ কৰাটো বৰ সহজ নাছিল। Assam Citizen Association (আগৰ Assam Domiciled and Settlers' Association)ৰ দৰে উগ্ৰ বাঙালী জাতীয়তাবাদী সংগঠনো কম সময়ৰ ভিতৰতে ভাগি গৈছিল।

তদুপৰি সুৰমা আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ মুছলমানসকল ৰাজনৈতিকভাৱে কোনোদিনে ঐক্যবদ্ধ হ'ব পৰা নাছিল। সুৰমা উপত্যকাৰ মুছলমান আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ মধ্যবিত্ত হিন্দু বাঙালীৰ দৃষ্টিভংগীত বাঙালী জাতীয়তাবাদৰ প্ৰভাৱ আছিল প্ৰবল। কিন্তু তাৰ বিপৰীতে ব্ৰহ্মপুত্ৰ উপত্যকাৰ পুৰণি অসমীয়া মুছলমানসকলে আশা কৰিছিল যে পূব বংগৰ পমুৱা মুছলমানসকলে অসমীয়া ভাষা-সংস্কৃতি গ্ৰহণ কৰি কালক্ৰমত আহোম বা কলিতাসকলৰ দৰেই অসমীয়া হৈ পৰিব। সেয়ে তেওঁলোকে পমুৱাসকলৰ মুক্ত সংমিশ্ৰণৰ পোষকতা কৰিছিল। এই উপত্যকাৰ পমুৱা মুছলমানসকলেও নিজৰ আৰ্থিক সুৰক্ষাৰ স্বাৰ্থতেই অসমীয়া ভাষা-কৃষ্টি গ্ৰহণ কৰাৰ পক্ষপাতী আছিল (Ref. A. Guha : Ibid, pp. 211, 259)। আনকি ছাদুল্লাই মুছলিম লীগৰ হেঁচাত পমুৱা মুছলমানসকলৰ বাবে কিছুমান "উন্নয়নমূলক" আঁচনি গ্ৰহণ কৰাৰ প্ৰস্তাৱ দিলেও লীগৰ নেতা ভাচানিৰ সৈতে তেওঁৰ বিৰোধো আছিল। ভাচানিৰ ওপৰত অসমীয়া মুছলমানসকলৰ আস্থা কমি আহিছিল। ১৯৪৬ চনৰ গ্ৰুপিঙৰ সময়তো অসমক বংগৰ লগত যুক্ত কৰাৰ প্ৰস্তাৱৰ লাভালাভ সম্পৰ্কে ব্ৰহ্মপুত্ৰ উপত্যকাৰ মুছলমানসকল সন্দিহান আছিল। সেয়ে সেই প্ৰস্তাৱৰ প্ৰতি ছাদুল্লা বা অন্যান্য মুছলমানসকলৰ দৃঢ় সমৰ্থন নাছিল। অসমৰ কেৱল গোৱালপাৰা জিলাতহে 'পাকিস্তান' আন্দোলনে প্ৰভাৱ পেলাইছিল। তদুপৰি ১৯৩৭ চনৰ আগলৈকে অসমত মুছলিম লীগৰ প্ৰভাৱ একেবাৰে নাছিল বুলিয়েই ক'ব পাৰি। সেয়ে মুছলিম সাম্প্ৰদায়িকতাৰ ভিত্তি অসমত সবল নাছিল। ১৯৪৬ চনৰ ১৬ আগষ্টত 'পাকিস্তান'ৰ দাবীত লীগে গ্ৰহণ কৰা Direct Action ৰ কাৰ্যসূচীতো ব্ৰহ্মপুত্ৰ উপত্যকাৰ মুছলমান জনসাধাৰণে বিশেষ অংশ লোৱা নাছিল। ১৯৪৭ চনত বৰদলৈ মন্ত্ৰীসভাৰ পমুৱা উচ্ছেদ নীতিৰ বিৰুদ্ধে লীগে চলোৱা আইন অমান্য আন্দোলনৰ হিংসাত্মক কামকাজবোৰক ছাদুল্লাইও সমালোচনা কৰিছিল। এইক্ষেত্ৰত তেওঁ কংগ্ৰেছৰ লগত আপোচৰ মনোভাৱহে

গ্ৰহণ কৰিছিল। এইটোও লক্ষণীয় যে অসমৰ মুছলমান জনসাধাৰণৰ ওপৰত লীগৰ প্ৰভাৱ আছিল এনেই সীমিত; তাতে মুছলমান-প্ৰধান ছিলেট জিলা পুব পাকিস্তানৰ অন্তৰ্ভুক্ত হোৱাত অসমত লীগৰ ভিত্তি একেবাৰে দুৰ্বল হৈ পৰে আৰু ১৯৪৮ চনত অসম প্ৰাদেশিক মুছলিম লীগ ভঙ্গ কৰি দিয়া হয়।

(৮)

অসমৰ জাতীয় জীৱনৰ সেই সন্ধিক্ষণত অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ কৰ্ণধাৰসকলে গ্ৰহণ কৰা নতুন দৃষ্টিভঙ্গীয়েও অতি গুৰুত্বপূৰ্ণ আৰু আশাপ্ৰদ ভূমিকা পালন কৰিছিল। সেই সময়ত এই অগ্ৰণী পুৰুষসকলে অসমীয়া জাতীয়তাৰ উপাদান হিচাপে ধৰ্মৰ সলনি ভাষাকহে স্বীকাৰ কৰি লৈছিল। তেওঁলোকৰ এই যুক্তিবাদী দৃষ্টিভংগী ইউৰোপীয় বুৰ্জোৱা সংস্কৃতিৰ উদাৰতাবাদৰেই যে ফল আছিল তাত কোনো সন্দেহ নাই। অসম কোনো কালেই একক ধৰ্ম বিশ্বাসৰ দেশ নাছিল। প্ৰাচীন কালৰে পৰা ভিন্ ভিন্ জাতিগোষ্ঠীৰ পৃথক পৃথক ধৰ্মবিশ্বাসবোৰৰ ইয়াতেই মিলন আৰু মিশ্ৰণ ঘটিছিল। সেয়ে কুৰি শতিকাৰ প্ৰথমাৰ্দ্ধত লক্ষ লক্ষ পমুৱা মুছলমানৰ প্ৰব্ৰজনে অসমৰ জনসাধাৰণৰ বহুধৰ্মীয় বৈশিষ্ট্যক অভাৱনীয়ভাৱে শক্তিশালীহে কৰিছিল। এই সত্যক অকাতৰে স্বীকাৰ নকৰি অসমীয়াৰ জাতীয় জীৱনক সংহত আৰু শক্তিশালী কৰাৰ কোনো গত্যন্তৰো নাছিল। আনন্দৰ কথা আছিল এয়ে যে সেই জাতীয় সংকটৰ সময়ত অসমীয়া জাতিৰ কৰ্ণধাৰসকলে ধৰ্মীয় সংকীৰ্ণতাক আধুনিক চিন্তা, যুক্তি আৰু উদাৰতাৰ পথত হেঙাৰ হ'বলৈ এৰি দিয়া নাছিল। ত্ৰিশৰ দশকত নীলমণি ফুকনৰ দৰে অগ্ৰণী অসমীয়াই থলুৱা মানুহৰ লগত পমুৱা মুছলমানসকলৰ পূৰ্ণ সংমিশ্ৰণৰ ওপৰতহে গুৰুত্ব দিছিল আৰু অসম তথা অসমীয়া ভাষাক গ্ৰহণ কৰিলে পমুৱা খেতিয়কসকলক অসমীয়া জাতিসত্তাৰ মাজত আদৰি লোৱাৰহে কথা কৈছিল। অম্বিকাগিৰি ৰায়চৌধুৰীয়েও প্ৰচাৰ চলাইছিল যে পমুৱা মুছলমানসকল অসমীয়া সমাজখনৰ লগত মিলি গ'লে তেওঁলোকৰ চাকৰি আৰু অন্যান্য সা-সুবিধাবোৰ নিৰাপদ হ'ব (Ref. 'Political History of Assam'; vol. 3 pp, 321-22)। ফুকন আৰু ৰায়চৌধুৰীয়ে 'অসম সংৰক্ষিণী সভা'ৰ হৈ ১৯৩৭ চনত জৱাহৰলাল নেহৰুলৈ লিখা এখন স্মাৰক পত্ৰত এই বুলিও অভিযোগ কৰিছিল যে পমুৱা মুছলমানসকলে থলুৱা অসমীয়াৰ লগত মিলি যাবলৈ ইচ্ছা কৰা সত্ত্বেও তেওঁলোকক বাঙালী ভাষা পঢ়িবলৈ প্ৰলোভিত আৰু বাধ্য কৰা হৈছিল। মুছলিম লীগেও এই "একান্ত স্থানীয় আৰু জাতিগত" প্ৰশ্নক সাম্প্ৰদায়িক ৰূপ দিবলৈ চেষ্টা কৰিছিল। সেয়ে ফুকন – ৰায়চৌধুৰীয়ে ছিলেট আৰু কাছাৰক অসমৰ পৰা ফালি নি ব্ৰহ্মপুত্ৰ উপত্যকাত অসমীয়াৰ নিৰঙ্কুশ সংখ্যাগৰিষ্ঠতা সুনিশ্চিত কৰাৰ আবেদন জনাইছিল (Ref. Ibid, p.257)।

ভাষিক প্ৰশ্নত অম্বিকাগিৰি ৰায়চৌধুৰীক উগ্ৰ জাতীয়তাবাদী বুলি সততে নিন্দা কৰা হয়। কিন্তু বহু দুৰ্যোগৰ ৰাতি পৰি-থৰি, খুন্দা-খুন্দলি খাই পুনৰ গা-মূৰ টঙাবলৈ চেষ্টা

কৰা অসমীয়া জাতিৰ সেই সন্ধিক্ষণত অম্বিকাগিৰি-নীলমণিয়ে যি বাটেদি খোজ দিছিল তাৰ কিবা বিকল্প আছিল বুলি আমাৰ মনে নধৰে। আমি অসমীয়া উগ্ৰ জাতীয়তাবাদক প্ৰমাণপত্ৰ দিব খোজা নাই। বৰং অসমৰ বাসিন্দাসকল যে চিৰদিনেই বহুধৰ্মীয় আৰু বহুভাষিক— এই সত্যক প্ৰতিষ্ঠা কৰিবলৈ গৈ আন বহুতৰ দৰে আমিও বহু আক্ৰমণ আৰু বাধাবিঘিনি মূৰ পাতি লৈ আহিছোঁ। তথাপি এই কথা ক'বই লাগিব যে আজিৰ বহু পাবত-গজা, ভণ্ড আৰু অপৰিণামদৰ্শী অসমীয়া "দেশপ্ৰেমী"ৰ কুৎসিৎ বৰ্ণবাদী তথা জাত্যাভিমানী চৰিত্ৰৰ তুলনাত অম্বিকাগিৰিহঁতৰ দেশপ্ৰেম আছিল বহু বেছি উদাৰ, সহিষ্ণু আৰু নিভাঁজ। তেওঁলোকৰ পৰম্পৰাক অসমীয়াই কেতিয়াবাই জলাঞ্জলি দিছে। এতিয়া শিয়াল পণ্ডিতৰ হো - ৰা আৰু মূৰ্খৰ অসহ্যকৰ দপদপনিয়ে অসমীয়াৰ জাতীয় জীৱনক বিশ্ৰী আৰু বিষময় কৰি তুলিছে। কিন্তু ব্ৰহ্মপুত্ৰ উপত্যকাত সংখ্যাগৰিষ্ঠ জাতি হিচাপে অসমীয়া যদি আজিও বাচি-আছে, লাখ লাখ পমুৱা মুছলমান কৃষকে যদি এতিয়াও অসমীয়া পৰিচয়কেই সাৱটি ধৰি আছে, তেন্তে তাৰ বাবে অম্বিকাগিৰিহঁতৰ ওচৰত অসমীয়া জাতি চিৰদিন ঋণী হৈ থাকিব।

অম্বিকাগিৰি-নীলমণিৰ দৰে লোকসকলৰ চেষ্টা আৰু দেশৰ স্বাধীনতা আন্দোলনৰ প্ৰভাৱত অসমত ধৰ্মীয় সংকীৰ্ণতামুক্ত বাতাবৰণ এটাৰ সৃষ্টি হোৱাত ভাষাভিত্তিক জাতি গঠনৰ প্ৰক্ৰিয়াও সবল হ'বলৈ ধৰে। পমুৱা মুছলমানসকলৰ অধিকাংশই কালক্ৰমত অসমীয়া হ'ল। এনে হাজাৰ হাজাৰ গৰীব কৃষক পৰিয়ালৰ ল'ৰা-ছোৱালীয়ে তেওঁলোকৰ যৎসামান্য পঢ়াশুনাও অসমীয়া ভাষাতেই কৰে। গোড়া অসমীয়া সমাজখনে তেওঁলোকক সততে অৱজ্ঞা আৰু আক্ৰমণ নকৰি সহানুভূতি আৰু সমমৰ্যাদাৰে গ্ৰহণ কৰা হ'লে এই পমুৱা মুছলমান কৃষকসকল অসমীয়া জাতিৰ শ্ৰম, শক্তি আৰু প্ৰেৰণাৰ উৎস হ'ব পাৰিলেহেঁতেন। কিন্তু হিন্দু অসমীয়াই তেওঁলোকক আত্মপৰিচয়ৰ নতুন সংকটৰ মুখলৈ বাৰে বাৰে ঠেলি দি নিজৰ ভৰিতেই কুঠাৰ মাৰিছে।

সেইদৰে অসমৰ সৰহভাগ প্ৰাচীন জনগোষ্ঠী, লাখ লাখ চাহ বনুৱা, হাজাৰ হাজাৰ নেপালী খেতিয়ক আৰু গাখীৰ ব্যৱসায়ী, গৰীব বাঙালী ক্ষুদ্ৰ ব্যৱসায়ী, অন্যান্য ভাষাভাষী হস্তশিল্পী, কাৰিকৰ আৰু বনুৱা আদিৰো সৰহভাগেই কালক্ৰমত অসমীয়া পৰিচয়কেই গ্ৰহণ কৰিবলৈ কুণ্ঠাবোধ কৰা নাছিল। তেওঁলোকৰ মাজৰ পৰা বহু প্ৰতিভাবান অসমীয়া কবি-সাহিত্যিক আৰু আন প্ৰতিভাৰো সৃষ্টি হৈছে। সংখ্যাবহুল পমুৱা মুছলমান আৰু চাহ বনুৱাকে ধৰি এই সকলোৰে সংমিশ্ৰণ আৰু সহপৰিচয়ৰ জোৰতেই ১৯৩১ চনৰ মাত্ৰ ৩৬ শতাংশ অসমীয়া ভাষী লোকৰ সংখ্যা ১৯৫১ চনত ৫২ শতাংশলৈ আৰু ১৯৭১ চনত ৭১ শতাংশলৈ বৃদ্ধি পায়। এই সকলোকে লৈহে অসমীয়াই সংখ্যাগৰিষ্ঠ জাতি হৈ থাকিব পাৰিছে। হোমেন বৰগোহাঞিও-এ লিখিছে : "আজি এই কথা পাহৰিলে নচলিব যে ২৬ লাখ ন-অসমীয়া মুছলমান আৰু প্ৰায় সমান সংখ্যক চাহ মজদুৰ সম্প্ৰদায়ৰ লোকে নিজকে অসমীয়া ভাষী বুলি পৰিচয় নিদিয়া হ'লে আজি অসমত অসমীয়া ভাষা

আৰু অসমীয়া উগ্ৰজাতীয়তাবাদৰ অৱস্থা কি হ'লহেতেন, সেইটো যথেষ্ট সন্দেহৰ কথা। আন কথাত ক'বলৈ গ'লে, অসমীয়া ভাষিক জাতীয়তাবাদ আৰু অসমীয়া জাতিৰ দুটা প্ৰধান লাইখুঁটা হ'ল ন-অসমীয়া মুছলমান আৰু চাহ মজদুৰ সম্প্ৰদায়। কিন্তু 'খিলঞ্জীয়া' অসমীয়াসকলে এই কথা সচেতনভাৱে মনত ৰাখেনে?" (হোমেন বৰগোহাঞিঃ 'বহিৰাগতৰ সমস্যা', পৃঃ ১৯-২০)।

(৯)

ইংৰাজৰ শাসনে অসমীয়াৰ জাতীয় জীৱনত যি এক নতুন অধ্যায়ৰ পাতনি মেলিছিল, সি আছিল আশা-নিৰাশা, বিশ্বাস-সংশয়, সংহতি-বিভেদৰ উপাদানেৰে ভৰপূৰ। নৱজাত অসমীয়া মধ্যবিত্ত শ্ৰেণীয়ে অসমীয়া ভাষা-সংস্কৃতি তথা জাতীয়তাক নতুনকৈ গঢ়ি তোলাৰ দায়িত্ব পালন কৰিছিল সঁচা, কিন্তু আধুনিক পুঁজি আৰু শিল্প ব্যৱসায়ে আনি দিয়া নতুন পৰিস্থিতি তথা নিষ্ঠুৰ বাস্তৱতাক নিৰ্বিবাদে আৰু হুবহু মানি ল'বলৈ সেই শ্ৰেণী প্ৰস্তুত হ'ব পৰা নাছিল। অসমলৈ অহা বনুৱা আৰু কৃষক, কৰ্মচাৰী আৰু ব্যৱসায়ী এই সকলোৰে সগত অসমীয়াৰ সংমিশ্ৰণ আৰু সংঘাত দুয়োটাই চলি থাকিল। ঔপনিৱেশিক যুগৰ সেই সংকট কালত এমুঠি আগৰণুৱা অসমীয়াই ধৰ্মীয় গোড়ামি এৰি ভাষিক জাতি গঠনৰ বাবে যি সংগ্ৰাম কৰিছিল, তাক সমগ্ৰ কুলীন সমাজখনে অকাতৰে আৰু আন্তৰিকতাৰে মানি ল'বলৈ প্ৰস্তুত নাছিল। পমুৱা মুছলমান আৰু চাহ বনুৱাৰ দৰে সম্প্ৰদায়বোৰ অসমীয়া হৈয়ো সেইখন সমাজত অচ্যুত হৈ ৰ'ল। আজি পমুৱা মুছলমান বা চাহ বনুৱাৰ শিক্ষিত অংশটোৱে সেই ফাঁকিটো ধৰা পেলাইছে। ইয়াৰ ফলাফল যে অসমীয়া জাতিৰ বাবে বিৰাট ক্ষতিকৰ হৈছে বা হ'ব পাৰে, সেই কথা কেৱল মতলবীসকলেহে নুবুজাকৈ থাকিব পাৰে।

আনহাতে ভাষিক জাতি গঠনৰ সুস্থ আৰু বাস্তৱানুগ পৰম্পৰাক সংকীৰ্ণমনা অসমীয়া মধ্যবিত্তই ভাষিক উগ্ৰজাতীয়তাবাদলৈ অধঃপতিত কৰিছে। তেওঁলোকে অসমীয়া ভাষা-কৃষ্টিক বচাই ৰখাৰ সহজ পন্থা হিচাপে বাছি লৈছে পাঁচ-দহ বছৰৰ মূৰে মূৰে বাঙালীক ভালকৈ এপিটন দিয়াৰ আত্মপ্ৰতাৰণামূলক অপকৌশল। অথচ ব্ৰিটিশ যুগৰ অসমীয়া জাতিৰ ৰথী-মহাৰথীসকলে ধৰ্মীয় গোড়ামি বা ভাষিক উগ্ৰ জাতীয়তা— কোনোটোকে প্ৰশ্ৰয় দিয়া নাছিল। তেওঁলোকৰ চিন্তাধাৰাক বিকৃত কৰিবলৈ গৈ আজিৰ অসমীয়াই নিজৰহে সৰ্বনাশ মাতি আনিছে। অসমীয়া ভাষা-সংস্কৃতিৰ উন্নতি তথা বিকাশৰ বাবে সাধাৰণভাৱে অসমীয়া মধ্যবিত্তৰ কোনো উদ্যোগ বা সৎ প্ৰচেষ্টা নাই; কিন্তু বৰ্ণবাদী গোড়ামি, ঈৰ্ষা আৰু প্ৰভুত্বৰ বাসনা চৰিতাৰ্থ কৰাৰ বাবে হঠকাৰিতা বা অমানুষিকতাৰ আশ্ৰয় ল'বলৈ তেওঁলোকৰ তৎপৰতাৰ কোনোদিনে অভাৱ হোৱা নাই। নক'লেও হ'ব, বৰ্তমান অসমীয়া ভাষা-সাহিত্যৰ নতুন সৃষ্টি আৰু সুস্থ জাতীয় চিন্তাৰ আঁত ধৰিবলগীয়া হৈছে এমুঠি উদাৰ, গণতান্ত্ৰিক আৰু প্ৰগতিবাদী শিল্পী-সাহিত্যিক বুদ্ধিজীৱীয়েহে। অথচ সেইসকলৰ বিৰুদ্ধে অসমীয়া

উগ্ৰজাতীয়তাবাদীসকলৰ আক্ৰোশ আৰু আক্ৰমণৰ কোনো শেষ নাই। অসমীয়া মধ্যবিত্তৰ এই ধূৰ্ত্তালি আৰু স্থূলবুদ্ধি আজি অসমীয়া জাতিৰ বিকাশৰ পথত বিৰাট অন্তৰায় হৈ পৰিছে।

আগতে উল্লেখ কৰা হৈছে যে ইংৰাজৰ আমোলত জন্ম লাভ কৰা অসমীয়া মধ্যবিত্ত শ্ৰেণীটোৰ উদ্ভৱ হৈছিল প্ৰধানকৈ বৰ্ণহিন্দুসকলৰ মাজৰ পৰাই। এই দিশৰ পৰা ইংৰাজৰ শাসনে অসমত এক নতুন সামাজিক ইতিহাস আৰম্ভ কৰিলে। তেতিয়াৰ পৰাই অসমৰ ৰাজনৈতিক আৰু সামাজিক জীৱনতো বৰ্ণহিন্দুৰ প্ৰাধান্যৰ সূচনা হ'ল। স্বাধীনতাৰ পিছতো অসমৰ বৃহত্তৰ জাতীয় আৰু সামাজিক জীৱনৰ সকলো দিশতে এই শ্ৰেণীৰ নিয়ন্ত্ৰণ থাকি গ'ল। তাৰ বিপৰীতে অসমৰ বিভিন্ন জনজাতীয় গোষ্ঠী আৰু আহোম সম্প্ৰদায়ৰ লোকসকলে শিক্ষা-দীক্ষা, চাকৰি-বাকৰি, ব্যৱসায়-বাণিজ্য আদি কোনোটো দিশতেই বৰ্ণহিন্দুসকলৰ লগত ফেৰ মাৰিব নোৱাৰি একাৰবীয়া হৈ ৰ'ল। তেওঁলোকৰ মাজতো পদ্মনাথ গোহাঞিঞ বৰুৱা, ভীমবৰ দেউৰী, কালিচৰণ ব্ৰহ্ম চৌধুৰী, ৰূপনাথ ব্ৰহ্ম আদিৰ দৰে ভালেমান অগ্ৰণী পুৰুষৰ জন্ম হৈছিল সঁচা, কিন্তু তেওঁলোক আছিল নিতান্তই ব্যতিক্ৰম মাথোন। এনে এক পটভূমিত জনজাতি আৰু আহোম সম্প্ৰদায়ৰ মাজত ক্ষোভ আৰু প্ৰতিক্ৰিয়াৰ সৃষ্টি আছিল এটা স্বাভাৱিক ঘটনা। তেওঁলোকৰ ক্ষোভ আৰু আকাংক্ষাৰ প্ৰতিফলন ঘটিছিল 'আহোম সভা', 'ট্ৰাইবেল লীগ' আদি নৱগঠিত গোষ্ঠীগত সংগঠনবোৰৰ মাজত। অসমীয়া হিন্দু সমাজখনে জনজাতীয় লোকসকলক তুচ্ছ-তাচ্ছিল্য কৰে বুলি ট্ৰাইবেল লীগৰ নেতা ভীমবৰ দেউৰীয়ে অভিযোগ কৰিছিল। ৰূপনাথ ব্ৰহ্মাইও হিন্দুপ্ৰধান কংগ্ৰেছ দলৰ হাতত জনজাতিবিলাকৰ স্বাৰ্থ ৰক্ষা নপৰিব বুলি আশংকা কৰিছিল। অথচ দেশৰ স্বাধীনতা আন্দোলন আৰু ব্ৰিটিশ যুগৰ জংগী কৃষক আন্দোলনবিলাকত জনজাতীয় লোকসকলৰ ভূমিকা আছিল অতি গুৰুত্বপূৰ্ণ। বিয়াল্লিশৰ আন্দোলনতো বহু জনজাতীয় লোক শ্বহীদ হৈছিল। কিন্তু দুৰ্ভাগ্যৰ কথা, অসমৰ এই পিছপৰা অথচ জনবহুল জনজাতীয় গোষ্ঠীবোৰৰ ন্যায্য আশা-আকাংক্ষা আৰু সমানাধিকাৰক জাত্যাভিমানী অসমীয়াই কোনোদিনে মনে প্ৰাণে মানি ল'ব নোৱাৰিলে। জাতিগত বিদ্বেষ আৰু বিচ্ছিন্নতাৰ পৰা অসমীয়া সমাজখন মুক্ত হ'ব নোৱাৰিলে। শিক্ষা-দীক্ষা, চৰকাৰী চাকৰি, ব্যৱসায়, আৰ্থিক নিৰাপত্তা আদি সকলো দিশতে জনজাতীয় লোকসকল বঞ্চিত হৈ ৰ'ল। আনকি ধুবুৰী জিলাৰ কাঠৰ ব্যৱসায়টোকো বড়োসকলৰ হাতৰ পৰা কাৰ্যতঃ কাঢ়ি লৈ বাহিৰৰ মানুহক অধিক দাকত দি দিয়া হৈছিল বুলি 'ধুবুৰী বড়ো যুৱক সম্মিলনী'য়ে চাইমন কমিছনৰ আগত অভিযোগ কৰিছিল। জনজাতীয় কৃষকসকলো নিজৰ মাটি-ভেটিৰ পৰা ক্ৰমাগতভাৱে উচ্ছেদ হ'বলগীয়া হৈছিল। অথচ এইসকল জনজাতীয় লোকৰ প্ৰতি অন্যায় আৰু অবিচাৰ নকৰাহেঁতেন, তেওঁলোকৰ মাটিৰ অধিকাৰ আৰু জাতীয় স্বাতন্ত্ৰ্যক শ্ৰদ্ধা আৰু ৰক্ষা কৰিব পৰা হ'লে, আজি তেওঁলোক বৃহৎ অসমীয়া জাতিৰ গৌৰৱৰ কাৰণ হ'লহেঁতেন। আমাৰ দুৰ্ভাগ্য, সেইটো হ'বলৈ দিয়া নহ'ল।

থলুৱা জনগোষ্ঠীবোৰৰ মাজত এনে সংঘাত চলি থকা অৱস্থাত বিপুল সংখ্যক বহিৰাগতক নিজৰ জাতীয় জীৱনৰ মাজত সামৰি লোৱাৰ উদাৰ মানসিকতাই কেতিয়াও ঠন ধৰি উঠিব নোৱাৰে। সেয়ে অসমীয়া মধ্যবিত্ত শ্ৰেণী আৰম্ভণিৰে পৰাই এই বহিৰাগতসকলৰ প্ৰতি আছিল সংশয়ী আৰু বীতশ্ৰদ্ধ। বাঙালী কৰ্মচাৰী আৰু পমুৱা মুছলমানসকলৰ ক্ষেত্ৰত অসমীয়াৰ সচেতনতাই পমুৱা মুছলমানবিৰোধী উন্মাদনাৰ পৰা অসমীয়াক ৰক্ষা কৰিছিল, কিন্তু অসমীয়া মধ্যবিত্ত শ্ৰেণীটোৰ মনৰ পৰা সংশয় আৰু বিদ্বেষ দূৰ হোৱা নাছিল। গতিকে সংমিশ্ৰণ তথা সংহতিৰ প্ৰক্ৰিয়াও আছিল মন্থৰ, বাধাগ্ৰস্ত আৰু কাৰ্যতঃ একপক্ষীয়। আনহাতে মধ্যবিত্ত বাঙালী কৰ্মচাৰীসকলৰো জাত্যাভিমানে সেইচাম বহিৰাগতৰ সংমিশ্ৰণত প্ৰচণ্ড বাধাৰ সৃষ্টি কৰিছিল।

অসমত গঢ়ি উঠা শিল্প প্ৰতিষ্ঠানবিলাকৰ পৰাও অসমীয়াই বিশেষ সুফল পোৱা নাছিল। চাহশিল্পৰ বিকাশ হ'ল, কিন্তু সি ৰাজ্যখনৰ আৰ্থ-সামাজিক জীৱনলৈ বাঞ্ছিত প্ৰগতি আৰু পৰিবৰ্তন আনিব নোৱাৰিলে। অসমৰ উচ্ছেদিত থলুৱা কৃষকসকল চাহশিল্পৰ চাৰিসীমাৰ বাহিৰতে ৰৈ গ'ল। তদুপৰি ইংৰাজ মালিকসকলে চাহ বনুৱাসকল অসমৰ থলুৱা সমাজখনৰ লগত মিলি যোৱাটো নিবিচাৰিছিল। সেয়ে চাহবাগিচাৰ বাবে একোখন সুকীয়া বজাৰ আৰু এটা সুকীয়া সমাজ জীৱন গঢ়ি তোলা হৈছিল। বনুৱাসকলৰ প্ৰয়োজনবোৰ মালিক আৰু মাৰোৱাৰী মহাজনবিলাকে বাহিৰৰ পৰা সুকীয়াকৈ যোগান ধৰিছিল। ফলত চাহ বনুৱাসকলৰ লগত থলুৱা মানুহৰ যোগাযোগ প্ৰায়েই নহৈছিল। বৰং তেওঁলোকৰ মাজত গঢ়ি উঠিছিল আৰ্থ-সাংস্কৃতিক আৰু মনস্তাত্ত্বিক দূৰত্ব। এই দূৰত্ব অতিক্ৰম কৰাৰ বাবে অসমীয়া মধ্যবিত্তই কোনোদিনে চেষ্টা নকৰিলে। তদুপৰি আৰম্ভণিত চাহবাগিচাবিলাকত বনুৱাসকলৰ জীৱন প্ৰণালীও আছিল আদিম আৰু অমানৱীয়। পিছলৈ যোগাযোগ ব্যৱস্থাৰ কিছু উন্নতি আৰু বাগিচাবোৰৰ আধুনিকীকৰণ হৈছিল যদিও চাহ বনুৱাসকলৰ মুক্ত সংমিশ্ৰণ ঘটা নাছিল। অসমৰ কৃষক সমাজখন এই 'বঙাল' প্ৰভাৱৰ পৰা নিৰাপদ দূৰত্বত ৰৈ গৈছিল। বাগিচাবিলাকৰ অৱস্থানো আছিল দূৰ-দূৰণিত। এতিয়া যাতায়াত সুচল হোৱাত যোগাযোগ বাঢ়িছে। থলুৱা অসমীয়া সমাজখনৰ লগতো চাহ বনুৱাসকলৰ সম্পৰ্ক আৰু সংমিশ্ৰণো বাঢ়িছে। বহু প্ৰাক্তন চাহ বনুৱাই খেতি কৰিবলৈ লোৱাত থলুৱা কৃষকসকলৰ লগত তেওঁলোক মিলি গৈছে। এতিয়া চাহবাগিচাবিলাকৰ ওচৰে-পাজৰে একোখন উমৈহতীয়া বজাৰো সৃষ্টি হৈছে— যি চাহ বনুৱাসকলৰ পুৰণি বিচ্ছিন্নতাক আঁতৰ কৰি থলুৱা জনসাধাৰণৰ লগত তেওঁলোকৰ অবাধ সংমিশ্ৰণ সহজ কৰি তুলিছে। আজি এই সংমিশ্ৰণক সংহত কৰাৰ ওপৰত অসমীয়া জাতিৰ ভৱিষ্যত বহুলাংশে নিৰ্ভৰশীল। কিন্তু থলুৱা জনগোষ্ঠীবোৰৰ নিজৰে অন্তৰ্দ্বন্দ্বৰ ফলত সেই সংহতিৰ সুযোগ অসমীয়াই পূৰামাত্ৰাই গ্ৰহণ কৰিব পৰা নাই।

চতুৰ্থ অধ্যায়

বৈষম্য আৰু প্ৰৱঞ্চনাৰ কাহিনী

(১)

ইংৰাজৰ দিনত অসমৰ জনগাঁথনিটো তেনেই বদলি গৈছিল। তেতিয়া বহিৰাগতৰ বিপুল প্ৰব্ৰজনৰ পটভূমিত থলুৱা আৰু বহিৰাগতৰ মাজত সংঘাত আৰু সংমিশ্ৰণৰ এটা জটিল প্ৰক্ৰিয়াৰ সৃষ্টি হৈছিল। অসমীয়া জাতিৰ চেহেৰা আৰু গঠনৰ ক্ষেত্ৰত স্বাভাৱিকভাৱে দেখা দিছিল কিছুমান মৌলিক পৰিবৰ্তনে। কিন্তু সামগ্ৰিকভাৱে অসমীয়া মধ্যবিত্তই এই পৰিবৰ্তনবোৰ সহজভাৱে গ্ৰহণ কৰিব পৰা নাছিল। চাকৰি-বাকৰি আৰু ভাষা-সংস্কৃতিক কেন্দ্ৰ কৰি বহিৰাগত বাঙালী মধ্যবিত্ত চাকৰিয়াল আৰু বৃত্তিধাৰীসকলৰ প্ৰতি অসমীয়াৰ বিদ্বেষ আৰু সংঘাতৰ মনোভাব গজগজীয়া হৈছিল। তেনে এটা অৱস্থাতে পমুৱা মুছলমান কৃষকসকলৰ ব্যাপক প্ৰব্ৰজনে অসমীয়া মধ্যবিত্তক সচকিত কৰি তুলিছিল। তেওঁলোকে সন্দেহ কৰিছিল যে পমুৱা মুছলমানৰ প্ৰব্ৰজন অবাধ গতিৰে চলি থাকিলে অসম একালত মুছলমান-প্ৰধান ৰাজ্যত পৰিণত হ'বগৈ আৰু অসমৰ মাটিবাৰীও এইসকল পমুৱাৰ হাতলৈ গুচি যাব। সেই সময়ৰ দূৰদৃষ্টিসম্পন্ন এমুঠি অগ্ৰণী অসমীয়াই এইসকল পমুৱাক অসমীয়া জাতিৰ মাজত ঠাই দি অসমীয়া কৰি লোৱাৰ কথা চিন্তা কৰিছিল। কিন্তু সামগ্ৰিকভাৱে আভ্যন্তৰীণ দ্বন্দ্বত দুৰ্বল আৰু দ্বিধাগ্ৰস্ত অসমীয়া সমাজখন বহিৰাগতৰ বিপুল প্ৰব্ৰজনৰ সন্মুখত একপ্ৰকাৰ অসহায় হৈ পৰিছিল। অসমীয়া মধ্যবিত্তৰ মজ্জাগত সংশয়, সংকীৰ্ণতা আৰু উগ্ৰজাতীয়তা হ'ল সেই অসহায়তাৰে প্ৰতিফলন মাত্ৰ।

দেশে স্বাধীনতা লাভ কৰাৰ পিছতো অসমলৈ বহিৰাগতৰ প্ৰব্ৰজন চলি থাকিল। দেশ-বিভাজনৰ সময়ত সংঘটিত ৰক্তক্ষয়ী সাম্প্ৰদায়িক সংঘৰ্ষবোৰৰ ফলত উদ্বাস্তু হৈ পৰা লাখ লাখ ভগনীয়া অসমলৈ আহিছিল (১৯৫১ চনত ২,৭৪,৪৫৫ জন আৰু ১৯৬১ চনত ৬,২৪,২৪৯ জন)। তেওঁলোকৰ সৰহভাগ ইয়াতে থৈ গ'ল। আনহাতে পূব পাকিস্তানৰ পৰাও বহুতো অবৈধ অনুপ্ৰৱেশকাৰী অসমলৈ আহি থাকে। ভাৰতৰে অন্যান্য ৰাজ্যৰ পৰাও সোঁত নিছিগাধাৰে বৈ আছিল। এই সকলোৰে হেঁচাত অসমৰ জনসংখ্যাও সৰ্বভাৰতীয় হাৰতকৈ বহুত বাঢ়ি গ'ল। ১৯৬১ আৰু ১৯৭১ চন দুটাত সৰ্বভাৰতীয় পৰ্যায়ত জনসংখ্যা বৃদ্ধিৰ হাৰ আছিল যথাক্ৰমে ২১.৬৩ আৰু ২৪.৫৭

শতাংশ। কিন্তু অসমত সেই দুটা বছৰত জনসংখ্যা বৃদ্ধিৰ হাৰ হৈছিল ৩৪.৭৪ আৰু ৩৪.৭১ শতাংশ। অৱশ্যে ১৯৫০ চনত অসমতো এটা ডাঙৰ সাম্প্ৰদায়িক সংঘৰ্ষৰ সৃষ্টি হোৱাত কামৰূপ আৰু গোৱালপাৰাৰ লক্ষাধিক মুছলমানে অসম এৰি গুচি গৈছিল। কিন্তু তেওঁলোকেও ৰাজ্যখনৰ জনসংখ্যাৰ বৃদ্ধি কমাব পৰা নাছিল।

আনহাতে এইকথাও মন কৰিবলগীয়া যে বহিৰাগতৰ প্ৰব্ৰজনে অসমীয়া ভাষীৰ সংখ্যা কমাব পৰা নাছিল, বৰং বঢ়াইছিলহে। ১৯৫১ চনত অসমীয়াভাষী লোকৰ সংখ্যা আছিল মুঠ জনসংখ্যাৰ ৬২ শতাংশ আৰু ১৯৬১ চনত ৬১ শতাংশ। ব্ৰহ্মপুত্ৰ উপত্যকাত অসমীয়াৰ সংখ্যা আছিল ৭১ শতাংশ আৰু বাঙালীৰ ১১.৫ শতাংশ। আনহাতে ১৯৫১-৭১ চনৰ ভিতৰত বাঙালীৰ সংখ্যা আছিল যথাক্ৰমে ২১ আৰু ২০ শতাংশ। কেৱল কাছাৰত ১৯৭১ চনত বাঙালীৰ সংখ্যা ৭৮.৭৫ শতাংশ হয়গৈ। ১৯৫১ আৰু ১৯৭১ বছৰ দুটাত অন্যান্য ভাষাভাষী লোকৰ সংখ্যা আছিল যথাক্ৰমে ১৭ আৰু ১৯ শতাংশ (শিৱনাথ বৰ্মণৰ 'স্বদেশ স্বমত' গ্ৰন্থ দ্ৰষ্টব্য)। ঐতিহাসিক কাৰণতেই বহুদিনৰ আগতেই কাছাৰ জিলা বাঙালী প্ৰধান অঞ্চলত পৰিণত হৈছিল।

পৰিসংখ্যাই কথা নকয়। তদুপৰি প্ৰাপ্ত পৰিসংখ্যাই সকলো সময়তে আমাৰ নিৰ্ভৰযোগ্য সাৰথি নাইবা শেষ কথা হ'ব নোৱাৰে। তথাপি পৰিসংখ্যাৰ আঁত ধৰি আগবঢ়াৰ বাহিৰে আমাৰ গত্যন্তৰ নাই। ১৯৭১ চনৰ পিয়লমতে ব্ৰহ্মপুত্ৰ উপত্যকাত অসমীয়াভাষী লোকৰ হাৰ যে ৭১ শতাংশ হৈছিলগৈ তাৰ একমাত্ৰ ব্যাখ্যা হ'ল এয়ে যে অসমলৈ অহা বহিৰাগতৰ অধিকাংশই অসমীয়াভাষী বুলি পৰিচয় দিছিল। সেয়ে ভাষিক গোট হিচাপে সংখ্যালঘু হোৱাৰ ভয় অসমীয়াৰ নাছিল। তেতিয়ালৈকে অসমৰ থলুৱা জনগোষ্ঠী, চাহ বনুৱা আৰু পমুৱা কৃষকসকলে অসমীয়াৰ বাহিৰে অন্য পৰিচয়ৰ কথা চিন্তা কৰা নাছিল। অৱস্থা এইদৰে চলি থকা হ'লে কোনোবাদিনা বৰাক উপত্যকাৰ জনসংখ্যাৰ শতকৰা এশভাগেই বাঙালীভাষীত পৰিণত হ'লেও ব্ৰহ্মপুত্ৰ উপত্যকাত আৰু সামগ্ৰিকভাৱে গোটেই অসমত অসমীয়াৰ ভাষিক সংখ্যাগৰিষ্ঠতাৰ কোনো সংকট নহ'লহেতেন।

ধৰ্মৰ ফালৰ পৰাও অসম কোনোদিনে মুছলমানপ্ৰধান ৰাজ্যত পৰিণত হোৱাৰ আশংকা নাছিল। ১৯৭১ চনত অসমৰ মুঠ জনসংখ্যাৰ ৭২.৫১ শতাংশই আছিল হিন্দু আৰু মাত্ৰ ২৪.৫৬ শতাংশ আছিল মুছলমান। বৃদ্ধিৰ হাৰো আছিল হিন্দুৰ ৩৮.৩ শতাংশ আৰু মুছলমানৰ ৩০.৯ শতাংশ। তেনেস্থলত হিন্দু অসমীয়াসকল সংখ্যালঘু হোৱাৰ ভয়ো আছিল অমূলক। অন্ততঃ পৰিসংখ্যাই এই সিদ্ধান্তকেই হাজিৰ কৰায়।

তথাপি উগ্ৰজাতীয়তাবাদী উন্মাদনাই অসমীয়াৰ লগ এৰা নাই। ১৯৭৯-৮৫ চনৰ ভিতৰত বিদেশী বিতাড়নৰ দাবীত ভয়ঙ্কৰ উত্তেজনা, হিংসা, ভয়-ভাবুকি, হত্যাকাণ্ড আদি সংঘটিত হ'ল। সেই আন্দোলনে জাতীয়তাবাদী দল অসম গণ পৰিষদৰ হাতত ক্ষমতা তুলি দিলে। অসমৰ জনসাধাৰণ গণ পৰিষদৰ দ্বাৰাও প্ৰতাৰিত হ'ল। এক্ৰিয়া

সশস্ত্ৰ সন্ত্ৰাসবাদীসকলে অসমক ভাৰতৰ পৰা মুক্ত বা স্বাধীন কৰাৰ দাবী তুলিছে। অত্যাধুনিক অস্ত্ৰ-শস্ত্ৰৰ বলত সন্ত্ৰাসবাদীসকলে দেশৰ ঐক্য-সংহতিক সঁচাকৈয়ে আৰু সবলভাৱে প্ৰত্যাহ্বান জনাইছে। এই বিচ্ছিন্নতাবাদী প্ৰৱণতাৰ আচল কাৰণবোৰ বিচাৰি উলিয়াব নোৱাৰিলে সন্ত্ৰাসবাদ প্ৰতিৰোধ কৰা বৰ সহজ নহ'ব।

এইখিনিতে এটা কথা উল্লেখ কৰি থোৱা প্ৰয়োজন। ইংৰাজসকলে অসম তথা উত্তৰ পূৰ্বাঞ্চলটোক ব্ৰিটিশ ভাৰতৰ অন্তৰ্ভুক্ত কৰি দেশৰ বাকী অংশৰ জনসাধাৰণৰ জীৱন আৰু যন্ত্ৰণাৰ লগত এই অঞ্চলৰ জনসাধাৰণৰ অবিচ্ছিন্ন যোগসূত্ৰ স্থাপন কৰে। সেইটো ভাল হৈছিল নে বেয়া হৈছিল সেইকথা এতিয়া বিচাৰ কৰিবলৈ যোৱাটো কেৱল অনৈতিহাসিকেই নহয়, অবান্তৰ আৰু বিভ্ৰান্তিকৰো। ভাৰতৰ জনসাধাৰণৰ লগত অসমীয়াৰ যোগসূত্ৰ আৰু বেছি কটকটীয়া কৰিলে অসমৰ গণতান্ত্ৰিক কৃষক আন্দোলন আৰু দেশৰ স্বাধীনতা সংগ্ৰামৰ পৰম্পৰাই। ভাৰতৰ ৰাজনৈতিক-সামাজিক মানচিত্ৰত অসমৰ জনসাধাৰণে স্বেচ্ছাই নিজৰ নাম অন্তৰ্ভুক্ত কৰিলে। দেশ যেতিয়া স্বাধীন হ'ল, তেতিয়াও অসম ভাৰত যুক্তৰাষ্ট্ৰৰ অন্তৰ্ভুক্ত হ'ল। অন্য কাৰোবাৰ হেঁচাত নহয়, নিজৰ ইচ্ছাত। অসমৰ মানুহেও গোটেই দেশৰ আৰ্থ-সামাজিক প্ৰগতিৰ লগতে নিজৰ ভৱিষ্যত উন্নতিৰো স্বপ্ন দেখিছিল। স্বাধীনতা লাভৰ সেই আনন্দমুখৰ আৰু প্ৰেৰণাসিক্ত মুহূৰ্তত অসমৰ জনসাধাৰণে লোৱা সেই সিদ্ধান্ত, তেওঁলোকে দেখা সেই স্বপ্নৰ বাবে ভাৰতীয়সকলক "ঔপনিবেশিকতাবাদী" বুলি এতিয়া নিন্দা কৰাৰ কোনো যুক্তি নাই।

কিন্তু নতুন শাসনব্যৱস্থাত অসম তথা উত্তৰ-পূব অঞ্চলটোৱে আৰ্থিক, সাংস্কৃতিক— কোনোফালেই আশানুৰূপ প্ৰগতি লাভ কৰিব নোৱাৰিলে। অসমৰ অৰ্থনীতিৰ ৰাজহাড় স্বৰূপ কৃষি আৰু কৃষক সমাজৰ অৱস্থাৰ পৰিবৰ্তন হোৱা দূৰৰ কথা, অধিক অৱনতিহে ঘটিল। যাতায়াত, যোগাযোগ আদিৰ ক্ষেত্ৰতো ৰাজ্যখন আজিও পশ্চাদপদ আৰু বঞ্চিত। সেইদৰে ইংৰাজৰ দিনতেই স্থাপন কৰা চাহ, তেল, কয়লা, প্লাইউদ আদি উদ্যোগকেইটাৰ বাহিৰে অন্য কোনো শিল্প ৰাজ্যখনত স্থাপন নহ'ল। আনহাতে এই প্ৰতিষ্ঠিত শিল্পকেইটাৰ পৰাও অসম বিশেষ লাভবান হ'ব পৰা নাই। নতুন পুঁজিৰ বিনিয়োগ, কৰ্মসংস্থান, বজাৰ-সম্প্ৰসাৰণ আদি দিশতো অসম বেছি পৰিমাণে বঞ্চিত। এই বঞ্চিতৰ চেতনাই এতিয়া বিচ্ছিন্নতাবাদৰ ৰূপত আত্মপ্ৰকাশ কৰিছে।

কৃষিৰ কথাকেই প্ৰথমে ধৰা হওক। অসম কৃষি প্ৰধান ৰাজ্য। ইয়াৰ মাটি সাৰুৱা। আজিও অসমৰ কৃষকে অন্যান্য ৰাজ্যৰ কৃষকৰ দৰে ইমান ব্যাপক হাৰত ৰাসায়নিক সাৰ ব্যৱহাৰ কৰিবলগীয়া হোৱা নাই। এইটো ঠিক যে অসমতো সাৰৰ প্ৰয়োগ বাঢ়িছে। ১৯৮৯-৯০ চনত অসমত সাৰৰ ব্যৱহাৰ ২২৪৭১ মেট্ৰিক টন, কিন্তু পিছৰ বছৰতে তাৰ পৰিমাণ ৩৭৬৭২ টনলৈ বৃদ্ধি পায়। কিন্তু এইখিনি সাৰৰো অধিকাংশ ব্যৱহৃত হয় চাহ বাগিচাবোৰতহে। কিন্তু মাটি সাৰুৱা হ'লেও খৰ আৰু বানপানীৰ সমান

দৌৰাত্ম্যই অসমৰ খেতিপথাৰ প্ৰতি বছৰে উছন কৰি যায়। লক্ষ লক্ষ কৃষক তাত আক্ৰান্ত হয়। অসমত ৩ বিঘা বা তাৰ তলত মাটি থকা প্ৰান্তীয় কৃষকৰ সংখ্যাই হ'ব মুঠ জনসংখ্যাৰ এক তৃতীয়াংশমান। বছৰেকীয়া প্ৰাকৃতিক দুৰ্যোগে প্ৰতি বছৰে হাজাৰ হাজাৰ কৃষকক সৰ্বস্বান্ত কৰে। ফলত ৰাজ্যখনৰ প্ৰয়োজনীয় খাদ্যশস্যৰ আধাভাগমানহে ইয়াত উৎপন্ন হয়। বাকীখিনি সদায় বাহিৰৰ পৰাই আনিব লাগে। সেউজ বিপ্লৱৰ বছৰবোৰতো অসমত কৃষি উৎপাদন বাঢ়িছিল মাত্ৰ ০.৩ শতাংশ, অথচ সেই বৃদ্ধিৰ সৰ্বভাৰতীয় হাৰ আছিল ১.৪৭ শতাংশ। ৰাজ্যখনত অভিলেখ পৰিমাণৰ খাদ্যশস্য উৎপন্ন হয় বুলি চৰকাৰৰ কৃষি বিভাগে মাজে সময়ে দাবী কৰে (Ref. 'The Assam Tribune, Sept. 5, 1991), কিন্তু সেই দাবী কিমান অন্তঃসাৰশূন্য, সেই কথা অসমৰ মানুহৰ জনমূৰি আয়ৰ কথা চালেই বুজা যায়। ১৯৮৪-৮৫ চনৰ পৰা ১৯৮৮-৮৯ চনৰ ভিতৰত ৰাষ্ট্ৰীয় পৰ্যায়ত জনমূৰি আয় যেতিয়া ৩.৮ শতাংশ বৃদ্ধি পাইছিল, তেতিয়া অসমত সেই আয় বাঢ়িছিল মাত্ৰ ১.৭ শতাংশ। অথচ অসম চৰকাৰৰ বছৰেকীয়া আয়ৰ অধিকাংশই আহে কৃষিৰ পৰাহে। সেয়ে কৃষি আৰু কৃষক সমাজৰ উন্নতিৰ অবিহনে ৰাজ্যখনৰ সৰ্বাংগীন উন্নতিৰ কথা কল্পনা কৰিব নোৱাৰি। অসমত ভূমি সংস্কাৰ, কৃষি প্ৰণালীৰ সংস্কাৰ, বান নিয়ন্ত্ৰণ, জলসিঞ্চন আদি ব্যৱস্থাবোৰৰ প্ৰয়োজন আছিল সৰ্বাধিক। তাকে কৰিব পৰা হ'লে অসমৰ গৰীব কৃষকে মাটি পালেহেঁতেন, প্ৰলয়ঙ্কৰী বানৰ পৰা খেতিপথাৰ ৰক্ষা কৰিব পৰা গ'লহেঁতেন, শস্যৰ উৎপাদনো বাঢ়িলহেঁতেন। অসমৰ মাটিহীন কৃষকৰ মাজত চিলিং উদ্বৃত্ত আৰু অন্যান্য পতিত কৃষিযোগ্য মাটিবোৰ বিতৰণ কৰা হ'লে ৰাজ্যখনৰ আৰ্থ-ৰাজনৈতিক সমস্যাবোৰো বহু কমিলহেঁতেন। ৰাজ্যখনৰ শিল্পায়ন, ব্যৱসায়-বাণিজ্য আৰু সামগ্ৰিক উন্নয়নৰ চৰ্ত হিচাপে মাটিৰ সম্পৰ্কবোৰৰ আৰু কৃষি প্ৰণালীৰ আমূল সংস্কাৰ আৰু বান নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰি কৃষক সমাজৰ অৱস্থা টনকিয়াল কৰাটো অতি প্ৰয়োজনীয় আছিল। সেই কাম কৰা নহ'ল। অৱশ্যে এইক্ষেত্ৰত অসম কোনো ব্যতিক্ৰম নহয়। দেশৰ পুঁজিপতি জমিদাৰ শ্ৰেণীবোৰৰ শাসনত সমগ্ৰ দেশৰ কৃষক সমাজ একেদৰেই লুণ্ঠিত আৰু বঞ্চিত। তথাপি অসমৰ বৃহদাংশ দুখীয়া আৰু মজলীয়া কৃষকসকলক কৃষিঋণ, জলসিঞ্চন, সাৰ আৰু বান নিয়ন্ত্ৰণৰ ক্ষেত্ৰত যথেষ্ট সকাহ দিয়াৰ সুযোগ আছিল। তেওঁলোকৰ মাটি ভেটিৰ সুৰক্ষাৰ বাবে তেনেধৰণৰ সকাহৰ অত্যন্ত প্ৰয়োজন আছিল। কিন্তু অসমৰ কৃষি অৰ্থনীতি ক্ৰমাগতভাৱে ধ্বংসহে হৈছে, তাৰ পুনৰ্গঠন বা সংস্কাৰ একেবাৰেই হোৱা নাই। অসমৰ মাটি আৰু সম্পদৰ পৰাই অসমীয়া মাটিহীন আৰু গৰীব কৃষক বঞ্চিত হ'বলৈ ধৰিছে। অসমীয়া কৃষকৰ মৰ্মবেদনাও সেয়ে।

অসমৰ বানপানী ৰাজ্যখনৰ কৃষি আৰু কৃষকসমাজৰ বাবে এটা প্ৰলয়ঙ্কৰী সমস্যা। এই সমস্যাৰ প্ৰকোপ দিনক দিনে বাঢ়িছেহে, কমা নাই। প্ৰতি বছৰে ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈবোৰে প্ৰলয়ৰ সৃষ্টি কৰে। বৰাক উপত্যকাতো বানপানীৰ একেধৰণৰ অত্যাচাৰ।

ব্ৰহ্মপুত্ৰৰ বুকু বাম হৈ অসংখ্য মাজুলীৰ সৃষ্টি হৈছে। একে সময়তে প্ৰতিবছৰে গৰাখহনীয়াৰ প্ৰকোপো বাঢ়ি গৈছে। আগৰ মাজুলী, শদিয়া আৰু ব্ৰহ্মপুত্ৰৰ দুয়োপাৰৰ অসংখ্য গাওঁ গৰাখহনীয়াৰ বিপদৰ মুখত পতিত। হাজাৰ হাজাৰ কৃষক পৰিয়ালৰ মাটি-ভেটি, ঘৰ-দুৱাৰ সকলো বৰনৈৰ বুকুত জাহ গৈছে। ৰাজ্যখনত প্ৰতি বছৰে প্ৰায় অৰ্দ্ধেক কৃষকৰ শস্য আৰু ঘৰ-দুৱাৰ নষ্ট হয়। এনে অৱস্থাত বানপানীৰ স্থায়ী প্ৰতিৰোধৰ ব্যৱস্থা কৰিব নোৱাৰিলে অসমকো বচাই ৰখা টান হ'ব। কিন্তু দুখৰ কথা, বান নিয়ন্ত্ৰণৰ বাবে কাৰ্যকৰী আৰু ফলপ্ৰসূ ব্যৱস্থা আজিও গ্ৰহণ কৰা হোৱা নাই। বানপীড়িতসকলক অত্যন্ত সাময়িক সাহায্য দিয়াতেই ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ দায়িত্ব শেষ। ব্ৰহ্মপুত্ৰৰ দৰে বিশাল আৰু দীঘল নৈক নিয়ন্ত্ৰণ কৰাৰ বাবে যিধৰণৰ পৰিকল্পনা, অৰ্থবিনিয়োগ আৰু শ্ৰম নিয়োগৰ প্ৰয়োজন হ'ব, সেইখিনি পূৰণ কৰাটো অসম চৰকাৰৰ ক্ষমতাৰ বাহিৰত। কিন্তু কেন্দ্ৰইও এই ব'ব নোৱাৰা ভাৰখন কেৱল অসম চৰকাৰৰ কান্ধতেই এৰি দি দায়দায়িত্ব এৰাই চলিছে। ব্ৰহ্মপুত্ৰ বাননিয়ন্ত্ৰণ ব'ৰ্ডৰো কেৱল ছাইনবৰ্ডখনহে আছে বুলি ধৰিব পাৰি। উত্তৰ পূব পৰিষদৰ ফালৰ পৰাও এই দিশত কোনো উদ্যোগ নাই। ৰাজ্যখনৰ এই প্ৰলয়ঙ্কৰী বছৰেকীয়া দুৰ্যোগটোৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰৰ এনে অৱহেলা আৰু বৈষম্যমূলক আচৰণে ৰাজ্যখনত বিচ্ছিন্নতাবাদী প্ৰৱণতাৰ বৃদ্ধিত নিশ্চিতভাৱেই অৰিহণা যোগাইছে। অসমৰ মানুহৰ যুক্তিসংগত অভিযোগ হ'ল এয়ে যে কেন্দ্ৰীয় চৰকাৰে খাৰুৱা তেল, চাহপাত আদিক ৰাষ্ট্ৰীয় সম্পদ বুলি বিবেচনা কৰে, কিন্তু বানপানীৰ দৰে বৃহৎ সমস্যাটোক ৰাষ্ট্ৰীয় সমস্যা বুলি স্বীকাৰ কৰি ল'বলৈ টান পায়। এই অভিযোগ একেবাৰে ভিত্তিহীন নহয়। অসমৰ নৈ কেইখনৰ মথাউৰি বান্ধোতে বা বান সাহায্যৰ টকাকেইটা খৰচ কৰোঁতে দুৰ্নীতি আৰু অনিয়ম চলাৰো সঁচা অভিযোগ আছে; কিন্তু সেই অজুহাততে কেন্দ্ৰই আচল দায়িত্বৰ পৰা পলাব বিচাৰিলে তাৰ পৰিণাম কাৰো বাবেই মঙ্গলজনক নহ'ব। অসমৰ মানুহৰ ক্ষোভ আৰু মনোবেদনা দূৰ কৰাৰ দায়িত্ব প্ৰধানকৈ কেন্দ্ৰীয় চৰকাৰৰে।

ৰাজ্যখনৰ শিল্প-উদ্যোগৰ ক্ষেত্ৰতো অৱস্থা তথৈবচ। অসমত পঞ্জীয়নভুক্ত কল-কাৰখানাৰ সংখ্যা দেশৰ মুঠ কল-কাৰখানাৰ দুই শতাংশও নহয়। ভাৰতবৰ্ষৰ আধাভাগমান কল-কাৰখানা পাঁচখনমান ৰাজ্যতে থূপ খাই আছে। অসম চৰকাৰৰ আয়ৰ ক্ষেত্ৰতো ৰাজ্যখনৰ কল-কাৰখানাৰ অৱদান কৃষিতকৈ বহুত কম। ইয়াত শিল্প-উদ্যোগৰ দ্ৰুত সম্প্ৰসাৰণৰ বাবে প্ৰয়োজনীয় পৰিবেশ আৰু পুঁজি দুয়োটাৰে অভাৱ। এনে পৰিস্থিতি জাতিৰ বাবেও অকণো মঙ্গলজনক নহয়।

চাহখেতি ৰাজ্যখনৰ এটা বৃহৎ শিল্প। বৰ্তমান অসমৰ চাহ বাগিচাৰ সংখ্যা প্ৰায় ৮০০ খন। অসমে দেশৰ মুঠ উৎপাদিত চাহৰ ৫৫ শতাংশ (প্ৰায় ৪০০ নিযুত কিলোগ্ৰাম) উৎপাদন কৰে। এই চাহশিল্পত ব্ৰিটিশ পুঁজিৰ পৰিমাণ এতিয়াও প্ৰায় ৪০ শতাংশ আৰু ইংৰাজ কোম্পানীবোৰে উৎপাদন কৰে প্ৰায় ৬০ শতাংশ চাহপাত।

তেওঁলোকে প্ৰতিবছৰে লাভৰ নামত শ শ কোটি টকা অসমৰ চাহ বাগিচাবোৰৰ পৰা লুটি লৈ যায়। সেই টকা অসমত বিনিয়োগ নহয়। দেশীয় কোম্পানী আৰু মালিকসকলেও প্ৰায় সমুদায় লাভৰ টকা ৰাজ্যখনৰ বাহিৰলৈ লৈ যায়। বাগিচাৰ সম্প্ৰসাৰণৰ বাবেও সামান্য টকাহে ইয়াত ব্যয় কৰে। ৰাজ্যখনৰ শিল্পায়ন বা জনকল্যাণৰ কামত চাহ শিল্পৰ লাভৰ টকা কোনোপ্ৰকাৰে খটুওৱা নহয়। অসমত উৎপাদিত চাহপাতৰ দাম ঘৰুৱা বজাৰত হ'ব প্ৰায় দুহেজাৰ কোটি টকা আৰু বিদেশৰ বজাৰত প্ৰায় পাঁচ-ছয় হাজাৰ কোটি। কিন্তু অসম চৰকাৰে এই চাহ শিল্পৰ সকলোবিধ কৰৰ অংশ হিচাপে বছৰি পায় মাত্ৰ কেইকোটিমান টকা। তদুপৰি চাহ কোম্পানীবোৰে অতি কৌশলেৰে তেওঁলোকৰ প্ৰকৃত লাভৰ পৰিমাণ সদায় গোপনে ৰাখে। তাৰ ফলত চৰকাৰ ন্যায্য কৰৰ পৰা বঞ্চিত হয় আৰু চাহ বনুৱাসকল প্ৰবঞ্চিত হয় মজুৰি, বোনাছ অন্যান্য সা-সুবিধাৰ ক্ষেত্ৰত। তাতোকৈ ডাঙৰ কথা, অসমত চাহখেতি বাঢ়ি আছে, কিন্তু বনুৱাৰ সংখ্যা বঢ়া নাই। বৰং কমিছেহে। এই সম্প্ৰসাৰিত চাহখেতিৰ পৰা অসম চৰকাৰৰ আয় বা নিবনুৱাৰ কৰ্মসংস্থান কোনোটোৱেই বঢ়া নাই। চাহ-বাগিচাবোৰৰ বিভিন্ন নিযুক্তি, ঠিকা-ঠুকলি, বেংকৰ লেনদেন, চাহৰ বিক্ৰী আৰু ৰপ্তানি আদিও হয় অসমৰ বাহিৰত। কিন্তু এই বাগিচাবোৰৰ কৰ্মসংস্থানৰ ক্ষেত্ৰত চাহ বনুৱাকে ধৰি অসমৰ মানুহৰ কিছু বিশেষাধিকাৰ থকাত অযুক্তিকৰ একো নাছিল। সেইদৰে চাহবাগিচাৰ কৰৰ অংশৰ বাবদ অসম চৰকাৰৰো প্ৰাপ্য আৰু বহুত বেছি আছিল। আনকি অসম চৰকাৰে কৃষিকৰৰ বাবদ এই বাগিচাবোৰৰ পৰা পায় মাত্ৰ কেইলাখমান টকা। অথচ যিকোনো এটা ডাঙৰ চাহ কোম্পানীৰ বাৰ্ষিক উপাৰ্জন অসমৰ সৰ্বমুঠ মাটিৰ খাজনাতকৈও বেছি হ'ব। (হোমেন বৰগোহাঞিৰ 'অসমৰ শেষ সংগ্ৰাম' পুস্তিকা দ্ৰষ্টব্য)। ড° অমলেন্দু গুহইও লিখিছে ঃ "স্বাধীনতাৰ পিছতো অসমৰ অৰ্থনীতিৰ ওপৰত সাম্ৰাজ্যবাদী প্ৰভুত্ব বিশেষ একো শিথিল নহ'ল। পোন্ধৰটাতকৈ কম মেনেজিং হাউছে অসমৰ বাহিৰত তেওঁলোকৰ মুখ্য কাৰ্যালয়বোৰ ৰাখি প্ৰায় দুশটা জইণ্ট-ষ্টক ষ্টাৰ্লিং ৰূপী কোম্পানীৰ জৰিয়তে অসমৰ অৰ্থনীতি নিয়ন্ত্ৰণ কৰি থাকিল। ১৫ লাখ একৰ মাটি (তাৰ ভিতৰত এক তৃতীয়াংশ মাটিতহে চাহখেতি কৰা হয়) আৰু ৫ লাখ শ্ৰমিক নিজৰ নিয়ন্ত্ৰণত ৰাখি চাহবাগিচাৰ মালিকসকলে এনে এক বিপুল বিত্তীয় ক্ষমতা প্ৰয়োগ কৰি আছে— যাৰ তুলনাত অসমৰ ৰাজ্য চৰকাৰৰ নিজৰ সমস্ত ৰাজহ নগণ্য বুলি ক'ব পাৰি।" (উদ্ধৃতি ঃ হোমেন বৰগোহাঞি ঃ পূৰ্বোক্ত পুস্তিকা, পৃঃ ৩৫)।

তেল উদ্যোগৰ ক্ষেত্ৰতো বঞ্চনাৰ সীমা নাই। বৰ্তমান অসমত খাৰুৱা তেলৰ উৎপাদন হ'ল বছৰি প্ৰায় ৬ নিযুত মেট্ৰিক টন। এই পৰিমাণ ১৯৯৪-৯৫ চনত ৯ নিযুত টনলৈ বৃদ্ধি হ'ব বুলি ধৰি লোৱা হৈছে। (Ref. The Sentinal, August 7,1990) অথচ অসমৰ তিনিওটা শোধনাগাৰত বছৰি ৩ নিযুত টন খাৰুৱা তেলো

শোধন নহয়। (ডিগবৈ শোধনাগাৰৰ শোধন ক্ষমতা হ'ল মাত্ৰ ০.৭০ নিযুত টন, বঙাইগাওঁ শোধনাগাৰৰ ১.৩৫ নিযুত টন আৰু গুৱাহাটী শোধনাগাৰৰ মাত্ৰ ০.৮৫ টন)। বাকী খাৰুৱা তেলখিনি শোধনৰ বাবে বিহাৰৰ বাৰাউনী শোধনাগাৰলৈ লৈ যোৱা হয়। এই বাৰাউনী শোধনাগাৰৰ শোধন ক্ষমতা অসমৰ তিনিওটা শোধনাগাৰৰ শোধন ক্ষমতাতকৈয়ো বেছি। সেইফালৰ পৰা অসমৰ শোধনাগাৰ কেইটাক পুতলা শোধনাগাৰ বুলি নকৈ নোৱাৰি। এই অৱস্থাত এই দশকৰ ভিতৰত খাৰুৱা তেলৰ উৎপাদন দুগুণ বাঢ়ি গ'লেও অতিৰিক্ত তেলখিনিৰ অকণমানো অসমতে শোধন কৰাৰ ব্যৱস্থা নহ'ব। তিনি নিযুত টন শোধনাগাৰৰ ক্ষমতাযুক্ত চতুৰ্থটো শোধনাগাৰ গোলাঘাট জিলাৰ নুমলিগড়ত ইতিমধ্যে স্থাপিত হৈছে। এই শোধনাগাৰৰ পিছত আন এটা শোধনাগাৰ যে সোনকালে অসমত স্থাপন হ'ব, তাৰো কোনো আশা নাই। চতুৰ্থটো হৈ উঠাৰ পিছতো অসমত অতিৰিক্ত ৪/৫ নিযুত টন খাৰুৱা তেল উৎপাদন হয় আৰু সেইখিনি শোধনৰ বাবে বাহিৰলৈ নি থকা হয়। সেইখিনি অসমতে শোধন কৰাৰ ব্যৱস্থা কৰিবলৈ অসম চৰকাৰৰ ক্ষমতা আৰু মনোবল এটাও নাই।

প্ৰশ্ন উঠিব পাৰে যে তেল যিহেতু ৰাষ্ট্ৰীয় সম্পদ, তেনেস্থলত অসমত উৎপাদিত খাৰুৱা তেল অসমতেই শোধন হ'ব লাগিব বুলি কিবা ধৰাবন্ধা কথা থাকিব পাৰে নেকি বা থকা উচিত নেকি? তেনে ধৰাবন্ধা নিশ্চয় নাই আৰু কথাও নহয়। তেনে দৃষ্টিভঙ্গী যে ৰাষ্ট্ৰীয় ঐক্য-সংহতিৰ বাবে ক্ষতিকৰ বা বিপদজনক, সেই কথা ব্যাখ্যা কৰাৰ কোনো প্ৰয়োজন নাই। তেনে দৃষ্টিভঙ্গী গ্ৰহণ কৰিলে প্ৰাকৃতিক সম্পদত পিছপৰা ৰাজ্য বা অঞ্চলবোৰত কোনো শিল্প-উদ্যোগ কোনোদিনে গঢ়ি নুঠিব, দেশৰ আৰ্থিক বিকাশো সাংঘাতিক ধৰণেৰে অসমতাপূৰ্ণ আৰু এচলীয়া হ'ব। কিন্তু এই কথাও সমানে সত্য যে অসমৰ দৰে পিছপৰা ৰাজ্য এখনৰ শিল্পায়ন, যুৱকৰ কৰ্মসংস্থান, আৰ্থিক সমবিকাশ আদিৰ সমস্যাওতো ৰাষ্ট্ৰৰে সমস্যা। এই সমস্যাবোৰৰ সমাধানৰ বাবে অসমৰ সম্পদৰাজিৰ যথাসম্ভব ব্যৱহাৰৰ বাবে দাবী কৰাৰ অধিকাৰ অসমৰ জনসাধাৰণৰ নিশ্চয় আছে। অসমৰ সম্পদ যদি ৰাষ্ট্ৰীয় হয়, তেন্তে অসমৰ সমস্যাবোৰো ৰাষ্ট্ৰীয় সমস্যা নহ'ব কিয়?

কিন্তু খাৰুৱা তেলৰ বিনিময়ত অসমে কি পাইছে? পেট্ৰ'ল, ডিজেল, নাফটা আদিৰ পৰা বিক্ৰীকৰৰ বাবদ অসম চৰকাৰে পায় মাত্ৰ ২০ কোটিমান টকা, অথচ কেন্দ্ৰীয় চৰকাৰে তাতকৈ বহু গুণ বেছি টকা আবকাৰী শুল্কৰ বাবদ আদায় কৰে। ইমানদিনে অসমে প্ৰতি টন খাৰুৱা তেলৰ বিনিময়ত ৰয়েল্টি পাইছিল মাত্ৰ ৬০ টকাৰ পৰা ৯০ টকা। কিছু বছৰৰ আগতে ৰাষ্ট্ৰীয় মৰ্চা চৰকাৰৰ প্ৰধানমন্ত্ৰী হিচাপে/ ভি, পি, সিং অসমলৈ আহোঁতে অন্তৰ্বৰ্তীকালীন ব্যৱস্থা হিচাপে তেলৰ ৰয়েল্টি টনে প্ৰতি এশ টকাকৈ বৃদ্ধি কৰিলে। তাৰ কেইমাহমানৰ পিছতে মৰ্চা চৰকাৰে তেলৰ ৰয়েল্টি পুনৰ নিৰ্দ্ধাৰণ কৰি প্ৰতি টনে ৩৭৪ টকা ধাৰ্য কৰে। এই হাৰত অসমে

উৎপাদিত তেলৰ পৰা বছৰি প্ৰায় ৩০০ কোটি টকা পাব লাগে। OILৰ এটা খবৰ মতে অসমে এই প্ৰতিষ্ঠানটোৰ পৰা ১৯৯০-৯১ চনৰ বাবে ৰয়েল্টি আৰু বিক্ৰীকৰৰ বাবদ ১৯৮.৩৫ কোটি টকা পোৱাৰ কথা। আনহাতে কেন্দ্ৰীয় চৰকাৰে কৰ্পৰেট টেক্স, চেচ, আবকাৰী কৰ, বাণিজ্য শুল্ক আৰু লভ্যাংশৰ বাবদ লাভ কৰিব ৩০৪.২৮ কোটি টকা (The Assam Tribune; September 5,1991)। ৰয়েল্টি বৃদ্ধি হোৱাত অসম চৰকাৰৰ হাতলৈও কিছু টকা বেছিকৈ আহিছে আৰু আহিব। তেলৰ উৎপাদনো বাঢ়ি আছে। কিন্তু এই টকাকেইটাৰ পৰাও অসম ইমান দিনে বঞ্চিত হ'বলগীয়া হৈছিল। বৰ্তমানৰ ৰয়েল্টিৰ হাৰো বৃদ্ধি কৰাৰ স্থল আছে।

ৰাজ্যখনৰ আৰ্থিক উন্নয়নৰ গুৰু কামকাজো নতুনকৈ একো আৰম্ভ হোৱা নাই। উত্তৰ-পূব পৰিষদৰ সভাবিলাকত কেন্দ্ৰীয় মন্ত্ৰীসকলে ডাঙৰ ডাঙৰ প্ৰতিশ্ৰুতি দিয়ে। কিন্তু যোৱা তিনিটা দশকত কেন্দ্ৰীয় চৰকাৰে অসম তথা উত্তৰ-পূব অঞ্চলটোত ডাঙৰ শিল্প উদ্যোগ গঢ়ি তোলা আৰু তাৰ বাবে বৃহৎ পৰিমাণৰ মূলধন খটুওৱাৰ বাবে কোনো আগ্ৰহ দেখুওৱা নাই। অসমৰ ৰাজ্যপাল এল. এন, মিশ্ৰইও প্ৰসঙ্গক্ৰমে স্বীকাৰ কৰিছিল যে ব্যক্তিগত পুঁজিপতিসকলে অসম তথা উত্তৰ পূৰ্বাঞ্চলত পুঁজি বিনিয়োগ কৰিবলৈ ইচ্ছা নকৰাৰ ফলত সৃষ্টি হোৱা শূন্যস্থান কেন্দ্ৰৰ বিনিয়োগেও পূৰণ কৰিব পৰা নাই (L. N. Misra : Welcome Address to the Meeting of the 'Committee of Ministers for Economic Development of North Eastern Region', April 2, 1991 : 'Private Capital has been very shy of investment in Assam and Central investments have not adequately compensated the gap') ৰাজ্যপাল মিশ্ৰই হয়তো অসমৰ বৰ্তমানৰ অশান্ত ৰাজনৈতিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখিহে এই কথা ক'ব পাৰে। কিন্তু অসমৰ বিৰুদ্ধে যে এক ধৰণৰ আৰ্থিক অৱৰোধ চলি আছে তাত কোনো সন্দেহ নাই। ৰাজনৈতিক ছল-চাতুৰীৰ দিন এতিয়া উকলি গৈছে। কেন্দ্ৰই এই কথা মনেপ্ৰাণে উপলব্ধি কৰিলে সকলোৰে বাবেই মঙ্গল।

কেন্দ্ৰীয় চৰকাৰে শেহতীয়াকৈ অসমৰ প্ৰাকৃতিক গেছৰ ভিত্তিত এটা Gas Separation-Cum-Cracker Plant আৰু আমগুৰিত ৩৬০ মেগাবট ক্ষমতাসম্পন্ন এটা বিদ্যুৎ প্ৰকল্প স্থাপন কৰাৰ অনুমতি দিছে। এতিয়াও অসমত প্ৰতিদিনে ৩০ লাখ টকাৰ মূল্যৰ বহু নিযুত ঘনফুট প্ৰাকৃতিক গেছ অবাবতে পুৰি নষ্ট হয়। গেছ-ক্ৰেকাৰ আৰু বিদ্যুৎ প্ৰকল্পটো হৈ উঠিলে অসমৰ মানুহৰ দীৰ্ঘদিনীয়া অভাব এটা পূৰণ হ'ব আৰু নষ্ট হৈ থকা প্ৰাকৃতিক গেছৰো বহুখিনি ৰক্ষা আৰু ব্যৱহৃত হ'ব। কিন্তু এই দুটা প্ৰকল্পৰ বাবে যি বৃহৎ পৰিমাণৰ মূলধনৰ প্ৰয়োজন হৈছে (গেছ-ক্ৰেকাৰটোৰ বাবেই মূলধন লাগিব প্ৰায় ২৪০০ কোটি টকা), সেইখিনি যোগান ধৰাটো অসম চৰকাৰৰ ক্ষমতাৰ বাহিৰত। তাৰ বাবে কেন্দ্ৰীয় চৰকাৰ তথা অন্যান্য ডাঙৰ ডাঙৰ কেন্দ্ৰীয়

সংস্থাবোৰৰ সাহায্য অপৰিহাৰ্য। সেয়ে প্ৰকল্প দুটা সম্পূৰ্ণ আৰু কাৰ্যক্ষম কৰি তোলাৰ দায়িত্বও প্ৰধানকৈ কেন্দ্ৰীয় চৰকাৰৰে। কিন্তু কেন্দ্ৰই যে দায়িত্ব পালনত হেমাহি কৰিছে, সেই কথা লুকাই থকা নাই। অসমৰ জনসাধাৰণৰ পুঞ্জীভূত ক্ষোভ কিছু পৰিমাণে হ'লেও দূৰ কৰাৰ এই সুযোগ গ্ৰহণ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰ আন্তৰিকতাৰে আগবাঢ়ি নাহিলে বিচ্ছিন্নতাৰ প্ৰৱণতাকহে সাৰ-পানী যোগোৱা হ'ব।

অন্যান্য শিল্পৰ ক্ষেত্ৰতো অৱস্থা তথৈবচ। অসমত ৪০ টা প্লাইউদ কাৰখানাৰ মুঠ উৎপাদনৰ প্ৰায় আশী শতাংশৰ গুদাম আৰু বজাৰ আছিল অসমৰ বাহিৰত। অসমে এই প্লাইউদৰ পৰা বিক্ৰীকৰ পাইছিল বছৰি মাত্ৰ কেইলাখমান টকা। তদুপৰি এই শিল্পৰ ব্যৱস্থাপক আৰু জ্যেষ্ঠ বিষয়াসকলৰ মকৰলো হৈছিল অসমৰ বাহিৰত। শ্ৰমিক-কৰ্মচাৰীৰ নিয়োগৰ ক্ষেত্ৰতো কোনো নিয়ম-নীতি মানি চলা নহয়। কাঠৰ অভাৱত অসমৰ প্লাইউদ শিল্প এতিয়া একেবাৰে বন্ধ হৈ গৈছে। দেশৰ এক সপ্তমাংশ বনাঞ্চল কেৱল অসমতেই আছে। অথচ কাঠৰ উৎপাদন হয় বছৰি মাত্ৰ ৫ শতাংশ। কাঠ উৎপাদনৰ বাবে পৰ্য্যাপ্ত পৰিমাণৰ বনানীকৰণৰ কোনো আন্তৰিক চেষ্টা নাই। কিন্তু বিৰলাইতৰ টকাই অসম-নাগালেণ্ডৰ সমস্ত কাঠ আইনগত আৰু বে-আইনী দুয়ো পদ্ধতিৰে লুটি-পুটি প্ৰায় শেষ কৰিলে। সেইদৰে কয়লা আৰু চিমেণ্ট শিল্পৰ আধুনিকীকৰণ আৰু বিকাশৰ বাবেও কোনো মনোযোগ নাই। অসমত বিজুলী শক্তিৰ উৎপাদন আৰু ব্যৱহাৰো নিম্নতম। অথচ কেৱল ব্ৰহ্মপুত্ৰৰ বিশাল জলসম্পদৰ পৰাই আৰু বহু হাজাৰ মেগাৱাট বিদ্যুৎ শক্তিৰ উৎপাদনৰ সুযোগ পৰি আছে।

অসমত শিল্প-উদ্যোগ গঢ়ি তোলাৰ ক্ষেত্ৰত এটা ডাঙৰ অন্তৰায় হ'ল ইয়াৰ পিছপৰা যাতায়াত আৰু যোগাযোগ ব্যৱস্থা। গোটেই দেশৰ ৰেল লাইনৰ মাত্ৰ ৩ শতাংশহে আছে অসমৰ ভিতৰত। ইংৰাজৰ দিনতেই স্থাপন কৰা ৰেল লাইন কেইটাৰ বিশেষ একো সম্প্ৰসাৰণ নহ'ল। ব্ৰডগজ লাইন সম্প্ৰসাৰিত হৈছে। কিন্তু অসমৰ মানুহে গুৱাহাটী-শিলচৰৰ মাজত ব্ৰডগজ ৰেল লাইন স্থাপন কৰাৰ বাবে দীৰ্ঘদিন ধৰি দাবী জনাই আহিছে। এই ৰেল লাইনৰ ওপৰতেই অসমৰ চুবুৰীয়া আটাইকেইখন ৰাজ্য নিৰ্ভৰশীল। কিন্তু প্ৰয়োজন অনুসাৰে ৰেল লাইনৰ সম্প্ৰসাৰণ কৰিবলৈ কেন্দ্ৰ মুঠেও ইচ্ছুক নহয়। বিগত দশককেইটাত ব্ৰহ্মপুত্ৰ উপত্যকাৰ লগত বৰাক উপত্যকাৰ যাতায়াত আৰু যোগাযোগৰ সামান্যতম উন্নতিও নঘটিল। সেইদৰে ব্ৰহ্মপুত্ৰৰ দুয়োপাৰ সংযোগ কৰা আৰু কেবাখনো দলং ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰাৰ প্ৰয়োজনো দিনকদিনে বৃদ্ধি পাইছে। এতিয়া শিলঘাট আৰু ডিব্ৰুগড়ৰ মাজত এখনো দলং নাই। অথচ স্থলপথ আৰু ৰেলপথ দুয়োটাৰ বাবে এনে দলং অপৰিহাৰ্য হৈ পৰিছে। তাৰ বাবে অসমে বিৰাট পৰিমাণৰ মূলধন খটুৱাব লাগিব। কিন্তু সেই টকা অসমৰ নাই। অসমৰ স্থলপথৰ অৱস্থাও অতি দুখলগা। ৰাষ্টাঘাট এনেই কম, তাতে দ অঞ্চল আৰু উপৰ্যুপৰি বানপানীৰ বাবে ৰাষ্টাঘাট বনোৱা আৰু তাক মেৰামতি কৰাটো নিতান্তই খৰচবহুল বেপাৰত পৰিণত

হৈছে। তাৰ লগত অবাধ চৰকাৰী দুৰ্নীতি আৰু টকাৰ অপচয়তো আছেই। সেইদৰে ব্ৰহ্মপুত্ৰ আৰু বৰাক নৈয়েদি জলপথৰো ভাল সুযোগ থকা সত্বেও তাক ব্যৱহাৰ কৰিব পৰা হোৱা নাই। ব্ৰহ্মপুত্ৰক কেৱল নামতহে জাতীয় জলপথ বুলি ধৰি লোৱা হৈছে। এনে অৱস্থাত কেন্দ্ৰীয় চৰকাৰে অতিৰিক্ত পুঁজিৰ সদ্ব্যৱহাৰ কৰিব নোৱাৰিলে অসমৰ যাতায়াত তথা যোগাযোগ ব্যৱস্থাৰ পৰিৱৰ্তন আকাশ-কুসুম হৈ ৰ'ব।

কিন্তু দুৰ্ভাগ্যৰ কথা, অসম চৰকাৰে কেন্দ্ৰৰ বৈষম্য আৰু বঞ্চনাৰ বিৰুদ্ধে সাহস আৰু দৃঢ়তাৰে যুঁজ কৰাৰ সলনি কেন্দ্ৰীয় ঋণৰ টকাকেইটা ইহাত-সিহাত কৰাতেই ব্যস্ত থাকে। সীমাহীন দুৰ্নীতিয়ে ৰাজ্যখন ছানি ধৰিছে। কংগ্ৰেছ (ই) আৰু অসম গণ পৰিষদ কোনোটো চৰকাৰেই দুৰ্নীতিত পিছপৰি থকা নাই। গণ পৰিষদৰ আলু-দাইল-মিঠাতেল আদি খাদ্যসামগ্ৰীৰ কেলেঙ্কাৰীয়ে সকলোকে স্তম্ভিত কৰিলে। এনে দেশদ্ৰোহে জাতিটোৰ সৰ্বনাশ কৰি আছে। ৰাজ্যখনৰ পৰিকল্পনা আৰু অৰ্থব্যয়ৰ সকলো দায়িত্ব শেহান্তৰত ডাঙৰ ডাঙৰ ঠিকাদাৰসকলৰ হাততহে চমজাই দিয়া হয়। চৰকাৰ সেইসকল ঠিকাদাৰৰ ৰক্ষক। মন্ত্ৰী-অফিচাৰ-ঠিকাদাৰে মিলিজুলি চৰকাৰৰ প্ৰতিটো বিভাগৰে টকা-পইচা সকলো আত্মসাৎ কৰি আছে। ৰাজ্যখনৰ ৰাজনৈতিক অশান্তিয়ে সেই দুৰ্নীতিত কোনো বাধাৰ সৃষ্টি কৰা নাই। ব্যৱস্থাপকসকলে নিজেই ৰাজ্যিক পৰিবহন নিগম, বিদ্যুৎ পৰিষদ, ষ্টেটফেড আদি প্ৰতিটো ৰাষ্ট্ৰয়ত্ব সংস্থাৰে সৰ্বনাশ কৰিছে। জনকল্যাণৰ বাবে খৰচ কৰিবলগীয়া টকাখিনিয়ো আচল কামত খৰচ নহৈ দুৰ্নীতিকাৰীৰ হস্তগত হয়গৈ। এই অৱস্থা চলি থাকিলে, অসমীয়াৰ দেশপ্ৰেম জাগ্ৰত নহ'লে, কেন্দ্ৰৰ সাহায্য হাজাৰ গুণ বঢ়াই দিলেও অসমবাসীৰ কোনো কল্যাণ নহ'ব। খুব বেছি, লাখপতি বা কোটিপতিৰ সংখ্যা আৰু কেইজনমান বাঢ়িব। কেন্দ্ৰৰ বিৰুদ্ধে স্বাধীনতাৰ ৰণ তৰাসকলেও আত্মসমালোচনা কৰা উচিত। দুৰ্নীতিকাৰীৰ পৰা শকত অংকৰ চান্দা সংগ্ৰহ কৰিলেই দুৰ্নীতি বন্ধ নহয়, বৰং তাৰ দ্বাৰা দুৰ্নীতিক উৎসাহহে যোগোৱা হয়, দেশ আৰু জাতিৰ অন্যায় কৰা হয়।

ৰাজ্যখনৰ উদ্যোগ আৰু কৃষিৰ এনে স্থবিৰতাই শিক্ষা সংস্কৃতিকো সংকুচিত কৰি ৰাখিছে। অসমত শিল্প-উদ্যোগৰ সীমিত সম্প্ৰসাৰণৰ তুলনাতো প্ৰযুক্তি আৰু কাৰিকৰী শিক্ষাৰ প্ৰয়োজনীয় সুযোগ নাই। ৰাজ্যখনত তেল আৰু প্ৰাকৃতিক গেছ ভিত্তিক শিল্পৰ সম্প্ৰসাৰণ হৈ আছে। তাৰ বাবেও প্ৰশিক্ষিত লোকৰ প্ৰয়োজন। কিন্তু চাহ, তেল আদি শিল্পৰ বাবে লাগতিয়াল গৱেষণা তথা প্ৰযুক্তি শিক্ষাৰ ব্যৱস্থা অসমত নাই। ফলত বিশেষ অৰ্হতাযুক্ত চাকৰিত অসমৰ মানুহ নিযুক্ত হ'ব নোৱাৰিব। অসমৰ মানুহেও চিৰায়ত তন্দ্ৰা আৰু জড়তা দলিয়াই দি পুঁজিবাদী অৰ্থনীতি আৰু সমাজৰ ঐতিহাসিক প্ৰয়োজনৰ সন্মুখীন হৈছে। কিন্তু ৰাজ্যখনৰ শ্ৰমশক্তিক প্ৰস্তুত কৰা আৰু কৰ্মসংস্থানৰ সুযোগ দিয়াৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰ অক্ষম আৰু কেন্দ্ৰ অনিচ্ছুক। আনহাতে সমগ্ৰ বিশ্বতে এতিয়া বিশ্বায়নৰ নামত কৰ্মসংস্থানহীন আৰ্থিক বৃদ্ধিৰহে প্ৰয়াস চলিছে। অসম

চৰকাৰৰ সদিচ্ছা থকা হ'লে অন্ততঃ কিছু সংখ্যক ল'ৰা-ছোৱালীক কিছুমান বিশেষ বিষয়ত বাহিৰত প্ৰশিক্ষণ দিয়াই আনিব পাৰিলেহেঁতেন। আৰু অসমত থকা চাকৰি বাকৰিবোৰত থলুৱা নিবনুৱাৰ নিযুক্তিৰ পথ প্ৰশস্ত কৰিব পাৰিলেহেঁতেন। এইক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ ওপৰত অবিৰত হেঁচা প্ৰয়োগৰ প্ৰয়োজন আছে। কিন্তু সেইখিনি কৰাৰ ইচ্ছা আৰু দূৰদৰ্শিতাৰো দুখ লগাকৈ অভাৱ হৈছে। জাতিদ্ৰোহ আন কিবা বেলেগ বস্তু নেকি?

শেহতীয়া লোকপিয়লৰ পৰা দেখা গৈছে যে সাধাৰণ শিক্ষাৰ ক্ষেত্ৰত অসম যথেষ্ট আগবাঢ়িছে। অসমত শিক্ষিতৰ হাৰ ৫৩.৪২ শতাংশ বুলি ধৰা হৈছে। ৰাষ্ট্ৰীয় পৰ্যায়ত এই হাৰ কিছু কমহে— ৫২.১১ শতাংশ। সেইবুলি ৰাজ্যখনত প্ৰাথমিক আৰু মাধ্যমিক শিক্ষাৰ যে সুষম আৰু ব্যাপক সম্প্ৰসাৰণ ঘটিছে, সেইটো নহয়। চাহ বনুৱা, পমুৱা কৃষক আৰু জনজাতীয় লোকৰ বসতিপূৰ্ণ বহু অঞ্চলত আজিও প্ৰাথমিক শিক্ষাই দুৰ্লভ। উচ্চ শিক্ষাৰতো কথাই নাই। এইসকল লোকৰ প্ৰতি অৱহেলাৰো অন্ত নাই। অসমৰে চাহ শ্ৰমিকৰ নেতা পৱন ঘাটোৱাৰ কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰীও হৈছিল। কিন্তু চাহবাগিচাত প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰাৰ কথাহে তেওঁ ক'বলগীয়া হৈছিল।

আনহাতে আৰ্থিক জীৱনৰ দৰে ভাষা-সংস্কৃতিৰ ক্ষেত্ৰতো অসমীয়া শিক্ষিত সমাজখন এতিয়াও সংকীৰ্ণমনা আৰু সুবিধাবাদী। অসম চৰকাৰৰ সীমাহীন দুৰ্নীতি আৰু অকৰ্মণ্যতাৰ মাজত অসমীয়া মধ্যবিত্তৰ আত্মঘাতী জিঘাংসাৰ বিকট ৰূপটোৱেই প্ৰতিফলিত হৈ আহিছে। অসমৰ শ শ চাহবাগিচা, চৰ অঞ্চল আৰু হাবিতলীয়া গাওঁবোৰৰ শত সহস্ৰ ল'ৰা-ছোৱালীক ভাষা-সংস্কৃতিৰ প্ৰাথমিক জ্ঞানখিনি দিয়াৰ সুলভ ব্যৱস্থা কৰিবলৈ চৰকাৰৰ আগ্ৰহ নাই। কিন্তু কাছাৰৰ বাঙালীক অসমীয়া পঢ়ুৱাবলৈ তেওঁলোকৰ উচপিচনিৰো কোনো অন্ত নাই। কেতিয়াবা বাঙালীক, কেতিয়াবা পমুৱাক মাৰি-কাটিয়েই অসমীয়া মধ্যবিত্তই ভাষা, সংস্কৃতি, চাকৰি আৰু মাটিবাৰীৰ হতাহ পূৰণ কৰিবলৈ বিচাৰে। কিন্তু ভাষা-সংস্কৃতিৰ সমৃদ্ধি, সবল জাতীয় পৰম্পৰাৰ সৃষ্টি আৰু জাতীয় অৰ্থনীতিৰ বুনিয়াদ গঠনৰ বাবে যে কঠোৰ সৃজনশীল পৰিশ্ৰম আৰু সাধনাৰহে প্ৰয়োজন, সেই কথা অসমীয়াই আজিও উপলব্ধি কৰিব নোৱাৰাটো সঁচাকৈয়ে দুৰ্ভাগ্যজনক। অসমীয়াক এই কাম কেন্দ্ৰীয় চৰকাৰ বা আন কোনোৱে কৰি নিদিয়ে।

কেন্দ্ৰৰ বৈষম্য আৰু বঞ্চনাৰ বিৰুদ্ধে সংগ্ৰামৰ সঠিক পথ বাছি ল'ব নোৱাৰিলে অসমীয়াৰ জাতি গঠনৰ কামো বিকৃত হ'বলৈ বাধ্য। এই ক্ষেত্ৰত দুটা কথাৰ প্ৰতি অসমীয়া সজাগ থাকিব লাগিব। প্ৰথম কথা, কেন্দ্ৰীয় চৰকাৰৰ জনবিৰোধী, স্বৈৰাচাৰী আৰু সাম্ৰাজ্যবাদৰ তোষণকাৰী নীতিয়ে সমগ্ৰ দেশৰ অৰ্থনীতি বিপন্ন কৰি তুলিছে আৰু জনসাধাৰণৰ মূৰৰ ওপৰত দুৰ্বহ বোজা জাপি দিছে। সাম্ৰাজ্যবাদী বিশ্বায়নে এতিয়া জাতীয় অৰ্থনীতিৰ সমগ্ৰ বুনিয়াদটোকেই ধ্বংস কৰি বিদেশী পুঁজি আৰু পণ্যৰ বাবে উন্মুক্ত কৰি দিছে। দেশৰ স্বাধীনতাই আজি সাংঘাতিক ধৰণেৰে বিপন্ন; সমগ্ৰ

দেশ কল্পনাতীত বৈদেশিক ঋণত নিমজ্জিত। কোটি কোটি সাধাৰণ মানুহৰ জীৱন অতিপাত দ্ৰব্যমূল্য, কৰ্ম-সংস্থাপনহীনতা আৰু ক্ৰমবৰ্দ্ধমান দাৰিদ্ৰ্যই অসহনীয় কৰি তুলিছে। এই যন্ত্ৰণা আৰু বিপৰ্যয়ৰ বিৰুদ্ধে সমগ্ৰ দেশৰ জনসাধাৰণৰ সংগ্ৰাম এক আৰু অভিন্ন। এই সংগ্ৰামৰ লগত নিজকে যুক্ত কৰিব পাৰিলেহে অসমীয়াই নিজৰ প্ৰাপ্যখিনি আদায় কৰিব পাৰিব। দ্বিতীয় কথা, ভাৰতৰ বৃহৎ বুৰ্জোৱা শ্ৰেণী আৰু কেন্দ্ৰীয় চৰকাৰৰ বঞ্চনা আৰু প্ৰতাৰণাৰ কেৱল অসমেই একমাত্ৰ বলি নহয়। ভাৰতৰ প্ৰতিখন ৰাজ্যৰে আৰ্থিক, ৰাজনৈতিক আৰু প্ৰশাসনিক ক্ষমতাৰ ওপৰত কেন্দ্ৰৰ আক্ৰমণ চলি আছে আৰু ক্ৰমাৎ বাঢ়িছে। ভাৰতীয় ৰাষ্ট্ৰখনৰ গাঁথনি আৰু বৃহৎ বুৰ্জোৱাৰ নীতি অতিকেন্দ্ৰিক বুলি আগতেই উল্লেখ কৰা হৈছে। অসমৰ দৰে বহু প্ৰদেশ বা অঞ্চলৰ আৰ্থিক আৰু জাতীয় বিকাশৰ ক্ষেত্ৰত বৈষম্য আৰু প্ৰতাৰণা সমানেই প্ৰকট আৰু তাৰ বিৰুদ্ধে জনসাধাৰণৰ ক্ষোভ আৰু প্ৰতিবাদো সমানেই সোচ্চাৰ। সেয়ে বৃহৎ বুৰ্জোৱাৰ শোষণ আৰু প্ৰতাৰণা তথা কেন্দ্ৰীয় চৰকাৰৰ অতিকেন্দ্ৰিকতাৰ বিৰুদ্ধে আৰু জাতীয় সমানাধিকাৰ তথা সমবিকাশৰ দাবীত অসমৰ জনসাধাৰণে গঢ়ি তুলিব বিচৰা যুঁজখনৰ ন্যায্যতা আৰু সাফল্যও দেশৰ বহুজাতিক জনগণৰ ঐক্য আৰু সংগ্ৰামৰ ওপৰত একান্ত নিৰ্ভৰশীল। এই সত্যক অস্বীকাৰ কৰাৰ অৰ্থ আত্মঘাতীৰ বাহিৰে আন একো হ'ব নোৱাৰে।

(২)

অসমত জাতীয় বৈষম্য আৰু বঞ্চনাৰ আন এটা গুৰুত্বপূৰ্ণ দিশো আছে। সি হ'ল ৰাজ্যখনৰ থলুৱা জনজাতীয় গোষ্ঠীবোৰৰ প্ৰতি কৰা অন্যায় আৰু অবিচাৰ। ইংৰাজৰ দিনতেই অহা পূববংগৰ পমুৱা মুছলমান সকলৰ হেঁচা জনজাতীয় এলেকাবিলাকৰ ওপৰত ভালদৰে পৰিছিল। এই প্ৰব্ৰজনকাৰীসকলৰ আগ্ৰাসনৰ পৰা জনজাতীয় লোকসকলৰ মাটিবাৰীবোৰৰ ৰক্ষণাবেক্ষণৰ উদ্দেশ্যে ১৯৪৮ চনত কিছুমান জনজাতীয় খণ্ড (Tribal blocks) আৰু 'জনজাতীয় আবেষ্টনী' (Tribal belts) গঠন কৰা হৈছিল। পৰৱৰ্তী সময়তো আৰু কিছুমান বেল্ট আৰু ব্লক গঠন কৰা হয়। এই খণ্ড আৰু বেষ্টনীবোৰে যে জনজাতীয় লোকসকলৰ স্বাৰ্থ বহুদূৰ পূৰণ কৰিছিল তাত কোনো সন্দেহ নাই। কিন্তু এই ব্যৱস্থাতো বহু দুৰ্বলতা আৰু সুৰুঙা বৈ গ'ল। তাৰ ফলত বহু অজনজাতীয় কৃষক আৰু মহাজনে এই বেষ্টনী আৰু খণ্ডবোৰত বসবাস কৰাৰ সুযোগ পালে। এনে মহাজনসকলৰ শোষণ আৰু চৰকাৰৰ নীতিৰ ফলত নিজৰ ঠাইতে শ শ জনজাতীয় কৃষক উচ্ছেদ হ'বলৈ ধৰিলে। জনজাতীয় লোকসকলক মহাজনী ঋণৰ পৰা ৰক্ষা কৰাৰ কোনো ব্যৱস্থা নাছিল। চৰকাৰী ভূমি আইনবিলাকো জনজাতীয় কৃষকৰ বিশেষ একো কামত নাহিল। অসংখ্য জনজাতীয় কৃষকৰ মাটিৰ ম্যাদী পট্টা আজিও নহ'ল।

পট্টা থকাসকলৰো বহুতৰে মাটিবাৰী চিলিং আইনৰ যান্ত্ৰিক প্ৰয়োগৰ ফলত তেওঁলোকৰ হাতৰ পৰা গ'লহে।

চৰকাৰেও কোনো কোনো অনুষ্ঠান বা শিল্প-উদ্যোগ স্থাপন কৰাৰ সময়ত জনজাতীয় এলেকাতো বহু জনজাতীয় কৃষকক উচ্ছেদ কৰে। এনেদৰে উচ্ছেদিত লোকসকলৰ পুনৰ্বাসনৰ কোনো ব্যৱস্থা কৰা নহয়। তদুপৰি সংৰক্ষিত এলেকাত স্থাপন কৰা কল-কাৰখানা কেইটাৰ পৰাও জনজাতীয় লোকসকলৰ প্ৰত্যক্ষ লাভ একো হোৱা নাই। বৰং সিবিলাকত অজনজাতীয় লোকৰ সংখ্যা আৰু প্ৰভাৱহে বৃদ্ধি পাইছে। গুৱাহাটী মহানগৰ বা বঙাইগাঁৱলৈ চালেই সেইকথা পৰিষ্কাৰ হৈ পৰে। আজিৰ গুৱাহাটী-দিছপুৰৰ মাটিবাৰীবোৰ একালত জনজাতীয়সকলৰহে সম্পত্তি আছিল। আজি সেইসকল জনজাতীয় সম্প্ৰদায়ৰ লোকৰ হিচাপ বা খবৰেই বা কোনে জানে? বঙাইগাঁও শোধনাগাৰ স্থাপন কৰাৰ সময়ত সেই মাটিবাৰীবোৰ কাৰ আছিল আৰু আজি তেওঁলোকৰ কি হ'ল? স্থাপিত অনুষ্ঠান বা শিল্পবোৰতো জনজাতীয় লোকৰ কোনো প্ৰভাৱ নাই। বড়োসকলৰ পৰম্পৰাগত কাঠৰ ব্যৱসায়ো তেওঁলোকৰ হাতৰ পৰা সৰকি গ'ল। অন্যান্য ব্যৱসায়-বাণিজ্যত জনজাতীয় লোকৰ দখল নাই বুলিয়েই ধৰিব পাৰি। জনজাতীয় লোকসকলৰ এই গভীৰ মৰ্মবেদনা উপলব্ধি কৰিবলৈ অসমৰ চৰকাৰ বা অসমীয়া মধ্যবিত্তই কোনোদিনেই চেষ্টা নকৰিলে।

আনহাতে শিক্ষা-দীক্ষা আৰু চাকৰি-বাকৰিতো জনজাতীয় লোকসকলৰ দুৰৱস্থা মন কৰিবলগীয়া। ১৯৭১ চনত ৰাজ্যখনত শিক্ষিতৰ হাৰ আছিল ৩৩.৩২ শতাংশ; কিন্তু জনজাতীয় লোকৰ শিক্ষিতৰ হাৰ আছিল মাত্ৰ ২৬ শতাংশ। ১৯৯১ চনৰ লোকপিয়ল মতে অসমত শিক্ষিতৰ হাৰ ৫৩.৪২ শতাংশ। কিন্তু ১৯৭১-৯১ৰ ভিতৰত ৰাজ্যখনত বৃদ্ধি পোৱা এই শিক্ষিতৰ হাৰ জনজাতীয় লোকৰ মাজত প্ৰতিফলিত হ'ব বুলি কেতিয়াও আশা কৰিব নোৱাৰি। তাৰ যুক্তিসংগত কাৰণো আছে। শেহতীয়া পিয়ল ১৯৯১ মতে জনজাতীয় লোকৰ বসতি থকা কেইখনমান জিলাত জনসংখ্যাৰ বৃদ্ধিৰ হাৰ মন কৰিবলগীয়া। ধেমাজি জিলাত জনসংখ্যা বৃদ্ধিৰ হাৰ হ'ল ১০৫%, লক্ষীমপুৰত প্ৰায় ৫৬%, উত্তৰ কাছাৰ জিলাত ৯৬%, কাৰ্বি আংলঙত প্ৰায় ৭৩%, কামৰূপত প্ৰায় ৫৬%, গোৱালপাৰাত প্ৰায় ৫৩%, বঙাইগাঁৱত প্ৰায় ৬৪% আৰু কোকৰাঝাৰত প্ৰায় ৭৬%। এই বৃদ্ধিৰ আচল কাৰণবোৰৰ বিশ্লেষণ হোৱা নাই। কিন্তু কথাটো জনজাতীয় লোকসকলৰ বাবে চিন্তনীয়। কেৱল জনজাতীয় লোকৰ সংখ্যা বৃদ্ধিৰ বাবেই জনসংখ্যাৰ এনে বৃদ্ধি নিশ্চয় হোৱা নাই। সেয়ে ৰাজ্যখনত ১৯৭১-৯১ চনৰ ভিতৰত বৃদ্ধি পোৱা ৫৩.২৬ শতাংশ শিক্ষিতৰ ভিতৰত জনজাতীয় লোকৰ হাৰ সমানুপাতিক বা বেছি হোৱাৰ কোনো সম্ভাৱনা নাই। নহ'লে ভৈয়ামৰ জনজাতীয় লোকসকলৰ বাবে সংৰক্ষিত ১০ শতাংশ চাকৰিও তেওঁলোকে পূৰণ কৰিব নোৱাৰাৰ কাৰণ কি? শিক্ষা-দীক্ষাৰ সম্প্ৰসাৰণ হোৱা হ'লে তেওঁলোকৰ এই অৱস্থা নহ'লহেঁতেন।

জনজাতীয় লোকসকলক চাকৰি-বাকৰি দিয়াত প্ৰশাসনিক বৈষম্য আৰু অজনজাতীয় লোকৰ ছল-চাতুৰিও সমানে সক্ৰিয়। আনকি কিছুসংখ্যক অজনজাতীয় লোকে ছলেৰে জনজাতীয়ৰ বাবে থকা সংৰক্ষণৰ সুযোগ-সুবিধাও নোলোৱাকৈ থকা নাই তথাপিও জনজাতীয় লোকৰ নামত বহুসংখ্যক চাকৰি এতিয়াও খালী হৈ আছে। All Assam Tribal Protection Action Commiteeৰ অভিযোগ হ'ল যে ৰাজ্যখনৰ ৫০ শতাংশ চাকৰি ১৫ শতাংশ জনসংখ্যাৰ বৰ্ণহিন্দুৱে পূৰণ কৰিছে। অথচ অনুসূচিত জনজাতিৰ ভাগত আছে মাত্ৰ ৫ শতাংশ চাকৰি আৰু অনুসূচিত জাতিৰ ভাগত ৪ শতাংশ। জনজাতি বিলাকৰ আৰ্থ-সামাজিক গাঁথনিটো এতিয়া ভগ্নপ্ৰায়। শিক্ষা-দীক্ষা আৰু চাকৰি-বাকৰিত তেওঁলোকে সমান সুযোগ ল'ব পৰা নাই। আনহাতে ব্যৱসায়-বাণিজ্য-উদ্যোগ আদিও তেওঁলোকৰ ক্ষমতাৰ বাহিৰত। সেয়ে নৱজাত জনজাতীয় মধ্যবিত্ত শ্ৰেণীটোও হ'ল বিক্ষুদ্ধ আৰু শংকিত।

সেইদৰে মুছলমান আৰু চাহ-বনুৱাসকলৰ প্ৰতিও অবিচাৰ কম নহয়। ১৯৯১ চনলৈকে অসমৰ মুঠ জনসংখ্যাৰ ২৫ শতাংশই হ'ল মুছলমান; কিন্তু চৰকাৰী চাকৰি-বাকৰিৰ মাত্ৰ ১১ শতাংশহে তেওঁলোকৰ হাতত। আনহাতে লাখ লাখ চাহ জনজাতিৰ লোকৰ ভাগত এক শতাংশ চাকৰিও নাই। (Ref. to All Assam Tribal Protection Action Commitee: 'The N.E. TIMES(PLUS) 2 April, 1991)। পমুৱা মুছলমান আৰু চাহ বনুৱাৰ মাজত শিক্ষা সীমিত; কিন্তু যি কেইজন শিক্ষিত লোক ওলাই আহিছে তেওঁলোকৰ প্ৰতিও বৰ্ণবাদী অসমীয়াৰ সুবিচাৰ আছে বুলি ক'ব নোৱাৰি। অন্যান্য ভাষিক সংখ্যালঘু সকলকো চৰকাৰী চাকৰিৰ ক্ষেত্ৰত, পুলিচ তথা শিক্ষা বিভাগৰ দৰে বিভাগীয় নিযুক্তিত, অন্যায়ভাৱে বঞ্চিত কৰাৰ উদাহৰণ কম নহয়।

সেয়ে, অসমৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰৰ নীতিত যদি বৈষম্যৰ গোন্ধ আছে, তেন্তে অসম চৰকাৰৰ নীতিতো সংখ্যালঘুবিৰোধী আৰু জনজাতিবিৰোধী দৃষ্টিভংগী প্ৰবল আৰু প্ৰকট বুলি ক'ব লাগিব। ভাৰতৰ বৃহৎ বুৰ্জোৱা শ্ৰেণী আৰু কেন্দ্ৰীয় চৰকাৰে দেশৰ বিভিন্ন অঙ্গৰাজ্য তথা জাতি-উপজাতিৰ জাতিগত তথা গণতান্ত্ৰিক অধিকাৰ হৰণ কৰি জাতিগত বিদ্বেষ আৰু বিচ্ছিন্নতাৰ প্ৰবণতা বৃদ্ধি কৰিছে। সেইদৰে অসম চৰকাৰ তথা অসমীয়া শাসক শ্ৰেণীটোৱেও ৰাজ্যখনৰ গণতান্ত্ৰিক বাতাবৰণ দূষিত কৰি জনসাধাৰণৰ ঐক্য-সংহতিত বিঘিনি ঘটাইছে। গণতান্ত্ৰিক ৰীতি-নীতি, পৰম্পৰা তথা জীৱনবোধৰ অবিহনে কোনো জাতিৰে সংহতি তথা বিকাশ সম্ভৱ নহয়। কিন্তু অসমত আজি তাৰেই ভীষণ অভাৱ ঘটিছে। অসমীয়া জাতিয়ে তাৰ মূল্যও দিবলগীয়া হৈছে সাংঘাতিকভাৱে।

পঞ্চম অধ্যায়

আত্ম-প্ৰবঞ্চনা আৰু আত্মনিয়ন্ত্ৰণৰ প্ৰশ্ন

Things fall apart, the Centre cannot hold;
Mere anarchy is loosed upon the world,...

–W.B. Yeats.

(ক)

কেন্দ্ৰীয় চৰকাৰৰ বৈষম্য আৰু বঞ্চনাৰ বিৰুদ্ধে অসমৰ মানুহৰ ক্ষোভ বহুদিনীয়া। কিন্তু সেই ক্ষোভক ৰাজ্যখনৰ সকলো অংশৰ জনসাধাৰণৰ উমৈহতীয়া গণতান্ত্ৰিক সংগ্ৰামলৈ ৰূপান্তৰিত কৰাৰ বাবে পৰিকল্পিত আৰু জোৰ প্ৰচেষ্টা চলোৱা নহ'ল। তাৰ দায়-দায়িত্ব কংগ্ৰেছ আৰু কংগ্ৰেছবিৰোধী আটাইবোৰ ৰাজনৈতিক শক্তিয়েই কমবেছি পৰিমাণে ল'ব লাগিব। গোপীনাথ বৰদলৈৰ দিনৰ পৰা গণ পৰিষদৰ প্ৰফুল্ল মহন্তৰ দিনলৈকে কোনোটো ৰাজ্য চৰকাৰেই কেন্দ্ৰৰ ওচৰত অসমৰ ন্যায্য দাবীবোৰ সজোৰে আৰু কাৰ্যকৰীভাৱে উত্থাপন কৰিব নোৱাৰিলে বা নকৰিলে। চৰকাৰী পৰ্যায়ত দাবী আদায় নহ'লে আন্দোলন কৰাৰো প্ৰয়োজন আছিল; কিন্তু সেই প্ৰশ্ন কেতিয়াও উত্থাপিত নহ'ল।

অসমত একেৰাহে দীৰ্ঘদিন ধৰি চৰকাৰ চলাইছিল কংগ্ৰেছ দলে। ১৯৭৮-৭৯ চনৰ জনতা চৰকাৰৰ দিনকেইটা বাদ দিলে ১৯৮৫ চনলৈকে কংগ্ৰেছৰ হাতত্তেই ৰাজ্যখনৰ শাসন ক্ষমতা ন্যস্ত আছিল। তাৰ পিছত আহিল পাঁচ বছৰীয়া অসম গণ পৰিষদ চৰকাৰ। ছবছৰীয়া বিদেশী বিতাড়ন আন্দোলনৰ অন্তত অসমীয়া মানুহে এটা খাঁটি "অসমীয়া" চৰকাৰৰ হাতত ৰাজ্যৰ ক্ষমতা তুলি দিছিল। কিন্তু কাৰ্যক্ষেত্ৰত আগৰ কংগ্ৰেছ আৰু গণ পৰিষদ চৰকাৰৰ মাজত কোনো তফাৎ দেখা নগ'ল। অসমৰ কংগ্ৰেছী চৰকাৰবিলাকে দলীয় স্বাৰ্থতেই কেন্দ্ৰৰ বিৰুদ্ধে কোনোদিনে দৃঢ় অৱস্থান গ্ৰহণ কৰা নাছিল। অতিকেন্দ্ৰিক আৰু স্বৈৰাচাৰী কেন্দ্ৰীয় চৰকাৰেও (কংগ্ৰেছ চৰকাৰ) নিজৰ মতে ৰাজ্য চৰকাৰবোৰৰ লেকাম অকণো ঢিলাই দিয়া নাছিল। ফলত ৰাজ্য চৰকাৰবোৰ কেন্দ্ৰীয় চৰকাৰৰ কৃপানিৰ্ভৰ হৈ ওলমি থাকিল আৰু কেন্দ্ৰ-ৰাজ্য সম্পৰ্কবোৰ অধিক পৰিমাণে কেন্দ্ৰীভূত হ'বলৈ ধৰিলে। এই পটভূমিতেই ভাৰতৰ ভালেমান ৰাজ্যত আঞ্চলিকতাবাদী দল আৰু আন্দোলনৰ সৃষ্টি হ'ল। অসমতো বিদেশী বিতাড়ন আন্দোলন তথা অসম গণ পৰিষদৰ সৃষ্টি হ'ল।

কিন্তু এই চৰকাৰেও কেন্দ্ৰ ৰাজ্য সম্পৰ্কৰ পুনৰ্বিন্যাস নাইবা অসমৰ ন্যায্য প্ৰাপ্যৰ দাবীত কেন্দ্ৰীয় চৰকাৰৰ ওপৰত কোনো ধৰণৰ জোৰ হেঁচা নিদিলে বা দিব নোৱাৰিলে। অসম গণ পৰিষদেও পাহৰি গ'ল যে ভাৰতবৰ্ষক প্ৰকৃততে এখন ফেডাৰেল, বহুজাতিক ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ প্ৰতিশ্ৰুতি আছিল অঙ্গৰাজ্যবোৰৰ জনসাধাৰণ তথা পশ্চাদপদ জাতিগোষ্ঠীবোৰৰ নিৰলস ঐক্যবদ্ধ সংগ্ৰাম। ৰাজ্য চৰকাৰবিলাকে সেই সংগ্ৰামৰ অগ্ৰণী শক্তি হিচাপে কাম কৰা উচিত। গণ-পৰিষদ চৰকাৰৰ কৰ্তব্য আছিল অসমৰ জনসাধাৰণক ঐক্যবদ্ধ কৰি কেন্দ্ৰৰ অতিকেন্দ্ৰিক নীতিৰ বিৰুদ্ধে গণতান্ত্ৰিক সংগ্ৰাম আগবঢাই নিয়া। কিন্তু তাকে কৰাত এই চৰকাৰ ব্যৰ্থ হ'ল। সেই ব্যৰ্থতা আৰু বিশ্বাসঘাতকতাৰ অৱধাৰিত পৰিণতি হ'ল বিচ্ছিন্নতাবাদ তথা সন্ত্ৰাসবাদ।

অসম বা যিকোনো এখন অঙ্গৰাজ্যৰ জনসাধাৰণৰ সংগ্ৰাম দেশখনৰ সামগ্ৰিক গণতান্ত্ৰিক সংগ্ৰামৰ পৰা ভিন্ন নহয়, বৰং তাৰ অংগ। সংগ্ৰামৰ এই পৰিপ্ৰেক্ষিত ঠিক কৰি ল'ব পৰা হ'লে অসমীয়াৰ ক্ষোভ আৰু আন্দোলনে ভাৰতবিৰোধী ৰূপ নল'লেহেঁতেন। কেন্দ্ৰৰ অতিকেন্দ্ৰিক নীতি আৰু বঞ্চনাৰ বিৰুদ্ধে ভাৰতৰ প্ৰতিখন ৰাজ্যৰ জনসাধাৰণৰ ক্ষোভ আৰু দাবী আছে। কেন্দ্ৰ-ৰাজ্য সম্পৰ্কৰ পুনৰ্বিন্যাসৰ দাবী সেয়ে সমগ্ৰ জনসাধাৰণ তথা ৰাজ্যচৰকাৰবোৰৰ উমৈহতীয়া দাবী। এই দাবী পূৰণ হ'লে অসমৰ জনসাধাৰণো সমানেই উপকৃত হ'ব। কিন্তু গণ পৰিষদ চৰকাৰ বা অসমৰ মধ্যবিত্ত শ্ৰেণীয়ে সেই পথ গ্ৰহণ নকৰি নিজকে দেশৰ জনসাধাৰণৰ উমৈহতীয়া সংগ্ৰামৰ পৰা বিচ্ছিন্ন কৰি ৰাখিলে। তাৰ কাৰণবোৰো আমি বিচাৰ কৰি চাব লাগিব।

কেন্দ্ৰীয় চৰকাৰৰ বৈষম্যৰ বিৰুদ্ধে অসমীয়া মধ্যবিত্তই সদায় চিএৰ-বাখৰ লগাই থাকে, কিন্তু ৰাজ্যখনৰ সকলো অংশৰ জনসাধাৰণক ঐক্যবদ্ধ কৰাৰ পথ ল'বলৈ টান পায়। এই অনিচ্ছাৰ প্ৰধান কাৰণ হ'ল এই শ্ৰেণীৰ অসহিষ্ণু আৰু অগণতান্ত্ৰিক চৰিত্ৰ। এই চৰিত্ৰৰ বাবেই সৰ্বভাৰতীয় ঐক্য তথা সংগ্ৰামৰ প্ৰতি এই শ্ৰেণী সংশয়ী আৰু সচকিত। ইংৰাজৰ আমোলত হিন্দু অসমীয়া মধ্যবিত্তৰ কোনো থলুৱা প্ৰতিদ্বন্দ্বীৰ সৃষ্টি হোৱা নাছিল। পিছপৰা শ্ৰেণী তথা জাতি জনজাতিৰ মাজৰ পৰা দুই এজন শিক্ষিত লোক ওলালেও বৰ্ণহিন্দুৰ লগত যেৰ মাৰিব নোৱাৰি তেওঁলোক একাষৰীয়া হৈ ৰৈছিল। আনহাতে অসমৰ স্বাধীনতা আন্দোলনৰ নেতৃত্ব আৰু স্বাধীনোত্তৰ অসমৰ ৰাজনৈতিক প্ৰশাসনিক কৰ্তৃত্বও এই শ্ৰেণীৰ হাততেই থূপ খায়। সেয়ে স্বাধীনোত্তৰ দশক কেইটাত তেওঁলোকে নিজৰ স্বাৰ্থ যথাসম্ভৱ পূৰণ কৰিলে প্ৰাপ্ত সুযোগ-সুবিধাখিনিক আত্মসাৎ কৰি। তেওঁলোকৰ বাবে এই সা-সুবিধাৰ ৰাস্তা বহুদিনলৈ খোলা আছিল। অসমৰ ৰাজনৈতিক-সামাজিক-সাংস্কৃতিক নেতৃত্ব আৰু প্ৰশাসনিক বিষয়বাববোৰ তেওঁলোকেই হস্তগত কৰিলে। সেয়ে কেন্দ্ৰৰ বিৰুদ্ধে যুঁজ কৰাৰ প্ৰয়োজন তেওঁলোকৰ নাছিল। কিছুসংখ্যক বৰ্ণহিন্দু নিশ্চয় ইয়াৰ ব্যতিক্ৰম আছিল; কিন্তু সেই ঘটনাই এই শ্ৰেণীৰ সামগ্ৰিক দৃষ্টিভংগী সলনি কৰাৰ বাবে যথেষ্ট নাছিল। শ্ৰেণীগতভাৱে তেওঁলোকে পিছপৰা জাতিগোষ্ঠী বা শ্ৰেণীবোৰৰ

লগত প্ৰাপ্ত ক্ষমতা তথা সা-সুবিধাবোৰৰ সমভাগ কৰাৰ প্ৰয়োজনবোধ কৰা নাছিল। তেওঁলোকৰ সংকীৰ্ণ জাত্যাভিমানৰ ক্ষয়ক্ষতিৰ সম্ভাৱনাও সিমান প্ৰবল নাছিল।

অসমীয়া মধ্যবিত্তৰ এই বৰ্ণবাদী চৰিত্ৰৰ কথা কওঁতে বহুতে জাঙুৰ খাই উঠিব পাৰে। কিন্তু আমি বৰ্ণবাদী নহওঁ, নাইবা বৰ্ণবিদ্বেষ আমাৰ চিন্তাৰ আশ্ৰয়ো নহয়। ইয়াত আমাৰ সামান্য প্ৰচেষ্টা হ'ল অসমীয়া মধ্যবিত্তৰ সংকীৰ্ণ, উগ্ৰজাতীয়তাবাদী প্ৰৱণতাৰ কিবা ঐতিহাসিক ভিত্তি আছে নেকি তাকহে বিচাৰ কৰা। তদুপৰি বিভিন্ন গোষ্ঠী আৰু সংগঠনে অসমীয়া মধ্যবিত্তৰ বিৰুদ্ধে মাজে সময়ে তুলি থকা অভিযোগবোৰ সংকীৰ্ণ মনৰ বিকৃতি বুলি তিলিকি মাৰি উৰাই দিয়াৰ দিন এতিয়া উকলি গৈছে।

বহুদিনলৈ অসমীয়া মধ্যবিত্তই কেন্দ্ৰৰ বিৰুদ্ধে সংগ্ৰাম কৰাৰ গৰজ অনুভৱ কৰা নাছিল। কিন্তু এতিয়া সেই প্ৰয়োজন আহিছে। মধ্যবিত্তৰ সুযোগ-সুবিধাবোৰৰ এতিয়া ব্যাপক সংকোচন ঘটিছে। চৰকাৰৰ পুঁজি আৰু চাকৰি-বাকৰি কমিছে। বৰ্ণহিন্দুৰো অসংখ্য লোক দিনক দিনে বেছিকৈ গৰীব হৈছে, হাজাৰ হাজাৰ নিবনুৱাৰো সৃষ্টি হৈছে নগৰ চহৰ সকলোতে। তাৰ লগে লগে পিছপৰা জাতি-জনজাতি আৰু অন্যান্য শ্ৰেণীবোৰৰ মাজতো একোটা শিক্ষিত মধ্যবিত্ত শ্ৰেণীৰ সৃষ্টি হোৱাত ৰাজনৈতিক ক্ষমতা, চাকৰি আৰু অন্যান্য সা-সুবিধাবোৰক কেন্দ্ৰ কৰি জাতিগত সংঘাত প্ৰকট হ'বলৈ ধৰিছে। অনুসূচিত জাতি, জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীবোৰৰ বাবে থকা সংৰক্ষণৰ ব্যৱস্থাও সাধাৰণভাৱে হিন্দু অসমীয়া মধ্যবিত্তৰ ঈৰ্ষা আৰু বিদ্বেষৰ কাৰণ হৈ উঠিছে। সৰ্বভাৰতীয় পটভূমিত মণ্ডল আয়োগৰ পৰামৰ্শ কাৰ্যকৰী কৰাৰ সিদ্ধান্তৰ বিৰুদ্ধে উচ্চ বৰ্ণ আৰু হিন্দু সাম্প্ৰদায়িকতাবাদীসকলৰ তীব্ৰ প্ৰতিক্ৰিয়া অসমৰ বাবেও যথেষ্ট ইংগিতবহ। এনে পৰিস্থিতিত অসমতো উভয় পক্ষৰেই জাতিগত সংকীৰ্ণতা বৃদ্ধি পোৱা স্বাভাৱিক। এনে এক উত্তেজনাপূৰ্ণ পৰিস্থিতিত কেন্দ্ৰৰ নীতি আৰু বঞ্চনাৰ বিৰুদ্ধে অসমৰ জনসাধাৰণক জাতি-ধৰ্ম-ভাষা নিৰ্বিশেষে ঐক্যবদ্ধ কৰাৰ প্ৰয়োজন আছিল সৰ্বাধিক। কিন্তু অসমৰ পিছপৰা জাতিগোষ্ঠীবোৰক নাইবা অন্যান্য সংখ্যালঘুসকলক সংগ্ৰাম তথা তাৰ প্ৰসাদৰ সমভাগ দিবলৈ অসমীয়া মধ্যবিত্ত কোনোদিনে প্ৰস্তুত হ'ব নোৱাৰিলে। সেয়ে অসমত ঐক্যবদ্ধ গণতান্ত্ৰিক সংগ্ৰামৰ ভিত্তি কোনোদিনে সবল নহ'ল। তাৰ সলনি এই শ্ৰেণীয়ে বাছি লৈছে উগ্ৰজাতীয়তাবাদৰ বিভেদকামী আৰু আত্মঘাতী পথ। এতিয়াৰ বিচ্ছিন্নতাবাদী সন্ত্ৰাস তাৰেই চূড়ান্ত অভিব্যক্তি মাথোন।

আনহাতে ইংৰাজৰ দিনতে গঢ়ি উঠা ঐক্যবদ্ধ কৃষক সংগ্ৰামৰ পৰম্পৰাও পিছলৈ স্তিমিত হৈ পৰে। কমিউনিষ্ট পাৰ্টিকেইটাৰ অনৈক্য আৰু দুৰ্বলতা তাৰ বাবে বহু পৰিমাণে জগৰীয়া। এইটো ঠিক যে অসমৰ আৰ্থ-সামাজিক উন্নতি তথা ভাৰতৰ অংগৰাজ্যবোৰৰ সমানাধিকাৰ আৰু সমবিকাশৰ বাবে গণতান্ত্ৰিক সংগ্ৰামৰ পতাকাখন কেৱল কমিউনিষ্টসকলেহে উৰ্দ্ধত তুলি ধৰি আহিছে। [illegible] আন্দোলনৰ দৰে গণতান্ত্ৰিক সংগ্ৰামবোৰ কমিউনিষ্টসকলৰেই পৰিশ্ৰমৰ ফল। অসমৰ জাতিগত, ভাষিক আৰু ধৰ্মীয় ঐক্য-সংহতিকো

কেৱল কমিউনিষ্টসকলেই অকুতোভয়ে পহৰা দি আহিছে। এতিয়াও অসমীয়া— অনা-অসমীয়া, জনজাতি-অজনজাতি সকলোৰে মাজত কৃষক, শ্ৰমিক আৰু অন্যান্য গণ সংগঠন তথা গণ আন্দোলনবোৰৰ নেতৃত্ব দিছে কমিউনিষ্টসকলেই। এই গণতান্ত্ৰিক সংগঠন আৰু ঐক্যবদ্ধ আন্দোলনবোৰেই হ'ল অসমৰ বৈচিত্ৰ্যময় জনসাধাৰণৰ ঐক্য সম্প্ৰীতিৰ একমাত্ৰ গেৰাণ্টি। অসম আৰু অসমবাসীক যদি ৰক্ষা কৰিব লাগে, তেন্তে তাৰো পৰীক্ষিত পথ হ'ল এইটোৱেই। তথাপি ক'ব লাগিব, অসমৰ জটিল পৰিস্থিতিৰ প্ৰয়োজন পূৰণ কৰাৰ জোখাৰে বলশক্তি কমিউনিষ্টসকলে আয়ত্ত কৰিব নোৱাৰিলে। বাওঁপন্থী আন্দোলন বিভক্ত আৰু দুৰ্বল হৈ পৰাত আৰু জাতিগত প্ৰশ্নত বহুতো বিভ্ৰান্তিৰ সৃষ্টি হোৱাত ৰাজ্যখনত গণতান্ত্ৰিক সংগ্ৰামৰ প্ৰভাৱো সীমিত হৈ ৰ'ল। অসমত পূৰ্বৰ জংগী কৃষক সংগ্ৰামৰ পৰম্পৰা অটুট ৰাখি এটা শক্তিশালী কৃষক সংগঠন তথা আন্দোলন গঢ়ি তুলিব পৰা হ'লে আৰু জাতিগত প্ৰশ্নবোৰৰো সময়োচিত বিচাৰ বিশ্লেষণ হোৱা হ'লে কমিউনিষ্টসকলে অসমৰ ৰাজনীতি তথা সমাজ জীৱন কাৰ্যকৰীভাৱে নিয়ন্ত্ৰণ কৰিব পাৰিলেহেঁতেন। কিন্তু বাস্তৱত সেয়ে হৈ নুঠিল। অসমীয়া মধ্যবিত্ত শ্ৰেণীৰ সংকীৰ্ণতা আৰু দুৰ্বলতাৰ কথা আমি আলোচনা কৰিছোঁ। অসমত বাওঁ আৰু গণতান্ত্ৰিক আন্দোলন দুৰ্বল আৰু সীমিত হৈ থকাৰ সিও এটা অন্যতম কাৰণ। অসমৰ প্ৰতিটো জাতিগোষ্ঠীয়েই এতিয়া জাতি বা সম্প্ৰদায়ৰ ভিত্তিত সংগঠিত হ'বলৈ প্ৰয়াস কৰিছে। অসমত গণতান্ত্ৰিক আন্দোলনৰ শূন্যতাক এতিয়া পূৰণ কৰিছে অসমীয়া মধ্যবিত্তৰ উগ্ৰজাতীয়তাবাদী তথা বিচ্ছিন্নতাবাদী সন্ত্ৰাস আৰু জনজাতিবিলাকৰ পৃথকত্ববাদী আন্দোলনে।

অসমীয়া মধ্যবিত্তৰ জাত্যাভিমানী আৰু সুযোগসন্ধানী দৃষ্টিভংগীৰ বাবেই এই শ্ৰেণীটোৰ সংকীৰ্ণতা, স্বাৰ্থপৰতা, অমানুবিকতা, হঠকাৰিতা আদি বদগুণবোৰেই সদায় প্ৰাধান্য পাই আহিছে। এইবিলাকে অসমীয়া জাতিৰ যিমান ক্ষতি কৰিছে, সিমান ক্ষতি প্ৰকাশ্য শত্ৰুৱেও কৰিব নোৱাৰিলেহেঁতেন। তথাপি এই কথা স্বীকাৰ বা উপলব্ধি কৰিবলৈ তেওঁলোক প্ৰস্তুত নহয়। অসমক স্বাধীন কৰাৰ শ্লোগানো হতাশগ্ৰস্ত অসমীয়া মধ্যবিত্তৰ এৰাবাৰীৰ বিননিৰে নামান্তৰ মাথোন। ইয়াৰ পৰিণতিও যে আৰু ভয়াবহ, সেই কথা বুজি পোৱাত জটিলতা একো নাই।

অসমীয়া জাতিৰ এই বৈশিষ্ট্যবোৰ বুজাৰ বাবে ১৯৭৯-৮৫ চনৰ 'বিদেশী বিতাড়ন' আন্দোলনটোক চালিজাৰি চোৱাৰ প্ৰয়োজন আছে। এই আন্দোলন এনে সময়ত আৰম্ভ হৈছিল, যি সময়ত অসমৰ বাওঁপন্থী শক্তিবোৰে বিধান সভাৰ ভিতৰে বাহিৰে নিজৰ বৰ্দ্ধিত শক্তি প্ৰমাণ কৰিবলৈ সক্ষম হৈছিল। অসমত সত্তৰৰ দশকটো আছিল গণতান্ত্ৰিক আন্দোলনৰ সুবৰ্ণ যুগ। গোটেই ৰাজ্যখনতে গণতান্ত্ৰিক কৃষক, শ্ৰমিক, ছাত্ৰ, যুৱ, মহিলা আদিৰ সংগঠন লহ্ পহ্ কৈ বাঢ়ি আহিছিল। জৰুৰীকালীন অৱস্থায়ো এই সংগঠনবোৰৰ বাবে পৰিৱেশ সুচল কৰিহে দিছিল। কমিউনিষ্ট পাৰ্টিকেইটাই বিধান সভাৰ নিৰ্বাচনতো (১৯৭৮) প্ৰায় ২৩ খন আসন দখল কৰি বিধান সভাৰ মজিয়াত নিজৰ স্থিতি সংহত

আৰু শক্তিশালী কৰিবলৈ সক্ষম হৈছিল। সকলোৱে ধৰি লৈছিল যে এই বাওঁ দলবোৰ ঐক্যবদ্ধ হৈ থাকিব পাৰিলে অসমত ভৱিষ্যতে তেওঁলোকেই চৰকাৰ চলাব। অসমৰ জনসাধাৰণৰ বাবে বাওঁ শক্তিবোৰৰ এই জয়যাত্ৰাই কঢ়িয়াই আনিছিল আশা আৰু প্ৰেৰণা। কিন্তু প্ৰতিক্ৰিয়াবাদীসকলৰ বাবে সিয়েই হৈ পৰিল ডাঙৰ দুশ্চিন্তা। তেওঁলোকৰ ষড়যন্ত্ৰই বিদেশী বিতাড়ন আন্দোলনৰ পাতনি মেলিলে।

বিদেশী বিতাড়ন আন্দোলনে ৰাজ্যখনত প্ৰচণ্ড তোলপাৰ লগালে। অথচ ভাবিলে আচৰিত হ'ব লাগে যে বিদেশীৰ এটা যুক্তিসংগত আৰু গ্ৰহণযোগ্য সংজ্ঞা ঠিক নোহোৱাকৈয়ে আন্দোলনকাৰীসকল বিদেশী খেদাৰ কামত হাতে-কামে লাগি গ'ল। আৰম্ভ হ'ল বিদেশীৰ নামত নিৰ্বিচাৰ সন্ত্ৰাস আৰু হত্যাকাণ্ড। তেওঁলোকে প্ৰথম অৱস্থাত ১৯৫১ চনক বিদেশী চিনাক্তকৰণৰ সময়সীমা হিচাপে নিৰ্দ্ধাৰণ কৰাৰ দাবী জনাইছিল। এটা সময়ত সেই সময়সীমা ১৯৬১ চনলৈও আগবঢ়াই নিয়া হ'ল। কিন্তু বাস্তৱত ১৯৭১ চনৰ আগত অহা পূব পাকিস্তানীসকলক জোৰ কৰি বাংলাদেশলৈ ঘূৰাই পঠোৱাটো আছিল অসম্ভৱ কথা। কাৰণ বাংলাদেশৰ ইচ্ছা আৰু সহযোগিতাৰ প্ৰশ্ন তাত জড়িত হৈ আছিল আৰু আছিল মানৱতা তথা ভাৰতৰ ৰাষ্ট্ৰীয় দায়বদ্ধতাৰ প্ৰশ্ন। কমিউনিষ্ট পাৰ্টিকেইটাই আৰু অন্যান্য ভালেমান গণতান্ত্ৰিক দলে সেয়ে ১৯৭১ চনক বিদেশী চিনাক্তকৰণৰ সময়সীমা হিচাপে ধৰি ল'বলৈ আৰু সমগ্ৰ বিষয়টোক শান্তিপূৰ্ণভাৱে নিষ্পত্তি কৰিবলৈ দাবী জনাইছিল। আমি নিজেও "সাম্প্ৰতিক বিদেশী বিতাড়ন আন্দোলনৰ অন্তৰালত" নামৰ বহুল প্ৰচাৰিত পুস্তিকা এখনত এই আন্দোলনৰ এটা যথাযথ বিশ্লেষণ দাঙি ধৰিবলৈ চেষ্টা কৰিছিলো। হোমেন বৰগোহাঞি আৰু ড° হীৰেন গোহাঁইৰ দৰে প্ৰথিতযশা আৰু দুৰ্দম বুদ্ধিজীৱীয়েও আন্দোলনটোৰ হিংসা আৰু সন্ত্ৰাসক অকুতোভয়ে আৰু নিৰলসভাৱে সমালোচনা কৰিছিল। কিন্তু কমিউনিষ্ট পাৰ্টি তথা মুষ্টিমেয় বুদ্ধিজীৱীকেইজনৰ যুক্তিনিষ্ঠ কথাবোৰ শুনিবলৈ বা সুস্থিৰে বিচাৰ কৰিবলৈ বিদেশী খেদা আন্দোলনৰ নেতাসকল মুঠেই প্ৰস্তুত নাছিল। অসমীয়া মধ্যবিত্তৰ সংকীৰ্ণ আৰু অপৰিণামদৰ্শী চেহেৰাটোহে আন্দোলনটোত প্ৰকট হৈ উঠিল। তেওঁলোকে আগপিছ নুগুণি অসমীয়া ডেকাল'ৰাক হিংসা, হত্যা আৰু সন্ত্ৰাস সৃষ্টিত উদগনিহে যোগালে। অসমীয়া জাতিৰ অতীত আৰু ভৱিষ্যতৰ চিন্তাই তেওঁলোকক অকণো আমনি দিব নোৱাৰিলে। অসমীয়া মধ্যবিত্তৰ এই হঠকাৰিতা, স্বেচ্ছাচাৰিতা, সুযোগসন্ধান আৰু দৃষ্টিদোষে অসমীয়া জাতিৰ সৰ্বনাশীয়া আত্মঘাতী পথ প্ৰশস্ত কৰি তুলিলে।

স্বাভাৱিকভাৱেই বিদেশী খেদা আন্দোলনটো সমস্ত গণতান্ত্ৰিক মূল্যবোধ, ৰীতি-নীতি আৰু পৰম্পৰাৰ বিৰুদ্ধেই পৰিচালিত হ'ল। আন্দোলনক বিৰোধিতা কৰা, আনকি আন্দোলনবিৰোধী লিখা-মেলা-পঢ়া লোকসকলৰ ওপৰত আক্ৰমণ কেন্দ্ৰীভূত কৰা হ'ল। ফেচীবাদী কায়দাৰে আন্দোলনবিৰোধীসকলক দমন কৰাৰ জোৰ প্ৰচেষ্টা চলিল। স্কুল-কলেজ-বিশ্ববিদ্যালয়ৰ শিক্ষক তথা বুদ্ধিজীৱীসকলে চেঙেলীয়া ছাত্ৰনেতাৰ অতি উগ্ৰ আৰু অশিষ্ট বক্তৃতা আৰু কথাবতৰাক বাহ্ বাহ্ দিবলৈ ধৰিলে। কমিউনিষ্ট আৰু গণতান্ত্ৰিক

সংগঠন তথা ব্যক্তিক "বিদেশীৰ দালাল" বুলি "হালাল কৰা"ৰ অভিযান চলিল। ফলত এই বিদেশী খেদা আন্দোলনৰ বেদীত প্ৰায় আঢ়ৈকুৰি কমিউনিষ্ট কৰ্মীয়ে প্ৰাণ আহুতি দিবলগীয়া হ'ল। অসংখ্যজনক মাৰি ঘুণীয়া কৰা হ'ল। কিন্তু এই সমস্ত হত্যাকাণ্ড আৰু সন্ত্ৰাসেও কমিউনিষ্টসকলক, বিশেষকৈ মাৰ্ক্সবাদী কমিউনিষ্ট পাৰ্টিক তেওঁলোকৰ ঘোষিত নীতি আৰু কৰ্মপন্থাৰ পৰা এক ইঞ্চিও লৰচৰ কৰাব নোৱাৰিলে। তেওঁলোকেই বুকুৰ উমেৰে জীপ দি ৰাখিলে অসমৰ জনসাধাৰণৰ গণতান্ত্ৰিক ঐক্য আৰু আন্দোলনৰ ভৱিষ্যতক।

আনহাতে আন্দোলনকাৰীসকলে ধৰি লোৱা "বিদেশী"সকলক অসমৰ পৰা খেদোৱা অসম্ভৱ যেন দেখি একেবাৰে এই পৃথিৱীৰ পৰাই বিতাড়ন কৰাৰ অভিযান সংগঠিত কৰিলে। ১৯৮৩ চনৰ নিৰ্বাচনৰ সময়ত অসমৰ ভালেমান ঠাইত অভূতপূৰ্ব সন্ত্ৰাস আৰু গণহত্যা সংঘটিত হ'ল। নেলী, গহপুৰ আদিৰ হত্যাকাণ্ডৰ আক্ৰান্ত আৰু বিধ্বস্ত হোৱা সম্প্ৰদায়বোৰৰ মন আৰু শৰীৰৰ গভীৰ ঘাবোৰ এতিয়াও শুকোৱা নাই।

এই বিদেশী বিতাড়ন আন্দোলনৰ এটা অন্যতম দিশ আছিল হিন্দু সাম্প্ৰদায়িকতা তথা বৰ্ণবাদৰ প্ৰভাৱ আৰু প্ৰতিপত্তি। জৰুৰীকালীন অৱস্থাৰ সময়ৰে পৰা আৰু জনতা চৰকাৰৰ আমোলত অসমতো হিন্দু সাম্প্ৰদায়িক শক্তিবোৰে শিপাবলৈ ধৰে। এটা সময়ত অসম আন্দোলনৰ মাজলৈও বি-জে-পি, আৰ-এছ এছৰ অনুপ্ৰৱেশ ঘটিল। তেওঁলোকেই হৈ পৰিল সেই আন্দোলনৰ সৰ্বভাৰতীয় এজেণ্ট। বি-জে-পি নেতাসকলৰ আশীৰ্বাদ নাইবা অৰুণ শৌৰীৰ দৰে ধুৰন্ধৰ সাংবাদিকৰ মন্ত্ৰণাৰ পৰা বিদেশী বিতাড়ন আন্দোলনৰ সেনা আৰু সেনাপতিসকল বঞ্চিত নহ'ল। সেয়ে 'বিদেশী বিতাড়ন' আন্দোলন এটা সময়ত কাৰ্যতঃ বাংলাদেশী মুছলমান বিতাড়নৰ আন্দোলনত পৰিণত হ'লগৈ। এই মুছলমান বিদ্বেষৰ লগত যোগ হ'ল বৰ্ণবাদী অসমীয়াৰ আন এটা পুৰণি বেমাৰ— জনজাতি বিদ্বেষ। ১৯৮৩ৰ হত্যাকাণ্ডবোৰৰ আঁৰত এই দুই বিদ্বেষ আছিল সমানেই সক্ৰিয় আৰু সবল। সেয়ে নেলীত মুছলমানসকল যিদৰে আক্ৰান্ত হ'ল, সেইদৰে লক্ষীমপুৰৰ ঠাইবিশেষে আৰু গহপুৰত আক্ৰান্ত হোৱাসকল আছিল জনজাতীয় লোক।

এই আন্দোলনৰ আৰু এটা ডাঙৰ বৈশিষ্ট্য হ'ল হিন্দু সাম্প্ৰদায়িকতাৰ লগত অসমীয়া মাটিগিৰিসকলৰ স্বাৰ্থৰ সংযোগ। নেলী, গহপুৰ আদিত আক্ৰান্ত হোৱা লোকসকল আছিল দুখীয়া মুছলমান আৰু জনজাতীয় কৃষক আৰু সেই আক্ৰমণবোৰৰ নেতৃত্ব দিছিল এদল মাটিগিৰিয়ে। এইদৰে বিদেশী বিতাড়ন আন্দোলনক অসমৰ মাটিগিৰি আৰু মহাজনসকলে সুকৌশলে আৰু সফলতাৰে 'পৱিত্ৰ' শ্ৰেণীযুদ্ধলৈ ৰূপান্তৰিত কৰিলে। এনে এটা কৃষকবিৰোধী আন্দোলন খুব স্বাভাৱিকভাৱেই গণতন্ত্ৰবিৰোধী আৰু কমিউনিষ্টবিৰোধী হ'বলৈ বাধ্য আছিল। আন্দোলনটোৰ এই কৃষকবিৰোধী চৰিত্ৰৰ বাবেই ১৯৮৫ চনত সম্পাদিত 'অসম চুক্তি'ৰ ১০ নং দফাত কৃষক উচ্ছেদৰ পথ সুগম কৰা হ'ল।

মন কৰিবলগীয়া কথা এয়ে যে যিবিলাক শক্তিয়ে এই বিদেশী বিতাড়ন আন্দোলনৰ

গুৰি ধৰিছিল, তেওঁলোকৰ অভিপ্ৰায় আন্দোলনটোৱে পূৰণো কৰিছিল। আন্দোলনৰ মাজতে আৰু অগপ চৰকাৰৰ দিনত অসমৰ বিত্তশালী আৰু প্ৰভাৱশালী শ্ৰেণীবোৱে নিজৰ আৰ্থিক সুযোগ-সুবিধা আদায় কৰি লৈছিল। মাটিগিৰিসকলে মাটি সম্পত্তি নিৰাপদে দখল কৰি লৈছিল। ১৯৮৩ চনত হিতেশ্বৰ শইকীয়াই চৰকাৰ পতাত সম্পত্তিবানসকলে নিজৰ অৱস্থান সলনি কৰিবলৈও বেছি পৰ নালাগিল। অসমীয়া প্ৰেছ মালিক, চাহ-বাগিচাৰ মালিক, ডাঙৰ ব্যৱসায়ী, উচ্চ পদস্থ বিষয়া আদিয়ে কংগ্ৰেছ (ই) শিবিৰত ভিৰ কৰিবলৈ আৰম্ভ কৰিলে।

একেসময়তে, মাৰ্কিন সাম্ৰাজ্যবাদৰ ষড়যন্ত্ৰৰ প্ৰশ্নও উত্থাপিত নোহোৱাকৈ থকা নাছিল। 'প্ৰজেক্ট ব্ৰহ্মপুত্ৰ'ৰ কথাও সেইসময়ত বহুলভাৱে প্ৰচাৰিত হৈছিল। ভাৰত মহাসাগৰত ঘাটি স্থাপন কৰা আৰু ভাৰতবৰ্ষক অস্থিৰ তথা বিভক্ত কৰি ৰখাত মাৰ্কিন সাম্ৰাজ্যবাদৰ স্বাৰ্থ অনস্বীকাৰ্য। সেয়ে দেশখনৰ বিভিন্ন কোণত বিচ্ছিন্নতাবাদীসকলক উচটনি দিয়াৰ কোনো সুযোগকেই সাম্ৰাজ্যবাদে এৰি দিয়া নাই।

১৯৭৯-৮৫ চনৰ বিদেশী বিতাড়ন আন্দোলনৰ মাজত ভাৰতৰ স্বাধীনতা যুদ্ধৰ এক অদ্ভুত প্ৰহসন লক্ষ্য কৰা গৈছিল। অসমত দ্বিতীয়টো 'স্বাধীনতা সংগ্ৰাম'ৰ দাবানল জ্বলাই তোলাৰ দুৰ্বাৰ বাসনাৰে অসমীয়া জাতিৰ "অস্তিত্বৰক্ষাকাৰী"সকলে ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ সাজ-পাৰ, ঢাল-তৰোৱাল, ৰণকৌশল, ৰণহুংকাৰ সকলোবিলাক ধাৰ কৰি এখন নকল স্বাধীনতা যুদ্ধত জানপ্ৰাণ দি লাগি গৈছিল। কিন্তু পূৰ্বৰ সাম্ৰাজ্যবাদী ইংৰাজৰ ঠাইত এইবাৰ থিয় কৰোৱা হ'ল দেশ বিভাজনৰ অভিশাপত জ্বলি পুৰি মৰা এদল দুৰ্ভগীয়া ভগনীয়াক, অহিংস প্ৰতিৰোধৰ সলনি বাছি লোৱা হ'ল ফেচীবাদী সন্ত্ৰাস আৰু অত্যাচাৰ, প্ৰকৃত বিদেশীৰ নামত আক্ৰান্ত হ'ল মতাদৰ্শগত প্ৰতিপক্ষ, দেশপ্ৰেম আৰু জাতিপ্ৰেমৰ ঠাই ল'লে গোষ্ঠীপ্ৰেম আৰু মতান্ধতাই, ত্যাগৰ ঠাই ল'লে টকা আৰু ক্ষমতাৰ লালসা আৰু সুযোগ সন্ধানে, বীৰত্বৰ ঠাই ল'লে দলবদ্ধ কাপুৰুষালিয়ে। এইদৰে দেশৰ ঐতিহাসিক স্বাধীনতা সংগ্ৰাম আৰু তাৰ লগত জড়িত মানবীয় তথা জাতীয় মহত্ব আৰু প্ৰমূল্যবোধৰ নিৰ্বোধ প্ৰহসন চলিল। অথচ কিমান গাম্ভীৰ্য আৰু আনুষ্ঠানিক সততাৰে সেই প্ৰহসন মঞ্চস্থ কৰা হৈছিল সেই কথা ভাবিলেও আচৰিত হ'ব লাগে।

এই কথাও সত্য যে অসমৰ কোনো ৰাজনৈতিক দল, সংগঠন বা ব্যক্তিয়েই প্ৰকৃত বিদেশী নাগৰিকৰ বহিষ্কৰণৰ বিৰোধী নাছিল। আন্দোলনকাৰীসকলৰ লগত আনবিলাকৰ, বিশেষকৈ কমিউনিষ্টসকলৰ বিৰোধ ঘটিছিল বিদেশীৰ চিনাক্তকৰণ আৰু বহিষ্কৰণৰ পদ্ধতিক লৈহে। আন্দোলনকাৰীসকলে এই বিৰোধৰ অপব্যাখ্যা কৰাতহে সমস্যা জটিল হৈ পৰিছিল। কিন্তু 'অসম চুক্তি'ৰ মাজেদি আচলতে আন্দোলনবিৰোধীসকলৰ অৱস্থানহে সত্য বুলি প্ৰমাণিত হৈছিল।

আজিৰ বিচ্ছিন্নতাবাদী তথা সন্ত্ৰাসবাদী আন্দোলনৰো বীজ অংকুৰিত হৈছিল সেই বিদেশী বিতাড়ন আন্দোলনৰ গৰ্ভতেই। এতিয়া 'সংযুক্ত মুক্তি বাহিনী, অসম' (আলফা)এ

আত্মনিয়ন্ত্ৰণ বা 'স্বাধীন অসম'ৰ যি দাবী তুলিছে, সিও সংগঠনটোৰ কোনো নতুন শ্লোগান নহয়। ১৯৭৯-৮৫ বিদেশী বিতাড়ন আন্দোলনৰ সময়ত বিচ্ছিন্নতাবাদৰ দাবীয়ে প্ৰাধান্য পোৱা নাছিল। সকলোৰে দৃষ্টি তেতিয়া বিদেশী বহিষ্কৰণৰ ওপৰতেই নিবদ্ধ। আন্দোলনৰ নেতাসকলেও ৰাজ্যখনৰ ক্ষমতা দখলৰ কথাহে চিন্তা কৰিছিল। কিন্তু সেই বিদেশী খেদা উত্তেজনাৰ আঁৰতেই এমুঠি সন্ত্ৰাসবাদীয়ে প্ৰশিক্ষণ আৰু সংগঠনৰ কামত নীৰৱে আত্মনিয়োগ কৰে। বিদেশী বিতাড়ন আন্দোলনে অসম গণ পৰিষদক ক্ষমতাত অধিষ্ঠিত কৰিলে। কিন্তু সেই আন্দোলনে সঞ্চাৰ কৰা প্ৰত্যাশাবোৰ পূৰণ কৰাত গণ পৰিষদৰ ব্যৰ্থতা আৰু অসমীয়া মানুহক কৰা বিশ্বাসঘাতকতাই সন্ত্ৰাসবাদ আৰু বিচ্ছিন্নতাবাদৰ বাবে এখন সাৰুৱা ক্ষেত্ৰ তৈয়াৰ কৰি দিলে। এতিয়া আলফাৰ অস্ত্ৰশক্তিয়ে সৃষ্টি কৰা সন্ত্ৰাস অসম তথা দেশৰ অখণ্ডতা তথা জনসাধাৰণৰ ঐক্য-সংহতিৰ বাবে এটা ডাঙৰ প্ৰত্যাহ্বানত পৰিণত হৈছে। তেওঁলোকে এনে এটা অৱস্থাৰ সৃষ্টি কৰিছে, যি'ত অসমৰ সৰ্বসাধাৰণ ৰাইজৰ সক্ৰিয় হস্তক্ষেপৰ অবিহনে আন একোৱে ৰাইজৰ শান্তি আৰু নিৰাপত্তাক ঘূৰাই আনিব আৰু সুৰক্ষা দিব নোৱাৰে। অসম গণ পৰিষদ চৰকাৰৰ দিনতেই আলফাৰ হিংসাত্মক কাম-কাজ, যেনে হত্যা, ভাবুকি, বলপূৰ্বক ধনসংগ্ৰহ আদি সংঘটিত হ'বলৈ ধৰিছিল। অ-গ-পইও সেইবোৰত বাধা দিয়াৰ সলনি পাকে প্ৰকাৰে উৎসাহ দিবলৈহে ধৰিলে। নিজৰ চৰকাৰী ব্যৰ্থতা ঢাকি ৰখাৰ বাবে গণ পৰিষদে এটা সুযোগ পালে। অসমীয়াৰ অপূৰণীয় প্ৰত্যাশাইও আত্মপ্ৰকাশৰ ভাষা বিচাৰি বিভ্ৰান্ত হ'ল। ফলত সন্ত্ৰাসবাদী কাম-কাজবোৰ অবাধ গতিৰে বাঢ়িবলৈ ধৰিলে। ৰাজ্যখনত আইনৰ শাসন লোপ পালে, ধন-জনৰ নিৰাপত্তা নোহোৱা হ'ল। সন্ত্ৰাসবাদে সৃষ্টি কৰা অৰাজকতাই অ-গ-প চৰকাৰৰ পতন ঘটাই ৰাষ্ট্ৰপতিৰ শাসন মাতি আনিলে। তেতিয়া গণ পৰিষদ চৰকাৰৰ কাৰ্যকাল শেষ হ'বলৈ আছিল মাত্ৰ ডেৰমাহ মানহে। তাৰ পিছত ১৯৯১ চনৰ সাধাৰণ নিৰ্বাচনত কংগ্ৰেছ (ই) দল ক্ষমতালৈ ঘূৰি আহে। আলফায়ো পণবন্দীৰ অধ্যায় আৰম্ভ কৰে। কংগ্ৰেছ (ই) চৰকাৰে দ্বিতীয়বাৰৰ বাবে সেনাবাহিনী নিয়োগ কৰি তাৰ জবাব দিয়ে।

ভাৰতৰ যুক্তৰাষ্ট্ৰীয় ঐক্য-সংহতিৰ বিৰুদ্ধে নাগালেণ্ড, মিজোৰাম আদি চুবুৰীয়া ৰাজ্যকেইখনৰ দীৰ্ঘদিনীয়া বিচ্ছিন্নতাবাদী সন্ত্ৰাসৰ ঢৌৱে অসমকো চুই গ'ল। বিদেশী বিতাড়ন আন্দোলনৰ সময়তে এখন "স্বাধীন", "মুক্ত" অসম যুক্তৰাষ্ট্ৰ গঢ়ি তোলাৰ প্ৰকাশ্য আৰু গোপন প্ৰচাৰ-প্ৰস্তুতিয়ে বহু ছাত্ৰ-যুৱকক আন্দোলনত মনপ্ৰাণ ঢালি দিয়াৰ বাবে প্ৰেৰণা যোগাইছিল। তদুপৰি নাগালেণ্ড, মিজোৰাম, মণিপুৰ, ত্ৰিপুৰা আৰু মেঘালয়ৰ সশস্ত্ৰ বিচ্ছিন্নতাবাদী দল-উপদল বিলাকৰ লগত অসম আন্দোলনৰ নেতৃবৃন্দৰো ঘনিষ্ঠ সম্পৰ্ক স্থাপন হৈছিল। NAMMAT (initials for the seven N. E. States), SULA (Seven Units Liberation Army) আৰু NERSU (North East Region Students Union) আদি সংগঠনবোৰ আছিল তৰেই ফলশ্ৰুতি। সেইদৰে আমেৰিকাৰ কুখ্যাত 'চিয়া' (CIA)ৰ 'প্ৰজেক্ট ব্ৰহ্মপুত্ৰ' নামৰ গোপন আঁচনিখনো জনাজাত

হৈ পৰিছিল। এই সমগ্ৰ উত্তৰ পূৰ্বাঞ্চলৰ বিচ্ছিন্নতাবাদী আৰু পৃথকত্ববাদী আন্দোলনবিলাকৰ লগত খ্ৰীষ্টান মিছনাৰীৰ সম্পৰ্কও উদ্বেগজনক। সমগ্ৰ ভাৰতবৰ্ষ তথা এই উত্তৰ-পূব অঞ্চলটোত অস্থিৰতা সৃষ্টি কৰিব পৰা বিভ্ৰান্তিকৰ প্ৰচাৰ আৰু আপত্তিজনক কামকাজ সাম্ৰাজ্যবাদীহঁতে চলায়েই আছে। আলফাই উত্তৰ পূৰ্বাঞ্চলৰ উগ্ৰপন্থী সংগঠনকেইটাৰ লগত যোগসূত্ৰ স্থাপন কৰিছিল আৰু ভাৰত যুক্তৰাষ্ট্ৰৰ পৰা স্বাধীন হৈ আহিবলগীয়া ৰাজ্যকেইখনৰ মাজত ভৱিষ্যতে একধৰণৰ Confederation গঢ়ি তোলাৰ প্ৰস্তাৱ আগবঢ়াইছিল। গতিকে পঞ্জাব আৰু কাশ্মীৰৰ সন্ত্ৰাসবাদীসকলৰ প্ৰতিও আলফাই প্ৰকাশ্যভাৱে সমৰ্থন জনাইছিল। এল-টি-টি-ই ৰ সৈতেও আলফাৰ সম্পৰ্ক গঢ়ি উঠিছিল। সন্ত্ৰাসবাদ তথা বিচ্ছিন্নতাবাদেই এনেদৰে ৰাজ্যখনৰ আটাইতকৈ জৰুৰী আৰু জটিল সমস্যাত পৰিণত হ'ল।

আলফাই ৰাজ্যখনৰ আইন-শৃংখলাক সজোৰে, আৰু একপ্ৰকাৰে ক'বলৈ গ'লে সফলতাৰে, প্ৰত্যাহ্বান জনাইছে। তথাপি এই সমস্যাক কেৱল আইন-শৃংখলাৰ সমস্যা, কেৱল হত্যাকাণ্ড আৰু ডকাইতি বুলি ধৰি ল'লেও ভুল হ'ব। বিচ্ছিন্নতাবাদৰ সমস্যাক কেৱল সামৰিক বা প্ৰশাসনিক বিধিব্যৱস্থাৰেই সমাধা কৰিব নোৱাৰি। এইবিলাকৰ লগত সদায় এনে কিছুমান জাতীয় তথা ৰাজনৈতিক বিষয় জড়িত হৈ থাকে, যিবিলাকক কেৱল বলেৰে দমন কৰিবলৈ গ'লে তাৰ পৰিণতি মাৰাত্মক হ'বলৈ বাধ্য। 'অপাৰেশ্যন বজৰং' নাইবা 'অপাৰেশ্যন ৰাইনো'ৰ সীমাবদ্ধতা ইতিমধ্যে প্ৰমাণিত হৈছে। সৈন্যবাহিনীৰ হাতত নিৰপৰাধ লোকৰ নিৰ্যাতন, হত্যা আৰু নাৰী ধৰ্ষণৰ দৰে অমানুবিক ঘটনাও কম ঘটা নাই। এনে ঘটনা সেনাবাহিনীৰ শাসনত সচৰাচৰ ঘটি থাকে, আৰু সেয়ে দীঘলীয়া সময়ৰ বাবে এনে শাসন চলি থাকিলে জনসাধাৰণৰ ক্ষোভ আৰু তিক্ততাও বাঢ়ি যায়। তাৰ ফলত লাভ হয় সন্ত্ৰাসবাদী তথা বিচ্ছিন্নতাবাদীসকলৰহে, প্ৰশাসন বা গণতান্ত্ৰিক আন্দোলনৰ নহয়। শেহতীয়াকৈ যোৱা ২০০৩ চনৰ ডিচেম্বৰৰ মাজভাগত ভূটান চৰকাৰ তথা সেনাবাহিনীয়ে আলফাৰ (লগত এন ডি এফ বি আৰু কে এল অ'ৰো) ঘাটীবোৰ উৎখাত কৰি সংগঠনটোক ছেদেলি ভেদেলি কৰি দিছে। ভাৰত চৰকাৰে আলোচনাৰ ৰাস্তা এৰি মাৰি পিটি আলফাক খটম কৰাৰ নীতি লৈছে। সেইবুলি আলফা একেবাৰে নিশ্চিহ্ন হৈ যোৱা নাই। অসমত একচেটিয়া পুঁজি আৰু বিপুল সংখ্যক বহিৰাগতৰ নিৰাপত্তাৰ বাবে কেন্দ্ৰীয় চৰকাৰে সামৰিক শক্তিৰে আলফা ভীতি নিঃশেষ কৰাৰ ষড়যন্ত্ৰ চলালেও অসমীয়াৰ খং-ক্ষোভৰ নিৰসন কেতিয়াও নহয়। সেয়ে আলফা যদি শেষ হৈয়ো যায় তথাপি নতুন নতুন সন্ত্ৰাসবাদীৰ সৃষ্টি হৈয়ে থাকিব। সন্ত্ৰাসবাদ আৰু বিচ্ছিন্নতাবাদ কেৱল এটা ষড়যন্ত্ৰ নহয়; ই বিক্ষুব্ধ মানুহৰ প্ৰতিবাদৰ বিকৃত ভাৱাত পৰিণত হৈছে।

সেয়ে বিচ্ছিন্নতাবাদীসকলে উত্থাপন কৰা আত্মনিয়ন্ত্ৰণৰ দাবীটোৰ পটভূমি আৰু যুক্তিযুক্ততাক ভালদৰে চালি-জাৰি চোৱাৰ প্ৰয়োজন জৰুৰী বুলি বিবেচিত হৈছে। ভাৰতীয় জনগণৰ উমৈহতীয়া শত্ৰু একচেটীয়া পুঁজিপতি, জমিদাৰ আৰু সাম্ৰাজ্যবাদীহঁতৰ শাসন-

শোষণৰ অৱসান আৰু দেশৰ অংগৰাজ্যবোৰৰ বাঞ্ছিত আৰ্থ-সামাজিক তথা জাতীয় সমবিকাশৰ বাবে প্ৰয়োজন দেশৰ সকলো ৰাজ্য তথা জাতিগোষ্ঠীৰে শ্ৰমজীৱী জনসাধাৰণৰ ঐক্যবদ্ধ গণতান্ত্ৰিক সংগ্ৰামহে, বিচ্ছিন্নতাবাদৰ নহয়। তথাপি বিচ্ছিন্নতাবাদী প্ৰৱণতাই দেশৰ বিভিন্ন প্ৰান্তত একো একোটা ধুমুহাৰ সৃষ্টি কৰিছে। তাৰ কাৰ্য-কাৰণ আমি বিচাৰ কৰি চাবই লাগিব।

(খ)

প্ৰথমে আমি আত্মনিয়ন্ত্ৰণৰ তত্ত্বগত দিশটোকেই বিচাৰ কৰি চোৱা ভাল হ'ব। আত্মনিয়ন্ত্ৰণৰ প্ৰশ্ন উত্থাপিত হয় একোটা জাতিক কেন্দ্ৰ কৰি। আকৌ জাতি হ'ল মানৱ সমাজৰ ক্ৰমবৰ্দ্ধমান সমন্বয় তথা সংমিশ্ৰণৰ এক ঐতিহাসিক সৃষ্টি। আদিম সমাজৰ পৰিয়াল তথা গোষ্ঠীবোৰেই ইতিহাসৰ অনেক হৰণ-ভগনৰ মাজেদি কালক্ৰমত একো একোটা জাতিসত্তাত পৰিণত হৈছিল। আধুনিক জাতি আৰু জাতি ৰাষ্ট্ৰসমূহ পুঁজিবাদৰ আৰ্থ-ৰাজনৈতিক কেন্দ্ৰীভৱন আৰু বিকশিত পণ্য বজাৰৰ সৃষ্টি। ইউৰোপৰ উন্নত জাতি আৰু জাতি-ৰাষ্ট্ৰসমূহৰ উদ্ভৱ হৈছিল বিভিন্ন-জাতিগত উপাদানৰ সহ-অৱস্থান আৰু সংমিশ্ৰণৰ এক দীঘলীয়া প্ৰক্ৰিয়াৰ মাজেদি। পুঁজিবাদে উন্নত দেশবোৰত সামন্তযুগীয় আৰ্থ-সামাজিক ব্যৱস্থা আৰু অসংখ্য পশ্চাদপদ জাতিগোষ্ঠীৰ সংকীৰ্ণ পৰিধিক ভাঙি-ছিঙি একো একোটা বৃহৎ সংমিশ্ৰিত জনসমষ্টিৰ সৃষ্টি কৰিছিল আৰু এক নিৰ্দ্দিষ্ট ভৌগোলিক পৰিসীমাৰ ভিতৰত একে ভাষা, একে সংস্কৃতি আৰু একেধৰণৰ মানসিক গঠন প্ৰক্ৰিয়াৰ মাজত সেই জনসমষ্টিক সাঙুৰি লৈছিল। এই নতুন সংমিশ্ৰিত জনসমষ্টিবোৰেই কালক্ৰমত একো একোটা জাতি আৰু একো একোখন জাতীয় ৰাষ্ট্ৰৰ (Nation State) ৰূপত আত্মপ্ৰকাশ কৰে। সামন্ত যুগত এনেধৰণৰ সংহত জাতি গঢ়ি উঠিব পৰা নাছিল এই কাৰণেই যে সেই যুগত স্বাধীন জমিদাৰীবিলাকৰ মাজত পণ্যৰ বিনিময় আৰু এখন সাধাৰণ বজাৰৰ সম্প্ৰসাৰণ ব্যাপক হ'ব পৰা নাছিল আৰু একোটা জাতীয় অৰ্থনৈতিক তথা সাংস্কৃতিক কেন্দ্ৰও গঢ়ি উঠিব পৰা নাছিল। ফলত বিভিন্ন ধৰণৰ জনগোষ্ঠীবোৰক সামৰি লৈ একোটা সংহত জাতি গঢ়ি তুলিব পৰাকৈ জাতীয় সম্পৰ্কবিলাকবো বিকাশ ঘটা নাছিল। এই সূত্ৰৰ ব্যাখ্যা কৰি ষ্টেলিনে লিখিছিল যে সামন্ত যুগত জাতিৰ সৃষ্টি হোৱা নাছিল বুলি কোৱাৰ অৰ্থ এইটো নহয় যে এটা জাতিৰ উপাদানসমূহ— যেনে ভাষা, ভূমি আৰু সাধাৰণ সংস্কৃতি আদি আকাশৰ পৰা খহি পৰিছিল। এই উপাদানসমূহ প্ৰাক্-পুঁজিবাদী সমাজ ব্যৱস্থাতেই লাহে লাহে সৃষ্টি হৈছিল। কিন্তু তেতিয়া সেই উপাদানসমূহ তেনেই প্ৰাথমিক আৰু ভৱিষ্যত জাতি গঠনৰ সম্ভাৱনাৰ ৰূপতেই ৰৈ গৈছিল। জাতি গঠনৰ সম্ভাৱনা বাস্তৱত পৰিণত হ'ল উদীয়মান পুঁজিবাদৰ যুগতহে। পুঁজিবাদে সৃষ্টি কৰা একোখন জাতীয় বজাৰ আৰু ইয়াৰ জাতীয় অৰ্থনৈতিক তথা সাংস্কৃতিক কেন্দ্ৰীভৱনে

সেই জাতি গঠন সম্ভৱ কৰি তুলিছিল (Stalin : The National Question and Leninism)। ষ্টেলিনৰ কথাত এনে সম্প্ৰসাৰণমুখী বজাৰেই হ'ল বুৰ্জোৱা শ্ৰেণীয়ে জাতীয়তাবাদৰ শিক্ষা লোৱা প্ৰথম পঢ়াশালি। সেয়ে তথাকথিত জাতীয় সম্পৰ্কবোৰ হ'ল মূলতঃ বুৰ্জোৱা সম্পৰ্কহে।

সেয়ে আধুনিক জাতিবোৰৰ উত্থানৰ ইতিহাস বুৰ্জোৱা শ্ৰেণীৰ ইতিহাসৰ লগত ওতঃপ্ৰোতভাৱে জড়িত। কিন্তু পুঁজিবাদৰ বিকাশৰ বিভিন্ন স্তৰত সৰুসুৰা আৰু বিচ্ছিন্ন জাতিগোষ্ঠীবোৰৰ সমন্বয় তথা সংমিশ্ৰণৰ ভিত্তিত গঢ়ি উঠা জাতি গঠনৰ প্ৰক্ৰিয়া মুঠেই শান্তিপূৰ্ণ নাছিল। পুঁজিবাদে এই কাম সাধন কৰিছিল বলপ্ৰয়োগ বা দমন পীড়নৰ দ্বাৰাহে। ১৯২৩ চনৰ এপ্ৰিলত অনুষ্ঠিত ছোভিয়েট ইউনিয়নৰ কমিউনিষ্ট পাৰ্টিৰ দ্বাদশ কংগ্ৰেছত গৃহীত এটা প্ৰস্তাৱত এই পুঁজিবাদী সংমিশ্ৰণ প্ৰক্ৰিয়া সম্পৰ্কে কোৱা হৈছিল ঃ "পুঁজিবাদৰ বিকাশৰ প্ৰক্ৰিয়াত জনগোষ্ঠীবোৰৰ পাৰস্পৰিক নিৰ্ভৰশীলতা আৰু বিভিন্ন অঞ্চলৰ আৰ্থিক সংমিশ্ৰণ সমান অধিকাৰভোগী জনগোষ্ঠীবোৰৰ সহযোগিতাৰ ফলস্বৰূপে গঢ়ি উঠা নাছিল; সি গঢ় লৈ উঠিছিল কিছুমান জনগোষ্ঠীৰ ওচৰত আন কিছুমান জনগোষ্ঠীৰ বশ্যতাৰ মাজেদি, অধিক উন্নত জনগোষ্ঠীৰ দ্বাৰা কম উন্নত জনগোষ্ঠীৰ নিৰ্যাতন আৰু শোষণৰ মাধ্যমেৰেহে। ঔপনিবেশিক লুণ্ঠন আৰু চামিলকৰণ, জাতীয় দমন আৰু অসমতা, সাম্ৰাজ্যবাদী হিংসা আৰু নৈৰাজ্যবাদী শাসন, ঔপনিবেশিক দাসত্ব আৰু জাতীয় অসমতা আৰু অৱশেষত "অসভ্য" জনগোষ্ঠীবোৰৰ ওপৰত কৰ্তৃত্ব স্থাপনৰ বাবে 'সভ্য' জাতিসমূহৰ মাজত চলা সংগ্ৰাম—এনে কিছুমান ৰূপৰ মাজেদিয়ে জন-গোষ্ঠীবোৰৰ আৰ্থিক সংমিশ্ৰণৰ প্ৰক্ৰিয়াই গঢ় লৈছিল। এই কাৰণতেই আমি দেখা পাওঁ যে সংমিশ্ৰণৰ প্ৰৱণতাৰ লগে লগে সেই সংমিশ্ৰণৰ হিংসাত্মক ৰূপবোৰ ধ্বংস কৰাৰ একোটা প্ৰৱণতা আৰু সাম্ৰাজ্যবাদৰ যুঁৱলিৰ পৰা নিষ্পেষিত উপনিবেশ তথা পদানত জাতিবোৰৰ মুক্তিৰ সংগ্ৰামো গঢ়ি উঠিছিল। যিমানদূৰ পৰ্যন্ত এই দ্বিতীয় প্ৰৱণতাই সংমিশ্ৰণৰ সাম্ৰাজ্যবাদী ৰূপৰ বিৰুদ্ধে নিৰ্যাতিত জনগণৰ বিদ্ৰোহৰ অৰ্থ বহন কৰিছিল, যিমানদূৰ পৰ্যন্ত সহযোগিতা আৰু স্বেচ্ছাকৃত মিলনৰ ভিত্তিত জনগোষ্ঠীবোৰৰ সংমিশ্ৰণৰ দাবী তুলিছিল, সিমানদূৰ পৰ্যন্ত ই আছিল আৰু এতিয়াও হ'ল এটা প্ৰগতিশীল প্ৰৱণতা। কাৰণ, এই প্ৰৱণতাই ভৱিষ্যত বিশ্বত সমাজতান্ত্ৰিক অৰ্থনৈতিক ব্যৱস্থাৰ বাবে মনস্তাত্ত্বিক অৱস্থাৰ সৃষ্টি কৰিছে।"

চি-পি-এছ-ইউৰ এই গুৰুত্বপূৰ্ণ পৰ্যবেক্ষণৰ পৰা কেইটামান কথা স্পষ্টকৈ ওলাই পৰিছে ঃ প্ৰথম কথা, বুৰ্জোৱা জাতি গঠনৰ প্ৰক্ৰিয়া হিংসা বা বল প্ৰয়োগৰ ওপৰতহে প্ৰতিষ্ঠিত; দ্বিতীয় কথা, জাতীয় সংমিশ্ৰণৰ সেই হিংসাত্মক ৰূপটোৰ বিৰুদ্ধে পদানত জনগোষ্ঠীবোৰৰ জাতীয় মুক্তি সংগ্ৰামৰ চৰিত্ৰও ইতিবাচক বা প্ৰগতিশীল আৰু তৃতীয়তে বিভিন্ন জাতিগোষ্ঠীৰ স্বেচ্ছাকৃত মিলন সমাজতান্ত্ৰিক ব্যৱস্থাৰ বাবে প্ৰয়োজনীয় আৰু আদৰণীয়। বিবোৰ দেশত পুঁজিবাদে জাতীয় সংমিশ্ৰণ প্ৰক্ৰিয়াক পূৰ্ণ কৰি একো একোটা শক্তিশালী আৰু সংহত জাতিসত্তাৰ জন্ম দিছে (যেনে, ইংলেণ্ড, ফ্ৰান্স, জাৰ্মানী আদিত)

আৰু যিবোৰ দেশত বিভিন্ন জাতিগোষ্ঠীৰ স্বেচ্ছাকৃত মিলনৰ পথ মুকলি হৈছে, সেইবোৰ দেশত নিয়মমতে জাতি সমস্যাৰো সমাধান হ'ব লাগে আৰু হৈছে। ইংলেণ্ডত জাতীয় সংমিশ্ৰণৰ জৰিয়তে বিভিন্ন জাতিগত উপাদান (racial elements)ৰ ঐক্য আৰু সংহতি স্থায়ী হৈছে। সেইদৰে ফৰাচী জাতিৰ ভিত্তি হ'ল ভিন্ ভিন্ জাতিগত উপাদানবোৰৰ সহ-অৱস্থান আৰু ৰাষ্ট্ৰীয় ঐক্য। আনহাতে আমেৰিকাত ইউৰোপীয় প্ৰব্ৰজনকাৰীসকলে থলুৱা ৰেড্ ইণ্ডিয়ান সকলক দমন, নিপীড়ন, অপসাৰণ কৰিয়েই আমেৰিকান জাতিসত্তাৰ জন্ম দিছে। কিন্তু যিবোৰ ঔপনিবেশিক বা অনুন্নত দেশত পুঁজিবাদে এই জাতীয় সংমিশ্ৰণ প্ৰক্ৰিয়াক সম্পূৰ্ণ কৰিব নোৱাৰিলে, যিবোৰ দেশত সেই প্ৰক্ৰিয়া এতিয়াও চলি আছে নাইবা যিবোৰ দেশত দুৰ্বল যুক্তৰাষ্ট্ৰীয় কাঠামোৰ ভিতৰত আন বহুতো জাতিক ঐক্যবদ্ধ কৰি ৰখা হৈছে (যেনে ভাৰতবৰ্ষ); সেইবোৰ দেশত দুৰ্বল আৰু নিৰ্যাতিত জাতিসত্তাবোৰৰ সমতা আৰু সমানাধিকাৰৰ সমস্যাৰ জটিলতাও বৈ গৈছে। এনেবোৰ দেশৰ জনসাধাৰণৰ মাজত জাতীয় অনৈক্যৰ প্ৰৱণতাও অত্যন্ত সবল আৰু সক্ৰিয়। আমেৰিকাত ওঠৰ শতাংশ নিগ্ৰোৰ বিদ্ৰোহৰ অৱকাশ থাকিলেও সেই বিদ্ৰোহে আমেৰিকান জাতিৰ প্ৰতি ভাবুকি সৃষ্টি কৰাৰ কোনো সম্ভাৱনা নাই। খুব বেছি তেওঁলোকৰ জাতীয় সমতা সমানাধিকাৰক স্বীকৃতি দিবলগীয়া হ'ব পাৰে। কিন্তু ভাৰতবৰ্ষত বিভিন্ন জাতিসত্তাৰ উত্থানে দেশৰ অখণ্ডতা আৰু জনসাধাৰণৰ ঐক্য সংহতিক বিপন্ন কৰি তুলিব পাৰে আৰু কৰিছেও। ভাৰতবৰ্ষৰ বিভাজন তথা জনগণৰ জাতিগত ভেদ-বিবাদে কোনো জাতিৰে মুক্তি তথা অবাধ বিকাশৰ সুযোগ আনি দিব নোৱাৰে। তেনে বিভাজন আৰু ভেদ-বিবাদে পৰৰাজ্যগ্ৰাসী সাম্ৰাজ্যবাদকহে সহায় কৰিব সন্দেহাতীতভাৱে।

ভিন্ ভিন্ জাতিৰ জাতীয় বিকাশৰ বাস্তৱ ঐতিহাসিক পটভূমিও ভিন্নধৰণৰ আৰু সেয়ে জাতীয় দ্বন্দ্বৰ ৰূপো ভিন্ন ধৰণৰ হ'বলৈ বাধ্য। উপনিবেশ এখনৰ জাতীয় মুক্তি সংগ্ৰাম আৰু বহুজাতিক স্বাধীন পুঁজিবাদী দেশ এখনৰ জাতীয় সমস্যা একে নহয় আৰু সেয়ে সিবিলাকৰ সমাধানৰ পথো একে হ'ব নোৱাৰে। এনে ক্ষেত্ৰত প্ৰতিখন দেশৰ জাতীয় সংগ্ৰাম আৰু তাৰ সমাধানৰ প্ৰশ্নটোক সেই দেশৰ বাস্তৱ, ঐতিহাসিক পটভূমি তথা সৰ্বহাৰা বিপ্লৱৰ দৃষ্টিকোণৰ পৰা আঁতৰাই আনি জাতীয় আত্মনিয়ন্ত্ৰণৰ মাৰ্ক্সীয় সূত্ৰদ্বাৰা যান্ত্ৰিকভাৱে বিচাৰ কৰা সম্ভৱ নহয়।

পৃথিৱীৰ বিভিন্ন দেশত পুঁজিৰ বিকাশৰ পৰ্য্যায়ো ভিন্ন ধৰণৰ। উদাহৰণ স্বৰূপে আমি ইংলেণ্ড আৰু ভাৰতবৰ্ষৰ কথাকেই ধৰিব পাৰো। ইংলেণ্ডৰ পুঁজিপতি শ্ৰেণীয়ে নিজৰ দেশত সামন্তযুগীয় অৰ্থনীতি, সমাজ, সংস্কৃতি আৰু জাতীয় বিচ্ছিন্নতাক নিষ্ঠুৰ হাতেৰে অপসাৰিত কৰিবলৈ অকণো কুণ্ঠাবোধ কৰা নাছিল, কাৰণ সেই দেশত পুঁজিৰ অবাধ বিকাশৰ বাবে সেই কাম অতি জৰুৰী হৈ পৰিছিল। কিন্তু সেই ইংৰাজ পুঁজিপতি শ্ৰেণীয়েই ভাৰতত সেই কাম সাধন নকৰিলে। সন্দেহ নাই, ইংৰাজসকলেই ভাৰতলৈ পুঁজিৰ আমদানি কৰিছিল, শিল্প-প্ৰতিষ্ঠানৰ কাম আৰম্ভ কৰিছিল, আধুনিক যোগাযোগ

আৰু যাতায়াত ব্যৱস্থাৰ উন্নতি সাধন কৰিছিল আৰু গোটেই দেশখনকে একেখন পণ্যবজাৰ আৰু একেটা ৰাজনৈতিক কৰ্তৃত্বৰ মাজত সাঙুৰি পেলাইছিল। তাৰ লগে লগে জন্ম হৈছিল এটা সৰ্বভাৰতীয় বহুজাতিক শ্ৰমিক শ্ৰেণীৰো। কিন্তু ইংৰাজ শাসক-শোষকসকলে এই কাম কৰিছিল অতি সীমিত পৰিসৰত, তেওঁলোকৰ ঔপনিৱেশিক শাসন-শোষণৰ অতি জৰুৰী প্ৰয়োজনতহে— এই দেশ আৰু জনগণৰ মঙ্গলৰ বাবে নহয়। সেয়ে তেওঁলোকে আৰম্ভণিৰে পৰাই ভাৰতৰ সামন্তবাদ আৰু পশ্চাদপদ গোষ্ঠীসমাজখনৰ লগত আপোচ তথা সহ-অৱস্থানৰ নীতি গ্ৰহণ কৰিছিল। ফলত মধ্যযুগীয় ভাৰতীয় সমাজখনৰ সমস্ত মতান্ধতা, সংকীৰ্ণতা, ধৰ্মীয় গোড়ামি, কুসংস্কাৰ আৰু অসংখ্য পিছপৰা জনগোষ্ঠীৰ পাৰস্পৰিক বিচ্ছিন্নতাও একেদৰে থাকি গ'ল। ইংৰাজসকলে ভাৰতীয় সমাজখনৰ এই মৌলিক সামাজিক দ্বন্দ্বসমূহ সমাধা কৰিবলৈ চেষ্টা কৰা দূৰৰ কথা, বৰং সেই দ্বন্দ্ববোৰকেই সুবিধামতে ব্যৱহাৰ কৰি তেওঁলোকে ভাৰতত ঔপনিৱেশিক শাসন-শোষণ বৰ্তাই ৰখাত তৎপৰ হৈছিল।

আনহাতে, ইংৰাজৰ ছত্ৰছায়াত গঢ়ি উঠা আৰু ইংৰাজী শিক্ষাৰে শিক্ষিত মধ্যবিত্ত শ্ৰেণীটোও আৰম্ভণিৰে পৰাই আছিল পংগু আৰু সুযোগসন্ধানী। তথাপি ঊনৈশ শতিকাৰ বিভিন্ন আন্দোলনৰ মাজেদি জন্ম লাভ কৰা ভাৰতীয় জাতীয় চেতনাক এই নবীন বুৰ্জোৱা শ্ৰেণীয়েই দেশৰ জনসাধাৰণ তথা স্বাধীনতা সংগ্ৰামৰ মাজলৈ বোৱাই নিছিল। এটা বহুজাতিক শ্ৰমিক শ্ৰেণীৰ সৃষ্টি, জাতীয় কংগ্ৰেছ আৰু কমিউনিষ্ট পাৰ্টিৰ গঠন আৰু সাম্ৰাজ্যবাদবিৰোধী ঐক্যবদ্ধ সংগ্ৰামৰ মাজেদি এটা নতুন ভাৰতীয় জাতিসত্তাৰো জন্ম হ'ল। সঁচা কথা, ভাৰতত কোনো শিশুৱেই "ভাৰতীয়" হিচাপে জন্ম লাভ নকৰে। এইখন দেশৰ প্ৰতিজন লোকৰে প্ৰথম পৰিচয় এজন বাঙালী, বিহাৰী, অসমীয়া, তেলেগু বা তামিল হিচাপেহে নাইবা এজন ব্ৰাহ্মণ, এজন জাঠ বা এজন হৰিজন হিচাপেহে। বহুজাতি, বহু ধৰ্ম আৰু বহু বৰ্ণই ভাৰতৰ জনসাধাৰণক আজিও বিভক্ত আৰু বিবাদগ্ৰস্ত কৰি ৰাখিছে। তথাপি এই কথাও অনস্বীকাৰ্য্য যে একেখনৰ জাতীয় শিক্ষা, সংস্কৃতি আৰু ঐক্যবদ্ধ স্বাধীনতা সংগ্ৰামে এই দেশৰ মানুহক এক বৃহৎ ভাৰতীয় পৰিচয়ো আনি দিছিল। এই ভাৰতীয় পৰিচয় দেশৰ জনসাধাৰণৰ বাবে গৌৰৱ আৰু প্ৰেৰণাৰো উৎস হৈ পৰিছিল। এই পৰিচয় ৰক্ষা আৰু সমৃদ্ধ কৰাৰ বাবে সচেতন প্ৰয়াসো চলিছিল। কিন্তু ভাৰতৰ বুৰ্জোৱা শ্ৰেণী আৰু জাতীয় কংগ্ৰেছেও ইংৰাজৰ ঔপনিৱেশিক পৰম্পৰা ৰক্ষা কৰি দেশৰ সামন্ত শ্ৰেণী আৰু সাম্প্ৰদায়িক তথা বৰ্ণগত ঐতিহ্যৰ লগত আপোচ কৰাত আৰু জাতীয় বৈষম্য তথা অতিকেন্দ্ৰিকতাৰ নীতি গ্ৰহণ কৰাত বৃহৎ ভাৰতীয় জাতিসত্তাতো কেৰোণ লাগিল। জাতীয় ঐক্য-সংহতি পংগু হ'ল। ১৯৪৭ চনত ক্ষমতা হস্তান্তৰৰ লগে লগে দেশখন সাম্প্ৰদায়িক ভিত্তিত বিভক্ত হ'ল। ভাৰতবৰ্ষক এখন ধৰ্মনিৰপেক্ষ আৰু গণতান্ত্ৰিক ৰাষ্ট্ৰ হিচাপে ঘোষণা কৰা হ'ল যদিও ধৰ্মনিৰপেক্ষতা বা গণতন্ত্ৰ কোনোটোৱেই এই দেশত সুৰক্ষিত নহ'ল। হিন্দু সাম্প্ৰদায়িকতা, মৌলবাদ,

জাতিভেদ আৰু জাতিগত বিচ্ছিন্নতাৰ প্ৰৱণতাবোৰ অকণো নকমিল, বৰং বাঢ়িলহে। আজি ভাৰতৰ মহাজাতীয় সত্তা বা ঐক্য-সংহতি চৰম প্ৰত্যাহ্বানৰ সম্মুখীন।

সাধাৰণ শোষণ-শাসনৰ প্ৰশ্নটোক যিদৰে শ্ৰেণীগত দৃষ্টিকোণ বাদ দি বিচাৰ কৰা সম্ভৱ নহয়, সেইদৰে জাতীয়তাৰ প্ৰশ্নটোকো শ্ৰেণীগত দৃষ্টিভংগীৰ অবিহনে বিচাৰ কৰাত বিপদ আছে। পুঁজিপতি আৰু জমিদাৰ শ্ৰেণীবোৰেও সময় আৰু সুবিধা বুজি জাতীয় সংগ্ৰাম আৰু জাতীয় আত্মনিয়ন্ত্ৰণৰ শ্লোগান দিয়ে। ঔপনিবেশিক শাসন-শোষণৰ বিৰুদ্ধে জাতীয় বুৰ্জোৱাৰ প্ৰগতিশীল আৰু নেতৃত্বকাৰী ভূমিকা অনস্বীকাৰ্য। কিন্তু তাৰ বাহিৰে আন সময়ত বুৰ্জোৱা-জমিদাৰ শ্ৰেণীবোৰে জাতিগত দাবীবোৰৰ বা বিকাশৰ কথা উত্থাপন কৰে জাতিক জাতিৰ পৰা বিচ্ছিন্ন কৰাৰ দৃষ্টিভংগীৰেহে, শ্ৰমজীৱী শ্ৰেণীসংগ্ৰামক এটা জাতিৰ বিৰুদ্ধে আন এটা জাতিৰ বিৰোধ-বিদ্বেষলৈ ৰূপান্তৰিত কৰাৰ উদ্দেশ্যে, পুঁজিপতি আৰু শ্ৰমজীৱী জনগণৰ এখন "উমৈহতীয়া" "জাতীয়" ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰাৰ স্বাৰ্থতহে। আনহাতে কমিউনিষ্ট বা সমাজতান্ত্ৰিকসকলে জাতীয়তাৰ প্ৰশ্নটোক বিচাৰ কৰে সকলো জাতিৰে শ্ৰমিক আৰু শ্ৰমজীৱী ৰাইজৰ পুঁজিবাদ, সাম্ৰাজ্যবাদ আৰু সামন্তবাদবিৰোধী ঐক্য আৰু সংগ্ৰামৰ দৃষ্টিকোণৰ পৰা, জাতিসমূহৰ স্বেচ্ছাকৃত মিলন আৰু সংগ্ৰামৰ দৃষ্টিকোণৰ পৰা, জাতিসমূহৰ স্বেচ্ছাকৃত মিলন আৰু সংহতিৰ লক্ষ্য আগত ৰাখি। মাৰ্ক্সবাদ-লেনিনবাদৰ জনকসকলে জাতিসমূহৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰ আৰু বিচ্ছিন্নতাৰ প্ৰশ্নটোক সদায় সৰ্বহাৰা শ্ৰেণীৰ সামগ্ৰিক শ্ৰেণীসংগ্ৰামৰ স্বাৰ্থৰ তলতীয়া কৰিহে বিচাৰ কৰিছিল। সেয়ে জাতিসমূহৰ আত্মনিয়ন্ত্ৰণৰ মাৰ্ক্সীয় সূত্ৰৰ দোহাই দি যিকোনো বিচ্ছিন্নতাবাদী আন্দোলনকে তাৰ পটভূমি, বাস্তৱ পৰিস্থিতি আৰু শ্ৰেণীসংগ্ৰামৰ দৃষ্টিকোণ বিচাৰ নকৰাকৈ অন্ধভাৱে সমৰ্থন কৰিবলৈ গ'লে সি বুৰ্জোৱাৰ ভেদবাদকহে সহায় কৰিব।

সেয়ে যিকোনো জাতিৰ ক্ষেত্ৰতে বিচ্ছিন্নতাবাদৰ প্ৰশ্নটোৰ পোনপটীয়া সমাধানৰ বিৰুদ্ধে সাৱধান কৰি লেনিনে কৈছিলঃ "প্ৰতিটো জাতিৰ ক্ষেত্ৰতে বিচ্ছিন্নতাৰ প্ৰশ্নটোৰ এটা 'হয়' বা 'নহয়'ৰ দৰে পোনপটীয়া উত্তৰৰ দাবী কৰাটো খুব 'কাৰ্যকৰী' যেন লাগিব পাৰে। কিন্তু বাস্তৱক্ষেত্ৰত ই অৰ্থহীন, তত্ত্বৰ ফালৰ পৰা ই আধিভৌতিক আৰু প্ৰয়োগৰ ক্ষেত্ৰত ই বুৰ্জোৱাৰ কৰ্মনীতিৰ ওচৰত সৰ্বহাৰাৰ বশ্যতাকে মাতি আনে। বুৰ্জোৱা শ্ৰেণীয়ে ইয়াৰ জাতীয় দাবীবোৰক সদায় সম্মুখত তুলি ধৰে আৰু খুব পোনপটীয়া কায়দাৰেই সেই কাম কৰে। কিন্তু সৰ্বহাৰাৰ ক্ষেত্ৰত এই দাবীবোৰ শ্ৰেণীসংগ্ৰামৰ স্বাৰ্থৰ তলতহে ৰখা হয়।" (Lenin: 'The Right of Nations to Self-determination')। লেনিনে সৰ্বহাৰা শ্ৰেণীৰ দৃষ্টিভংগী ব্যাখ্যা কৰি আৰু লিখিছিলঃ "সৰ্বহাৰা শ্ৰেণীয়ে এনে কাৰ্যকাৰিতাৰ বিৰোধিতা কৰে। এখন জাতীয় ৰাষ্ট্ৰৰ সমতা আৰু সমানাধিকাৰ স্বীকাৰ কৰি লৈও সৰ্বহাৰাই সকলো জাতিৰে সৰ্বহাৰাৰ ঐক্যক সকলোৰে ওপৰত মূল্য দিয়ে আৰু একেবাৰে সম্মুখত তুলি ধৰে আৰু যিকোনো জাতীয় দাবী আৰু জাতীয় বিচ্ছিন্নতাক শ্ৰমিক শ্ৰেণীৰ শ্ৰেণীসংগ্ৰামৰ দৃষ্টিকোণৰ পৰাহে বিচাৰ কৰে। কাৰ্যকাৰিতাৰ

আহ্বান আচলতে বুৰ্জোৱা আশা আকাংক্ষাবোৰক সমালোচনাহীনভাৱে গ্ৰহণ কৰাৰহে আহ্বান।" (Lenin: Ibid: অনুবাদ)।

বল বা বিশেষাধিকাৰৰ ভিত্তিত গঢ়ি উঠা সংমিশ্ৰণৰ বাদে জাতিসমূহৰ আন সকলো ধৰণৰ মিলন বা সংমিশ্ৰণক লেনিনে আদৰণি জনাইছিল। বিকশিত পুঁজিবাদৰ আন্তৰ্জাতিক ৰূপটোৰ বিপৰীতে মাৰ্ক্সবাদ বা সৰ্বহাৰা শ্ৰেণীয়ে কোনো সংকীৰ্ণ জাতীয়তাবাদ বা জাতীয় বিকাশৰ তত্ত্বক সমৰ্থন নকৰে। বৰং সৰ্বহাৰা শ্ৰেণীয়ে "জাতীয় বিকাশ"ৰ সকলো ধৰণৰ মোহ বিসৰ্জন দি পুঁজিবাদী মিলনৰ পূৰ্ণ স্বাধীনতাক ৰক্ষা কৰে আৰু বল বা বিশেষাধিকাৰৰ ভিত্তিত গঢ়ি উঠা সংমিশ্ৰণৰ বাদে জাতি সমূহৰ আন সকলো ধৰণৰ সংমিশ্ৰণকে আদৰণি জনায়। (Lenin: 'Critical Remarks on the National Question')। পুঁজিবাদে ইয়াৰ বিকাশৰ অৱধাৰিত নিয়মতেই গোটেই পৃথিৱীখনকে এখন আন্তৰ্জাতিক বজাৰলৈ ৰূপান্তৰ কৰিছে, জাতি সমূহৰ মাজৰ বিভাজনক মলেৰে আঁতৰ কৰিছে, অনুন্নত জাতিবোৰৰ ৰক্ষণশীলতা, অন্ধবিশ্বাস, কুসংস্কাৰ, সংকীৰ্ণতা আদিৰ বিলোপ ঘটাইছে আৰু বহুতো দুৰ্বল জাতিগোষ্ঠীক একেবাৰে গ্ৰাস কৰি পেলাইছে। ফলত বিশ্বৰ জনগণ বুৰ্জোৱা আৰু সৰ্বহাৰা—এই দুই বিপৰীত শ্ৰেণীৰ মাজত বিভক্ত হৈ পৰিছে। পুঁজিবাদৰ বিশেষ, অৱশ্যম্ভাবী সৃষ্টিয়েই হ'ল আন্তৰ্জাতিক শ্ৰমিক শ্ৰেণী— যি শ্ৰেণীয়ে জাতিগত বিভাজন আৰু পাৰ্থক্যবোৰ মষিমূৰ কৰি জাতিসমূহৰ অবাধ বিকাশ তথা সমতাৰ ভিত্তিত স্বেচ্ছাকৃত মিলনৰ পথ মুকলি কৰিছে বা কৰিব পাৰে। সেয়ে লেনিনে দেখুৱাই দিছিল যে পুঁজিবাদে গঢ়ি তোলা সংমিশ্ৰণে পুঁজিবাদৰ পৰা সমাজতন্ত্ৰলৈ উত্তৰণৰ ক্ষেত্ৰত এক শক্তিশালী চালিকা হিচাপে কাম কৰে : সংমিশ্ৰণৰ ধাৰণাৰ পৰা সকলো হিংসা আৰু অসমতা দূৰ কৰাৰ পিছত "যি অৱশিষ্ট থাকেগৈ সি হ'ল জাতীয় প্ৰতিবন্ধকসমূহ ভাঙি পেলোৱা, জাতীয় পাৰ্থক্যবোৰ দূৰ কৰা আৰু জাতি সমূহৰ সংমিশ্ৰণ ঘটোৱাৰ প্ৰতি থকা পুঁজিবাদৰ বিশ্ব-ঐতিহাসিক প্ৰৱণতা— যি প্ৰৱণতাই প্ৰতিটো বিগত দশকৰ লগে লগে ক্ৰমে বেছি জোৰেৰে আত্মপ্ৰকাশ কৰিছে আৰু যি প্ৰৱণতা হ'ল পুঁজিবাদক সমাজবাদলৈ ৰূপান্তৰিত কৰা মহত্তম চালিকা শক্তিবোৰৰ অন্যতম।" (Lenin:Ibid)। তেওঁ আৰু লিখিছিল : "জাতীয়তাবাদী পূৰ্বধাৰণাৰ পৰা মুক্ত যিকোনো লোকেই দেখিবলৈ পাব যে পুঁজিবাদে সাধন কৰা জাতিসমূহৰ এই সংমিশ্ৰণ প্ৰক্ৰিয়াৰ অৰ্থ হ'ল মহত্তম ঐতিহাসিক প্ৰগতি আৰু দূৰণিৰ ভিন্নধৰণৰ হাবিতলীয়া অঞ্চলবোৰত, বিশেষকৈ বাহিৰৰ দৰে পিছপৰা দেশসমূহত থকা সংকীৰ্ণ জাতীয় গোড়ামিৰ ভাঙোন।" (Ibid)।

সেয়ে জাতীয় আত্মনিয়ন্ত্ৰণ বা বিচ্ছিন্নতাৰ প্ৰশ্নটোৰ পোনপটীয়া সমাধান কেৱল অবাঞ্ছিতেই নহয়, অবাস্তৱো। এই সমস্যাৰ অন্তৰ্নিহিত বৈচিত্ৰ্য আৰু জটিলতাক আওকাণ কৰিলে বিপদ অনিবাৰ্য। বিভিন্ন দেশৰ পৰিস্থিতিৰ ভিন্নতা অনুসৰি জাতিসমস্যাৰ চৰিত্ৰ আৰু সমাধানৰ পথো ভিন্ন ধৰণৰ হ'বলৈ বাধ্য। ঔপনিৱেশিক শাসন-শোষণ নাইবা বৃহৎ জাতিৰ জাতীয় বিশেষাধিকাৰ তথা বল প্ৰয়োগৰ বিৰুদ্ধে পদানত জাতিগোষ্ঠীৰ

আত্মনিয়ন্ত্ৰণ বা বিচ্ছিন্নতাৰ দাবী কেৱল যুক্তিসংগতই নহয়, অপৰিহাৰ্যও। এনে বল প্ৰয়োগ বা জাতীয় বিশেষাধিকাৰে জাতীয় সংমিশ্ৰণত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰে। উদাহৰণ স্বৰূপে আয়াৰলেণ্ডলৈকে আঙুলিয়াব পাৰি। ব্ৰিটিশ চৰকাৰে ১৮০০ খ্ৰীষ্টাব্দতে আইন কৰি আইৰিচ জাতিক ইংৰাজ জাতিৰ লগত চামিল কৰিবলৈ চেষ্টা কৰিছিল। কিন্তু আইৰিচসকল কোনোদিন ইংৰাজ নহ'ল। নিজৰ পৃথক জাতীয় পৰিচয় ৰক্ষাৰ বাবে তেওঁলোকে এশ বছৰতকৈও অধিক কাল ধৰি তিক্ত সংগ্ৰামো চলাই থাকিল। মাৰ্ক্সেও আইৰিচসকলৰ বলপূৰ্বক একীকৰণৰ বিৰোধিতা কৰিছিল আৰু আয়াৰলেণ্ডৰ স্বাধীনতা দাবী কৰিছিল। একে সময়তে তেওঁ ইংলেণ্ড আৰু আয়াৰলেণ্ডৰ মাজত ভৱিষ্যতে যুক্তৰাষ্ট্ৰ গঠনৰ পক্ষপাতিত্ব কৰিছিল। সেইদৰে লেনিনেও জাৰ্মানীৰ লগত পোলেণ্ডৰ বলপূৰ্বক চামিলকৰণৰ প্ৰতিবাদ কৰি পোলেণ্ডৰ স্বাধীনতা দাবী কৰিছিল। এনে পৰিস্থিতিতেই পৃথিৱীৰ সমস্ত ঔপনিবেশিক দেশৰ জনগণৰ জাতীয় মুক্তিসংগ্ৰাম বিশ্বসমাজতান্ত্ৰিক আন্দোলনৰ অবিচ্ছেদ্য অংশ বুলি পৰিগণিত হৈছিল আৰু এতিয়াও হৈ আছে।

সেইদৰে পূৰ্বৰ ইউৰোপীয় উপাদানবিলাকৰ মাজত বৰ্তমানৰ আমেৰিকান জাতিৰ বিভাজন ইতিহাসবিৰোধী, অকল্পনীয় আৰু অবাস্তৱ কথা হ'লেও ৰেড ইণ্ডিয়ানবিলাকৰ জাতীয় সমতা আৰু স্বাধিকাৰৰ অৱকাশ পূৰামাত্ৰাই ৰৈ গৈছে। কিন্তু যিবিলাক দেশত সৰু-বৰ আৰু উন্নত-অনুন্নত বহুতো জাতিৰ স্বেচ্ছাকৃত ঐক্যৰ ওপৰত ভিত্তি কৰি একোখন যুক্তৰাষ্ট্ৰ গঢ়ি তোলা হৈছে (যেনে ভাৰতবৰ্ষ), সেইবোৰ দেশত অপেক্ষাকৃতভাৱে দুৰ্বল আৰু পিছপৰা জাতিগোষ্ঠীবিলাক সেই যুক্তৰাষ্ট্ৰৰ পৰা "স্বাধীন" হৈ যোৱাৰ কোনো প্ৰয়োজন নাই। এনেবোৰ যুক্তৰাষ্ট্ৰত যদি কোনো বিশেষ জাতিৰ বিশেষাধিকাৰৰ সাংবিধানিক বিধিব্যৱস্থা নাথাকে, তেন্তে বিভিন্ন জাতিগোষ্ঠীৰ শ্ৰমিক আৰু শ্ৰমজীৱী জনগণৰ স্বেচ্ছাকৃত মিলন আৰু ঐক্যবদ্ধ সংগ্ৰামতো কোনো বাধা থাকিব নোৱাৰে। এনে পুঁজিবাদী যুক্তৰাষ্ট্ৰবোৰত শোষণৰ ৰূপ জাতিগত নহৈ শ্ৰেণীগতই হয়। সেয়ে এনেবোৰ দেশৰ পিছপৰা জাতিবোৰৰ পূৰ্ণ জাতীয় বিকাশৰ পথ হ'ল দেশৰ জাতীয় সমতা আৰু সমানাধিকাৰৰ পথত থকা প্ৰতিবন্ধকবোৰ আঁতৰ কৰা, জাতিগত আৰু আঞ্চলিক বৈষম্যৰ সুৰুঙাবোৰ বন্ধ কৰা, প্ৰয়োজন সাপেক্ষে জাতিগত সংৰক্ষণৰ ব্যৱস্থা বলবৎ কৰা, পুঁজিবাদী ব্যৱস্থাৰ অৱসান ঘটোৱা, গণতন্ত্ৰক সুদৃঢ় আৰু সম্প্ৰসাৰিত কৰা, অংগৰাজ্যবোৰক অধিক শক্তিশালী কৰা আৰু প্ৰয়োজন সাপেক্ষে পুনৰ্গঠিত কৰা, ব্যাপক পৰিসৰত আৰ্থিক পুনৰ্গঠনৰ কাম হাতত লোৱা ইত্যাদি। জাতীয় সংমিশ্ৰণৰ এই চৰ্তবোৰ পূৰণ কৰাৰ বাবে সকলো জাতিৰে আৰু সকলো অংগৰাজ্যৰে শ্ৰমজীৱী জনগণে ঐক্যবদ্ধ গণতান্ত্ৰিক সংগ্ৰাম গঢ়ি তুলিব পাৰে আৰু কাৰ্যতঃ গঢ়ি তুলিছেও। এই ঐক্য বা সংমিশ্ৰণক ধ্বংস কৰিব পৰা কোনো কাম বা কোনো আন্দোলনেই শ্ৰমজীৱী জনগণৰ বাবে কল্যাণকৰ হ'ব নোৱাৰে।

জাতীয় আত্মনিয়ন্ত্ৰণৰ শ্লোগান আছিল লেনিন তথা ৰাছিয়াৰ কমিউনিষ্ট পাৰ্টিৰেই উদ্ভাৱন। এই 'আত্মনিয়ন্ত্ৰণ'ৰ দ্বাৰা লেনিনে দ্ব্যৰ্থহীনভাৱে জাতিৰ বিচ্ছিন্নতা বা স্বাধীনতাৰ

কথাকেই বুজাইছিল। আমাৰ বিচ্ছিন্নতাবাদীসকলেও জাতীয় প্ৰশ্নৰ বৈচিত্ৰ্য আৰু জটিলতাবোৰ আওকাণ কৰি 'আত্মনিয়ন্ত্ৰণ' বা স্বাধীনতাৰ দাবীক অসমৰ ক্ষেত্ৰতো হুবহু নকল কৰাৰ চেষ্টা কৰিছে। কিন্তু জাতিগত প্ৰশ্নত কোনোধৰণৰ নকল কেতিয়াও চলা নাই আৰু নচলেও। অসমৰ বিচ্ছিন্নতাবাদীসকলে পাহৰি যায় যে ৰাছিয়াৰ পদানত জাতিবোৰৰ আত্মনিয়ন্ত্ৰণৰ সমৰ্থনত লেনিনে বাৰে বাৰে ৰাছিয়াৰ "বিশেষ পৰিস্থিতিৰ" প্ৰতি আঙুলিয়াই দিছিল। প্ৰাক্ বিপ্লৱী ৰাছিয়া আছিল জাৰৰ সাম্ৰাজ্য; সি প্ৰতিষ্ঠিত হৈছিল অসংখ্য পদানত জাতিৰ ওপৰত সংখ্যাগৰিষ্ঠ আৰু শাসক ৰুছ জাতিৰ বলপ্ৰয়োগ আৰু বিশেষাধিকাৰৰ ভিত্তিতহে। সেয়ে লেনিনে লিখিছিল : জাতীয় প্ৰশ্নটোৰ সম্পৰ্কত ৰাছিয়াৰ বিশেষ অৱস্থাসমূহ আমি অষ্ট্ৰিয়াত দেখা অৱস্থাৰ ঠিক বিপৰীত। ৰাছিয়া এটা একক জাতীয় কেন্দ্ৰক লৈ গঠিত এখন ৰাষ্ট্ৰ— বৃহৎ ৰাষ্ট্ৰ। এই বৃহৎ ৰাছিয়ানসকলে এক বিৰাট, অবিচ্ছিন্ন ভূমি দখল কৰি আছে আৰু তেওঁলোকৰ সংখ্যাও প্ৰায় ৭০,০০০,০০০। এই জাতীয় ৰাষ্ট্ৰখনৰ বিশেষ বৈশিষ্ট্যবোৰ হ'লঃ প্ৰথমতে, এই 'প্ৰজা জনগোষ্ঠীবোৰ' (যিসকল একেলগে জনসংখ্যাৰ অধিকাংশ—৫৭ শতাংশ) সীমান্ত অঞ্চলবোৰৰ বাসিন্দা; দ্বিতীয়তে, ৰাছিয়াত এই প্ৰজা জনগোষ্ঠীবোৰৰ নিৰ্যাতন চুবুৰীয়া দেশবোৰতকৈ (আৰু কেৱল ইউৰোপীয় দেশবোৰেই নহয়) বহু বেছি জোৰদাৰ; তৃতীয়তে, এই সীমান্তৱৰ্তী নিৰ্যাতিত জাতিবোৰৰ বহুতৰে ক্ষেত্ৰত সীমান্তৰ সিপাৰেও ভাইবন্ধু আছে— যিসকলে অধিকতৰ জাতীয় স্বাধীনতা ভোগ কৰি আছে (দেশৰ পশ্চিম আৰু দক্ষিণ সীমান্তত থকা ফিন, চুইদ, প'ল, ইউক্ৰেইনিয়ান আৰু ৰাছিয়ানসকলৰ উল্লেখেই যথেষ্ট); চতুৰ্থতে, কেন্দ্ৰতকৈ অনাৰুছ সীমান্ত অঞ্চলবোৰত পুঁজিবাদৰ বিকাশ আৰু সংস্কৃতিৰ সাধাৰণ মান সততে উন্নত। শেষত, চুবুৰীয়া দেশবোৰত বুৰ্জোৱা বিপ্লৱ আৰু জাতীয় আন্দোলনবোৰৰ এটা পৰ্যায়ৰ আৱৰ্তণি আমি দেখা পাইছো- -যিবোৰ বুৰ্জোৱা বিপ্লৱ আৰু জাতীয় আন্দোলন ৰাছিয়াৰ চাৰিসীমাৰ ভিতৰৰ কিছুমান আত্মীয় জাতিৰ মাজলৈও বিয়পি পৰিছে।

"সেয়ে ৰাছিয়াৰ জাতীয় প্ৰশ্নটোৰ এই বিশেষ বাস্তৱ, ঐতিহাসিক বৈশিষ্ট্যসমূহেই বৰ্তমান সময়ত জাতিসমূহৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰৰ স্বীকৃতিক আমাৰ দেশৰ বাবে এক বিশেষ জৰুৰী বিষয়ত পৰিণত কৰিছে।" (Lenin: The Right of Nations to Self-determination)।

লেনিন আৰু ৰাছিয়াৰ কমিউনিষ্ট পাৰ্টিয়ে জাতিসমূহৰ ভৱিষ্যতৰ স্বেচ্ছাকৃত ঐক্য আৰু মিলনৰ চৰ্ত হিচাপেহে পদানত জাতিবোৰৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰক উৰ্দ্ধত তুলি ধৰিছিল। মন কৰিবলগীয়া কথা আছিল এয়ে যে ৰাছিয়াতো একে সময়তে বিভিন্ন জাতিৰ শ্ৰমিকসকলৰ মাজত সংগ্ৰামী ঐক্যৰ বিকাশ ঘটিছিল আৰু সি পদানত জাতিবোৰৰ আত্ম-নিয়ন্ত্ৰণৰ প্ৰশ্নটোক জটিল কৰি তুলিছিল। সেই জটিলতাৰ মাজত লেনিনে ৰাছিয়াৰ বিপ্লৱৰ স্বাৰ্থকহে অগ্ৰাধিকাৰ দিছিল। তেওঁ গুৰুত্ব দিছিল ৰাছিয়াৰ নিৰ্যাতক আৰু নিৰ্যাতিত দুয়োবিধ জাতিৰে সৰ্বহাৰা শ্ৰেণীৰ সংগ্ৰামী ঐক্যক বজাই ৰখাৰ ওপৰতহে : "এই ঘটনাই

কিছু পৰিমাণে জটিলতাৰ সৃষ্টি কৰিছে। ঘটনাটো হ'ল এয়ে যে ৰাছিয়াত নিৰ্যাতক আৰু নিৰ্যাতিত দুয়ো জাতিৰে সৰ্বহাৰা শ্ৰেণীয়ে একেলগে যুঁজ কৰিছে আৰু কৰিবও লাগিব। এতিয়া কৰ্তব্য হ'ল সমাজতন্ত্ৰৰ বাবে সৰ্বহাৰাৰ শ্ৰেণী সংগ্ৰামৰ ঐক্যক ৰক্ষা কৰা আৰু সমস্ত 'ব্লেক হাণ্ড্ৰেদ' জাতীয়তাবাদী প্ৰভাৱক ৰোধ কৰা।" (Lenin; Ibid; অনূদিত)।

ৰাছিয়াৰ শ্ৰমিক শ্ৰেণী আৰু কমিউনিষ্টসকলে ১৯১৭ চনৰ অক্টোবৰ বিপ্লৱৰ মাজেদি মানৱ ইতিহাসত এক সম্পূৰ্ণ নতুন, আটাইতকৈ গৌৰৱোজ্জ্বল অধ্যায়ৰ সূচনা কৰিছিল। ৰাছিয়াৰ সমস্ত জাতিগোষ্ঠীৰ শ্ৰমিক শ্ৰেণী আৰু শ্ৰমজীৱী জনগণৰ ঐক্যবদ্ধ সংগ্ৰাম আৰু স্বেচ্ছাকৃত মিলনৰ ভিত্তিত ছোভিয়েত ইউনিয়ন প্ৰতিষ্ঠিত হৈছিল। এই ইউনিয়ন আছিল বাৰখন সমাজতান্ত্ৰিক'গণৰাজ্যৰ এখন যুক্তৰাষ্ট্ৰ। জাৰে বলপূৰ্বকভাবে দখল কৰি ৰখা তিনিখন বাল্টিক ৰাজ্য স্বাধীন হৈ আঁতৰি গৈছিল। (দ্বিতীয় মহাযুদ্ধৰ সময়ত এই তিনিখন ৰাজ্য পুনৰ ছোভিয়েত ইউনিয়নৰ লগত যুক্ত হৈ গণৰাজ্যৰ সংখ্যা পোন্ধৰখনলৈ বৃদ্ধি কৰিছিল। এতিয়া তিনিওখন বাল্টিক ৰাজ্য লিথুৱানিয়া, এষ্টনিয়া আৰু লাটভিয়াৰ স্বাধীনতা পুনৰ স্বীকৃত হৈছে।) বাকী গণৰাজ্যবোৰ স্বেচ্ছাকৃতভাৱে ছোভিয়েত ইউনিয়নৰ অংশীদাৰ হৈছিল। অথচ চোভিয়েতৰ সংবিধানত এই গণৰাজ্যবোৰ বিচ্ছিন্ন হৈ যোৱাৰ অধিকাৰক অবিচ্ছেদ্য অধিকাৰ হিচাপে সন্নিৱিষ্ট কৰা হৈছিল। ছোভিয়েত ইউনিয়নৰ সমাজতন্ত্ৰই জাতীয় উৎপীড়নৰ অৱসান ঘটাইছিল আৰু প্ৰতিটো জাতিৰে সমবিকাশ আৰু সমানাধিকাৰ সুনিশ্চিত কৰিছিল। এইদৰে চোভিয়েত ইউনিয়নৰ যাদুকৰী সামাজিক অগ্ৰগতি আৰু শক্তিসঞ্চয় সম্ভৱ হৈ উঠিছিল।

(গ)

কিন্তু ছোভিয়েত ইউনিয়নত অতি সম্প্ৰতি সংঘটিত ঘটনাৱলীয়ে, কমিউনিষ্ট পাৰ্টি আৰু সমাজতান্ত্ৰিক ব্যৱস্থাটোৰ উৎখাত তথা গণৰাজ্যবোৰৰ বিচ্ছিন্নতাই স্বাভাৱিকভাৱেই কিছুমান গুৰুতৰ প্ৰশ্ন উত্থাপিত কৰিছে। এইবোৰ ঘটনাত পৃথিৱীৰ সমাজবাদী শক্তিবোৰ স্বাভাৱিকভাৱেই বিব্ৰত। এই কথাও অনস্বীকাৰ্য যে ১৯১৭ চনৰ অক্টোবৰ বিপ্লৱৰ পিছত প্ৰায় সাতোটা দশক ধৰি ছোভিয়েতৰ সমাজতান্ত্ৰিক ব্যৱস্থাৰ চমকপ্ৰদ অগ্ৰগতি; সামাজিক সংকটবোৰৰ পৰা মুক্তি; দ্বিতীয় বিশ্বযুদ্ধত ফেচীবাদৰ পৰাজয় আৰু ছোভিয়েত ইউনিয়নৰ নিৰ্ণায়ক ভূমিকা; এটা বৃহৎ শক্তি হিচাপে ছোভিয়েতৰ আত্মপ্ৰকাশ; চীন, ভিয়েটনাম আৰু কোৰিয়াৰ জনগণৰ গণতান্ত্ৰিক বিপ্লৱৰ সাফল্য; এছিয়া, আফ্ৰিকা, লেটিন আমেৰিকাৰ দেশে দেশে উত্তাল জাতীয় মুক্তি আন্দোলনবোৰৰ প্ৰতি ছোভিয়েত ইউনিয়নৰ সহায়-সমৰ্থন— এই বাস্তৱ ঘটনাৱলীয়ে বিশ্বৰ শ্ৰেণীশক্তিবোৰৰ ভাৰসাম্য সমাজতন্ত্ৰৰ

পক্ষে সলনি কৰি দিছিল আৰু আন্তৰ্জাতিক শ্ৰমিক শ্ৰেণীক বিশ্বৰ ঐতিহাসিক বিকাশৰ কেন্দ্ৰস্থলত স্থাপন কৰিছিল। এছিয়া আৰু আফ্ৰিকাত প্ৰায় এশমান নতুন সাৰ্বভৌম ৰাষ্ট্ৰৰ জন্ম হ'ল। লেটিন আমেৰিকাৰো কেবাখনো দেশে সাম্ৰাজ্যবাদৰ যুঁৱলি দলিয়াই পেলালে। এই কথা ধৰি লোৱা হৈছিল যে বিশ্ব-পুঁজিবাদী ব্যৱস্থাৰ ভাঙোন আৰু সমাজতান্ত্ৰিক ব্যৱস্থাৰ অগ্ৰগতি আছিল সমানেই অনিবাৰ্য আৰু দ্ৰুত। পৃথিৱীৰ অসংখ্য জাতিৰ জাতীয় মুক্তি আন্দোলনবিলাকৰো প্ৰধান আশ্ৰয় আৰু প্ৰেৰণাৰ স্থল হৈ পৰিছিল এই ছোভিয়েত ইউনিয়ন। এই দেশৰ মাটিতেই প্ৰথম ৰূপ দিয়া হৈছিল কাম, পেন্সন, বিনামূলীয়া শিক্ষা, স্বাস্থ্যসেৱা আৰু অন্যান্য সামাজিক সা-সুবিধা মৌলিক অধিকাৰসমূহক— যিবিলাক এতিয়া প্ৰতিখন সভ্য সমাজৰে বিশেষাধিকাৰত পৰিণত হৈছে। ১৯৯০ চনৰ ফেব্ৰুৱাৰীত অনুষ্ঠিত ছোভিয়েত ইউনিয়নৰ কমিউনিষ্ট পাৰ্টিৰ প্লেনামৰ ৰিপৰ্টতো এই কথা স্বীকাৰ কৰি লোৱা হৈছিল : We adhere to the idea of social justice. It permitted millions of people to rise up from historical non-existence and it inspired them to deeds that turned our state into a mighty world power. The Soviet State played a decisive role in saving mankind from fascist slavery and has become the mainstay of many peoples in their struggle for national liberation. It has made an indispensible, unique contribution to world science, technology and culture.

"The right to work, to pensions, free education and medical care and other social benefits that first appeared on Soviet soil have now become privileges in any civilised society. To forget this means to disrespect the truth, disrespect those who have displayed lofty heroism and self-sacrifice in their passionate urge for the social ideal"।

১৯৯১ চনৰ আগষ্ট মাহত ছোভিয়েত ইউনিয়নৰ মন্ত্ৰীসভাৰ সৰহভাগ সদস্যৰে গঠিত এখন জৰুৰীকালীন বিপ্লৱী কমিটিয়ে কমিউনিষ্ট পাৰ্টিৰ প্ৰধান তথা ৰাষ্ট্ৰপতি গৰ্বাচেভক ক্ষমতাচ্যুত কৰি ছোভিয়েত দেশখনক আসন্ন ভাঙোন আৰু বিপৰ্যয়ৰ পৰা ৰক্ষা কৰাৰ প্ৰয়াস কৰিছিল। কিন্তু সেই চেষ্টা ব্যৰ্থ হ'ল। ৰুছ গণৰাজ্যৰ ৰাষ্ট্ৰপতি য়েলট্‌চিনৰ সহযোগত গৰ্বাচেভ পুনৰ ক্ষমতালৈ ঘূৰি আহিল মাত্ৰ কেইদিনমানৰ পিছতেই। কিন্তু এইবাৰ গৰ্বাচেভ-য়েলট্‌চিনৰ হাতত ক্ষমতাচ্যুত হ'ল কমিউনিষ্ট পাৰ্টি আৰু সমাজতান্ত্ৰিক ব্যৱস্থা। তেওঁলোকৰ ভয়ংকৰ প্ৰতিবিপ্লৱী কামকাজ নীৰবে, শান্তিপূৰ্ণভাৱে চলিবলৈ ধৰিলে। ইয়াৰ আগেয়ে এই গৰ্বাচেভৰ নেতৃত্বতেই চি-পি-এছ-ইউ এ গ্ৰহণ কৰা প্ৰস্তাৱত কোৱা হৈছিল যে ছোভিয়েতৰ কীৰ্তিবোৰৰ কথা "পাহৰি যোৱাৰ অৰ্থ হ'ল সত্যক অসন্মান কৰা, সামাজিক আদৰ্শৰ বাবে বীৰত্ব প্ৰদৰ্শন কৰি যোৱা আৰু আত্মবিসৰ্জন দিয়া সকলৰ প্ৰতি অসন্মান কৰা"; সেই গৰ্বাচেভেই পিছত ছোভিয়েতৰ কমিউনিষ্ট পাৰ্টিক নিষিদ্ধ কৰিলে, ছোভিয়েত

ইউনিয়ন তথা কমিউনিষ্ট পাৰ্টিৰ সমস্ত অতীত কীৰ্তিবোৰ অস্বীকাৰ কৰিলে, অক্টোবৰ বিপ্লৱৰ বীৰ-বীৰাঙ্গনাসকলৰ মূৰ্ত্তিবোৰ, আনকি মহামতি লেনিনৰ মূৰ্ত্তিকো চৰম অৱজ্ঞাৰে ধূলিস্যাৎ কৰিবলৈ এৰি দিলে, ছোভিয়েত ইউনিয়নৰ ভাঙোন আৰু বিলুপ্তিৰ কাৰ্যসূচী ৰচনা কৰিলে। ছোভিয়েতৰ সমাজতান্ত্ৰিক অৰ্থনীতিক উৎখাত কৰি পুঁজিবাদৰ মুক্ত বজাৰৰ অৰ্থনীতিৰ বাবে দেশৰ সিংহদ্বাৰ খুলি দিলে। সাম্ৰাজ্যবাদৰ দীৰ্ঘদিনীয়া ষড়যন্ত্ৰই নীৰৱ প্ৰতিবিপ্লৱৰ ৰূপত বিশ্বৰ শান্তি, মুক্তি, সমতা, আৰু সমাজবাদৰ এই দুৰ্গটোক এতিয়া খহাই পেলাইছে। পূৰ্বৰ ছোভিয়েতৰ গণৰাজ্যবোৰ ইতিমধ্যে স্বাধীন হৈছে আৰু পূৰ্বৰ সমাজতান্ত্ৰিক ছোভিয়েট ইউনিয়নৰ বিলুপ্তি একপ্ৰকাৰ সম্পূৰ্ণ হৈছে। তাৰ ঠাইত এতিয়া স্বাধীন গণৰাজ্যবোৰৰ কমনওৱেলথ গঠনৰ এটা নতুন প্ৰচেষ্টা চলিছে।

সমাজতন্ত্ৰৰ শত্ৰুসকলে প্ৰচাৰ কৰিছে যে মাৰ্ক্সবাদ-লেনিনবাদ আজিৰ যুগত অচল হৈ পৰিছে। কিন্তু পূব ইউৰোপ তথা ছোভিয়েতৰ ঘটনাৱলীয়ে আচলতে সেই কথা প্ৰতিপন্ন কৰা নাই। মাৰ্ক্সবাদে পুঁজিবাদৰ যিবোৰ অন্তৰ্নিহিত দুৰ্বলতা, সংকট তথা দ্বন্দ্বৰ স্বৰূপ উদঙাই দিছিল, সেইবোৰ আজিও সক্ৰিয় আৰু সচল আৰু সিবিলাকৰ পৰা পৰিত্ৰাণৰ পথ পুঁজিবাদৰ বাবে আজিও অজ্ঞাত। শেষ বিচাৰত পুঁজিবাদৰ অৱক্ষয় আৰু সমাজৰ মৌলিক পৰিবৰ্তনৰ বাস্তৱতা বা প্ৰাসঙ্গিকতা অকণো কমা নাই। অধিকাংশ মানুহৰ ভয়ানক দাৰিদ্ৰ্য, কৰ্মসংস্থানহীনতা, অশিক্ষা, অচিকিৎসা, পুঁজিবাদী দেশৰ উৎপাদনৰ নৈৰাজ্য, মন্দা, যুদ্ধ আৰু ধ্বংসক প্ৰতিৰোধ কৰাৰ ক্ষমতা পুঁজিবাদৰ কোনোদিনে হোৱা নাছিল আৰু এতিয়াও হোৱা নাই। শ্ৰমজীৱী জনগণৰ সমস্যা আৰু বিৰোধ কোনোটোকে পুঁজিবাদে প্ৰশমিত কৰিব পৰা নাই। জনগণৰ এই আৰ্থিক সংকট আৰু শ্ৰেণীসংগ্ৰামৰ মাজত পুঁজিবাদৰ পতন আৰু সমাজতন্ত্ৰৰ উত্থানৰ সত্য আজিও নিহিত আৰু ক্ৰিয়াশীল। মাৰ্ক্সবাদৰ ঐতিহাসিক পৰ্যবেক্ষণ তথা সিদ্ধান্তক পুঁজিবাদে ভুল বুলি ক'তো প্ৰমাণিত কৰিব পৰা নাই। ছোভিয়েতৰ বেদনাদায়ক ঘটনায়ো তাক প্ৰমাণ কৰা নাই।

ছোভিয়েত ইউনিয়ন নাইবা পূব ইউৰোপৰ সমাজতান্ত্ৰিক ব্যৱস্থাৰ বিপৰ্যয়ে যি কথা প্ৰমাণ কৰিছে সি হ'ল মাৰ্ক্সবাদী-লেনিনবাদী তত্ত্বৰ সঠিক প্ৰয়োগৰ ক্ষেত্ৰত দেখা দিয়া ভুল বা দুৰ্বলতা। তাৰ বাবে দোষী মাৰ্ক্সবাদ-লেনিনবাদ নহয়, দোষী হ'ল সেইবোৰ দেশৰ কমিউনিষ্ট পাৰ্টিবিলাক যাৰ ওপৰত ন্যস্ত হৈছিল সমাজতান্ত্ৰিক ব্যৱস্থা গঢ়ি তোলাৰ ঐতিহাসিক দায়িত্ব। এই দায়িত্ব পালন কৰাত সংশ্লিষ্ট কমিউনিষ্ট পাৰ্টিবোৰে যিবোৰ ভুল কৰিছিল তাৰ ফলত সেই দেশবোৰত কিছুমান গুৰুতৰ আৰ্থ-ৰাজনৈতিক সংকট তথা স্থবিৰতাই দেখা দিছিল। জনসাধাৰণৰ পৰা কমিউনিষ্ট পাৰ্টি আৰু চৰকাৰবিলাক একপ্ৰকাৰ বিচ্ছিন্ন হৈ পৰিছিল। পাৰ্টিৰ মাজলৈ সংশোধনবাদৰ অনুপ্ৰৱেশ, মতাদৰ্শগত সংগ্ৰামৰ ক্ৰমাগত শিথিলতা, প্ৰশাসনিক ক্ষেত্ৰত আমোলাতন্ত্ৰ আৰু দুৰ্নীতিৰ উদ্ভৱ, পাৰ্টি নেতৃত্বৰ ৰাজনৈতিক-সাংগঠনিক বিচ্যুতি, ক্ষুদ্ৰ আৰু দুৰ্বল জাতিবোৰৰ জাতিগত নিৰাপত্তাৰ প্ৰতি উদাসীনতা, দেশৰ আৰ্থিক পুনৰ্গঠনৰ অভাৱ, বাস্তৱ পৰিস্থিতিৰ সঠিক মূল্যায়নৰ

অভাৱ ইত্যাদি কাৰণত এই দেশবোৰত সমাজতন্ত্ৰ পুৰঠ আৰু সুদৃঢ় হ'ব নোৱাৰিলে। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ চমকপ্ৰদ অগ্ৰগতিৰ জোৰত বিশ্ব-পুঁজিবাদে নিজৰ সংকট জোৰা মৰাৰ ক্ষমতা আৰু আয়ুস বৃদ্ধি কৰিবলৈ সক্ষম হোৱাত সমাজতান্ত্ৰিক দেশবোৰৰ বাবে নতুন নতুন সমস্যাৰ সৃষ্টি হৈছিল। এইবোৰ দেশৰ উৎপাদনৰ গতি মন্থৰ হৈ পৰিছিল। এই সংকট জোৰা মৰাৰ বাবে ছোভিয়েত ৰাছিয়াত গৰ্বাচেভৰ নেতৃত্বত যিবোৰ সংস্কাৰৰ কাম আৰম্ভ কৰা হৈছিল সিয়েই সমগ্ৰ সমাজতান্ত্ৰিক ব্যৱস্থাটোৰেই সৰ্বনাশ মাতি আনিলে। ছোভিয়েতৰ কমিউনিষ্ট পাৰ্টিয়ে সমাজতান্ত্ৰিক ব্যৱস্থা আৰু আৰ্থিক সংস্কাৰ তথা আধুনিকীকৰণৰ মাজত সামঞ্জস্য ৰক্ষা কৰিব নোৱাৰাত সমাজতান্ত্ৰিক ব্যৱস্থাটোৰেই ভাগি পৰিল। পূব ইউৰোপৰ সমাজতান্ত্ৰিক দেশবোৰেও ছোভিয়েত ইউনিয়নক অন্ধভাৱে অনুকৰণ কৰিবলৈ গৈ নিজৰ বাস্তৱ পৰিস্থিতিৰ কথা পাহৰি গৈছিল আৰু নিজেই নিজৰ ধ্বংস মাতি আনিছিল।

"ছোভিয়েত ইউনিয়নত সমাজতান্ত্ৰিক ব্যৱস্থাৰ ওপৰত কৰা এই আক্ৰমণ আকস্মিক ঘটনা নহয়। এই ধাৰাটোৰ সূত্ৰপাত হৈছিল কমিউনিষ্ট পাৰ্টিৰ বিংশ কংগ্ৰেছৰ অধিবেশনত। সূত্ৰধাৰ আছিল নিকিতা ক্ৰুশ্চভ।" (অচিন্ত্য ভট্টাচাৰ্য ঃ ছোভিয়েত ইউনিয়নৰ বৰ্তমান পৰিস্থিতি প্ৰসঙ্গত (প্ৰবন্ধ) জনজীৱন, বিশেষ শাৰদীয় সংখ্যা, ১৯৯১)। ক্ৰুশ্চভৰ নেতৃত্বত চি-পি-এছ-ইউৰ সংশোধনবাদীসকলে ষ্টেলিন আৰু তেওঁৰ যুগৰ সমস্ত কৃতি আৰু কৃতিত্বক নস্যাৎ কৰি তেওঁৰ নামত কেৱল কুৎসা ৰটনা কৰাৰ লাইন আৰম্ভ কৰিলে। ষ্টেলিনৰ সমগ্ৰ যুগটোকেই ইতিহাসৰ পৰা মচি পেলাবলৈ তেওঁলোকে ষড়যন্ত্ৰ চলালে। ষ্টেলিন নিশ্চয় সৰ্বগুণাকৰ দেৱতা নাছিল, সেইবুলি তেওঁ কোনো দৈত্য বা দানবো নাছিল। তেওঁ এনে কিছুমান ভুলো কৰিছিল যিবিলাকৰ প্ৰভাৱ ছোভিয়েতৰ কমিউনিষ্ট পাৰ্টি আৰু ৰাষ্ট্ৰৰ বাবে আছিল সাঁচাকৈ ক্ষতিকৰ। কিন্তু এই কথাও সঁচা যে পৃথিৱীৰ প্ৰথম সমাজতান্ত্ৰিক দেশখনৰ নেতা হিচাপে তেওঁৰ নিজৰ সমস্ত দোষ-গুণ লৈয়ে ছোভিয়েতৰ ইতিহাসৰ জটিলতম কালছোৱাত সেই দেশ আৰু জনগণক ষ্টেলিনে নেতৃত্ব দিবলগীয়া হৈছিল। লেনিনবাদৰ ভিত্তিক সবল কৰাত, ফেচীবাদী হিটলাৰৰ আক্ৰমণ প্ৰতিহত কৰি মানব জাতিক ৰক্ষা কৰাত, ছোভিয়েত ইউনিয়নক পৃথিৱীৰ এটা বৃহৎ শক্তি হিচাপে গঢ়ি তোলাত; শিল্প, বিজ্ঞান প্ৰযুক্তিবিদ্যাত পশ্চাদপদ ছোভিয়েত ইউনিয়নক অন্যান্য বৃহৎ শক্তিবোৰৰ সমপৰ্যায়লৈ উন্নীত কৰাত, সামাজিক সমস্যাবোৰ দূৰ কৰাত আৰু এখন সমতাপূৰ্ণ সমাজব্যৱস্থা গঢ়ি তোলাত ষ্টেলিনৰ মহৎ অৱদান মহাশত্ৰুৱেও অস্বীকাৰ কৰিব নোৱাৰে। কিন্তু ক্ৰুশ্চভ আৰু তেওঁৰ সহযোগীসকলে সেই সকলোবোৰ অস্বীকাৰ কৰিলে। ইতিহাসৰ এই নিষ্ঠুৰ বিকৃতিৰ মাজতেই প্ৰোথিত হৈছিল সমাজবাদী ৰাষ্ট্ৰখনৰ ধ্বংস ভ্ৰূণ। এই বিকৃতিয়ে বিশ্ব-কমিউনিষ্ট আন্দোলনকো বিভ্ৰান্ত নকৰাকৈ নাথাকিল।

একেসময়তে ক্ৰুশ্চভে সূচনা কৰিলে তিনি শান্তিৰ তত্ত্ব— সাম্ৰাজ্যবাদৰ লগতে শান্তিপূৰ্ণ সহ-অৱস্থান, শান্তিপূৰ্ণ প্ৰতিযোগিতা আৰু সমাজবাদলৈ শান্তিপূৰ্ণ উত্তৰণ। এই চৰম

সংশোধনবাদী মতবাদে ছোভিয়েত ইউনিয়ন আৰু সমগ্ৰ বিশ্বতে "পুঁজিবাদ-সাম্ৰাজ্যবাদৰ বিৰুদ্ধে কমিউনিষ্টসকলৰ প্ৰতিৰোধ আৰু সতৰ্কতাৰ মনোভাৱক শিথিল কৰি দিলে। ফলত কমিউনিষ্ট আন্দোলনত শ্ৰেণী সহযোগিতাৰ বিচ্যুতিয়ে অনুপ্ৰৱেশ কৰাৰ বাবে সুযোগ পালে।" (অচিন্ত্য ভট্টাচাৰ্য্য ঃ পূৰ্বোক্ত প্ৰবন্ধ)। এই লাইনৰে চৰম পৰিণতি হ'ল গৰ্বাচেভ অনুসৃত তথাকথিত সংস্কাৰবোৰ আৰু ছোভিয়েত সমাজতান্ত্ৰিক ৰাষ্ট্ৰব্যৱস্থাৰ পতন।

১৯৮৬ চনত ছোভিয়েত ইউনিয়নৰ কমিউনিষ্ট পাৰ্টি (চি-পি-এছ-ইউ)ৰ সাতাইশতম কংগ্ৰেছত 'পেৰেষ্ট্ৰইকা' (পুনৰগঠন) আৰু 'গ্লাচনষ্ট' (অবাধ মতপ্ৰকাশৰ অধিকাৰ)ৰ নীতি গৃহীত হয়। আৰম্ভণিতে পেৰেষ্ট্ৰইকাৰ ঘোষিত উদ্দেশ্য আছিল সমাজতান্ত্ৰিক নীতিবোৰৰ বিকাশ ঘটোৱা, অকাৰ্যকৰী নীতিবোৰ বাদ দিয়া আৰু নতুন নীতি গ্ৰহণ কৰা। ঘোষিত লক্ষ্য আছিল সমাজতান্ত্ৰিক ব্যৱস্থাৰ উন্নতি সাধন কৰা আৰু তাক অধিক জনমুখী কৰি তোলা। সেই পৰ্যায়ত পুঁজিবাদৰ সৈতে থকা সমাজতন্ত্ৰৰ দ্বন্দ্ব নাইবা শ্ৰেণী সংগ্ৰামৰ কথা অস্বীকাৰ কৰা হোৱা নাছিল। কিন্তু পিছলৈ গৰ্বাচেভ পূৰ্বৰ ঘোষিত অৱস্থানৰ পৰা আঁতৰি যাবলৈ ধৰে। ১৯৮৭ চনত নবেম্বৰ বিপ্লৱৰ সত্তৰতম বাৰ্ষিকী উদ্‌যাপন উৎসৱত গৰ্বাচেভে পূৰ্বৰ শ্ৰেণীদ্বন্দ্বৰ ঠাইত সমাজবাদী আৰু সাম্ৰাজ্যবাদী শিবিৰৰ মাজত পৰস্পৰ নিৰ্ভৰশীলতা, একাত্মতা আৰু সমস্বাৰ্থৰ তত্ত্ব আগবঢ়ায়। পাৰমাণৱিক যুদ্ধৰ বিভীষিকাৰ পৰা মানৱজাতিক ৰক্ষা কৰাৰ নামত 'অখণ্ড বিশ্ব' (Integral world)ৰ তত্ত্বৰ দ্বাৰা শ্ৰেণী সংগ্ৰামৰ চোক কমাই দিয়া হয়। পিছত ১৯৮৮ চনৰ পাৰ্টি সন্মিলনত পেৰেষ্ট্ৰইকাৰ বাস্তৱ কৰ্মনীতিৰ নামত শ্ৰেণীতত্ত্বৰ মূল ভিত্তিটোকেই পৰিত্যাগ কৰা হয়। কমিউনিষ্ট পাৰ্টিৰ গণতান্ত্ৰিক কেন্দ্ৰিকতাৰ নীতি, কমিউনিষ্ট পাৰ্টিৰ অবিসম্বাদী নেতৃত্ব আৰু সৰ্বহাৰাৰ একনায়কত্বৰ নীতি সকলো বিসৰ্জন দিয়া হয়। ১৯৯০ চনত পাৰ্টিৰ ২৮ তম কংগ্ৰেছত এই পশ্চাদপসৰণ সম্পূৰ্ণ হয়। এই কংগ্ৰেছত 'বৈজ্ঞানিক সমাজতন্ত্ৰ'ৰ মূলনীতিক বিসৰ্জন দি সমাজবাদক অধিক "মানবীয়", "গণতান্ত্ৰিক" ৰূপ দিয়াৰ নীতি গ্ৰহণ কৰা হয়। ইয়াৰ সৰল অৰ্থ আছিল এয়ে যে মাৰ্ক্স-এঙ্গেলছ, লেনিন-ষ্টেলিনৰ সমাজবাদ আছিল অমানবীয় আৰু অগণতান্ত্ৰিক আৰু সেয়ে তাক অধিক মানবীয় কৰি গঢ়ি তোলাৰ প্ৰয়োজন হৈছিল। কিন্তু তেনে এটা "অমানবীয়" আৰু "অগণতান্ত্ৰিক" সমাজবাদী ব্যৱস্থাই যে যোৱা সাতোটা দশক ধৰি ছোভিয়েত ইউনিয়নৰ জনগণক অনুপ্ৰাণিত কৰিছিল আৰু জয় তথা উন্নতিৰ চৰম শিখৰলৈ লৈ গৈছিল, তাৰ কোনো ব্যাখ্যা নাছিল।

ছোভিয়েত ইউনিয়ন আৰু তাৰ আগে আগে পূব ইউৰোপৰ সমাজবাদী দেশকেইখনত ৰাজনৈতিক পৰিৱৰ্তনৰ যি উত্তাল ধুমুহা বৈ গ'ল, তাৰ বিচাৰ-বিশ্লেষণ বিশ্বজুৰি এতিয়াও চলি আছে। বিশ্বৰ জনসাধাৰণে আগ্ৰহেৰে বাট চাই আছে এই দেশবোৰৰ নতুন চৰকাৰবিলাকে জনসাধাৰণৰ সামাজিক প্ৰয়োজনবোৰ পূৰণ কৰিব পৰাকৈ দেশৰ অৰ্থনীতি আৰু সমাজ ব্যৱস্থাক কেনেদৰে গঢ়ি তোলে তাৰ প্ৰতি। একালৰ ছোভিয়েত ইউনিয়নৰ গণৰাজ্যবোৰত এতিয়া পণ্য বজাৰৰ অৰ্থনীতি আৰু মাৰ্কিনমাৰ্কা "মুক্ত গণতন্ত্ৰ"ৰ এজেন্টসকলে কমিউনিষ্ট

পাৰ্টিক সেই গণতন্ত্ৰৰ ভাগ দিবলৈ ভয় কৰিছে। ভয় কৰিছে জনসাধাৰণৰ সম্ভাব্য ক্ষোভ আৰু প্ৰতিবাদক। ছোভিয়েত ইউনিয়ন তথা পূব ইউৰোপৰ পূৰ্বৰ সমাজবাদী দেশকেইখনৰ জনসাধাৰণ আৰু এটা গুৰুতৰ সমস্যাৰ সন্মুখীন হ'ব— পুঁজিবাদী অৰ্থনীতিৰ অভিশাপবোৰৰ সমস্যা (দাৰিদ্ৰ্য, বেকাৰী, মূল্যবৃদ্ধি, শোষণ, বৈষম্য আৰু অন্যান্য সামাজিক অপৰাধ আদিৰ সমস্যা)। একালৰ বৃহৎ শক্তি ৰাছিয়াই এতিয়া ভিক্ষাৰ পাত্ৰ লৈ সাম্ৰাজ্যবাদী দেশৰ দুৱাৰে দুৱাৰে ঘূৰি ফুৰিছে; সেই দেশৰ লাখ লাখ মানুহে লংগৰৰ খাদ্য খাই প্ৰাণ প্ৰবৰ্তাইছে। এই দেশবোৰৰ জনসাধাৰণে এই সমস্যাবোৰ কেনেদৰে আৰু কিমান দিনলৈ হজম কৰিব পাৰে সেই কথা ভৱিষ্যতৰ ইতিহাসে সোনকালেই প্ৰমাণ কৰিব। ছোভিয়েত ইউনিয়নৰ জনসাধাৰণে বুৰ্জোৱা গণতন্ত্ৰৰ সোৱাদ পোৱা নাছিল বুলিয়েই ক'ব পাৰি। এতিয়া সাম্ৰাজ্যবাদী সমাজ আৰু অৰ্থনীতিৰ বাহিৰৰ চিকমিকনিত ছোভিয়েতৰ একাংশ লোক ভোল গৈছে। কিন্তু সাধাৰণ মানুহে অচিৰেই বুজি উঠিব যে চিক্‌মিকাই থকা বস্তু মানেই সোণ নহয়।

কমিউনিষ্ট পাৰ্টিৰ ভুলৰ বাবেই ছোভিয়েতত একাংশ লোকে অন্যায়ভাবে সম্পত্তি আৰু সা-সুবিধা হস্তগত কৰিছিল। পুঁজিবাদৰ মুক্ত বজাৰ আৰু সম্পত্তিৰ সম্পৰ্কই তেওঁলোকক হয়তো উপকৃত কৰিব। কিন্তু সমাজবাদী ব্যৱস্থাই সকলো ধৰণৰ সামাজিক নিৰাপত্তা তথা ৰক্ষণাবেক্ষণেৰে বচাই ৰখা আৰু উদ্‌গতিৰ সুযোগ দিয়া অগণন সাধাৰণ মানুহ এতিয়া পুঁজিবাদী শোষণ-শাসনৰ অসহায় চিকাৰত পৰিণত হোৱাটো নিশ্চিত। কমিউনিষ্টসকলৰ বেদনা হ'ল এয়ে যে ছোভিয়েতৰ জনসাধাৰণে সমাজতান্ত্ৰিক ব্যৱস্থা ঘূৰাই অনাৰ বাবে একেবোৰ যন্ত্ৰণাকে পুনৰ সহ্য কৰিবলগীয়া হৈছে আৰু হ'ব। কিন্তু সেই দুখ যিমানেই মৰ্মান্তিক নহওক কিয়, সি মন্ত্ৰমুগ্ধৰ দৰে খেদি যাব সমাজতন্ত্ৰৰ নিৰাপদ আশ্ৰয় বিচাৰি। মেদিনী চৌধুৰীয়ে লিখাৰ দৰে "বঞ্চিত নিপীড়িত জনগণৰ সংঘবদ্ধ সংগ্ৰামৰ নাম বিহুকে নিদিয়ক লাগিলে, কাৰোবাৰ নহয় কাৰোবাৰ মন লেনিনৰ স্মৃতিৰে উদ্বুদ্ধ হ'ব।" (মেদিনী চৌধুৰীৰ 'কমিউনিজমৰ কাষ্ঠসংস্কাৰ' নামৰ প্ৰবন্ধ 'জনজীৱন', শাৰদীয় সংখ্যা, ১৯৯১)।

ছোভিয়েত ইউনিয়নৰ সমাজতন্ত্ৰৰ বিপৰ্যয়ে তৃতীয় বিশ্বৰ দেশবোৰৰ বাবেও ভয়ানক ইঙ্গিত বহন কৰিছে। সমাজতান্ত্ৰিক ছোভিয়েত ইউনিয়নৰ অনুপস্থিতিত মাৰ্কিন সাম্ৰাজ্যবাদৰ প্ৰতিদ্বন্দ্বীহীন দানবীয় হিংস্ৰতা, সৰ্বগ্ৰাসী আক্ৰমণ, দমন আৰু একচেতীয়া শোষণ এতিয়া বহু বেছি ভয়ঙ্কৰ হৈ উঠিব। ইমানদিনে ছোভিয়েত ইউনিয়নে বিশ্বজুৰি শক্তিৰ ভাৰসাম্য ৰক্ষা কৰাৰ লগতে অনুন্নত আৰু উন্নয়নশীল দেশ তথা জাতীয় মুক্তি আন্দোলনবোৰক উদাৰ সাহায্য যথাসম্ভৱ দি আহিছিল। ভাৰতবৰ্ষও দেশৰ ৰাজহুৱা খণ্ডৰ গুৰু উদ্যোগবোৰৰ কাৰণে, বিভিন্ন ধৰণৰ বৈজ্ঞানিক, প্ৰযুক্তিগত আৰু বাণিজ্যিক সাহায্যৰ কাৰণে/আৰু আনকি সামৰিক নিৰাপত্তাৰ বাবেও ছোভিয়েত ইউনিয়নৰ ওচৰত ভালকৈয়ে ঋণী। এতিয়া সমাজতান্ত্ৰিক ছোভিয়েত ইউনিয়ন নামৰ সেই ৰক্ষাকবচ অন্তৰ্ধান হৈছে। তৃতীয় বিশ্বৰ

দেশবোৰৰ ওপৰত মাৰ্কিন সাম্ৰাজ্যবাদ তথা বিশ্ববেংক আৰু আন্তৰ্জাতিক অৰ্থকোষৰ অন্যায় হেঁচা আৰু খবৰদাৰী এতিয়া আৰু বেছি কটকটীয়া হোৱাটো নিশ্চিত। তৃতীয় বিশ্বৰ অৰ্থনীতি তথা ৰাজনীতি অবাধে হস্তক্ষেপ কৰিবলৈ মাৰ্কিন সাম্ৰাজ্যবাদ নিষ্কণ্টক হ'ল।

ছোভিয়েত ইউনিয়নত সমাজতন্ত্ৰৰ বিপৰ্যয়ৰ লগে লগে তাৰ জাতিগত ঐক্য-সংহতিও ছিন্নভিন্ন হৈছে। ইউনিয়নৰ গণৰাজ্যবোৰ এতিয়া সম্পূৰ্ণ স্বাধীন। গৰ্বাচেভৰ সংস্কাৰে এই বিচ্ছিন্নতাৰ প্ৰবণতাৰ লেকাম এৰি দিলে। ছোভিয়েত ইউনিয়ন প্ৰতিষ্ঠা হোৱাৰ সময়ত পূৰ্বৰ জাৰৰ বন্দীশালত আবদ্ধ হৈ থকা ভালেমান জাতিগোষ্ঠীয়ে (বাল্টিক গণৰাজ্য কেইখনক বাদ দি) নৱগঠিত সমাজতান্ত্ৰিক ইউনিয়নখনৰ লগত সমান অংশীদাৰ হিচাপে নিজক যুক্ত কৰিছিল। ছোভিয়েতৰ সমাজতান্ত্ৰিক ব্যৱস্থাত এই জাতিগোষ্ঠীবোৰৰ আৰ্থ-ৰাজনৈতিক সমতা আৰু সমানাধিকাৰ সুনিশ্চিতো হৈছিল। তথাপি এই কথা এতিয়া অস্বীকাৰ কৰাৰ কোনো উপায় নাই যে ছোভিয়েত ইউনিয়নত যোৱা সত্তৰটা বছৰত ভিন্ ভিন্ জাতিসত্তাৰ সমতা, সমানাধিকাৰ আৰু সমবিকাশৰ নীতি কিছু পৰিমাণে হ'লেও উলংঘিত হৈছিল। বৃহৎ ৰুছ জাতিৰ আগ্ৰাসী প্ৰবণতাৰ বিৰুদ্ধে সীমামূৰীয়া, দুৰ্বল আৰু ক্ষুদ্ৰ জাতিবোৰৰ জাতিগত আৰু সাংখ্যিক নিৰাপত্তাৰ বাবে সংৰক্ষণমূলক বিধি-ব্যৱস্থাও গ্ৰহণ কৰা হোৱা নাছিল। ফলত বিচ্ছিন্নতাৰ প্ৰবণতা এটাও অন্তঃসলিলা ফল্গুৰ দৰে তলে তলে সক্ৰিয় আৰু সজীৱ হৈ ৰৈছিল। এতিয়া সুবিধা পাই সেই প্ৰবণতাই জোৰেৰে আত্মপ্ৰকাশ কৰিছে।

ছোভিয়েত ইউনিয়ন হ'ল ভালেমান জাতি-গণৰাজ্যৰ এখন ফেডাৰেচন। এই গণৰাজ্যবোৰৰ ভৌগোলিক অৱস্থান, ঐতিহাসিক বিকাশ, ৰাষ্ট্ৰৰ গঠন, দেশৰ উৎপাদন ব্যৱস্থাত থকা ভূমিকা, অৰ্থনীতিৰ চৰিত্ৰ আৰু পৰ্যায়, জাতিগোষ্ঠীবোৰৰ মনস্তাত্ত্বিক গঠন আৰু আচাৰ-ব্যৱহাৰো হ'ল ভিন্ ভিন্। ছোভিয়েত ফেডাৰেচনৰ সাফল্যই নিৰ্ভৰ কৰিছিল এই গণৰাজ্যবোৰৰ সাৰ্বভৌমত্ব আৰু অধিকাৰবোৰৰ ৰক্ষণাবেক্ষণ আৰু বৃদ্ধিৰ ওপৰতহে। প্ৰয়োজন হৈছিল আৰ্থিক, সামাজিক আৰু সাংস্কৃতিক জীৱনৰ সকলোবোৰ প্ৰধান সমস্যাৰ ক্ষেত্ৰতে গণৰাজ্যবোৰে স্বাধীনভাৱে সিদ্ধান্ত লোৱাৰ। প্ৰতিটো জাতিৰে মাতৃভাষা, সাংস্কৃতিক আৰু জাতিগত বৈশিষ্ট্য, জাতীয় প্ৰমূল্য, জীৱন পদ্ধতি আৰু জনসংখ্যাৰ গাঁথনি ৰক্ষা কৰাৰ সমস্যাও ৰৈ গৈছিল। গণৰাজ্যবোৰৰ এই বৈশিষ্ট্যবোৰৰ সঠিক অনুধাৱন আৰু সিবিলাকৰ জাতিগত প্ৰয়োজনবোৰৰ পূৰণেই আছিল বহুজাতিক ছোভিয়েত ইউনিয়নৰ ঐক্য-সংহতিৰ বাবে প্ৰধান চৰ্ত। ছোভিয়েতৰ সমাজতন্ত্ৰই শ্ৰেণীগত শোষণ আৰু জাতিগত বৈষম্যৰ বিলোপ সাধন কৰাত বিভিন্ন জাতিগোষ্ঠীৰ মাজত থকা সমন্বয়ৰ বাধাবোৰ আঁতৰি গৈছিল। সেয়ে ধৰি লোৱা হৈছিল যে ছোভিয়েতত জাতি সমস্যাৰ সমাধান হৈ গৈছে।

কিন্তু কাৰ্যক্ষেত্ৰত দেখা গ'ল যে ছোভিয়েতটো জাতিসমস্যাৰ সমাধান সম্পূৰ্ণ নহ'ল। জাতীয় সমতা আৰু সমবিকাশৰ নীতিতো কিছু ফাঁক থাকি গ'ল। গণৰাজ্যবোৰৰ

জাতিসত্তাবিলাকৰ মনৰ পৰা জাতীয়তাবাদী চিন্তা আৰু জাতীয় অস্তিত্ব লোপৰ আশংকা দূৰ নহ'ল। বৰং জাৰৰ দিনত দাসত্বৰ শিকলিৰে বান্ধ খাই থকা অসংখ্য জাতিগোষ্ঠীক সমাজতন্ত্ৰই মুক্ত কৰি দিয়াত সিবিলাকৰ মাজত শিক্ষা-দীক্ষা আৰু জাতীয় চেতনাৰ সঞ্চাৰ আৰু সম্প্ৰসাৰণহে হ'ল। তাৰ লগে লগে বাঢ়ি গ'ল জাতিগত আশা আৰু আকাংক্ষা। পৰৱৰ্তীকালত ছোভিয়েত চৰকাৰে সেই নৱজাগ্ৰত জাতীয় অভীপ্সাবোৰৰ প্ৰতি যথোচিত মনোযোগ বা গুৰুত্ব দিয়াত ব্যৰ্থ হ'ল। বৃহৎ ৰুছ জাতিৰ সম্প্ৰসাৰণবাদবো নিয়ন্ত্ৰণ কৰা নহ'ল। তাৰেই ফলত বিভিন্ন জাতিৰ মাজত ক্ষোভ, আশংকা আৰু অসন্তুষ্টিও লাহে লাহে পুঞ্জীভূত হ'বলৈ ধৰে। বিভিন্ন গণৰাজ্যত জনসংখ্যাৰ গাঁথনিত দেখা দিয়া অশুভ পৰিবৰ্তনেও সেই ক্ষোভ আৰু আশংকা বৃদ্ধি কৰিলে। লেনিনে বৃহৎ ৰুছ উগ্ৰজাতীয়তাবাদৰ বিৰুদ্ধে সাৱধান কৰি দিছিল। কিন্তু তেওঁৰ সেই সাৱধান বাণীক পৰৱৰ্তীকালত যথাযথভাৱে অনুধাৱন কৰিবলৈ চেষ্টা কৰা নহ'ল। কৰা হ'লে আজি ৰুছ জাতীয়তাবাদৰ প্ৰতিনিধি হিচাপে বৰিচ য়েল্টচিনৰ সৃষ্টি নহ'লহেঁতেন, নাইবা ছোভিয়েত ইউনিয়নো ভাগি-ছিগি নগ'লহেঁতেন!

পেৰেষ্ট্ৰইকা আৰু গ্লাচনষ্টৰ উদ্যোক্তা গৰ্বাচেভে ঘোষণা কৰিছিল যে জাতিসমূহৰ আত্মনিয়ন্ত্ৰণৰ প্ৰশ্নত তেওঁৰ লক্ষ্য হ'ল লেনিনীয় নীতিৰ বাস্তৱায়নহে। সেয়ে ১৯৯০ চনৰ আৰম্ভণিতেই গৰ্বাচেভৰ নেতৃত্বাধীন চি-পি-এছ ইউ এ গণৰাজ্যবোৰৰ ব্যাপক স্বাধীনতাৰ সপক্ষে প্ৰস্তাৱ গ্ৰহণ কৰিছিল আৰু 'বৈচিত্ৰ্যৰ মাজত ঐক্য' স্থাপনৰ শ্লোগান দিছিল ঃ "The principle of self-determination of nations in a renewed Soviet Federation presupposes the freedom of national-state entities to choose forms by which to structure life, institutions and symbols of statehood. Our ideal is not unification, but unity in diversity."

"The party reaffirms its commitment to Lenin's principle of the right of nations to self-determination, including secession, and fovours the adoption of a law on a mechanism for the exercise of this right." (CPSU CC plenum : Speeches, Document ; February 5-7, 1990) কিন্তু হিতে বিপৰীত হ'ল। বৃহৎ ৰুছ জাতিৰ আগ্ৰাস আৰু সম্প্ৰসাৰণবাদক প্ৰতিৰোধ কৰাৰ সলনি ক্ষুদ্ৰ আৰু ক্ষুদ্ৰ জাতিবোৰক খেদি পঠোৱাবহে ব্যৱস্থা কৰা হ'ল।

লেনিনীয় নীতিৰ সঠিক ৰূপায়ণৰ নামত গৰ্বাচেভে শ্ৰমিক শ্ৰেণী আৰু কমিউনিষ্ট পাৰ্টিক যিদৰে নস্যাৎ কৰিলে, সিয়েই শ্ৰমিক শ্ৰেণীৰ প্ৰথম ৰাষ্ট্ৰখনক বুৰ্জোৱা জাতীয়তাবাদ আৰু বিচ্ছিন্নতাবাদৰ অসহায় চিকাৰত পৰিণত কৰিলে। ছোভিয়েত ইউনিয়নৰ কমিউনিষ্ট পাৰ্টিয়ে উক্ত প্লেনামতেই সকীয়াই দিছিল যে বিভিন্ন জাতিৰ মাজত গঢ়ি উঠা পাৰস্পৰিক সম্পৰ্কবোৰ ধ্বংস বা দুৰ্বল কৰিলে তাৰ যি নেতিবাচক পৰিণাম হ'ব তাক অনুমান কৰাও কঠিন। ("At the same time we are convinced that the weakening and disruption of reciprocally diverse and interrelated ties could

lead to negative consequences for all peoples, to say nothing about individual destinies-- consequences that are very difficult to foresee.") কিন্তু গৰ্বাচেভে দায়িত্বহীন পৰিবৰ্তনৰ যি ঢল বোৱালে, সেই ঢলে চি-পি-এছ-ইউ তথা ছোভিয়েত ফেডাৰেচনৰ ঐক্য সকলো উটুৱাই লৈ গ'ল। ছোভিয়েতৰ জৰুৰীকালীন কমিটিখনে যোৱা আগষ্ট মাহত গৰ্বাচেভক অপসাৰিত কৰি ছোভিয়েত ইউনিয়নৰ এই অৱধাৰিত ভাঙোন ৰোধ কৰিবলৈ এবাৰ চেষ্টা কৰি চাইছিল। কিন্তু সেই অভ্যুত্থান ব্যৰ্থ হ'ল। সফল হ'ল গৰ্বাচেভ য়েল্টছিনহঁতৰ প্ৰতিবিপ্লৱী আঁচনি তথা ছোভিয়েতৰ ভাঙোন।

এইটো ঠিক যে পূৰ্বৰ ছোভিয়েতৰ জনগণে পুঁজিবাদৰ অত্যাচাৰ নীৰৱে মানি নলয়। তেওঁলোকে সমাজতন্ত্ৰক নিজৰ মাটিত পুনৰ প্ৰতিষ্ঠা কৰিব। সেই প্ৰক্ৰিয়া ইতিমধ্যে আৰম্ভ হৈছে। লক্ষ লক্ষ কমিউনিষ্টৰ প্ৰতিবাদী হুংকাৰত মস্কোৰ নতুন চৰকাৰ এতিয়া সন্ত্ৰস্ত আৰু সাম্ৰাজ্যবাদো সচকিত। কিন্তু আঁতৰি যোৱা গণৰাজ্যবোৰৰ মাজত সম্পৰ্ক কেনেধৰণৰ হ'ব, সেই কথা কেৱল সময় আৰু ঘটনাইহে ঠিক কৰিব। ছোভিয়েতৰ জাতিসমস্যা সমাধানৰ ক্ষেত্ৰত লেনিনীয় নীতিৰ উলংঘনৰ প্ৰায়চিত্ত চি-পি-এছ-ইউ, ছোভিয়েতৰ জনগণ আৰু বিশ্ব কমিউনিষ্ট আন্দোলনে কৰিছে আৰু ভৱিষ্যতেও কৰিব লাগিব।

(ঘ)

জাতীয় আত্মনিয়ন্ত্ৰণৰ প্ৰসঙ্গত আমি ভাৰতবৰ্ষৰ বৈশিষ্ট্যবোৰো ফঁহিয়াই চোৱা উচিত। প্ৰথম কথা, ভাৰতৰ যুক্তৰাষ্ট্ৰীয় ঐক্য বিভিন্ন জাতিগোষ্ঠীৰ স্বেচ্ছাকৃত মিলনৰহে ফল, কোনো বলপূৰ্বক জাতীয় দমন বা আধিপত্যৰ নহয়। সাম্ৰাজ্যবাদী ইংৰাজে অসংখ্য ৰাজ্য বা জাতিগোষ্ঠীক গাৰ বলেৰে এখন ব্ৰিটিশ ভাৰতৰ অন্তৰ্ভুক্ত কৰিছিল সঁচা, কিন্তু সেই সাম্ৰাজ্যবাদী ইংৰাজৰ বিৰুদ্ধে গঢ়ি উঠা স্বাধীনতা সংগ্ৰামত দেশৰ সকলো প্ৰদেশ বা জাতিগোষ্ঠীৰে জনসাধাৰণ ঐক্যবদ্ধ হৈছিল আন কাৰো হেঁচাত নহয়, নিজৰ ইচ্ছাত। সেই ব্ৰিটিশবিৰোধী ঐক্যবদ্ধ সংগ্ৰামে সমগ্ৰ ভাৰতৰ জনগণক এক মহাজাতীয় চেতনাৰে উদ্বুদ্ধ কৰিছিল। সি আছিল ভাৰতৰ ইতিহাসৰ আটাইতকৈ মহৎ আৰু প্ৰগতিশীল ঘটনা। সেই মহাজাতীয় চেতনা ভাৰতৰ সকলো প্ৰান্তৰে জনসাধাৰণৰ এক সাধাৰণ, উমৈহতীয়া পৰম্পৰাতো পৰিণত হৈছিল। ইংৰাজ শাসনৰ পৰা স্বাধীনতা লাভ কৰাৰ মাজেদি ভাৰতীয় জনসাধাৰণৰ সেই পৰম্পৰা সুদৃঢ় হৈছিল আৰু জাতীয় মুক্তিৰ পথ প্ৰশস্ত হৈছিল। সেই পৰম্পৰাক সাৰোগত কৰিয়েই ভাৰতৰ সমগ্ৰ জনসাধাৰণে এখন ঐক্যবদ্ধ, গণতান্ত্ৰিক আৰু বহুজাতিক ভাৰত যুক্তৰাষ্ট্ৰ গঢ়ি তোলাৰ বাঞ্ছিত পথ গ্ৰহণ কৰিছিল।

দ্বিতীয়তে, স্বাধীন ভাৰততো বৈ যোৱা আৰু বৃদ্ধি পোৱা জাতিগত, বৰ্ণগত আৰু আঞ্চলিক বৈষম্যৰ কাৰণ কোনো বিশেষ জাতিৰ বিশেষাধিকাৰ বা আধিপত্য নহয়,

তাৰ কাৰণ বৃহৎ পুঁজিপতি শ্ৰেণীৰ অতিকেন্দ্ৰিক শাসন-শোষণহে। ভাৰতবৰ্ষত কোনো জাতিকে কেৱল নিৰ্যাতক বা শাসক হিচাপে চিহ্নিত কৰিব নোৱাৰি। 'ভাৰতীয়' বুলিও কোনো শোষক বা নিৰ্যাতক জাতি নাই। কাৰ্যক্ষেত্ৰত থকা জাতিগত আৰু বৰ্ণগত বৈষম্য তথা ঠগবাজিবোৰো দেশৰ বৃহৎ পুঁজিপতি আৰু মাটিগিৰি শ্ৰেণীবোৰৰ শ্ৰেণীশোষণৰহে সহজ কৌশল। এই শ্ৰেণীবোৰ কোনো এটা বিশেষ জাতিৰ মাজতে আবদ্ধ নহয়। বৃহৎ পুঁজিপতি শ্ৰেণীয়ে বিভিন্ন অংগৰাজ্যৰ জনসাধাৰণৰ ওপৰত যিদৰে শোষণ, বঞ্চনা আৰু বৈষম্যৰ অভিশাপ জাপি দিছে, সেইদৰে প্ৰতিখন ৰাজ্যৰ তথা প্ৰতিটো জাতিৰে পুঁজিপতি আৰু মাটিগিৰিসকলেও অন্যান্য পিছপৰা জনগোষ্ঠী তথা দুৰ্বল জনসাধাৰণৰ ওপৰত শোষণ, অবিচাৰ আৰু অত্যাচাৰ অব্যাহত ৰাখিছে। সেয়ে বৰ্তমান ভাৰতীয় সমাজখনৰ মূল দ্বন্দ্ব জাতিভিত্তিক নহয়, শ্ৰেণীভিত্তিকহে। দেশৰ অনুন্নত জাতিগোষ্ঠী তথা অঞ্চলৰে জনসাধাৰণেও তেওঁলোকৰ সমানাধিকাৰ আৰু সমবিকাশৰ বাবে বৃহৎ বুৰ্জোৱা তথা মাটিগিৰিসকলৰ শাসন-শোষণৰ বিৰুদ্ধেহে যুঁজ কৰিব লাগিব। ভাৰতবৰ্ষৰ জাতিগত, বৰ্ণগত, সাম্প্ৰদায়িক আৰু আঞ্চলিক বৈষম্যৰ বিৰুদ্ধে চলা সংগ্ৰাম শ্ৰমিক শ্ৰেণী আৰু শ্ৰমজীৱী জনগণৰ শ্ৰেণীসংগ্ৰামৰ অবিচ্ছেদ্য অংগত পৰিণত হৈছে। অতিকেন্দ্ৰিক ৰাষ্ট্ৰ ব্যৱস্থাৰ অৱসান তথা কেন্দ্ৰ-ৰাজ্য সম্পৰ্কৰ পুনৰ্বিন্যাসৰ দাবীও জাতি, বৰ্ণ আৰু ধৰ্ম নিৰ্বিশেষে সমগ্ৰ শোষিত, বঞ্চিত জনগণৰ উমৈহতীয়া দাবীত পৰিণত হৈছে। প্ৰতিটো অঞ্চলৰ আৰ্থিক আৰু জাতিগত স্বাৰ্থক সুৰক্ষা দিব পৰাকৈ অঙ্গৰাজ্যবোৰক শক্তিশালী কৰি তুলিব লাগিব।

অৱশ্যে একেখন যুক্তৰাষ্ট্ৰৰ অংগ হোৱাৰ বাবে অসমৰ দৰে একালৰ সেৰেঙা জনসংখ্যাৰ ৰাজ্যলৈ বাহিৰৰ বৃহৎ আৰু সংখ্যাবহুল জাতিৰ লোকসকলৰ অবাধ আৰু ব্যাপক অনুপ্ৰবেশ ঘটিছে আৰু তাৰ ফলত অসমীয়াৰ ভাষিক সংখ্যাগৰিষ্ঠতাৰ প্ৰতি নতুন প্ৰত্যাহ্বানবো সৃষ্টি হৈছে। কিন্তু এই প্ৰত্যাহ্বানৰ মোকাবিলাৰ বাবেও অসমক ভাৰতৰ পৰা বিচ্ছিন্ন কৰাৰ প্ৰয়োজন নাই। অসমৰ দৰে স্পৰ্শকাতৰ ৰাজ্যত জনজাতীয় সংৰক্ষণৰ আৰ্হিত থলুৱা অজনজাতীয় ভাষিক গোটৰ বাবেও আৰ্থিক আৰু জাতিগত সংৰক্ষণৰ ব্যৱস্থা কৰাৰ সুযোগ আছে। তাৰ বাবে কেন্দ্ৰক বাধ্য কৰাৰ যুক্তিসঙ্গত উপায় হৈছে গণ আন্দোলনৰ তীব্ৰতা আৰু প্ৰাপ্তি বৃদ্ধি কৰাহে।

তৃতীয়তে, স্বাধীনোত্তৰ কালছোৱাত ভাৰতৰ বৃহৎ পুঁজিপতি শ্ৰেণীয়ে দেশৰ জনসাধাৰণ তথা পশ্চাদপদ জাতিগোষ্ঠীবোৰক কোনোধৰণৰ সকাহ দিব নোৱাৰিলেও দেশৰ ৰাষ্ট্ৰশক্তিক হ'লে ভালকৈয়ে সংহত আৰু শক্তিশালী কৰি গঢ়ি তুলিছে। সমগ্ৰ দেশৰ জনসাধাৰণৰ গণতান্ত্ৰিক ঐক্য আৰু ঐক্যবদ্ধ সংগ্ৰাম অবিহনে এই ৰাষ্ট্ৰশক্তিক পৰাভূত কৰাৰ আন কোনো উপায় নাই। সৰ্বভাৰতীয় ঐক্যবদ্ধ সংগ্ৰামৰ এই পৰ্যায় অতিক্ৰম কৰিব পাৰিলেহে দেশৰ ভিন্ ভিন্ জাতিগোষ্ঠীৰ প্ৰকৃত আত্মনিয়ন্ত্ৰণৰ পথ প্ৰশস্ত হ'ব পাৰে। ৰাষ্ট্ৰীয়াতো জাৰৰ বিৰুদ্ধে সকলোবোৰ পদানত জাতিগোষ্ঠীৰে সংগ্ৰামী ঐক্য আৰু সহযোগিতাৰ

প্ৰয়োজন হৈছিল। এই ঐক্য আৰু ঐক্যবদ্ধ সংগ্ৰামৰ জৰিয়তেহে সেই জাতি গোষ্ঠীবোৰে সমাজতান্ত্ৰিক ব্যৱস্থা তথা বিচ্ছিন্নতাৰ অধিকাৰো প্ৰতিষ্ঠা কৰিব পাৰিছিল।

চতুৰ্থতে, ভাৰতৰ বিভিন্ন জাতিৰ, বিভিন্ন বৰ্ণৰ, বিভিন্ন ধৰ্মৰ আৰু বিভিন্ন ভাষা-ভাষী অসংখ্য লোক সমগ্ৰ দেশতে এনেদৰে সিঁচৰতি হৈ পৰিছে যে তাৰ ফলত প্ৰতিটো অঞ্চলৰে জনসংখ্যা অবিভাজ্যভাৱে সংমিশ্ৰিত হৈ পৰিছে। দেশৰ প্ৰতিখন ৰাজ্য তথা প্ৰতিটো অঞ্চলৰে এনে "বহিৰাগত" লোকসকল সমগ্ৰ জনসাধাৰণৰ মাজত ঐক্যসূত্ৰতো পৰিণত হৈছে। বৰ্তমান এই ঐক্যসূত্ৰ ইমান কঠিন হৈ উঠিছে যে তাক সহজে ছিঙি পেলোৱাও সম্ভৱ নহয়। একেসময়তে এই "বহিৰাগত"সকল বিভিন্ন অঞ্চলৰ শ্ৰমিক আৰু শ্ৰমজীৱী শ্ৰেণীবোৰৰো অবিচ্ছেদ্য অংগ হৈ পৰিছে। স্বাভাৱিকভাৱেই তেওঁলোক গণতান্ত্ৰিক আন্দোলনৰো ডাঙৰ অংশীদাৰ। দেশৰ শ্ৰমিক শ্ৰেণীৰ চৰিত্ৰ আজি সাংঘাতিক ধৰণেৰে বহুজাতিক আৰু সিয়েই ভাৰতৰ বহুজাতিক ঐক্য-সংহতিৰো প্ৰধান আশ্ৰয় আৰু নিৰাপত্তাৰ অতন্দ্ৰ প্ৰহৰী।

পঞ্চমতে, ভাৰতৰ যুক্তৰাষ্ট্ৰীয় ঐক্য ধ্বংস কৰাত শ্ৰমিক শ্ৰেণী আৰু শ্ৰমজীৱী জনগণৰ কোনো স্বাৰ্থ নাই। ভাৰতবৰ্ষ খণ্ড-বিখণ্ড হ'লে তেওঁলোক লাভবান নহয়; লাভবান হ'ব কেৱল সাম্ৰাজ্যবাদী শক্তিবোৰহে, যিবিলাকে বৃহৎ দেশ ভাৰতবৰ্ষক বিভিন্ন কূট-কৌশলেৰে নিজৰ পদানত কৰিবলৈ অন্তহীন ষড়যন্ত্ৰ চলাই আছে। এখন ঐক্যবদ্ধ বৃহৎ আৰু শক্তিশালী ভাৰতবৰ্ষ সাম্ৰাজ্যবাদৰ বিশ্বজোৰা শোষণ-শাসনৰ বাবে এটা ডাঙৰ প্ৰতিবন্ধক। এই প্ৰতিবন্ধক আঁতৰ কৰিবলৈ সাম্ৰাজ্যবাদী শক্তি সদায় ব্যস্ত। আন্তৰ্জাতিক অৰ্থভাণ্ডাৰ আৰু বিশ্ববেংকৰ দৰে অৰ্থসংস্থাবোৰৰ খবৰদাৰী ভাৰত চৰকাৰৰ ওপৰত অহৰ্নিশে বলবৎ আছে আৰু ক্ৰমাগতভাৱে বাঢ়ি গৈছে। সাম্ৰাজ্যবাদী ঋণৰ বোকাত ভাৰতবৰ্ষ ইতিমধ্যে পোত গৈছে। এই ঋণৰ পৰিমাণ চেপ্তেম্বৰ মাহত ১,৩৭,৫০৮০২ কোটি টকা। পৃথিৱীৰ ৫খন প্ৰধান ধৰুৱা দেশৰ ভিতৰত ভাৰতবৰ্ষ অন্যতম। (The Assam Tribune : December 18, 1991) এতিয়া সেই ঋণৰ কিস্তি পৰিশোধ কৰিবলৈও চৰকাৰ অক্ষম। ভাৰতৰ শাসকসকলে বিদেশী পুঁজি আৰু ঋণৰ বাবে দুৱাৰ মুকলি কৰি দি দেশখন সাম্ৰাজ্যবাদীৰ ওচৰত বন্ধকত ৰখাৰ আৰু জনসাধাৰণৰ মূৰৰ ওপৰত দুৰ্বিষহ কৰ আৰু মূল্যবৃদ্ধিৰ বোজা জাপি দিয়াৰ অতি বিপদজনক আৰু দেউলীয়া নীতি গ্ৰহণ কৰিছিল। ফলত ভাৰতবৰ্ষৰ ৰাজনৈতিক স্বাধীনতাও বিপন্ন। এই আৰ্থ-সামাজিক দেউলীয়াপনা তথা বিপৰ্যয়ৰ পৰা উদ্ধাৰ পোৱাৰ কোনো উপায় ভাৰতৰ বুৰ্জোৱা শ্ৰেণীৰ হাতত নাই। বিচ্ছিন্নতাবাদী শক্তি তথা আন্দোলনবোৰে জনগণৰ ঐক্য-সংহতিক অধিক দুৰ্বল কৰাৰ মাজেদি সাম্ৰাজ্যবাদীসকলৰ হাতহে যে শক্তিশালী কৰিব তাত কোনো সন্দেহ নাই।

এনে এক পৰিস্থিতিত ভাৰতীয় জনগণৰ স্বাধীনতাক ৰক্ষা কৰা আৰু দেশখনক সমৃদ্ধিশালী কৰি গঢ়ি তোলাৰ দায়িত্ব ন্যস্ত হৈছে শ্ৰমিক শ্ৰেণী আৰু শ্ৰমজীৱী জনগণৰ

ওপৰতেই। জনসাধাৰণেও নিজৰ ঐক্য আৰু ঐক্যবদ্ধ প্ৰচেষ্টাৰ দ্বাৰাই এই কৰ্তব্য সাধন কৰিব লাগিব। যিকোনো ধৰণৰ ঐক্যবিৰোধী আৰু বিচ্ছিন্নতাবাদী আন্দোলন দেশৰ এই সংকট কালত জনসাধাৰণৰ প্ৰতি বিশ্বাসঘাতকতাতহে পৰিণত হ'ব।

ষষ্ঠতঃ, ভাৰতৰ অধিকাংশ অংগৰাজ্যৰ ঔদ্যোগিক বিকাশৰ অৱস্থা, বিশেষকৈ বৃহৎ যন্ত্ৰনিৰ্মাণ উদ্যোগ, মূলধন, প্ৰযুক্তিবিদ্যা আদিৰ অৱস্থা এনে পিছপৰা আৰু অসম্পূৰ্ণ যে কোনো অংগৰাজ্য ভাৰতৰ পৰা স্বাধীন হৈ গ'লেও এটা স্বাধীন অৰ্থনীতি গঢ়ি তোলাটো সেই ৰাজ্যৰ বাবে মুঠেই সহজসাধ্য নহ'ব। ফলত সাম্ৰাজ্যবাদী অৰ্থনীতি তথা শোষণ-শাসনৰ কব্জাতহে দেশখন সোমাই পৰাৰ দুৰ্ভাৱনা থাকি যাব। উদাহৰণ স্বৰূপে মধ্যপ্ৰাচ্যৰ দেশবোৰৰ প্ৰতিয়েই আঙুলিয়াব পাৰি। সেই দেশবোৰ তেলত অতি চহকী হোৱা সত্বেও সিবিলাকৰ ওপৰত সাম্ৰাজ্যবাদী দেশবোৰে উন্নত অস্ত্ৰশক্তিৰ জোৰত পূৰাদমে খবৰদাৰী চলাইছে। শেহতীয়াকৈ মাৰ্কিন যুক্তৰাষ্ট্ৰই ব্ৰিটেইনৰ সহযোগত ৰাষ্ট্ৰসংঘৰ অনুমোদন ব্যতিৰেকেই অন্যায়ভাৱে ইৰাক আক্ৰমণ কৰি দেশখনৰ ওপৰত নিজৰ বেদখল আৰু আধিপত্য প্ৰতিষ্ঠা কৰিছে। বিজ্ঞান, প্ৰযুক্তিবিদ্যা আৰু অস্ত্ৰশক্তিৰ ক্ষেত্ৰত সাম্ৰাজ্যবাদে এনে অভাৱনীয় অগ্ৰগতি লাভ কৰিছে যে তাৰ লগত যেন মৰাৰ শক্তি দুৰ্বল আৰু ক্ষুদ্ৰ দেশ বা জাতিৰ নোহোৱা হৈছে। নিজৰ স্বাধীনতা আৰু স্বাধীন বিকাশৰ অধিকাৰ বিসৰ্জন নিদিয়াকৈ কোনো বিচ্ছিন্নতাবাদী আন্দোলনেই আজি সফল হ'ব নোৱাৰে। অসমৰ বেলিকাও চাহ আৰু তেলত চহকী বুলি অসমীয়াই গৌৰৱ কৰে। কিন্তু অসম স্বাধীন হ'লে চাহ আৰু তেলৰ উৎপাদন আৰু ব্যৱসায়ৰ বাবেও বিদেশী পুঁজিৰ শৰণাপন্ন নহৈ অন্য কিবা উপায় আছেনে? প্ৰসঙ্গতঃ উল্লেখ কৰা প্ৰয়োজন যে বিশ্বৰ স্বাধীনতাকামী দেশ বা জাতিৰ স্বাধীন বিকাশত সহায় কৰিবলৈ আজি বিশ্ব সমাজবাদী শিবিৰো নিজেই বিধ্বস্ত আৰু বিভ্ৰান্ত। বৰ্তমান পৰিস্থিতিৰ এই বৈশিষ্ট্যবোৰে বিচ্ছিন্নতাবাদী আন্দোলনৰ অসাৰতাকেই স্পষ্টভাৱে প্ৰমাণ কৰিছে।

ভাৰতবৰ্ষ হ'ল এনে এখন বহুজাতিক দেশ য'ত বৃহৎ বুৰ্জোৱা শ্ৰেণীয়ে ঔপনিৱেশিক ইংৰাজৰ হাতৰ পৰা ৰাষ্ট্ৰক্ষমতা দখল কৰিলেও সামন্তবাদ আৰু সাম্ৰাজ্যবাদৰ অৱশিষ্টবোৰৰ লগত আপোচ কৰিছে আৰু জাতীয় গণতান্ত্ৰিক আন্দোলনক বিশ্বাসঘাতকতা কৰিছে। ফলত ভাৰতীয় জনগণৰ এখন স্বাধীন, গণতান্ত্ৰিক আৰু ঐশ্বৰ্যশালী ভাৰতবৰ্ষ গঢ়ি তোলাৰ সংগ্ৰাম আধৰুৱা হৈ ৰ'ল। বৃহৎ বুৰ্জোৱাৰ এই বিশ্বাসঘাতকতাৰ বাবেই দেশৰ অসংখ্য জাতিগোষ্ঠীৰ সমতা, সমানাধিকাৰ, সমবিকাশ আৰু অবাধ মিলন অসম্ভৱ হৈ পৰিছে আৰু তাৰ সলনি দেশৰ কেউফালে জাতিগত আৰু সাম্প্ৰদায়িক বিদ্বেষ আৰু অশান্তিয়ে মূৰ দাঙি উঠিছে। ভাৰতৰ জাতীয় সংহতিৰ মূলতে কেৰোণ হৈ বৈ গৈছে।

ভাৰতবৰ্ষত আজিও কোনো এজন লোকৰে প্ৰকৃত ভাৰতীয় পৰিচয় নাই। ইয়াত এজন লোকৰ পৰিচয় হিন্দু বা মুছলমান বা শিখ হিচাপেহে; নাইবা এজন বঙালী, তামিল, তেলেগু বা অসমীয়া হিচাপেহে; আৰু হয়তো এজন ঠাকুৰ, ব্ৰাহ্মণ, জাঠ,

মাৰাঠী, হৰিজন বা আদিবাসী হিচাপেহে। অপ্ৰিয় হ'লেও এই কথা সত্য যে ভাৰতৰ অসংখ্য পশ্চাদপদ, "অসভ্য" জাতিগোষ্ঠীয়ে উন্নত জাতিবিলাকৰ সমানে আৰু সক্ৰিয়ভাৱে ভাৰতীয় জাতি গঠনত অংশ ল'ব পৰা নাছিল আৰু আজিও পৰা নাই। তেওঁলোকক হিন্দু ভাৰতৰ অপাংক্তেয় অংশ হিচাপেহে ধৰি লোৱা হৈছিল। ভাৰতৰ হিন্দু মানসিকতাত এই ধাৰণা আজিও যথেষ্ট সবল আৰু সক্ৰিয়। দেশখনৰ জাতিগত, সাম্প্ৰদায়িক আৰু বৰ্ণগত বৈচিত্ৰ্য তথা অনৈক্যৰ মাজত ঐক্য গঢ়ি তোলাৰ বাবে অংগৰাজ্যবোৰক ভাষা-সংস্কৃতিৰ ভিত্তিত যথাসম্ভৱ একোটা স্বায়ত্তশাসিত গোট হিচাপে গঢ়ি তোলা আৰু সেই গোটবোৰৰ সমতা আৰু সমবিকাশক সুৰক্ষা আৰু নিশ্চয়তা দিয়াৰ প্ৰয়োজন আছিল। কিন্তু ভাৰতৰ ক্ষমতাহীন বৃহৎ বুৰ্জোৱাই সেই কাম নকৰিলে। জাতীয় কংগ্ৰেছে ১৯৩১ চনতে ঘোষণা কৰিছিল সেই দলে ভাৰতবৰ্ষক বহুতো স্বায়ত্তশাসিত অংগৰ স্বেচ্ছাকৃত মিলনৰ ভিত্তিত এখন ফেডাৰেছন হিচাপে গঢ়ি তুলিব বিচাৰে। সেইমতে দেশখনৰ অংগৰাজ্যবিলাকক একো একোটা ভাষিক আৰু সাংস্কৃতিক গোট হিচাপে গঢ়ি তোলা আৰু এনে প্ৰতিটো গোট বা অঞ্চলক স্বকীয় জীৱন আৰু সংস্কৃতিৰ বিকাশৰ বাবে স্বাধীনতা দিয়াৰ নীতি কংগ্ৰেছে গ্ৰহণ কৰিছিল। কিন্তু পিছত কংগ্ৰেছ দলে সেই নীতিক ভালভাৱে কাৰ্যকৰী কৰাত আৰু ভাষাভিত্তিক ৰাজ্য গঠন কৰাত কোনো উৎসাহ নেদেখুৱালে। ফলত এই কাম অসম্পূৰ্ণ হৈ ৰ'ল। অসমৰ দৰে ৰাজ্যকো ভাষাৰ ভিত্তিত পুনৰ্গঠন কৰা নহ'ল। এইদৰে ভিন্ ভিন্ জাতিগোষ্ঠীৰ সমতা আৰু স্বেচ্ছাকৃত মিলনৰ ভিত্তিত এখন ঐক্যবদ্ধ বহুজাতিক ভাৰত যুক্তৰাষ্ট্ৰ গঢ়ি তোলাৰ বাঞ্ছিত পথ দেশৰ বৃহৎ বুৰ্জোৱা আৰু সেই শ্ৰেণীৰ প্ৰতিনিধি কংগ্ৰেছ দলে স্বেচ্ছাই পৰিহাৰ কৰিলে। দেশখন কেৱল নামতহে যুক্তৰাষ্ট্ৰ হৈ থাকিল। তাৰ বিপৰীতে ভাৰতৰ নতুন শাসক শ্ৰেণীয়ে বাছি ল'লে ঔপনিবেশিক কায়দাৰে পুঁজি আৰু ক্ষমতাৰ দ্ৰুত কেন্দ্ৰীভৱনৰ অতি বিপজ্জনক পথ। কংগ্ৰেছৰ নিৰৱচ্ছিন্ন শাসনত পুঁজিৰ কেন্দ্ৰীভৱন প্ৰচণ্ড গতিত আগবাঢ়িবলৈ ধৰিলে আৰু ঔদ্যোগিক তথা বেংক মূলধনৰ গ্ৰন্থীভৱনো শক্তিশালী হ'ল। কেন্দ্ৰীয় চৰকাৰে অংগৰাজ্যবোৰৰ অৰ্থ আৰু ক্ষমতা বৃদ্ধি কৰাৰ সলনি তাক ক্ৰমাগতভাৱে সংকুচিত কৰাৰ নীতি গ্ৰহণ কৰিলে। সংবিধানৰ বিধিৰ বলত ৰাজ্য চৰকাৰবোৰৰ ওপৰত কেন্দ্ৰীয় চৰকাৰৰ খবৰদাৰী বাঢ়িবলৈ ধৰিলে। আনকি নিৰ্বাচিত ৰাজ্যচৰকাৰ অন্যায়ভাৱে ভাঙি দিয়াৰ অপকৌশলো কংগ্ৰেছে বাদ নিদিলে। প্ৰশাসনিকভাৱেও ৰাজ্যচৰকাৰৰ কামকাজত কেন্দ্ৰই অহেতুক হস্তক্ষেপৰ পথ মুকলি কৰিলে। ৰাজ্য চৰকাৰবিলাকৰ অধিকাৰ কেন্দ্ৰৰ হস্তক্ষেপত সংকুচিত হ'ল। গুৰুত্বপূৰ্ণ সকলো বিষয়তে আইন প্ৰণয়ন কৰাৰ ক্ষমতা কেন্দ্ৰই নিজৰ হাতলৈ নিলে। আৰ্থিকভাৱেও ৰাজ্যসমূহক বেয়া ধৰণেৰে বঞ্চিত কৰি ৰখা হ'ল। সম্পদৰ উচিত ৰয়েল্টি ৰাজ্যসমূহে নাপালে। উদাহৰণস্বৰূপে অসম চৰকাৰে খাৰুৱা তেলৰ ৰয়েল্টিৰ বাবদ দুবছৰৰ আগলৈকে টনে প্ৰতি ১০০ টকাও পোৱা নাছিল; কিন্তু কেন্দ্ৰীয় চৰকাৰে পাইছিল প্ৰতি টনত ৬০০ বা ৭০০ টকা। সেইদৰে কৰকাটলৰ টকা পইচা কেন্দ্ৰীয়

চৰকাৰেই সমুদায় আত্মসাৎ কৰে আৰু মাত্ৰ সামান্য অংশ এটা ৰাজ্য চৰকাৰবোৰৰ মাজত ভগাই দিয়ে। স্বাভাৱিকভাৱেই কংগ্ৰেছ চৰকাৰৰ অতিকেন্দ্ৰিক নীতিৰ ফলত পিছপৰা আৰু দুৰ্বল ৰাজ্য তথা জাতিগোষ্ঠীবোৰৰ প্ৰয়োজনীয় বিকাশৰ পথ বন্ধ হ'ল। অঙ্গৰাজ্যবোৰৰ মাজত বিকাশৰ সামঞ্জস্য গঢ়ি তোলাৰ বাবে গঠিত আন্তঃৰাজ্যিক পৰিষদখনো নেহৰুৰ দিনৰ পৰাই নিষ্ক্ৰিয় কৰি ৰখা হ'ল। পিছপৰা জাতি-জনজাতিবিলাকৰ বাবে যি সামান্য সকাহ তথা সংৰক্ষণৰ দৰে সুযোগ-সুবিধাৰ ব্যৱস্থা কৰা হৈছিল, সেইবিলাকো সেই জাতিগোষ্ঠীবোৰৰ ব্যাপক কৃষক সমাজৰ হাতত নপৰিলগৈ। বৰং তেওঁলোক মাটি-ভেটিৰ পৰা ক্ৰমাগতভাৱে উচ্ছন্ন হৈ থাকিল, শিক্ষা-দীক্ষা আৰু চাকৰিৰ ক্ষেত্ৰত বঞ্চিত হ'ল আৰু সামাজিক জীৱনতো পৰম্পৰাগত বৰ্ণবাদী হিন্দু সমাজখনৰ অন্যায়-অবিচাৰ আৰু নিপীড়নৰো সমানেই বলি হৈ ৰ'ল। ভাৰতবৰ্ষৰ মাটিত পুঁজিৰ শোষণ আৰু জাতি-বৰ্ণৰ বৈষম্য দুয়োটা সুন্দৰভাৱে খাপ খাই পৰিল।

এইদৰে স্বাধীনতাৰ পিছত ভাৰতৰ ফেডাৰেল বা যুক্তৰাষ্ট্ৰীয় গাঁথনিক নামতহে জীয়াই ৰখা হৈছে। কাৰ্যক্ষেত্ৰত অংগ ৰাজ্যবোৰক কেন্দ্ৰৰ ওপৰত দুখলগাকৈ নিৰ্ভৰশীল কৰি তোলা হৈছে। দেশৰ বৃহৎ আৰু অতিকেন্দ্ৰিকতাবাদী বুৰ্জোৱা শ্ৰেণীয়ে নৱলব্ধ ৰাষ্ট্ৰশক্তিক ব্যৱহাৰ কৰিছে কেৱল জনসাধাৰণৰ শ্ৰমৰ ফলখিনি আত্মসাৎ কৰাৰ উদ্দেশ্যেহে। দেশৰ বিপুল কৃষক সমাজৰ দাৰিদ্ৰ্য আৰু জমিদাৰী শোষণ, শ্ৰমিক শ্ৰেণীৰ শোষণ আৰু বঞ্চনা, দেশী-বিদেশী বৃহৎ পুঁজিৰ লুণ্ঠন, কৰ্ম-সংস্থানহীনতা, শিক্ষাহীনতা, দেশৰ আৰ্থিক অনগ্ৰসৰতা, পৰনিৰ্ভৰশীলতা, সাম্ৰাজ্যবাদৰ খবৰদাৰী— এইবিলাকৰ কোনোটোৱেই নকমিল বৰং বহুগুণে বাঢ়িলহে। দুটামান বছৰৰ আগতে ৰাষ্ট্ৰীয় মৰ্চা চৰকাৰে পূৰ্বৰ কংগ্ৰেছী পৰম্পৰা ভংগ কৰি কেন্দ্ৰ ৰাজ্য সম্পৰ্কৰ পুনৰ্বিন্যাস ঘটোৱা আৰু ৰাজ্যবিলাকৰ হাতত অধিক টকা দিয়াৰ নীতি গ্ৰহণ কৰিছিল যদিও সেই চৰকাৰ আৰু নীতি এটাও নিটিকিল। অতিকেন্দ্ৰিকতাবাদী কংগ্ৰেছ (ই) দলে পুনৰ ক্ষমতা দখল কৰিলে। দেশী বিদেশী একচেটীয়া পুঁজিক তোষামোদ কৰাৰ পথো পুনৰ মুকলি হ'ল।

দেশৰ জনসাধাৰণৰ এনে দুৰৱস্থা আৰু অংগৰাজ্যবোৰৰ আৰ্থিক ক্ষমতা তথা আত্মশাসনৰ অধিকাৰৰ এনে অবাঞ্ছিত সংকোচনৰ অৱধাৰিত পৰিণতি হ'ল আঞ্চলিক পশ্চাদপদতা আৰু বৈষম্যবোৰৰ বৃদ্ধি আৰু তাৰে প্ৰতিক্ৰিয়া হিচাপে বিচ্ছিন্নতাবাদী প্ৰৱণতা আন্দোলনবোৰৰ প্ৰাবল্য। পশ্চাদপদ জাতিগোষ্ঠীবোৰৰ জাগৰণ আৰু পৃথকত্ববাদী আন্দোলনবোৰৰো মূল কাৰণ এয়ে। এই প্ৰৱণতা তথা আন্দোলনবোৰ সোনকালে নিৰ্বাপিত হোৱাৰ আশাও ক্ষীণ। ভাৰতৰ স্বাধীনতা সংগ্ৰাম এইদৰেই এটা ভাঙৰ ট্ৰেজেডিত পৰিণত হ'ল।

লেনিনে দেখুৱাই দিছিল যে এছিয়া, আফ্ৰিকা আৰু লেটিন আমেৰিকাৰ জনসাধাৰণে সাম্ৰাজ্যবাদ আৰু দেশীয় প্ৰতিক্ৰিয়াক পৰাস্ত কৰিবলৈ হ'লে পশ্চিমৰ শ্ৰমজীৱী লোকৰ বৈপ্লৱিক আন্দোলনৰ লগত আৰু বিশেষকৈ বিশ্বৰ বিপ্লৱী প্ৰক্ৰিয়া সমাজবাদৰ অমোঘ শক্তিৰ লগত নিজৰ আন্দোলনক যুক্ত কৰিবই লাগিব। তেওঁ গুৰুত্ব সহকাৰে আৰু

কৈছিল ঃ "প্ৰাচ্যৰ শোষিত, মেহনতকাৰী কোটি কোটি জনগণৰ একমাত্ৰ মিত্ৰ হ'ল আন্তৰ্জাতিক শ্ৰমিক শ্ৰেণী।" বাস্তৱতো, ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ ওপৰত আন্তৰ্জাতিক শ্ৰমিক আন্দোলন তথা সমাজতান্ত্ৰিক মতাদৰ্শৰ প্ৰভাৱ আছিল সুস্পষ্ট। কিন্তু সেই সংগ্ৰামৰ মূল নেতৃত্ব বুৰ্জোৱা শ্ৰেণীৰ হাতত কেন্দ্ৰীভূত হৈ থকাত সমাজতন্ত্ৰৰ প্ৰভাৱো সীমিত আৰু বাধাগ্ৰস্ত হৈ ৰ'ল।

কিন্তু সমাজতন্ত্ৰৰ "আমোঘ শক্তি" কেতিয়াও পৰাভূত হোৱা নাই। বিধ্বস্ত ছোভিয়েত ইউনিয়নতো হোৱা নাই। লেনিনৰ স্মৃতি তথা সমাজবাদৰ মোহিনী মন্ত্ৰই ৰাছিয়াৰ হাজাৰ হাজাৰ কমিউনিষ্ট তথা বিপ্লৱীক গৰ্বাচেভ-য়েল্ট্‌চিনহঁতৰ প্ৰতিবিপ্লৱী ষড়যন্ত্ৰক প্ৰতিৰোধ কৰিবলৈ সাহস আৰু প্ৰেৰণা যোগাইছে।

ভাৰতৰ শ্ৰমিক শ্ৰেণী, শ্ৰমজীৱী জনগণ তথা কমিউনিষ্ট সকলেও লেনিন নিৰ্দেশিত পথেৰেই অগ্ৰসৰ হৈ আহিছে। এফালে নিজৰ আৰু দেশৰ বহুজাতিক ঐক্য-সংহতি আৰু আনফালে বিশ্বৰ শ্ৰমিক শ্ৰেণী আৰু সমাজতন্ত্ৰৰ লগত সংহতি— এয়ে হৈছে ভাৰতীয় জনগণৰ গণতান্ত্ৰিক আন্দোলনৰ পৰীক্ষিত পথ। ভাৰতৰ শ্ৰমজীৱী জনসাধাৰণে শ্ৰমিক শ্ৰেণীৰ নেতৃত্বত আৰু দেশপ্ৰেমিক তথা প্ৰগতিশীল শক্তিৰ সহযোগত ঐক্যবদ্ধ গণতান্ত্ৰিক সংগ্ৰাম গঢ়ি তোলাৰ মাজেদিয়েই পূৰ্ণ সামাজিক ন্যায় আৰু সমতাৰ, মুক্তি, স্বাধীনতা, সকলো জাতিৰে অবাধ বিকাশ তথা মুক্ত সংমিশ্ৰণৰ সন্ধান কৰিছে আৰু কৰিব লাগিব। "আমাৰ এই যুগৰ জাতীয় মুক্তি সংগ্ৰামৰ ঐতিহাসিক অভিজ্ঞতা হ'ল এয়ে যে বুৰ্জোৱা শ্ৰেণীৰ হাতত স্বাধীনতা সংগ্ৰামৰ নেতৃত্ব থাকিলে সেই শ্ৰেণীয়ে জাতীয় গণতান্ত্ৰিক বিপ্লৱক পৰিপূৰ্ণতাৰ ফালে আগবঢ়াই নিনিয়ে। তাৰ বিপৰীতে ৰাজনৈতিক স্বাধীনতা অৰ্জনৰ পিছত সামাজিক দ্বন্দ্বসমূহ যিমানে তীব্ৰ হয়, সিমানে সেই শ্ৰেণীয়ে সাম্ৰাজ্যবাদৰ লগত আপোচ কৰিবলৈ বিচাৰে আৰু দেশীয় জমিদাৰী প্ৰতিক্ৰিয়াৰ লগতো মিত্ৰতা কৰে। ঐতিহাসিক অভিজ্ঞতাই এই কথাও সমানভাৱে প্ৰতিপন্ন কৰিছে যে সাম্ৰাজ্যবাদবিৰোধী জাতীয় মৰ্চাৰ নেতৃত্ব শ্ৰমিক শ্ৰেণীৰ হাতত থাকিলেহে গণতান্ত্ৰিক বিপ্লৱ ইয়াৰ সমস্ত পৰ্যায়তে সফল হয় আৰু বিপ্লৱ গণতান্ত্ৰিক পৰ্যায়তে ৰৈ নাথাকি সমাজতান্ত্ৰিক বিপ্লৱৰ পৰ্যায়লৈ ততালিকে গতি কৰে। ভাৰতৰ অসম্পূৰ্ণ বিপ্লৱেও এই ঐতিহাসিক অভিজ্ঞতাকেই প্ৰতিপন্ন কৰিছে।" (ভাৰতৰ কমিউনিষ্ট পাৰ্টি (মাৰ্ক্সবাদী)ৰ কৰ্মসূচীঃ ১০ নং অনুচ্ছেদ)

কিন্তু শ্ৰমিক শ্ৰেণী তথা কমিউনিষ্টসকলে এনে সঠিক বিপ্লৱী লাইন হাজিৰ কৰা সত্বেও ভাৰতৰ জনগণে তাক মাছে টোপ গিলাদি গিলা নাই। বৰং জাতীয় আৰু আন্তৰ্জাতিক পৰ্যায়ত শ্ৰমিক শ্ৰেণী তথা সমাজতান্ত্ৰিক বিপ্লৱৰ মূৰলৈ নামি আহিছে উপৰ্যুপৰি বিপৰ্যয়। ভাৰতবৰ্ষত শ্ৰমিক শ্ৰেণী তথা শ্ৰমজীৱী জনগণৰ গণতান্ত্ৰিক আন্দোলনে এতিয়াও প্ৰয়োজনীয় গতিবেগ আৰু সম্প্ৰসাৰণ লাভ কৰিব পৰা নাই। দেশখনত এই আন্দোলনৰ বিকাশ হ'ল অত্যন্ত অ-সম। পশ্চিমবংগ, কেৰালা, ত্ৰিপুৰা আদি মাত্ৰ দুই তিনিখন ৰাজ্যতহে

কমিউনিষ্ট তথা গণতান্ত্ৰিক শক্তিবোৰে ৰাজ্যৰ ৰাজনীতিত নিৰ্ণায়ক ভূমিকা পালন কৰাৰ ক্ষমতা আহৰণ কৰিব পাৰিছে। বাকী ৰাজ্যবোৰত এই শক্তিবোৰৰ হস্তক্ষেপৰ ক্ষমতা সীমিত আৰু গৌণ। এই দুৰ্বলতাৰ অন্যতম কাৰণ হৈছে আঞ্চলিক আৰু জাতিগত সমস্যাবোৰৰ প্ৰতি কমিউনিষ্ট পাৰ্টিবোৰৰ অপৰাধমূলক উদাসীনতা তথা অৱহেলা। এই দুৰ্বলতাৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰিছে বিভাজনবাদী আৰু বিচ্ছিন্নতাবাদী শক্তিবোৰে। থলুৱা সামন্তবাদী প্ৰতিক্ৰিয়া আৰু সাম্ৰাজ্যবাদী ষড়যন্ত্ৰৰ বাবে ভাৰতৰ মাটি এইযাও খুব উৰ্বৰ হৈ আছে। ভাৰতৰ নতুন ৰাষ্ট্ৰশক্তিৰ বিৰুদ্ধে জনগণৰ পুঞ্জীভূত ক্ষোভ আৰু হতাশা বিচ্ছিন্নতাবাদী সকলৰো মূলধনত পৰিণত হৈছে। সন্ত্ৰাসবাদ আৰু বিচ্ছিন্নতাবাদে পঞ্জাব, কাশ্মীৰ আৰু অসমক ইতিমধ্যেই গ্ৰাস কৰি পেলাইছে। অন্যান্য ৰাজ্যলৈও এই সন্ত্ৰাস বিয়পাৰ দুৰ্ভাৱনা সম্পূৰ্ণ বিদ্যমান। একেসময়তে সাম্প্ৰদায়িকতাৰ বিপদেও সহস্ৰ ফণা মেলি দেশখন আগুৰি ধৰিছে। এই কথাও স্মৰণীয় যে পঞ্জাব আৰু কাশ্মীৰৰ বিচ্ছিন্নতাবাদী আন্দোলনৰ কাৰণ কেৱল আৰ্থিক বৈষম্যই নহয়; ইয়াৰ অন্তৰালত সাম্প্ৰদায়িকতাৰো হাত আছে। এই ৰাজ্য দুখনৰ বিচ্ছিন্নতাবাদীসকলে কেন্দ্ৰৰ বৈষম্যৰ লগতে "হিন্দু" ভাৰতৰ কৰ্তৃত্বকো প্ৰত্যাহ্বান জনাইছে। সেইদৰে অসমতো বিচ্ছিন্নতাবাদী প্ৰৱণতাৰ অন্তৰালত আৰ্থিক সমস্যাৰ লগতে অসমীয়াৰ জাতিগত তথা জনগাঁথনিগত সংশয় আৰু দুৰ্ভাৱনাও অত্যন্ত সক্ৰিয়। ভাৰতৰ জাতীয় জীৱনত ই এটা অতি গুৰুত্বপূৰ্ণ ঘটনা। সেইদৰে বিভিন্ন ৰাজ্যত জনজাতীয় পৃথকত্ববাদী আন্দোলনবিলাকো সক্ৰিয় হৈ উঠিছে। ভাৰতৰ গণতান্ত্ৰিক আন্দোলন তথা শ্ৰমিক শ্ৰেণীয়ে নিশ্চিতভাৱেই নিজৰ আৰু দেশৰ ঐক্য সংহতিৰ ৰক্ষাৰ বাবে এনেবোৰ সমস্যাৰ সঠিক মোকাবিলাৰ উপায় বিচাৰি ল'ব লাগিব।

আঞ্চলিক বৈষম্যবোৰৰ বিৰুদ্ধে আৰু কেন্দ্ৰ ৰাজ্য সম্পৰ্কৰ পুনৰ্বিন্যাসৰ দাবীত এক ব্যাপক ঐক্যবদ্ধ সংগ্ৰাম গঢ়ি তোলা আৰু ভাৰতবৰ্ষক প্ৰকৃততে এখন ফেডাৰেল বা যুক্তৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ মাজেদিয়েই আৰু অসংখ্য পিছপৰা জনজাতি, জনগোষ্ঠী তথা শ্ৰেণীবোৰৰ স্বাধিকাৰ, পৰ্যাপ্ত বিধিগত সংৰক্ষণ আৰু সমবিকাশৰ দাবীক ব্যাপক গণতান্ত্ৰিক সংগ্ৰামৰ লগত যুক্ত কৰি দেশৰ শ্ৰমিক শ্ৰেণী আৰু শ্ৰমজীৱী জনসাধাৰণে বিচ্ছিন্নতাবাদ, পৃথকত্ববাদ আৰু সন্ত্ৰাসবাদৰ প্ৰত্যাহ্বান মোকাবিলা কৰিব লাগিব। সেই পথ ইতিমধ্যেই উন্মুক্ত হৈছে।

ষষ্ঠ অধ্যায়

শেষ বাৰিষাৰ ঢল

জ্যোতিপ্ৰসাদ আগৰৱালা

ইংৰাজৰ আমোলত বিপুল সংখ্যক বহিৰাগত লোকৰ প্ৰব্ৰজনৰ ফলত অসমৰ জনগাঁথনিত দেখা দিয়া আমূল পৰিবৰ্তনৰ কথা আগত আলোচনা কৰা হৈছে। উনবিংশ শতিকাত অসমলৈ অহা বহিৰাগত লোকসকল আছিল প্ৰধানকৈ চাকৰিয়াল, ব্যৱসায়ী, বৃত্তিজীৱী আৰু বাগিচাৰ বনুৱা। চাহ বনুৱাসকল আছিল বঙ্গ, বিহাৰ, উৰিষ্যা, মধ্যপ্ৰদেশ আদি বিভিন্ন প্ৰদেশৰ ভিন্ ভিন্ উপজাতিৰ অতি পিছপৰা লোক। তেওঁলোকৰ ভাষাও আছিল বেলেগ বেলেগ। অসমত বাগিচাৰ মালিকসকলে তেওঁলোকক বাগিচাৰ আবেষ্টনীৰ মাজতে আবদ্ধ কৰি ৰাখিছিল। থলুৱা অসমীয়া সমাজখনৰ লগত তেওঁলোকৰ মিলামিছাৰ সুযোগো আছিল একেবাৰে সীমিত। কিন্তু পিছলৈ এইসকল চাহ বনুৱাই উমৈহতীয়া ভাষা হিচাপে অসমীয়া ভাষা গ্ৰহণ কৰি অসমীয়া জাতিৰ অংগ হৈ পৰে। এই চাহ বনুৱাসকলক বাদ দি বাকী বহিৰাগতসকলৰ অধিকাংশই আছিল বাঙালী আৰু হিন্দীভাষী। সেইসময়ৰ দুৰ্বল অসমীয়া ভাষাক তেওঁলোকে শ্ৰদ্ধাৰ চকুৰে নোচোৱাটোৱেই আছিল স্বাভাৱিক কথা। অৱশ্যে ব্যৱসায় আৰু বৃত্তিৰ তাগিদাত এচাম বহিৰাগতই অসমীয়া ভাষা নিশিকাকৈয়ো থকা নাছিল। গাওঁ অঞ্চলত সোমাই থকাসকল অসমীয়াৰ সৈতে মিলিও গৈছিল। কিন্তু চহৰ আৰু ৰেল কল'নিবোৰত থুপ খাই থকাসকলে অসমীয়া ভাষা শিকা বা গ্ৰহণ কৰাৰ কোনো প্ৰয়োজন অনুভৱ কৰা নাছিল। সেয়ে জনসংখ্যা বৃদ্ধিৰ অনুপাতে ভাষিক আৰু সাংস্কৃতিক সমন্বয় আৰু সংমিশ্ৰণৰ প্ৰৱণতা বা প্ৰয়াস বৃদ্ধি পোৱা নাছিল। এনে এটা পটভূমিতেই কুৰি শতিকাৰ প্ৰথমৰ দশককেইটাত বঙ্গদেশৰ মৈমনসিঙ জিলাৰ বাঙালীভাষী দুখীয়া মুছলমান কৃষকসকলৰ বিপুল প্ৰব্ৰজনে অসমৰ জাতীয় জীৱনত এটা ধুমুহাৰ সৃষ্টি কৰে। সেই তেতিয়াই অম্বিকাগিৰি ৰায়চৌধুৰী প্ৰমুখ্যে এমুঠি উদাৰ, জাতিপ্ৰাণ আৰু দূৰদৰ্শী অসমীয়াই পমুৱা মুছলমানসকলক অসমীয়া ভাষা-সংস্কৃতি দি অসমীয়া জাতিৰ শ্ৰীবৃদ্ধি ঘটোৱাৰ বাবে এটা সচেতন আৰু আন্তৰিক প্ৰচেষ্টা আৰম্ভ কৰিছিল। পৰৱৰ্তী কালত ভাষিক অসমীয়া জাতিৰ মৰ্যাদা ৰক্ষাত তেওঁলোকৰ সেই আশাশুধীয়া প্ৰচেষ্টাই এটা নিৰ্ণায়ক ভূমিকা পালন কৰিছিল।

অসমীয়াৰ জাতীয় জীৱনৰ সেই জটিল দুৰ্যোগ ক্ষণত ন-অসমীয়া বহিৰাগত পৰিয়াল এটাৰ ক্ষণজন্মা সন্তান এজনে নিজৰ বহুমুখী প্ৰতিভাৰ দীপক ৰাগেৰে অসমীয়া জাতিৰ

প্ৰাণবীণা ঝংকাৰিত কৰি তুলিছিল। তেওঁ আছিল অসমৰ জাতীয় জীৱনৰ অন্যতম প্ৰবাদ পুৰুষ সৈনিক শিল্পী জ্যোতিপ্ৰসাদ আগৰৱালা। স্বাধীনতা সংগ্ৰামী আৰু খাঁটি গান্ধীবাদী জ্যোতিপ্ৰসাদ আছিল হাড়ে-হিমজুৰে এজন অসমীয়া শিল্পী আৰু অসমীয়া ভাষা-সংস্কৃতিৰ মাজতেই তেওঁৰ বিশ্বসংস্কৃতিৰ ধাৰণাটো প্ৰোথিত আছিল। জ্যোতিপ্ৰসাদ আৰু অম্বিকাগিৰি আছিল সমসাময়িক। সেয়ে একেটা পটভূমিতেই দুয়োজনৰে জাতীয় চিন্তা, চেতনা আৰু সৃষ্টিকৰ্মৰ বিকাশ ঘটিছিল। অম্বিকাগিৰিৰ দৰে জ্যোতিপ্ৰসাদেও আশংকা কৰিছিল যে বিপুলসংখ্যক বহিৰাগতৰ ভাষিক-সাংস্কৃতিক গোড়ামি আৰু অসমীয়াৰ উদাসীনতাই এদিন অসমীয়া জাতিৰ বিপদ ঘটাব। সেই সময়ৰ অসমৰ জাতীয় জীৱনত দেখা দিয়া সমস্যা আৰু সংঘাতবোৰ জ্যোতিপ্ৰসাদেও লক্ষ্য নকৰাকৈ থকা নাছিল। তেওঁৰ দৰে সংবেদনশীল আৰু অসমীয়াপ্ৰাণ শিল্পী এজনৰ বাবে জাতীয় সমস্যাবোৰৰ প্ৰতি নিস্পৃহ হৈ থকাটো দৰাচলতে সম্ভৱ নাছিল। সেয়ে অসমীয়া জাতি আৰু ভাষা-সংস্কৃতিৰ প্ৰতি অহা ভাবুকিৰ গোন্ধ পাই তেওঁৰ পঞ্চেন্দ্ৰিয়ও সজাগ আৰু সক্ৰিয় হৈ উঠিছিল। ডিব্ৰুগড়ৰ ছাত্ৰ কংগ্ৰেছৰ কৃষ্টিসভাত দিয়া অভিভাষণত ('নতুন দিনৰ কৃষ্টি') তেওঁ সেই আশংকা দ্ব্যৰ্থহীনভাৱে ব্যক্ত কৰিছিল ঃ "আজি আমাৰ প্ৰদেশতে অসমীয়া কৃষ্টি-সভ্যতাৰে চলা অসমীয়া এমুঠি। বাগিচাৰ বনুৱা, মৈমনসিঙীয়া, নেপালী, বঙালী, মাৰোৱাৰী আৰু আন আন প্ৰদেশৰ মানুহ আহি ইয়াত বসতি কৰি সিহঁতৰ নিজৰ নিজৰ প্ৰাদেশিক বৈশিষ্ট্যতাকে ৰাখি যাব লাগিছে। এতিয়া এই জনসংখ্যাৰ মানুহৰ সৰহভাগকেই যদি আমি ইয়াৰ ভাষা-কৃষ্টি আৰু সভ্যতা দি আমাৰ ভিতৰত সুমুৱাব নোৱাৰো তেন্তে আমাৰ বিপদ আছে। যোৱা ৩০ বছৰৰ পৰাই আমাক এই বিপদে ঘেৰি আহিছিল যদিও সেই বিষয়ে আমি অসমীয়াই বিশেষ একো চেষ্টা কৰা নাই। আগৰ পূৰ্বপুৰুষসকলৰ আৰু আমাৰ বয়োবৃদ্ধসকলৰ এই বিষয়ে অদূৰদৰ্শিতা আৰু আওকাণৰ বিষময় ফল আজিৰ ডেকাসকলে ভোগ কৰিবলগীয়া হৈছে।" এই পৰিস্থিতিত জ্যোতিপ্ৰসাদে "সংমিশ্ৰিত অসমীয়া জাতিটোৰ কলেবৰ- বৰ্তমান অহা আন আন জাতিৰ মানুহক জীণ নিয়াই" সমৃদ্ধ কৰাৰ ওপৰতেই সৰ্বাধিক গুৰুত্ব দিছিল। উগ্ৰজাতীয়তাবাদী হিংসা-দ্বেষৰ ক্ষয়ঙ্কৰী বতাহজাকে অসমীয়া জাতিক তেতিয়াও কোবোৱা নাছিল। জ্যোতিপ্ৰসাদে জাতীয় সংমিশ্ৰণৰ প্ৰকৃষ্ট উপায় হিচাপে অসমীয়া সাহিত্য-সংস্কৃতিৰ ঐকান্তিক চৰ্চাৰ কথাহে কৈ গৈছিল। বহিৰাগতসকলক সংমিশ্ৰণৰ ফালে উদগনি জনোৱাৰ উপায় হ'ল "ললিতকলা, শিল্প, সাহিত্য, স্থাপত্য আৰু সংগীতৰ পোহৰেৰে তেওঁলোকক আমাৰ ভাষা-কৃষ্টিলৈ আকৰ্ষণ কৰি অনা। এই অভ্যাগতসকলৰ মাজত আমাৰ কৃষ্টি প্ৰচাৰৰ বাহিৰে আন উপায় নাই।" ('নতুন দিনৰ কৃষ্টি')।

জ্যোতিপ্ৰসাদে অসমীয়া ভাষা-সংস্কৃতিৰ স্বকীয়তা প্ৰতিষ্ঠা আৰু তাৰ শ্ৰীবৃদ্ধি ঘটোৱাৰ বাবেই নিজৰ সমগ্ৰ জীৱন আৰু প্ৰতিভা নিয়োজিত কৰিছিল। তেওঁ নিজৰ পৰিয়ালৰ পৰম্পৰাৰ পৰাই এনে নিৰ্ভেজাল অসমীয়া প্ৰীতিৰ উত্তৰাধিকাৰ লাভ কৰিছিল। জ্যোতিপ্ৰসাদৰ পূৰ্বপুৰুষ নওৰঙ্গ আগৰৱালা ঊনবিংশ শতিকাৰ প্ৰথমাৰ্দ্ধতে অসমলৈ আহি অসমীয়া ছোৱালী আৰু

ভাষা-সংস্কৃতি গ্ৰহণ কৰি অসমীয়া হৈ পৰিছিল। তেওঁৰে পুত্ৰ আৰু জ্যোতিপ্ৰসাদৰ পিতামহ হৰিবিলাস আগৰৱালাই কীৰ্ত্তন, দশম, ভাগৱত আদি অসমীয়া ধৰ্মপুথি প্ৰথম ছপা কৰি উলিয়ায়। হৰিবিলাসৰে পুত্ৰ আছিল আধুনিক অসমীয়া কবিতাৰ বাটকটীয়া, 'প্ৰতিমা'ৰ খনিকৰ চন্দ্ৰকুমাৰ আগৰৱালা। ভাগুনীকোঁৱৰ আনন্দ চন্দ্ৰ আগৰৱালাও আছিল সেই পৰিয়ালৰে। জ্যোতিপ্ৰসাদৰ পিতৃ পৰমানন্দ আছিল এজন সংগীত সাধক। এনেদৰে সেই আগৰৱালা পৰিয়ালত অসমীয়া সাহিত্য আৰু সংগীত চৰ্চাৰ এটা পৰম্পৰাই সমৃদ্ধি লাভ কৰিছিল। সেই পৰিয়ালতে জন্ম লোৱা জ্যোতিপ্ৰসাদৰ ধমনিতো অসমীয়া তেজ আৰু অসমীয়া চেতনাৰ প্ৰৱাহ নিছিগা ধাৰেৰে বৈ আছিল। লুইতৰ পাৰত প্ৰতিভাৰ দেৱালী পতাৰ প্ৰেৰণাও তেওঁ লাভ কৰিছিল সেই পৰম্পৰাভূত জাতীয় দায়বদ্ধতাৰ সজাগ উপলব্ধিৰ পৰাই।

অৱশ্যে জ্যোতিপ্ৰসাদৰ প্ৰতিভাই অম্বিকাগিৰিৰ চিন্তা আৰু কৰ্মৰ পৰিধি চেৰাই দূৰ দিগন্তলৈ ঢাপলি মেলিছিল। অসমীয়াৰ বিকাশৰ সংগ্ৰামক তেওঁ সমগ্ৰ দেশৰ জনসাধাৰণৰ সাম্ৰাজ্যবাদবিৰোধী আৰু ধনতন্ত্ৰবাদবিৰোধী বৃহত্তৰ স্বাধীনতা সংগ্ৰামৰ লগত যুক্ত কৰিছিল। দেশৰ স্বাধীনতা আন্দোলনে জন্ম দিয়া উষ্ম, উদাৰনৈতিক জাতীয়তাবাদ আৰু জনগণতন্ত্ৰৰ আদৰ্শৰে সমগ্ৰ অসমীযা জাতিক উদ্বুদ্ধ আৰু অনুপ্ৰাণিত কৰাতেই তেওঁ সমগ্ৰ জীৱন আৰু প্ৰতিভা নিয়োজিত কৰিছিল। তেওঁ সৰ্বান্তঃকৰণেৰে বিশ্বাস কৰিছিল যে পৰাধীনতাৰ শিকলিৰে বান্ধ খাই থকা কোনো জাতিয়ে নিজৰ ভাষা-সংস্কৃতিৰ স্বাধীন বিকাশ ঘটাব নোৱাৰে। সেয়ে "দুৰ্বল, ম্ৰিয়মান" অসমীয়া জাতিক জগাই তোলাৰ বাবে বিপ্লৱী গীত-মাত-নাট ৰচনা কৰিছিল, লাচিত-জয়মতীৰ দৰে জাতীয় বীৰ-বীৰাঙ্গনাসকলৰ শৌৰ্য-বীৰ্যৰ কাহিনী তুলি ধৰিছিল, অসমীয়া স্বাধীনতা সংগ্ৰামী আৰু শিল্পী-সাহিত্যিকসকলৰ কীৰ্ত্তি বখানিছিল। জ্যোতিপ্ৰসাদৰ ক্ষেত্ৰত মন কৰিবলগীয়া কথা আছিল এয়ে যে তেওঁৰ সমস্ত মনোজগত দখল কৰি আছিল কেৱল অসম আৰু অসমীয়া মানুহে। জ্যোতিপ্ৰসাদে নিজৰ জীৱদ্দশাতে বিশ্বৰ দেশে দেশে সাম্ৰাজ্যবাদ আৰু ধনতন্ত্ৰবাদৰ বিৰুদ্ধে জাগ্ৰত জনতাৰ সংহাৰকাৰী কালান্তক ৰূপ দেখা পাইছিল। এই সংগ্ৰামী বিশ্বজনতা আছিল তেওঁৰো উপাস্য। কিন্তু তেওঁ ওপজা গাঁৱৰ গণ্ডীৰ ভিতৰত অসমৰ ৰাইজৰ মাজতে সেই বিশ্বজোৰা জনগণতান্ত্ৰিক চেতনা আৰু সংগ্ৰামৰ প্ৰতিফলন কামনা কৰিছিল। সেয়ে আছিল তেওঁৰ বিশ্ব নাগৰিকত্বৰ ধাৰণা। তেওঁৰ দৃষ্টিত গান্ধীৰ অহিংসা দৰ্শনেই আছিল জনগণতন্ত্ৰ বা সাম্যবাদৰ ভাৰতীয় সংস্কৰণ। লক্ষ্যৰ ক্ষেত্ৰত গান্ধীবাদ আৰু সাম্যবাদৰ মাজত কোনো ধৰণৰ প্ৰভেদ তেওঁ নামানিছিল। তেওঁৰ মতে প্ৰভেদ আছিল কেৱল পদ্ধতিতহে। জ্যোতিপ্ৰসাদে যিকোনো প্ৰকাৰৰ শোষণ-শাসন, দমন-পীড়নকে হিংসা বুলি গণ্য কৰিছিল আৰু গান্ধীৰ অহিংসা নীতিৰ প্ৰয়োগেৰে সেই হিংসা দূৰ হ'ব বুলি বিশ্বাস কৰিছিল। আৰু এই বিশ্বাস লৈয়ে তেওঁ নিজে বিশ্বৰূপ ধাৰণ কৰি অসম জননীৰ কৰ্মহীন আৰু কাপুৰুষ সন্তানসকলক শক্তিগায়ত্ৰী সোঁৱৰাই দিছিল আৰু হাতত গাণ্ডীৱ তুলি লৈ মহাভাৰতীয় তথা মহামানবীয় ৰণক্ষেত্ৰত প্ৰবৃত্ত হ'বলৈ উদ্বুদ্ধ কৰিছিল।

জ্যোতিপ্ৰসাদেই আছিল বিশিষ্ট আৰু বৈভৱময় আধুনিক অসমীয়া সংগীতৰ স্ৰষ্টা, বিপ্লৱী গণশিল্পৰ ৰূপকাৰ, প্ৰথমজন মঞ্চসফল অসমীয়া নাট্যকাৰ, প্ৰথম অসমীয়া চলচ্চিত্ৰ-নিৰ্মাতা আৰু ফিল্মশিল্পৰ প্ৰতিষ্ঠাতা। মহাপুৰুষ শংকৰদেৱৰ পাঁচশ বছৰৰ পিছত তেওঁৰ আদৰ্শতেই জ্যোতিপ্ৰসাদ আগৰৱালাইও এইখন অসমতে এক পৃথক পটভূমিত দ্বিতীয়টো সাংস্কৃতিক বিপ্লৱৰ সূচনা কৰিছিল। শংকৰদেৱৰ দৰে জ্যোতিপ্ৰসাদো আছিল একাধাৰে কবি আৰু গীতিকাৰ, সুৰকাৰ, গায়ক আৰু বাদক, গণসংগঠক আৰু সংস্কৃতি প্ৰচাৰক। জ্যোতিপ্ৰসাদৰ শংকৰদেৱজনো মানুহৰ পূৰ্ণ সংস্কৃতিৰ প্ৰতীক আৰু অসমীয়াৰ সাংস্কৃতিক গুৰুহে, কোনো ধৰ্মগুৰু নহয়। শংকৰদেৱৰ দৰে জ্যোতিপ্ৰসাদেও সংস্কৃতিৰ এক বহুমাত্ৰিক চিত্ৰ আঁকিছিল। তেওঁ ব্যক্তি আৰু সমাজৰ জীৱনটোক দুষ্কৃতিৰ বিৰুদ্ধে সংস্কৃতিৰ অভিযান বুলিহে অভিহিত কৰিছিল। এই অভিযানেহে ব্যক্তি আৰু সমাজৰ ৰূপান্তৰ ঘটাব পাৰে আৰু ৰূপান্তৰেহে জগৎ ধুনীয়া কৰে। জ্যোতিপ্ৰসাদে বিশ্বাস কৰিছিল যে মানব জীৱনৰ পূৰ্ণ, অবিভাজ্য আৰু বিকশিত ৰূপটোৱেই হ'ল সংস্কৃতি। সেয়ে সংস্কৃতিয়ে পূৰ্ণৰূপ পাবলৈ হ'লে মানুহৰ মন আৰু বাস্তৱ জীৱন উভয়ে সুন্দৰ হ'ব লাগিব, অৰ্থাৎ উভয়তে সংস্কৃতিৰ প্ৰয়োগ হ'ব লাগিব। তেওঁ সংস্কৃতিক দুভাগে ভাগ কৰিছিলঃ অন্তৰ্সংস্কৃতি আৰু বহিৰ্সংস্কৃতি। সেয়ে সুকুমাৰ কলাৰ লগতে ৰাজনীতি, অৰ্থনীতি, সমাজনীতি, ধৰ্ম, দৰ্শন, বিজ্ঞান আদি আটাইবোৰ বিষয় আৰু দিশকে তেওঁ সংস্কৃতিৰ সংজ্ঞাত সুমুৱাই লৈছিল।

জ্যোতিপ্ৰসাদে সংস্কৃতিৰ যি সংজ্ঞা নিৰ্দ্ধাৰণ কৰিছিল সি জাতি বা দেশৰ সীমা চেৰাই বিশ্বমানবক সামৰি লৈছিল। তেওঁৰ ধাৰণাত বিশ্বসংস্কৃতি হ'ল বিভিন্ন জাতীয় সংস্কৃতিৰ এটা সবাহ বা মহোৎসৱহে। জাতীয় বা প্ৰাদেশিক সংস্কৃতিবোৰ সেই বিশ্ব সংস্কৃতি মহোৎসৱৰ বৈশিষ্ট্য আৰু বৈচিত্ৰ্য মাথোন। সেয়ে জাতীয় বা প্ৰাদেশিক সংস্কৃতিৰ বিকাশৰ চিন্তা বা চেষ্টাক তেওঁ প্ৰাদেশিক সংকীৰ্ণতা বুলি কেতিয়াও মানি লোৱা নাছিল। জ্যোতিপ্ৰসাদৰ চিন্তা আৰু উপলব্ধিৰ স্বচ্ছতা আৰু গভীৰতাৰ উমান এনেবোৰ কথাৰ মাজতেই পোৱা যায়। সুস্থ, গণতান্ত্ৰিক আৰু সৃষ্টিশীল জাতীয় সংস্কৃতিবোৰৰ মাজত কেতিয়াও বিৰোধ থাকিব নোৱাৰে। জ্যোতিপ্ৰসাদে সেয়ে সাংস্কৃতিক সংঘাতৰ অভিযোগ খণ্ডন কৰি লিখিছিলঃ "সেইদৰেই আমি সাৰ্বজনীন বিশ্ব-সংস্কৃতিৰ এটা বৈচিত্ৰ্য হিচাপে অসমীয়া সংস্কৃতি-সভ্যতা গঢ়িবলৈ গৈ সেই ভাবেৰে চিন্তা আৰু কৰ্ম কৰিলে সি কেতিয়াও প্ৰাদেশিক সংকীৰ্ণতা নহ'ব।.......... এই বৈচিত্ৰ্যবোধৰ ভাবেৰে সকলো জাতি, মহাজাতি, উপজাতিয়ে নিজৰ সভ্যতা-সংস্কৃতি গঢ়িবলৈ আগবাঢ়িলে তাত আৰু সংঘৰ্ষৰ ঠাই ক'ত? তেতিয়াহ'লে বঙালী বা মাৰাঠীয়ে যেনেকৈ নিজৰ সভ্যতা-সংস্কৃতিৰ বৈশিষ্ট্য ৰক্ষা কৰাটো কৰ্তব্য বুলি ভাবিব, আনফালে তেওঁলোকে যে অসমীয়া সংস্কৃতিকো ৰক্ষা কৰিব লাগিব সেই কৰ্তব্যও উপলব্ধি নকৰি নোৱাৰিব। অসমীয়া ভৈয়ামীসকলেও তেতিয়া অসমৰ জনজাতিসকলৰ সভ্যতা-সংস্কৃতি যে ৰক্ষা কৰিব লাগিব তাকো বুজিব পাৰিব ভালকৈয়ে। বিশ্ব সংস্কৃতিৰ বৈচিত্ৰ্যবোধ থাকিলেই যাক লোকে সাংস্কৃতিক সংঘৰ্ষ বুলিব খোজে সি আৰু কেনেকৈ থাকিব?" ('অসমীয়া স্থাপত্যৰ নৱৰূপ')।

জ্যোতিপ্ৰসাদে এনেদৰে অসমৰ জাতীয় সংহতিৰ তৰাং সুঁতিটোত সৃষ্টিৰ নতুন ঢল বোৱাবলৈ আপ্ৰাণ চেষ্টা কৰিছিল। নিজৰ বিস্ময়কৰ সৃষ্টিপ্ৰতিভাৰে তেওঁ সেই চেষ্টাক ফলৱতী কৰিয়ো তুলিছিল। তেওঁ পিন্ধোৱা সাজেৰে অসমীয়া সংস্কৃতি অপৰূপা, কামৰূপা হৈ জগত সবাহত জিলিকি উঠিছিল। আন জাতি আৰু ভাষা-সংস্কৃতিৰ মানুহৰ বাবে জ্যোতিপ্ৰসাদ জাতীয় সমন্বয় আৰু সংমিশ্ৰণৰ অনুকৰণীয় দৃষ্টান্তত পৰিণত হৈছিল। কিন্তু জ্যোতিপ্ৰসাদৰ পিছত জাতীয় সংহতিৰ প্ৰৱাহটো আকৌ শুকাই গ'ল। দুটা কাৰণত এই জাতীয় সমন্বয় প্ৰক্ৰিয়া ব্যাহত হৈছে বুলি ধৰি ল'ব পাৰি। এটা কাৰণ হ'ল, অসমীয়া মানুহৰ সাধনাৰ অভাৱ। জ্যোতিপ্ৰসাদে নিজেই কৈ গৈছিল ঃ "অসমীয়া ডেকাৰ মেধা, মনীষা আৰু প্ৰতিভা নোহোৱা নহয়– কেৱল সাধনা আৰু তপস্যাৰ বিমুখতাৰ বাবেই আমি তাক ফুলাই তুলিব পৰা নাই।" ('নতুন দিনৰ কৃষ্টি')। সেয়ে তেওঁ "উগ্ৰ সাধনা আৰু কঠোৰ তপস্যাৰে (কৃষ্টিৰ চাকিবোৰ) জ্বলাই তাৰে লুইতৰ পাৰত প্ৰতিভাৰ দেৱালী" পাতিবলৈ অসমৰ ডেকাশক্তিৰ প্ৰতি আহ্বান জনাইছিল। কিন্তু তেওঁৰ সেই আহ্বানে অসমৰ ডেকাশক্তিৰ পৰা যথোচিত সঁহাৰি নাপালে। কষ্টসহিষ্ণুতা অসমীয়াৰ চৰিত্ৰতে নাই। গতিকে অসমীয়া ডেকা "সাধনা আৰু তপস্যা"ত বহে কেনেকৈ? স্বাভাৱিকতে, সৃষ্টিৰ চুম্বক য'ত নাই, তাত গাৰ বলে প্ৰাধান্য পাবই। অসমীয়া মধ্যবিত্তই গাৰ বলেৰে অনা-অসমীয়াক অসমীয়া কৰিবলৈ চলোৱা অপচেষ্টাৰ পৰিণামত জাতিটোৱেই টুকুৰাটুকুৰ হৈ গ'ল। এতিয়া স্বাভাৱিক জাতীয় সমন্বয় প্ৰক্ৰিয়াটোৱেই স্তব্ধপ্ৰায় হৈ পৰিছে। তথাপি অসমীয়া মধ্যবিত্তৰ গালৈ সম্বিৎ ঘূৰি অহা নাই। মিএগ খেদা জ্বৰে তেওঁলোকৰ গাত আকৌ লম্ভিছে। তেওঁলোকৰ এনেবোৰ অদূৰদৰ্শী কাণ্ড-কাৰখানা যদি চলি থাকে তেনেহলে ভাষিক অসমীয়া জাতিৰ কলেবৰ আৰু সংকুচিত হ'ব আৰু হিন্দুত্বৰ নামত হিন্দী আৰু বঙালী ভাষাৰ প্ৰাধান্যহে প্ৰতিষ্ঠিত হ'ব। আনটো কাৰণ হ'ল, একাংশ বহিৰাগত মধ্যবিত্তৰ অসমীয়া বিদ্বেষ। অসমত অসমীয়া ভাষা-সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰৰ কথা ক'লেও বেয়া পোৱা কিছু লোক এতিয়াও আছে। তেওঁলোকৰ চিন্তাধাৰাতো সংকীৰ্ণতা আৰু উগ্ৰজাতীয়তাবাদ সমানে সক্ৰিয়। স্বাভাৱিকতে তেওঁলোকৰ প্ৰভাৱতে বহিৰাগতসকলৰ মাজত সমন্বয়বিৰোধী প্ৰৱণতা আৰু জাত্যাভিমানৰ জোৰো বাঢ়ি গৈ আছে। জ্যোতিপ্ৰসাদে কৈ যোৱাৰ দৰে অসমীয়া ভাষা-সংস্কৃতিক ৰক্ষা কৰাটোও তেওঁলোকৰ কৰ্তব্য বুলি এইসকল বহিৰাগতই নভবা হৈছে। এনে এটা পৰিৱেশত দ্বিতীয় এজন জ্যোতিপ্ৰসাদ আগৰৱালাৰ জন্ম আৰু সম্ভৱ নহয়। বৰং জনগাঁথনিৰ ফালৰ পৰা ভাষিক অসমীয়া জাতিৰ সন্মুখত এক ভয়ঙ্কৰ প্ৰত্যাহ্বানহে উপস্থিত হৈছেহি।

কিন্তু অসমীয়া জাতিয়ে অন্ততঃ দুটা কাৰণত জ্যোতিপ্ৰসাদক কেতিয়াও পাহৰিব নোৱাৰে। জ্যোতিপ্ৰসাদেই আধুনিক অসমীয়া জাতিক জীৱনীশক্তি দান কৰাৰ লগতে আত্মপৰিচয়ৰ গৌৰৱমুকুটো পিন্ধাই দিছিল আৰু দ্ৰষ্টাৰূপে তেৱেঁই অসমীয়াক আজিৰ এই বিপদৰ বিষয়ে সেই তেতিয়াই সাৱধান কৰি গৈছিল।

বিষ্ণুপ্ৰসাদ ৰাভা

কুৰি শতিকাৰ প্ৰথমাৰ্দ্ধত নতুন শিক্ষা-দীক্ষাৰ প্ৰভাৱ আৰু দেশৰ স্বাধীনতা আন্দোলনৰ প্ৰেৰণাই অসমৰ জনজাতীয় সমাজখনৰ মাজতো চেতনাৰ সঞ্চাৰ কৰিছিল। এনেদৰেই অসমত জনজাতীয় নৱজাগৰণৰ সূচনা হৈছিল। প্ৰাচীন অসমৰ স্বাধীন জনজাতীয় ৰাজ্যবোৰ মধ্যযুগত আহোম সাম্ৰাজ্যৰ অংগ হৈ পৰিছিল। জনজাতীয় ৰাজবংশবোৰৰ স্বাধীনতা লোপ পাইছিল। আৰ্থিক আৰু সাংস্কৃতিক ক্ষেত্ৰতো তেওঁলোক স্থবিৰ হৈ পৰিছিল। ইংৰাজৰ আমোলত যিটো আধুনিক শিক্ষিত অসমীয়া মধ্যশ্ৰেণীৰ সৃষ্টি হৈছিল তাতো বৰ্ণহিন্দুসকলৰ একচেটিয়া প্ৰাধান্য প্ৰতিষ্ঠিত হৈছিল। জনজাতীয় লোকসকলৰ প্ৰতি এই নতুন শ্ৰেণীটোৰ অৱজ্ঞা আৰু অৱহেলাৰ মাত্ৰাও বাঢ়িহে গৈছিল। এই পটভূমিতেই ইংৰাজ আমোলৰ শেষৰ ফালে যিকেইজন মুষ্টিমেয় জনজাতীয় লোকে আধুনিক শিক্ষা-দীক্ষাৰে আগবাঢ়ি আহিছিল, তেওঁলোক নিজৰ পশ্চাদপদ সমাজখনৰ দুৰৱস্থাৰ প্ৰতিও সচেতন আৰু সংবেদনশীল হৈ উঠিছিল। যুগ যুগ ধৰা জাতি-বৈষম্যৰ কদৰ্য ৰূপটো তেওঁলোকৰ চকুত ধৰা পৰিছিল। তেওঁলোকে উপলব্ধি কৰিবলৈ ধৰে যে তেওঁলোক অসমীয়া হ'লেও অসমীয়া বৰ্ণসমাজখনে তেওঁলোকক কেতিয়াও সমমৰ্যাদা দিয়া নাই আৰু দিবলৈ নিবিচাৰে। ইংৰাজ আমোলে সৃষ্টি কৰা আৰ্থিক আৰু ৰাজনৈতিক সা-সুবিধাৰ পৰাও জনজাতীয় লোকসকল বঞ্চিত হ'বলগীয়া হৈছিল। এনে জাতিগত বৈষম্য আৰু বঞ্চনাৰ অভিজ্ঞতাই শিক্ষিত জনজাতীয় লোকসকলক স্বাভাৱিকভাৱেই ক্ষুব্ধ আৰু বিদ্ৰোহী কৰি তুলিছিল। স্বাভাৱিকভাৱেই জাতীয় সমমৰ্যাদা আৰু আৰ্থ-ৰাজনৈতিক সমানাধিকাৰৰ বাবে তেওঁলোক ক্ৰমে সৰব হৈ উঠিবলৈ ধৰে আৰু পৃথকভাৱে সংগঠিত হ'বলৈও আৰম্ভ কৰে। এনেদৰে অসমীয়া বৰ্ণসমাজখনৰ সৈতে তেওঁলোকৰ সংঘাতৰ এটা নতুন যুগ আৰম্ভ হয়। স্বাধীনতা আন্দোলনৰ জোৱাৰৰ মাজতো এই সংঘাত সক্ৰিয় হৈ বৈ গৈছিল। সেইবুলি আৰম্ভণিৰ সেই যুগটোত এই সংঘাতে জনজাতীয় বিচ্ছিন্নতাৰ ৰূপ লোৱা নাছিল। জনজাতীয় নেতা আৰু সংগঠনবোৰে অসমীয়া পৰিচয় ত্যাগ কৰাৰ কথা তেতিয়াও ভবা নাছিল। সেয়ে স্বাধীনতাৰ পিছতো প্ৰায় ষষ্ঠ দশকমানলৈকে জনজাতীয় লোকসকলে অসমীয়া বৰ্ণসমাজখনৰ লগত সংহতি আৰু সংঘাতৰ এটা দ্বান্দ্বিক সম্পৰ্ক বৰ্তাই ৰাখিছিল। তেওঁলোকৰ লক্ষ্য আৰ্থ-ৰাজনৈতিক অধিকাৰবোৰৰ ওপৰতহে নিবদ্ধ হৈছিল। অসমৰ জাতীয় জীৱনৰ সেই যুগসন্ধিতেই এক সংগ্ৰামী জনজাতীয় মহাপ্ৰতিভাই জনজাতীয় সমাজখনৰ মৰ্মবেদনাক আত্মস্থ কৰিয়ো অস্তগামী সূৰ্যৰ ৰাঙলী আভাৰে অসমীয়াৰ সমগ্ৰ জাতীয় জীৱন পোহৰাই তুলিছিল। তেৱেঁই আছিল অসমৰ প্ৰবাদপুৰুষ বিষ্ণুপ্ৰসাদ ৰাভা।

জ্যোতিপ্ৰসাদৰ দৰে বিষ্ণুৰাভাও আছিল এজন সৰ্বগুণাকৰ শিল্পী আৰু সৈনিক। মেধাবী ছাত্ৰ হৈয়ো ছাত্ৰাৱস্থাতে তেওঁ ইংৰাজবিৰোধী বিপ্লৱী আন্দোলনত জঁপিয়াই পৰিছিল

আৰু সমগ্ৰ জীৱন গণশিল্পৰ সাধনা আৰু গণ আন্দোলনৰ প্ৰতিয়েই উচৰ্গা কৰিছিল। তেওঁ জীৱিত কালতেই এটা কিংবদন্তীত পৰিণত হৈছিল। এক অপৰাজেয় পৌৰুষ আৰু এক অমৃত প্ৰতিভাৰ অধিকাৰী আছিল ৰাভা। জ্যোতিপ্ৰসাদৰ দৰে বিষ্ণু ৰাভাৰো সক্ৰিয় ৰাজনৈতিক জীৱনৰ সূচনা হৈছিল ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ উত্তাল জোৱাৰৰ মাজত। কিন্তু তেওঁ আৰম্ভণিৰে পৰা ভাৰতৰ জাতীয় কংগ্ৰেছ আৰু বুৰ্জোৱা-জমিদাৰ শ্ৰেণীবোৰৰ মায়া-মোহৰ পৰা মুক্ত হৈ মাৰ্ক্সবাদ-লেনিনবাদৰ আদৰ্শ গ্ৰহণ কৰিছিল। তেওঁৰ নিজৰ কথাতেই মাৰ্ক্সবাদে ৰাভাৰ অস্থিৰ জীৱনলৈ সাগৰ সঙ্গমৰ স্থিৰতা আৰু প্ৰশান্তি আনি দিছিল। অসমত আৰ চি পি আই সংগঠনৰ প্ৰাৰম্ভিক পৰ্যায়তেই তেওঁ সেই সংগঠনৰ লগত যুক্ত হৈ পৰিছিল আৰু ১৯৪৬-৫১ চনৰ সশস্ত্ৰ আন্দোলনৰো অংশীদাৰ হৈছিল। মাৰ্ক্সবাদৰ আদৰ্শ আৰু শ্ৰমজীৱী জনসাধাৰণৰ প্ৰতি একান্ত দায়বদ্ধ আছিল বাবেই তেওঁ ভাৰতৰ স্বাধীনতাক ভুৱা স্বাধীনতা বুলি নস্যাৎ কৰিছিল আৰু সমাজবাদ প্ৰতিষ্ঠাৰ সংগ্ৰামত জঁপিয়াই পৰিছিল। কাৰাবাস আৰু আত্মগোপনৰ অভিজ্ঞতাও হৈছিল তেওঁৰ প্ৰচুৰ। পিছলৈ ৰাভাই চি পি আইত যোগ দি জীৱনৰ শেষ দিনটোলৈকে সেই দল আৰু কমিউনিষ্ট আন্দোলনৰ হকে কাম কৰি গৈছিল। ৰাজনৈতিক আৰু সাংগঠনিক কামকাজে তেওঁক অসমৰ দৰিদ্ৰ কৃষক জনসাধাৰণৰ মাজলৈ, বিশেষকৈ পশ্চাদপদ জনজাতীয় ৰাইজৰ মাজলৈ টানি লৈ গৈছিল। জ্যোতিৰ জনতাই আছিল ৰাভাৰ ৰাইজ। সেই ৰাইজে হিয়াৰ আমঠুৰ দৰে তেওঁক বুকুত চপাই লৈছিল আৰু সেই ৰাইজৰ মৰ্মবেদনাকে তেওঁ গীত-মাত আৰু ভাষণবোৰত মূৰ্ত কৰি তুলিছিল। ৰাইজৰ সেৱাতেই তেওঁ জীৱনৰ সৰ্বস্ব ত্যাগ কৰিছিল। হেজাৰ হেজাৰ বিঘা মাটিৰ মালিকৰ ঘৰত জন্ম হৈয়ো ৰাভাই এজন যাযাবৰৰ জীৱনহে বাছি লৈছিল আৰু মৃত্যু পৰ্যন্ত সেই জীৱন আৰু নিজৰ বিশ্বাসৰ প্ৰতি অনুগত হৈ ৰৈছিল।

ৰাজনৈতিক মতাদৰ্শৰ ক্ষেত্ৰত জ্যোতিপ্ৰসাদৰ বিপৰীত অৱস্থানত থাকিও শিল্পকৰ্মৰ ক্ষেত্ৰত বিষ্ণুৰাভা আছিল জ্যোতিপ্ৰসাদৰ সহযোগী আৰু সহযাত্ৰী। কাৰণ আছিল এটাই ঃ জ্যোতিপ্ৰসাদৰ জনতা আৰু বিষ্ণু ৰাভাৰ ৰাইজ আছিল একেখিনি মানুহেই। ৰাইজেই আছিল শিল্পী বিষ্ণু ৰাভাৰো উপাস্য দেৱতা। জ্যোতিপ্ৰসাদৰ দৰে ৰাভাৰ শিল্পপ্ৰতিভাও আছিল বিস্ময়কৰ আৰু বহুমুখী। ৰাভাও আছিল একাধাৰে গীতিকাৰ, গায়ক, সুৰকাৰ, কবি, গল্পকাৰ, প্ৰবন্ধকাৰ, গৱেষক, চিত্ৰকৰ, নৃত্যবিশাৰদ, সংগঠক আৰু প্ৰচাৰক। তেওঁ জ্যোতিপ্ৰসাদৰ গীতবোৰত সুৰ দিয়াৰ উপৰিও নিজেও গীত লিখি সুৰ দিছিল আৰু গাইছিল। সেইবোৰেই অসমীয়াৰ আদৰৰ ৰাভাসঙ্গীত। ৰাভাই সাধাৰণ শ্ৰমিক-কৃষকৰ জীৱন আৰু সংগ্ৰামক লৈ লিখা গীতবোৰে সংগ্ৰামী ৰাইজক অনুপ্ৰাণিত কৰিছিল। এটা বিৰাট শৰীৰৰ অধিকাৰী হৈয়ো তেওঁ আছিল এজন অতুলনীয় আৰু সৰ্বজন স্বীকৃত নৃত্যকুশলী। ৰাভা আছিল এজন মৌলিক সমাজ গৱেষক আৰু শক্তিশালী প্ৰবন্ধকাৰো। অসমত সমাজ আৰু সংস্কৃতিৰ ইতিহাস সম্পৰ্কে তেওঁৰ অধ্যয়ন আৰু জ্ঞানৰ পৰিধি আছিল বিশাল আৰু গভীৰ। অসমৰ জনজাতি আৰু সংস্কৃতি

সম্পৰ্কীয় প্ৰবন্ধবোৰত ৰাভাৰ বুদ্ধিদীপ্ত মন আৰু মেধাৰ লগতে তেওঁৰ আহত অন্তৰাত্মাও দাপোণত ভাহি থকাৰ দৰে প্ৰতিবিম্বিত হৈ আছে।

বিষ্ণু ৰাভাৰ জাতীয় সমন্বয়ৰ চিন্তা দুটা দিশত প্ৰতিফলিত হৈছিল : শংকৰী কৃষ্টিৰ সাধনা আৰু কমিউনিষ্ট আন্দোলনৰ সক্ৰিয় কামকাজৰ মাজেদি। শংকৰ-সাধক ৰাভা আৰু কমিউনিষ্ট ৰাভাৰ মাজত কোনো দ্বন্দ্ব নাছিল। নথকাৰ কাৰণ আছিল অসমৰ জনজাতীয় পটভূমি। শংকৰদেৱে অসমৰ জনজাতীয় আৰু অজনজাতীয় উভয় অংশৰ সাধাৰণ কৃষিজীৱী মানুহখিনিক একত্ৰিত কৰিব পৰাকৈ এটা সহজ ভক্তিধৰ্ম, নামঘৰৰ দৰে ধৰ্মানুষ্ঠান, মুক্তমঞ্চৰ নাট্যকলা, আপুৰুগীয়া ভক্তিগীত আৰু সুৰ, চিত্ৰকলা, বাদ্যযন্ত্ৰ আৰু স্থাপত্যৰ দৰে অনুপম সৃষ্টি সম্ভাৰেৰে সমন্বিত অসমীয়া জাতীয় জীৱনৰ ভেটি বান্ধিছিল। ৰাভাই সেইজন শংকৰ গুৰুকে তেওঁৰ আৰু জনজাতীয় সমাজখনৰ আদৰ্শ পৌৰুষ আৰু প্ৰেৰণাৰ উৎস বুলি গ্ৰহণ কৰিছিল। শংকৰী কৃষ্টি আৰু ভক্তিধৰ্মই জনজাতীয় সমাজখনৰ বাবে সমমৰ্যাদাৰ আশ্বাস বহন কৰিছিল। শংকৰদেৱৰ উত্তৰসূৰীসকলে পৰৱৰ্তী কালত জাতিভেদৰ কুসংস্কাৰেৰে ভক্তিধৰ্মক কলুষিত কৰিছিল যদিও বিষ্ণুৰাভাই জাতিভেদৰ পাৰ ভাঙি দিয়া শংকৰদেৱজনক পুনৰ আদৰি লৈছিল। সেইদৰে দুখীয়া কৃষিজীৱী জনজাতীয় সমাজখনৰ আৰ্থ-ৰাজনৈতিক মুক্তি আৰু সমবিকাশৰ আশ্বাস তেওঁ বিচাৰি পাইছিল মাৰ্ক্সবাদ-লেনিনবাদৰ আদৰ্শত। সেয়ে তেওঁ অসমৰ কৃষক-শ্ৰমিকৰ সংগঠন আৰু আন্দোলনৰ কামত নিজকে উচৰ্গা কৰিছিল। নক'লেও হয় যে অসমৰ দৰিদ্ৰ কৃষিজীৱী জনসাধাৰণৰ বিপুলাংশই আছিল জনজাতীয় কৃষক। ৰাভাৰ দায়বদ্ধতাও আছিল প্ৰধানকৈ কৃষিজীৱী ৰাইজৰ প্ৰতিহে। এই ৰাইজেই ৰাভাক কমিউনিষ্ট হ'বলৈ, সমাজতন্ত্ৰৰ বাবে সংগ্ৰাম কৰিবলৈ, সাহস আৰু প্ৰেৰণা যোগাইছিল।

স্বাভাৱিকতে, বিষ্ণুৰাভাৰ মাজত জনজাতীয় চৰিত্ৰ আৰু মনস্তত্ত্বৰেই নিৰ্ভেজাল প্ৰতিফলন ঘটিছিল। তেওঁ আছিল সেইখন সমাজৰ কেবা শ বছৰৰ সাধনাৰ ধন। জনজাতীয় সৰলতাৰ লগতে সেইখন সমাজৰ অস্ফুট বেদনা, অসহায়তা, ক্ষোভ, আত্মপ্ৰকাশৰ তাড়না আৰু উদ্‌গীৰণৰ অস্থিৰতাও আছিল ৰাভাৰ উত্তৰাধিকাৰ। সেয়ে ৰাভাকো এটা সহজাত অস্থিৰতাই সদায় খেদি ফুৰিছিল। বহুমুখী প্ৰতিভাৰ অধিকাৰী হৈও তেওঁ কোনোটো বিষয়তে একাগ্ৰচিত্তে লাগি থাকিব নোৱাৰিলে। ফলত কোনোটো ক্ষেত্ৰতে ৰাভাৰ প্ৰতিভাৰ পৰিপূৰ্ণ প্ৰকাশ নঘটিল। ৰাভাৰ জীৱন এটা অসম্পূৰ্ণ কাহিনী হৈয়ে বৈ গ'ল। জ্যোতিপ্ৰসাদৰ লগত বিষ্ণুৰাভাৰ পাৰ্থক্যও হ'ল ঠিক এইখিনিতেই। ৰাভাৰ সম্ভাৱনাখিনিয়েই আছিল তেওঁৰ অসম্পূৰ্ণতা। সেয়ে বিষ্ণু ৰাভা তেওঁৰ কৃতিতকৈ কৃতিৰ সম্ভাৱনাৰ মাজতহে অধিক উজ্জ্বল, অধিক মহীয়ান।

অথচ অসমৰ গোড়া বৰ্ণসমাজখনে বিষ্ণুৰাভাৰ দৰে প্ৰতিভাকো অকাতৰে গ্ৰহণ কৰিব পৰা নাছিল। জনজাতীয় সন্তান হোৱাৰ উপৰিও ৰাভাই গোড়া সমাজখনৰ ওচৰত কোনোদিনে আত্মসমৰ্পণ কৰা নাছিল, সেইখন সমাজৰ প্ৰশস্তিলিপি নিৰ্বিবাদে মানি লোৱা নাছিল। সম্ভৱ সেইটোৱেই আছিল ৰাভাৰ আটাইতকৈ ডাঙৰ 'অপৰাধ'। কিন্তু অসমৰ

জনজাতীয় পটভূমিয়েই আছিল ৰাভাৰ জীৱন আৰু কৃতিৰো ব্যাখ্যা, তাৰ সমালোচনা, তাৰ প্ৰকাশ। জীৱনজুৰি তেওঁৰ সমগ্ৰ সত্তাক আচ্ছন্ন কৰি ৰখা জনজাতীয় চেতনাৰ পৰা ৰাভাই কোনোদিনে মুক্তি বিচৰা নাছিল। ৰাভাৰ এই অশান্ত অথচ অজেয় আত্মাৰ স্বৰূপটো জিলিকি আছে তেওঁৰ 'অসমীয়া কৃষ্টিৰ চমু আভাস' আৰু 'বজ্ঞানৰ বিলুপ্তি' আদি ৰচনাত। এই ৰচনাবোৰত ধ্বনিত হৈছে সমগ্ৰ জনজাতীয় সমাজখনৰ ক্ষোভ আৰু হতাশা, প্ৰতিবাদ আৰু প্ৰতিৰোধৰ দৃঢ়তা। ৰাভাই অসমীয়া সমাজখনক সাৱধান কৰি দি লিখিছিল ঃ "অসমৰ অত্যাচাৰিত আৰু অৱনত জাতিসমূহক আন আন উন্নত জাতিৰ লগত একে আসনতে ঠাই দিবলৈ অসমৰ প্ৰত্যেক ৰাজনীতিজ্ঞ আৰু সমাজনেতাসকলে এতিয়াৰ পৰাই চেষ্টা কৰা উচিত। তাকে নকৰিলে অৱনত জাতিসকলৰ বুকুত বিদ্ৰোহৰ অগ্নি জ্বলাই অসমত আৰু এটা গৃহ কন্দলৰ বাহ সাজি দিয়া হ'ব।" কিন্তু অসমীয়া সমাজ আৰু ৰাজনীতিৰ গুৰি ধৰাসকলে ৰাভাৰ এই সাৱধানবাণীত কাণ নিদিলে। তেওঁলোকৰ পুৰণি বিশ্বাস আৰু অভ্যাসৰ কোনো পৰিবৰ্তন নহ'ল। কিন্তু তেওঁলোকৰ চিন্তাধাৰাৰ পৰিবৰ্তন নহ'লেও অসমৰ সমাজখনত ব্যাপক হাৰত ভঙা গঢ়াৰ ঘটনা ইতিমধ্যেই ঘটি গৈছে।

ৰাভাৰ দিনলৈকে জনজাতীয় সমাজখন আছিল সামগ্ৰিকভাবে সমন্বয়মুখী। কিন্তু এতিয়া সেইখন সমাজে সমন্বয়ৰ ৰাস্তা এৰি বিভাজন আৰু পৃথক পৰিচয়ৰ বিপৰীত পথেদিহে খৰখোজেৰে আগবাঢ়ি গৈছে। ভৈয়ামৰ বড়োসকলে বিটিচিৰ জৰিয়তে এক পৰিপূৰ্ণ স্বায়ত্বশাসনৰ আশা কৰিছে। ৰাভা, তিৱা, মিচিংসকলেও স্বায়ত্বশাসনৰ অধিকাৰ পাইছে। কোচ ৰাজবংশী, আহোম, চুতীয়া, মৰাণ-মটক, চাহ শ্ৰমিক আদি জনগোষ্ঠীয়েও জনজাতিৰ মৰ্যাদা আৰু স্বায়ত্বশাসনৰ অধিকাৰ বিচাৰি সৰৱ হৈ উঠিছে। এইটো সঁচা যে স্বায়ত্বশাসনৰ প্ৰশ্নত অসমীয়া সমাজখনৰ লগত এই জনজাতিবিলাকৰ দ্বন্দ্ব বাঢ়ি অহাৰ লগে লগে তেওঁলোকৰ নিজৰ মাজতো সীমা আৰু অধিকাৰৰ ভাগ লৈ প্ৰচণ্ড সংঘাতৰ সৃষ্টি হৈছে। কিন্তু সংঘাত যিমানেই তীব্ৰতৰ নহওক কিয়, জনজাতিবিলাকৰ স্বায়ত্বশাসন কোনোবা নহয় কোনোবা এটা ৰূপত আৰু কোনো এডোখৰ ঠাইত বাচি থাকিব আৰু বিকশিত হ'ব। জনজাতিবিলাকৰ স্বায়ত্বশাসনৰ পিছফালে তেওঁলোকৰ কেতবোৰ জাতীয় অভিপ্ৰায়ে কাম কৰি আছে। প্ৰতিটো জনজাতিয়েই অসমৰ একো একোটা অঞ্চলত নিজৰ ৰাজনৈতিক, ভাষিক আৰু সাংস্কৃতিক আধিপত্য নিশ্চিত আৰু নিৰাপদ কৰিবলৈ প্ৰয়াস কৰিছে। অসমত অসমীয়াই নিজৰ সংখ্যাগৰিষ্ঠতাৰ মৰ্যাদাও যদি কেতিয়াবা বিসৰ্জন দিবলগীয়া হয়, তথাপি অসমৰ ভূমিপুত্ৰ এই জনজাতিবিলাকে একো একোটা সৰুসুৰা অঞ্চলত হ'লেও স্বকীয় পৰিচয় আৰু মৰ্যাদা নিজৰ ষ্টাইলতে অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হ'ব। এই মৰ্যাদা সুস্থিৰ আৰু নিৰাপদ হ'লে তেওঁলোকৰ সাৰ্বিক গণতন্ত্ৰীকৰণৰ প্ৰক্ৰিয়াও আৰম্ভ হ'ব।

ঘটনাচক্ৰই বিষ্ণুৰাভাকেই জনজাতীয় সমাজখনৰ সমন্বয় যাত্ৰাৰ অন্তিমজন অভিযাত্ৰীৰূপে চিহ্নিত কৰিছে। ৰাভাই অসমীয়াৰ সংমিশ্ৰিত জাতীয় চেতনাৰ লগত নৱজাগ্ৰত

জনজাতীয় চেতনাৰ সমন্বয়ৰ বাবে আন্তৰিকতাৰে চেষ্টা চলাইছিল। তাৰ বাবে তেওঁ জনজাতিবিলাকৰ সমমৰ্যাদাহে দাবী কৰিছিল, তেওঁলোকৰ বিচ্ছিন্নতাৰ কথা কেতিয়াও কোৱা নাছিল। কিন্তু ৰাভাৰ মৃত্যুৰ পিছত সেই সমন্বয় প্ৰৱাহো স্তব্ধ হ'ল। অস্তগামী সূৰ্যৰ ৰাঙলী আভাই লুইতৰ বুকুত অপৰূপ শোভাৰ সৃষ্টি কৰাৰ দৰে বিষ্ণু ৰাভাইও অসমৰ জাতিগত সমন্বয় আৰু সংমিশ্ৰণৰ সেই পুৰণি প্ৰৱাহটোক শেষবাৰলৈ পোহৰাই তুলিছিল। এতিয়া লুইতৰ পানীত ওভতনি সোঁত। ভৱিষ্যতে অসমৰ আকাশত পৃথক পৃথক জনগোষ্ঠীৰ বাৰেবৰণীয়া প্ৰতিভাই যদি আকৌ কেতিয়াবা তৰাৰ দীপাৱলী পাতে তেনেহ'লে তাৰেই স্বৰ্ণময় পোহৰত অসমৰ বহুজাতিক সত্তা আকৌ এবাৰ অখণ্ড ৰূপেৰে আৰু অপৰূপ বৈচিত্ৰ্যৰে জগত জিলিকা হৈ উঠিব।

সপ্তম অধ্যায়

ইতিহাসৰ প্ৰতিশোধ ঃ জনজাতীয় স্বাধিকাৰৰ সংগ্ৰাম

নেমেছে ধুলার তলে হীন-পতিতের ভগবান
অপমানে হতে হবে সেথা তোরে সবার সমান।
—ৰবীন্দ্ৰনাথ

অসমত বৰ্ণবাদৰ ভিত্তি ভাৰতৰ অন্যান্য ৰাজ্যৰ দৰে সবল আৰু কটকটীয়া হ'ব পৰা নাছিল। তাৰ প্ৰধান কাৰণ আছিল অসমত জনজাতীয় লোকৰ সাংখ্যিক প্ৰাধান্য। অতীজৰ হিন্দু পণ্ডিত তথা পুৰোহিতসকলে আৰু পিছৰ বৈষ্ণৱগুৰুসকলে অসমৰ জনজাতীয় লোকসকলক আৰু মঙ্গোলীয় মূলৰ আহোমসকলক হিন্দুৰ বৰ্ণ-ব্যৱস্থাৰ মাজত অন্তৰ্ভুক্ত কৰিবলৈ চেষ্টা কৰিছিল আৰু বহুদূৰ সফলো হৈছিল। কিন্তু তাকে কৰিবলৈ যাওতে হিন্দু পণ্ডিত আৰু ধৰ্মগুৰুসকলে জনজাতীয় তথা আহোম সম্প্ৰদায়ৰ ৰীতি-নীতি, আচাৰ-আচৰণ আৰু ধৰ্মবিশ্বাসৰ লগত আপোচ কৰিবলগীয়াও হৈছিল' সেয়ে হিন্দু ধৰ্মলৈ ধৰ্মান্তৰিত হোৱা মঙ্গোলীয় গোষ্ঠীৰ লোকসকলে নিজৰ জাতীয় পৰিচয় আৰু আপেক্ষিক স্বাধীনতা বৰ্তাই ৰাখিছিল। তেওঁলোকে বাকী হিন্দু ভাৰতৰ শূদ্ৰ সমাজৰ পৰ্য্যায়লৈ নিজকে কেতিয়াও অৱনমিত কৰা নাছিল আৰু আৰ্থ-সাংস্কৃতিক স্বকীয়তাও বিসৰ্জন দিয়া নাছিল।

ভাৰতৰ জাতীয় আন্দোলন আছিল উদাৰতা আৰু সংকীৰ্ণতাৰ অন্তৰ্দ্বন্দ্বত ক্ষতবিক্ষত। উচ্চবৰ্ণৰ প্ৰতিভূ স্বৰূপ কংগ্ৰেছৰ মাজত সক্ৰিয় হৈ থকা বৰ্ণগত সংকীৰ্ণতাৰ ফলত জাতীয় চেতনাৰ বিকাশ বেয়াকৈ বাধাগ্ৰস্ত হৈছিল। আনকি জাতিৰ পিতা মহাত্মা গান্ধীয়েও কৈছিল যে হৰিজনসকলৰ উন্নতিৰ কৰ্তব্য আৰু দায়িত্ব বৰ্ণহিন্দুসকলৰহে, দলিত সম্প্ৰদায়ৰ নিজৰ বক্তব্য ৰখাৰ কোনো যুক্তিযুক্ততা নাই। এনেধৰণৰ সংকীৰ্ণতাই আম্বেদকাৰৰ দৰে উদাৰ জাতীয়তাবাদীকো তিক্ত কৰি তুলিছিল। (ৰণবীৰ সমাদ্দাৰঃ 'ভারতের জাতীয় আন্দোলন ও জাতীয় সংহতির সমস্যা', পৃঃ ৭ঃ পশ্চিমবঙ্গ ৰাজ্য পুস্তক পৰ্ষদ)। কংগ্ৰেছৰ মাজত ভূস্বামী আৰু উচ্চবৰ্ণৰ ৰাজনৈতিক প্ৰতিনিধিসকলৰেই প্ৰাধান্য চলি আহিছে। এই ভূস্বামীসকল হ'ল মাটিৰ মালিক, খাজনাৰ আদায়কৰ্তা, প্ৰজাৰ প্ৰভু আৰু ব্ৰিটিশৰ অনুগত গোলাম; তেওঁলোক উচ্চবৰ্ণজাত। ৰায়তসকল হ'ল নিম্নবৰ্ণৰ, বেগাৰ। কংগ্ৰেছৰ জাতীয় নেতৃত্বই এই ৰায়তসকলৰ খাজনা-বন্ধৰ আন্দোলন

কোনোদিনে গঢ়ি নুতুলিলে। স্বাভাৱিকভাবেই ভূস্বামীসকলৰ বৰ্ণপ্ৰাধান্য আৰু কংগ্ৰেছৰ ঔদাসীন্যৰ বাবেই ভাৰতত ক্ষুদ্ৰ জাতীয়তাবাদৰ আবিৰ্ভাব ঘটিল। দেশত পুঁজিবাদৰ বিকাশেও এই সামন্তবাদী সমাজ ব্যৱস্থাক ভাঙিব নোৱাৰিলে, নাভাঙিলে। ভাৰতত মধ্যশ্ৰেণীৰ আৱিৰ্ভাৱো হৈছিল "ব্ৰিটিশ বা ফৰাচী মধ্যশ্ৰেণীৰ ক্যাৰিকেচাৰ হিচাপেহে"। ৰণবীৰ সমাদ্দাৰে আৰু লিখিছে "বৰ্ণ ও জাতপাত ব্যৱস্থা আমাদের সমাজে খালি এক অৰ্থনীতি বহিৰ্ভূত সামাজিক নিপীড়নেরই ব্যৱস্থা ছিল না বা সামন্ততন্ত্ৰকে টিকিয়ে রাখার এক উপায়ই মাত্ৰ ছিলনা, তা নিজেই ছিল এক অৰ্থনৈতিক ব্যৱস্থা যা গ্ৰাম শহর, কৃষক কারিগর, আমলা, রাজকৰ্মচারী ইত্যাদি সম্পন্ন এক রাজনৈতিক-অৰ্থনৈতিক ব্যবস্থার অন্যতম গুরুত্বপূৰ্ণ স্তম্ভ ছিল। আধুনিক পুঁজিবাদের আক্ৰমণ ঐতিহাসিকভাবে আসার কথা ছিল এই জায়গাতেই, সমাজের এই জটিল, অৰ্থহীন স্তরায়ণের বিরুদ্ধে অচলায়তনকে ভাঙতে। এই ঐতিহাসিক কৰ্তব্যের সৰ্বক্ষেত্ৰে পুঁজিবাদ সম্পৰ্কে আশা শ্ৰমিকদের প্ৰায় প্ৰথম থেকেই ভেঙে গেছিল, মধ্যবিত্তের আশা ভাঙতে সময় লাগল কয়েক দশক।"(পূৰ্বোক্ত গ্ৰন্থঃ পৃঃ২০)।

সামন্তবাদে উপজাতি-জনজাতি আৰু গোষ্ঠীসমাজখনৰ লগতো সদায় আপোচ কৰিয়েই চলি থাকে। এই জাতিগোষ্ঠীবোৰৰ পৰা ৰচদপাতি আৰু খাজনা লৈয়ে সামন্ত শাসকসকল সন্তুষ্ট। ব্ৰিটিশসকল ভাৰতলৈ অহাৰ সময়ত অসংখ্য উপজাতি তথা জনজাতিৰ স্বকীয় অস্তিত্বও সমানে বৰ্তি আছিল। কিন্তু ইংৰাজৰ পুঁজিয়ে কঢ়িয়াই অনা সুদূৰপ্ৰসাৰী আৰ্থ-ৰাজনৈতিক পৰিৱৰ্তন আৰু কেন্দ্ৰীভৱনে ভাৰতৰ অসংখ্য উপজাতিৰ সন্মুখতো নতুন সমস্যা হাজিৰ কৰিলে। ইংৰাজ শাসকসকলে ভাৰতত নিজৰ সাম্ৰাজ্য বিস্তাৰৰ স্বাৰ্থত উপজাতি অধ্যুষিত অঞ্চলবোৰ বলেৰে দখল কৰি লৈছিল আৰু চাৰ্চৰ জৰিয়তে উপজাতিবিলাকৰ স্বাতন্ত্ৰ্যক দমন কৰিবলৈ চেষ্টা কৰিছিল। তদুপৰি উপজাতিবিলাকৰ সামন্তবাদ বিৰোধী প্ৰতিটো অভ্যুত্থানকে ইংৰাজ শাসকসকলে নিষ্ঠুৰ অত্যাচাৰ আৰু বীভৎস পীড়নৰ দ্বাৰা দমন কৰিছিল। এইদৰে ব্ৰিটিশ আমোলতেই উপজাতিবোৰৰ অস্তিত্ব বিলোপ কৰাৰ অভিযান আৰম্ভ হৈছিল। স্বাভাৱিকভাৱেই উপজাতি বা জনজাতিসকলো দুটা সমস্যাৰ সন্মুখীন হৈছিলঃ এফালে তেওঁলোকৰ কৃষিনিৰ্ভৰ জীৱিকাৰ ওপৰত চলা জমিদাৰী আৰু পুঁজিবাদী শোষণক প্ৰতিৰোধ কৰা আৰু আনফালে নিজৰ জাতীয় স্বাতন্ত্ৰ্য আৰু বিকাশৰ অধিকাৰ ৰক্ষা কৰা। জাতিসত্তাৰূপে এই জাতিগোষ্ঠীবোৰৰ উত্তৱ আৰু বিকাশ যোৱা দুই শতিকা ধৰি চলি আহিছে আৰু স্বাধীনোত্তৰ কালতো সেই প্ৰক্ৰিয়া স্পষ্টতৰ হৈ উঠিছে (পূৰ্বোক্ত গ্ৰন্থৰ ৪ৰ্থ অধ্যায় দ্ৰষ্টব্য)।

অসমৰ জনজাতিৰ সমস্যাটোকো এই পটভূমিতেই বিচাৰ কৰিব লাগিব। ১৮২৬ত অসম ব্ৰিটিশ ভাৰতৰ অন্তৰ্ভুক্ত হ'ল। কিন্তু প্ৰবল বাধা আহিল পাহাৰী জাতিবিলাকৰ পৰা। চিংফৌ, নগা, খাছি আদি পাহাৰী জাতিবোৰৰ বিদ্ৰোহৰ সন্মুখীন হ'ল ইংৰাজসকল। হাজংসকলেও বিদ্ৰোহ কৰিলে। ত্ৰিপুৰাৰ ৰিয়াং আৰু মণিপুৰীসকলেও স্বাধীনতাৰ যুঁজ

চলালে। ইংৰাজে এই বিদ্ৰোহবিলাক দমন কৰিহে নিজ সাম্ৰাজ্যৰ সীমা বহলাব লগীয়া হৈছিল। তাৰ পিছতো ব্ৰিটিশৰ ৰাজহ-নীতিয়ে ভৈয়ামৰ জনজাতীয় কৃষকসকলক জংগী আন্দোলনৰ ফালে ঠেলি দিছিল। দেশ স্বাধীন হ'লত নাগাপাহাৰ, লুচাই পাহাৰ, খাছি আৰু জয়ন্তীয়া পাহাৰ আৰু অৰুণাচল অসমৰ অন্তৰ্ভুক্ত হ'ল। এই পাহাৰী জিলাবোৰ আছিল জনজাতি অধ্যুষিত অঞ্চল। প্ৰাক্‌ব্ৰিটিশ কালত এই জাতিবোৰ কাৰ্যতঃ স্বাধীন আছিল। ইংৰাজৰ আমোলতো তেওঁলোকৰ ক্ষোভ আৰু বিদ্ৰোহ নিৰ্বাপিত হোৱা নাছিল। ৰণবীৰ সমাদ্দাৰে লিখিছেঃ "যে কথা এখানে স্পষ্টভাবে বোঝাব, তা হল এইসব বিভিন্ন উপজাতীয় প্রতিরোধের মূলমন্ত্রই ছিল স্বাধীনতা। সংক্ষিপ্তাকারে হলেও,.....এই সব অঞ্চল কখনই ভারতের অন্তর্ভুক্ত ছিলনা, এমনকি ব্রিটিশ সাম্রাজ্যের আদিপূর্বেও নয়। ফলতঃ ব্রিটিশ সম্প্রসারণবাদের প্রতিরোধে সমগ্র উত্তর পূব অঞ্চলের বিভিন্ন উপজাতি বারংবার উত্থিত হয়েছে, এক অসম যুদ্ধ জেনেও "স্বর্গজীয়ের" অভিযানে তারা পিছপা হয়নি।" (পূর্বোক্ত গ্রন্থ, পৃঃ২০৮) স্বাভাৱিকভাৱেই স্বাধীনতাৰ পিছতো এই জাতিবিলাকৰ মাজত পৃথক ৰাজ্যগঠনৰ দাবী উত্থাপিত হ'ল আৰু কালক্ৰমে নাগালেণ্ড, মেঘালয় আৰু অৰুণাচল অসমৰ পৰা পৃথক হৈ সুকীয়া ৰাজ্যত পৰিণত হ'ল। অসমৰ লগত থাকিল কাৰ্বিআংলং আৰু উত্তৰ কাছাৰ পাহাৰীয়া জিলা দুখন আৰু দুয়োখনেই হ'ল জনজাতিপ্ৰধান।

সাম্ৰাজ্যবাদী ইংৰাজে পাহাৰৰ জনজাতিবিলাকক অসমীয়া সমাজখনৰ পৰা আঁতৰাই নিয়াৰ বাবে জনজাতি এলেকাবোৰত সুকীয়া আইনৰ ব্যৱস্থা কৰিছিল আৰু পাহাৰীয়া অঞ্চলবোৰলৈ ভৈয়ামৰ মানুহৰ মুক্ত যাতায়াত বন্ধ কৰি দিছিল। পাহাৰী জিলাকেইখনক বহিৰ্ভূত এলেকা বা আংশিকভাবে বহিৰ্ভূত এলেকা বুলি চিনাক্ত কৰি ভৈয়ামৰ পৰা পৃথক কৰা হৈছিল আৰু আছুতীয়া বা সংৰক্ষিত অঞ্চল হিচাপে ব্যৱহাৰ কৰা হৈছিল। পাহাৰীয়া জিলা কেইখনত অসমীয়া ভাষাৰ প্ৰচলনতো ইংৰাজে বাধা দিছিল আৰু ইংৰাজী শিক্ষাৰ বাবে উৎসাহ যোগাইছিল। একেসময়তে অসমৰ বাহিৰৰ বেপাৰীসকল বেহা-বেপাৰৰ বাবে এই পাহাৰী অঞ্চলবোৰত অবাধে সোমাই পৰিছিল। এই বহিৰাগতসকলৰ প্ৰব্ৰজনৰ লগত আৰ্থিক প্ৰয়োজনৰ লগতে ইংৰাজৰ ৰাজনৈতিক উদ্দেশ্যও নিহিত হৈ আছিল। ফলত পাহাৰ আৰু ভৈয়ামৰ জনসাধাৰণৰ মাজত অবাধ সংমিশ্ৰণৰ সুযোগ সংকুচিত হৈ ৰৈছিল।

আনহাতে ভৈয়ামৰ জনজাতিবিলাকো অসমীয়া জাতিসত্তাৰ লগত কোনোদিনে একাত্ম হ'ব পৰা নাছিল। তাৰ কাৰণো আগত ব্যাখ্যা কৰা হৈছে। আৰ্যভাষা আৰু ধৰ্মৰ আগমনৰ পিছত একাংশ জনজাতীয় লোকে হিন্দু ধৰ্ম গ্ৰহণ কৰি 'অসমীয়া' হ'বলৈ চেষ্টা নকৰা নহয়; কিন্তু তেওঁলোকক অসমীয়া বৰ্ণসমাজে সমমৰ্যাদা আৰু সমানাধিকাৰৰ পৰা বঞ্চিত কৰি ৰাখিলে। ইংৰাজ অহাৰ পিছত খ্ৰীষ্টান মিছনাৰীসকলে জনজাতীয় লোকসকলৰ মাজত খ্ৰীষ্টান ধৰ্ম, ইংৰাজী শিক্ষা আৰু পশ্চিমীয়া মূল্যবোধবো

পোহাৰ মেলিলে। বহু জনজাতীয় লোক ধৰ্মান্তৰিত হ'ল। তেওঁলোকৰ হাতত ইংৰাজী শিক্ষা আৰু বাইবেল তুলি দিয়া হ'ল। কিন্তু ভেমাল অসমীয়াই জনজাতিবিলাকৰ মাজত শিক্ষা আৰু ধৰ্মপ্ৰচাৰৰ প্ৰতি প্ৰদৰ্শন কৰিছিল অন্তহীন অৱহেলা। অসমৰ জাতীয় জীৱনৰ পৰা জনজাতিবিলাকৰ বিচ্ছিন্নতাৰ প্ৰক্ৰিয়াও যে সংগোপনে আৰম্ভ হৈছিল সেই কথা বুজিবলৈ কোনেও চেষ্টা নকৰিলে। দেশ স্বাধীন হোৱাৰ পিছতো অসমীয়া বৰ্ণবাদীসকলৰ হাতত জনজাতীয় লোকসকল একেদৰেই অৱহেলিত, বঞ্চিত আৰু ঘৃণিত হৈ থাকিল। জনজাতীয় লোকসকলৰ ভাগত পৰা দুই এটা মন্ত্ৰীপদ বা চৰকাৰী চাকৰিয়েই সেই জনজাতিবিদ্বেষক ঢাকি ৰখা সম্ভৱ নাছিল।

ভৈয়ামৰ জনজাতিবিলাকৰ ওপৰত কুৰি শতিকাৰ আৰম্ভণিৰে পৰা পূৰ্ববংগৰ পৰা অহা বিপুল সংখ্যক পমুৱা মুছলমান কৃষকৰো প্ৰচণ্ড হেঁচা পৰিছিল। এই প্ৰব্ৰজনকাৰী মুছলমান কৃষকসকলক নগাঁও আৰু বৰপেটা অঞ্চলত লাইন কৰি শৃংখলভাৱে সংস্থাপন দিয়াৰ ব্যৱস্থা কৰা হৈছিল যদিও সেই ব্যৱস্থাই বিশেষ কাম দিয়া নাছিল। সেয়ে অজনজাতীয় লোকসকলৰ পৰা, বিশেষকৈ পমুৱা মুছলমান কৃষকসকলৰ আগ্ৰাসৰ পৰা জনজাতীয় লোকসকলৰ মাটিবাৰীৰ ৰক্ষণাবেক্ষণৰ বাবে কিছুমান বিশেষ ব্যৱস্থাৰো প্ৰয়োজন হৈছিল। জনজাতীয় খণ্ড আৰু বেষ্টনীবোৰৰ গঠনৰ পটভূমিও আছিল সেয়ে। কিন্তু এনে খণ্ড আৰু বেষ্টনীবোৰতো অসংখ্য অজনজাতীয় লোকে মাটি দখল কৰিছে। ভালেমানত জনজাতীয় লোকৰ সংখ্যাও অত্যন্ত কমি গৈছে। চৰম দাৰিদ্ৰ্য আৰু উচ্ছেদৰ ফলত একাংশ জনজাতীয় কৃষক ৰাজ্যখনৰ সৰ্বত্ৰ সিঁচৰতি হৈ পৰিছে। বহু বনাঞ্চলত তেওঁলোকে পাম পাতি পুনৰ বসবাস আৰম্ভ কৰিছে। অসমৰ বিভিন্ন বনাঞ্চলত এনেধৰণৰ ৫২৪ খন গাঁও গঢ়ি উঠিছে, যিবিলাকত জনজাতীয় লোকৰ সংখ্যা মুঠ জনসংখ্যাৰ অৰ্দ্ধেতকৈও বেছি। ইপিনে জনজাতীয় অঞ্চলবোৰত দেখা দিছে জনগাঁথনিৰ অসুস্থ পৰিবৰ্তন। ৰণবীৰ সমাদ্দাৰে সঠিকভাবেই লিখিছে যে "জনগণ বিভিন্ন এলাকা থেকে মিলে মিশে যাক্, এটা ভাল। কিন্তু এই যে বহিৰাগতদের প্ৰবেশ— এটা কোন সুস্থ প্ৰক্ৰিয়াৰ হচ্ছে না। প্ৰথমতঃ, জীবিকাৰ স্বল্প সুযোগের ওপর দখল বসাচ্ছে বাইবের সাধারণ মানুষ যারা অনেকেই শ্ৰমজীবী এবং দ্বিতীয়তঃ বহু ক্ষেত্ৰে দেখা যায় এই বহিৰাগতরা ব্যবসায়ী ঠিকেদার, মহাজন। ফলে জনজীবনে উত্তেজনা, অশান্তি আর এক ধরণের demographic imbalance।" (পূৰ্বোক্ত গ্ৰন্থ, পৃঃ২০৯-১০)। সমগ্ৰ দেশৰ উপজাতীয় অঞ্চলবোৰত এই একেধৰণৰ ঘটনাই ঘটি আছে।

দুই এক বুদ্ধিমান লোকেও কোৱা শুনিছো যে চৰকাৰে এই খণ্ড আৰু বেষ্টনীবোৰ সৃষ্টি কৰিহে আৰু চাকৰি-বাকৰিত সংৰক্ষণৰ ব্যৱস্থা কৰিহে জনজাতীয় পৃথকত্বৰ বীজ সিঁচিলে। এইসকল "অসমীয়াপ্ৰেমী"ৰ বুদ্ধি আৰু "সদিচ্ছাক" বাহ্ বাহ্ নিদি নোৱাৰি। কিন্তু কথাটো ওলোটাকৈ ভাবি চালেই এই যুক্তিৰ অন্তৰালত লুকাই থকা মতলবটো নাঙঠ হৈ ওলাই পৰে। শিক্ষা আৰু চাকৰিৰ ক্ষেত্ৰত জনজাতীয় লোকসকল কিদৰে

বঞ্চিত হৈ আহিছে সেই কথা আগত আলোচনা কৰা হৈছে। মাটিবাৰীৰ ক্ষেত্ৰতো ক'ব পাৰি যে জনজাতিবিলাকৰ বাবে সংৰক্ষিত অঞ্চলবোৰ সৃষ্টি নকৰা হ'লে গুৱাহাটী, জাগীৰোড, বঙাইগাওঁ আদি উন্নত আৰু উদ্যোগপ্ৰধান অঞ্চলৰ দৰে আনবিলাক অঞ্চলতো জনজাতীয় লোকসকলৰ উচ্ছেদ অবাধ আৰু ব্যাপক হৈ উঠিলেহেঁতেন। তেতিয়া "অসমীয়া" বীৰ-বীৰাঙ্গনাসকলেও এখন জনজাতিবিহীন অসমত হিন্দু অসমীয়াৰ সংহতি আৰু বিকাশ গজগজীয়া কৰি ল'ব পাৰিলেহেঁতেন! সেই মনোবাঞ্ছা পূৰণ নোহোৱাৰ মৰ্মবেদনা আমি বুজি পাওঁ। সেইদৰে সংৰক্ষণৰ ব্যৱস্থা নকৰা হ'লে শিক্ষা আৰু চাকৰিৰ ক্ষেত্ৰতো জনজাতীয় লোকসকল সম্পূৰ্ণ বঞ্চিত হ'লহেঁতেন তাত কোনো সন্দেহ নাই।

প্ৰসঙ্গতঃ উল্লেখ কৰা প্ৰয়োজন যে আমাৰ বহুতেই সংৰক্ষণৰ প্ৰশ্নটোক সামগ্ৰিকভাৱে আৰু সামাজিক বৈষম্যৰ দূৰীকৰণ তথা জাতিভেদৰ পাপমোচনৰ দৃষ্টিভংগীৰে বিচাৰ কৰিবলৈ শিকা নাই। জাতিভেদ আৰু বৰ্ণবৈষম্যই গচকি ৰখা অ-সম সমাজ এখনত এদিন সংৰক্ষণৰ প্ৰয়োজনীয়তাও যাতে নোহোৱা কৰিব পাৰি তাৰ বাবেই বৰ্তমান সংৰক্ষণৰ প্ৰয়োজন আছে। এইটো ঠিক যে আমাৰ দেশত সংৰক্ষণ ব্যৱস্থাৰ ব্যাপক অপব্যৱহাৰ হৈছে। সেইবুলি তাৰ প্ৰয়োজনীয়তা শেষ হৈ যোৱা নাই। বৰ্তমান প্ৰয়োজনীয় কথাটো হ'ল সংৰক্ষণ ব্যৱস্থাৰ দুৰ্বলতাবোৰ আঁতৰ কৰাহে। সকলো বৰ্ণৰে অৰ্থনৈতিকভাৱে দুৰ্বলসকলৰ বাবে প্ৰয়োজনীয় ৰক্ষণাবেক্ষণ অপৰিহাৰ্য।

ইমানৰ পিছতো আজিও জনজাতীয় লোকসকল কিছু কিছু অঞ্চলত সংখ্যাগৰিষ্ঠ গোট হিচাপে তিষ্ঠি আছে। এনেবোৰ অঞ্চলৰ পৰিসৰ হয়তো সংকুচিত হৈছে, কিন্তু তাৰ লোকসকল একেবাৰে ছিন্নভিন্ন হৈ পৰা নাই। কোকৰাঝাৰ, গোৱালপাৰা, দৰং, লক্ষীমপুৰ, ধেমাজি আদি জিলাত জনজাতিপ্ৰধান অঞ্চল আজিও আছে। তেওঁলোকৰ জনসংখ্যা সম্পৰ্কে চৰকাৰী পৰিসংখ্যাকো নিখুঁত বুলি ধৰি লোৱা মুস্কিল। ভুলৰ অৱকাশ তাত বহুত। উদাহৰণ স্বৰূপে ১৯৭১ চনৰ লোকপিয়লৰ পৰিসংখ্যাৰ কথাকেই ধৰিব পাৰি। সেইসময়ত অসমৰ প্ৰায় ডেৰ কোটি জনসংখ্যাৰ ভিতৰত প্ৰায় ১৬ লাখ জনজাতীয় লোক বুলি ধৰা হৈছিল। কিন্তু জনজাতীয় পৰিচয় ত্যাগ কৰি হিন্দু আৰু "অসমীয়া" হোৱা অসংখ্য জনজাতীয় লোকৰ হিচাপ তাত আছে নে নাই সন্দেহ। সেয়ে উক্ত পৰিসংখ্যাৰে এনে গুৰুত্বপূৰ্ণ জাতীয় প্ৰশ্ন এটাক বিচাৰ কৰিবলৈ গ'লে, সংখ্যালঘিষ্ঠতাৰ দোহাই দি জনজাতীয় স্বায়ত্বশাসনৰ দাবীক অস্বীকাৰ কৰিবলৈ চেষ্টা কৰিলে তাৰ পৰিণাম ভয়ঙ্কৰো হ'ব পাৰে।

জনসংখ্যা আৰু শিক্ষা-সংস্কৃতিৰ ফালৰ পৰা বড়োসকল জনজাতিবিলাকৰ ভিতৰত সবাতোকৈ আগবঢ়া। তেওঁলোকে নিজৰ বসতিপ্ৰধান অঞ্চলবোৰক লৈ এখন বড়োলেণ্ডৰ দাবী তুলিছে। এওঁলোকৰ বহুতেই হিন্দু ধৰ্ম গ্ৰহণ কৰি অসমীয়া সমাজৰ মাজত মিলি যাবলৈ প্ৰয়াস কৰিছিল। কিন্তু দেখা গৈছে যে এনে ধৰ্মান্তৰিত লোকসকলেও

পুনৰ বড়ো পৰিচয় গ্ৰহণ কৰা আৰম্ভ কৰিছে। 'কুমাৰ' সকল খুংগুৰ হৈছে, 'মোহন'সকল নাৰ্জি হৈছে। এনে শিক্ষিত জনজাতীয় লোকসকলে এদিন হিন্দু অসমীয়াৰ পৰিচয়ৰ প্ৰতি আকৰ্ষিত হৈছিল, হিন্দু সংস্কৃতিক আদৰ্শ হিচাপে গ্ৰহণ কৰিছিল। এনেদৰে ধৰ্মান্তৰিত হোৱা বহু জনজাতীয় লোকে ১৯৭১ চনৰ লোকপিয়লত নিজক জনজাতীয় বুলি পৰিচয় দিয়া নাছিল। ১৯২৮ চনৰ চাইমন কমিছনৰ আগত গোৱালপাৰাৰ বড়ো প্ৰতিনিধিসকলে অসমীয়াৰ বাহিৰে তেওঁলোকৰ আন পৰিচয় নাই বুলি ঘোষণা কৰিছিল আৰু গোৱালপাৰাক বঙ্গদেশৰ লগত যুক্ত কৰাৰ বিৰোধিতা কৰিছিল। ("PLAIN TRIBALS BEFORE THE SIMON COMMISSION", Edited by Binoy Khungur Basumatari P. 6 : "7 TERRITORIAL REDISTRIBUTION : Some interested persons of our district are agitating for the transfer of the district of Goalpara over to Bengal. So far as we are concerned, we oppose to it. Goalpara is a part and parcel of Assam and history will prove what part she has been playing from time immemorial. The habits and customs of the people of this district are more akin to Assamese than to Bengalee. We the Bados can by no means call us other than Assamese. The transfer of the district to Bengal will be prejudicial to the interests not only of this Community but of all other communities and this transfer will seriously hamper our progress in all directions.")।

কিন্তু সময়ত সকলো কথা আকৌ সলনি হ'বলৈ ধৰিলে। পূৰ্বৰ অসমীয়া প্ৰীতিৰ ঠাইত তীব্ৰ অসমীয়া-বিদ্বেষৰ সৃষ্টি হ'ল। বড়ো ব'ড' হ'ল। বড়োসকলে এই আশংকাত ভুগিবলৈ ধৰে যে অসমৰ লগত থাকিলে তেওঁলোকৰ ভৱিষ্যত সকলো ফালে অন্ধকাৰ। সেয়ে নিজৰ সুকীয়া বড়ো পৰিচয়ৰ বাবে মৰণকো আওকাণ কৰি তেওঁলোক ৰণলৈ ওলাল। খ্ৰীষ্টান ধৰ্মৰ অনুপ্ৰৱেশৰ ফলত বৃহৎ সংখ্যক বড়োলোক সেই ধৰ্মলৈও ধৰ্মান্তৰিত হৈছিল। এইসকল খ্ৰীষ্টান বড়োলোক পৃথক বড়োৰাজ্যৰ আন্দোলনৰো প্ৰধান শক্তি হৈ উঠিল। যোৱা প্ৰায় ডেৰ দশক ধৰি এই আন্দোলনৰ গভীৰতা, ব্যাপকতা আৰু হিংস্ৰতাও সাংঘাতিক ধৰণেৰে বৃদ্ধি পালে। ফোঁপোলা প্ৰতিশ্ৰুতি বা শুকান মৰমৰ ছল-চাতুৰিৰে বড়োসকলক সান্ত্বনা দি ৰখাৰ দিনো ইতিমধ্যে উকলি গৈছিল।

জনজাতীয় স্বায়ত্তশাসনৰ ৰূপৰেখা

বড়োসকলৰ জংগী আন্দোলনক অনিৰ্দিষ্ট কাললৈ আওকাণ কৰা বা দমন কৰি ৰখাটো চৰকাৰৰ বাবে সম্ভৱ নাছিল। অসমৰ জনসাধাৰণৰ বাবেও সি কাম্য নাছিল। বহু গুণাগঁথা আৰু আলাপ-আলোচনাৰ অন্তত চৰকাৰে বড়োসকলৰ স্বায়ত্ত শাসনৰ অৰ্থে ১৯৯৩ চনত বি এ চি (বড়ো অট'নমাছ কাউন্সিল) আৰু তাৰ ঠিক দহ বছৰৰ

পিছত ২০০৩ চনৰ ডিচেম্বৰ মাহত বি টি এ ডি (বড়োলেণ্ড টেৰিটৰিয়েল এৰিয়া ডিষ্ট্ৰিক্ট) গঠন কৰি দিবলৈ বাধ্য হ'ল। আপাততঃ বড়োসকলৰ স্বশাসন স্বীকৃত আৰু প্ৰতিষ্ঠিত হ'ল। বি টি এ ডি গঠনৰ আগে আগে বড়োভাষাকো সংবিধানৰ অষ্টম অনুসূচীত অন্তৰ্ভুক্ত কৰা হ'ল। বড়ো ভাষাৰ স্বীকৃতি আৰু বি টি এ ডি গঠনৰ জৰিয়তে বড়োসকলৰ পৃথক জাতি গঠনৰ জয়যাত্ৰাও আৰম্ভ হ'ল।

কিন্তু বড়োসকলৰ এই জাতীয় আত্ম প্ৰতিষ্ঠাৰ সংগ্ৰামে উত্থান-পতন, ত্যাগ, কষ্ট আৰু হিংসা-সন্ত্ৰাসৰ এটা দীঘলীয়া পথ অতিক্ৰম কৰিবলগীয়া হৈছিল। যোৱা শতিকাৰ ষাঠিৰ দশকতে পি টি চি এ (Plain Tribal Council of Assam বা ভৈয়াম জনজাতি পৰিষদ) ই পৃথক উদয়াচলৰ দাবী উত্থাপন কৰিছিল। কিন্তু পৰিষদৰ নেতাসকলে চৰকাৰত যোগদান কৰি মন্ত্ৰী আদি হৈ উদয়াচলৰ দাবী কাৰ্যতঃ বাদেই দিছিল। কিন্তু 'উদয়াচল'ৰ আন্দোলন নিৰ্বাপিত হোৱাৰ পিছতো বড়োসকলৰ জাতীয় জাগৰণ বন্ধ নহ'ল। সত্তৰৰ দশকৰ আৰম্ভণিতে পৃথক বড়োলিপিৰ বাবে এটা ব্যাপক আন্দোলন গঢ়ি উঠিল। ই আছিল বড়োসকলৰ পৃথক জাতি গঠনৰ প্ৰাৰম্ভিক প্ৰয়াস মাত্ৰ। ১৯৭১ চনৰ লোকপিয়ললৈকে বড়োসকলে সাধাৰণভাৱে অসমীয়া পৰিচয় ত্যাগ কৰা নাছিল। কিন্তু ঠিক তাৰ পিছ মুহূৰ্ত্তে আৰম্ভ হোৱা বড়োলিপিৰ আন্দোলন আৰু নবোদিত জাতীয় চেতনাই বড়োসকলক এটা পৃথক ৰাষ্টাৰে বাট বুলিবলৈ প্ৰেৰণা যোগালে। চৰকাৰৰ পুলিচী দমন-নিৰ্যাতনেও বড়োসকলক হতাশ বা ক্ষান্ত কৰিব পৰা নাছিল। পৰবৰ্তী সময়ৰ জৰুৰীকালীন অৱস্থা আৰু অসমৰ বিদেশী বিতাড়ন আন্দোলনৰ কালছোৱাত বড়োসকলৰ আন্দোলন কিছু পৰিমাণে স্তিমিত হৈ ৰৈছিল যদিও সি নিৰ্বাপিত হোৱা নাছিল। বিদেশী বিতাড়ন আন্দোলনৰ ফলস্বৰূপে অসমত নতুনকৈ ক্ষমতাসীন হোৱা প্ৰথম অ গ প চৰকাৰৰ দিনত আবছু (ইউ)ৰ নেতৃত্বই চৰকাৰৰ ওচৰত ৯২ টা দাবী উত্থাপন কৰে। তাৰ তিনিটা আছিল ৰাজনৈতিক আৰু বাকী ৮৯ টা অৰ্থনৈতিক। ৰাজনৈতিক দাবীকেইটা আছিল ঃ ১। ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে এখন পৃথক বড়োলেণ্ড ৰাজ্য গঠন কৰা, ২। অসমৰ আনবোৰ জিলাত বড়োসকলক স্বায়ত্ব শাসন দিয়া আৰু ৩। কাৰ্বি আংলং আৰু উত্তৰ কাছাৰত বড়োসকলক সংবিধানৰ ষষ্ঠ অনুসূচীৰ আধাৰত পাৰ্বত্য জনজাতি হিচাপে স্বীকৃতি দিয়া। বড়োনেতাসকলে এই দাবী চনদৰ ভিত্তিত চৰকাৰৰ সৈতে আলাপ আলোচনা কৰিবলৈ চেষ্টা কৰিছিল। কিন্তু অসমীয়া দাম্ভিকতাই আচ্ছন্ন কৰি ৰখা অগপ চৰকাৰে তেতিয়া বড়ো নেতাসকলক গুৰুত্বই নিদিলে। কিন্তু এই চৰকাৰী অবহেলাৰ পৰিণাম আছিল অতি ভয়ঙ্কৰ। এৰাধৰা কৰিবলৈ প্ৰস্তুত থকা বড়ো নেতাসকল ক্ৰমে জংগী আৰু আপোচবিৰোধী হৈ উঠিল। তেওঁলোকৰ আন্দোলনেও জংগী ৰূপ ল'বলৈ আৰম্ভ কৰে।

স্বাভাৱিকতে ভৈয়াম জনজাতি পৰিষদৰ আপোচকামী নেতৃত্বৰ বিৰুদ্ধেও আবছু (ইউ) বিদ্ৰোহী হৈ উঠিল। পৰিষদৰ নেতাসকলে আবছু (ইউ)ক দমন কৰাৰ ক্ষেত্ৰত চৰকাৰৰ লগত হাত উজান দিছিল। ফলত বড়োসকলৰ মাজত অন্তৰ্দ্বন্দ্বও তীব্ৰ হয়।

বড়োসমাজৰ বৃহৎ অংশটোৰ পৰা ভৈয়াম জনজাতি পৰিষদ সম্পূৰ্ণ বিচ্ছিন্ন হৈ এটা সময়ত বড়ো ৰাজনীতিত অপ্ৰাসঙ্গিক হৈ পৰিল। আনহাতে ১৯৯১ চনৰ সাধাৰণ নিৰ্বাচনত আবছু (ইউ)এ তেওঁলোকৰ জনসমৰ্থন প্ৰমাণ কৰি দেখুৱালে। পৰবৰ্তী সময়ত আবছুৰ ছত্ৰছায়াতেই বড়োসকলৰ মাজত উগ্ৰপন্থীসকলৰো উদ্ভৱ হয়। পিছলৈ পৃথক বড়োৰাজ্য আৰু স্বাধীন বড়োলেণ্ডৰ দাবী দুটাক কেন্দ্ৰ কৰি উগ্ৰপন্থীসকল বি এল টি (বড়ো লিবাৰেশ্যন টাইগাৰছ) আৰু এন ডি এফ বি (নেশ্যনেল ডেমক্ৰেটিক ফ্ৰণ্ট অব্ বড়োলেণ্ড)ৰ মাজত বিভক্ত হৈ পৰে। এই দুই সংগঠনৰ মাজৰ ভ্ৰাতৃঘাতী আৰু ক্ষয়ঙ্কৰী সংঘাতবোৰেও আন এক মৰ্মান্তিক ইতিহাসৰ পাতনি মেলিলে।

এই পৰিস্থিতিত ভাৰতৰ কমিউনিষ্ট পাৰ্টি (মাৰ্ক্সবাদী)ৰ অসম ৰাজ্যিক কমিটিয়ে সৰ্বপ্ৰথমে বড়োসকলৰ বাবে স্বায়ত্তশাসনৰ প্ৰস্তাৱ উত্থাপন কৰিছিল। আনবোৰ গণতান্ত্ৰিক দল-সংগঠনো স্বায়ত্তশাসনৰ প্ৰশ্নত একমত আছিল। অসমত ১৯৯১ চনত পুনৰ ক্ষমতাসীন হোৱা প্ৰয়াত হিতেশ্বৰ শইকীয়াৰ নেতৃত্বাধীন কংগ্ৰেছী চৰকাৰখনে আনবোৰ দল-সংগঠনৰ হেঁচাত বড়ো নেতাসকলৰ সৈতে আলাপ-আলোচনাৰ প্ৰক্ৰিয়া আৰম্ভ কৰে। একে সময়তে মিচিং, ৰাভা আৰু তিৱাসকলৰ লগতো আলোচনা চলায়। কিন্তু এনে এটা জটিল বিষয়ত প্ৰাসঙ্গিক সৰ্বদলীয় আলোচনা আৰু মতামতৰ অবিহনেই হিতেশ্বৰ শইকীয়া চৰকাৰে ১৯৯৩ চনত বড়ো, মিচিং, ৰাভা আৰু তিৱাসকলক স্বায়ত্তশাসন দিয়াৰ একপক্ষীয় সিদ্ধান্ত গ্ৰহণ কৰে। মিচিং, ৰাভা আৰু তিৱাসকলক উপগ্ৰহীয় স্বায়ত্তশাসন ব্যৱস্থাত অন্তৰ্ভুক্ত কৰাৰ বিপৰীতে বড়োসকলৰ বাবে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ বড়ো বসতিপ্ৰধান অঞ্চল তথা গাওঁবোৰক সামৰি বি এ চি গঠন কৰা হয়। কিন্তু বি এ চিৰ সীমাক লৈ চৰকাৰ আৰু বড়ো নেতাসকলৰ মাজত বিবাদ থাকি গ'ল।

স্বাভাৱিকতেই বি এ চিয়ে বড়ো জনসাধাৰণক সন্তুষ্ট কৰিব পৰা নাছিল। বি এ চিৰ সীমাক লৈ বিবাদ চলি থকাৰ উপৰিও পৰিষদখন আচলত অৰ্থাৎ প্ৰতিনিধিত্বমূলক হ'ব পৰা নাছিল। জংগী বড়ো সংগঠনবোৰৰ সহযোগিতা তাত নাছিল। উন্নয়নমূলক কাম-কাজৰ ক্ষেত্ৰতো অন্তৰ্বৰ্তী পৰিষদখনে বিশেষ একো সুফল দিব নোৱাৰিলে। পৰিষদখনৰ প্ৰশাসনিক আৰু আৰ্থিক ক্ষমতাও আছিল সীমিত। গতিকে বড়ো সংগঠনসমূহ অসন্তুষ্ট হৈয়ে ৰ'ল। পৃথক বড়োলেণ্ডৰ দাবীত গণ আন্দোলনো সংগঠিত হ'ল। স্বাভাৱিকতে উগ্ৰপন্থী সংগঠনবোৰো সক্ৰিয় আৰু শক্তিশালী হ'ল। বড়ো জনসাধাৰণৰ ওপৰত নিজৰ প্ৰভাৱ আৰু কৰ্তৃত্ব সম্প্ৰসাৰিত কৰাৰ বাবে বি এল টি আৰু এন ডি এফ বিৰ মাজত ৰক্তক্ষয়ী প্ৰতিযোগিতা আৰম্ভ হ'ল। এই ভ্ৰাতৃঘাতী সংঘাতত অসংখ্য বড়ো লোকৰ প্ৰাণ হানি হ'ল। একেসময়তে দুয়োটা সংগঠনে আন সন্ত্ৰাসবাদী কামকাজবোৰো বাঢ়িবলৈ ধৰে। বি এ চি এলেকাত বসবাস কৰা অনা বড়োসকলৰ, বিশেষকৈ আদিবাসীসকলৰ উচ্ছেদ অভিযান এটাও আৰম্ভ হয়। এই নৃগোষ্ঠীয় চাফাই অভিযানত কেইবা লাখো আদিবাসী লোক তেওঁলোকৰ মাটিভেটিৰ পৰা উচ্ছেদিত হৈ কোকৰাঝাৰ আৰু বঙাইগাওঁ

জিলাৰ কেইবাটাও আশ্ৰয় শিবিৰত থূপ খায়গৈ। কেতবোৰ অঞ্চলত অভিবাসী মুছলমানকে ধৰি অন্যান্য সম্প্ৰদায়ৰ লোকো আক্ৰান্ত হয়। একেসময়তে ভয়-ভাবুকি আৰু বলপূৰ্বক ধনসংগ্ৰহৰ দৰে সন্ত্ৰাসমূলক কামকাজবোৰো চলি থাকিল। এনে এক পৰিস্থিতিত বি এ চি কাৰ্যতঃ অপ্ৰাসঙ্গিক হৈ পৰিল।

এই পটভূমিতেই ২০০১ চন মানৰ পৰা কেন্দ্ৰৰ বি জে পি চৰকাৰ আৰু বি এল টিৰ মাজত আলোচনাৰ প্ৰক্ৰিয়া এটা আৰম্ভ হয়। দুয়োপক্ষই অস্ত্ৰ বিৰতিৰ বাবেও সন্মত হয়। বি এল টিয়ে সংবিধানৰ ষষ্ঠ অনুসূচীৰ আধাৰত বি টি চি (বড়োলেণ্ড টেৰিটৰিয়েল কাউন্সিল) গঠনৰ প্ৰস্তাৱ দিয়ে। দীঘলীয়া আলাপ-আলোচনাৰ অন্তত কেন্দ্ৰীয় চৰকাৰ আৰু অসম চৰকাৰে বি টি চিৰ প্ৰস্তাৱ মানি লয়। দেশৰ গণতান্ত্ৰিক দল-সংগঠনসমূহেও দীৰ্ঘস্থায়ী বড়ো সমস্যাটোৰ এই শান্তিপূৰ্ণ সমাধানৰ প্ৰচেষ্টাৰ প্ৰতি সমৰ্থন জনায়। তাৰেই পৰিণামত ২০০৩ চনৰ ফেব্ৰুৱাৰী মাহত দুই চৰকাৰ আৰু বি এল টিৰ মাজত বি টি চি চুক্তি সম্পাদিত হয়। (পৰিশিষ্ট - ১ দ্ৰষ্টব্য)

এই চুক্তি অনুযায়ীয়েই সংবিধানৰ ষষ্ঠ অনুচ্ছেদৰ সংশোধনী ঘটোৱা হয় আৰু ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে বড়ো বসতিপ্ৰধান আৰু সংলগ্ন গাওঁবোৰক লৈ চাৰিখন নতুন জিলা গঠন কৰা হয়। শেহতীয়াকৈ চৰকাৰে এই চাৰিখন জিলাক লৈ বি টি এ ডি গঠন কৰিছে আৰু যোৱা ৭ ডিচেম্বৰত এখন অন্তৰ্বৰ্তী পৰিষদৰ হাতত কাৰ্যভাৰ গতাই দিছে। তাৰ আগে আগে বি এল টিয়ে অস্ত্ৰ সমৰ্পণ কৰে আৰু চৰকাৰেও বড়ো নেতাসকলৰ বিৰুদ্ধে থকা গোচৰসমূহ প্ৰত্যাহাৰ কৰে। এন ডি এফ বি এই চুক্তিৰ অংশীদাৰ বা বি টি এ ডি ৰ সমৰ্থক নহয় যদিও বড়ো জনসাধাৰণে এই স্বায়ত্বশাসনক আদৰণি জনাইছে। অসমৰ ৰাজনৈতিক মানচিত্ৰৰ ভিতৰতে বড়ো জাতিৰ শান্তিপূৰ্ণ বিকাশ সম্পৰ্কে তেওঁলোক আশাবাদী হৈ উঠিছে। বি টি এ ডিৰ পৰীক্ষা সফল হ'লে আৰু বি টি চি চুক্তিৰ চৰ্তবোৰৰ সঠিক ৰূপায়ণ হ'লে এন ডি এফ বিও সম্পূৰ্ণ এঘৰীয়া হৈ পৰিব। ইতিমধ্যে ভূটান ৰয়েল আৰ্মীয়ে যোৱা ডিচেম্বৰ মাহৰ মাজভাগৰ পৰা ভূটানস্থ আলফা, কে এল অ' আৰু এন-ডি-এফ বিৰ গোপন ঘাটীবোৰৰ ওপৰত প্ৰচণ্ড আক্ৰমণ চলাই সংগঠনকেইটাক ছেদেলি-ভেদেলি কৰাৰ ঘটনায়ো বড়ো ৰাজনীতিত নিশ্চিতভাৱেই প্ৰভাৱ পেলাব।

বি টি চিৰ প্ৰস্তাৱ উত্থাপিত হোৱাৰে পৰা কেতবোৰ সংগঠনে 'জনগোষ্ঠীয় সংগ্ৰাম সমিতি'ৰ ছাইনবোৰ্ডৰ তলত অ-বড়ো জনগোষ্ঠীবোৰক সংগঠিত কৰি বি টি চিৰ গঠনত বাধা দিবলৈ চেষ্টা কৰিছিল যদিও সি সফল নহ'ল। শেহতীয়াকৈ বি টি এ ডি এলেকাৰ অ-বড়ো জনগোষ্ঠীবোৰে বাস্তৱতাক স্বীকাৰ কৰি লৈ বড়োসকলৰ সৈতে সহযোগিতা কৰাৰ বাবে আগবাঢ়ি আহিছে। বি টি এ ডি পৰিষদখনৰ পাঁচখন আসন অজনজাতীয় লোকৰ বাবে আৰু পাঁচখন আসন অন্যান্য সম্প্ৰদায়ৰ বাবে সংৰক্ষিত কৰাৰ উপৰিও তেওঁলোকৰ মাটিবাৰী আৰু ভাষাৰ অধিকাৰকো সুৰক্ষা দিয়া হৈছে। বি টি চি চুক্তিৰ ৪(২), ৪(৩) আৰু ৪(৪) দফাত এই ব্যৱস্থাবোৰ সন্নিবিষ্ট কৰা হৈছে।

সংবিধানৰ ষষ্ঠ অনুসূচীৰ সংশোধনীৰ ভিত্তিত ভৈয়ামৰ বড়োসকলৰ বাবে বি টি এ ডিৰ গঠন জনজাতীয় স্বায়ত্বশাসনৰ ক্ষেত্ৰত এটা নতুন সম্প্ৰবীক্ষা। এই সম্পৰীক্ষাৰ সাফল্যৰ ওপৰতে অসমৰ ঐক্য-সংহতিও নিৰ্ভৰশীল হৈ পৰিছে। স্বাধীন অসমৰ দৰে এখন স্বাধীন জনজাতীয় ৰাজ্যৰ চিন্তা আৰু চেষ্টাও অমূলক আৰু অবাস্তব। একেদৰে ভাৰতৰ ভিতৰতে এখন পৃথক জনজাতীয় ৰাজ্য গঠন কৰিলেও দৰিদ্ৰ জনজাতীয় ৰাইজৰ বিশেষ উপকাৰ একো নহয। বৰ্তমানৰ আৰ্থ-ৰাজনৈতিক ব্যৱস্থাত স্বায়ত্বশাসন বা পৃথক ৰাজ্য কোনোটোৱেই ধনী-দুখীয়াৰ প্ৰভেদ কমাব নোৱাৰে। বৰং সাম্ৰাজ্যবাদী পুঁজিৰ আগ্ৰাস আৰু অবাধ দুৰ্নীতিয়ে এচাম লোকৰ হাতত সকলো ধন-সম্পদ কেন্দ্ৰীভূত কৰাৰ বিপৰীতে বিপুল গৰিষ্ঠ সংখ্যক লোকক দৰিদ্ৰৰ পৰা দৰিদ্ৰতৰহে কৰি তুলিব। সেয়ে পৃথক জাতি আৰু ৰাজনৈতিক গোট হিচাপে আত্মপ্ৰকাশ কৰিলেও প্ৰতিটো জনজাতিৰে পশ্চাদপদ জনসাধাৰণৰ স্বাৰ্থ আৰু মুক্তিৰ সোপান অসমৰ ব্যাপক জনগণৰ ঐক্য আৰু ঐক্যবদ্ধ সংগ্ৰামৰ মাজতহে নিহিত হৈ আছে। অসমৰ ভিতৰত থাকিলেহে এই ঐক্য আৰু সংগ্ৰাম সহজতৰ হ'ব। বি টি এ ডিৰ সফলতাই বড়োসকলৰ লগতে আন জনজাতিবিলাকক পৃথকত্ববাদৰ যন্ত্ৰণাদায়ক পথ পৰিহাৰ কৰিবলৈ অনুপ্ৰাণিত কৰিব। এইক্ষেত্ৰত বড়ো জনসাধাৰণৰো এটা ডাঙৰ কৰ্ত্তব্য আছে। তেওঁলোকে অ-বড়ো লোকসকলৰ সাংবিধানিক অধিকাৰক সন্মান জনাব আৰু ৰক্ষা কৰিব লাগিব আৰু বি টি এ ডিৰ পুঁজিক যাতে দুৰ্নীতিযে গ্ৰাস কৰি উন্নয়নমূলক কামবোৰ স্তব্ধ কৰিব নোৱাৰে তাৰ প্ৰতি সদাসতৰ্ক থাকিব লাগিব।

বড়োসকলৰ সমসাময়িক জীৱনলৈ বি টি এ ডিএ কাৰ্যতঃ কি ধৰণৰ পৰিবৰ্তন আনে সেই কথা সময়েহে ক'ব। কিন্তু এটা কথা নিশ্চিত যে বড়ো মধ্যশ্ৰেণীয়ে যদি বি টি এ ডিৰ জৰিয়তে নিজৰ সংকীৰ্ণ শ্ৰেণীস্বাৰ্থ পূৰণতহে লাগি যায়, তথাপিও ইতিহাসে বড়ো জনসাধাৰণক তেওঁলোকৰ এটা বাঞ্ছিত লাভৰ পৰা কেতিয়াও বঞ্চিত নকৰে। সি হৈছে বড়ো সমাজৰ শ্ৰেণীবিভাজনৰ গতি সঞ্চাৰণ আৰু শ্ৰেণীচেতনাৰ সম্প্ৰসাৰণ। বড়ো নেতাসকলে যদি জনসাধাৰণক অবাঞ্ছিতভাৱে বিশ্বাসঘাতকতা কৰে, তেনেহ'লে সেই বিশ্বাসঘাতকতাই দুখীয়া কৃষিজীৱী জনসাধাৰণক শ্ৰেণীসংগ্ৰামৰ দুৱাৰডলিতো হাজিৰ কৰাবগৈ। ই কোনো অলীক স্বপ্ন নহয়, বাস্তৱৰহে স্বপ্ন। আন কাৰণত নহ'লেও ঠিক এই কাৰণতেই বড়োসকলৰ সমৃদ্ধ স্বায়ত্বশাসন আছিল এক অনিবাৰ্য ঐতিহাসিক প্ৰয়োজন।

বড়োসকলৰ দৰে মিচিং, ৰাভা আৰু তিৱাসকলেও এতিয়া সংবিধানৰ ষষ্ঠ অনুসূচীৰ আধাৰতহে স্বায়ত্বশাসন বিচৰা আৰম্ভ কৰিছে। এই যাত্ৰাত তেওঁলোক কিমানদূৰ আগবাঢ়ি যাব সেই কথা এতিয়াই ঠাৱৰ কৰা টান। কিন্তু তেওঁলোকক যে সেই পথৰ পৰা বিৰত ৰখাও দীৰ্ঘকালৰ বাবে সহজ নহ'ব সেইকথাও সহজে অনুমান কৰি ল'ব পাৰি। তথাপি বড়োসকলৰ লগত এই জনজাতিকেইটাৰ পাৰ্থক্যবোৰ সকলোৱে অনুধাৱন কৰিবলৈ চেষ্টা কৰিব লাগিব। ৰাভা আৰু তিৱাসকল সম্পূৰ্ণভাৱে সংমিশ্ৰিত অসমীয়া।

মিচিংসকলৰো নিজা ভাষা-সাহিত্য থাকিলেও তেওঁলোকৰ অসমীয়া পৰিচয় এতিয়াও আছে। এনেক্ষেত্ৰত পৃথক জাতীয় পৰিচয়ৰ সন্ধান চলোৱা আৰু সংবিধানৰ ষষ্ঠ অনুসূচীৰ ব্যৱস্থাবোৰ দাবী কৰাৰ প্ৰয়োজন আছে নে নাই সেই প্ৰশ্নৰ সমিধান 'অসমীয়াই' তেওঁলোকক দিব নোৱাৰে; তেওঁলোকে নিজেই তাৰ উত্তৰ বিচাৰি ল'ব লাগিব। অৱশ্যে অসমীয়াই এই ক্ষেত্ৰত তেওঁলোকক নিশ্চয় সহায় কৰিব পাৰে আৰু কৰা উচিতো।

কাৰ্বিসকলেও বহু আগৰে পৰা সংবিধানৰ ষষ্ঠ অনুসূচীৰ আধাৰত স্বায়ত্বশাসনৰ অধিকাৰ ভোগ কৰি আহিছে। তথাপি তেওঁলোকে পৃথক ৰাজ্যৰ দাবী তুলিছে। তেওঁলোকে ভাৰতীয় সংবিধানৰ ২৪৪ (ক) ধাৰামতে অসমৰ ভিতৰতে এখন স্বায়ত্বশাসিত ৰাজ্য বিচাৰিছে। কিন্তু কাৰ্বি আংলঙৰ বাবে এখন স্বায়ত্বশাসিত জিলা পৰিষদ আছে। সেই জিলা পৰিষদখনে স্বাধীনভাৱে কাম কৰাৰ অসুবিধা বা বাধা ক'ত তাক বিচাৰি উলিয়াব লাগিব। দেখা যায় যে জিলা পৰিষদখনক নিজৰ বাজেট কৰাৰ পূৰ্ণ স্বাধীনতা দিয়া হোৱা নাই। নিৰ্দ্ধাৰিত টকাখিনিও সময়মতে দিয়া নহয়। অ গ প চৰকাৰে জিলা পৰিষদখন অন্যায়ভাৱে ভাঙিও দিছিল। গতিকে অসম চৰকাৰৰ বিৰুদ্ধে কাৰ্বিসকলৰ ন্যায় সংগত ক্ষোভ আছে। উত্তৰ কাছাৰতো অনুৰূপ আন্দোলন হৈছে। জিলা দুখনত জনজাতীয় লোকৰ সংখ্যাও যথাক্ৰমে প্ৰায় ৬০ আৰু ৭০ শতাংশ। গতিকে তেওঁলোকৰ স্বায়ত্বশাসন দৃঢ় আৰু সম্প্ৰসাৰিত কৰাৰ বাবে দ্ৰুত ব্যৱস্থা গ্ৰহণ নকৰিলে তেওঁলোকক পৃথকত্বৰপৰা ৰক্ষা কৰা সম্ভৱ নহ'ব। অৱশ্যে এইক্ষেত্ৰত কাৰ্বি নেতাসকলৰ অবাধ দুৰ্নীতিয়েও তেওঁলোকৰ স্বায়ত্তশাসনক জনসাধাৰণৰ বাবে অৰ্থহীন কৰি তুলিছে। এই দুৰ্নীতিৰ বাবে এ এছ ডি চি এতিয়া বিভক্ত আৰু কাৰ্বি জনসাধাৰণ দুখ লগাকৈ বঞ্চিত আৰু প্ৰতাৰিত।

বড়োলেণ্ডৰ আন্দোলন, কাৰ্বিৰাজ্যৰ আন্দোলন, অন্যান্য জাতিগত অনুষ্ঠান আদি হ'ল জনজাতিবিলাকৰ ক্ৰমবৰ্দ্ধমান জাতীয় চেতনাৰে বহিৰ্প্ৰকাশ মাত্ৰ। তেওঁলোকে অসমীয়া সমাজখনৰ মাজত মিলি যাবলৈ আৰু হিন্দু অসমীয়াৰ কৰ্ত্তৃত্ব স্বীকাৰ কৰি ল'বলৈ ইচ্ছা নকৰা হৈছে। তেওঁলোকৰ মাজত এই সচেতনতাৰ উন্মেষ ঘটিছিল বহু বছৰৰ আগতেই। চাইমন কমিচনৰ আগত গোৱালপাৰাৰ বড়োসকলে তেওঁলোকৰ অসমীয়াৰ বাদে আন পৰিচয় নাই বুলি ঘোষণা কৰিছিল সঁচা কিন্তু প্ৰায় একে সময়তেই ১৯২৮ চনৰ ১৪ আগষ্টত তিতাবৰত অনুষ্ঠিত হোৱা এখন সন্মিলনত কছাৰী সম্প্ৰদায়ৰ প্ৰতিনিধিসকলে এটা প্ৰস্তাৱ যোগে কৈছিল যে কছাৰী সম্প্ৰদায় হিন্দু সম্প্ৰদায়ৰ পৰা ৰাজনৈতিক, সামাজিক আৰু ধৰ্মীয়—সকলো ক্ষেত্ৰতে স্বাধীন। তেওঁলোকে নিজকে হিন্দুৰ নিম্নশ্ৰেণী বা অস্পৃশ্য বুলি গণ্য নকৰে। (PLAIN TRIBALS BEFORE THE SIMON COMMISSION, ed. by B.K. Basumatari: p.13: "11. Resolved that this meeting is of opinion that the Kachari Community of Assam donot recognise themselves as a lower class of Hindus or untouchable

and do hereby declare that they are quite independent from the Hindu Community in all respects such as political, social and religious etc.")। এতিয়া এই চেতনা প্ৰতিটো পশ্চাদপদ জাতিগোষ্ঠীৰে সাধাৰণ উপলব্ধিত পৰিণত হৈছে। সেই একে সময়তে Assam Kachari Jubak Sanmilan এ কছাৰীসকলৰ বাবে সুকীয়া নিৰ্বাচক মণ্ডলীৰো দাবী তুলিছিল।

আজি অসমৰ ৰাজনীতি, প্ৰশাসন, সাহিত্য-সংস্কৃতি আৰু ব্যৱসায়-বাণিজ্য সকলোতে আধিপত্য বিস্তাৰ কৰি থকা বৰ্ণহিন্দু অসমীয়া সকলকেই অন্যান্য পশ্চাদপদ জনজাতিবোৰে তেওঁলোকৰ প্ৰধান শত্ৰু হিচাপে গণ্য কৰিবলৈ ধৰিছে। তেওঁলোকৰ এই মনোভাৱ সঠিক হয়নে নহয় সেইটো সুকীয়া কথা, কিন্তু এয়ে হৈছে নিষ্ঠুৰ বাস্তৱ। অসমীয়া হিন্দু সমাজখনক ক্ষমা কৰিবলৈ তেওঁলোক এতিয়াও প্ৰস্তুত নহয়। অসমৰ জাতীয় জীৱনত এইদৰে আৰম্ভ হৈছে ইতিহাসৰ নিৰ্মম প্ৰতিশোধ। ভাৰতৰ বৃহৎ বুৰ্জোৱাৰ অতিকেন্দ্ৰিক শাসন-শোষণ আৰু জাতিগত বৈষম্য তেওঁলোকৰ বাবে দূৰৰ ঘটনা; কিন্তু সন্মুখত তেওঁলোকে দেখা পাইছে সোঁশৰীৰে জাত্যাভিমানী অসমীয়াসকলক। সেয়ে অসমীয়া বিচ্ছিন্নতাবাদীসকলে দিল্লীৰ বিৰুদ্ধে শিপাট শৰ জুৰিছে, সেইপাট শৰকেই জনজাতিবিলাকে পোনাইছে অসমীয়াৰ বিৰুদ্ধে। চৰিত্ৰগত পাৰ্থক্য থাকিলেও দুয়োখন ৰণৰ গঢ়গতি একেটাই।

পিছপৰা জনজাতিবোৰৰ ডাঙৰ আশংকা হ'ল এয়ে যে অসমীয়া বৰ্ণহিন্দু সমাজখনৰ লগত মিলি গ'লে তেওঁলোকৰ দাৰিদ্ৰ্য আৰু পশ্চাদপদতা চলি থাকিব, তেওঁলোকৰ মাটি আৰু সংস্কৃতি সকলোবোৰ অ জনজাতীয় লোকে গ্ৰাস কৰিব, জনসংখ্যাৰ ফালৰ পৰাও তেওঁলোক সংখ্যালঘুত পৰিণত হ'ব আৰু কালক্ৰমত তেওঁলোক নিশ্চিহ্ন হৈ যাব। এই শংকাৰ শিপা এতিয়া বহু গভীৰত। সেয়ে তেওঁলোকেও আৰম্ভ কৰিছে অস্তিত্ব ৰক্ষাৰ সংগ্ৰাম। এই শংকাৰ নিৰাময়ৰ ওপৰতেই নিৰ্ভৰ কৰিছে অসমৰ ঐক্য। এতিয়া প্ৰয়োজন সকলোৱে দেৱালৰ লিখন পঢ়ি চোৱা।

আন জনগোষ্ঠীবোৰৰ সমস্যা

স্বায়ত্বশাসন আৰু জাতিগত বিকাশ তথা আত্মপ্ৰতিষ্ঠাৰ আকাংক্ষা এতিয়া কেৱল বড়ো, কাৰ্বি, মিছিং, ৰাভা আৰু তিৱাসকলৰ মাজতেই আবদ্ধ থকা নাই। তিনিচুকীয়াৰ মৰাণ-মটক, কোকৰাঝাৰ-বঙাইগাঁৱৰ কোচ-ৰাজবংশী, উজনিৰ আহোম, চুতীয়া, দেউৰী, সোণোৱাল কাছাৰী আৰু চাহ শ্ৰমিক আদিৰ মাজতো জাতিগত সংগঠন আৰু আশা-আকাংক্ষা বাঢ়িছে। দেউৰী আৰু সোণোৱাল কছাৰীসকলে স্বায়ত্বশাসন বিচাৰিছে। দেউৰীসকলে তেওঁলোকৰ পৃথক ভাষিক স্বীকৃতিৰ বাবেও আন্দোলন চলাই আছে। আহোমসকলেও টাই ভাষাৰ চৰ্চা, যুৱ-ছাত্ৰ সংগঠন আদিৰ জৰিয়তে আহোম সাম্প্ৰদায়িকতাবাদক জগাই তুলিবলৈ চেষ্টা কৰিছে। আহোম, চুতীয়া, মৰাণ-মটক, কোচ-ৰাজবংশীসকলে অনুসূচিত

জনজাতিৰ অধিকাৰ বিচাৰিছে। চাহ শ্ৰমিক সম্প্ৰদায়ৰ জনগোষ্ঠীবোৰেও একে দাবীৰ ভিত্তিত আন্দোলন আৰম্ভ কৰি দিছে। হয়তো জনজাতিকৰণৰ পৰবৰ্তী পৰ্যায় হ'বগৈ স্বায়ত্বশাসন। বাকীসকলেও জাতিগতভাৱে সংগঠিত হ'বলৈ প্ৰয়াস চলাই আছে।

অৱশ্যে লক্ষণীয় কথা এয়ে যে এই জাতি-জনজাতিবিলাকে এতিয়াও পৃথকত্বৰ দাবী তোলা নাই আৰু 'অসমীয়া' পৰিচয়ো বিসৰ্জন দিয়া নাই। কিন্তু তেওঁলোকৰ ক্ষোভ বাঢ়িছে আৰু আত্মপৰিচয়গত সংকটৰো সৃষ্টি হৈছে। তদুপৰি তেওঁলোকে কিছুমান জাতিগত দায়-দাবীও উত্থাপন কৰিছে। উজনিৰ থলুৱা জনগোষ্ঠীবোৰৰ জনজাতিকৰণৰ অন্তৰালত আৰ্থিক স্বাৰ্থতকৈ ৰাজনৈতিক-নিৰ্বাচনী বিচাৰ-বিবেচনাহে অধিক সক্ৰিয়। বিপুল সংখ্যক চাহ শ্ৰমিকক জনজাতিৰ মৰ্য্যদা দিলে এই জনগোষ্ঠীবোৰে তেওঁলোকৰ বৰ্তমানৰ ৰাজনৈতিক-নিৰ্বাচনী অধিকাৰ আংশিকভাবে হ'লেও হেৰুওবাৰ আশংকা কৰে। নামনিৰ কোচ-ৰাজবংশীসকলে জনজাতিকৰণৰ মৰ্যাদা লৈ বি টি এ ডিত বড়োসকলৰ সমানে অধিকাৰ আশা কৰে। তদুপৰি তেওঁলোকে নামনি অসমৰ পৰা উত্তৰ বংগলৈকে বিস্তাৰিত অঞ্চলত এখন পৃথক কমতাপুৰ ৰাজ্যও দাবী কৰিছে।

স্বাভাৱিকতে এই আটাইবোৰ জনগোষ্ঠীৰে ক্ষোভ আৰু দায়-দাবীবোৰৰ প্ৰতি সময় থাকোতেই দৃষ্টি নিদিলেহে সমস্যাই জটিলতৰ ৰূপ ল'ব পাৰে। অসম আৰু অসমীয়া জাতিৰ ঐক্যৰ স্বাৰ্থতে এই আটাইবোৰ জনগোষ্ঠীৰ মাজত উমৈহতীয়া আলোচনা আৰু বুজাপৰাৰ ব্যৱস্থা কৰা উচিত। এনে বুজাপৰাৰ মাজেদিয়েই তেওঁলোকৰ জনজাতিকৰণ আৰু স্বায়ত্বশাসনৰ পৃথক পৃথক দাবীবোৰৰ এটা সৰ্বসন্মত আৰু সাৰ্বিক সমাধানসূত্ৰ বিচাৰি উলিওবাৰ বাবে নিৰলস প্ৰচেষ্টাৰ প্ৰয়োজন হৈছে। সকলোৰে সন্মতি আৰু সহযোগ সাপেক্ষে জাতিগত সংৰক্ষণ বা স্বায়ত্বশাসনৰ সুযোগ-সুবিধাবোৰ দিয়াৰ পিছতো তেওঁলোকক একক ভাষিক গোট হিচাপে ঐক্যবদ্ধ কৰি ৰখাৰ সম্ভাৱনাখিনিক বাস্তবায়িত কৰাৰ উপায় এটা উলিয়াব পাৰিলে সকলোৰে মঙ্গল।

অষ্টম অধ্যায়

উপসংহাৰ

অসমৰ বিদেশী বিতাড়ন আন্দোলন (১৯৭৯-৮৫) আৰু এতিয়াৰ বিচ্ছিন্নতাবাদী সন্ত্রাস অসম তথা সমগ্র দেশৰ জাতীয় জীৱনতেই ডাঙৰ ঘটনা। এটা শক্তিশালী বাওঁ আৰু গণতান্ত্রিক আন্দোলনৰ অনুপস্থিতিত এই আন্দোলনবিলাকেই আওপাকে অসমৰ সমস্যাৱলীৰ প্রতি দেশৰ জনসাধাৰণ তথা কেন্দ্রীয় চৰকাৰৰ দৃষ্টি আকর্ষণ কৰিছে। নহ'লে কেন্দ্রীয় চৰকাৰৰ অতিকেন্দ্রিক প্রৱণতাৰ উৎপাতত দুর্বল আৰু প্রান্তীয় প্রদেশবোৰৰ সমস্যা আৰু মর্মবেদনা সাধাৰণতে উপেক্ষিত হৈয়ে ৰ'লহেঁতেন। কিন্তু তাৰবাবে অসমৰ জনসাধাৰণে চৰম মূল্য দিবলগীয়া হৈছে। আমাৰো যাই আপত্তি তাতেই। সেইবাবেই আমি কমিউনিষ্ট আৰু গণতন্ত্রবাদীসকলে এই আন্দোলনবোৰৰ বিৰোধিতা কৰিছো। আমি বিশ্বাস কৰোঁ যে সন্ত্রাসবাদী আৰু উগ্রজাতীয়তাবাদী আন্দোলনে জনসাধাৰণৰ ঐক্যবদ্ধ গণতান্ত্রিক আন্দোলনৰ ঠাই কেতিয়াও ল'ব নোৱাৰে। পলম হ'লেও ঐক্যবদ্ধ গণতান্ত্রিক আন্দোলনেই অসমৰ জনসাধাৰণৰো একমাত্র বাঞ্ছিত পথ। আনহাতে এই উগ্রজাতীয়তাবাদী আৰু সন্ত্রাসবাদী আন্দোলনে অসমৰ জাতীয় জীৱনত এনে কিছুমান সর্বনাশী সমস্যাৰো সৃষ্টি কৰিলে যিবোৰৰ দ্রুত, নিৰপেক্ষ আৰু গ্রহণযোগ্য সমাধান বিচাৰি উলিয়াব নোৱাৰিলে অসমৰ জনসাধাৰণৰ ঐক্য-সংহতি, আর্থ-সামাজিক বিকাশ তথা সমগ্র দেশৰ জনসাধাৰণৰো ঐক্য-সংহতি সকলো বিনষ্ট হ'ব।

বিচ্ছিন্নতাবাদী আন্দোলনৰ মতাদর্শগত আৰু বাস্তৱ সীমাবদ্ধতাৰ কথা আলোচনা কৰা হৈছে। এতিয়া প্রশ্ন হ'ল, এই সমস্যাৰ সমাধান ক'ত? বর্তমানৰ জটিল পৰিস্থিতিত সকলোৰে আলফাৰ সন্ত্রাস আৰু বিচ্ছিন্নতাৰ সমস্যাৰ শান্তিপূর্ণ ৰাজনৈতিক সমাধান আৰু তাৰ বাবে আলাপ আলোচনাৰ পক্ষপাতিত্ব কৰাই স্বাভাৱিক। অসমৰ শান্তি আৰু মঙ্গল বিচৰা প্রতিজন ব্যক্তি আৰু প্রতিটো দল সংগঠনেই চৰকাৰ আৰু আলফা উভয়কে আলোচনাৰ বাবে আহ্বান জনাইছে। এদিন আলোচনাও হয়তো হ'ব। তথাপি এটা প্রশ্ন থাকি যায়; আলফাই আলোচনাৰ মেজত বহিলেই স্বাধীন অসমৰ দাবী আৰু আকাংক্ষা শেষ হৈ যাবনে? কেৱল আলোচনাই বিচ্ছিন্নতাবাদী আন্দোলনৰ বিকল্প পথৰ সন্ধান দিব পাৰিবনে? অসমৰ জনসাধাৰণৰ শান্তি আৰু গণতান্ত্রিক ঐক্য কেৱল কথা-বতৰাৰ মাজেদিয়েই ঘূৰি আহিবনে বা ৰক্ষা পৰিবনে? এইবোৰ খুব দামী প্রশ্ন।

আমি আলাপ আলোচনাৰ মুঠেই বিৰোধী নহয়। এনে আলোচনাৰ বাবে দুৱাৰ সদায় মুকলি কৰি থব লাগিব। এনে আলোচনাৰ মাজেদিয়েই কেন্দ্ৰীয় চৰকাৰৰ সৈতে দৰদাম কৰা আৰু অসমৰ কেতবোৰ মৌলিক আৰু জৰুৰী আৰ্থ-সামাজিক আৰু জাতিগত সংৰক্ষণমূলক দাবী মানি ল'বলৈ কেন্দ্ৰক বাধ্য কৰাৰ সুযোগ ওলাব পাৰে। সেয়ে চৰকাৰ আৰু আলফাৰ মাজত পূৰ্বচৰ্তহীন আলোচনাৰ জৰুৰী প্ৰয়োজন আছে। আলফাই নিজৰ গোড়ামি এৰি আলোচনাৰ বাবে আগবাঢ়ি অহা উচিত। এম এন এফ, এন-এছ-চি-এন (ইশ্বাক-মুইভা) আৰু বি এল টিৰ দৰে পূৰ্বোত্তৰৰে উগ্ৰপন্থী সংগঠনকেইটাৰ বাস্তববুদ্ধি, নমনীয়তা আৰু ৰাজনৈতিক পৰিপক্কতাৰ পৰা আলফায়ো শিক্ষা লোৱা উচিত। আত্মসমৰ্পণ নকৰাকৈও তেওঁলোকে স্বাধীনতাৰ দাবীত এটা সন্মানজনক আৰু অসম-অসমীয়াৰ বাবে লাভজনক বুজাপৰা কৰি ল'ব পাৰে। সেইদৰে কেন্দ্ৰীয় চৰকাৰেও নিজে কোনো চৰ্ত নিদিয়াকৈ আলফাক আলোচনাৰ বাবে আহ্বান জনোৱা উচিত। আলফাক চোৰ-ডকাইতৰ দৰে খেদি খেদি মাৰি-পিটি শেষ কৰাৰ ষড়যন্ত্ৰমূলক নীতি পৰিহাৰ কৰিবলৈ কেন্দ্ৰক বাধ্য কৰিব লাগিব।

গুৰুত্বপূৰ্ণ কথা হৈছে এনে এটা বিকল্প গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলা, যি আন্দোলনে অসমৰ জনসাধাৰণৰ আস্থা আদায় কৰিব পাৰে, অসমৰ সৰ্বাঙ্গীন উন্নতিৰ নিশ্চয়তা দিব পাৰে, বিচ্ছিন্নতাবাদী প্ৰৱণতা নিৰসন কৰিব পাৰে আৰু যি আন্দোলন কেন্দ্ৰৰ বৈষম্য, ষড়যন্ত্ৰ আৰু অতিকেন্দ্ৰিকতাৰ বিৰুদ্ধে এটা সবল প্ৰত্যাহ্বান হ'ব পাৰে। তেনে এটা আন্দোলন গঢ়ি তোলাৰ বাবে ৰাজ্যখনৰ সকলোবিলাক ৰাজনৈতিক দল আৰু অন্যান্য গণতান্ত্ৰিক শক্তি আগবাঢ়ি আহিব লাগিব আৰু অসমৰ আৰ্থ-সামাজিক সমস্যাবোৰ বিচাৰ বিশ্লেষণ কৰি ন্যায্য দাবীবোৰ সজোৰে উত্থাপন কৰিব লাগিব।

কিন্তু সমস্যা হ'ল, এই আন্দোলন কোনে কেনেকৈ আৰম্ভ কৰিব? কিছুমান দল-সংগঠনে অকলশৰীয়াকৈ দুই এটা দায়-দাবী উত্থাপন কৰিব পাৰে আৰু দুই এটা আন্দোলনো কৰিব পাৰে। কিন্তু আজিৰ পৰিস্থিতিৰ প্ৰয়োজন সি পূৰাব নোৱাৰে। আনহাতে ৰাজনৈতিক দলবোৰ বিভক্ত, বহুসময়ত দ্বিধাগ্ৰস্ত আৰু দলীয় চিন্তা সৰ্বস্ব। সিবিলাকৰ মাজত পাৰস্পৰিক অবিশ্বাস আৰু তিক্ততাও কম নহয়। অসমৰ বুদ্ধিজীৱীসকল আৰু মধ্যশ্ৰেণীটোৰ অধিকাংশই স্বাৰ্থপৰ, অদূৰদৰ্শী, সুযোগসন্ধানী আৰু তৰলমতীয়া। জনসাধাৰণো ভাষা, ধৰ্ম আৰু জাতিগোষ্ঠীত ছিন্নভিন্ন। এনে এটা হতাশজনক অৱস্থাত সকলোকে এটা গণতান্ত্ৰিক আন্দোলনৰ মাজত ঐক্যবদ্ধ কৰাৰ প্ৰয়াস কৰিবলৈও বুদ্ধি আৰু সাহসৰ প্ৰয়োজন। গতানুগতিক বিবৃতি তথা যৌথ আন্দোলনৰ আহ্বানেই এই ক্ষেত্ৰত বৰ বেছি সহায় নকৰিব। তেন্তে পন্থা কি?

পথ নিশ্চয় আছে, কিন্তু সি সহজ নহয়। এই জটিল সন্ধিক্ষণত অসমৰ জনসাধাৰণক নেতৃত্ব দিয়াৰ গুৰু দায়িত্ব বহন কৰিব লাগিব অসমৰ চৰকাৰ আৰু ৰাজনৈতিক দলসমূহেই। অথচ চৰকাৰ অনিচ্ছুক আৰু বিৰোধীপক্ষ ঐক্যবিহীন আৰু কল্পদৃষ্টিহীন।

আজিলৈকে অসমৰ কোনো ৰাজ্য চৰকাৰেই কেন্দ্ৰৰ বৈষম্যৰ বিৰুদ্ধে অসমৰ জনসাধাৰণক নেতৃত্ব দিব নোৱাৰিলে। অথচ দেশৰ বৰ্তমানৰ ৰাষ্ট্ৰব্যৱস্থাত কেন্দ্ৰৰ বিৰুদ্ধে ৰাজ্য চৰকাৰবিলাকৰ এটা প্ৰতিবাদী বা সংগ্ৰামী ভূমিকা আছে। সেই ভূমিকাক কংগ্ৰেছ (ই) বা অগপ কোনোটো চৰকাৰেই স্বীকাৰ আৰু পালন নকৰিলে। এতিয়া কৰিব লাগিব। সেইদৰে কেন্দ্ৰৰ বৈষম্য আৰু ৰাজ্যখনৰ আৰ্থসামাজিক বিকাশৰ অসমতাৰ বিৰুদ্ধে সংগ্ৰাম গঢ়ি তোলাটো ৰাজনৈতিক দলবোৰৰো প্ৰধান কৰ্তব্য। চৰকাৰ আৰু অন্যান্য ৰাজনৈতিক দল সকলোৱেই বিধান সভাৰ বাহিৰে ভিতৰে এই সংগ্ৰাম গঢ়ি তুলিব লাগিব। বিধান সভাতেই এই আন্দোলনৰ পাতনি মেলিব পাৰি। বিধান সভাত সকলো জাতি, ভাষা, ধৰ্মৰ মানুহ আছে। ৰাজনৈতিক দলবোৰে ভিন্ ভিন্ মতবাদৰো প্ৰতিনিধিত্ব কৰে। অসমৰ জনসাধাৰণক ঐক্যবদ্ধ কৰি উগ্ৰপন্থী সমস্যাৰ ৰাজনৈতিক সমাধান, ৰাজ্যখনৰ শিল্পায়ন, কেন্দ্ৰীয় ৰাজহৰ ন্যায্য অংশ, সম্পদৰ ন্যায্য ৰয়েল্টি, আমূল ভূমিসংস্কাৰ, প্ৰলয়ংকৰী বানপানী সমস্যাৰ স্থায়ী সমাধান, যোগাযোগ ব্যৱস্থাৰ উন্নতি সাধন আদি দাবীৰ ভিত্তিত এটা শক্তিশালী আৰু ঐক্যবদ্ধ গণ আন্দোলন গঢ়ি তোলো বুলিলে অসম চৰকাৰ আৰু ৰাজনৈতিক দলবোৰক বাধা দিওঁতা কোনো নাই। অসমৰ জনসাধাৰণক বিভক্ত বা ঐক্যবদ্ধ কৰা--দুয়োটা মন্ত্ৰই তেওঁলোকৰ জনা আছে। কিন্তু এতিয়ালৈকে অসমৰ সৰ্বাংগীন উন্নয়ন আৰু জাতি-জনজাতি সমস্যাৰ গণতান্ত্ৰিক আৰু ন্যায্য সমাধানৰ দাবীত সংখ্যাগুৰু-সংখ্যালঘু, জনজাতি-অজনজাতি, অসমীয়া-অনাঅসমীয়া সকলোকে ঐক্যবদ্ধ কৰাৰ কোনো প্ৰচেষ্টা চলা নাই। এইক্ষেত্ৰত বাওঁ আৰু গণতান্ত্ৰিক শক্তিয়ে আগভাগ লৈ এনে এক ঐক্যবদ্ধ আন্দোলনৰ কাৰ্য্যসূচী ল'ব লাগিব। তেওঁলোক সকলোৱেই আলফাক হিংসা আৰু বিচ্ছিন্নতাৰ পথ পৰিহাৰ কৰিবলৈ আহ্বান জনাইছে। তেনে বিকল্প গণতান্ত্ৰিক আন্দোলন এটা গঢ়ি তুলিব নোৱাৰিলে চৰকাৰ তথা ৰাজনৈতিক দলবোৰৰ বিশ্বাসযোগ্যতা আৰু গণপ্ৰতিনিধিত্বৰ নৈতিক অধিকাৰ থাকিবনে? আলফাৰ সন্ত্ৰাসে ছিন্ন ভিন্ন কৰা বিভিন্ন জাতি সম্প্ৰদায়ৰ ঐক্যক ঘূৰাই অনাৰ নৈতিক আৰু সাংবিধানিক দায়িত্বও তেওঁলোকৰেই।

বৰ্তমানৰ চৰকাৰ যদি সেই দায়িত্ব পালন কৰিবলৈ অপাৰগ হয়, তেন্তে তাৰ ঠাইত এটা গণতান্ত্ৰিক চৰকাৰ প্ৰতিষ্ঠাৰ বাবেও সকলোৱে চেষ্টা কৰিব লাগিব।

এইটো ঠিক যে বিজেপিৰ দৰে দলৰ মতবাদ জনগণৰ ঐক্যৰ পৰিপন্থী। এই দলটোৱে কেৱল সাম্প্ৰদায়িক সংঘাতৰ যোগেদিয়েই নহয়, জাতিগত সংঘাত আৰু বহিৰাগত হিন্দুৰ আধিপত্য প্ৰতিষ্ঠাৰ যোগেদিও অসমীয়া জাতিৰ ৰাজহাড় ভাঙিবলৈ চেষ্টা চলাইছে। তেনে দল তথা মতবাদৰ বিৰুদ্ধেও সংগ্ৰাম চলাব লাগিব। আলফায়ো সন্ত্ৰাস আৰু বিচ্ছিন্নতাৰ দাবী প্ৰত্যাহাৰ কৰিব লাগিব, কাৰণ সেই পথে অসমৰ জনসাধাৰণৰ বাবে অমঙ্গল মাতি আনিছে। জনসাধাৰণৰ স্বাৰ্থৰ প্ৰতিকূলে গ'লে আৰু তেওঁলোকৰ আশীৰ্বাদ তথা সক্ৰিয় সহযোগৰ পৰা বঞ্চিত হ'লে যিকোনো ধৰণৰ সন্ত্ৰাস বা আন্দোলন

আত্মহত্যালৈকে পৰ্যবসিত হয়। তেওঁলোকে আৰু এটা কাৰণত সন্ত্ৰাস আৰু বিচ্ছিন্নতাবাদ পৰিহাৰ কৰা উচিত। বিচ্ছিন্নতাবাদী কামকাজ বন্ধ নহ'লে অসমৰ বিভিন্ন জাতিগোষ্ঠীৰ আৰু ভাষা-ধৰ্মৰ মানুহৰ অ বশিষ্ট ঐক্যকণো ৰক্ষা কৰা সম্ভৱ নহব। বড়ো আৰু কাৰ্বিসকলক পৃথক ৰাজ্যৰ দাবী পৰিহাৰ কৰিবলৈ অনুপ্ৰাণিত কৰিব লাগিব। তাৰ বাবে সকলোৱে ৰাজ্যখনত এটা মুক্ত গণতান্ত্ৰিক পৰিবেশ গঢ়ি তুলিব লাগিব আৰু অসমৰ চাৰিসীমাৰ ভিতৰতে এই জনগোষ্ঠীবোৰৰ সমতা আৰু সমবিকাশৰ বাবে সুনিৰ্দিষ্ট বহুজাতিক ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। সেইদৰে ৰাজ্যখনৰ ভাষিক আৰু ধৰ্মীয় সংখ্যালঘু সকলক ৰাজ্যখনৰ উমৈহতীয়া স্বাৰ্থত ঐক্যবদ্ধ সংগ্ৰামৰ বাবে অনুপ্ৰাণিত কৰিব লাগিব।

বড়োসকলে তেওঁলোকৰ দীৰ্ঘদিনীয়া ক্ষোভ আৰু বঞ্চনাৰ উপশম বিচাৰিছিল। তেওঁলোকৰ বিকাশমান আৰু শিক্ষিত মধ্যবিত্ত শ্ৰেণীটোৱে নিৰালম্ব আৰু গৰীব কৃষক সমাজক প্ৰধান অৱলম্বন হিচাপে বাছি লৈছিল। সমগ্ৰ জনজাতীয় সমাজখনৰ ক্ষোভ আৰু সংগ্ৰামক প্ৰতিনিধিত্ব কৰিব পৰাকৈ এই শ্ৰেণীটো এতিয়া প্ৰস্তুত হৈছে। বড়ো আন্দোলনৰ শক্তি আৰু উগ্ৰতাও লুকাই আছিল এই জনজাতীয় সমাজখনৰ ঐক্য আৰু স্বাৰ্থৰ অভিন্নতাৰ মাজত। তেওঁলোকক এনে পৃথকত্ববাদী আন্দোলনৰ ফালে ঠেলি দিয়াৰ বাবেও প্ৰধান জগৰীয়া হ'ল অসমৰ পুৰণি জনজাতিবিৰোধী চৰকাৰী নীতি, অগপ চৰকাৰৰ অবাঞ্ছিত অৱহেলা আৰু সাধাৰণভাৱে অসমীয়াৰ জাত্যাভিমান। কিন্তু বড়োসকলক কিছু ৰাজনৈতিক আৰু জাতীয় অধিকাৰ প্ৰদান নকৰাকৈ বড়োসমস্যাৰ যে সমাধান সম্ভৱ নাছিল, সেই কথা বাস্তৱতাই প্ৰমাণ কৰিছে। এতিয়া তেওঁলোকে বি টি এ ডিৰ জৰিয়তে স্বশাসনৰ বিপুল অধিকাৰ লাভ কৰিছে। তেওঁলোকে এই স্বায়ত্বশাসন যাতে সফল আৰু অৰ্থবহ কৰি তুলিব পাৰে তাৰবাবে অসমৰ চৰকাৰ আৰু জনসাধাৰণে অকুণ্ঠচিত্তে আৰু সহৃদয়তাৰে সকলো ধৰণৰ সহায়-সহযোগ আগবঢ়াব লাগিব। অসমৰ ঐক্য-সংহতি ৰক্ষা কৰা আৰু বিভিন্ন জনগোষ্ঠীৰ মাজত সদ্ভাৱ আৰু এটা উমৈহতীয়া মানসিকতা গঢ়ি তোলাৰ এয়ে হৈছে পৰীক্ষিত পথ।

সেইদৰে কাৰ্বি আংলং জিলা পৰিষদৰ আৰ্থিক আৰু ৰাজনৈতিক ক্ষমতা বৃদ্ধি কৰি কাৰ্বি সমস্যাৰ সমাধান কৰিব পৰা যায়। আনহাতে সময় থাকোতেই চৰকাৰে ৰাজ্যখনৰ অন্যান্য জনগোষ্ঠীবোৰৰ লগত মুক্তভাৱে আলাপ আলোচনা কৰি তেওঁলোকৰ ক্ষোভ আৰু দায়-দাবীবোৰ বিচাৰ কৰি চোৱা উচিত আৰু মানিব পৰা দাবীবোৰ মানি লোৱা উচিত। অসম আৰু অসমীয়া জাতি যে তেওঁলোক সকলোৰে উমৈহতীয়া সম্পত্তি, সেই চেতনাৰ উন্মেষ আৰু বৃদ্ধিও এটা মুক্ত আৰু সহৃদয়তাপূৰ্ণ পৰিবেশতহে সম্ভৱ।

অসমৰ জাতীয় জীৱনৰ সুস্থিৰতাৰ বাবে ৰাজ্যখনৰ ন-পুৰণি মুছলমান আৰু চাহ-বনুৱাসকলৰ সহযোগিতাও অপৰিহাৰ্য। অসমৰ পুৰণি মুছলমানসকল অসমীয়া জাতিৰ লগত সংমিশ্ৰিত হৈ পৰিছে। পমুৱাসকলৰো বৃহৎ অংশই অসমীয়া ভাষা-সংস্কৃতি

লৈছে আৰু বাকীসকলেও লোৱাৰ প্ৰতি আগ্ৰহী। কিন্তু তেওঁলোকক যোৱা বিদেশী বিতাড়ন আন্দোলনে সাংঘাতিক ধৰণেৰে আঘাত কৰি গ'ল। অসমৰ মুছলমানসকল সেই শাৰীৰিক আৰু মানসিক ক্ষয়ক্ষতিৰ দুঃস্বপ্নৰ পৰা এতিয়াও মুক্ত হ'ব পৰা নাই। হিন্দু-মুছলমানৰ মাজত সৃষ্টি হোৱা আস্থা আৰু সম্প্ৰীতিৰ সংকট এতিয়াও আঁতৰ হোৱা নাই। অসমীয়াই নিজৰ মঙ্গলৰ বাবেই এই পৰিস্থিতিক সলনি কৰিব লাগিব আৰু যিকোনো ত্যাগৰ বিনিময়ত হ'লেও সাম্প্ৰদায়িক ঐক্য ৰক্ষা কৰিব লাগিব। অসমীয়া যদি জাতি হিচাপে বাচি থাকিব লাগে, তেন্তে হিন্দু-মুছলমানৰ সংমিশ্ৰিত জাতি হিচাপেই বাচি থাকিব লাগিব। কিন্তু যোৱা নিৰ্বাচনবোৰত ভালেমান ভাষিক সংখ্যালঘুপ্ৰধান অঞ্চলত বিজেপিৰ চমকপ্ৰদ অগ্ৰগতিয়ে সাম্প্ৰদায়িকতাবাদৰ বিপদ নিচেই কাষ চপাই আনিছে। এই সাম্প্ৰদায়িকতাবাদে অসমৰ জাতীয় জীৱনত বিপৰ্যয়ৰ সৃষ্টি কৰিব পাৰে। সেয়ে বিজেপিৰ সাম্প্ৰদায়িকতাবাদৰ বিৰুদ্ধে অসমৰ জনসাধাৰণ তথা গণতান্ত্ৰিক শক্তিবোৰে নিৰৱচ্ছিন্ন সংগ্ৰাম চলাব লাগিব। চাকৰিকে ধৰি বিভিন্ন ক্ষেত্ৰত মুছলমানসকলৰ প্ৰতি কৰা অন্যায় বৈষম্যবোৰ দূৰ কৰিব লাগিব আৰু তেওঁলোকৰ অধিকাৰ সুৰক্ষিত হ'ব লাগিব।

অসমৰ প্ৰায় এক চতুৰ্থাংশ জনসংখ্যাৰ চাহ বনুৱাসকলে যে আজিও অসমীয়া পৰিচয় এৰা নাই, তাৰ বাবে অসমীয়াই কোনো কৃতিত্ব দাবী কৰিব নোৱাৰে। চাহ বনুৱাসকল আজিও চাহ বাগিচাবোৰত বন্দী— আৰ্থিক আৰু সামাজিক দুয়ো দিশতে। তেওঁলোকৰ মাজত শিক্ষা-দীক্ষাৰ সাংঘাতিক অভাৱ। উচ্চ শিক্ষা দূৰৰ কথা, প্ৰাথমিক শিক্ষাৰে দুখলগা অভাৱ আছে চাহ বাগিচা বিলাকত। নিবনুৱা যুৱকৰ সংখ্যাও দ্ৰুতগতিৰে বাঢ়িছে। অথচ চৰকাৰী চাকৰি-বাকৰিত চাহ বনুৱা লোক একেবাৰে নাই বুলিলেই হয়। ৰাজ্যখনৰ এই বিপুল সংখ্যাৰ চাহ বনুৱাক অশিক্ষা, অনগ্ৰসৰতা, কৰ্মসংস্থানহীনতা আৰু চাহ বাগিচাৰ সংকীৰ্ণ গণ্ডীৰ ভিতৰত আবদ্ধ কৰি ৰাখি অসমীয়াই বেছি দূৰ আগবাঢ়ি যাব নোৱাৰিব। এতিয়া চাহ জনজাতি যুৱকসকলৰ মাজতো ক্ষোভ আৰু প্ৰতিবাদ লাহে লাহে ঘনায়মান হৈ আহিছে। অসমৰ চৰকাৰ তথা গণতান্ত্ৰিক শক্তিবোৰে চাহ বনুৱাসকলৰ অভাৱ-অভিযোগৰ পূৰণ, শিক্ষা-সংস্কৃতি আৰু জীৱন-জীৱিকাৰ বাবে দ্ৰুত পদক্ষেপ লোৱা উচিত।

বস্তুতৰে বাবে অপ্ৰিয় হ'লেও এই কথা স্বীকাৰ কৰি ল'ব লাগিব যে অসম বহু জাতি-উপজাতিৰ এখন ক্ষুদ্ৰ যুক্তৰাষ্ট্ৰ হিচাপেহে বাচি থাকিব পাৰিব। অসমীয়াৰ একক কৰ্তৃত্ব বৰ্তমানৰ অসমত অচল আৰু অবাঞ্ছনীয়। আমি এই কথা পাহৰি গ'লে ভুল হ'ব যে যিবিলাক জনগোষ্ঠীয়ে এতিয়া পৃথকত্বৰ দাবী তুলিছে, অসম তেওঁলোকৰ প্ৰাকৃতিক গৃহভূমি। তেওঁলোক অসমৰ "ভূমিপুত্ৰ" আছিল নে নাই সেইটো তৰ্কৰ বিষয়, কিন্তু তেওঁলোকেই যে অসমৰ আদি বাসিন্দা তাত কোনো সন্দেহ নাই। অসমীয়াই এই জনজাতিবোৰক সন্মান কৰিবলৈ শিকিব লাগিব। আমি যেন পাহৰি নাযাওঁ জনজাতিবিলাকৰ

হৃদয়ৰ স্তূপীকৃত ক্ষোভ, বেদনা আৰু অবিশ্বাসৰ কথা। তেওঁলোকে যাতে অসমৰ পৰা বিচ্ছিন্নতাৰ দাবী তুলিব লগীয়া নহয় তাৰ বাবে প্ৰয়োজনীয় পৰিবেশ সৃষ্টি কৰাৰ দায়িত্বও অসমীয়াৰে। অসমীয়াই যদি জাত্যাভিমান এৰি যুক্তি আৰু উদাৰতা দেখুৱাব পাৰে তেতিয়া এই জনগোষ্ঠীবোৰেই হয়তো নিসংকোচে অসমীয়াৰ প্ৰসাৰিত হাত গ্ৰহণ কৰিব পাৰে।

অসমীয়াই এই কথাও স্বীকাৰ কৰি ল'ব লাগিব যে বড়ো আৰু কাৰ্বিসকলক স্বায়ত্বশাসন দিয়াৰ পিছত অসমীয়া জাতিৰ পৰিধি সংকুচিত হ'বলৈ বাধ্য। তেওঁলোক এতিয়া প্ৰকৃতাৰ্থত ভাষিক অসমীয়া জাতিৰ অংগ হৈ থকা নাই। অসমীয়া ভাষা-সংস্কৃতিৰ লগত তেওঁলোকৰ সম্পৰ্ক কেনেধৰণৰ হ'ব সেই প্ৰশ্নৰ মীমাংসাও তেওঁলোকেই কৰিব। কিন্তু তেওঁলোকৰ গাত জোৰ কৰি "অসমীয়া" পৰিচয়টো জাপি দিবলৈ গ'লে হিঁতে বিপৰীত হোৱাৰহে দুৰ্ভাৱনা আছে। অসমীয়াই বুজা উচিত যে 'বৰ অসম' আৰু 'বৃহৎ অসমীয়া জাতি'ৰ আবেগৰ বেলুন কেতিয়াবাই ফুটিছে। বৰং যিবিলাক জাতিগোষ্ঠী আৰু সম্প্ৰদায়ে জনজাতিৰ মৰ্যাদা দাবী কৰিলেও এতিয়াও পৃথকত্বৰ দাবী তোলা নাই, সেইবিলাকক অসমীয়া জাতিৰ সমান অংশীদাৰ হিচাপে যথাযোগ্য সন্মান আৰু মৰ্য্যদা দিয়াৰ বাস্তৱ জ্ঞান আৰু উদাৰতাহে অসমীয়াই আয়ত্ত কৰিব লাগিব। কি কি চৰ্তত তেওঁলোক সকলো চিৰদিনৰ বাবে অসমীয়া হৈ থাকিব পাৰে সেইবোৰ জানিবলৈ আৰু পূৰণ কৰিবলৈ চেষ্টা কৰিব লাগিব। কৰ্ত্তৃত্বসুলভ আচৰণ আৰু একপক্ষীয় বিচাৰ-বুদ্ধিৰে অসমীয়াই কেতিয়াও নিজক ৰক্ষা কৰিব নোৱাৰে।

একে সময়তে বিভিন্ন জাতি, ভাষা, ধৰ্মৰ মানুহেও এই কথা বুজিবলৈ চেষ্টা কৰিব লাগিব যে অসমৰ পৰা ফাটি গ'লেই নাইবা অসমীয়াৰ বিৰুদ্ধে কেৱল বিষোদগাৰ কৰি থাকিলেই তেওঁলোকৰ জাতিগত আৰু আৰ্থ-সামাজিক বিকাশ সুনিশ্চিত নহয়। বৰং সেই নিশ্চয়তা দিব পাৰিব কেৱল অসমীয়া আৰু অনা-অসমীয়া সকলো লোকৰে গণতান্ত্ৰিক ঐক্য আৰু সংগ্ৰামেহে। সংখ্যালঘু সকলেও এই কথা বুজি উঠিব লাগিব যে সংখ্যাগুৰু অসমীয়াৰ সদিচ্ছা, সহানুভূতি আৰু সহযোগিতাৰ অবিহনে সংখ্যালঘুৰ অধিকাৰৰ ওপৰত আক্ৰমণ চলিয়েই থাকিব। তেওঁলোকে এই কথাও বুজিব লাগিব যে এক বৃহত্তৰ পৰিসৰত আৰ্থিক পৰিকল্পনা আৰু ঐক্যবদ্ধ প্ৰচেষ্টা হাতত ল'ব নোৱাৰিলে এই অঞ্চলৰ প্ৰাকৃতিক সম্পদৰ সদ্ব্যৱহাৰ আৰু আৰ্থিক স্বাৱলম্বিতা অৰ্জন কৰা কোনো বিচ্ছিন্ন জনগোষ্ঠীৰ বাবে সম্ভৱ নহয়। অসমীয়া বিচ্ছিন্নতাবাদীসকলেও সৰ্বভাৰতীয় পটভূমিত এই কথা উপলব্ধি কৰিব লাগিব। আজিৰ পৰিস্থিতিত ভাৰত বা অসমৰ জাতিগত, সাম্প্ৰদায়িক আৰু ৰাজনৈতিক বিভাজনে সকলোৰে বাবে অমঙ্গল তথা অধিকতৰ দুখ-যন্ত্ৰণাহে মাতি আনিব। ছোভিয়েত ইউনিয়নৰ অভিজ্ঞতাৰ পৰাও সকলোৱে শিক্ষা লোৱা উচিত। ইউনিয়নৰ পৰা স্বাধীন হৈ যোৱা গণৰাজ্যবোৰেও আকৌ নতুন ধৰণৰ এক কমনওৱেল্‌থ গঠন কৰাৰ বাস্তৱ প্ৰয়োজনীয়তাক আমি বুজিবলৈ চেষ্টা কৰিব লাগিব।

শেষ কথা, অসমীয়া জাত্যাভিমানীসকল মুক্ত গণতান্ত্রিক জীৱন প্রণালী আৰু মূল্যবোধৰ ওচৰত নতশিৰ হ'বই লাগিব। ভাৰতবৰ্ষৰ দৰেই অসমো বহুজাতিক, বহুভাষিক আৰু বহুধৰ্মীয় ৰাজ্য। ইয়াত জাতিগত সংখ্যালঘুৰ দৰে ভাষিক আৰু ধৰ্মীয় সংখ্যালঘুসকলৰ প্রতিও সহিষ্ণুতা দেখুৱাব নোৱাৰিলে অসমীয়াৰ জাতি গঠন প্রক্রিয়াহে ব্যাহত হ'ব। ধৰ্মীয় উপাসনাৰ দৰে সকলোৰে মাতৃভাষাৰ অধিকাৰো অসমীয়াই মানি ল'ব লাগিব। আৰু ভাষিক সংখ্যালঘুসকলক উপযুক্ত ৰক্ষণাবেক্ষণ দিব লাগিব। যিহেতু অসম অসমীয়াৰ একমাত্র গৃহভূমি, সেয়ে ইয়াত অসমীয়া ভাষাৰ শৈক্ষিক আৰু প্রশাসনিক মৰ্যাদা নিশ্চয় সুৰক্ষিত হ'ব লাগিব। একে সময়তে অসমীয়া আৰু অন্যান্য ভাষাবোৰৰ মাজত সমন্বয় সাধনৰ বাবে এটা গ্রহণযোগ্য ভাষিক সূত্রও উদ্ভাৱন কৰিব লাগিব। অসমীয়াক যদি সকলোৱে উমৈহতীয়া ভাষা হিচাপে গ্রহণ কৰে তেন্তে ভাল কথা। কিন্তু তাৰ বাবে সামান্যতম জোৰ জুলুম হোৱাও উচিত নহয়। বৰ্তমান অৱস্থাত ইংৰাজী ভাষাক কলেজ-বিশ্ববিদ্যালয়ত ৰাখিব লাগিব। অন্যান্য ভাষাভাষী লোকসকল যাতে অবাঞ্ছিত অসুবিধাৰ সন্মুখীন হ'বলগীয়া নহয় তাৰ প্রতি দৃষ্টি ৰাখি কাৰ্যকৰী ব্যৱস্থা গ্রহণ কৰিব লাগিব। একে সময়তে জাতি-ধৰ্ম-ভাষাৰ নামত অবাঞ্ছিত সংঘাত সৃষ্টি কৰিবলৈ আৰু জাতীয় সংহতি ধ্বংস কৰিবলৈ বিচৰা শক্তিবোৰকো চিনাক্ত কৰি প্রতিহত কৰিব লাগিব।

আজি অসমবাসীৰ প্রধান দায়িত্ব হ'ল ৰাজ্যখনলৈ গণতান্ত্রিক পৰিবেশ ঘূৰাই অনা আৰু গণতান্ত্রিক চৰকাৰ তথা প্রশাসন সুনিশ্চিত কৰা। ক্ষুদ্রই হওক বা ডাঙৰেই হওক, জাতি নামৰ আপুৰুগীয়া গছজোপাও তেনে এক মুক্ত পৰিৱেশতহে বিকশিত আৰু ফুলে ফলে জাতিষ্কাৰ হয়। ভাষিক অসমীয়াৰ জাতিগত নিৰাপত্তা আৰু সংৰক্ষণৰ ব্যৱস্থাও এটা মুক্ত, গণতান্ত্রিক পৰিৱেশতহে সম্ভৱ। গণ আন্দোলন সফল কৰাৰ বাবে এটা অনুকূল পৰিস্থিতি লাগে। গণতন্ত্রৰ পৰীক্ষাও হয় সকলো ধৰণৰ সংখ্যালঘুৰ প্রতি লোৱা নীতি আৰু মনোভাৱৰ মাজতহে। এই কথা সাধাৰণভাবে সমগ্র ৰাজ্যখনৰ ক্ষেত্রত যিদৰে প্রযোজ্য, সেইদৰে স্বায়ত্বশাসিত জনজাতিবিলাকৰ বাবেও সমানে প্রযোজ্য।

বৰ্তমান অৱস্থাৰ পৰিহাস হ'ল এয়ে যে অসমৰ জাতিগত ভাষিক আৰু ধৰ্মীয় সংখ্যালঘুসকলৰ বাঞ্ছিত অধিকাৰ আৰু সমতাক স্বীকাৰ কৰি ল'লেহে অৰ্থাৎ নিজে প্রকৃত গণতন্ত্রবাদী হ'ব পাৰিলেহে অসমৰ চাৰিসীমাৰ ভিতৰত আনবিলাকৰ লগতে অসমীয়াই নিজেই সংখ্যাগুৰু জাতি হিচাপে বাচি থাকিব পাৰিব।

এই জাতীয় সহঅৱস্থান আৰু সমমৰ্যাদাক স্বীকাৰ কৰি ল'লেহে অসমৰ প্রতিটো জাতিগোষ্ঠী আৰু ভাষা-ধৰ্মৰ মানুহে তেওঁলোকৰ মূল শত্রু সাম্রাজ্যবাদ, দেশৰ বৃহৎ বুৰ্জোৱা শ্ৰেণী আৰু জমিদাৰসকলৰ শাসন-শোষণৰ বিৰুদ্ধে প্রকৃত সামাজিক মুক্তিৰ সংগ্রামত বাঞ্ছিত ভূমিকা পালন কৰিবলৈ সক্ষম হ'ব।

পৰিশিষ্ট - ১

বি টি চি চুক্তিৰ পূৰ্ণপাঠ

ভাৰত চৰকাৰ আৰু অসম চৰকাৰে বড়োসকলৰ ভাষিক, সাংস্কৃতিক পৰিচয়ৰ ৰক্ষণাবেক্ষণ তথা শিক্ষা আৰু অৰ্থনৈতিক উন্নয়নৰ আশা-আকাংক্ষা পূৰণৰ বাবে যৌথ প্ৰচেষ্টা চলাই আহিছে। এই লক্ষ্য আগত ৰাখিয়েই ২০০০ চনৰ মাৰ্চ মাহৰ পৰা ভাৰত চৰকাৰ, অসম চৰকাৰ আৰু বড়ো লিবাৰেশ্যন টাইগাৰ্ছৰ মাজত এলানি আলোচনা অনুষ্ঠিত হৈছিল। এই আলোচনালানিৰ যোগেদি অসমৰ বড়ো বসতি-প্ৰধান অঞ্চলসমূহৰ বাবে এখন স্বায়ত্তশাসিত পৰিষদ গঠনৰ বাবে ঐকমত্যত উপনীত হ'ব পৰা গৈছে।

২। **উদ্দেশ্য ঃ** এই ঐকমত্যৰ উদ্দেশ্যাবলী হ'ল— অসম ৰাজ্যৰ ভিতৰত বড়োলেণ্ড টেৰিটৰিয়েল কাউঞ্চিল (বি টি চি) নামৰ এখন স্বায়ত্তশাসিত পৰিষদ গঠন আৰু ষষ্ঠ অনুসূচীৰ অধীনত স্বায়ত্তশাসিত পৰিষদখনক সাংবিধানিক সুৰক্ষা প্ৰদান; বড়োসকলৰ অৰ্থনৈতিক, শৈক্ষিক, ভাষাগত আশা-আকাংক্ষা পূৰণ আৰু ভূমিস্বত্ব, সামাজিক-সাংস্কৃতিক আৰু জনগোষ্ঠীয় পৰিচয়ৰ সংৰক্ষণ আৰু বি টি চি এলেকাত আন্তঃগাঁথনিৰ দ্ৰুত উন্নয়ন সাধন কৰা।

৩। এলেকা

৩.১ ঃ প্ৰস্তাবিত বি টি চিৰ এলেকাত অসম চৰকাৰৰ সংলগ্ন পৰিশিষ্ট-১ ত দিয়া তালিকা অনুসৰি ৩,০৮২ খন গাঁও অন্তৰ্ভুক্ত হ'ব। মীমাংসা-পত্ৰখনত স্বাক্ষৰ কৰাৰ ৬ মাহৰ ভিতৰত অসমৰ বৰ্তমান জিলাসমূহৰ পুনৰ্গঠনৰ অন্তত বি এল টিৰ প্ৰস্তাৱ অনুক্ৰমে আৰু সীমা পুনৰ্নিৰ্দ্ধাৰণ আয়োগৰ অনুমোদন সাপেক্ষে উল্লেখিত গাঁও আৰু অঞ্চলসমূহক একেলেঠাৰিয়ে থকাকৈ ৪ খন নতুন জিলাত বিভক্ত কৰা হ'ব।

৩.২। ভাৰত চৰকাৰ, অসম চৰকাৰ আৰু বি এল টিৰ পৰা এজনকৈ প্ৰতিনিধিক লৈ গঠিত কমিটি এখনে বি টি চিত অন্তৰ্ভুক্তিৰ বাবে বি এল টিয়ে দাবী কৰা অতিৰিক্ত ৯৫ খন গাঁও আৰু অঞ্চলৰ ক্ষেত্ৰত ৫০ শতাংশতকৈ অধিক জনজাতীয় লোকে বাস কৰা, সংলগ্নতা অথবা অন্য স্বীকৃত প্ৰাসংগিক মান নিৰ্ধাৰকৰ ভিত্তিত মীমাংসা-চুক্তি স্বাক্ষৰৰ তিনি মাহৰ ভিতৰতে সিদ্ধান্ত গ্ৰহণ কৰিব।

৪। বড়োলেণ্ড টেৰিটৰিয়েল কাউন্সিলৰ প্ৰস্থিতি ঃ ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচী আৰু আন প্ৰাসঙ্গিক অনুচ্ছেদসমূহৰ ব্যৱস্থাৱলী এই মীমাংসা-পত্ৰ অনুসাৰে প্ৰয়োজনীয় সংশোধন সাপেক্ষে বি টি চিত বলৱৎ কৰা হ'ব। বি টি চি এলেকাৰ অজনজাতিৰ লোকৰ বাবে নিৰ্দিষ্ট কৰা সুৰক্ষা আৰু পৰিৱৰ্তনসমূহ আৰু অন্যান্য বিষয়সমূহ এনেধৰণৰ—

৪.১। সংবিধানৰ ষষ্ঠ অনুসূচীত স্বায়ত্ত অঞ্চলসমূহৰ সম্পৰ্কে থকা দফা ১ (২) ব্যৱস্থাৱলী বি টি চিত প্ৰযোজ্য নহ'ব।

৪.২ : ষষ্ঠ অনুসূচীৰ দফা ২ (১) ত বি টি চিৰ সদস্য সংখ্যা ৪৬ লৈ বৃদ্ধি কৰা বিষয়ক ব্যৱস্থাৰ সংযোগ ঘটোৱা হ'ব আৰু এই সদস্যসকলৰ ভিতৰত ৩০ জন অনুসূচিত জনজাতিৰ, ৫জন অজনজাতীয় সম্প্ৰদায়ৰ, ৫জন অন্যান্য সম্প্ৰদায়ৰ বাবে মুক্ত ৰখাৰ বিপৰীতে বি টি চিত প্ৰতিনিধিত্ব নোপোৱা সম্প্ৰদায়সমূহৰ মাজৰ পৰা অতি কমেও দুগৰাকী মহিলাসহ ৬জন সদস্যক ৰাজ্য চৰকাৰে মনোনীত কৰিবলৈ ব্যৱস্থা কৰা হ'ব। এনে মনোনীত সদস্যসকলে আন সদস্যসকলৰে সমমৰ্যাদা, অধিকাৰৰ লগতে ভোটদানৰ সুবিধাও লাভ কৰিব। বি টি চিৰ ৪০ খন আসনৰ নিৰ্বাচন প্ৰাপ্তবয়স্কৰ ভোটাধিকাৰৰ ভিত্তিত অনুষ্ঠিত কৰা হ'ব। এনে নিৰ্বাচিত প্ৰতিনিধিসকলৰ কাৰ্যকাল ৫ বছৰ হ'ব।

৪.৩ : অজনজাতিৰ সম্পত্তিৰ বন্দৱস্তি অধিকাৰ, হস্তান্তৰ আৰু উত্তৰাধিকাৰৰ সুৰক্ষা ব্যৱস্থাৰাজিক ষষ্ঠ অনুসূচীৰ দফা-৩ত উপযুক্তভাৱে অন্তৰ্ভুক্ত কৰা হ'ব। বি টি চিয়ে এই সম্পৰ্কে প্ৰস্তুত কৰা কোনো আইনে— (ক) কোনো এজন ভাৰতীয় নাগৰিকে নিজা ভূমিৰ বিবৰত উপভোগ কৰি থকা অধিকাৰ-সুবিধাৰাজিক বি টি চি গঠনৰ দ্বাৰা বিলুপ্ত কৰা নহ'ব আৰু (খ) কোনো নাগৰিকক উত্তৰাধিকাৰ আবণ্টন. বন্দৱস্তি সূত্ৰে বা হস্তান্তৰণৰ দ্বাৰা বি টি চিৰ ভিতৰত ভূমি আহৰণৰ পৰা বিৰত কৰিব নোৱাৰিব— যদিহে নাগৰিকজনৰ এনে ধৰণে ভূমি আহৰণৰ বাবে যোগ্যতা থাকে।

৪.৪ : ষষ্ঠ অনুসূচীৰ দফা-৬ত ব্যৱস্থা কৰা হ'ব যে বি টি চি এলেকাত ভাষা আৰু শিক্ষানুষ্ঠানৰ পাঠদানৰ মাধ্যম ৰাজ্য চৰকাৰৰ অনুমোদন অবিহনে সলনি কৰা নহ'ব।

৪.৫ : ভূমি ৰাজহ নিৰ্ধাৰণ আৰু সংগ্ৰহ আৰু শুল্ক প্ৰৱৰ্তনৰ ক্ষমতা বিষয়ক ষষ্ঠ অনুসূচীৰ দফা-৮ বি টি চিত প্ৰযোজ্য হ'ব।

৪.৬ : ষষ্ঠ অনুসূচীৰ দফা-১০ বি টি চিত বলবৎ নহ'ব।

৪.৭ : ৰাজ্য বিধানসভাত বি টি চি এলেকাৰ প্ৰতিনিধিত্ব সম্পৰ্কীয় স্থিতাৱস্থা অক্ষুন্ন ৰখাৰ বাবে সংবিধানৰ ৩৩২ (৬) ধাৰাৰ ব্যৱস্থাৱলীৰ পৰিবৰ্তন ঘটোৱা হ'ব। বি টি চি গঠনৰ পিছত সংবিধানৰ ব্যৱস্থাৱলীৰ ভিত্তিত সীমা পুনৰ্নিৰ্ধাৰণ আয়োগৰ দ্বাৰা সংসদীয় আৰু বিধানসভা সমষ্টিসমূহৰ নতুনকৈ সীমা নিৰূপণ কৰা হ'ব।

৪.৮ : একেসময়ে বি টি চি এলেকাত পঞ্চায়তীৰাজ ব্যৱস্থাৰ বিলুপ্তি ঘটাই এই পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহৰ ক্ষমতাৱলী কাউন্সিলৰ হাতত অৰ্পণ কৰা হ'ব। ষষ্ঠ অনুসূচীৰ সংশোধনীসমূহে অজনজাতিৰ লোকসকলে বি টি চি গঠনৰ মুহূৰ্তত উপভোগ কৰি থকা অধিকাৰসমূহক বাধা প্ৰদান নকৰাকৈ আৰু তেওঁলোকৰ ভূমিস্বত্বকে ধৰি সকলো অধিকাৰ-সুবিধা সুৰক্ষিত কৰাৰ ব্যৱস্থাৱলী সামৰি ল'ব।

৫। ক্ষমতাৱলী আৰু কাৰ্যাৱলী ঃ

৫.১ ঃ পৰিষদলৈ হস্তান্তৰিত কৰা তলত উল্লিখিত বিভাগসমূহৰ বিষয়ত আইন প্ৰণয়নৰ ক্ষমতা পৰিষদৰ থাকিব। এই দফাৰ অধীনত প্ৰস্তুত কৰা সকলো আইন ৰাজ্যপাললৈ প্ৰেৰণ কৰা হ'ব আৰু তেওঁৰ অনুমোদন অবিহনে ইবোৰ প্ৰযোজ্য হ'ব নোৱাৰিব। পৰিষদলৈ হস্তান্তৰিত বিভাগসমূহৰ ক্ষেত্ৰত বি টি চিৰ কাৰ্যবাহী, প্ৰশাসনিক আৰু বিত্তীয় ক্ষমতা থাকিব।

প্ৰস্তাৱিত বি টি চিৰ বাবে অসম চৰকাৰৰ দ্বাৰা অনুমোদিত বিভাগসমূহ–

১) ক্ষুদ্ৰ, কুটীৰ আৰু গ্ৰাম্য উদ্যোগ, ২) পশুপালন আৰু পশু চিকিৎসা, ৩) বন, ৪) কৃষি, ৫) গড়কাপ্টানি, ৬) বয়নশিল্প, ৭) শিক্ষা– (ক) প্ৰাথমিক, (খ) উচ্চতৰ মাধ্যমিক (কাৰিকৰী প্ৰশিক্ষণসহ), (গ) প্ৰাপ্তবয়স্ক শিক্ষা, (ঘ) মহাবিদ্যালয়ৰ শিক্ষা (সাধাৰণ)। ৮) সাংস্কৃতিক পৰিক্ৰমা, ৯) ভূমি সংৰক্ষণ, ১০) সহযোগিতা, ১১)মীন, ১২) পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, ১৩) হস্ততাঁত আৰু বেচমশিল্প, ১৪) স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, ১৫) জনস্বাস্থ্য অভিযন্ত্ৰণ, ১৬) পানী যোগান, ১৭) সামাজিক কল্যাণ, ১৮) বান নিয়ন্ত্ৰণ, ১৯) ক্ৰীড়া আৰু যুব কল্যাণ; ২০) হিচাপ আৰু ওজন পৰীক্ষণ, ২১) গ্ৰন্থাগাৰ সেৱা, ২২) মিউজিয়াম আৰু পুৰাতত্ত্ব, ২৩) চহৰ উন্নয়ন– নগৰ আৰু গাঁও এলেকা আঁচনি, ২৪) জনগোষ্ঠীয় গৱেষণা প্ৰতিষ্ঠান, ২৫) ভূমি আৰু ৰাজহ, ২৬) প্ৰচাৰ/জনসম্পৰ্ক, ২৭) ছপা আৰু মনোহাৰী, ২৮) পৰ্যটন, ২৯) পৰিবহণ, ৩০) আঁচনি আৰু বিকাশ, ৩১) পৌৰ নিগম, ট্ৰাষ্টৰ বিকাশ, জিলা শাখাসমূহ আৰু অন্যান্য স্থানীয় কৰ্তৃপক্ষ, ৩২) ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ, ৩৩) মেলা আৰু বজাৰ, ৩৪) লটাৰী, থিয়েটাৰ, চিনেমা আদি, ৩৫) পৰিসংখ্যা, ৩৬) খাদ্য আৰু অসামৰিক যোগান, ৩৭) কানি, মদ আদি ৰাগিয়াল দ্ৰব্য, ৩৮)শ্ৰম আৰু নিয়োগ, ৩৯) সাহায্য আৰু পুনৰ্সংস্থাপন, ৪০) জন্মমৃত্যুৰ পঞ্জীয়ন।

৫.২ ঃ পৰিষদত ১২ জন সদস্যবিশিষ্ট এখন কাৰ্যবাহী পৰিষদ থাকিব আৰু ইয়াত এজনকৈ মুখ্য আৰু উপ-মুখ্য কাৰ্যবাহী সদস্য থাকিব। অজনজাতি লোকৰ বাবে কাৰ্যবাহী পৰিষদত উপযুক্ত প্ৰতিনিধিত্বৰ ব্যৱস্থা থাকিব। বি টি চি এলেকাত প্ৰট'কল সম্পৰ্কীয় ক্ষেত্ৰত পৰিষদৰ মুখ্য আৰু উপ-মুখ্য কাৰ্যবাহী সদস্য দুজনে অসম চৰকাৰৰ কেবিনেট মন্ত্ৰীৰ সম-মৰ্যাদা লাভৰ বিপৰীতে কাৰ্যবাহী সদস্যসকলে ৰাজ্যমন্ত্ৰীৰ মন্ত্ৰীৰ সমান মৰ্যাদা লাভ কৰিব।

৫.৩ ঃ পৰিষদৰ এলেকাত থকা কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰীৰ ওপৰত বি টি চিৰ সম্পূৰ্ণ কৰ্তৃত্ব থাকিব আৰু এই বিষয়া-কৰ্মচাৰীসকলৰ বদলিৰো সিদ্ধান্ত গ্ৰহণ বি টি চিয়ে ল'ব পাৰিব। এই বিষয়া-কৰ্মচাৰীসকলৰ গোপনীয় প্ৰতিবেদনো (ACR) উপযুক্ত বি টি চি প্ৰাধিকাৰীয়ে প্ৰস্তুত কৰিব।

৫.৪ ঃ অসম চৰকাৰে পালন কৰা নিযুক্তি সম্পৰ্কীয় সকলো নিয়মাৱলী পালনেৰে বি টি চিৰ নিযুক্তি সম্পৰ্কীয় ক্ষমতা থাকিব, অৱশ্যে এ পি এছ চিৰ অনুমোদনৰ অধীনত নিযুক্তি সম্পন্ন কৰিব লগীয়া পদৰ ক্ষেত্ৰত এই নিয়ম প্ৰযোজ্য হ'ব। পৰিষদে নিযুক্তিৰ বিষয়ত এখন বাছনি সমিতি স্থাপন কৰিব পাৰিব। ৰাজ্যপালৰ অনুমোদন সাপেক্ষে নিযুক্তি প্ৰদানৰ সুবিধা আৰু এই ক্ষেত্ৰত পৰিষদ এলেকাত বাস কৰা সকলো সম্প্ৰদায়ক উপযুক্ত প্ৰতিনিধিত্ব প্ৰদানৰ বাবে পৰিষদে আইন প্ৰণয়নৰো কৰ্তৃত্ব পাব।

৫.৫ ঃ অসম চৰকাৰৰ স্বীকৃতি অবিহনে বি টি চিয়ে কোনো পদৰ সৃষ্টি কৰিব নোৱাৰিব আৰু পদৰ বিনাশ ঘটোৱা অথবা সাময়িকভাৱে খালী ৰখাৰ বিষয়ত অসম চৰকাৰে গ্ৰহণ কৰা সকলো সিদ্ধান্ত পৰিষদে পালন কৰিব লাগিব।

৫.৬ ঃ বি টি চি এলেকাভুক্ত উন্নয়ন কাৰ্যাৱলী আৰু সংস্থাসমূহ বি টি চিলৈ হস্তান্তৰিত কৰা হ'ব। ডি আৰ ডি এৰ ক্ষেত্ৰত ভাৰত চৰকাৰৰ স্বীকৃতিৰ প্ৰয়োজন হ'ব।

৫.৭ ঃ উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকৰ কাৰ্যালয় বি টি চিৰ কৰ্তৃত্ব আৰু নিয়ন্ত্ৰণৰ বাহিৰত থাকিব।

৫.৮ ঃ ৰাজ্য চৰকাৰে প্ৰতিবছৰে জনসংখ্যাৰ অনুপাতৰ ভিত্তিত উন্নয়নমূলক কামৰ বাবে প্ৰতিবছৰে নিৰ্দিষ্ট পৰিমাণৰ পুঁজি সাহায্য-অনুদান হিচাপে দুটা কিস্তিত বি টি চিক প্ৰদান কৰিব। দৰমহা আৰু নিৰ্দিষ্ট খণ্ডৰ বাবে প্ৰয়োজনীয় পুঁজিক বাদ দি পৰিকল্পনাত উপলব্ধ ধনৰাশিৰ ভিত্তিত বি টি চিৰ বাবে আগবঢ়াবৰ লগা পুঁজিৰ সমানুপাতিক অংশ নিৰূপণ কৰা হ'ব। ৰাজ্যৰ পৰিকল্পনাৰ আবণ্টনৰাশি হ্ৰাস কৰিলে এই পুঁজিৰ পৰিমাণো সমানুপাতিকভাৱে হ্ৰাস কৰা হ'ব। একেটা কথা বিত্তীয় নাটনিৰ বাবে ৰাজ্যৰ পৰিকল্পনা সংকুচিত কৰিলেও প্ৰযোজ্য হ'ব। অতিৰিক্তভাৱে, পৰিষদক পৰিকল্পনাৰ ধনৰ পৰা উপযুক্তভাৱে পুঁজি আগবঢ়োৱাৰ লগতে কাৰ্যালয় খৰচ আৰু কৰ্মচাৰীক দৰমহা দিবৰ বাবে পৰিকল্পনা-বহিৰ্ভূত পুঁজিৰ পৰাও ধনৰ যোগান ধৰা হ'ব। বি টি চিয়ে ইয়াৰ অধীনৰ কৰ্মচাৰীক দৰমহা বিতৰণৰ ক্ষমতা লাভৰ লগতে এই বিষয়ত কঠোৰ বিত্তীয় ব্যৱস্থাপনা বলৱৎ কৰাটো নিশ্চিত কৰিব।

৫.৯ ঃ উন্নয়নমূলক কামৰ বাবে কেন্দ্ৰ আৰু ৰাজ্যই আগবঢ়োৱা পুঁজিৰ বিষয়ত বি টি চি কৰ্তৃপক্ষই এখন পৰিকল্পনা যুগুত কৰিব আৰু ইয়াত পৰিষদৰ অধীনৰ সকলোবোৰ বিভাগৰ কাম সামৰি ল'ব। বি টি চি এলেকাত বাস কৰা সকলো লোকক উপকৃত কৰাকৈ কৰিব লগা উন্নয়নমূলক কামৰ আঁচনি নিৰ্বাচন আৰু যুগুত কৰাত আৰু পুঁজি নিৰ্ধাৰণৰ ক্ষেত্ৰত পৰিষদৰ বিশেষাধিকাৰ থাকিব। এই পৰিকল্পনাখন ৰাজ্যৰ পৰিকল্পনাৰ উপ-পৰিকল্পনা হ'ব আৰু ৰাজ্যিক পৰিকল্পনাৰো ই অবিচ্ছেদ্য অংগ হ'ব। বি টি চি পৰিকল্পনাসহ ৰাজ্যৰ পৰিকল্পনাখনে পৰিকল্পনা আয়োগৰ স্বীকৃতি আহৰণৰ পিছত বি টি চি কৰ্তৃপক্ষই ইয়াৰ অন্তৰ্ভূক্ত এলেকাত এই পৰিকল্পনাত সন্নিৱিষ্ট আঁচনিসমূহ ৰূপায়ণ কৰিব পাৰিব। প্ৰয়োজন অনুসৰি পৰিকল্পনা আয়োগে এই পৰিকল্পনাৰ সংশোধনী

ঘটালে সেয়া বি টি চি কৰ্তৃপক্ষই জানিবলৈ বাধ্য থাকিব। ৰাজ্য চৰকাৰে বি টি চিলৈ আবণ্টিত কোনো পুঁজি অন্য শিতানলৈ স্থানান্তৰিত কৰিব নোৱাৰিব আৰু ইয়াৰ সময়মতে মুকলি হোৱাটো নিশ্চিত কৰিব। বি টি চি এলেকাৰ বাবে পৰিকল্পনা যুগুতোৱাৰ বাবে পৰিষদে নিজস্বভাৱে পৰিকল্পনা বিভাগ স্থাপন কৰিব পাৰিব আৰু ই প্ৰস্তুত কৰা পৰিকল্পনা ৰাজ্য চৰকাৰৰ জৰিয়তে পৰিকল্পনা আয়োগলৈ প্ৰেৰণ কৰিব পাৰিব।
৫.১০ ঃ পৰিষদৰ কাৰ্যবাহী ক্ষমতাৱলী ইয়াৰ মুখ্য সচিবৰ দ্বাৰা পৰিচালিত হ'ব– যাৰ মৰ্যাদা অসম চৰকাৰৰ এজন আয়ুক্ত অথবা সচিবৰ পৰ্যায়ৰ হ'ব। অসম চৰকাৰৰ অনুমোদন ক্ষমতা পৰিষদৰ মুখ্য সচিবৰ হাতত অৰ্পিত হ'ব। একেদৰে, এই বিভিন্ন বিভাগসমূহৰ জ্যেষ্ঠ মুখ্য বিষয়াসকলৰ হাততো এই ক্ষমতাৰ লগতে কাৰিকৰী অনুমোদনৰ কৰ্তৃত্ব অৰ্পণ কৰা হ'ব।
৬। আইন আৰু শৃংখলা ঃ আৰক্ষী-প্ৰশাসন শক্তিশালী কৰাৰ বাবে অসম চৰকাৰে বি টি চিৰ জিলা ৪ খনৰ বাবে এজন আই জি পি নিযুক্তি দিব আৰু কোকৰাঝাৰৰ ডি আই জিৰ কৰ্তৃত্ব এই জিলা ৪ খনক সামৰাকৈ পৰিবৰ্তন কৰা হ'ব।
৭। অনুসূচিত জাতিৰ সংশোধিত তালিকা ঃ ষষ্ঠ অনুসূচীৰ অধীনত বি টি চি এলেকাৰ সংযোজন ঘটোৱাৰ পৰিপ্ৰেক্ষিতত অসমৰ অনুসূচিত জাতিৰ তালিকাখন এনেভাৱে সংশোধন ঘটোৱা হ'ব– যাতে বি টি চি এলেকাৰ বাহিৰত বাস কৰা বড়ো আৰু অন্য জনজাতিসকলৰ জনজাতীয় মৰ্যাদা কোনো ধৰণে বিঘ্নিত নহয়।
৮। কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ পাৰ্বত্য জিলাৰ বড়ো-কছাৰীলৈ অনুসূচিত জনজাতিৰ মৰ্যাদা প্ৰদান ঃ ভাৰত চৰকাৰে কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ পাৰ্বত্য জিলাত বাস কৰা বড়ো-কছাৰীসকলক ৰাজ্য চৰকাৰৰ জনজাতিৰ তালিকাত অন্তৰ্ভুক্তিৰ বাবে সহানুভূতিৰে বিবেচনা কৰাৰ বাবে সন্মত হৈছে।
৯। বড়ো ভাষাৰ উন্নয়ন ঃ ৯.১ ঃ ভাৰত চৰকাৰে ভাৰতৰ সংবিধানৰ ইংৰাজী সংস্কৰণত দেৱনাগৰী লিপিৰ বড়ো ভাষাক উপযুক্তভাৱে সংযোজনৰ বাবে সন্মতি প্ৰকাশ কৰিছে।
৯ ২ ঃ বড়ো ভাষা বি টি চিৰ চৰকাৰী ভাষা হিচাপে ব্যৱহৃত হোৱাৰ লগতে অসমীয়া আৰু ইংৰাজী ভাষাও একে সময়তে চৰকাৰী কাম-কাজত ব্যৱহৃত হৈ থাকিব।
১০। বি টি চিৰ বাবে অতিৰিক্ত উন্নয়ন পেকেজ ঃ ১০.১ ঃ ৰাজ্য চৰকাৰে ইয়াৰ বিত্তীয় পৰিসীমাৰ মাজতে পৰিষদলৈ বিশেষ আৰ্থিক অনুমোদন যোগান ধৰিব– যাতে পৰিষদে ব্যক্তিগত খণ্ডৰ বিনিয়োগকাৰীসকলক পৰিষদ এলেকালৈ বিনিয়োগৰ বাবে আকৰ্ষিত কৰিব পাৰে।
১০ ২ ঃ অঞ্চলটোৰ সৰ্বাংগীন উন্নয়নৰ লগতে ৰাইজৰ আশা-আকাংক্ষাক বাস্তৱায়িত কৰিবলৈ ভাৰত চৰকাৰে বি টি চি এলেকালৈ ৫ বছৰৰ বাবে প্ৰতিবছৰে ১০০ কোটিকৈ টকাৰ আৰ্থিক সাহায্য আগবঢ়াব। উল্লেখ্য, প্ৰতি ৫ বছৰৰ মূৰে মূৰে উক্ত উন্নয়ন প্ৰক্ৰিয়াৰ বিস্তৃত পৰ্যালোচনা কৰা হ'ব। এক নিৰ্দিষ্ট সময় আৰু নিয়মীয়া অন্তৰালৰ

মূৰত বি টি চিলৈ যোগান ধৰিব লগীয়া ধনপ্ৰাপ্তিৰ বাবে এক সহজ আৰু সুপৰিকল্পিত ব্যৱস্থাও যুগুতাই উলিওৱা হ'ব।
১। বড়ো ভাষাৰ বিকাশ আৰু গৱেষণাৰ বাবে এক কেন্দ্ৰ স্থাপন। ২। বি টি চি এলেকাত প্ৰাথমিক পৰ্যায়ৰ পৰা কলেজ পৰ্যায়লৈকে কম্পিউটাৰ, বিজ্ঞান লেবৰেটৰী আদি আধুনিক সা-সুবিধাৰ লগতে স্কুলঘৰ নিৰ্মাণ/ মেৰামতিৰে বৰ্তমান শৈক্ষিক আন্তঃগাঁথনিৰ উন্নয়ন। ৩। বড়ো পৰম্পৰা আৰু সাংস্কৃতিক ঐতিহ্যৰ বিকাশৰ বাবে কোকৰাঝাৰত এক সাংস্কৃতিক প্ৰকল্প স্থাপন। ৪। কোকৰাঝাৰত এখন উন্নত মানৰ, অত্যাধুনিক সা-সুবিধাৰ এক হাস্পতাল নিৰ্মাণ। সকলো জিলা, মহকুমা আৰু ব্লকত চৰকাৰী হাস্পতাল নিৰ্মাণ কৰা হ'ব। ৫। সকলো জিলা সদৰত ক্ৰীড়া প্ৰকল্প স্থাপন ৬। কোকৰাঝাৰ, কাজলগাঁও, ওদালগুৰি আৰু তামুলপুৰত খাদ্য প্ৰস্তুত কাৰখানা আৰু হিমগৃহ প্ৰতিষ্ঠা। ৭। কইলামইলা, আমগুৰি আদিক আন ৰাজ্যৰ সৈতে সংলগ্ন কৰাৰ বাবে আই নদীৰ ওপৰত দলং নিৰ্মাণ। ৮। নতুন দিল্লীত বড়োলেণ্ড ভৱন স্থাপন। ৯। সমন্বিত কৃষিজাত সামগ্ৰী উৎপাদন আৰু বস্ত্ৰ-পোছাক পাৰ্ক। ১০। ককিলাবাৰীৰ কৃষিপামৰ পুনৰ্জীৱিতকৰণ। ১১। আন্তৰ্জাতিক পৰ্যটন কেন্দ্ৰ হিচাপে মানস অভয়াৰণ্যক গঢ়ি তোলাৰ বাবে পৰিগাঁথনিগত সা-সুবিধা প্ৰদান। ১২। চম্পা, গুৰুাই আৰু ধনশিৰি জলসিঞ্চন আঁচনি সম্পূৰ্ণকৰণ। ১৩। সীমান্তৰ এলেকাসমূহৰ সংযোগৰ বাবে ভাৰত-ভুটানৰ সীমান্তত যমদুৱাৰৰ পৰা ভৈৰৱকুণ্ডলৈ ৰাষ্ট্ৰীয় পথ নিৰ্মাণ। ১৪। চাৰিখন জিলাতে আত্মসংস্থাপনৰ বাবে যুৱকসকলক উৎসাহিত কৰাৰ বাবে আদৰ্শ, দুগ্ধ, মৎস্য, পুষ্প আৰু মুৰ্গী পাম/প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন। ১৫। বি টি চি এলেকাৰ স্বাস্থ্য চিকিৎসালয়সমূহৰ সা-সুবিধা বৃদ্ধি কৰা। ১০.৩ : বি টি চি এলেকাত নতুনকৈ গঠন হ'বলগীয়া জিলা সদৰ, মহকুমা সদৰ আৰু খণ্ড মুখ্যালয়ৰ উপৰি কোকৰাঝাৰত নিৰ্মাণ হ'বলগীয়া বি টি চি সচিবালয় কমপ্লেক্সৰ বাবে ভাৰত চৰকাৰে এককালীন আৰ্থিক অনুদান আগবঢ়াব।

১১। কেন্দ্ৰীয় অৰ্থ-সাহায্যপ্ৰাপ্ত বিশ্ববিদ্যালয় : ১১.১ : বিভিন্ন ধৰণৰ প্ৰযুক্তিবিদ্যা তথা কাৰিকৰী শিক্ষা সম্বন্ধীয় বিষয় যেনে— তথ্য প্ৰযুক্তিবিদ্যা, জৈৱ-প্ৰযুক্তিবিদ্যা, খাদ্য-প্ৰস্তুতকৰণ, বিজিনেছ মেনেজমেণ্ট আদিৰ শিক্ষা দান কৰিবলৈ কেন্দ্ৰীয় চৰকাৰৰ আৰ্থিক অনুদানত চেণ্ট্ৰেল ইনষ্টিটিউট অৱ টেকনলজী (চি আই টি) শীৰ্ষক শিক্ষা প্ৰতিষ্ঠান প্ৰতিষ্ঠা কৰা হ'ব।

১১.২ : কাৰিকৰী আৰু অ-কাৰিকৰী বিভিন্ন বিষয় সামৰি বি টি চিৰ দ্বাৰা পৰিচালিত হ'বলগীয়া চি আই টিক পৰ্যায়ক্ৰমে কেন্দ্ৰীয় অনুমোদনপ্ৰাপ্ত ৰাজ্যিক বিশ্ববিদ্যালয়ৰ মৰ্যাদা প্ৰদান কৰা হ'ব।

১২। সাহায্য আৰু পুনৰসংস্থাপন : ১২.১ : শান্তি আৰু উন্নয়ন-প্ৰক্ৰিয়া ত্বৰান্বিত কৰাৰ স্বাৰ্থত বি এল টিয়ে হিংসাৰ পথ ত্যাগ কৰি ৰাষ্ট্ৰীয় মূলসুঁতিলৈ প্ৰত্যাৱৰ্তন কৰিব। অন্তৰ্বৰ্তীকালীন পৰিষদৰ শপত লোৱাৰ এসপ্তাহ পূৰ্বে বি এল টিয়ে ইয়াৰ

সংগঠন ভাঙি অস্ত্র ত্যাগ কৰি আত্মসমৰ্পণ কৰিব। ৰাজ্য চৰকাৰে আত্মসমৰ্পণকাৰী বি এল টি সদস্যসকললৈ সাহায্য আৰু পুনৰ সংস্থাপনৰ প্ৰতি পূৰ্ণ সহযোগিতা আগবঢ়াব। আনহাতে, ১৯৮৭ চনৰ বড়ো আন্দোলনৰ স'তে জড়িত আত্মগোপনকাৰী বি এল টি সদস্যৰ বিপৰীতে থকা গোচৰসমূহ ৰাজ্য চৰকাৰৰ বাহাল থকা আঁচনি মতে বিবেচনা কৰি চোৱা হ'ব। ১২.২ ঃ ভাৰত চৰকাৰে ইয়াৰ নেতৃত্বাধীন বিভিন্ন বিভাগত থকা বড়ো কৰ্মচাৰীসকলৰ 'ৰিভিউ অব এক্সন' পুনৰ পৰ্যালোচনাৰ বাবে ব্যৱস্থা হাতত ল'ব। অনুৰূপে ৰাজ্য চৰকাৰেও কৰিব। ১২.৩ ঃ বড়ো যুৱকসকলক আৰক্ষী, সামৰিক বাহিনী আৰু অৰ্ধসামৰিক বাহিনীত ভৰ্তিকৰণৰ বাবে বিবেচনা কৰা হ'ব।

১৩। গোষ্ঠীগত সংঘৰ্ষত ক্ষতিগ্ৰস্ত লোকৰ বাবে বিশেষ পুনৰসংস্থাপন আঁচনিঃ কোকৰাঝাৰ, বঙাইগাওঁ সাহায্য শিবিৰত থকা গোষ্ঠীগত সংঘৰ্ষত ক্ষতিগ্ৰস্ত লোকসকলৰ বাবে বিশেষ পুনৰ সংস্থাপন আঁচনি লোৱা হ'ব। ভাৰত চৰকাৰৰ তৰফৰ পৰা তেনে ক্ষতিগ্ৰস্ত লোকলৈ বিনামূলীয়াকৈ মাটি প্ৰদানৰ লগতে পুনৰসংস্থাপনৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

১৪। চুক্তি সম্পাদনৰ পিছতেই অসমৰ ৰাজ্যপালৰ দ্বাৰা বি টি চিৰ বাবে অন্তৰ্বৰ্তীকালীন কাৰ্যবাহী পৰিষদ গঠন কৰা হ'ব। এই পৰিষদৰ বাবে বড়ো আন্দোলনৰ নেতৃবৃন্দ, চুক্তিত স্বাক্ষৰ কৰা নেতৃবৃন্দ তথা বি টি চি এলেকাৰ জনজাতীয় সম্প্ৰদায়ৰ লোকক নিৰ্বাচিত কৰা হ'ব। অন্তৰ্বৰ্তীকালীন কাৰ্যবাহী পৰিষদ গঠনৰ ছমাহৰ ভিতৰত বি টি চিৰ বাবে সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হ'ব। ৰাজ্য চৰকাৰে এই সময়ছোৱাতেই বড়ো স্বায়ত্ত শাসিত পৰিষদখন ভংগ কৰি দিব।

১৫। অসম চৰকাৰে বি টি চিৰ নেতৃবৃন্দৰ লগত আলোচনামৰ্মে ৰাভা, মিচিং আৰু লালুং স্বায়ত্তশাসিত পৰিষদত থকা বড়োকে ধৰি সকলো জনজাতীয় গোষ্ঠীক অন্তৰ্ভুক্তিৰ বিষয়টো বিবেচনা কৰি চাব।

১৬। চুক্তি ৰূপায়ণৰ সামগ্ৰিক দিশটো পৰ্যায়ক্ৰমে পৰ্যবেক্ষণ কৰিব ভাৰত চৰকাৰ, অসম চৰকাৰ আৰু বি টি চিৰ উচ্চ পৰ্যায়ৰ প্ৰতিনিধিৰে গঠিত এখন কমিটিয়ে।

পৰিশিষ্ট - ২

বাপচন্দ্ৰ মহন্তৰ সমালোচনা

এখন গ্ৰন্থৰ প্ৰতিক্ৰিয়া

কিতাপখনৰ প্ৰকাশকৰ ফালৰ পৰা 'আমাৰ এষাৰ' বুলি প্ৰথমতে কৈছে যে মহাবিদ্যালয়খনত ছাত্ৰ শিক্ষকৰ প্ৰতিনিধি লৈ এখন আকাডেমিক কমিটি গঠন কৰা হৈছে। চিন্তা-চৰ্চাৰ পৰিবেশ সৃষ্টি কৰা এই প্ৰয়াস অন্যান্য শিক্ষানুষ্ঠানৰ কাৰণেও অনুকৰণীয়। মুখবন্ধত লেখকে অসমীয়া জাতিৰ বৰ্তমান উগ্ৰ জাতীয়তাবাদ আৰু বিচ্ছিন্নতাবাদৰ পৰা সৃষ্টি হোৱা আত্মঘাতী সমস্যাৰ কাৰণ আৰু তাৰ সমাধানৰ উপায় বিচাৰি কৰিবলগীয়া সচেতন প্ৰচেষ্টাৰ কথাকে উল্লেখ কৰিছে। বিষয়বস্তুৰ বৰ্ণনা প্ৰসংগতো লেখকৰ নিৰপেক্ষ বিচাৰ তথা সামাজিক দায়বদ্ধতাৰ পৰিচয় পোৱা গৈছে। উদ্দেশ্য আৰু আলোচ্য বিষয়ত প্ৰকাশ পোৱা এই গুণকেইটাৰ কাৰণেই এইখন এখন ভাল কিতাপ বুলি মানি লৈছো। লেখক আৰু প্ৰকাশকৰ উদ্দেশ্যৰ লগত সংগতি ৰাখি পাঠকসকলে নিৰপেক্ষভাৱে এই কিতাপ পঢ়ি সংযত বিচাৰ আৰু কাৰ্যপদ্ধতিৰে সামাজিক দায়িত্ব পালন কৰিলে, অন্ধকাৰ ভৱিষ্যতৰ গহ্বৰত পৰিবলৈ দ্ৰুতগতিত আগবাঢ়ি যোৱা অসমীয়া জাতিৰ দুৰ্দিন দূৰ হ'ব পাৰে।

ভূমিকাত লেখকে কৈছে- 'বৃহৎ বুৰ্জোৱাৰ শোষণ, লুণ্ঠন আৰু কেন্দ্ৰীয় চৰকাৰৰ বঞ্চনা তথা অবহেলাৰ পৰা অসমীয়াই কোনো দিনে উদ্ধাৰ নাপাব নেকি? নিশ্চয় পাব। আমাৰ বোধেৰে ইয়াত নৈৰাশ্যৰ কোনো কাৰণ নাই; কিন্তু অসমীয়াৰ সেই বাঞ্ছিত মুক্তিৰ আচল পথ বিচ্ছিন্নতাবাদ কেতিয়াও নহয়। অপ্ৰিয় হ'লেও এই সত্যক অসমীয়াই স্বীকাৰ কৰিব লাগিব যে লক্ষ-কোটি ভাৰতবাসীৰ ভাগ্যৰ লগত অসমীয়াৰ ভাগ্যও অবিচ্ছিন্নভাৱে যুক্ত হৈ আছে। ভাৰতৰ শ্ৰমজীৱী জনগণে একচেটীয়া পুঁজিবাদ, সামন্তবাদ আৰু সাম্ৰাজ্যবাদক নিজৰ তথা দেশৰ প্ৰধান শত্ৰুৰূপে চিহ্নিত কৰিছে। জনগণে এই শ্ৰেণীৰ শত্ৰুবোৰৰ হাতৰ পৰা ক্ষমতা দখল কৰি এখন প্ৰকৃত গণতান্ত্ৰিক আৰু বিকেন্দ্ৰীকৃত ফেডাৰেছন প্ৰতিষ্ঠা কৰিব পাৰিলেহে দেশৰ অংগৰাজ্য তথা পশ্চাদপদ জাতি, গোষ্ঠীবোৰৰ স্বাধীন বিকাশ, সমতা আৰু সামাজিক ন্যায়ৰ পথ প্ৰশস্ত হ'ব বুলি আশা কৰিব পাৰি।

ভূমিকাত উল্লেখ কৰা আনটো গুৰুত্বপূৰ্ণ কথা হ'ল অসমীয়া সমাজখনৰ সংখ্যাগৰিষ্ঠ জনজাতিসকলৰ মানসিক সংঘাতৰ কাৰণ আৰু তাৰেই পৰিণতি বিচ্ছিন্নতাবাদী চিন্তাৰ

বিকাশ তথা বাঞ্ছিত ফলপ্ৰাপ্তিৰ কাৰণে হিংসাত্মক প্ৰয়াস। মন কৰিবলগীয়া যে সামাজিক-সাংস্কৃতিক কথাবোৰেই ৰাজনৈতিক ৰূপ লৈ শান্তি আৰু সমৃদ্ধিৰ বিকাশৰ ক্ষেত্ৰত বাধাহে সৃষ্টি কৰিছে।

আলোচ্য বিষয় :

মূল পুথিৰ পাছৰ অধ্যায়বোৰত এটা ঐতিহাসিক ক্ৰমত সংহতি আৰু সংঘাতৰ চিত্ৰবোৰ দাঙি ধৰা হৈছে। এই অধ্যায়বোৰ যথাক্ৰমে (১) জাতীয় জীৱনৰ ফেঁহুজালি, (২) জাতীয় জীৱনৰ প্ৰস্ফুটন, (৩) ঔপনিবেশিক যুগৰ সংশয় আৰু সংঘাত, (৪) বৈষম্য আৰু প্ৰৱঞ্চনাৰ কাহিনী, (৫) আত্মপ্ৰৱঞ্চনা আৰু আত্মনিয়ন্ত্ৰণৰ প্ৰশ্ন, (৬) ইতিহাসৰ প্ৰতিশোধ, (৭) উপসংহাৰ।

উপসংহাৰ প্ৰসংগত কৈছে, 'বহুতৰে বাবে অপ্ৰিয় হ'লেও এই কথা স্বীকাৰ কৰি ল'ব লগিব যে অসম বহু জাতি-উপজাতিৰ এখন ক্ষুদ্ৰ যুক্তৰাষ্ট্ৰ হিচাপেহে বাছি থাকিব পাৰিব। অসমীয়াৰ একক কৰ্তৃত্ব বৰ্তমানৰ অসমত অচল আৰু অবাঞ্ছনীয়। আমি এই কথা পাহৰি গ'লে ভুল হ'ব যে যিবিলাক জনগোষ্ঠীয়ে এতিয়া পৃথকত্বৰ দাবী তুলিছে, অসম তেওঁলোকৰ প্ৰাকৃতিক গৃহভূমি। তেওঁলোক অসমৰ 'ভূমিপুত্ৰ' আছিলনে নাই সেইটো তৰ্কৰ বিষয়, কিন্তু তেওঁলোকেই যে অসমৰ আদি বাসিন্দা তাত কোনো সন্দেহ নাই। অসমীয়াই এই জনজাতিবোৰক সন্মান কৰিবলৈ শিকিব লাগিব। আমি যেন পাহৰি নাযাও জনজাতিবিলাকৰ হৃদয়ৰ স্তূপীকৃত ক্ষোভ, বেদনা আৰু অবিশ্বাসৰ কথা। তেওঁলোকে যাতে অসমৰ পৰা বিচ্ছিন্নতাৰ দাবী তুলিবলগীয়া নহয় তাৰ বাবে প্ৰয়োজনীয় পৰিবেশ সৃষ্টি কৰাৰ দায়িত্বও অসমীয়াৰে। অসমীয়াই যদি জাত্যাভিমান এৰি যুক্তি আৰু উদাৰতা দেখুৱাব পাৰে তেতিয়া এই জনগোষ্ঠীবোৰেই হয়তো নিসংকোচে অসমীয়াৰ প্ৰসাৰিত হাত গ্ৰহণ কৰিব পাৰে।' এই প্ৰসংগত অসমবাসী মাত্ৰকে যেন অসমীয়া বুলি ধৰা হোৱা নাই। আনহাতে কোনো এটা ধৰ্মমতাৱলম্বী অথবা সম্প্ৰদায়ৰ লোককো অসমীয়া বোলা হোৱা নাই। হিন্দু, মুছলমান, শিখ আৰু খৃষ্টিয়ান যিকোনো ধৰ্মমতাৱলম্বী আৰু অসমীয়াকে মাতৃভাষাৰূপে গ্ৰহণ কৰি অহা সকলো শ্ৰেণীৰ লোককে অসমীয়া বুলি ধৰা হৈছে। এই ক্ষেত্ৰত কেৱল বৰ্ণহিন্দুসকলকে অসমীয়া বুলি ধৰি ল'ব নোৱাৰি।

লেখকে ভূমিকাত কৈছে- 'সকলোৰে জনা কথা যে অসমীয়া জাতি আৰু ভাষা-সংস্কৃতি মূলতঃ আৰ্যমূলীয়হে। প্ৰাগ ঐতিহাসিক কালতেই পূবৰ মংগোলীয় জনগোষ্ঠীবোৰৰ লগত পশ্চিম আৰ্যগোষ্ঠীৰ লোকসকলৰ মিলন ঘটিছিল প্ৰাচীন অসমৰ 'ম্লেচ্ছ' প্ৰধান সমাজখনৰ বুকুতেই। অসমীয়া ভাষা আৰু অসমীয়া জাতি আছিল এই মিলনৰেই ঐতিহাসিক ফচল। কিন্তু তাৰ ভিত্তি আছিল আৰ্য ভাষা আৰু সংস্কৃতিহে। অসমীয়া ভাষা আৰু সংস্কৃতিৰ বিকাশত থলুৱা আৰ্যেতৰ ভাষা-কৃষ্টিবোৰৰ প্ৰভাৱ নিশ্চয় পৰিছিল

আৰু তাৰ চিন-চাব আজিও অম্লান আৰু স্পষ্ট, কিন্তু সেই প্ৰভাৱো আছিল আবয়বিকহে, মূলগত নহয়। আৰ্যভাষা আৰু ধৰ্মৰ উন্নতমান আৰু শক্তিয়ে কলুৱা ভাষা আৰু ধৰ্মবিশ্বাসবোৰৰ ওপৰত প্ৰাধান্য বিস্তাৰ কৰিছিল। কালক্ৰমত আৰ্যভাষা আৰু ধৰ্মই এই দেশৰ অসংখ্য বিচ্ছিন্ন জাতিগোষ্ঠীৰ মাজত সংমিশ্ৰণ আৰু সমন্বয়ৰ পথো মুকলি কৰিলে আৰু অসমীয়া ভাষা-সংস্কৃতিৰ ভেটি বান্ধিলে। অসমৰ জাতীয় জীৱনৰ সেই উষাকালত আৰ্যভাষা আৰু হিন্দু ধৰ্মৰ সেই ভূমিকা আছিল নিসন্দেহে ইতিবাচক আৰু ঐতিহাসিক।' গতিকে অসমীয়া বুলিলে কেৱল বৰ্ণহিন্দুকে বুজাব নোৱাৰি, কিন্তু বৰ্তমান ৰাজনীতিৰ দ্বাৰা প্ৰভাৱিত বিচ্ছিন্নতাবাদী আদৰ্শই অসমীয়া শব্দটোৰ ভাব জাত-কুলৰ ওপৰত অধিক গুৰুত্ব দিয়া বৰ্ণহিন্দুৰ সমাজ-সংস্কৃতি আৰু ভাষাৰ মাজত সীমাবদ্ধ কৰি পেলোৱা যেন দেখা গৈছে। এতিয়া আলোচনা কৰিবলগীয়া যাই কথাটো হৈছে বিচ্ছিন্নতাবাদৰ মূল কাৰণ, তাৰ বিকাশ আৰু সি সন্ত্ৰাসবাদৰ ৰূপলৈ কেনেকৈ উঠিল তাক বিচাৰ কৰি চোৱা। এই সম্পৰ্কত লেখকে নিজৰ মত দাঙি ধৰিছে, 'সামাজিক ৰীতি-নীতিৰ ফালৰ পৰা জনজাতীয় সমাজখন আছিল মূলতঃ সমতাভিত্তিক আৰু জাত-পাতহীন। সেয়ে প্ৰাৰম্ভিক কালত বৰ্ণবাদী আৰ্য হিন্দুসকলে কিছু জাতিগত উদাৰতা আৰু শিথিলতাক, কিছু জনজাতীয় মূল্যবোধ আৰু ৰীতি-নীতিক স্বীকাৰ কৰিও লৈছিল। সেইবুলি তেওঁলোকে বৰ্ণ বিভাজন আৰু জাত্যাভিমান একেবাৰে বিসৰ্জন দিয়া নাছিল। কালক্ৰমত তেওঁলোকৰ এই বৰ্ণাভিমান বাঢ়িলহে, নকমিল। ইংৰাজ অহাৰ আগলৈকে বৰ্ণবাদী হিন্দুৰ এই দৃষ্টিভংগীয়ে কতিকৰ ৰূপত আত্মপ্ৰকাশ কৰাৰ সুযোগ পোৱা নাছিল। আৰ্থিক আৰু ৰাজনৈতিক কৰ্তৃত্ব ইমানদিনে আৰ্যেতৰ জনগোষ্ঠীবোৰৰ হাতত ন্যস্ত থকাত হিন্দুৰ বৰ্ণবাদৰ বিৰুদ্ধে বাকীসকলৰ ক্ষোভৰ স্তূপীকৰণৰো কোনো অৱকাশ নাছিল।' লেখকৰ এই কথাখিনি একেবাৰে চকু মুদি গ্ৰহণ কৰিব পৰা নিখুঁত নহয়। এই সম্পৰ্কত তলত দিয়া কথাকেইটা মন কৰিবলগীয়া। (১) ৰাজকীয় শাসন ব্যৱস্থা (২) ধৰ্মমতৰ লগত জড়িত সমাজ ব্যৱস্থা (৩) সাধনালব্ধ মানসিক প্ৰবৃত্তি।

১ (ক) ৰাজকীয় শাসন ব্যৱস্থা ঃ ব্ৰহ্মপুত্ৰ উপত্যকাৰ পশ্চিমভাগত স্থানীয় জনগোষ্ঠীৰ (নৰকবংশীয় বুলিছে) পাল ৰাজবংশ ১২ শতিকাৰ মাজভাগত শেষ হয় (খৃঃ ১১৩৮ চন)। তাৰ পিছত বৈদ্যদেৱ (ব্ৰাহ্মণ) আৰু ১৪-১৫ শতিকাৰ খানবংশী (কায়স্থ) ৰজাসকলে শাসন কৰে। কামৰূপ বা কমতাৰ খানবংশী ৰজাসকলৰ দিনত কছাৰী আৰু চুতীয়া ৰাজ্যৰ সীমান্ত অঞ্চলত ভূঞাসকল সামন্ত শাসকৰূপে আছিল। সেই সময়বোৰাত ধৰ্মৰ লগত জড়িত সমাজ ব্যৱস্থা (হিন্দু সমাজৰ বৰ্ণ ব্যৱস্থা আদি) কেনে ধৰণৰ আছিল বিতংভাৱে বুজা নাযায়, কিন্তু ব্ৰাহ্মণসকলৰ সমানে কেৰ মানিব পৰা কায়স্থসকলোও ব্ৰাহ্মণ স্মৃতিকাৰসকলৰ ভাষাত শূদ্ৰ নামে পৰিচিত নতুনকৈ হিন্দু ধৰ্ম গ্ৰহণ কৰা জনগোষ্ঠীৰ লোকসকলৰ সমানেই এমাহ অশৌচ পালন কৰিছিল। ১৭ শতিকামানৰ পৰা ব্ৰাহ্মণসকলে কায়স্থসকলকো খোলাখুলিকৈ শূদ্ৰ বুলি কবলৈ

ধৰিলে, কিন্তু স্মাৰ্ত বিধি ব্যৱস্থাকে ধৰ্মৰ মূলতত্ত্বৰ দৰে ধৰি লোৱা পুৰোহিত শ্ৰেণীৰ ব্ৰাহ্মণসকলৰ বাহিৰে সমাজসচেতন ব্ৰাহ্মণৰ সংখ্যাও কম নাছিল। সেইবাবে কায়স্থ শংকৰৰ ওচৰত ধৰ্মতত্ত্ব গ্ৰহণ কৰা ব্ৰাহ্মণ গুৰুৰ পৰম্পৰা আজিলৈকে চলি আছে। গতিকে কেৱল জনজাতীয় শাসনকৰ্তাৰ শাসনকালতে নহয়, ব্ৰাহ্মণ, ক্ষত্ৰিয় শাসনকৰ্তাৰ শাসন ব্যৱস্থাতো বৰ্ণ ব্যৱস্থা আৰু জাত-পাতৰ শিথিলতা অনেক ক্ষেত্ৰত আছিল।

১৭ শতিকাৰ ষষ্ঠ দশকত জয়ধ্বজ সিংহ স্বৰ্গদেৱে হিন্দু ধৰ্ম গ্ৰহণ কৰাৰ পিছত উদাৰপন্থী বৈষ্ণৱসকলৰ ওপৰতো ৰজাঘৰীয়া সামন্ত আদৰ্শৰ প্ৰভাৱ পৰিল। সি ৰজাঘৰীয়া সত্ৰসমূহৰ গুৰু আৰু ভকতসকলক সমাজৰ আন শ্ৰেণীৰ লোকতকৈ পৃথক কৰি পেলালে। আগৰ ধৰ্ম ব্যৱস্থাত এনে আড়ম্বৰ আৰু সামাজিক শ্ৰেণী বিভাজন নাছিল।

(খ) স্বৰ্গদেৱ উদয়াদিত্য সিংহই (১৬৭০-৭৩) গোকুলপুৰী সন্ন্যাসীৰ মেজিকৰ নিচিনা চমৎকাৰত আকৃষ্ট হৈ শংকৰী পৰম্পৰাৰ গুৰুসকলকো তেনে চমৎকাৰ দেখুৱাব নোৱৰা বাবে শাস্তি দিলে। ফলত ৰাজবিষয়াই ৰজা বধ কৰা গৃহকলহ আৰম্ভ হ'ল (দ্ৰঃ তুংখুঙীয়া বুৰঞ্জী পৃঃ৩, ৪ লীলা গগৈৰ বেলি মাৰ গ'ল পৃঃ ৬৯-৭০)। দহ বছৰৰ ভিতৰত ছজন ৰজাৰ পতন ঘটিল। অৱশেষত পলাই ফুৰা অৱস্থাত ৰজাই পতা সত্ৰ আউনীআটি আৰু দক্ষিণপাটে গদাপাণিক সহায় নকৰি অপদস্থহে কৰিলে (সূৰ্য কুমাৰ ভূঞাৰ স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহ পৃঃ ১১৬, তুংখুঙীয়া বুৰঞ্জী পৃঃ ২৬)। এই ঘটনাৰ ফলস্বৰূপে উলুৰ লগত বগৰী পোৰাৰ দৰে মহাপুৰুষীয়া সকলো শ্ৰেণীৰ ধৰ্মগুৰুৰ ওপৰত ৰজাঘৰীয়া অত্যাচাৰ চলিল। তুংখুঙীয়া বুৰঞ্জীত স্পষ্টভাৱেই লিখা আছে '১৬১৪ শকত ঠাকুৰীয়া ভকতৰ মেধিসকলক ভাইপো সহিতে নামৰূপলৈ নি সংঘাৰ কৰিলে। ল'ৰা-লুৰি দুই-চাৰি পলাই এৰাল/৪৮।।' এই প্ৰসংগত ১৮ খন কালসংহতিৰ সত্ৰৰ ওঠৰজন গোসাঁইৰো নাম দিছে। পিছে তেওঁলোকক প্ৰাণদণ্ড দিয়াৰ স্পষ্ট কাৰণ দিয়া নাই। ভাদ মাহৰ পূৰ্ণিমা তিথিত এইসকল গোসাঁইক একেদিনাই নামৰূপত বধ কৰা হৈছিল। মন কৰিবলগীয়া কথা যে কালসংহতিৰ এই গুৰুসকলে অনুন্নত জনজাতিসকলৰ মাজত সোমাই তেওঁলোকৰ লগত মিলি তেওঁলোকৰ স্বকীয় আচাৰ-নীতিবোৰ একেবাৰে মষিমূৰ নকৰাকৈয়ে হিন্দু সমাজৰ অন্তৰ্ভুক্ত কৰি অসমীয়া সমাজৰ পৰিসৰ বৃদ্ধি কৰিছিল। উদয়াদিত্য সিংহৰ অত্যাচাৰৰ আগতে গুৰুসকল আৰু শিষ্য বিষয়াসকলৰ গাতো ৰাজনীতিৰ বতাহ লগা নাছিল। স্বৰ্গদেৱৰ অনভিজ্ঞতা আৰু অদূৰদৰ্শিতাই ধৰ্ম আৰু ৰাজনীতিক একে কৰিবলৈ গৈ শাসনৰ ক্ষেত্ৰত বিশৃংখলা, গৃহকন্দল আৰু ৰাজবংশৰ কাৰণে পতনৰ বাট মুকলি কৰিলে।

কালসংহতিৰ গুৰুসকলে অসমীয়া হিন্দু সমাজৰ ক্ষেত্ৰখন মিলা-প্ৰীতিৰ যোগেদি বহলাই নিয়া শান্তিপূৰ্ণ প্ৰয়াসৰ বিৰুদ্ধে গদাধৰ সিংহই ভেদনীতি আৰু দমননীতি দুয়োটা উপায়কে লৈছিল। তেওঁ সংখ্যালঘু আহোমসকলক সংখ্যাগৰিষ্ঠ কৰিবৰ কাৰণে ৰাজধানীত খলা চিকুণাই বৰভোজ পাতি বামুণ, গণক, কায়স্থ, কলিতা বাদ দি বাকীসকলক

গোটাই একেলগে খাই আন জনগোষ্ঠীৰ লোককো আহোমৰ শ্ৰেণীভুক্ত কৰিছিল। (বেলি মাৰ গ'ল, পৃঃ ৭৫), কিন্তু এইদৰে আহোমৰ শ্ৰেণীভুক্ত হোৱা মৰাণসকলে আহোম ৰাজবংশৰ কঁকাল ভাঙিলে। মোৱামৰীয়া মহন্তই মৰাণসকলক প্ৰথমতে এই ক্ষেত্ৰতো বাধাহে দিছিল। বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰি আহোমসকল দুৰ্বল আৰু এলেহুৱা হৈ পৰিল বুলি ভবা গদাধৰ সিংহৰ অনুগামীসকলে মোৱামৰীয়াৰ হাতৃত ৰাজশক্তিৰ পৰাজয়ৰ কাৰণবোৰ বিচাৰ কৰি চাব লাগে। কেৱল ক্ষমতা আৰু সামৰিক শক্তিয়েই সুশাসনৰ মেৰুদণ্ড নহয়। মানৱীয় চৰিত্ৰৰ বিকাশৰ অনুকূল ব্যৱস্থাৰ ওপৰতহে ৰাজশক্তি আৰু প্ৰজাৰ শান্তিয়ে নিৰ্ভৰ কৰে।

গদাধৰ সিংহ স্বৰ্গদেৱে হিন্দুসকলৰ মাজত বিভাজন বঢ়াবৰ কাৰণে বৈষ্ণৱসকলক দমন কৰি শাক্ত শৈৱ মতক উৎসাহিত কৰিছিল। উমানন্দৰ দৌল আদি এই শ্ৰেণীৰ মঠ-মন্দিৰ নিৰ্মাণ কৰাইছিল। স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ দিনৰ পৰা শিৱসিংহৰ দিনলৈকে (১৬৯৬-১৭৪৪ খৃঃ) ৫০ বছৰজোৰা শাসন কালত এই ভেদনীতিৰ প্ৰয়োগ আৰু বৃদ্ধি পালে। স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ দিনত শূদ্ৰই ব্ৰাহ্মণক শৰণ নিদিবলৈ আদেশ জাৰি কৰা হ'ল। তাৰ ব্যতিক্ৰম ঘটিলে গুৰু-শিষ্য উভয়েই কঠোৰ শাস্তিৰ ভাগী হ'ব। ফুলেশ্বৰী ৰাণীৰ দিনত আদেশ হ'ল- সকলো ঠাকুৰীয়া মহন্তক মতাব লাগে। সকলো মহন্ত সমবেত হ'ল। বৰৰজাই সকলো মহন্তলৈ শালগ্ৰাম, মূৰ্তি, ভাগৱত দেউৰী পূজাৰী দি পূজা-সেৱা কৰিবলৈ বাধ্য কৰালে। আউনীআটি গড়মূৰত সেৱা কৰালে। (শ্ৰীনাথ দুৱৰাৰ তুংখুঙীয়া বুৰঞ্জী পৃঃ ৩৮) ৰুদ্ৰসিংহ স্বৰ্গদেৱে বংগদেশৰ পৰা শাক্ত গুৰু আনি কামাখ্যাত মাটি-বাৰী দি (সত্ৰ পাতি) স্থাপন কৰে। শিৱসিংহই শাক্ত ধৰ্মত দীক্ষা লয় আৰু তেওঁৰ পত্নী ফুলেশ্বৰী বৰৰজাৰ দিনত বৈষ্ণৱ গুৰুসকলৰ ওপৰত অত্যাচাৰ কৰা হৈছিল। গদাধৰ সিংহৰ বৈষ্ণৱ নিৰ্যাতনৰ পিছত ৰুদ্ৰসিংহই সত্ৰসমূহক পুনৰ মাটি-বাৰী দি সংস্থাপিত কৰিলে। তাৰ পিছত ৰজাৰ ধৰ্ম হ'ল শাক্ত, কিন্তু প্ৰচাৰ ধৰ্ম বৈষ্ণৱ হোৱা বাবে ধৰ্মৰ আদৰ্শ আৰু সাংগঠনিক দিশত বিভ্ৰাট সৃষ্টি হ'বলৈ ধৰিলে।

(গ) ওপৰৰ কথাখিনি থুকিয়াই চালে দেখা যায় যে স্বৰ্গদেৱ উদয়াদিত্য সিংহৰ ধৰ্ম বিষয়ক অনভিজ্ঞতা আৰু অদূৰদৰ্শিতাই ৰজা আৰু ৰাজবিষয়াৰ মাজত থাকিবলগীয়া প্ৰশাসনীয় বান্ধোন শিথিল কৰিলে, কিন্তু জনজাতি আৰু বৰ্ণহিন্দু আদি সকলো শ্ৰেণীৰ প্ৰজাৰ মাজত সামাজিক, সাংস্কৃতিক সংগঠন প্ৰক্ৰিয়া আগবাঢ়ি গৈ থকাটো স্বৰ্গদেৱ গদাধৰ সিংহৰ চকুত পৰিছিল। ইফালে ৰজাঘৰীয়া পৃষ্ঠপোষকতাৰে সামন্তী আদৰ্শত নতুন ৰূপ লোৱা আউনীআটি, দক্ষিণপাট আদি সত্ৰৰ আড়ম্বৰপূৰ্ণ ব্যৱস্থাই বৈষ্ণৱ ধৰ্মৰ স্বৰূপটো বিকৃত কৰি দেখুৱাইছিল। গতিকে তেওঁ সত্ৰ ব্যৱস্থাৰ প্ৰতি কষ্ট হৈছিল। আনহাতে ৮-১০ হেজাৰমান মানুহ সত্ৰত ভকত হৈ থকা বাবে দুই-আঢ়ৈ হেজাৰ পাইক হেৰুৱাইছিল। সেই সময়ৰ আহোম ৰাজ্যৰ লোকসংখ্যা ২০ লাখমান আছিল বুলি কোৱা হয়। সেয়ে

যদি হয় তেতিয়া মুঠ জনসংখ্যাৰ ৮০০ ভাগৰ এভাগ পাইকৰ কামৰ পৰা শাসকসকল বঞ্চিত হৈছিল। পিছে এইদৰে পাইকৰ সংখ্যা কম হোৱাটোত গুৰুত্ব দি গদাধৰ সিংহই সত্ৰসমূহ ভঙা-ছিঙা কামত হাত দিয়া নাছিল। সত্ৰসমূহে পাইকৰ বিষয়টোত সমস্যাৰ সৃষ্টি কৰা হ'লে ৰুদ্ৰসিংহ স্বৰ্গদেৱৰ দিনত পুনৰ মাটি-ভেটি দি সত্ৰসমূহ প্ৰতিষ্ঠিত হোৱাত সহায় আগ নবঢ়ালেহেঁতেন। সত্ৰসমূহ ভাঙি দিয়াৰ ফলত সম্ভৱতঃ সামাজিক শান্তি-শৃংখলাৰ অভাৱে শাসকসকলৰ মাজত পুনৰ গদাধৰ সিংহৰ আগৰ আৰু উদয়াদিত্য সিংহৰ পিছৰ অৱস্থাৰ নিচিনা সমস্যা সৃষ্টি কৰাৰ ভয়ত সত্ৰসমূহৰ প্ৰয়োজন ৰুদ্ৰসিংহই উপলব্ধি কৰিছিল। তথাপি তেওঁ আগৰ ৰজাসকলে কৰা ভুলৰ শুধৰণি কৰিবলৈ গৈ নতুনকৈ ডাঙৰ ভুল কৰিলে। তেওঁ আগৰ বৈষ্ণৱ সম্প্ৰদায়ে কমাই নিয়া জাত-পাতৰ বিভাজন কৰি আৰু বংগদেশী শাক্ত ধৰ্মৰ আমদানিৰ যোগেদি ৰাজকৰ্মচাৰী আৰু প্ৰজাসমূহৰ মাজত অনৈক্যৰ বীজ ছটিয়ালে। এনে এটা ৰাজনৈতিক, সামাজিক পৰিবেশত শংকৰী পৰম্পৰাৰ গুৰুসকলে বিভিন্ন জনগোষ্ঠীক সামৰি লৈ এখন নতুন সমাজ গঢ় দিব নোৱাৰিব বুলি তেওঁৰ উপদেষ্টাসকলে দিয়া বুদ্ধিত তেওঁ পতিয়ন গৈছিল আৰু সেইমতে কাৰ্যও হ'ল। তাৰ ফলত জনগোষ্ঠীসমূহক সামৰি লৈ এখন বহল অসমীয়া সমাজৰ গঠন আৰু বিকাশৰ প্ৰক্ৰিয়া চিৰকাললৈ বন্ধ হৈ গ'ল। তথাপি তাৰ সামান্য ব্যতিক্ৰম আজিও দেখা যায়। খৃঃ ১৭ শতিকাৰ শেষভাগ বা ১৮ শতিকাৰ আগভাগতে অৰ্থাৎ গদাধৰ আৰু ৰুদ্ৰসিংহ স্বৰ্গদেৱৰ সময়তে নিকামূল সত্ৰৰ মাধৱানন্দই অৰুণাচলৰ অকাসকলৰ মাজত ধৰ্মপ্ৰচাৰ কৰিছিল। আজিও সেই পৰম্পৰা জীৱিত আছে। তেজপুৰ নগৰৰ নিকামূল সত্ৰত অকা ছাত্ৰসকলৰ বাবে সাধাৰণ শিক্ষা আৰু সত্ৰীয়া শিক্ষাদানৰ ব্যৱস্থা আছে। বাৰেঘৰ সত্ৰৰ (নাজিৰাৰ ওচৰৰ) শ্ৰীৰাম আতাই ১৮ শতিকাৰ প্ৰথমভাগত নক্তে নগাসকলৰ মাজত ধৰ্মপ্ৰচাৰ কৰিছিল। এতিয়াও তেওঁলোকৰ লগত সত্ৰৰ ভাল সম্বন্ধ আছে। গড়গাঁৱৰ ওচৰতো সেই নগাসকলৰ এখন অসমীয়া গাঁও আছে। সমভূমি অঞ্চলৰ জনজাতিসকলৰ মাজত প্ৰচাৰ কাৰ্য কৰোঁতে বাধাগ্ৰস্ত হোৱা দুই-এজন গুৰুৱে হয়তো পৰ্বতীয়া লোকৰ মাজত প্ৰচাৰ কাৰ্য কৰিবলৈ আগবাঢ়ি গৈছিল, কিন্তু সবল পৃষ্ঠপোষকতাৰ অভাৱত বেছি আগবাঢ়ি যোৱাত বাধা উপস্থিত হ'ল। বৰ্তমান ধেমাজি জিলাৰ ঘাৰমৰা সত্ৰৰ গোসাঁয়েও ওচৰৰ পাৰ্বত্য অঞ্চলত এনে ধৰণৰ কাৰ্য কৰা বুলি জনা যায়। ইংৰাজৰ শাসন কালত সমভূমিৰ মানুহ আৰু পৰ্বতৰ মানুহৰ মাজত যোগাযোগৰ ব্যৱস্থা সীমাবদ্ধ কৰা হ'ল আৰু খৃষ্টিয়ান মিছনেৰীসকলৰ যোগেদি সেই অঞ্চলৰ লোকসকলক সুকীয়া জাতি আৰু সুকীয়া সংস্কৃতিৰ সংস্কৃত পৃথক আদৰ্শৰ মানুহ কৰা হ'ল।

২। সমাজ ব্যৱস্থা : ৰাজকীয় শাসন ব্যৱস্থাৰ প্ৰভাৱত ধৰ্মমতৰ লগত জড়িত সমাজ ব্যৱস্থাৰ স্বৰূপ পৰিবৰ্তনৰ বিষয়ে ওপৰত সংক্ষিপ্ত বিচাৰ কৰা হৈছে। ধৰ্মৰ লগত জড়িত ব্যৱস্থাসমূহ তিনিটা দৃষ্টিৰে বিচাৰ কৰি চাব পাৰি। ক- পৰম্পৰা, খ-তৎকালীন সমাজ, গ- ব্যৱস্থাপকসকলৰ যোগ্যতা আৰু চৰিত্ৰ।

(ক) পৰম্পৰাত মন কৰিবলগীয়া কথা দুটা। এটা পুৰোহিতপ্ৰধান স্মাৰ্ত ব্যৱস্থা সম্বন্ধীয়। জন্ম-মৃত্যু বিষয়ক সংস্কাৰ, বিবাহ, উপনয়ন আদি আচাৰ-বিধি এই শ্ৰেণীত পৰে। একমাত্ৰ ব্ৰাহ্মণসকলৰ বাবে জীৱিকাত পৰিণত হোৱা এই পৰম্পৰাটো একপ্ৰকাৰৰ যান্ত্ৰিক প্ৰক্ৰিয়া। যুগৰ উপযোগী সমাজ চেতনাৰ লগত সংগতি ৰাখি চিন্তা কৰা লক্ষণ এই পুৰোহিত শ্ৰেণীটোৰ মাজত কম দেখা যায়। চুডাংফা বা বামুণীকোঁৱৰৰ সময়ৰ পৰা (খৃঃ ১৩৯৭-১৪০৭) আহোম ৰাজবংশত এই শ্ৰেণীৰ পুৰোহিত ব্ৰাহ্মণৰ প্ৰভাৱ পৰি আহিছিল। সময় আৰু সমাজৰ উপযোগী নতুন বিচাৰ, ধৰ্ম ব্যৱস্থা, দৰ্শন, কলা, সাহিত্য, শিক্ষা আদিৰ লগত এই পুৰোহিত শ্ৰেণীৰ সম্বন্ধ কম। সেইবাবে এই পুৰোহিত শ্ৰেণীৰ লোকসকল সাধাৰণতে সংৰক্ষণশীল হৈ থাকে। আহোম ৰজাসকলৰ হিন্দু ধৰ্ম বিষয়ক উপদেষ্টা ব্ৰাহ্মণসকল এই শ্ৰেণীৰ আছিল যেন লাগে। শংকৰদেৱৰ ধৰ্মমত গ্ৰহণ কৰা ব্ৰাহ্মণসকলতকৈ এওঁলোকৰ আচাৰ-বিচাৰ কিছু পৃথক। এনেস্থলত সেই সময়ৰ মহাপুৰুষীয়া ধৰ্মৰ বিষয়ে উপযুক্ত জ্ঞান লাভ কৰাটো আহোম ৰজাসকলৰ বাবে সহজ কথা নাছিল। শংকৰদেৱৰ পৰম্পৰাৰ পৰা নিজক পৃথক কৰি দেখুৱাই গৌৰৱবোধ কৰা ৰজাঘৰীয়া সত্ৰকেইখনৰ ব্যৱস্থাই শংকৰদেৱৰ ধৰ্মক আহোম ৰজাসকলৰ আগত আচল ৰূপত উপস্থিত কৰা নাছিল। তেওঁলোকৰ মানসিকতাটো পুৰোহিতসকলৰ দৰে গতানুগতিক আৰু জনসাধাৰণৰ লগত সম্বন্ধৰহিত বিচ্ছিন্নতাধৰ্মী। সমাজৰ আৰ্থিক, নৈতিক আৰু কলা-সংস্কৃতিৰ লগত জড়িত হৈ বিভিন্ন শ্ৰেণীৰ সমস্যাৰ সন্মুখীন হৈ সেইবিলাকৰ সমাধানৰ কাৰণে সাংগঠনিক দিশত কাম কৰা অভিজ্ঞতা তেওঁলোকৰ নাই। সহজভাৱে আনৰ উৎপাদনৰ ওপৰত জীৱন নিৰ্বাহ কৰা এই গুৰু শ্ৰেণীৰ সামন্তসকলক শাসনৰ লগত জড়িত সামন্তসকলৰ দৰে আৰ্থিক, ৰাজনৈতিক সংঘাতৰ প্ৰশ্নযো বিব্ৰত কৰিব নোৱাৰে। গতিকে সাধাৰণ প্ৰজাৰ দৃষ্টিত ভগৱানৰ প্ৰতিনিধিস্বৰূপ হৈ পৰা এই গুৰুসকলে কোনো ক্ষেত্ৰতে শংকৰ-মাধৱ আৰু বংশীগোপালৰ আদৰ্শ ৰক্ষা কৰা নাছিল। আনহাতে এই গুৰুসকলে সমাজৰ বিভিন্ন স্তৰৰ লোকৰ মাজত পুৰোহিতালি কৰি বৰ্তি থকা শ্ৰেণীটোৰো পথ-নিৰ্দেশকৰ ক্ষমতা লাভ কৰিছিল। এইদৰে সামন্তগুৰু আৰু পুৰোহিতসকলে নিজ নিজ ক্ষমতাৰে শ্ৰুতি-স্মৃতিৰ সমন্বয়াত্মক দিশটোৰ পৰিবৰ্তে বিচ্ছিন্নতাবাদী দিশটোৰ আধাৰত মহাপুৰুষীয়া ধৰ্মৰ সামাজিক সংহতিপ্ৰধান প্ৰচেষ্টাৰ বিৰুদ্ধে ৰাজদণ্ডৰ আশ্ৰয় লৈ সংঘাতৰ পৰিবেশহে সৃষ্টি কৰিলে। স্বৰ্গদেৱসকলে এই কথাবোৰৰ প্ৰতি লক্ষ্য কৰিছিলনে নাই কৰা বা লক্ষ্য কৰি আৰু জানি-বুজিও প্ৰজাৰ মাজত সংঘাত সৃষ্টিৰো সমৰ্থনহে কৰিছিল, সেই কথা বুজিব পাৰিলেও মুখ খুলি কোৱাটো সকলোৰে বাবে সহজ কথা নহয়। দুজন মন্ত্ৰীসহ ১৫ জন উচ্চ বংশৰ বিষয়া, তিনিগৰাকী কুঁৱৰীসহ ৰজা আৰু ৯ হেজাৰ সৈন্যৰ সংখ্যালঘু আহোমসকলে ৰাজনীতিত নিজৰ পৰম্পৰা এৰা নাছিল। গদাধৰ সিংহৰ দিনত বহুত জনজাতিৰ লোকক আহোম বুলি ঘোষণা কৰিলেও প্ৰশাসনীয় ক্ষেত্ৰত উচ্চ পদত নিয়োগ তেওঁলোকক

কৰা নহৈছিল। ৰজা আৰু মন্ত্ৰীৰ পদ বংশভিত্তিকহে আছিল, যোগ্যতাভিত্তিক নাছিল। গতিকে বহল জাতিভিত্তিক পৰম্পৰাতকৈও সংকীৰ্ণ বংশভিত্তিক পৰম্পৰা থকা আহোম শাসন ব্যৱস্থাৰ অধীনত পুৰোহিতালিকে নিজৰ বৃত্তিৰূপে গ্ৰহণ কৰা ব্ৰাহ্মণসকলে দীৰ্ঘকালীন সৰ্বভাৰতীয় পৰম্পৰা থকা জাতিভেদ প্ৰথা দূৰ কৰাটো সহজ কথা নাছিল। তথাপি মহাপুৰুষীয়া সাধনমাৰ্গত ব্ৰাহ্মণৰ পৰা যৱন চাঁদসাই, ভুটীয়া দামোদৰ, গাৰোৰ গোবিন্দ আৰু নগাৰ নৰোত্তমলৈকে বিভিন্ন জাতিগোষ্ঠীৰ লোকে ঠাই পোৱাটো এটা গুৰুত্বপূৰ্ণ কথা আছিল।

(খ) মধ্যযুগৰ অসমৰ সমাজখনৰ ৰাজনৈতিক, আৰ্থিক আৰু সাংস্কৃতিক অৱস্থা সম্বন্ধে যথোপযুক্ত আলোচনা সম্ভৱতঃ যথেষ্ট পৰিমাণে হোৱা নাই। পুৰাতাত্ত্বিক সামগ্ৰীয়ে খৃঃ পঞ্চম শতিকাৰ পৰাহে অসমৰ ঐতিহাসিক তথ্য যোগান ধৰে। চমুকৈ ক'বলৈ হ'লে এই যুগটো অসমৰ জনজাতিসমূহৰ ভাৰতীয়কৰণৰ যুগ আছিল বুলি ক'ব পাৰি। মংগোল গোষ্ঠীৰ বড়ো-ডিমাচা, তিৱা প্ৰভৃতি জনগোষ্ঠীৰ লোকেই এই ক্ষেত্ৰত আগবাঢ়ি গৈছিল। উত্তৰ-পূব দিশত চুতীয়াসকল নৱম শতিকামানৰ পৰা ভাৰতীয় সমাজৰ বেছি ওচৰ চাপিছিল। বৰ্মণ, শালস্তম্ভ, পাল, বৰাহী আৰু কছাৰী ৰজাসকলৰ পৃষ্ঠপোষকতাত ভাৰতীয় আৰ্হিৰ অৰ্থনীতি (কৃষি, বাণিজ্য আদি) সামাজিক জীৱন (পুৰুষপ্ৰধান পৰিয়াল ব্যৱস্থা আৰু পৌৰাণিক কথাবস্তুৰ লগত নিজ গোষ্ঠীৰ প্ৰাচীন সম্বন্ধ স্থাপনৰ উপৰি নিজৰ উপাস্য দেৱতাক ভাৰতীয় পৰম্পৰাৰ দেৱতাৰ লগত একে কৰি লোৱা আদি) আৰু নতুন কলা-সংস্কৃতি তথা শিক্ষাৰ লগত সম্বন্ধ স্থাপন হৈছিল। শিলালেখ, তামৰ ফলি, মূৰ্তিকলা আৰু জনগোষ্ঠীয় লোকবিশ্বাসৰ ভিত্তিত বিচাৰ কৰি চালে দেখা যায় যে ৰজা, ৰাজকৰ্মচাৰী আৰু এই শ্ৰেণীৰ লোকৰ সম্পৰ্কত থকা লোক এই ক্ষেত্ৰত আগবাঢ়িলেও তেওঁলোকতকৈ দূৰত থকা জনজাতিৰ লোকসকলক এই নতুন ব্যৱস্থাই সামৰি ল'বলৈ বহুত সময়ৰ প্ৰয়োজন হৈছিল। যাতায়াতৰ অসুবিধাৰ লগতে সহজ শিক্ষা ব্যৱস্থাৰ অভাৱ প্ৰভৃতি অনেক কাৰণত সংকীৰ্ণ ভৌগোলিক আৰু সামাজিক, আৰ্থিক পৰিবেশত সীমাবদ্ধ জনজাতিৰ লোকসকল আগবাঢ়িবৰ কাৰণে সুদীৰ্ঘকালীন প্ৰয়াসৰ প্ৰয়োজন আছিল। শিলত লিখা সংস্কৃত ভাষা আৰু ব্ৰাহ্মীলিপিৰ পৰিৱৰ্তে সাঁচিপাতত লিখা অসমীয়া ভাষা আৰু লিপিৰ যোগেদি শিক্ষা লাভ কৰাৰ ক্ষেত্ৰত কেৱল জনজাতিৰ লোকেই নহয় বৰ্ণহিন্দুসকলৰো অতি কমসংখ্যক লোকেহে আগবাঢ়িব পাৰিছিল। তদুপৰি বড়ো গোষ্ঠীৰ বৰ্মণসকলৰ বাহিৰে ব্ৰহ্মপুত্ৰ উপত্যকাৰ পূবফালে থকা আন আন জনজাতি লোকৰ মাজত ভাৰতীয়কৰণৰ প্ৰয়াসৰ আৰম্ভও বহুত বেলিকৈহে হৈছিল। এনেস্থলত পৃথক পৃথক জনজাতিৰ লোকসলৰ মাজত এটা বহল পৰিসৰৰ প্ৰাদেশিক জাতীয়তাবোধ গঢ় দিব পৰা ব্যৱস্থা ভাৰতীয়কৰণৰ যোগেদি কম সময়তে সম্ভৱ হ'ব নোৱাৰে। ৰেল, মটৰ, ছপাযন্ত্ৰ আদি বৈজ্ঞানিক সা-সুবিধা থকা ইংৰাজ শাসনৰ ১২০ বছৰত জনজাতিসকলৰ আৰ্থিক, সামাজিক আৰু মানসিক বিকাশ

কিমান হ'ল, সেইটোও বিচাৰ কৰি চাবলগীয়া কথা। তথাপি এইটো এটা গুৰুত্বপূৰ্ণ কথা যে খৃঃ ৫ম শতিকাৰ পৰা ১২ শতিকালৈকে ব্ৰহ্মপুত্ৰ উপত্যকাৰ বিভিন্ন জনজাতিৰ মাজত এটা উমৈহতীয়া ভাষা, ধৰ্ম, আৰ্থিক আৰু সামাজিক জীৱনৰ আদৰ্শৰ ভিত্তিত ভাৰতীয়কৰণৰ প্ৰভাৱতেই বৰ্তমান অসমীয়া নামে পৰিচিত জাতিটোৰ ভেটি স্থাপন কৰা হৈছিল। ভূখণ্ডৰ বাবে অসম আৰু জাতিৰ বাবে অসমীয়া নামটো ইংৰাজৰ যুগতহে আৰম্ভ হ'লেও তাৰ গঠন প্ৰক্ৰিয়াটো কাহানিবাই আৰম্ভ হৈছিল। ১৩ শতিকাৰ পৰা পশ্চিম দিশত তুৰ্কসকলৰ সঘন আক্ৰমণ আৰু পূবভাগত আহোমসকলৰ শাসনে ১৭ শতিকাৰ শেষভাগলৈকে এই গঠন প্ৰক্ৰিয়াটোৰ ওপৰত আঘাত নকৰাকৈ থকা নাছিল। তুৰ্ক আৰু মোগলৰ আক্ৰমণে সাংস্কৃতিক ক্ষেত্ৰত প্ৰভাৱ বিস্তাৰ কৰিব পৰা নাছিল, কিন্তু আহোম শাসনৰ অধীনস্থ অঞ্চলত সাংস্কৃতিক সংঘাতেও দেখা গৈছিল। উদয়াদিত্য সিংহৰ সময়ৰ পৰা মানৰ আক্ৰমণৰ আগলৈকে এই সময়ছোৱাৰ বুৰঞ্জীয়ে এই কথাৰ অনেক উদাহৰণ দাঙি ধৰে। তাৰ আগছোৱাতো এনে সংঘাতৰ উদাহৰণ আছে। শিল্পকলাৰ ক্ষেত্ৰত ১৩ শতিকাৰ পৰা মূৰ্তিকলাৰ অভাৱেও তুৰ্ক-মোগল আৰু আহোমসকলৰ আক্ৰমণ তথা শাসনৰ প্ৰভাৱকে সূচায়।

অসমীয়া ভাষাৰ গঠন প্ৰক্ৰিয়াটোৰ পিছত বিকাশৰ পথত খোজ দিবলৈ লওঁতেই ১৩ শতিকাৰ পৰা কম-বেছি পৰিমাণে ৰাজনৈতিক-সাংস্কৃতিক বিপৰ্যয় আৰম্ভ হ'ল। পশ্চিমৰ পৰা হোৱা সাময়িক আক্ৰমণে স্থায়ী প্ৰভাৱ পেলাব নোৱাৰা বাবে মধ্য আৰু নামনি অসমত ১৪, ১৫ আৰু ১৬ শতিকাৰ সময়ছোৱা ভাষা-সাহিত্যৰ বিকাশৰ যুগৰূপেই চিহ্নিত হ'ব পাৰিলে, কিন্তু ভাষা-সাহিত্য আৰু কলা-সংস্কৃতিৰ যোগেদি সমাজ গঢ় দিবলৈ যোৱাসকলৰ বাবে তৎকালীন ৰাজনৈতিক পৰিবেশ অনুকূল নাছিল। সেইবাবে জনজাতিসকলৰ লগত তেওঁলোকে সংগঠনৰ যোগেদি সামাজিক বিকাশৰ প্ৰয়াস কৰিলেও প্ৰবল বাধাৰ সন্মুখীন হৈ বহুত ক্ষেত্ৰত নীতি আৰু ব্যৱস্থা পৰিবৰ্তন কৰিবলগীয়া হৈছিল। গতিকে অসমীয়া ভাষা আৰু সাহিত্যত জনজাতিৰ মাজত সম্পৰ্ক গাঢ় কৰাৰ ক্ষেত্ৰত পুৰোহিত শ্ৰেণীৰ ব্ৰাহ্মণসকলৰ জাতিগত সংকীৰ্ণতাৰ লগতে ৰজাঘৰীয়া বাধা-বিঘিনিৰ প্ৰভাৱো কম নাছিল। আহোম শাসনৰ অধীনলৈ যোৱা জনজাতিসমূহে মাজে মাজে বিদ্ৰোহ কৰাৰ কাৰণ প্ৰধানভাৱে আৰ্থিক বুলি ধৰিলেও সাংস্কৃতিক কাৰণো তাত লুকাই থাকিব পাৰে। শাসন ব্যৱস্থাই জনজাতিসকলৰ অৰ্থনীতি, সমাজ, শিক্ষা আৰু সংস্কৃতিৰ বিকাশৰ কাৰণে কেনে উপায় অৱলম্বন কৰিছিল, তাৰ কোনো ভাল ইংগিত নাই। খৃঃ ১৫২২ত যুদ্ধত পৰাস্ত হোৱা চুতীয়া ৰজা নীতিপাল আৰু তেওঁৰ খুলশালিয়েক সাধকনাৰায়ণৰ মূৰ দুটা কাটি চৰাইদেউ পৰ্বতৰ দেওঘৰলৈ যোৱা বাটত পোতাই থৈ তাৰ ওপৰেদি স্বৰ্গদেউসকল অহা-যোৱা কৰা বুৰঞ্জীপ্ৰসিদ্ধ কথাই অন্য জনজাতিৰ প্ৰতি সমতা আৰু সম্মানবোধৰ বিপৰীত মনোভাৱৰহে পৰিচয় দিয়ে। এই ঘটনাৰ ১৬০/৬৫ বছৰৰ পিছত গদাধৰ সিংহৰ দিনত চুতীয়াসকলক আহোম বুলি

সাৰটি লোৱাৰ প্ৰয়াসটো কিমান সফল হোৱা সম্ভৱ বিবেচনাযোগ্য। খৃঃ ১৬৭১ চনৰ শৰাইঘাটৰ যুদ্ধৰ পিছত মানাহ নৈ পৰ্যন্ত বিস্তৃত হোৱা আহোম ৰাজ্য ইংৰাজৰ হাতলৈ যোৱা সময়লৈকে ১৫৫ বছৰীয়া শাসনকালত শান্তি আৰু সমৃদ্ধিৰ কাৰণে প্ৰয়োজনীয় সদ্ভাব-সম্প্ৰীতিৰ পৰিবেশ তথা সাংস্কৃতিক বিকাশৰ বাবে সহায়-সহযোগ বৰ্ণহিন্দু, পিছপৰা সম্প্ৰদায় আৰু জনজাতিসকলৰ কোনে কি পালে, সেইবিলাক কথাও বিভিন্ন সম্প্ৰদায়ৰ মানসিক ক্ষোভৰ কাৰণৰূপে ভাবি চাবলগীয়া।

(গ) গ্ৰন্থৰ লেখক গগৈয়ে ভূমিকাত (পৃঃ ০.৪) কোৱা মতে ইংৰাজ অহাৰ আগলৈকে বৰ্ণহিন্দুসকলৰ দৃষ্টিভংগী আৰু আচৰণ আৰ্যেতৰ লোকৰ শাসনকালত থকা বাবে অধিক ক্ষতিকৰ হৈ প্ৰকাশ নাপাইছিল অৰ্থাৎ আহোমসকলৰ শাসনকালত জনজাতি, অনুসূচিত জাতি প্ৰভৃতি আৰ্যেতৰ লোকসকলৰ ৰাজনৈতিক, আৰ্থিক আৰু সামাজিক ক্ষোভ কম আছিল। ইংৰাজৰ শাসনকাল আৰু স্বাধীনতাৰ পিছতহে বৰ্ণহিন্দুসকলৰ দৃষ্টিভংগীয়ে জনজাতিসকলক ক্ষুব্ধ কৰি তুলিলে, যাৰ ফলত সকলো জনজাতিয়েই স্বাধীনতা অথবা স্বায়ত্তশাসন বিচাৰি সশস্ত্ৰ বিপ্লৱৰ পথ বাছি ল'বলগীয়া হৈছে।

এতিয়া প্ৰশ্ন হয় (ক) জনজাতি মৰাণসকলে আহোমৰ শ্ৰেণীভুক্ত হোৱাৰ পিছতো কিয় আহোম শাসনৰ বিৰুদ্ধে সশস্ত্ৰ বিপ্লৱ কৰিছিল? (খ) ইংৰাজৰ অধীনত থকা কালত আৰু স্বাধীনতা লাভৰ পিছতো বৰ্ণহিন্দুসকলে জনজাতিসকলৰ প্ৰতি কৰা কোনবোৰ আঁচৰণৰ কাৰণে এনে ব্যৱস্থা গ্ৰহণ কৰিবলগীয়া হৈছে? (গ) একে বিদেশীৰ পদানত হৈ থকা আহোমসকল, জনজাতিসকল, পশ্চিম আৰু উত্তৰ ভাৰতৰ পৰা অহা অন্যান্য শ্ৰেণীৰ লোকসকল আৰু অসমৰ বৰ্ণহিন্দুসকলৰ ভিতৰত পিছৰ দুভাগ কিয় ঈৰ্ষাৰ পাত্ৰ হৈছে? এই কথাবোৰৰ যুক্তিসংগত বিচাৰ নকৰাকৈ নিজ নিজ আবেগৰ আধাৰত ভিন্নমুখী সাম্প্ৰদায়িক ৰাজনীতিৰে সমাজক পথভ্ৰষ্ট কৰিবলৈ যোৱাটো অসুস্থ ৰাজনৈতিক ধাৰণাৰহে পৰিচায়ক। এনে ৰাজনীতিয়ে শাসক আৰু শাসিত উভয় শ্ৰেণীৰ মাজত দূৰত্ব বঢ়াই নি সমাজৰ ক্ষতিহে সাধন কৰিব। দেশক শান্তি আৰু সমৃদ্ধিৰ বাটত আগবঢ়াই নিব নোৱাৰিব। যিকোনো কাৰ্যত প্ৰবৃত্ত হোৱাৰ আগতে উপযুক্ত মানসিক প্ৰস্তুতিৰ প্ৰয়োজন হয়। সেই মানসিক প্ৰস্তুতি দোষযুক্ত হ'লে সুফলৰ বিপৰীতে কুফলহে লাভ হোৱাটো স্বাভাৱিক কথা। ইতিহাসতো এনে ধৰণৰ উদাহৰণেই বেছি। মানৱতাৰ পৰা স্খলিত হোৱা কোনো জাতি, সম্প্ৰদায় আৰু ৰাজনীতিয়ে দেশক বা সমাজক উন্নতিৰ উচ্চ শিখৰলৈ তুলি নিব নোৱাৰে। ধৰ্ম সাধনাৰো মূল বস্তুটো মানৱতাৰ সাধনাহে। গতিকে যিসকলে ধৰ্মৰ নামত সাম্প্ৰদায়িকতা, ঈৰ্ষা, হিংসা আদিৰ শিক্ষা দিয়ে আৰু তেনে শিক্ষা গ্ৰহণ কৰে সেই সমাজৰ আৰু তেনে শিক্ষা গ্ৰহণ কৰা ৰাজনীতিৰ ভৱিষ্যৎ অন্ধকাৰ হ'বই। এনে ধৰ্ম আৰু ৰাজনীতিয়েই যে আমাৰ ব্যক্তিগত তথা সামাজিক জীৱন দৰ্শনক দূষিত কৰিছে সেই কথাৰ চমু আলোচনা তলত সুকীয়া দৃষ্টিৰে কৰা হৈছে।

অসমৰ জাতীয় জীৱনত সংস্কৃতি আৰু সংঘাত

৩) সাধনালব্ধ মানসিক প্ৰস্তুতি ঃ দৰ্শনৰ যেনেকৈ ইতিহাস থাকে, ইতিহাসৰো তেনেকৈ দৰ্শন থাকে। দৰ্শনৰহিত সমাজ, ৰাজনীতি, ধৰ্ম সকলোৱে অদূৰদৰ্শী হয়। সমাজৰ বিকাশমুখী পৰিৱৰ্তন সাধনৰ কাৰণে যিবোৰ নীতি আৰু ব্যৱস্থা গঢ় দি লোৱা হয় সেইবোৰতো সুস্থ দাৰ্শনিক আধাৰ থকাৰ প্ৰয়োজন। এনে দৰ্শনৰ অভাৱতে পাৰ হৈ যোৱা চাৰিশ বছৰ ধৰি আজি পৰ্যন্ত অসমৰ সমাজ (জনজাতি, অনুন্নত সম্প্ৰদায়, বৰ্ণহিন্দু সকলো শ্ৰেণীৰ লোক) সকলো ক্ষেত্ৰতে(কৃষি, শিল্প, বাণিজ্য প্ৰভৃতি আৰ্থিক আৰু শিক্ষা, সাহিত্য, কলা, বিজ্ঞান প্ৰভৃতি বৌদ্ধিক-সাংস্কৃতিক ক্ষেত্ৰত) সামগ্ৰিকভাৱে অনুন্নত অৱস্থাত আছে। আত্মবিশ্লেষণৰ অভাৱতে আমি নিজৰ দোষবোৰ নিজে নেদেখো কাৰণে নিজক শুধৰাই লৈ আগবঢ়াৰ মানসিক প্ৰস্তুতিৰো অভাৱত পিছ পৰি থাকো। অথচ অসাৰ্থক আত্মগৌৰৱৰ ঢোল বজোৱা আৰু নিজকে অনুন্নত বুলি চিনাকি দি ৰাজনৈতিক সুবিধা লোৱা দুমুখীয়া নীতি গ্ৰহণ কৰি লোকৰ ঈৰ্ষাত জ্বলি-পুৰি মৰো। কেঁচু খান্দোতে সাপ ওলোৱাৰ ভয়ত ইতিহাসৰ দাৰ্শনিক বা বৈজ্ঞানিক বিশ্লেষণ কৰি নিজক শুধৰাবলৈতো প্ৰস্তুত নহওৱেই, নিজতকৈ সামান্য আগবঢ়া আমাৰ ওচৰ-চুবুৰীয়াসকলৰ মানসিক প্ৰস্তুতি বিশ্লেষণ কৰি চাই তেওঁলোকৰ পৰা শিক্ষাগ্ৰহণৰ চেষ্টাও নকৰো। আৰ্থিক, মানসিক কোনো ক্ষেত্ৰতে স্বাৱলম্বী হোৱাৰ চেষ্টা নকৰাকৈ ৰাজনৈতিক নেতা বা ডাঙৰ বিষয়া আদি শাসক হৈ নিজৰ অনুন্নত অৱস্থাৰ পৰা উন্নত কৰিবৰ কাৰণে স্বাধীনতা নাপালেও স্বায়ত্তশাসন বিচাৰো। এই উদ্দেশ্য সিদ্ধিৰ বাবেই এদল ৰাজনীতিজ্ঞই আনবোৰ ৰাজনৈতিক দলৰ আৰু এটা সম্প্ৰদায়ৰ নিন্দাত লিপ্ত হওঁ। এইদৰে তৃতীয়পক্ষ ভেদনীতিৰ পুতলা হৈ যথাসৰ্বস্ব লোকক দিবলৈ আমি আগবাঢ়ি যাওঁ। এই মানসিকতাৰ আঁৰত লুকাই থকা সঞ্চালিকা শক্তিটো কি? এই বিষয়ে কোনো ৰাজনৈতিক দল, শিক্ষাবিদ, সমাজশাস্ত্ৰী প্ৰভৃতি দেশৰ নেতৃস্থানীয় লোকে ভাবি নাচায়, ভাবি চাই প্ৰকৃত কথাটো জানিলেও নকয় বা ক'লেও তাৰ বাবে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰাৰ পৰা কৌশলেৰে আঁতৰি থাকে। আনৰ কথা বাদেই পুঁজিপতিৰ অৰ্থনৈতিক ব্যৱস্থাৰ ওপৰত নিৰ্ভৰশীল সাম্ৰাজ্যবাদীসকলৰ শোষণ নীতিৰ বিৰুদ্ধে শোষণমুক্ত সমাজবাদী ৰাজনীতিৰ আদৰ্শ গ্ৰহণ কৰা আমাৰ দেশৰ কমিউনিষ্টসকলেও তৃতীয়পক্ষৰ লগত থাকি আমাৰ দেশৰ বিভিন্ন ধৰ্ম, গোষ্ঠী আৰু ভাষাভিত্তিক ভেদনীতি প্ৰয়োগ কৰি দেশখনৰ সংহতি আৰু মানৱ অধিকাৰ খৰ্বকাৰী এই বিদেশী সঞ্চালিকা শক্তিটোৰ আওপুৰণি ব্যৱস্থাটোৰ কথা পাহৰি যায়। প্ৰয়োজনীয় সাধাৰণ শিক্ষাৰ পৰা বঞ্চিত পৰনিৰ্ভৰশীল দাস মনোভাৱটো বহুত দলেকে শিপাহি যোৱা আৰু আত্মবিশ্বাসহীন হোৱাৰ উপৰি গোষ্ঠী আৰু ধৰ্মৰ নামত সাম্প্ৰদায়িকতা পাহৰিব নোৱৰা সমাজৰ লোকক সমাজতন্ত্ৰৰ কাৰণে শ্ৰেণীসংগ্ৰামৰ উপযুক্ত সৈনিকৰূপে গঢ় দিব পাৰিব জানো? আনহাতে শ্ৰেণীসংগ্ৰামত জয়লাভ কৰিব পাৰিলেই জানো ৰাজনৈতিক উদ্দেশ্যটো সিদ্ধি হ'ব? শ্ৰেণীসংগ্ৰামটোও এটা সাধনা বা উপায়হে, সি স্বয়ংসাধ্য বা লক্ষ্যবস্তু নহয়। শ্ৰেণীসংগ্ৰামৰ

পিছত গঢ় দিবলগীয়া সমাজখনৰ কাৰণে আমাক কেনে মানুহ আৰু কেনে বস্তু লাগিব সেই দিশটোৰ প্ৰতিও চকু ৰাখিব লাগিব। অযোগ্য মানুহেৰে আৰু বেয়া সঁজুলিৰে ভাল কাম এটা কৰিব নোৱাৰি। চামে চামে উঠি অহা দেশৰ নতুন পুৰুষক যোগ্য ব্যক্তিৰূপে গঢ় দিব পৰা সামাজিক, প্ৰশাসনিক আৰু শৈক্ষিক পৰিবেশত গুৰুত্ব দিয়া নাই। দূষিত শিক্ষা ব্যৱস্থাৰে সুনাগৰিক গঢ় দিব নোৱাৰি। কিছুমানে বেয়া মানুহৰ সমষ্টিৰে এখন ভাল দেশ গঢ় দিয়াটো সম্ভৱ নহয়। আজি ভাৰতত প্ৰচলিত গণতন্ত্ৰ (দলাদলিতন্ত্ৰ) নামৰ শাসন ব্যৱস্থাই দেশৰ সমাজ ব্যৱস্থাৰ লগতে মানৱতাকো খণ্ড খণ্ড কৰিছে। গণতন্ত্ৰৰ এই ৰূপটোৰ সংশোধন বা সমাজতন্ত্ৰ স্থাপনৰ ব্যৱস্থা কৰিবলৈকো বৰ্তমান প্ৰচলিত শিক্ষানীতিৰ পৰিবৰ্তন একান্ত আৱশ্যক হৈ পৰিছে। বৰ্তমান সমাজৰ উপযোগী মানসিক প্ৰস্তুতিৰ কাৰণে বৰ্তমান প্ৰচলিত শিক্ষানীতিৰ পৰিবৰ্তন সৰ্বপ্ৰথম আৰু সৰ্বপ্ৰধান কৰ্তব্য।

ভাৰতবৰ্ষত বৰ্তমান প্ৰচলিত শিক্ষানীতিটো দেশখনৰ কাৰণে ৰাষ্ট্ৰীয় সংকটৰ আধাৰ বুলিও ক'ব পাৰি। সামাজিক জীৱনৰ আৰ্থিক-সাংস্কৃতিক চাহিদা পূৰণৰ কাৰণে অক্ষম এই নীতিভিত্তিক শিক্ষা ব্যৱস্থাই জাতিটোক পৰমুখাপেক্ষী আৰু চৰিত্ৰহীন কৰি তুলিছে। এই ব্যৱস্থাৰ ফলত মাধ্যমিক শিক্ষাগ্ৰহণৰ কাৰণে খৰচ কৰা জীৱনৰ অতি মূল্যবান সময়ছোৱা আৰু ধনৰ বিনিময়ত মাত্ৰ শতকৰা ২৫/৩০ মানেহে পৰীক্ষাত সফলতা লাভ কৰা দেখা যায়। এই সফলতাও অতি নিম্নমানৰ। সাধাৰণ বিষয়ৰ উচ্চ শিক্ষা আৰু বৃত্তিমুখী শিক্ষাৰ ক্ষেত্ৰতো পৰীক্ষাত উত্তীৰ্ণ হোৱা আৰু নোহোৱা দুয়োটাই ব্যক্তি আৰু সমাজ উভয়ৰে কাৰণে সমস্যাত পৰিণত হৈছে। শিক্ষাৰ লক্ষ্য স্বাৱলম্বিতা নহৈ চাকৰি বা পৰাৱলম্বিতা হোৱা কাৰণেই চাকৰি নোপোৱাসকল সমাজ আৰু পৰিয়ালৰ কাৰণে বোজাস্বৰূপ হৈ পৰিছে। সিমানেই নহয়, আত্মবিশ্বাসহীনতাই আৰু হতাশাই এই শ্ৰেণীৰ উচ্চশিক্ষিত লোকৰো সৰহভাগকে অসহিষ্ণু, অস্থিৰ, ঈৰ্ষাপৰায়ণ আৰু হিংসুক হ'বলৈ বাধ্য কৰিছে। বৰ্তমানৰ সন্ত্ৰাসবাদী যুৱ মানসিকতাৰ মূল কাৰণ প্ৰকৃততে কোনো জাতি বা গোষ্ঠীৰ উন্নয়নৰ কাৰণে উপলব্ধি কৰা সামাজিক বা ৰাষ্ট্ৰীয় দায়বদ্ধতা নহয়। সেইবাবে তেওঁলোক সামাজিকভাৱে সংগঠিত নহৈ দলীয়ভাৱেহে সংগঠিত হয় আৰু একে গোষ্ঠী বা জাতি-জনজাতিৰ মাজতে বিভাজন ঘটে। এইদৰে ৰাষ্ট্ৰীয় আৰু প্ৰাদেশিক স্তৰত বিচ্ছিন্নতাবাদী আৰু নিজৰ ভিতৰতে বিভাজনমুখী দলীয় ব্যৱস্থাই সৃষ্টি কৰা সন্ত্ৰস্ত পৰিবেশত শান্তি আৰু সমৃদ্ধি এটাও সম্ভৱ নহয়। আনহাতে কংগ্ৰেছ প্ৰভৃতি প্ৰাচীন ৰাষ্ট্ৰীয় আৰু প্ৰাদেশিক দলসমূহৰ নেতৃত্ব কৰিব পৰা মানসিক প্ৰস্তুতি নহ'লে ৰাজনৈতিক ক্ষমতা আৰু ব্যক্তিগত সমৃদ্ধিৰ অধিকাৰী হোৱাটো সম্ভৱ নহয়। ইফালে বৰ্তমান প্ৰচলিত শাসন ব্যৱস্থাত বাওঁহাতে-সোঁহাতে দুয়োহাতে ক্ষমতা আৰু ধনৰ অধিকাৰী হৈ সমাজৰ অৰ্থাৎ শাসিত প্ৰজাৰ মানৱ অধিকাৰ খৰ্ব কৰোঁতাসকলৰ লগত সমানে ফেৰ মৰাৰ আকাংক্ষাই নিবনুৱা শিক্ষিত যুৱকসকলক জাতি-গোষ্ঠী বা আঞ্চলিক দল আদি সংকীৰ্ণ পৰিসৰৰ ৰাজনীতিত নামিবলৈ বাধ্য কৰে, কিন্তু সাধনালব্ধ মানসিক

প্ৰস্তুতি আৰু স্পষ্ট ৰচনাত্মক আদৰ্শৰ অভাৱে অৱশেষত সকলোকে ধামখুমীয়াত পেলায়। এনেস্থলত অনেকজন শিক্ষিত নিবনুৱা যুৱকৰ মনত সামাজিক দায়বদ্ধতাৰ প্ৰশ্ন উপস্থিত হ'লেও সেই প্ৰশ্নৰ ব্যৱহাৰিক মূল্য থকা উত্তৰ আজিৰ শাসন ব্যৱস্থা, সমাজ ব্যৱস্থা আৰু শিক্ষা ব্যৱস্থা তথা বিদেশী অনুকৰণত গঢ় লোৱা সাহিত্যই দিব পৰা নাই।

এতিয়া ওপৰত দিয়া প্ৰশ্নকেইটাৰ উত্তৰৰ লগতে বৰ্তমান সমস্যাসমূহৰ সংগতি ৰাখি বিচাৰ কৰি চাবলগীয়া কথা এইকেইটা ঃ (ক) খৃঃ ১৩ শতিকাৰ পৰা আহোম শাসনৰ তলত থাকি ১৮ শতিকা পৰ্যন্ত ৫শ বছৰেও মৰাণসকলৰ কোনো আৰ্থিক, মানসিক বিকাশ নহ'ল অথচ বিষয়াসকলৰ পৰা দুৰ্ব্যৱহাৰহে পাইছিল। তাৰেই প্ৰতিশোধৰূপে আহোম শাসনৰ বিৰুদ্ধে সশস্ত্ৰ বিদ্ৰোহ কৰি ৰাজসিংহাসনো লাভ কৰিছিল; কিন্তু তেওঁলোকৰ মনত ৰচনাত্মক ব্যৱস্থা প্ৰধান আদৰ্শ বা ৰাজ্য শাসনৰ মানসিক প্ৰস্তুতি নাছিল। তাৰ ফলত মৰাণসকলেও ৰাজ্য ৰাখিব নোৱাৰিলে আৰু আহোমসকলৰ পাঁচশ বছৰীয়া শাসনৰ অভিজ্ঞতায়ো আন কিছুমান দোষত নিজ ৰাজ্য হেৰুৱালে। লগতে এই দুয়োপক্ষৰ বাহিৰৰ নিৰ্দোষ প্ৰজাও লাখ লাখ মৰিল। দেশ উচ্ছন গ'ল। বৰ্তমানৰ সশস্ত্ৰ বিচ্ছিন্নতাবাদী প্ৰকাশ্য গোষ্ঠীগত আৰু প্ৰচ্ছন্ন গোষ্ঠীগত ৰাজনীতিও মোৱামৰীয়া বিদ্ৰোহ নামে প্ৰসিদ্ধ মৰাণ বিদ্ৰোহৰ এটা নতুন সংস্কৰণ।

(খ) কোম্পানীৰ শাসনকালত প্ৰশাসনীয় কাৰ্যত দক্ষ কৰ্মচাৰীৰ প্ৰয়োজন হোৱা কাৰণে আগতে আহোম শাসনৰ বিষয়াসকলৰ পৰাও স্থানীয় কৰ্মচাৰী বাছি বাছি লৈছিল। এইদৰে বাছনিত পৰা কৰ্মচাৰীসকলৰ প্ৰায়ভাগেই বৰ্ণহিন্দু শ্ৰেণীৰ আছিল। গতিকে তেওঁলোকৰ আৰ্থিক, সামাজিক জীৱনত বেছি পৰিবৰ্তন নঘটিল,পোছাকটোহে সলনি হ'ল। আনহাতে ৰাজ্য হেৰুওৱা আহোম শাসকৰ ওপৰ খাপৰ ডা-ডাঙৰীয়াসকলে নিজৰ যোগ্যতাৰ অভাৱতেই হওক বা অভিমানতেই হওক কোম্পানীৰ তলত কাম কৰিব নোৱাৰিলে যাৰ ফলত তেওঁলোকৰ জীৱনত আৰ্থিক, মানসিক সংঘাত আৰু সমস্যাৰ সৃষ্টি হ'ল। গতিকে সামাজিক পতন নঘটা বৰ্ণহিন্দুসকলৰ এটা শ্ৰেণীৰ প্ৰতি এই ডা-ডাঙৰীয়াসকলৰ মনত ঈৰ্ষাভাৱ গঢ় লৈ উঠিল। পিছলৈ এই ভাৱৰ ভিত্তিতে অনেক ক্ৰিয়া-প্ৰতিক্ৰিয়া হ'বলৈ ধৰিলে। প্ৰথমতে ইংৰাজৰ অধীনত চাকৰি-বাকৰি নকৰি আৰ্থিক, সামাজিক আৰু বৌদ্ধিক দিশতো বিকাশৰ পথত আগবাঢ়ি নোযোৱা সংখ্যাগৰিষ্ঠ আহোমসকলৰ মাজত পিছলৈ স্বাধীনতা হৰণকাৰী ইংৰাজসকলৰ প্ৰতি সদ্ভাৱ দৃঢ় হৈ পৰিছিল। সেইবাবে ভুবন চন্দ্ৰ গগৈ, ৰোহিণী কুমাৰ হাতীবৰুৱা প্ৰভৃতি মাত্ৰ কেইজনমান দূৰদৰ্শী আহোম নেতাৰ বাহিৰে আনসকল জাত্যাভিমানী আহোম নেতাই বৰ্ণহিন্দুৰ লগত মিলিজুলি স্বাধীনতা আন্দোলনত অংশগ্ৰহণ কৰিবলৈ ভাল নাপাই কংগ্ৰেছৰ বিৰুদ্ধে আহোম সভা পাতি জাতীয় স্বাৰ্থ ৰক্ষা কৰিবলৈ যত্নপৰ হৈছিল। স্বাধীনতা লাভৰ কেইবছৰমানৰ পিছতহে আহোম নেতাসকলে কংগ্ৰেছত যোগ দিছিল আৰু আহোম সভাৰ গুৰি ধৰোঁতা সুৰেন্দ্ৰ নাথ বুঢ়াগোহাঁয়ে কেন্দ্ৰীয় মন্ত্ৰীসভাত উপমন্ত্ৰীৰ বাব পাইছিল।

একোটা সাম্প্ৰদায়িক সংগঠনৰ নেতাসকলে সেই দল এৰি আন দললৈ গ'লেও দলটো থাকি যাব পাৰে। যদি দলটো ভাগিও যায়, তথাপি সেই দলে গঢ় দিয়া সাম্প্ৰদায়িক মনোবৃত্তিটোৰ ক্ৰিয়া-প্ৰতিক্ৰিয়া হৈ থাকে। আহোম সভাৰ পিছত তাই মংগোলীয় পৰিষদৰ জন্ম সেই মানসিকতাৰ ভেটিতেই হৈছিল। আজি সেই পৰিষদৰ স্বৰূপটো মূৰ্ত নহ'লেও তাৰ অমূৰ্ত আত্মাই অসম কংগ্ৰেছৰ দিক্ দৰ্শক নেতাৰ বাণীৰূপে মাজে মাজে সাম্প্ৰদায়িক ৰাজনীতিৰ ইংগিত দি আহিছে। আহোমসকলৰ শাসনকালত জনজাতিসমূহৰ উন্নয়ন সম্বন্ধীয় কি কি ব্যৱস্থা লোৱা হৈছিল আহোমসকলৰ বুৰঞ্জী গ্ৰন্থই জানিবলৈ দিব লাগে। বৃটিছৰ যুগত বৰ্ণহিন্দু, হিন্দু, অহিন্দু, জনজাতি সকলোৰে কাৰণে একে ধৰণৰ ব্যৱস্থাই আছিল। পিছ পৰি থকা আৰু পাহাৰী অঞ্চলত খৃষ্টধৰ্মৰ প্ৰচাৰকসকলে উন্নয়নৰ ব্যৱস্থা গ্ৰহণৰ লগতে বিদেশী সমাজ-সংস্কৃতিৰ বজাৰ হিচাপ কৰিছিল আৰু এতিয়াও কৰি আছে। আহোমসকলৰ শাসনকালৰ্ত মহাপুৰুষীয়া গুৰুসকলক জনজাতিৰ মাজত সোমাই সত্ৰীয়া আদৰ্শেৰে আগবঢ়োৱা ব্যৱস্থা গ্ৰহণৰ বাবেই দণ্ড দিয়া হৈছিল। মৰাণ বিদ্ৰোহৰ আগলৈকে কোনো মহাপুৰুষীয়া গুৰু ৰজাৰ বিৰুদ্ধে থিয় দিয়া নাছিল। 'পানীমুৱাৰ খবৰ'ৰ পৰা বিবিধ শ্ৰেণীৰ প্ৰজা আৰু ৰাজবিষয়া এক হৈ ৰজাৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰাৰ যি কথা জনা যায় সেইবিলাকৰ কাৰণো বিচাৰ কৰি চাবলগীয়া।

এই পৰ্যন্ত কৰা আলোচনাৰ যোগেদি আমি এনে সিদ্ধান্তত উপনীত হ'ব খোজা নাই যে ব্ৰাহ্মণ, কায়স্থ প্ৰভৃতি বৰ্ণহিন্দুসকলৰ কোনো দোষেই নাছিল। ৰজাৰ ঘৰ আৰু ডা-ডাঙৰীয়াৰ ঘৰৰ মান-অভিমানৰ দৰেই ৰজাৰ গুৰু আৰু পুৰোহিত আদি ব্ৰাহ্মণসকলৰ জাত্যাভিমান তথা বাহ্যাড়ম্বৰ কম নাছিল। আনসকল গুৰুকো এনে ধৰণৰ ৰাজকীয় আৰু সামাজিক বিধি-ব্যৱস্থাই সেই আৰ্হিত চলিবলৈ বাধ্য কৰিছিল। বৰ্তমান সময়ত জন্মগত জাতিভেদ প্ৰায় নোহোৱা হৈ আহিছে। তাৰ ঠাইত নতুনকৈ ধন আৰু ক্ষমতাৰ জাতিভেদ সৃষ্টি হৈছে। গতিকে গগৈয়ে ভূমিকাত কোৱা কথাৰ যুক্তিযুক্ততা বিচাৰ কৰি চাবলৈ আহ্বান জনাই দ্বিতীয়টোৰ প্ৰশ্নৰ উত্তৰ দিয়া হৈছে।

(গ) প্ৰশ্নটোত সাধনালব্ধ মানসিক প্ৰস্তুতিৰ গুৰুত্বটো লুকাই আছে। আৰ্থিক আৰু বৌদ্ধিক বিকাশৰ আধাৰতহে সমাজৰ মানৰ বিচাৰ কৰা হয়। শান্তি আৰু সমৃদ্ধি উভয়ৰ কাৰণে প্ৰয়োজনীয় মানসিক প্ৰস্তুতিটো সাধনালব্ধ বস্তু হ'লেও সামাজিক পৰিবেশ আৰু প্ৰশাসনীয় ব্যৱস্থাই সহায় নকৰিলে কেৱল ব্যক্তিগত আৰু বংশগত চেষ্টাৰে ব্যক্তি আৰু সমাজ আগবাঢ়িব নোৱাৰে। অসমৰ সামাজিক আৰু প্ৰশাসনীয় পৰিবেশটো কৃষি, শিল্প, বাণিজ্য প্ৰভৃতি আৰ্থিক বিষয়ৰ মানসিক প্ৰস্তুতিৰ বাবে ইংৰাজ শাসনৰ আগৰ সময়ছোৱাত উৎসাহপ্ৰদ নাছিল। ৰজাই ৰজাঘৰীয়া কামৰ কাৰণে প্ৰয়োজনীয় লিখা-পঢ়া জনা মানুহকেইজনমান নিজ পৰম্পৰা মতে ৰাখিছিল। তাত বাদে ব্ৰাহ্মণ পুৰোহিত আৰু ধৰ্মগুৰুসকলে নিজৰ প্ৰয়োজনীয় গ্ৰন্থসমূহৰ অধ্যয়ন-অধ্যাপনা নিজৰ বৃত্তিগত প্ৰয়োজন অনুসৰিহে কৰিছিল। ১৮ শতিকাৰ আহোম ৰাজসভাত সাহিত্য,

কলা আদি বিষয়ৰ গুণী মানুহে কিছু আদৰ পাবলৈ ধৰিছিল যদিও মৰাণ বিদ্ৰোহৰ সময়ৰ পৰাই সেই পৰিবেশৰ বিকাশ সাধনত বাধাৰ সৃষ্টি হ'ল। ৰাজসভাৰ বাহিৰে সাধাৰণ প্ৰজা আৰু অন্য জনগোষ্ঠীৰ মাজত শিক্ষাৰ পৰিবেশ গঢ় দিয়াৰ প্ৰয়াস প্ৰশাসনৰ ফালৰ পৰা হোৱাৰ কথা জনা নাযায়। সেইদৰে উন্নত কৃষি ব্যৱস্থা আৰু বাণিজ্যৰ ক্ষেত্ৰত উদগনি দি নিজৰ বিবিধ শ্ৰেণীৰ প্ৰজাৰ মাজত বিকাশধৰ্মী চেতনা জগাই তোলাৰ উদাহৰণ আহোম শাসনৰ কালত পোৱা যায়নে নাযায় সেইটো মন কৰিবলগীয়া কথা। চাৰিজন পুৰুষ ব্যক্তিৰ এজনে ৰজাৰ পাইক খটা ব্যৱস্থাৰ ঠাইত ৰাজেশ্বৰ সিংহৰ দিনৰ পৰা (১৭৫১) তিনিজনৰ ভিতৰৰে এজনে পাইক খাটিবলগীয়া হোৱাত ব্যক্তিগত সা-সম্পত্তি বা সমৃদ্ধিৰ ক্ষেত্ৰত সাধাৰণ প্ৰজাৰ শক্তি আৰু হ্ৰাস পালে। আহোম শাসন পদ্ধতিৰ এই পৰম্পৰাই আহোম ৰাজ্যৰ সকলো প্ৰজাকে (আহোম আৰু অন্যান্য জনজাতিৰ প্ৰজাকো) ইষ্ট ইণ্ডিয়া কোম্পানীৰ শাসন ব্যৱস্থাত সাধাৰণ কৃষি আৰু সামান্য বনুৱাৰ বাহিৰে অন্য কামৰ বাবে অযোগ্য বুলি বিবেচিত কৰিছিল। আনহাতে উত্তৰ আৰু পশ্চিম ভাৰতৰ লোকসকল শিল্প, বাণিজ্য আৰু সাধাৰণ শিক্ষাৰ ক্ষেত্ৰতো অসমৰ তুলনাত বহুগুণে আগবঢ়া আছিল। সাধাৰণ শিক্ষাৰ অৰ্থ সেই সময়ত হাইস্কুল-কলেজৰ শিক্ষা নহয়, দেশী ভাষা, সাহিত্য, বাণিজ্য, শিল্প আদিৰ পৰম্পৰাগত পাঠশালা, টোল, আশ্ৰম আদিৰ শিক্ষা।

ইষ্ট ইণ্ডিয়া কোম্পানীৰ বেপাৰী ইংৰাজসকলৰ প্ৰয়োজন হোৱা অসম ৰাজ্যৰ বজাৰখনৰ কাৰণে আৰু তাৰ আনুষংগিক শাসন ব্যৱস্থাত সহায় কৰিব পৰা মানুহ ইংৰাজৰ আগৰ অসমৰ শাসনকৰ্তাসকলে গঢ় দি থোৱা নাছিল। গতিকে উত্তৰ আৰু পশ্চিম ভাৰতৰ লগত আগৰে পৰা সম্বন্ধ থকা বৰ্ণহিন্দুসকল আৰু অসমৰ বাহিৰৰ বংগভাষী, হিন্দুস্থানী, ৰাজস্থানী আৰু পঞ্জাবীসকলে ইংৰাজৰ শাসন কালত সুবিধা পোৱাটো স্বাভাৱিক কথা। তেওঁলোকৰো মানসিক প্ৰস্তুতি অৰ্থাৎ সময়োপযোগী সমাজ চেতনাৰ লগত সংগতিপূৰ্ণ কৰ্মক্ষমতা পূৰ্ণাংগ স্তৰৰ আছিল বুলি ক'ব নোৱাৰি। তথাপি আঞ্চলিকতাভিত্তিক সাম্প্ৰদায়িকতা আৰু সংৰক্ষণশীলতাই তেওঁলোকৰ অধিকাংশকে বৃটিছৰ শাসন ব্যৱস্থা আৰু স্বাধীনতা আন্দোলনৰ ক্ষেত্ৰতো সংগতিপূৰ্ণভাৱে আগবাঢ়ি যোৱাত বাধা দি ৰাখিব পৰা নাছিল। গতিকে ইংৰাজৰ শাসন আৰু স্বাধীন ভাৰতৰ শাসন উভয় ক্ষেত্ৰতে তেওঁলোকৰ নেতৃত্ব আঞ্চলিক জনগোষ্ঠী আৰু সাম্প্ৰদায়িক সংখ্যালঘুসকলে মানি ল'বলগীয়া হৈছিল। সাধনালব্ধ মানসিক প্ৰস্তুতি থকা ব্যক্তিসকলে জনজাতি বা ভাষা, ধৰ্ম আদি বিভিন্ন কাৰণত সংখ্যালঘু হ'লেও নেতাৰূপে স্বীকৃত হৈছিল। পঞ্জাবী আৰু ৰাজস্থানীসকলে যথাক্ৰমে শিল্প আৰু বাণিজ্যত লিপ্ত থাকি অৰ্থনৈতিক দিশতহে কাম কৰি থকা বাবে তেওঁলোকে ৰাজনৈতিক নেতৃত্ব পোৱা নাছিল। কেৱল ৰাজনৈতিক নেতৃত্বকহে নেতৃত্ব বুলি ভবা স্বভাৱটোও সমাজৰ সকলো শ্ৰেণীৰ লোকৰে এটা মানসিক দুৰ্বলতাহে। সাময়িকভাৱে অতি প্ৰভাৱশালী হ'লেও

ৰাজনৈতিক নেতা একোজনেই এটা জাতিক সুস্থ-সবল ৰূপত গঢ় দিব নোৱাৰে। নানা প্ৰকাৰৰ আৰ্থিক-সাংস্কৃতিক দিশতো নেতাৰ প্ৰয়োজন কম নহয়। এই শ্ৰেণীৰ নেতাৰ কথা আমাৰ মনলৈকে নাহে। চন্দ্ৰকুমাৰ আগৰৱালা, জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভা আৰু ভূপেন হাজৰিকা বুলিলে অসমৰ কোনোবা এজন মুখ্যমন্ত্ৰীতকৈ কম মূল্যৰ ব্যক্তি বুলি আমি ভাবোনে? এই সাংস্কৃতিক নেতাসকলৰ দৰেই বিষ্ণুৰাম মেধী আৰু শৰৎ চন্দ্ৰ সিংহ নামৰ মুখ্যমন্ত্ৰী দুজনক জাতি বা গোষ্ঠীৰ ভিত্তিত নেতৃত্ব দিয়া হৈছিলনে? ৰাজনৈতিক ক্ষমতাৰ লোভৰ লগতে যোগ্যতাতকৈ জাত-কুলৰ ওপৰত দিয়া গুৰুত্বই বৰ্তমান সময়ৰ ৰাজনৈতিক নেতাসকলক আৰু নিজকে পিছ পৰা বুলি ভাবি থকা লোকসকলক পথভ্ৰষ্টহে কৰিছে। সাধনালব্ধ যোগ্যতা নথকা ৰাজনীতিৰ খেলুৱৈসকলে ইয়াকো এটা ৰাজনৈতিক কৌশল বুলি ধৰিছে যেন দেখা যায়।

দীৰ্ঘম্যাদী ব্যৱস্থা ঃ সাধনালব্ধ মানসিক প্ৰস্তুতিৰ ক্ষেত্ৰত প্ৰচলিত শিক্ষা ব্যৱস্থাৰ ভূমিকা সম্পৰ্কে আগতে উল্লেখ কৰা হৈছে। এই প্ৰসংগত শিক্ষা ব্যৱস্থাৰ স্বৰূপ আৰু আমাৰ কৰ্তব্য সম্বন্ধেও কিছু বিচাৰ কৰি চোৱা আৱশ্যক। খৃঃ ১৮৩৫ চনতে ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতীয়সকলক আৰ্থিক আৰু মানসিকভাৱে অকৰ্মণ্য কৰি শোষণ যন্ত্ৰৰ সঁজুলিৰূপে গঢ় দি লোৱাৰ উদ্দেশ্যে যিটো আছিল পুঁজিপতিৰ স্বাৰ্থৰক্ষক আৰু সাম্ৰাজ্যবাদৰ সমৰ্থক বিদেশী মস্তিষ্কৰ উৎপাদন। আজিৰ যুগৰ ভাৰতৰ বাবে সেইটো অতি পুৰণি আৰু গাত নোখোৱা ধুনীয়া চোলাৰ দৰে অনুপযোগী। কোম্পানীৰ শাসন, বৃটিছ সম্ৰাটৰ শাসন আৰু স্বাধীন ভাৰতৰ গণতান্ত্ৰিক শাসন এই তিনি ধৰণৰ শাসন ব্যৱস্থাৰ তিনিওটা যুগত স্থায়ী হৈ থাকিব পৰা কোনটো তত্ত্ব এই শিক্ষানীতিৰ সঞ্চালিকা শক্তিৰূপে তিষ্ঠি আছে সেইটো সামাজিক দায়বদ্ধ সকলো ব্যক্তিৰ বাবে বিচাৰ্য বিষয়।

ইংলেণ্ডৰ সামন্তভিত্তিক শাসন ব্যৱস্থাৰ অনুৰূপ শাসন ব্যৱস্থাকে কোম্পানীয়ে ভাৰতবৰ্ষত প্ৰচলন কৰি শাসনৰ গধুৰ দায়িত্বটো কাৰ্যতঃ মধ্যস্থ শ্ৰেণী এটাৰ ওপৰত দিবলৈহে বিচাৰিছিল। কোম্পানীৰ কাৰণে শাসন কাৰ্যটো মুখ্য বিষয় নাছিল, বেপাৰ কৰি ধন ঘটাটোহে মুখ্য বিষয় আছিল। তাৰ বাবে কোম্পানীক এনে এটা শ্ৰেণীৰ মানুহৰ প্ৰয়োজন হৈছিল যিটো শ্ৰেণীৰ ভাৰতীয়ই কোম্পানীৰ হৈ শাসনকাৰ্য চম্ভালি কোম্পানীৰ মুখিয়ালসকলক ধন ঘটিবলৈ আজৰি কৰি দিব পাৰে। বিদেশীৰ হৈ কাম কৰা এই দেশী শাসক শ্ৰেণীটোৱে সকলো প্ৰকাৰে সকলো ক্ষেত্ৰতে বিদেশীৰ স্বাৰ্থৰক্ষাৰ হকে নিজক বিদেশী ভাবাপন্ন কৰি ল'বলগীয়া হৈছিল। এই উদ্দেশ্য সিদ্ধিৰ কাৰণে কোম্পানীয়ে এনে এটা শিক্ষানীতি গ্ৰহণ কৰিছিল যি শিক্ষানীতিয়ে চামে চামে উঠি অহা নতুন পুৰুষক আত্মবিশ্বাসহীন, পৰনিৰ্ভৰশীল আৰু দাসত্বপ্ৰেমী কৰি তুলিব পাৰে। *এই নীতিভিত্তিক শিক্ষা ব্যৱস্থাৰ প্ৰসাৰণৰ লগে লগে কৃষি, শিল্প আৰু বাণিজ্যৰ নীতিও পৰিৱৰ্তন কৰি আৰ্থিক শোষণৰ ক্ষেত্ৰত হ'ব পৰা বাধা-বিঘিনিবোৰো দূৰ কৰি*

ল'লে। কোম্পানী আৰু স্থানীয় সামন্ত শাসকৰ দুতৰপীয়া শাসনে প্ৰজাসকলক মানুহৰ শ্ৰেণীৰ পৰা নিৰ্জীৱ যন্ত্ৰৰ শ্ৰেণীলৈ নমালে। কোম্পানীৰ পণ্য উৎপাদনকাৰীৰ বাহিৰে ভাৰতীয় প্ৰজাৰ (বিশেষকৈ কৃষক আৰু বস্ত্ৰশিল্পীসকলৰ) অন্য পৰিচয় নোহোৱা হৈ পৰিল। কোম্পানীৰ শিক্ষানীতিৰে শিক্ষিত আৰু কোম্পানীৰ প্ৰতিনিধিত্ব কৰা দেশী শাসক শ্ৰেণীটোৱে শাসন ব্যৱস্থাৰ নামত ভাতৃঘাতী নীতিটো আত্মৰক্ষাৰ নামতেই ভোগ-বিলাসিতাৰ উদ্দেশ্যে গ্ৰহণ কৰিলে। কৃষক প্ৰভৃতি শ্ৰমিক শ্ৰেণীৰ কাৰণে আগৰ পঞ্চায়তী সমাজ আৰু সংস্কৃতি অস্তিত্বহীন যেন হৈ পৰিল। কোম্পানীৰ শাসনৰ পিছত বৃটিছ সম্ৰাটৰ পোনপটীয়া শাসন ব্যৱস্থাৰ অধীনতো কোম্পানী যুগৰ শিক্ষানীতিৰ মৌলিক পৰিবৰ্তন নঘটিল। কিছুমান ক্ষেত্ৰত বাচি থকা প্ৰাচীন দেশী পৰম্পৰাৰ শিক্ষাই স্বাধীন চিন্তা, কলা, শিল্প আৰু বাণিজ্য আদি বিদ্যা বিলুপ্ত হৈ নোযোৱাকৈ ৰাখিছিল। কুৰি শতিকাৰ প্ৰথমভাগত পশ্চিমীয়া আৰু দেশী আদৰ্শৰ সমন্বয়ধৰ্মী কিছুমান শিক্ষানুষ্ঠান স্বতন্ত্ৰভাৱে ভাৰতীয় শিক্ষাবিদ আৰু সমাজ সচেতন লোকে গঢ় দি লৈছিল।

হৰিদ্বাৰৰ গুৰুকুল, বোলপুৰৰ শান্তি নিকেতন, কাশীৰ কাশী বিদ্যাপীঠ, কলিকতাৰ যাদৱপুৰ ইঞ্জিনীয়াৰিং কলেজ-প্ৰভৃতি এই শ্ৰেণীৰ শিক্ষানুষ্ঠান। এই অনুষ্ঠানসমূহে কিছুসংখ্যক সুকীয়া ধৰণৰ বিশিষ্ট ব্যক্তি গঢ় দিব পাৰিছিল, কিন্তু দুখ আৰু লাজৰ কথা যে ভাৰত স্বাধীন হোৱাৰ পিছত কোম্পানী যুগৰ শিক্ষানীতিৰ যে পৰিবৰ্তন কৰা নহ'লেই, দেশীয় চিন্তাৰ প্ৰভাৱ থকা ওপৰত উল্লেখ কৰা শিক্ষানুষ্ঠানসমূহকো কোম্পানীৰ যুগৰ শিক্ষানীতিৰ আৰ্হিলৈ ৰূপান্তৰিত কৰা হ'ল। আমোলাতান্ত্ৰিক শাসন আৰু সমাজ ব্যৱস্থাৰ পৰিবৰ্তন নহ'লে সমাজবাদী স্বাধীন চিন্তাৰে পৰিচালিত ৰাষ্ট্ৰৰূপে ভাৰতবৰ্ষই নিজৰ পৰিচয় দিব নোৱাৰে।

প্ৰচলিত শিক্ষানীতিৰ ব্যৱস্থাত শিক্ষাটো জীৱনৰ প্ৰয়োজনমুখী আৰু ব্যৱহাৰিক গুৰুত্বপ্ৰধান নহয়। জীৱনকহে শিক্ষা ব্যৱস্থা নামৰ যন্ত্ৰ এটাত ভৰাই দি কিছুমান বিষয়ৰ জ্ঞান আহৰণৰ প্ৰয়াসৰ নামত দুখীয়া দেশৰ ধনৰ অপব্যয় কৰি পৰীক্ষা নামৰ জুৱা খেলেৰে দেশৰ ভৱিষ্যৎ নাগৰিকসকলৰ শতকৰা ৭০/৭৫ ভাগৰ কাৰণে অন্ধকাৰ ভৱিষ্যতৰ বাট মুকলি কৰি দিয়া হয়। দেশ, কাল আৰু ব্যক্তিগত তথা সামাজিক ৰুচিৰ লগত সংগতিপূৰ্ণ শিক্ষা ব্যৱস্থাৰে নতুন শিক্ষানীতি গঢ় দি ল'ব নোৱাৰিলে কোনো ৰাজনৈতিক আদৰ্শ আৰু শাসন ব্যৱস্থাই মৌলিক মানৱীয় সমস্যাৰ বানপানীৰ দৰে দ্ৰুতগতিত বাঢ়ি অহা সোঁতটো আৰ্থিক, আন্তৰ্জাতিক প্ৰভৃতি অন্য সমস্যাৰ দোহাই দি ভেটি ৰাখিব নোৱাৰিব। মানৱতাৰ মৌলিক অধিকাৰৰ সংকট সকলো সংকটতকৈ ডাঙৰ। এনে সংকটৰ প্ৰতি আওকাণ কৰিয়েই মোগল সাম্ৰাজ্য আৰু আহোম ৰাজ্যই নিজৰ অস্তিত্ব হেৰুৱালে। বিদেশী আদৰ্শপ্ৰধান শিক্ষা আৰু প্ৰশাসন ব্যৱস্থাত স্বাধীনতা আন্দোলনৰ সময়ৰ পৰা বিদেশী শক্তিৰ ভেদনীতিয়ে পৃথক পৃথক গোষ্ঠী আৰু ধৰ্মীয় সম্প্ৰদায়ৰ নামত নানা প্ৰকাৰে বিভেদ সৃষ্টি কৰি দেশৰ অখণ্ডতা নষ্ট কৰি আহিছে।

বৰ্তমান ভাৰতৰ আমোলাতান্ত্ৰিক শাসনে এই সমস্যাৰ ওপৰত গুৰুত্ব নিদিয়ে। এই সমস্যাই তেওঁলোকৰ কোনো ক্ষতিসাধন কৰিব নোৱাৰে বুলি হয়তো ধৰি লৈছে। সমাজৰ ক্ষতিয়েই আমোলাতন্ত্ৰৰ গা লৰাব নোৱাৰে। এনে স্থলত সমাজৰ প্ৰতি দায়বদ্ধ আৰু সমাজতান্ত্ৰিক আদৰ্শৰ সমৰ্থক ৰাজনৈতিক দল আৰু দলনিৰপেক্ষ সমাজ সচেতন লোকসকলে সমাজৰ স্বাৰ্থৰ হকে, দেশৰ স্বাৰ্থৰ হকে এটা সবল শিক্ষা আন্দোলন গঢ়ি তুলিব লাগিব।

এনে ব্যৱস্থা দীৰ্ঘম্যাদী হ'লেও ইয়াক বাদ দিলে আন সকলো নীতি আৰু ব্যৱস্থাই নবন্ধাকৈ পানী সিঁচা বিফল প্ৰয়াসৰ নিচিনাহে হ'ব। সাময়িকভাৱে জোৰা-তাপলি মৰা ব্যৱস্থাৰে ৰাজনৈতিক নেতাসকলে নিজৰ ক্ষমতা নেহেৰুৱাকৈ বিভাগীয় বিষয়াসকলৰ লগত হাত মিলাই মূল সমস্যাবোৰৰ পৰা গা এৰা দি গৈ থাকিলে ইদিন-সিদিনকৈ সমস্যা কমি নগৈ বাঢ়ি যোৱাটোৱেই স্বাভাৱিক। আমাৰ দেশত এই স্বাভাৱিক অৱস্থাটোকে দেখিবলৈ পাইছো। ঐতিহাসিক আৰু দাৰ্শনিক জ্ঞান থাকিলেও কাৰ্যক্ষেত্ৰত তাৰ বিপৰীত আচৰণৰ প্ৰতিক্ৰিয়াৰূপে শাসিত প্ৰজাসমূহ ক্ষুব্ধ হৈ শাসনবিৰোধী, সন্ত্ৰাসবাদী হ'বলৈ ধৰিছে। আনহাতে ইংৰাজৰ শাসনকালৰ ভেদনীতিকে আজিও নিজ স্বাৰ্থ ৰক্ষাৰ অস্ত্ৰৰূপে লৈ ৰাজনৈতিক নেতাসকলে দেশৰ সৰ্বনাশৰ পথহে প্ৰশস্ত কৰিবলৈ ধৰিছে। ৰাজনীতিপ্ৰধান আৰু সমাজনীতিপ্ৰধান সাহিত্যসমূহে এই ক্ষেত্ৰত সমাজক প্ৰকৃতাৰ্থত দিক দৰ্শনৰ চেষ্টা কৰা যেন লগা নাই।

মন কৰিবলগীয়া কথা ঃ চমুকৈ ক'বলৈ হ'লে কিতাপখনৰ উদ্দেশ্য আৰু বিচাৰ পদ্ধতিত কিছু নতুনত্ব আছে। ভাবি চাবলগীয়া অনেক ঐতিহাসিক তথ্যও আছে। সেইবাবে লেখকৰ প্ৰতি শুভেচ্ছা জনাইছো, কিন্তু কিতাপখনৰ তলত দিয়া কথাখিনিত ব্যঞ্জিত ভাবটোৰ আঁৰত প্ৰতিশোধৰ কাৰণৰূপে ধৰি লোৱা তথ্যসমূহৰ যি ভিত্তি, সেই ভিত্তি সম্বন্ধে শুদ্ধ ঐতিহাসিক তথ্য আগৰ আলোচনা প্ৰসংগত দাঙি ধৰা হোৱা নাই। স্বাধীনতা আন্দোলনৰ সময়ৰ পৰা বিদেশী শাসকে আৰু বৰ্তমান সময়ৰ দেশী শাসকৰ ভেদনীতিৰ পৰম্পৰাত চলি অহা নতুন সাম্প্ৰদায়িক ভেদনীতিয়ে গঢ়ি দিয়া তথ্যকে আধাৰ হিচাপে লৈ বহুত সময়ত বিচাৰৰ দিক্ নিৰ্ণয় কৰি লোৱা হ'ল। তাৰ ফলত প্ৰকৃত সমাজতন্ত্ৰৰ অনুকূলে সমাজৰ মানসিক প্ৰস্তুতি গঢ় লৈ উঠাৰ বিপৰীতে 'পশ্চাদপদ জাতি গোষ্ঠীবোৰে' তেওঁলোকৰ শত্ৰুৰ বিৰুদ্ধে অস্ত্ৰ লৈ সন্তুষ্ট হ'বলৈ বিচাৰোঁতে সমাজতন্ত্ৰৰ আদৰ্শক বিঘ্নিত কৰাৰ লগতে ৰচনাত্মক দিশত আগুৱাব খোজা নিজৰ বাটতো খাল খান্দি বাধা সৃষ্টি কৰাৰহে সম্ভাৱনা বেছি। 'ইতিহাসৰ প্ৰতিশোধ' প্ৰসংগত (ষষ্ঠ অধ্যায় পৃঃ১২৯) আছে 'আজি অসমৰ ৰাজনীতি, প্ৰশাসন, সাহিত্য, সংস্কৃতি আৰু ব্যৱসায়-বাণিজ্য সকলোতে আধিপত্য বিস্তাৰ কৰি থকা হিন্দু অসমীয়াসকলকেই অন্যান্য পশ্চাদপদ জাতিগোষ্ঠীবোৰে তেওঁলোকৰ প্ৰধান শত্ৰু হিচাপে গণ্য কৰিবলৈ ধৰিছে। তেওঁলোকৰ এই মনোভাব সঠিক হয়নে নহয় সেইটো সুকীয়া কথা, কিন্তু

এয়ে হৈছে নিষ্ঠুৰ বাস্তৱ। অসমীয়া হিন্দু সমাজখনক ক্ষমা কৰিবলৈ তেওঁলোক কেতিয়াও প্ৰস্তুত নহয়। অসমৰ জাতীয় জীৱনত এইদৰেই আৰম্ভ হৈছে ইতিহাসৰ নিৰ্মম প্ৰতিশোধ। ভাৰতৰ বৃহৎ বুৰ্জোৱাৰ অতিকেন্দ্ৰিক শাসন, শোষণ আৰু জাতিগত বৈষম্য তেওঁলোকৰ বাবে দূৰৰ ঘটনা, কিন্তু সমুখত তেওঁলোকে দেখা পাইছে সৌশৰীৰে জাত্যাভিমানী আত্মীয়সকলক। সেয়ে অসমীয়া বিচ্ছিন্নতাবাদীসকলে দিল্লীৰ বিৰুদ্ধে যিপাট শৰ জুৰিছে সেইপাট শৰকেই জনজাতিবিলাকে পোনাইছে অসমীয়াৰ বিৰুদ্ধে।'

উপসংহাৰত দিয়া সিদ্ধান্তৰ পৰা বুজা যায় যে লেখক এই বিচ্ছিন্নতাবাদৰ সমৰ্থক নহয় কিন্তু আগৰ অধ্যায়বোৰত কৰি অহা আলোচনাৰে লেখকে ওপৰত উদ্ধৃত অংশটোত থকা প্ৰতিশোধৰ যুক্তিযুক্ততাকে সমৰ্থন কৰি আহিছে। এই প্ৰসংগত তলত দিয়া কথাকেইটা মূল কিতাপৰ পাঠকসকলৰ বিবেচনাৰ অৰ্থে দাঙি ধৰা হৈছে। (ক) প্ৰতিশোধ শব্দটো এই প্ৰসংগত শুদ্ধ হোৱা নাই। অনিষ্টকাৰীৰ বিৰুদ্ধেহে প্ৰতিশোধ লোৱা হয়। অসমীয়া হিন্দুসকলে প্ৰকৃততে জনজাতিসকলৰ একো অনিষ্ট কৰা নাছিল। খৃঃ১৩ শতিকাৰ পৰা ১৫ শতিকাৰ ভিতৰত মধ্য আৰু নামনি অসমত দুশ-আঢ়ৈশ বছৰমানৰ বাহিৰে খৃঃ চতুৰ্থ শতিকাৰ পৰা ইংৰাজৰ শাসন আৰম্ভ হোৱালৈকে অসমত সদায় বৰ্ণহিন্দুভিন্ন স্থানীয় জনগোষ্ঠী আৰু আহোমসকলৰ শাসনতহে চলিছিল। সেইসকলৰ শাসনকালত পৃথক জনগোষ্ঠীৰ উন্নয়নৰ ব্যৱস্থা নকৰা কাৰণে আৰু ইংৰাজৰ শাসনকালত সকলো জাতিৰ বিকাশৰ বাবে একে শিক্ষা ব্যৱস্থা, কৃষি, শিল্প আৰু বাণিজ্য প্ৰভৃতি আৰ্থিক দিশত আগবঢ়াৰ সুবিধা ল'ব নজনা কাৰণে বৰ্ণহিন্দুসকলক জগৰীয়া কৰিলে বৰ্তমান আৰু ভবিষ্যতলৈ কি লাভ হ'ব? চাপৰিলে মেঘ নেবোৱাৰ দৰে লোকৰ গাত দোষ জাপি দি সমস্যাৰ সমাধান কৰিব নোৱাৰি। নিজৰ উন্নতিৰ কাৰণে নিজে সাধনা কৰিব লাগিব। বিচ্ছিন্নতাবাদী হিংসাই নিজৰ উন্নতিৰ পথ মুকলি কৰিব নোৱাৰে। লেখকৰ ভাষাত ইয়াক প্ৰতিশোধ বোলা হৈছে যদিও প্ৰকৃততে ইয়াক ঈৰ্ষাজনিত হিংসাৰ প্ৰয়াস বুলিলেহে শুদ্ধ হয়। নিজ সাধনাৰে উন্নতিৰ পথত আগবঢ়া জনজাতিসকলক অসমৰ বৰ্ণহিন্দুসকলে বাধা দি অহা উদাহৰণ আৰু প্ৰতিটো জনগোষ্ঠীয়ে পাঁচশ-ছশ বছৰ ধৰি আগবাঢ়িবলৈ কৰি অহা চেষ্টাৰ উদাহৰণ তেওঁলোকে আজি দাঙি ধৰা উচিত। তাৰ পিছতহে প্ৰতিশোধৰ প্ৰশ্নটো আহিব পাৰে। তাকে নকৰাকৈ নিৰ্মম প্ৰতিশোধৰ ব্যৱস্থা ল'বলৈ যাওঁতে আৰু জটিল সমস্যাৰ সন্মুখীন হ'ব লাগিব।।

(খ) অতিকেন্দ্ৰিক আৰু বৃহৎ বুৰ্জোৱা ভাৰতৰ শাসনৰ বিৰুদ্ধে যুঁজিবলৈ যোৱাৰ আগতে অসমৰ সকলো শ্ৰেণীৰ লোকৰ মাজত ঐক্য, সংহতি আৰু সবল আৰ্থিক, মানসিক প্ৰস্তুতিৰ প্ৰয়োজন। একে সময়তে 'জাত্যাভিমানী আত্মীয়সকল'ৰ লগত যুদ্ধ কৰিবলৈ গ'লে প্ৰতিটো পৃথক পৃথক গোষ্ঠীৰ ভিতৰতে দলাদলিৰ সৃষ্টি হ'ব আৰু ভাতৃঘাতী গৃহকলহে নিজকে দুৰ্বলহে কৰিব। এইদৰে নিজকে নিজে দুৰ্বল কৰা দুৰ্বুদ্ধিটো জনজাতি ভাইসকলক বৰ্ণহিন্দুসকলে দিয়া নাই। বহু শতাব্দীজোৰা নিষ্ক্ৰিয়তাৰ

শেষত বিদেশী সাম্ৰাজ্যবাদীৰ আৰ্হি লৈ পিছ পৰাসকলৰ লগতে আংশিক আগবঢ়াসকলকো দমন কৰি ৰাখিবলৈ আমোলাতন্ত্ৰই যি ভেদনীতিৰ প্ৰয়োগ কৰিছে সিয়ে এই আত্ম কলহৰ জুইকুৰা জ্বলাবলৈ ইন্ধন যোগাইছে। বুদ্ধিমানসকলে নিজৰ মানসিক প্ৰস্তুতি আত্মকলহৰ ক্ষেত্ৰত প্ৰয়োগ নকৰে, আমোলাতন্ত্ৰৰ শোষণৰ পৰা মুক্ত কৰি সমাজতন্ত্ৰৰ ফালে আগবঢ়াৰ ক্ষেত্ৰতহে প্ৰয়োগ কৰে। জনজাতি আৰু বৰ্ণহিন্দু সকলোৰে মাজত কম-বেছি পৰিমাণে শোষিত আৰু দলিত লোকো আছে, শোষক শ্ৰেণীৰ শাসক আৰু ৰাজনীতি কৰা লোকো আছে। এই দুয়ো শ্ৰেণীৰ লোকৰ কাৰণে জন্মগত জাতি বিচাৰৰ গুৰুত্ব নোহোৱা হৈ আহিছে। এইটো ইতিহাসৰ স্বাভাৱিক লক্ষণ। এনেস্থলত শ্ৰেণীসংগ্ৰামৰ ক্ষেত্ৰত কৌশলেৰে আগবাঢ়ি নগৈ কেৱল আবেগৰ বশৱৰ্তী হৈ জাতিগোষ্ঠীভিত্তিক সংগ্ৰামত শক্তিৰ অপচয় কৰিলে ইতিহাসৰ বিপৰীত গতিৰ সংঘাতত বিকাশৰ গতি যে বন্ধ হ'বই, অস্তিত্ব ৰক্ষাৰ সমস্যাটোও আৰু বেছি জটিল হৈ উঠিব পাৰে।

জাত-কুলৰ বিচাৰৰ ভিত্তিত ৰাজনীতিৰ আলোচনা কৰা এই কথাবোৰত জড়িত হ'বলগীয়া হোৱা বাবে মই নিজে লজ্জা অনুভৱ কৰিছো, গৌৰৱ অনুভৱ কৰা নাই। ইতিহাসৰ নামত কিছুমান উপৰুৱা মন্তব্যই সমাজত ইতিমধ্যে বহু পৰিমাণে পৰিবেশ দূষিত কৰি পেলাইছে। এনে দূষিতকৰণৰ প্ৰক্ৰিয়াটো যাতে আৰু বেছি নহয়, তালৈ চকু ৰাখিহে সামাজিক দায়িত্ব পালনৰ দৃষ্টিৰে এই কথাকেইটা লিখা হ'ল।

('আজিৰ বাতৰি', ১১ আৰু ১৮ আগষ্ট, ১৯৯৩)

পৰিশিষ্ট - ৩

বাপচন্দ্ৰ মহন্তৰ সমালোচনাৰ উত্তৰ

'আজিৰ বাতৰি'ৰ যোৱা ১১ আৰু ১৮ আগষ্টৰ সংখ্যা দুটাত এই লিখকৰ 'অসমৰ জাতীয় জীৱনত সংহতি আৰু সংঘাত' নামৰ কিতাপখনৰ বিষয়ে শ্ৰদ্ধেয় বাপচন্দ্ৰ মহন্তই 'এখন গ্ৰন্থৰ প্ৰতিক্ৰিয়া' শিৰোনামাৰে এটি দীঘলীয়া সমালোচনা আগবঢ়াইছিল। তেখেতে উত্থাপন কৰা প্ৰশ্ন তথা মতামতবোৰ ভাবি চাবলগীয়া। সেয়ে তেখেতৰ আটাইবোৰ মতামতৰ লগত মই একমত হ'ব নোৱাৰিলেও সেইবোৰ আওকাণ কৰাৰ ধৃষ্টতা আমাৰ নাই। মোৰ একান্ত ব্যক্তিগত তথা পাৰিবাৰিক অসুবিধাৰ বাবে ইমানদিনে মোৰ ক'বলগীয়াখিনি ক'ব পৰা নাছিলো। এতিয়াও প্ৰসংগটো পুনৰ অৱতাৰণা কৰাৰ প্ৰয়োজন আছে বুলিয়েই ধৰি লৈছো।

আৰম্ভণিতে স্বীকাৰ কৰি লৈছো যে শ্ৰদ্ধেয় মহন্তদেৱৰ আলচটি সঁচাকৈ হৃদয়তাপূৰ্ণ, বিষয়গত, তথ্যসমৃদ্ধ আৰু শ্ৰমপ্ৰসূত। আজিকালি গঠনমূলক সমালোচনা একপ্ৰকাৰ দুৰ্লভ হৈ পৰিছে। নবীনসকলৰ প্ৰতি প্ৰবীণ পণ্ডিত সমালোচকসকলৰ মনোভাব সাধাৰণতে আওকণীয়া নাইবা গুৰুবাদদুষ্ট। যিখিনি আলোচনা-বিলোচনা তেওঁলোকৰ কলমৰ পৰা নিগৰি আহে সেইখিনিও হয় সততে অহেতুক প্ৰশংসাৰে ভৰা নাইবা অবাঞ্ছিত আক্ৰমণ বা আক্ৰোশেৰে উতলা। অনুভূতিৰ আতিশয্য নাইবা কৰ্কশ শীতলতা এই দুবিধ পণ্যহে আজিকালিৰ সমালোচনাৰ বজাৰত সহজলভ্য হৈ পৰিছে। ফলত প্ৰায়বোৰ সমালোচনাৰে ফল হয় নেতিবাচক, ধ্বংসাত্মক-- লিখক, সমালোচক আৰু সমাজ সকলোৰে বাবে। কিন্তু মহন্তদেৱৰ আলচটি এক স্পষ্ট ব্যতিক্ৰম। খৰাংদিনৰ এচাটি বৰষুণৰ দৰেই তেওঁৰ সমালোচনাই আমাক অনুগৃহীত তথা অনুপ্ৰাণিত কৰিলে।

কোনো লিখক বা সমালোচকৰে প্ৰতিটো মতামত বা বিচাৰ-বিশ্লেষণেই শুদ্ধ বা পৰ্য্যাপ্ত হ'ব নোৱাৰে। মানুহৰ চিন্তা তথা বিচাৰ-বুদ্ধি সদায় সময়সাপেক্ষ, আপেক্ষিক আৰু অসম্পূৰ্ণ। এই মৌলিক মানবীয় সীমাবদ্ধতাৰ প্ৰতি সজাগ লিখক বা সমালোচক কোনোজনেই মূৰ্খৰ দৰে দপদপাব নোৱাৰে। নিজৰ অকাট্য যুক্তি, সচেতন বিচাৰ আৰু সম্যক উপলব্ধিৰ আঁৰতো তেওঁলোকে প্ৰকৃত সত্য, উৎকৰ্ষতা আৰু পৰিপূৰ্ণতাৰ সন্ধান কৰে। আজিৰ অসমৰ জাতীয় জীৱনৰ এনে সন্ধিক্ষণত প্ৰতিজন লিখক, সমালোচক তথা চিন্তাশীল লোকৰ বাবে এনে সহিষ্ণুতা, সংযম তথা সত্য সন্ধানতকৈ অধিক প্ৰয়োজনীয় আন একো নাই। মোৰ আলোচিত কিতাপখনৰ মুখবন্ধতো লিখিছিলো : 'ইয়াৰ বুৰঞ্জীৰ কথাখিনি হ'ল মাত্ৰ পটভূমি; অথচ সেই পটভূমি কিমান নিৰ্ভৰযোগ্য

সেই বিষয়ে আমি নিজেও সন্দেহমুক্ত নহওঁ। অসম বুৰঞ্জীৰ সম্পৰ্কত গৱেষকসকলে এতিয়াও বহু নতুন তথ্য-পাতি তথা ব্যাখ্যা উপস্থাপন কৰিছে। সেই আটাইবিলাকৰ লগত এই লিখকৰ পৰিচয় ঘটিছে বুলি দাবী কৰিব নোৱাৰো। সেয়ে আমি ব্যৱহাৰ কৰা সমলখিনিত কোনোবাই কিবা ভুল হয়তো পাব পাৰে বা আগলৈও কিবা ভুল হয়তো বাহিৰ হ'ব পাৰে। (এনে ক্ষেত্ৰত) গৱেষকৰ মুক্ত সমালোচনা বা পৰামৰ্শহে (আমি) অকাতৰে কামনা কৰিম।'

মোৰ আলোচিত কিতাপখনত (অসমৰ জাতীয় জীৱনত সংহতি আৰু সংঘাত) মই যিকোনো ধৰণৰ বিচ্ছিন্নতাৰ বিৰুদ্ধেই দৃঢ় আৰু দ্ব্যৰ্থহীন অৱস্থান গ্ৰহণ কৰিছো। কিন্তু মহন্তই অভিযোগ কৰিছে যে কিতাপখনৰ আগৰ অধ্যায়বোৰ বিচাৰ-বিশ্লেষণত অসমৰ জাতিগত বিচ্ছিন্নতাৰ যুক্তিযুক্ততাকহে সমৰ্থন কৰা হৈছে। অভিযোগটো মানি ল'বলৈ মই টান পাইছো। আমাৰ বিচাৰত জাতিগত বিভাজনৰ প্ৰৱণতা তথা তাৰ অন্তৰালত লুকাই থকা বিভিন্ন জাতিগোষ্ঠীৰ পুঞ্জীভূত ক্ষোভৰ ভিত্তিক যথাযথভাৱে বিচাৰ কৰিহে আমি বিচ্ছিন্নতাবাদৰ বিৰুদ্ধে আৰু শ্ৰমজীৱী জনগণৰ বাঞ্ছিত মুক্তিপথৰ প্ৰতি বিভিন্ন জাতিগোষ্ঠীৰ সৰ্বসাধাৰণ লোকসকলক আকৰ্ষিত কৰিব পাৰিম। সেয়ে মোৰ কিতাপখনত প্ৰাচীন কালৰ পৰা আজিলৈকে অসমৰ ইতিহাসৰ বিভিন্ন যুগৰ জাতিগত সংহতি আৰু সংঘাতৰ উপাদানবোৰৰ আঁত বুটলিবলৈ আৰু বিভিন্ন জাতিগোষ্ঠীৰ জাতীয় ভাবাৱেগ, ক্ষোভ আৰু সংশয়ৰ ঐতিহাসিক ভিত্তিক সহানুভূতিৰে বিচাৰ কৰিবলৈ প্ৰয়াস কৰিছো। আমাৰ উদ্দেশ্য হ'ল প্ৰতিটো জাতিগোষ্ঠীৰে ইতিহাসৰ প্ৰতি ন্যায় বিচাৰ কৰাৰ মাজেদি তেওঁলোকৰ বিশ্বাস ঘূৰাই অনা, নিজৰ দোষ-গুণ সকলোবোৰ সমানে উপলব্ধি তথা স্বীকাৰ কৰিবলৈ তেওঁলোকক উৎসাহিত কৰা, সম্যক জ্ঞান আৰু পৰিষ্কাৰ মনেৰে বৰ্তমানৰ সমস্যাৰাজিৰ সন্মুখীন হ'ব পৰাকৈ তেওঁলোকক প্ৰস্তুত কৰা আৰু পাৰস্পৰিক বিচ্ছিন্নতাৰ প্ৰৱণতাৰ পৰা সকলোকে ৰক্ষা কৰা। সেয়ে অসমৰ পশ্চাদ্‌পদ জনগোষ্ঠীবোৰৰ অৱস্থাৰ প্ৰতি সহানুভূতি জনোৱা নাইবা অসমীয়া বৰ্ণসমাজখনৰ বিৰুদ্ধে তেওঁলোকৰ ক্ষোভ আৰু সংশয় আছে বুলি কোৱা মানেই তেওঁলোকৰ পৃথকত্ববাদ সমৰ্থন জনোৱা নিশ্চয় হ'ব নোৱাৰে। কিন্তু অসমৰ মিশ্ৰিতপ্ৰায় জনজাতিবিলাকো এটা এটাকৈ কিয় অসমীয়াৰ পৰা আঁতৰি যাবলৈ ওলাইছে সেই কথা দকৈ গমি-পিতি চোৱাৰ প্ৰয়োজন হৈছে। কাৰ্বি আৰু বড়োসকলৰ স্বায়ত্তশাসনৰ দাবী পূৰণ হৈছে। এতিয়া মিচিং, ৰাভা, তিৱা, মৰাণ, মটক, সোণোৱাল আদি মিশ্ৰিতপ্ৰায় জনগোষ্ঠীবোৰৰ লগত অসমীয়াই খোলা মনেৰে বুজা-পৰা কৰাৰ চেষ্টা কৰিব লাগিব। পৃথকত্বৰ ফালে নগৈ একেখন ঘৰতে সমান মৰ্যাদা লৈ সকলোৱে একেলগে থকাৰ আৰু একেটা জাতিগত পৰিচয় ৰক্ষা কৰাৰ সম্ভাৱনা এতিয়াও আছেনে নাই তাক পৰীক্ষা কৰি চোৱাৰ প্ৰয়োজন জৰুৰী হৈ উঠিছে। তাৰ বাবে বৰ্ণসমাজখনৰ আত্মসমালোচনাৰ প্ৰয়োজন আছে। কিন্তু সেই প্ৰয়োজন অস্বীকাৰ কৰি নিজকে নিৰ্দোষ বুলি ধৰি

লৈ হাত সাবটি বহি থাকিলে শইকীয়া চৰকাৰৰ বিভাজনৰ কৌশলহে সফল হ'ব। মই অসমীয়া মাত্ৰেই বৰ্ণহিন্দু বুলি ক'তো কোৱা নাই আৰু সেইদৰে কেতিয়াও নাভাবো। কিন্তু অসমীয়াবিৰোধী হ'ব খোজা জনগোষ্ঠীবোৰে অসমীয়া আৰু বৰ্ণহিন্দুক কিয় সমাৰ্থক বুলি গণ্য কৰে তাকো নিৰপেক্ষভাৱে বিচাৰ কৰি চোৱাৰ প্ৰয়োজন আছে। জনজাতীয় লোকসকলৰ দৃষ্টিত আহোমসকলো বৰ্ণসমাজখনৰহে অংশীদাৰ। সেইদৰে আহোমসকলৰ মনতো জনজাতীয় লোকৰ প্ৰতি হেয়জ্ঞান আৰু বিদ্বেষ কোনো গুণে কম নহয়। সেয়ে জাত্যাভিমানী বৰ্ণহিন্দুসকলৰ দৰে জাত্যাভিমানী আৰু পৃথকত্ববাদী আহোমসকলেও নিৰ্মোহচিত্তে আত্মসমালোচনা কৰাৰ প্ৰয়োজন আছে।

অসমৰ ভৈয়াম জনজাতিবিলাকৰ মাজত নাইবা আহোম সম্প্ৰদায়ৰ মাজত গা কৰি উঠা উগ্ৰ জাতীয়তাবাদ কোনোপধ্যেই সমৰ্থনযোগ্য হ'ব নোৱাৰে। আমি সকলো ধৰণৰ উগ্ৰ জাতীয়তাবাদক বিৰোধিতা কৰো। কাৰণ জাতিগত ঘৃণা বা বিদ্বেষ সৃষ্টি কৰা কোনো কামেই বা কোনো শক্তিয়েই নিজৰ বা সমাজৰ বিকাশ ঘটাব নোৱাৰে। বৰং তাৰ উত্তৰণৰ গতি ৰোধ কৰি ক্ষতিসাধনহে কৰে। কিন্তু এমুঠি নেতাৰ চাতুৰি তথা উগ্ৰতা আৰু সৰ্বসাধাৰণ ৰাইজৰ ন্যায্য আকাংক্ষাৰ মাজত থকা পাৰ্থক্যৰ ৰেখাডাল চিনিব নোৱাৰিলে জাতি সমস্যাৰ বিচাৰত আউল লাগে। আজিৰ অৱস্থাত বিভিন্ন জনগোষ্ঠীৰ স্বায়ত্তশাসনৰ দাবীক তাচ্ছিল্য কৰিলে নাইবা পোনচাটেই নাকচ কৰিলে সৰ্বসাধাৰণ জনজাতীয় ৰাইজকহে তুচ্ছ কৰা হ'ব, তেওঁলোকৰ উগ্ৰ নেতৃত্বক নহয়। মই বুজাত শ্ৰদ্ধেয় মহন্তৰ সদিচ্ছা সত্ত্বেও জনজাতীয় স্বায়ত্তশাসনৰ প্ৰশ্নত তেওঁৰ স্থিতিৰ ভুল ব্যাখ্যা হোৱাৰহে সম্ভাৱনা বেছি। তেওঁ লিখিছে '(অথচ) অসাৰ্থক আত্মগৌৰৱৰ ঢোল বজোৱা আৰু নিজকে অনুন্নত বুলি চিনাকি দি ৰাজনৈতিক সুবিধা লোৱা দুমুখীয়া নীতি গ্ৰহণ কৰি লোকৰ ঈৰ্ষাত জ্বলি-পুৰি মৰো।.. আৰ্থিক, মানসিক কোনো ক্ষেত্ৰতে স্বাৱলম্বী হোৱাৰ চেষ্টা নকৰাকৈ ৰাজনৈতিক নেতা বা ডাঙৰ বিষয়া আদি শাসক হৈ নিজৰ অনুন্নত অৱস্থাৰ পৰা উন্নত কৰিবৰ কাৰণে স্বাধীনতা নাপালেও স্বায়ত্তশাসন বিচাৰো।' ইয়াত মহন্তদেৱে দুটা ভুল কৰিছে। প্ৰথমতঃ জনজাতীয় স্বায়ত্তশাসনৰ সমগ্ৰ প্ৰশ্নটোক ঈৰ্ষাজনিত বিকাৰ বুলি চিহ্নিত কৰিছে আৰু দ্বিতীয়তঃ জনজাতীয় নেতা আৰু জনজাতীয় ৰাইজৰ ভূমিকাৰ পাৰ্থক্য বিচাৰ নকৰি একাকাৰ কৰিছে। প্ৰথম ক্ষেত্ৰত তেওঁৰ স্থিতি অনৈতিহাসিক। জনজাতীয় স্বায়ত্তশাসনৰ দাবীৰ পিছত কেৱল এমুঠি নেতাৰ চাতুৰি, উচ্চাকাংক্ষা আৰু উগ্ৰতাই নাই, তাৰো অন্তৰালত আছে এই জনগোষ্ঠীবোৰৰ যুগ যুগ ধৰি প্ৰবঞ্চিত আৰু অৱহেলিত হোৱাৰ ক্ষোভ আৰু বেদনা। মোৰ আলোচ্য কিতাপখনতেই ইয়াৰ পৰ্যাপ্ত বৰ্ণনা দিয়া আছে। ইয়াত সেই ব্যাখ্যা দোহাৰিব খোজা নাই। মাত্ৰ চমুতে এই কথা কৈ থোৱা ভাল হ'ব যে হিন্দু অসমীয়া সমাজখনৰ প্ৰতি জনজাতীয় লোকসকলৰ বিদ্বেষৰ কোনো ভিত্তিয়েই নাই বুলি ধৰি ল'লে এটা জটিল ঐতিহাসিক প্ৰক্ৰিয়াক অতি বেছি সৰলীকৰণ কৰাৰ দোষে চুব। এই কথা

অনস্বীকাৰ্য যে বৰ্ণহিন্দুসকলৰ আন জগৰ থাকক বা নাথাকক জনজাতীয় লোকসকলৰ প্ৰতি তুচ্ছজ্ঞান আৰু অৱহেলাৰ ভাগৰ নিশ্চয় আছিল আৰু আজিও আছে। বৃটিছৰ দিনলৈকে এই অৱহেলাৰ ৰূপ আছিল মূলতঃ জাতিগত আৰু সাংস্কৃতিক। তাৰ পিছৰ পৰা আৰ্থিক আৰু ৰাজনৈতিক দিশলৈয়ো সি সম্প্ৰসাৰিত হৈছিল। আহোমসকলো এই দোষৰ পৰা মুক্ত নহয়। অসমত কংগ্ৰেছৰ সংগঠন তথা স্বাধীনতা আন্দোলন সম্প্ৰসাৰিত হোৱাৰ সময়তে ট্ৰাইবেল লীগ, আহোম সভা আদি সংগঠনবোৰ গঠনৰ গুৰিত কেৱল সাম্ৰাজ্যবাদৰ ষড়যন্ত্ৰ আৰু জনজাতীয় তথা আহোম নেতাসকলৰ উচ্চাকাংক্ষাহে সক্ৰিয় আছিলনে? অসম কংগ্ৰেছৰ তদানীন্তন নেতৃত্বৰ ওপৰত থকা বৰ্ণহিন্দুৰ সাম্প্ৰদায়িকতাবাদৰ কোনো নেতিবাচক ভূমিকা নাছিলনে? এই ক্ষেত্ৰত আন নালাগে মৌলানা আবুল কালাম আজাদৰ প্ৰামাণ্য গ্ৰন্থ 'ইণ্ডিয়া উইনছ ফ্ৰিডম' নামৰ গ্ৰন্থই প্ৰমাণ কৰিব যে কংগ্ৰেছৰ নেতৃত্বৰ হিন্দু সাম্প্ৰদায়িকতাৰ প্ৰভাৱ আছিল এক সৰ্বভাৰতীয় বৈশিষ্ট্য।

দ্বিতীয় ক্ষেত্ৰত তেখেতৰ বিশ্লেষণ হ'ল একদেশদৰ্শী। এতিয়া স্বায়ত্তশাসনৰ দাবী কেৱল জনজাতীয় নেতাসকলৰে দাবী নহয়। পৃথক জাতিগত পৰিচয় আৰু ৰাজনৈতিক অধিকাৰৰ দাবীয়ে সৰ্বসাধাৰণ জনজাতীয় ৰাইজকো জাগ্ৰত কৰি তুলিছে। এই জাগৰণৰ গুৰিত নেতাসকলৰ স্বাৰ্থ তথা চাতুৰিও হয়তো আছে। কিন্তু এই কথাও ঠিক যে তেনে এমুঠি পৃথকত্ববাদী তথা উগ্ৰ জাতীয়তাবাদী নেতায়ো জাতিগত উন্মাদনাৰ জুই জ্বলাব নোৱাৰিলেহেঁতেন, যদিহে ঘটনাবোৰৰ পিছত এক ঐতিহাসিক-সামাজিক পটভূমি প্ৰস্তুত হৈ নাথাকিলেহেঁতেন। সেয়ে উগ্ৰ জাতীয়তাবাদী উন্মাদনাৰ পৰা বিভিন্ন জাতিগোষ্ঠীৰ সৰ্বসাধাৰণ লোকসকলক ৰক্ষা কৰিবলৈ হ'লে কেৱল উগ্ৰ জাতীয়তাবাদী নেতাসকলক গালি-গালাজ কৰি ক্ষান্ত থাকিলে নহ'ব। আমি পাহৰি গ'লে ভুল হ'ব যে আনে উগ্ৰ জাতীয়তাবাদী বা সাম্প্ৰদায়িক বুলি ভবা নেতাসকলো নিজৰ নিজৰ জাতিগোষ্ঠীৰ সৰ্বসাধাৰণ ৰাইজৰ দৃষ্টিত এতিয়াও একো একোজন জাতীয় বীৰ বুলিয়েই চিহ্নিত আৰু সন্মানিত। 'এতিয়াও' বুলি কৈছো এই কাৰণেই যে, ভৱিষ্যতে কেতিয়াবা হয়তো এইসকল নেতাৰ বা এইবিলাক পৃথকত্ববাদী আন্দোলনৰ নৱমূল্যায়ন হ'ব পাৰে। কিন্তু সেইদিন এতিয়া বহুদূৰত। সেয়ে পশ্চাদ্‌পদ জাতিগোষ্ঠীবোৰৰ ক্ষোভ আৰু ন্যায্য অধিকাৰক স্বীকৃতি দিহে, তেওঁলোকৰ পৃথক জাতিগত পৰিচয়ৰ আকাংক্ষাৰ প্ৰতি যথোচিত সন্মান জনাইহে আমি সৰ্বসাধাৰণ জনজাতীয় ৰাইজৰ বিশ্বাস ঘূৰাই আনিব পাৰিম, উগ্ৰ জাতীয়তাবাদী নেতৃত্ব তথা প্ৰৱণতাৰ লগত জড়িত হিংসা-বিদ্বেষক বাধা দিব পাৰিম আৰু জনজাতীয় আৰু অজনজাতীয় জনসাধাৰণৰ মাজৰ ঐক্য আৰু সংহতিক ৰক্ষা কৰিব পাৰিম। সেইদৰে কাৰ্বি আংলং বা বড়োলেণ্ড স্বায়ত্তশাসিত পৰিষদৰ অঞ্চলবোৰত অজনজাতীয় লোকৰ নিৰাপত্তা আৰু সমানাধিকাৰ আমাৰ গণতান্ত্ৰিক ব্যৱস্থা তথা মূল্যবোধৰ এটা ডাঙৰ পৰীক্ষাত পৰিণত হৈছে। সংখ্যাগৰিষ্ঠ জনজাতীয় ৰাইজকো অজনজাতীয় লোকসকলৰ

অধিকাৰৰ প্ৰতি সজাগ আৰু সচেষ্ট কৰি তুলিব পৰাকৈ এটা অনুকূল পৰিবেশৰ সৃষ্টি কৰিব লাগিব।

অসমৰ জনজাতীয় স্বায়ত্তশাসনৰ প্ৰশ্নক আমি কি দৃষ্টিভংগীৰে বিচাৰ কৰিম? এইটো এটা গুৰুত্বপূৰ্ণ কথা। শ্ৰদ্ধেয় মহন্তদেৱে লিখাৰ দৰে দৰ্শনৰ যিদৰে ইতিহাস আছে, ইতিহাসৰো সেইদৰে একোটা দৰ্শন আছে। আমি যি ৰঙৰ চছমাৰে মানুহৰ জীৱন, সমাজ তথা প্ৰকৃতিক অৱলোকন কৰিম ঠিক সেই ৰঙতেই সিবিলাকৰ ৰং-ৰূপো আমাৰ চকুত উদ্ভাসিত হৈ উঠিব। সেয়ে পৰিদৃশ্যমান বস্তু বা ঘটনাৰ মাজত অন্তৰ্নিহিত সত্যবস্তুৰ সন্ধানৰ চৰ্তও হৈছে আমাৰ দৃষ্টিক আবদ্ধ কৰি ৰখা মায়াজালবোৰ আঁতৰ কৰা। ইতিহাসৰ বিচাৰৰ ক্ষেত্ৰতো একে কথা। প্ৰাচীন কৃষিজীৱী সমাজখনৰ নিৰ্দয় ভাঙোন আধুনিক পুঁজিবাদী যুগৰ এক মৰ্মান্তিক ট্ৰেজেডি। সমাজৰ অৱধাৰিত ঐতিহাসিক প্ৰক্ৰিয়াক ৰোধ কৰিব নোৱৰা পুৰণি সমাজখনে নতুন সমাজখনকো স্বীকাৰ কৰি ল'বলৈ প্ৰস্তুত নাছিল। তাৰ ফল আছিল এক অসহায় নিৰ্লিপ্ততা আৰু এক নীৰৱ মৃত্যুযাত্ৰা। পুঁজিবাদৰ সম্প্ৰসাৰিত হাঁতোৰাই এনে বহু প্ৰাচীন কৃষিজীৱী জনগোষ্ঠীক টেঁটু চেপি মাৰিছিল। আন বহুতে সেই হাঁতোৰাৰ পৰা বাচিবলৈ পলায়নৰ পথ বাছি লৈছিল। অসমৰ দৰে অৰ্দ্ধসামন্তবাদী, অৰ্দ্ধজনজাতীয় দেশ এখনৰ বাবেও বিদেশী পুঁজিৰ দ্ৰুত বহিৰাগমন থলুৱা জনজাতীয় সমাজখনৰ বাবে আছিল অতি ভয়ংকৰ, অতি মৰ্মান্তিক। বজাৰ, শিল্প, বাণিজ্য, আধুনিক সভ্যতা-- এইবিলাক য'লৈকে গৈছিল তাৰ পৰাই পুৰণি জনগোষ্ঠীবোৰ এটা এটাকৈ উচ্ছন বা অপসাৰিত হৈছিল। আজিৰ বৃহত্তৰ গুৱাহাটী তথা ৰাজ্যখনৰ অন্যান্য শিল্প নগৰবোৰৰ পূৰ্বৰ বাসিন্দাসকলো এইদৰে মাটি বাৰী এৰি লাহে লাহে আঁতৰি গৈছিল। ক'লৈ গৈছিল তাৰ হিচাপ ৰাখোতাও কোনো নাছিল। এনেদৰে পলাই মেলি আধা মৰি-হজিও ভিতৰুৱা গাঁও অঞ্চলত বাচি থকা জনজাতীয় বা অন্যান্য জনগোষ্ঠীবোৰক পুঁজিবাদৰ ছত্ৰছায়াত সুযোগ-সন্ধান কৰিব জনা উন্নত শ্ৰেণী বা গোষ্ঠীবোৰৰ মাপকাঠিৰে জুখিবলৈ গ'লে তেওঁলোকৰ প্ৰতি ডাঙৰ অবিচাৰ কৰা হ'ব। সেয়ে এনে পশ্চাদ্‌পদ জনগোষ্ঠী বা শ্ৰেণীবোৰৰ বাবে স্বায়ত্তশাসন বা সংৰক্ষণ ব্যৱস্থাৰ এক গণতান্ত্ৰিক আৰু ঐতিহাসিক উপাদান আছে। সামাজিক সমতা আৰু ন্যায়ৰ দৃষ্টিভংগীত এনে বিশেষ ব্যৱস্থাবোৰ অতি প্ৰাসংগিক বা প্ৰয়োজনীয় বুলিয়েই স্বীকৃত আৰু সমাদৃত।

সন্দেহ নাই, অসম তথা ভাৰতৰ জনজাতীয় পৃথকত্ববাদী আন্দোলনবোৰৰ নেতৃত্ব লৈছে তেওঁলোকৰ মাজৰ এচাম নব্যশিক্ষিত মধ্যবিত্তই। সেয়ে এই আন্দোলনবোৰ মধ্যবিত্তৰ সংকীৰ্ণতা আৰু সুবিধাবাদৰ চাৰিসীমাতে আবদ্ধ। সংশ্লিষ্ট জনগোষ্ঠীবোৰৰ সংখ্যাগৰিষ্ঠ দুখীয়া জনসাধাৰণৰ আৰ্থ-সামাজিক মুক্তি তথা বিকাশৰ স্বপ্ন জাগ্ৰত কৰিলেও সেই স্বপ্ন বাস্তৱত ৰূপ দিয়াৰ স্বাৰ্থ বা শক্তি এটাও মধ্যবিত্তৰ নাই। তথাপি এই আন্দোলনবোৰৰ পিছত থকা ব্যাপক জনসাধাৰণৰ সক্ৰিয় সহযোগ অনস্বীকাৰ্য। বাস্তৱত

এই কথা বাৰে বাৰে প্ৰমাণ হৈছে যে দৰিদ্ৰ জনসাধাৰণৰো জাতিগত আকাংক্ষা আছে আৰু তাৰ আবেদন ভাত-কাপোৰৰ আবেদনতকৈ কোনোগুণে কম নহয়। গতিকে তেওঁলোকৰ জাতিগত পৰিচয়ৰ সুৰক্ষা তথা স্বকীয় সাংস্কৃতিক বিকাশৰ ব্যৱস্থা নকৰাকৈ সমাজ পৰিৱৰ্তনৰ সংগ্ৰামত তেওঁলোকক উদ্বুদ্ধ কৰাও সহজ নহয়। লেনিনে ৰাছিয়াৰ বিশেষ পৰিস্থিতিত, অৰ্থাৎ জাৰতন্ত্ৰৰ সাম্ৰাজ্যবাদী নিৰ্যাতন-নিষ্পেষণৰ পটভূমিত পশ্চাদ্‌পদ আৰু পদানত জাতিবিলাকৰ বাবে পূৰ্ণ আত্মনিয়ন্ত্ৰণ বা বিচ্ছিন্নতাৰ দাবী তুলিছিল। আনহাতে আমাৰ দেশত স্বাধীনোত্তৰ যুগৰ বিশেষ পৰিস্থিতিত পশ্চাদপদ জাতিগোষ্ঠীবোৰৰ বাবে আঞ্চলিক স্বায়ত্তশাসনৰ ব্যৱস্থাই তেওঁলোকৰ আত্মনিয়ন্ত্ৰণৰ সমস্যাৰ বাঞ্ছিত সমাধান বুলি ধৰি লোৱা হৈছে। সেয়ে এই জনগোষ্ঠীবোৰৰ স্বায়ত্তশাসনৰ বিষয়টোক কেৱল এমুঠি নেতাৰ ৰাজনৈতিক আকাংক্ষা পূৰণৰ হীন প্ৰচেষ্টা বুলি ধৰি ল'লে ডাঙৰ ভুল কৰা হ'ব।

সেই বুলি জাতি সমস্যাৰ কোনো পূৰ্বনিৰ্দ্ধাৰিত আৰু পোনপটীয়া সমাধান নাই বা থাকিবও নোৱাৰে। এনে পোনপটীয়া সমাধানৰ প্ৰচেষ্টাই বুৰ্জোৱাৰ ষড়যন্ত্ৰকহে সহায় কৰে বুলি লেনিনে বাৰে বাৰে সতৰ্ক কৰি গৈছিল। ইয়াৰ অৰ্থ হ'ল এয়ে যে প্ৰতিটো জাতিৰে জাতিগত সমস্যাক তাৰ বিশেষ ঐতিহাসিক পটভূমিত বিচাৰ কৰিব লাগিব আৰু শ্ৰমিক তথা শ্ৰমজীৱী জনসাধাৰণৰ ঐক্য আৰু ঐক্যবদ্ধ আন্দোলনৰ দৃষ্টিভংগী গ্ৰহণ কৰিব লাগিব। অসমৰ জনজাতীয় স্বায়ত্তশাসনৰ ক্ষেত্ৰতো একে কথা। আমি প্ৰতিটো জনগোষ্ঠীৰে স্বায়ত্তশাসনৰ প্ৰশ্নক পৃথকভাৱে আৰু তাৰ বিশেষ পটভূমিত বিচাৰ কৰিব লাগিব। বড়ো বা কাৰ্বিক স্বায়ত্তশাসন দিয়া হ'ল গতিকে বাকীবোৰ জনজাতিকো একেদৰে স্বায়ত্তশাসনৰ সুযোগ দিব লাগিব— এনে ধৰণৰ দেখাত পোনপটীয়া তথা কাৰ্যকৰী ধৰণৰ দাবী বা দৃষ্টিভংগী অসমৰ বুৰ্জোৱা শ্ৰেণী তথা হিতেশ্বৰ শইকীয়াৰ বিভাজনবাদী নীতিৰ কামত লাগিব পাৰে, কিন্তু শ্ৰমজীৱী জনগণৰ কামত নালাগে। গতিকে বাকীবিলাক জনগোষ্ঠীৰ ক্ষেত্ৰত প্ৰতিটোৰে ঐতিহাসিক, সামাজিক, সাংস্কৃতিক, জনসংখ্যাগত বৈশিষ্ট্যবোৰ পৃথকভাৱে বিচাৰ কৰাৰ প্ৰয়োজন আছে। বড়ো বা কাৰ্বিসকলৰ লগত মিচিং বা ৰাভাসকলৰ অৱস্থান নিমিলে। সেইদৰে মিচিংসকলৰ লগত সোণোৱাল-কছাৰী বা মৰাণ-মটকসকলৰ অৱস্থানৰ মিল নাই। তেন্তে এইবিলাকৰ স্বায়ত্তশাসনৰ সমাধান কিদৰে কৰা যাব? আমাৰ বোধেৰে যিকেইটা জনগোষ্ঠীয়ে আজিও অসমীয়া পৰিচয় এৰি দিয়া নাই নাইবা অসমীয়াৰ লগত প্ৰায় মিশ্ৰিত হৈ গৈছে সিবিলাকৰ বাবে আৰ্থিক, ৰাজনৈতিক আৰু সামাজিক সমমৰ্যাদা বা সংৰক্ষণৰ ব্যৱস্থা কৰি স্বায়ত্তশাসনৰ মৰীচিকা খেদাৰ যন্ত্ৰণাৰ পৰা তেওঁলোকক ৰক্ষা কৰিব লাগে। মিচিংসকলৰ বাবে নিজৰ ভাষা-সংস্কৃতিৰ বিকাশৰ বাবেও প্ৰয়োজনীয় ব্যৱস্থা ল'ব লাগে। মিচিংভাষী হৈয়ো তেওঁলোক সমানে অসমীয়াভাষী হৈ আছে আৰু ভৱিষ্যতলৈও তেনেদৰেই থাকিব পাৰে। সেইদৰে স্বায়ত্তশাসন অবিহনেও তেওঁলোকৰ আৰ্থ-ৰাজনৈতিক সুৰক্ষাৰ ব্যৱস্থা

থাকিব পাৰে। এনেদৰেই অসমৰ জনজাতীয় স্বায়ত্তশাসনৰ প্ৰশ্নটোৰ সমাধানৰ বাবে চেষ্টা কৰিব লাগিব। তাৰ বাবে সঠিক দিশত চৰকাৰী উদ্যোগ, গণতান্ত্ৰিক শক্তিবোৰৰ সদিচ্ছা তথা প্ৰচেষ্টা আৰু অসমীয়া সমাজখনৰ আত্মসমালোচনা তথা উদাৰতাৰ প্ৰয়োজনহে জৰুৰী হৈ পৰিছে। এনে প্ৰচেষ্টা একেবাৰে বিফল হ'লে স্বায়ত্তশাসনৰ প্ৰশ্ন নিশ্চয় পুনৰ উত্থাপিত হ'ব পাৰে। আনহাতে শিক্ষা-দীক্ষা, আৰ্থ-ৰাজনৈতিক অৱস্থা এই সকলো দিশতে আগবঢ়া আহোমসকলৰ ক্ষেত্ৰত উগ্ৰ সাম্প্ৰদায়িকতা কেৱল অবাঞ্ছিতই নহয়, ভীষণ ক্ষতিকাৰকো। আহোমসকল সম্পূৰ্ণভাৱে সংমিশ্ৰিত অসমীয়া। ছশ বছৰ ধৰি বাস কৰা দেশখনক, দুশ বছৰতকৈ অধিক কাল ধৰি কৈ অহা একমাত্ৰ ভাষাটোক এতিয়া নিজৰ নহয় বুলি দলিয়াই দিবলৈ বিচাৰিলে আহোমসকলৰ ক্ষতিৰ বাহিৰে লাভ একো নহ'ব। আজি কোনো আহোমৰে মাতৃভাষা টাইভাষা নহয়, নাইবা মাতৃভূমি থাইলেণ্ড নহয়। কিবা বিদেশী ভাষা যদি শিকিবই লাগে তেন্তে আহোমসকলে ভালকৈ ইংৰাজী ভাষা শিকাই ভাল। নিজৰ কামত আহিব। টাই ভাষাই আহোমক একো সহায় কৰি নিদিয়ে। আমি কোনো ভাষাৰে বিৰোধী নহয়। টাই ভাষাৰো নহয়। সেই বুলি কোনোবা ভাষাৰ নামত অহেতুক বা অবাঞ্ছিত জাতিগত উন্মাদনা সৃষ্টি কৰিবলৈ চেষ্টা কৰিলে আমি তাক প্ৰতিৰোধ কৰিবই লাগিব। আহোম ৰাজতন্ত্ৰই শংকৰী ধৰ্মক পৃষ্ঠপোষকতা নকৰি ভুল কৰিছিল। এতিয়া আহোম পুনৰুত্থানবাদীসকলেও দ্বিতীয়টো ভুল কৰিবলৈ আগবাঢ়িছে। আহোম তথা অসমীয়াৰ সৰ্বনাশৰ বাট কাটিবলৈ চলোৱা প্ৰচেষ্টা কেতিয়াও আত্মগৌৰৱৰ কাৰণ হ'ব নোৱাৰে।

সেয়ে স্বায়ত্তশাসনৰ প্ৰশ্নটো পৰিস্থিতি বা পৰিবেশসাপেক্ষ। আহোমসকলৰ ক্ষেত্ৰত যি কথা ক'ব পাৰি, আন জনগোষ্ঠীবোৰৰ ক্ষেত্ৰত সেই কথা ক'ব নোৱাৰি। আহোমসকলে নিজেও এই কথা দকৈ ভাবি চোৱা উচিত।

আৰু এটা কথা। শ্ৰদ্ধেয় মহন্তদেৱে সামাজিক বিকাশৰ বাবে সাধনালব্ধ মানসিক প্ৰস্তুতিৰ প্ৰয়োজনৰ ওপৰতহে বেছি জোৰ দিছে। সাধাৰণভাৱে কথাটোত আপত্তি কৰিবলগীয়া একো নাই। নিজৰ উন্নতিৰ বাবে সাধনা আৰু প্ৰস্তুতি লাগিবই। কিন্তু প্ৰশ্নটোৰ আন এটা দিশো আছে। যুগ যুগ ধৰি নিজৰ সংকীৰ্ণ জনজাতীয় জীৱন পদ্ধতিত অভ্যস্ত একো একোটা জনগোষ্ঠীয়ে দ্ৰুত সম্প্ৰসাৰণশীল তথা পৰিবৰ্তনশীল এটা আচহুৱা সমাজ ব্যৱস্থাত নিজকে খাপ খুৱাই ল'বলৈ সময় লাগে। কিন্তু বুৰ্জোৱা শ্ৰেণীৰ পুঁজি তথা প্ৰতিযোগিতা পূৰ্ব্ব অচলাবস্থায় জনগোষ্ঠীবোৰৰ বাবে ৰৈ নাথাকে বা ৰৈ থকা নাই। ইয়াত প্ৰাচীন ধ্যান-ধাৰণা নাইবা মানবীয় গণতান্ত্ৰিক প্ৰমূল্যবোৰৰ কোনো স্থান নাই। ইংৰাজ অহাৰ পিছত অসমৰ প্ৰাচীন জনগোষ্ঠীবোৰৰ অৱস্থাও হৈছিল তদ্ৰূপ। পূৰ্ব্ব ৰাজকৰ্মচাৰী, পণ্ডিত-পুৰোহিত তথা বুদ্ধিমান বৰ্ণহিন্দু লোকসকলে নতুন সমাজ ব্যৱস্থাত সুযোগ-সন্ধানৰ যি তৎপৰতা দেখুৱাইছিল, বাকী জনগোষ্ঠীবোৰৰ বাবে সি আছিল একপ্ৰকাৰ অভাৱনীয় কথা। গতিকে তেওঁলোক পিছ পৰি ৰ'ল। তেওঁলোকৰ সামাজিক উত্তৰণৰ

বাবে একোটা জাতীয় জাগৰণৰ প্ৰয়োজন আছিল। কিন্তু তাৰ শুৰি ধৰিবলৈ সেই জনগোষ্ঠীবোৰৰ মাজৰ পৰা এটা মধ্যবিত্ত শ্ৰেণী বা কোনো কালজয়ী মনীষাৰ সৃষ্টি নহ'ল। সেই কাম কৰি দিয়াৰ গৰজ আগবাঢ়ি যোৱাসকলৰো নাছিল। (অৱশ্যে দুই-এজন ব্যক্তিৰ ব্যতিক্ৰম বাদ দি) ইংৰাজ প্ৰশাসনেও জনজাতীয় লোকসকলৰ মাজত শিক্ষা সম্প্ৰসাৰণৰ প্ৰতি মনোযোগ দিয়া নাছিল। উদাহৰণ হিচাপে উল্লেখ কৰিব পাৰি যে ১৯১৯ চনৰ মাৰ্চ মাহৰ অসম কাউন্সিলৰ এখন সভাত ৰায়বাহাদুৰ ফণীধৰ চলিহাই বৰপেটা আৰু গোৱালপাৰা মহকুমাৰ কছাৰী, মেছ, ৰাভা, ৰাজবংশী আদি পিছপৰা আৰু দুখীয়া শ্ৰেণীবোৰৰ মাজত ইংৰাজী শিক্ষা প্ৰচলনৰ প্ৰশ্ন তুলিছিল। তেতিয়া শিক্ষা বিভাগৰ দায়িত্বত থকা এ এম বথাম চাহাবৰ উত্তৰ আছিল ঃ—

'6(a). The Administration is not aware that there is a specially urgent demand for English education amongst the classes and the subdivisions mentioned.'

(b) ...... The Local Administration is not prepared to increase the number of government middle English schools, and no special consideration can be promised in regard to proposed for the aiding of such schools in the villages mentioned.'

গতিকে পিছপৰা জনগোষ্ঠীবিলাক নতুন ব্যৱস্থাত পিছ পৰিয়েই ৰ'ল আৰু সিবিলাকৰ প্ৰতি অৱহেলা আৰু অৱজ্ঞাও বাঢ়ি গ'ল। কিন্তু পিছলৈ যেতিয়া সীমিত হ'লেও শিক্ষাৰ সম্প্ৰসাৰণ আৰু সমসাময়িক ঘটনাৱলীয়ে অনিবাৰ্যভাৱে এই গোষ্ঠীবোৰৰো কিছুসংখ্যক যুৱকৰ চকু মুকলি কৰিলে তেতিয়াৰ পৰাই আত্মপ্ৰতিষ্ঠাৰ বাসনাৰ লগতে আত্মৰক্ষাৰ তাড়নায়ো তেওঁলোকক পীড়া কৰিবলৈ আৰম্ভ কৰিলে। তেওঁলোকৰ বৰ্ণহিন্দু বিদ্বেষৰো উৎস আছিল তাতেই। এই তাড়না বা যন্ত্ৰণাৰ কথা উপলব্ধি কৰিব নোৱাৰিলে এই পিছপৰা জনগোষ্ঠীবোৰৰ প্ৰতি কেতিয়াও ন্যায়বিচাৰ কৰা নহ'ব। তেওঁলোকৰ 'সাধনালব্ধ মানসিক প্ৰস্তুতি' নথকাৰ ফলত বৰ্ণহিন্দুসকলৰ সমানে আগবাঢ়িব নোৱাৰিলে বাবেই এতিয়া তেওঁলোকৰ জাতিগত অধিকাৰৰ দাবীৰ যুক্তিযুক্ততাও নাই বা থাকিব নোৱাৰে বুলি ধৰি ল'লেও সি চাতুৰালিৰহে সমতুল্য হ'ব। আচল শত্ৰু চিনাই দিবলৈও জানো তেওঁলোকক সহানুভূতিৰে জয় কৰিব নালাগিব? সেয়ে মহন্তদেৱে কোৱা যোগ্যতাৰ বিচাৰৰ ক্ষেত্ৰতো ঐতিহাসিক জোখমাৰিডাল ব্যৱহাৰ নকৰি উপায় নাই। তেওঁ নিজেও লিখিছে ঃ 'শান্তি আৰু সমৃদ্ধি উভয়ৰ কাৰণে প্ৰয়োজনীয় মানসিক প্ৰস্তুতিটো সাধনালব্ধ বস্তু হ'লেও সামাজিক পৰিবেশ আৰু প্ৰশাসনীয় ব্যৱস্থাই সহায় নকৰিলে কেৱল ব্যক্তিগত আৰু বংশগত চেষ্টাৰে ব্যক্তি আৰু সমাজ আগবাঢ়িব নোৱাৰে।' গতিকে নিজৰ ভাষা-সংস্কৃতিৰ সুৰক্ষা আৰু বিকাশ তথা আৰ্থিক নিৰাপত্তাৰ বাবে পিছপৰা জনগোষ্ঠীবিলাকে বিশেষ ৰাজনৈতিক অধিকাৰ দাবী কৰিলে অপৰাধ কি?

আমি বিচাৰো বা নিবিচাৰো, আজিৰ জনজাতীয় জাগৰণৰো অসমীয়া হিন্দু সমাজখনৰ বিৰুদ্ধেই পৰিচালিত হৈছে। অথচ এই জনজাতিবিলাকৰ বহুতেই হিন্দু ধৰ্মলৈ ধৰ্মান্তৰিত হোৱাৰ মাজেৰে অসমীয়া পৰিচয় গ্ৰহণ কৰিছিল আৰু অসমীয়া জাতিক পৰিবৰ্দ্ধিত কৰিছিল। কিন্তু হিন্দু অসমীয়াৰ কৰ্তৃত্ববাদী মনোভাবেই তেওঁলোকক বিক্ষুব্ধ কৰিও তুলিছে। এতিয়া সেই বিক্ষোভ ৰাজনৈতিক, অৰ্থনৈতিক অধিকাৰৰ দাবীত পৰিণত হৈছে। ই দৰাচলতে ইতিহাসৰেই প্ৰতিশোধ। কবিগুৰু ৰবীন্দ্ৰনাথে লিখাৰ দৰে যাক তুমি পিছ পেলাই ৰাখিছা সিয়ে তোমাকো পিছৰ পৰা টানি ৰাখিব।

এইখিনিৰ বাদে মহন্তদেৱৰ সমালোচনা অধিকাংশই হ'ল আহোম যুগৰ শাসন ব্যৱস্থা, সমাজ, ধৰ্ম আদিক কেন্দ্ৰ কৰিহে। মই অকপটে স্বীকাৰ কৰিছো যে তেওঁৰ এই আলোচনাৰ পৰা মই উপকৃত হৈছো। মই লেখা কিতাপখনৰ দ্বিতীয় অধ্যায়ত আহোম যুগৰ অসমত জাতীয় সংমিশ্ৰণৰ অসুবিধাবোৰৰ কথা আলোচনা কৰিছিলো। এই ক্ষেত্ৰত অন্যান্য বাধা-বিঘিনিৰ লগতে মহাপুৰুষীয়া ধৰ্মৰ সীমাবদ্ধতায়ো যে এটা নেতিবাচক ভূমিকা পালন কৰিছিল তাকে মই দোহাৰিছিলো। কিন্তু শ্ৰদ্ধেয় মহন্তদেৱে সঠিকভাৱেই আঙুলিয়াই দিছে যে আহোম ৰজাসকলেও মহাপুৰুষীয়া গুৰুসকলৰ বিৰোধিতা কৰি আৰু শাক্ত ধৰ্মৰ পোষকতা কৰি মহাপুৰুষীয়া ধৰ্মই জোৰদাৰ কৰি তোলা জাতীয় সংমিশ্ৰণ প্ৰক্ৰিয়াত বাধাৰ সৃষ্টি কৰিছিল। অৱশ্যে আহোম ৰজাসকলে ইচ্ছা কৰি এই জাতীয় সংমিশ্ৰণত বাধা দিছিল বুলি মই নাভাবো, কাৰণ তেনেকুৱা মতলব, থকা হ'লে আহোমসকলে নিজেই সংমিশ্ৰণৰ বাট নল'লেহেঁতেন। কিন্তু এইটো ঠিক যে নিজৰ ৰাজনৈতিক স্বাৰ্থত তেওঁলোকে যি ধৰ্মীয় নীতি অনুসৰণ কৰিছিল সি জাতিগত সংমিশ্ৰণৰ সহায়ক নহৈ প্ৰতিবন্ধকহে হৈছিল। আহোম ৰজাঘৰৰ পৃষ্ঠপোষকতাৰ অভাৱতে বৈষ্ণৱী সমাজ-সংস্কাৰৰ জৰিয়তে বৃহত্তৰ অসমীয়া জাতি গঢ়াৰ প্ৰক্ৰিয়াটো সম্পূৰ্ণ হ'ব নোৱাৰিলে। কিতাপখনৰ পৰৱৰ্তী সংস্কৰণত, এই কথা সন্নিবিষ্ট কৰাৰ আশা ৰাখিছো।

কিন্তু তেওঁৰ আন এটা কথাৰ লগত মই একমত হ'ব নোৱাৰিলো। তেওঁৰ মতে আহোম ৰজা আৰু তেওঁলোকৰ অনুগৃহীত গুৰু তথা পুৰোহিত আদি ব্ৰাহ্মণসকলৰ মাজতহে জাত্যাভিমান আছিল, মহাপুৰুষীয়া গুৰুসকলৰ মাজত নাছিল। তেওঁলোকক জাত্যাভিমানী হ'বলৈ অৱস্থাইহে বাধ্য কৰিছিল। তেওঁ লিখিছে— 'ৰজাৰ ঘৰ আৰু ডা-ডাঙৰীয়াৰ ঘৰৰ মান-অভিমানৰ দৰেই ৰজাৰ গুৰু আৰু পুৰোহিত আদি ব্ৰাহ্মণসকলৰ জাত্যাভিমান তথা বাহ্যাড়ম্বৰ কম নাছিল। আনসকল গুৰুকো এনে ধৰণৰ ৰাজকীয় আৰু সামাজিক বিধি-ব্যৱস্থাই সেই আৰ্হিত চলিবলৈ বাধ্য কৰিছিল। ('আজিৰ বাতৰি', ১৮ আগষ্ট, ১৯৯৩ সংখ্যা)। এই কথা নিখুঁত বুলি মানি লোৱা টান। মোৰ কিতাপখনৰ ৩০-৩২ পৃষ্ঠাত এই বিষয়ে আলোচনাও কৰিছো। ইয়াত চমুকৈ মাত্ৰ এই কথাহে কওঁ- শংকৰ মাধৱ সকলৰ পৰা'খহি পৰা লোক নাছিল। তেওঁলোকৰো জীৱন,

শিক্ষা আৰু কৰ্মকাণ্ডৰ প্ৰস্ফুটন আৰু বিকাশ ঘটিছিল আগৰ ব্ৰাহ্মণ পণ্ডিতসকলৰ পৰম্পৰাৰ মাজতহে। অগ্ৰজ পণ্ডিত-পুৰোহিতসকলে নিজৰ মজ্জাগত সীমাবদ্ধতাৰ মাজতো অসমীয়া ভাষা সংস্কৃতিৰ যি এটা ভেটি বান্ধিছিল তাৰ ওপৰত ভৰি থৈহে শংকৰ-মাধৱে ভকতিৰ ছলেৰে জাতিগোষ্ঠীৰ পাৰ ভাঙিবলৈ মন মেলিছিল। স্বাভাৱিকতে, শংকৰ-মাধৱেও নিজৰ মাজত বহন কৰি লৈ ফুৰিছিল বৰ্ণৰ আভিজাত্য তথা উচ্চমন্যতা। পিছপৰা জনগোষ্ঠীবোৰৰ মাজত বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ কৰোঁতেও তেওঁলোকে ইবিলাকৰ উদ্ধাৰকাৰী বুলিহে বিশ্বাস কৰিছিল। কিন্তু এই কথাও ঠিক যে শংকৰ-মাধৱে এই বৰ্ণাভিমান প্ৰকট হ'বলৈ এৰি দিয়া নাছিল। কিন্তু পিছলৈ শংকৰী ধৰ্মৰ গুৰুসকলৰ মাজত সেই সংযম শিথিল হৈ পৰিল।

আৰু এটা কথা। মহন্তদেৱে মোৰ কিতাপখনৰ এষাৰ কথাৰ প্ৰসংগত লিখিছেঃ গতিকে, কেৱল জনজাতীয় শাসনকৰ্তাৰ শাসনকালতেই নহয়, ব্ৰাহ্মণ, ক্ষত্ৰিয় শাসনকৰ্তাৰ শাসন ব্যৱস্থাতো বৰ্ণব্যৱস্থা আৰু জাত-পাতৰ শিথিলতা অনেক ক্ষেত্ৰত আছিল। সামন্ত ভূঞাসকলৰ দিনত কায়স্থসকলে শূদ্ৰসকলৰ সমানেই এমাহ অশৌচ পালন কৰা আৰু শংকৰৰ দিনত সমাজ সচেতন ব্ৰাহ্মণসকলে শংকৰৰ ওচৰত ধৰ্মতত্ত্ব গ্ৰহণ কৰাৰ কথাও তেওঁ উল্লেখ কৰিছে। মোৰ কিতাপখনতো প্ৰসংগক্ৰমে লিখিছিলোঃ "সামাজিক ৰীতি-নীতিৰ ফালৰ পৰা জনজাতীয় সমাজখন আছিল মূলতঃ সমতাভিত্তিক আৰু জাত-পাতহীন। সেয়ে প্ৰাৰম্ভিক কালত বৰ্ণবাদী আৰ্যহিন্দুসকলে কিছু জাতিগত উদাৰতা আৰু শিথিলতাক, কিছু জনজাতীয় মূল্যবোধ আৰু ৰীতি-নীতিক স্বীকাৰ কৰিও লৈছিল। সেই বুলি তেওঁলোকে বৰ্ণবিভাজন আৰু জাত্যাভিমান একেবাৰে বাদ দিয়া নাছিল।" আমাৰ আৰু মহন্তদেৱৰ প্ৰতিপাদ্য বিষয়ৰ মাজত কিবা বিৰোধ আছে বুলি মই ভবা নাই। অসমত আৰ্যহিন্দুসকলে জাতিগত উদাৰতা আৰু শিথিলতাক কিছু পৰিমাণে মানি লৈছিল। জনজাতীয় শাসনকালৰ দৰে ভূঞাসকলৰ শাসনকালতো সমানে সত্য। মাত্ৰ কথা হ'ল এয়ে যে অসমৰ আৰ্যহিন্দুৰ এই উদাৰতা-শিথিলতা আছিল একান্তই স্থানিক, অৰ্থাৎ থলুৱা 'ম্লেচ্ছপ্ৰধান' সমাজখনৰ প্ৰভাৱপুষ্ট। সেইবুলি বৰ্ণবাদী হিন্দুসকলৰ জাত্যাভিমান শেষ হৈ যোৱা নাছিল।

মহন্তদেৱে অন্য জাতিগোষ্ঠীৰ প্ৰতি আহোম ৰজাসকলৰ মনোভাৱৰ প্ৰসংগ তুলিছে। তেওঁ লিখিছে খৃঃ ১৫২২ চনত যুদ্ধত পৰাস্ত হোৱা চুতীয়া ৰজা নীতিপাল আৰু তেওঁৰ খুলশালিয়েক সাধকনাৰায়ণৰ মূৰ দুটা কাটি চৰাইদেউ পৰ্বতৰ দেওঘৰলৈ যোৱা বাটত পোতাই থৈ তাৰ ওপৰেদি স্বৰ্গদেউসকল অহা-যোৱা কৰা বুৰঞ্জীপ্ৰসিদ্ধ কথাই অন্য জনজাতিৰ প্ৰতি সমতা আৰু সম্মানবোধৰ বিপৰীত মনোভাৱৰহে পৰিচয় দিয়ে ('আজিৰ বাতৰি', ১৮ আগষ্ট, ১৯৯৩)। পিছে ঘটনাটোৰ এনে ধৰণৰ ব্যাখ্যা সঠিক নহয় যেনহে লাগে। আহোম আৰু বাকীবিলাক জনগোষ্ঠীৰ মাজত সম্পৰ্ক আছিল মূলতঃ বিজেতা আৰু বিজিতৰ সম্পৰ্কহে। চুতীয়াসকলৰ লগতো আহোমসকলৰ ৰাজিয়া

আছিল ৰাজ্য আৰু আধিপত্য লৈছে। কিছুমান জাতিগোষ্ঠীক আহোম ৰজাই নিজৰ প্ৰশাসনৰ অংশীদাৰ কৰি লৈছিল আৰু বিষয়বাবো দিছিল। বাকীসকলক কৰতলীয়া প্ৰজা হিচাপে ৰাখিছিল। এনে অৱস্থাত আহোমসকলৰ আচৰণ জাত্যাভিমানপ্ৰসূত বুলি গোনচাটেই কৈ দিয়া টান। ভাষা-ধৰ্মৰ ক্ষেত্ৰত তেওঁলোকে সম্প্ৰসাৰণবাদী নীতি গ্ৰহণ কৰা নাছিল। সেয়ে অন্যান্য থলুৱা জনগোষ্ঠীবোৰৰ লগত আহোমৰ বিৰোধ আছিল মূলতঃ আৰ্থ-ৰাজনৈতিক। আহোমৰ শাসন তথা অৰ্থ ব্যৱস্থাৰ পৰা মুক্ত হ'বলৈ প্ৰজা জনগোষ্ঠীসমূহেও অবিৰতভাৱেই চেষ্টা চলাইছিল। সেয়ে আহোমৰ প্ৰশাসন যেতিয়াই দুৰ্বল হৈছিল, তেতিয়াই বাকী পদানত প্ৰজা জনগোষ্ঠীসমূহে নিজৰ গোষ্ঠীয় তথা প্ৰান্তীয় স্বাধীনতাৰ ধ্বজা উৰুৱাইছিল।

অৱশ্যে মহন্তদেৱে লিখাৰ দৰে এই কথাও ঠিক যে বহু জনজাতিৰ লোকক আহোম বুলি ঘোষণা কৰিলেও ৰজা বা মন্ত্ৰীৰ পদত তেওঁলোকক নিয়োগ কৰা নহৈছিল। ৰজা আৰু মন্ত্ৰীৰ পদ বংশভিত্তিকহে আছিল, যোগ্যতাভিত্তিক নাছিল। সেয়ে মহন্তদেৱে সিদ্ধান্ত কৰিছে : বহুল জাতিভিত্তিক পৰম্পৰাতকৈ সংকীৰ্ণ বংশভিত্তিক পৰম্পৰা থকা আহোম শাসন ব্যৱস্থাৰ অধীনত পুৰোহিতালিকে নিজৰ বৃত্তিৰূপে গ্ৰহণ কৰা ব্ৰাহ্মণসকলে দীৰ্ঘকালীন সৰ্বভাৰতীয় পৰম্পৰা থকা জাতিভেদ প্ৰথা দূৰ কৰাটো সহজ কথা নাছিল। ('আজিৰ বাতৰি', ১১ আগষ্ট, ১৯৯৩)। তেওঁৰ এই বিশ্লেষণত আসোঁৱাহ আছে যেন লাগিছে। প্ৰথম কথা, আহোমসকল আছিল পূৰ্বৰ জনজাতীয় অৱস্থাৰ পৰা সামন্তবাদী অৱস্থালৈ উত্তৰণমুখী এটা জনগোষ্ঠী। স্বাভাৱিকতে তেওঁলোকৰ প্ৰশাসন আৰু ধৰ্ম পৰম্পৰাত বংশগত প্ৰভাৱ অটুট আছিল। সেয়ে আহোমৰ শাসন ব্যৱস্থাত আজিৰ যুগৰ গণতান্ত্ৰিক উপাদান বা জাতিগত সমতা বিচৰাটো কেৱল অৰ্থহীনেই নহয়, অনৈতিহাসিকো। দ্বিতীয়তে আহোমৰ বংশভিত্তিক পৰম্পৰাৰ বাবেহে ব্ৰাহ্মণসকলে জাতিভেদ প্ৰথা দূৰ কৰিব নোৱাৰিলে বুলি বিশ্বাস কৰাটোও টান। বৰং আৰ্যহিন্দুসকলৰ বৰ্ণভেদ বা জাত-পাতৰ বিচাৰেহে সামন্ততন্ত্ৰলৈ উত্তৰণমুখী আহোমসকলক প্ৰভাৱান্বিত কৰিছিল বুলি ধৰি ল'ব পাৰি। মহাপুৰুষীয়া ভকতসকলৰ লগতো এই জাত-পাতৰ বিচাৰৰ গোড়ামিয়ে সংঘাত সৃষ্টি কৰিছিল। গদাধৰ সিংহই ব্ৰাহ্মণক সেৱিব নোৱাৰাৰ কথা সকলোৱে জানে। কিন্তু তেওঁৰ পিছত ৰুদ্ৰসিংহ আৰু শিৱসিংহই শাক্তধৰ্ম আৰু ব্ৰাহ্মণ পুৰোহিতৰ পৃষ্ঠপোষকতা কৰাত বৈষ্ণৱ ধৰ্মমত গ্ৰহণ কৰা থলুৱা জনগোষ্ঠীবোৰৰ লগত নতুন বিবাদৰ বাট মুকলি হৈছিল। শাক্ত আৰু বৈষ্ণৱৰ মাজৰ ক্ৰমবৰ্দ্ধমান যুঁজখনত আহোম ৰজাৰ পক্ষবিচাৰৰ ভুলে জাতিগত সংমিশ্ৰণৰ বৈষ্ণৱ পৰম্পৰাক দুৰ্বল কৰাই নহয় আহোম ৰাজতন্ত্ৰকো প্ৰজাৰ পৰা বিচ্ছিন্ন কৰি অন্তৰ্কলহ, স্বৈৰাচাৰ আৰু অপশাসনত জাহ যোৱাৰ পথ প্ৰশস্ত কৰি তুলিছিল।

শেষত মহন্তদেৱে আহোম শাসনতন্ত্ৰক অসম বুৰঞ্জীৰ এটা ডাঙৰ বিপৰ্যয় বুলিহে চিহ্নিত কৰিছে : "অসমীয়া জাতিৰ গঠন প্ৰক্ৰিয়াটোৰ পিছত বিকাশৰ পথত যোৱা

দিবলৈ লওঁতেই ১৩ শতিকাৰ পৰা কম-বেছি পৰিমাণে ৰাজনৈতিক-সাংস্কৃতিক বিপৰ্যয় আৰম্ভ হ'ল"। কিন্তু মহন্তদেৱে লক্ষ্য কৰা নাই যে ঐতিহাসিক বিচাৰত আহোম ৰাজতন্ত্ৰৰো এটা ইতিবাচক তথা গুৰুত্বপূৰ্ণ ভূমিকা আছিল। শংকৰী ধৰ্মই সূচনা কৰা জাতীয় সংমিশ্ৰণ প্ৰক্ৰিয়াত বাধাৰ সৃষ্টি কৰা আহোম ৰাজতন্ত্ৰই একে সময়তে সমগ্ৰ দেশখনক একক ৰাজনৈতিক কৰ্তৃত্ব আৰু অৰ্থশৃংখলাৰ অধীন কৰি জাতিগত আদান-প্ৰদান তথা সংমিশ্ৰণকো সহজ কৰি তুলিছিল। সেই আৰ্থ-ৰাজনৈতিক পৰিবেশতেই সংঘটিত হৈছিল প্ৰজাৰ মাজত শংকৰী ধৰ্মৰ দ্ৰুত প্ৰসাৰ। সেইদৰে পাইক প্ৰথাই এফালে থলুৱা পদানত জাতিগোষ্ঠীবোৰক নতুন দাসত্বৰ যুঁৱলিত বান্ধি পেলাইছিল সঁচা, কিন্তু একে সময়তে সি এক উন্নতৰ আৰ্থ-সামাজিক ব্যৱস্থা তথা শ্ৰেণীবিন্যাসৰো পত্তন ঘটাইছিল।

আৰু এটা প্ৰসংগত মহন্তদেৱে বিচাৰৰ সমতা ৰক্ষা কৰিব পৰা নাই যেন লাগে। তেওঁ আহোমসকলক (দুই-এটা ব্যতিক্ৰম বাদ দি) ইংৰাজৰ ভক্ত বুলি আৰু স্বাধীনতা আন্দোলন কেৱল বৰ্ণহিন্দুৱেহে কৰিছিল বুলি ধৰি লৈছে। তেওঁ লিখিছে ঃ "প্ৰথমতে ইংৰাজৰ অধীনত চাকৰি-বাকৰি নকৰি আৰ্থিক, সামাজিক আৰু বৌদ্ধিক দিশতো বিকাশৰ পথত আগবাঢ়ি নোযোৱা সংখ্যাগৰিষ্ঠ আহোমসকলৰ মাজত পিছলৈ স্বাধীনতা হৰণকাৰী ইংৰাজসকলৰ প্ৰতি সদ্ভাব দৃঢ় হৈ পৰিছিল। সেইবাবে ভুবন চন্দ্ৰ গগৈ, ৰোহিণী কুমাৰ হাতীবৰুৱা প্ৰভৃতি মাত্ৰ কেইজনমান দূৰদৰ্শী আহোম নেতাৰ বাহিৰে আনসকল জাত্যাভিমানী আহোম নেতাই বৰ্ণহিন্দুৰ লগত মিলিজুলি স্বাধীনতা আন্দোলনত অংশগ্ৰহণ কৰিবলৈ ভাল নাপাই কংগ্ৰেছৰ বিৰুদ্ধে আহোম সভা পাতি জাতীয় স্বাৰ্থ ৰক্ষা কৰিবলৈ যত্নপৰ হৈছিল। স্বাধীনতা লাভৰ কেইবছৰমানৰ পিছতহে আহোম নেতাসকলে কংগ্ৰেছত যোগ দিছিল আৰু আহোম সভাৰ গুৰি ধৰোঁতা সুৰেন্দ্ৰনাথ বুঢ়াগোহাঁয়ে এক কেন্দ্ৰীয় মন্ত্ৰীসভাত উপ-মন্ত্ৰীৰ বাব খাইছিল।" আমাৰ ধাৰণাত মহন্তদেৱৰ অজ্ঞাতে বা অনিচ্ছাসত্বেও এই কথাখিনিত ইতিহাসৰ যথেষ্ট বিকৃতি ঘটিছে। প্ৰথম কথা, এচাম আহোম নেতাই আহোম সভা কৰিলেও সংখ্যাগৰিষ্ঠ আহোমসকলে স্বাধীনতা আন্দোলনত ভাগ লৈছিল। নহ'লে উজনি অসমত কাৰ বলত স্বাধীনতা আন্দোলন জোৰদাৰ হৈছিল? মই নিজে যি পৰিয়ালত (মহন্তদেৱে উল্লেখ কৰা ভুবন চন্দ্ৰ গগৈৰ পৰিয়াল) আৰু যি ঠাইত (শিৱসাগৰ জিলাৰ আহোমপ্ৰধান হাঁহচৰাত) জন্মিছিলো, সেইবোৰক স্বাধীনতা আন্দোলনৰ ঢৌৱে ভালকৈ কোবাইছিল। এইবোৰ অঞ্চলৰ সৰ্বসাধাৰণ, সংখ্যাগৰিষ্ঠ আহোম ৰাইজ গান্ধী বা কংগ্ৰেছৰ নামতেই অনুপ্ৰাণিত হৈছিল। গোপীনাথ বৰদলৈ আদিয়েও সেইবোৰ ঠাইত মেল-মিটিং কৰি ঘূৰি ফুৰাৰ স্মৃতি বহুজনে এতিয়াও ধৰি ৰাখিছে। সেয়ে স্বাধীনতা আন্দোলনটো কেৱল বৰ্ণহিন্দুৰ একচেটিয়া কাম নাছিল। অৱশ্যে আন্দোলনৰ নেতৃত্ব বৰ্ণহিন্দুসকলেই একচেটিয়া কৰি লৈছিল।

দ্বিতীয়তে ইংৰাজভক্তিত আগভাগ লোৱা নবজাত মধ্যবিত্ত শ্ৰেণীটো আছিল

বৰ্ণহিন্দুৰ পৰা উদ্ভূত। এই শ্ৰেণীটোৰ প্ৰায়সকল বুদ্ধিমান নেতাই ৰাজকৰ্মচাৰী হৈ ইংৰাজৰ সেৱা কৰিছিল, নাইবা ব্যৱসায়-বাণিজ্যত লাগি ব্ৰিটিছ পুঁজিৰ সমভাগী হৈছিল। মহন্তদেৱে নিজেও লিখিছে যে ইংৰাজৰ দিনত বৰ্ণহিন্দুৰ সামাজিক পতন ঘটা নাছিল, অৰ্থাৎ তেওঁলোকৰ আৰ্থ-সামাজিক জীৱনৰ বিশেষ পৰিৱৰ্তন হোৱা নাছিল। কাৰণ ইংৰাজসূচীত নতুন ব্যৱস্থাটোৰ আৰ্থিক, প্ৰশাসনিক তথা শৈক্ষিক সুফলখিনি অকাতৰে গ্ৰহণ কৰিব পৰাকৈ তেওঁলোক প্ৰস্তুত আছিল। সেয়ে ইংৰাজৰ প্ৰতি আনুগত্য দেখুৱাটোও তেওঁলোকৰ বাবেই আছিল বেছি সহজ। আনহাতে আৰম্ভণিতে কেৱল যোগ্যতাৰ অভাৱ বা অভিমানৰ বাবেই আহোমসকল পিছ পৰি ৰোৱা নাছিল। আহোম ৰাজত্ব ঘূৰাই অনাৰ বাবে একাংশ আহোম সামন্তৰ বিদ্ৰোহৰ পটভূমিত ইংৰাজ প্ৰশাসনেও আহোমসকলৰ প্ৰতি বৈষম্যমূলক তথা দমনমূলক দৃষ্টিভংগী গ্ৰহণ কৰিছিল। আনকি বহু পিছলৈও মৌজাদাৰৰ দৰে পদ আহোমক দিয়াত ইংৰাজৰ অনীহাৰ কথা লুকাই থকা নাছিল।

সি যি কি নহওক, শ্ৰদ্ধেয় মহন্তদেৱে সামৰণিত লিখাৰ দৰে জাত-কুলৰ বিচাৰৰ ভিত্তিত ৰাজনীতিৰ আলোচনা কৰা এই কথাবোৰত জড়িত হ'বলগীয়া হোৱা বাবে ময়ো গৌৰব অনুভৱ কৰা নাই। তদুপৰি এনে আলোচনা অসমৰ বৰ্তমানৰ গোষ্ঠীগত ভাবাবেগৰ পটভূমিত বিকৃত বা বদহজম হোৱা দুৰ্ভাৱনাই সৰ্বাধিক। মোৰ কিতাপখনৰ ভূমিকাৰ একেবাৰে আৰম্ভণিতেই এই আশংকাৰ কথা উল্লেখ কৰিছো। জাতিগত প্ৰশ্নৰ নিৰ্মোহ আৰু বস্তুগত বিশ্লেষণৰ নিৰ্দোষ প্ৰচেষ্টাও বহুতৰে সন্দেহৰ কাৰণ হ'ব পাৰে আৰু এনে সন্দেহৰ পৰিণাম সদায় বিষময়েই হয়। তথাপি জাতিগোষ্ঠী তথা জাত-পাতৰ কথাবোৰ আমি বিচাৰ কৰিবলগীয়া হৈছো এই কাৰণেই যে আমাৰ সমাজখনৰ দ্ৰুত সংঘটিত ঘটনাবোৰ মোৰ বা মহন্তদেৱৰ ইচ্ছা-অনিচ্ছাৰ ওপৰত মুঠেই নিৰ্ভৰশীল নহয়। এই ঘটনাবোৰৰ এক স্বতন্ত্ৰীয়া গতি আছে আৰু সেইবোৰ নিজে নিজেই প্ৰকট হৈ উঠিছে। সেয়ে চাপৰিলে মেষ নেবোৱাৰ দৰে জাতিগত প্ৰশ্নবোৰৰ প্ৰতি চকু মুদি নিজে শুচিবায়ুগ্ৰস্ত হৈ থাকিবলৈ যত্ন কৰিলে নিজৰ বা সমাজৰ উপকাৰ নহৈ অপকাৰহে হ'ব। সকলো জাতি বা সম্প্ৰদায়ৰে দুখীয়া লোকসকলক নতুন শ্ৰেণী চেতনাৰে উদ্বুদ্ধ কৰি সামাজিক পৰিৱৰ্তনৰ সংগ্ৰামত যুক্ত কৰিবলৈ হ'লে জীৱন-জীৱিকাৰ ঐক্যবদ্ধ গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলাৰ লগতে জাতিগত প্ৰশ্নবোৰৰো নিৰ্মোহ আৰু যুক্তিনিষ্ঠ বিচাৰ-বিশ্লেষণৰ প্ৰয়োজন। অসমৰ বিভিন্ন জাতিগোষ্ঠীৰ মাজৰ বিদ্বেষ আৰু বিক্ষোভৰ সৰ্বগ্ৰাসী জুইকুৰা ওপৰৰ পৰা সম্প্ৰীতি আৰু শ্ৰেণী সংগ্ৰামৰ পানী ছটিয়াই নুমুৱাব পৰা নাযায়। আমি তাৰ বাবে ন্যায়সংগত আৰু কাৰ্যকৰী উপায়ৰ কথা চিন্তা কৰিব লাগিব। বৰ্তমানৰ সমাজ ব্যৱস্থা আৰু ক্ষমতাসীন ৰাজনীতিৰ ভিতৰত এই জুই সম্পূৰ্ণ নিৰ্বাপিত কৰা সম্ভৱ নহয়। আনকি পূৰ্বৰ ছোভিয়েত ইউনিয়নতো সত্তৰ বছৰীয়া সমাজতন্ত্ৰয়ো জাতিগত প্ৰশ্নবোৰৰ পূৰ্ণ সমাধানত উজুটি খালে। কাৰণ

হ'ল জাতিগত সুৰক্ষা, সমতা আৰু আত্মশাসনৰ লেনিনীয় নীতিৰ যথাযথ কাৰ্যকৰণত হেমাহি। সেয়ে জাতিগত প্ৰশ্নবোৰ আওকাণ কৰাটো কেতিয়াও বাঞ্ছনীয় বা মংগলজনক হ'ব নোৱাৰে।

আমাৰ অসমখন আজি এক অন্ধকাৰ প্ৰান্তত পৰিণত হৈছে। কোনোফালেই পোহৰৰ কোনো ৰেঙণি নাই। বিদ্যুতৰ অভাৱত গোটেই ৰাজ্যখন অন্ধকাৰত ডুব গৈছে। মূল্যবৃদ্ধিৰ বোজাই জনজীৱনৰ কঁকাল ভাঙিছে। সেইদৰে বৌদ্ধিক তথা মানসিক দিশতো ঘোপমৰা অন্ধকাৰ। সুস্থ বৌদ্ধিক চিন্তাচৰ্চা, আলাপ-আলোচনা, আন্তৰিক সত্যানুসন্ধান, গভীৰ সৃষ্টিধৰ্মী তথা উদ্দেশ্যধৰ্মী লিখা-মেলা নোহোৱা হৈছে। তাৰ সলনি ফোপোলা আত্মপ্ৰচাৰৰ মানসিকতাই সৰহভাগ লিখক-বুদ্ধিজীৱীক আচ্ছন্ন কৰি ৰাখিছে। সস্তীয়া সাংবাদিক সুলভ লিখা-মেলাৰো উজান উঠিছে। প্ৰচলিত শিক্ষা ব্যৱস্থাটোও দুৰাৰোগ্য ৰোগত ভাগি পৰিছে। সুস্থ শিক্ষাৰ বাতাবৰণ, স্কুল-কলেজৰ শিক্ষাদান আৰু শিক্ষাগ্ৰহণ সকলোবোৰ একপ্ৰকাৰ অচল হৈ পৰিছে। এনে এক অৰাজক, ব্যাধিগ্ৰস্ত পৰিবেশত ডাঙৰ-দীঘল হোৱা আমাৰ অশিক্ষিত বা অৰ্দ্ধশিক্ষিত বংশধৰসকলে জাতি গঢ়া বা নিজৰ ভাষা-সংস্কৃতিৰ শ্ৰীবৃদ্ধি ঘটোৱা দূৰৰ কথা, নিজৰ সামান্য জীৱিকাৰ বাবেও কোনো উপায় নোপোৱা হৈছে। দুৰ্নীতিৰ মুক্ত বজাৰত নিবনুৱা যুৱক-যুৱতীৰ ভাগ্যৰ কিনা-বেচাৰ দৰে নিদাৰুণ ঘটনাও সহজ কথা হৈ পৰিছে। স্বাভাৱিকতে জাতি-ধৰ্ম-বৰ্ণৰ নামত মৰামৰি কৰাৰ প্ৰেৰণা আৰু জনবলো বাঢ়ি গৈছে।

আমাৰ আজিৰ অৱস্থাটো হৈছে অম্বিকাগিৰিয়ে লিখাৰ দৰে 'কোনফালে ধৰো, কোনফালে লৰো' ধৰণৰ অস্থিৰ, অনিশ্চিত। তথাপি ক'ৰবাত ধৰিব লাগিব, ক'ৰবাৰ পৰা আৰম্ভ কৰিব লাগিব।

অসমৰ জটিল ৰাজনৈতিক আৰু জাতিগত প্ৰশ্নবোৰৰ সমাধান মুঠেই সহজসাধ্য নহয়। তাৰ বাবে চৰকাৰ, বিৰোধীপক্ষ আৰু অন্যান্য সংগঠন সকলোৱে আন্তৰিক আৰু নিৰলস প্ৰচেষ্টাৰ প্ৰয়োজন আছে। তাৰ লগতে চাবলগীয়া হৈছে অসমৰ সংখ্যাতজৰ্জৰ জনসাধাৰণৰ বিভিন্ন অংশৰ এখন সাধাৰণ মিলনক্ষেত্ৰ বিচাৰি ল'ব পৰা যায়নে নাযায়। বিচাৰি ল'ব পাৰিলে বাকী প্ৰশ্নবোৰৰ সমাধানো কৰখিনি সহজ হ'ব পাৰে। জনসাধাৰণৰ জীৱন-জীৱিকা, অসমৰ সামগ্ৰিক উন্নয়ন তথা বিকাশ আৰু শিক্ষা সংস্কাৰৰ দৰে জৰুৰী দাবীবোৰক কেন্দ্ৰ কৰি জনসাধাৰণৰ ঐক্য আৰু ঐক্যবদ্ধ আন্দোলন গঢ়ি তোলাৰ সুযোগ আছে। দাবীবোৰক লৈ কাৰো বিবাদ নাই। বিবাদ আছে কোনে কাৰ লগত কেনেকৈ এই আন্দোলন গঢ়ি তুলিব সেই কথা লৈহে। এই ক্ষেত্ৰত অসমৰ গণতান্ত্ৰিক শক্তিবোৰৰ ব্যৰ্থতা একপ্ৰকাৰ অক্ষমণীয়। তথাপিও তেওঁলোকেই এনে এটা সংগ্ৰামী ঐক্যমঞ্চ গঢ়ি তুলিব লাগিব।

জটিল জাতিগত প্ৰশ্নবোৰৰ ক্ষেত্ৰত প্ৰণালীবদ্ধ চিন্তা তথা অধ্যয়ন আৰু মুক্ত আলাপ-আলোচনা সকলোৱে বাবে মংগলজনক। জনজাতিবিলাকৰ স্বায়ত্তশাসনৰ প্ৰশ্ন

সম্পৰ্কত আগত আলোচনা কৰি আহিছো। জাতিগত বিভাজনৰ কূট-কৌশল পৰিহাৰ কৰিবলৈ চৰকাৰক বাধ্য কৰিব লাগিব। কিন্তু একে সময়তে বিভিন্ন জনগোষ্ঠীৰ স্বায়ত্তশাসনৰ দাবীবোৰ ভালকৈ চালি-জাৰি চোৱাৰ কাম কেৱল চৰকাৰৰ হাতত এৰি নিদি গণতান্ত্ৰিক শক্তিবোৰেও ততালিকে হাতত ল'ব লাগিব। সেইদৰে অসমত অসমীয়া সংখ্যালঘুত পৰিণত হোৱাৰ আশংকাটোৰ ভিত্তি আছেনে নাই তাকো চালি-জাৰি চাব লাগিব। এই আশংকা সঁচা প্ৰমাণিত হ'লে সি অসমীয়া অনাঅসমীয়া কাৰো বাবেই মংগলজনক নহ'ব। তথাপি অসমীয়াই এটা সত্য হজম কৰিব লাগিব : একাংশ জনজাতীয় লোকে অসমীয়া পৰিচয় ত্যাগ কৰাত আৰু দেশী-বিদেশী বহিৰাগতৰ অবাধ প্ৰব্ৰজনৰ ফলত অসমীয়াভাষী লোকৰ সংখ্যা কমি যোৱাটো নিতান্তই স্বাভাৱিক কথা। এনে পৰিস্থিতিত অসমীয়াৰো কিছু কৰণীয় আছে। বিদেশী অনুপ্ৰবেশ বন্ধ কৰাৰ দায়িত্ব একচেটিয়াভাৱে চৰকাৰৰ ওপৰত ন্যস্ত। কিন্তু বৃহত্তৰ অসমীয়া সমাজখনৰ আভ্যন্তৰীণ ভাঙোন চৰকাৰে ৰোধ নকৰে বা কৰিব নোৱাৰে। সেই কাম গণতান্ত্ৰিক শক্তি তথা উদাৰ জাতীয় সংগঠনবোৰেই কৰিব লাগিব। প্ৰয়োজনসাপেক্ষে প্ৰশাসনিক ব্যৱস্থা ল'বলৈ চৰকাৰকো হেঁচা দিব লাগিব। এই ক্ষেত্ৰত বিসকল জনজাতীয় লোক, অভিবাসী মুছলমান কৃষক বা চাহ বাগিচাৰ মজদুৰে এতিয়াও অসমীয়া পৰিচয়কে খামোচ মাৰি ধৰি আছে তেওঁলোকৰ মুক্ত সংমিশ্ৰণৰ অপূৰণীয় চৰ্তবোৰ অনতিপলমে পূৰণ কৰিব লাগিব। তাৰ বাবে বিশেষ আৰ্থ-ৰাজনৈতিক ৰক্ষাবেক্ষণবো প্ৰয়োজন হ'ব পাৰে। তেনে প্ৰয়োজনবোৰ অকাতৰে পূৰণ কৰিব লাগিব। সেইদৰে অসমীয়া ভাষা সংস্কৃতিক সকলো ধৰণৰ গোড়ামি বা সংকীৰ্ণতাৰ পৰা মুক্ত কৰিব লাগিব আৰু তাৰ সংজ্ঞা বহলাব লাগিব। এই কাম অসম সাহিত্য সভাই কৰেনে নতুন সাহিত্য পৰিষদে কৰে সেইটো ডাঙৰ কথা নহয়। ডাঙৰ কথাটো হ'ল নিষ্ঠাৰে এই কাম হাতত লোৱা। বিসকল ইতিমধ্যে আঁতৰি গৈছে বা আঁতৰি যাবলৈ বিচাৰিছে তেওঁলোকৰ ফালেও সহানুভূতি আৰু সহযোগিতাৰ হাত প্ৰসাৰিত কৰিব লাগিব। গোড়া অসমীয়াসকলে এইকথা বা প্ৰয়োজন মানি ল'বলৈ মৰ্মান্তিক কষ্ট পাব পাৰে। কিন্তু নামানিলে ক্ষতিৰ পৰিমাণহে বাঢ়ি যাব। তদুপৰি সকলো ধৰণৰ উগ্ৰতা, হিংসা আৰু অস্ত্ৰ-শস্ত্ৰ পৰিত্যাগ কৰি এটা মুক্ত গণতান্ত্ৰিক পৰিবেশ গঢ়ি তুলিব লাগিব। তেনে এটা মুক্ত শান্তিপূৰ্ণ আৰু গণতান্ত্ৰিক পৰিবেশতহে জাতীয় জীৱনবো শ্ৰীবৃদ্ধি ঘটিব পাৰে। সকলো অসমীয়াই এই কথা মনে-প্ৰাণে স্বীকাৰ কৰি ল'ব লাগিব যে অসম সদায় ভাৰতীয় মহাজীৱনৰ এটা বৈচিত্ৰ্যময় অংগ হৈ থাকিব আৰু সকলো ভাষা, ধৰ্ম, জাতিৰ মানুহে সমান অধিকাৰ আৰু সমমৰ্যাদা লৈ এইখন ৰাজ্যত একেলগে বাচি থাকিব লাগিব। অসমীয়াই নিজৰ জাতিগত পৰিচয় তথা ভাষা-সংস্কৃতিৰ সুৰক্ষা তথা বিকাশৰ বাবে নিশ্চয় চেষ্টা কৰিব। কিন্তু সেই কাম বাকীসকলক খেদি নহয়, লগত লৈহে।

একেদৰে সাম্প্ৰদায়িকতাবাদৰ প্ৰৱণতাকো অসমীয়াই জান-প্ৰাণ দি প্ৰতিৰোধ কৰিব

লাগিব। হিন্দু-মুছলমানৰ সম্প্ৰীতি তথা পাৰস্পৰিক সহযোগিতা অসমীয়া জাতিৰ জীৱন-মৰণৰ প্ৰশ্ন। অসমীয়া জাতিৰ ৰক্তধমনীত দুয়োটা সম্প্ৰদায়ৰ তেজ একেলগে প্ৰবাহিত। তাক পৃথক কৰিবলৈ গ'লে জাতিটোৰ মৃত্যু অনিবাৰ্য। ১৯৭৯-৮৫ ৰ বিদেশী বিতাড়ন আন্দোলনৰ অন্তৰালত সক্ৰিয় হৈ উঠা মুছলমান খেদাৰ প্ৰৱণতাই জাতিটোক আত্মঘাতীৰ পথলৈহে ঠেলি দিছিল। সেই ভুলৰ পুনৰাবৃত্তি হ'ব অতি ভয়ংকৰ। অতি মৰ্মান্তিক। হিন্দু অসমীয়াই এই সত্য যিমান সোনকালে উপলব্ধি কৰে সিমানে মংগল। তদুপৰি বিদেশীৰ চিনাক্তকৰণ তথা বহিষ্কৰণৰ দৰে জটিল, স্পৰ্শকাতৰ বিষয়তো অত্যধিক সাৱধানতাৰ প্ৰয়োজন।

বিকাশমান থলুৱা জনগোষ্ঠীবোৰেও তেওঁলোকৰ উগ্ৰ জাতীয়তাবাদী নেতাসকলৰ পাছে পাছে দৌৰা-দৌৰি নকৰি এটা সংমিশ্ৰিত জীৱন আৰু সংস্কৃতিৰ লাভালাভবোৰ পৰিচ্ছন্ন মনেৰে চালি-জাৰি চাবলৈ চেষ্টা কৰা উচিত। স্বকীয় জাতিগত পৰিচয় তথা ভাষা-সংস্কৃতিৰ উপযুক্ত ৰক্ষণা-বেক্ষণ আৰু প্ৰয়োজনীয় আৰ্থ ৰাজনৈতিক নিৰাপত্তা তেওঁলোকে নিশ্চয় পাব লাগিব। কিন্তু একে সময়তে তেওঁলোকে ভালকৈ চালে দেখিব যে এটা বৃহত্তৰ যৌথজীৱনৰ পৰিচয়ে তেওঁলোকৰ বাবেও শক্তি আৰু সমৃদ্ধি বহন কৰি আনিব পাৰে।

অসমৰ অন্যান্য ভাষিক সংখ্যালঘুসকলৰো আৰ্থ-ৰাজনৈতিক-সাংস্কৃতিক অধিকাৰ সুৰক্ষিত হ'ব লাগিব। সংখ্যাগুৰু অসমীয়াই সেই নিশ্চয়তা দিব লাগিব। নহ'লে গণতন্ত্ৰ বিপৰ্যস্ত হ'ব আৰু ৰাজ্যখনৰ শান্তি আৰু সমৃদ্ধিও ব্যাহত হ'ব। কিন্তু সংখ্যালঘুসকলেও বুজিব লাগিব যে সংখ্যাগুৰু আৰু সংখ্যালঘু উভয়ৰে ঐক্য তথা পাৰস্পৰিক সহযোগিতা অবিহনে তেওঁলোকৰ অধিকাৰ কেতিয়াও নিৰাপদ হ'ব নোৱাৰে। সংখ্যাগুৰু অসমীয়াৰ সহযোগিতা তথা সহমৰ্মিতা আদায় কৰাৰ বাবে সংখ্যালঘু সম্প্ৰদায়েও কিছু উদ্যোগ আৰু উদাৰতা দেখুওৱাৰ প্ৰয়োজন আছে।

মোৰ আলোচনাত কিতাপখনৰ উপসংহাৰত মই এনে কিছুমান জৰুৰী কাৰ্যব্যৱস্থাৰ কথাই আলোচনা কৰিছিলো। সময়সাপেক্ষে তেনে কাৰ্যব্যৱস্থাৰ কিছু সালসলনি বা সম্প্ৰসাৰণৰ প্ৰয়োজন হ'ব পাৰে। কিন্তু এতিয়ালৈকে তেনে প্ৰয়োজন জৰুৰী হৈ উঠিছে বুলি ভবা নাই। প্ৰশ্নবোৰৰ মীমাংসাৰ বাবে এনে কিছুমান জৰুৰী কাম-কাজৰ মাজেদিয়েই সকলোৰে এটা উমৈহতীয়া আৰু আশাব্যঞ্জক পটভূমি ৰচনা কৰিব লাগিব।

('আজিৰ বাতৰি', ১২ জানুৱাৰী, ১৯৯৪)

পৰিশিষ্ট - ৪

বাপচন্দ্ৰ মহন্তৰ প্ৰত্যুত্তৰ

যোৱা ১২/১/৯৪ তাৰিখে আপোনাৰ কাকতত প্ৰকাশিত এখন কিতাপৰ প্ৰতিক্ৰিয়াৰ প্ৰত্যুত্তৰ পঢ়িলো। প্ৰত্যুত্তৰটো এটা ভাল প্ৰত্যুত্তৰ বুলি মই গ্ৰহণ কৰিছো। মই লিখা সমালোচনাটোৰ শীৰ্ষক আছিল এখন ভাল কিতাপৰ প্ৰতিক্ৰিয়া। পিছে প্ৰকাশ পাওঁতে ভাল শব্দটো থাকি গ'ল। যি হওক মই কিতাপখন ভাল পাইহে সংশোধনৰ উদ্দেশ্যে সমালোচনাটো লিখিছিলো প্ৰকৃততে লেখক আৰু সমালোচক কোনোৱেই নিজৰ বিচাৰ সম্পূৰ্ণ শুদ্ধ আৰু সংস্কাৰমুক্ত নিৰপেক্ষ বুলি দাবী কৰিব নোৱাৰে। সেইদৰে পাঠকসকলৰ ভিতৰতো সকলোৰে গ্ৰহণ ক্ষমতা সমান হোৱা একে ধৰণৰ হ'ব নোৱাৰে। এনেস্থলত সমালোচনাই লেখকৰ বিষয়বস্তুটোক এটা সুকীয়া দৃষ্টিৰে চাবলৈ আৰু লেখকক বুজিবলৈ কিছু সহায় কৰিব পাৰে। লেখক, সমালোচক আৰু পাঠক এই তিনিওটা পক্ষৰ বুজাবুজিৰ যোগেদিহে সামাজিক চিন্তাৰ ক্ৰমবিকাশ ঘটিব পাৰে। এই ক্ষেত্ৰত লেখক আৰু সমালোচকৰ মাজত ঐক্যমত গঢ় লৈ উঠা-নুঠাটো ঘাই কথা নহয়। দুয়োপক্ষৰে নিজ নিজ মত সমৰ্থনৰ অধিকাৰ আছে এই দৃষ্টিত প্ৰত্যুত্তৰো সমালোচনা হ'ব পাৰে, কিন্তু তেনে কৰিবলৈ গ'লে পাঠকসকলক স্বতন্ত্ৰভাৱে চিন্তা কৰি সিদ্ধান্ত গ্ৰহণ কৰাৰ ক্ষেত্ৰত বাধাগ্ৰস্ত কৰা হয়। সেইকাৰণে মই এই প্ৰসংগত প্ৰত্যুত্তৰৰ উত্তৰ দিব খোজা নাই। সকলো বিষয়তে শ্ৰীগগৈ আৰু মোৰ মাজত বিচাৰৰ দৃষ্টিভংগী একে নহ'লেও প্ৰত্যুত্তৰৰ শৈলী আৰু ভাষাটো মই ভাল পাইছো। গতিকে শ্ৰীগগৈৰ প্ৰত্যুত্তৰটো এটা ভাল প্ৰত্যুত্তৰ বুলি মই স্বীকাৰ কৰিছো। শ্ৰীগগৈৰ ৰচনাশৈলী আৰু ভাষা মূল কিতাপখনতো এনে ধৰণৰ হোৱা হ'লে মোৰ সমালোচনাৰ ধৰণো সুকীয়া হ'লহেঁতেন। মই আশা কৰো ভৱিষ্যতে প্ৰকাশ পাবলগীয়া শ্ৰীগগৈৰ সামাজিক চেতনা বিষয়ক চিন্তাৰ বিশ্লেষণাত্মক ৰচনাৱলীয়ে অসমীয়া আলোচনা সাহিত্যৰ ক্ষেত্ৰত এটা উজ্জ্বল আদৰ্শ দাঙি ধৰিবলৈ সক্ষম হ'ব। শ্ৰীগগৈলৈ আপোনাৰ কাকতৰ যোগেদি মোৰ ব্যক্তিগত শুভকামনা জ্ঞাপন কৰিলো।